# কাচৰ দৰে, হীৰাৰ দৰে

FERENCE
t to be lent out

STATE CENT
ASS

REFERENCE
Not to be lent out

# কাচৰ দৰে, হীৰাৰ দৰে

( 'ত্ৰিলজী'ৰ আৰ্হিত লিখা তিনিখন চুটি উপন্যাস )

গোবিন্দ প্ৰসাদ শৰ্ম্মা

TE CENTRAL

পৰিবেশক : বৰুৱা এজেন্সী : গুৱাহ

*Kāchar Dare', Hirār Dare'*—a collection of three Assamese short novels written in trilogy form by Gobinda Prasad Sarma and published by Deben Dutta, Dighali Pukhuri Par, Gauhati-1, Assam.

প্ৰথম সংস্কৰণ : মে' ১৯৬৮

প্ৰকাশক : দেবেন দত্ত, দীঘলী পুখুৰী পাৰ,
গুৱাহাটী-১, অসম

প্ৰচ্ছদ আৰু নামপৃষ্ঠাৰ শিল্পী—ত্ৰৈলোক্য দত্ত

দাম : চাৰি টকা

মুদ্ৰক : শ্ৰীদেবপ্ৰসাদ মিত্ৰ
এলেন্ প্ৰেছ
৬৩, বিডন ষ্ট্ৰীট, কলিকতা-৬

উদয় দত্তর নামন্ত

# সুচী-পত্ৰ


| | | | | |
|---|---|---|---|---|
| (ক) | প্ৰদ্যুম্ন ত্ৰিতত্ত্ব | .. | .. | ১-৫০ |
| | ১। প্ৰদ্যুম্ন চলিহাৰ প্ৰেম | .. | .. | ৩ |
| | ২। প্ৰদ্যুম্ন চলিহাৰ বিৰহ | .. | .. | ২২ |
| | ৩। প্ৰদ্যুম্ন চলিহাৰ বিবাহ | | .. | ৩৮ |
| (খ) | অৰুন্ধতী ত্ৰিতত্ত্ব | .. | .. | ৫১-১১৯ |
| | ৪। অৰুন্ধতীৰ ছলনা | .. | .. | ৫৩ |
| | ৫। অৰুন্ধতীৰ বেদনা | .. | .. | ৯২ |
| | ৬। অৰুন্ধতীৰ শান্তনা | .. | .. | ১০৮ |
| (গ) | পিটনি পুখুৰী ত্ৰিতত্ত্ব | .. | .. | ১২১-২৬২ |
| | ৭। পিটনি পুখুৰীত অদৃশ্য লীলা | .. | .. | ১২৩ |
| | ৮। পিটনি পুখুৰীত প্ৰগতি ক্ৰিয়া | . | .. | ১৬৪ |
| | ৯। পিটনি পুখুৰীত বেলুন খেলা | .. | .. | ২১২ |

প্রদ্যুম্ন মিত্র

Do you know, I have often had a dream
. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .
Of man's poor spirit in its progress still
Losing true life for ever and a day
Through ever trying to be and ever being
In the evolution of successive spheres,
Before its actual sphere and place of life,
Halfway into the next, which having reached,
It shoots with corresponding foolery
Halfway into the next still, on and off !

BISHOP BLOUGRAM'S APOLOGY : BROWNING

প্ৰদ্যুম্ন ত্ৰিতত্ত্ব—(১)

# প্ৰদ্যুম্ন চলিহাৰ প্ৰেম

পুৱা টোপনিৰ পৰা সাৰ পাই সম্পূৰ্ণৰূপে সচেতন হৈ উঠাৰ লগে লগেই প্ৰদ্যুম্ন চলিহাৰ মনটোত এটি অজ্ঞেয় বেদনাৰ অনুভূতি জাগিল। সি অতিষ্ঠ হৈ উঠিল আৰু বিছনাতে বহি ললে। এই ৰোগটোৱে তাক এৰাই নিদিয়া হৈ পৰিছে। এৰা, কিবা এটা কৰিব লাগিব। চকু মুদি সময় কটাই দিবলৈ চেষ্টা কৰা আৰু বৃথা। সি খৰমযোৰ পিন্ধি ললে। আঠুৰাখন খুলি থলে। আৰু দাঁত-মজা বুৰুজডাল লৈ বাহিৰলৈ ওলাই গ'ল।

পুৱা সাত বজাৰ লগে লগে সি চাহ খাই উঠি টেবুলত বহিল কিবা অলপ পঢ়াৰ মনেৰে। ৰাতি, সি অলপ অলপ কব পাৰে, ডোবাপিটা বৰষুণ দিছিল। এতিয়া বেলি উঠিছে। খিৰিকীৰ মুখৰ গোলাপ জোপা অলপ যেন বেছি সজীৱ হৈ উঠিছে। মৃদু বতাহ চাটিত ভাঁহি অহা গোলাপৰ গোন্ধটিয়ে তাৰ মনটো আৰু বেছি উন্মনা কৰি তুলিলে। বিজিতাহঁতৰ ঘৰৰ পৰা এদিন গধূলি ওলাই আহোঁতে, তেওঁ তাক আগবঢ়াই দিবলৈ ওলাই আহিছিল পদূলিলৈ। ঘৰৰ সমুখৰ সৰু ফুলনিখনিত থোপাথোপে গোলাপবোৰ ফুলি আছিল। বিজিতাই কৈছিল, "চাওকচোন গোলাপবোৰলৈ, কেনে ধুনীয়াকৈ ফুলি উঠিছে।" আৰু লগে লগেই গধূলিৰ বতাহজাকে তাৰ নাকলৈ লৈ আহিছিল ঠিক এই গোন্ধটো। এৰা, তাৰ মনত পৰিছে, ঠিক এই গোন্ধটোৱেই।

কত মুৰ্খামি যে কৰি আহিছে তাৰ এই জীৱনটোত। কিয় সি উপেক্ষা কৰিলে বিজিতাৰ সৌন্দৰ্য্যৰ আহ্বান? তিলমান সময়ো সি তেওঁৰ কাষতে থিয় হৈ কিয় কৈ আহিব নোৱাৰিলে, 'এৰা বিজিতা, কেনে সুন্দৰকৈ ফুলিছে তোমাৰ এই গোলাপবোৰ'? কিয় সি নোৱাৰিলে তাইৰ হতুৱাই এটি গোলাপ ছিঙাই লৈ তাৰ লগত লৈ আহিব? আন এদিন সন্ধিয়া বিজিতাই কৈছিল, "মোৰ কাকতি উপাধিটো অকণো ভাল নেলাগে। এইটো মোৰ সলাই লবৰ মন গৈছে?" কিয় বাৰু সি কাপুৰুষৰ দৰে মনে মনে আছিল তেতিয়া? কিয় সি কব নোৱাৰিলে তাইক,

'দুদিনমান ৰবা, চলিহাক লিখিব পাৰিবা।' এৰা, বিজিতাৰ প্ৰতিটো কথাই কেনে সুন্দৰ, কেনে মধুৰ। তাই তাক কৈছিল, "আপোনাক এখন টেবুল ক্লথ্ উপহাৰ দিম, লবনে ?" সি তেতিয়া কিয় তাইক পৰম কৃতজ্ঞতাৰে লম বুলি কব নোৱাৰিলে ? সি মাথোন কৈছিল, "টেবুল ক্লথ্ এখনো উপহাৰ দিবলগীয়া বস্তুনে ? দুদিনমান পিছুতে সি লেতেৰা হব। তেতিয়া হয়তো তাক ধুম। আৰু লেতেৰা হ'ব। আৰু ধুম। তাৰ পিছত তাৰ ছবিবোৰ, ফুলবোৰ নাইকিয়া হৈ যাব। আৰু অৱশেষত, এদিন কাপোৰখনো যাব ফাটি নষ্ট হৈ।"

পুৱাৰ বতাহজাক যিমানেই আউল বাউল হৈ বলিবলৈ ধৰিলে, সিমানেই গোলাপৰ গোন্ধটো তাৰ নাকত আৰু বেছি ঘনকৈ, আৰু বেছি প্ৰকট হৈ লাগিবলৈ ধৰিলে। ইংৰাজীৰ ষষ্ঠ বাৰ্ষিকৰ ছাত্ৰ প্ৰদ্যুম্ন চলিহাই সমুখত মেলি লৈছিল জেম্‌ছ্ জয়্‌চৰ 'ইউলিচিজ্'। কিতাপ কিন্তু খোলা অৱস্থাতে পৰি ৰ'ল। দুৱাৰখন খুলি কব নোৱাৰোঁতে সি বাৰান্দা পালেগৈ। যেন কোনোবা আহিব তাৰ ওচৰলৈ। যেন বিজিতাহঁতৰ ভাইটি আহি তাক কৈ থৈ যাব, 'মাই আপোনাক মাতিছে আজি।' নাই, ৰাস্তাটো একেবাৰে শূণ্য। কেৱল নেপালী কাঞ্চা এজনে তাৰ বুঢ়া চাইকেলখনৰ হেণ্ডেলডালৰ দুয়োফালে এলিউমিনিয়ামৰ সাজ কেইটামান ওলোমাই দি এইফালে আহিছে ঝনক্ ঝনক্ শব্দ কৰি। সি পুনৰ সোমাই আহিল।

ধুমুহা ৰাতিৰ পিছত পুৱাৰ বেলিটো প্ৰখৰ হৈ উঠিছে। ৰূপালী ৰ'দবোৰ চাৰিওপিনে সিঁচৰতি হৈ পৰিছে। প্ৰদ্যুম্ন পুনৰ আহি টেবুলত বহিল। ফিট্‌জেৰাল্ডৰ 'ৰুবাইয়াৎ'খন খুলি লৈ দুই এটা স্তবকত সি চকু ফুৰাই গ'ল। দুটা এটা পংক্তিয়ে তাক কিছু শান্তনা দিলে। কিন্তু খায়ামেই তাৰ সমস্যাৰ শেষ সমাধান নহয়। সুৰা আৰু প্ৰিয়াৰে তোমাৰ অশান্ত মন শান্ত কৰিব পাৰা, যেতিয়া সুৰাৰ পিয়লা আগ বঢ়াই দিবলৈ তোমাৰ ওচৰত তোমাৰ প্ৰিয়াক পোৱা। কিন্তু যাৰ জীৱনত, যাৰ নিঃসঙ্গ, দোদুল্যমান অৱস্থিতিত কোনো দিন কোনো নাৰীৰ হাতৰ বুলনি নপৰিল, সি কি বিচাৰিব তাৰ সমস্যাৰ সমাধানৰ বাবে ? সি গীতাখন খুলি ললে। নাই। গীতাখন এলোপেথিক ডক্টৰবোৰৰ প্ৰেচ্‌ক্ৰিপ্‌চনৰ দৰে। টিউবাৰ এটা বাঢ়ি আহিছে, কাটি পেলোৱা। কিয় বাঢ়ি আহিল, তাৰ কাৰণৰ কি প্ৰয়োজন ? সি খুলি ললে এলিয়টৰ কবিতাৰ সংগ্ৰহ, আৰু পঢ়ি গ'ল লাইলাক্ ফুল ফুলাই তোলা এপ্ৰিলৰ নিষ্ঠুৰতাৰ কথা—স্মৃতি আৰু কামনাৰ সংমিশ্ৰণ সংঘটন কৰি; আৰু পঢ়ি গ'ল বৰষুণলৈ বাট চাই থকা সেই

বুঢ়াটোক এটি সৰু ল'ৰাই কিতাপ পঢ়ি শুনোৱাৰ কথা; আৰু পঢ়ি গ'ল সেই বিগত যৌৱনা প্ৰৌঢ়া ৰমণীজনীৰ এপ্ৰিলৰ সূৰ্য্যাস্তৰ সময়ত পেৰিচত কটাই অহা বসন্ত সৌৰৱণৰ কথা।

প্ৰদ্যুম্নই ঘড়ীটোলৈ চালে। চাৰে আঠ। সি গা ধুবলৈ ওলাই গ'ল। ক্লাচ অৱশ্যে নাই। বিহুৰ বন্ধ খোলা নাই। তথাপি তাৰ মনটোত বাহিৰে আন সকলোবোৰ কথা নিয়মৰ মাজেদি চলাই নি সি ভাল পায়। ভাত খাই উঠি যেতিয়া ঘড়ীটোলৈ পুনৰ চালে, তেতিয়া ন বাজি পোন্ধৰ মিনিট। ইতিমধ্যে সূৰ্য্য অদৃশ্য হৈছে। নীলা আকাশখন ক'লা মেঘে আৱৰি ধৰিছে। ওপোলা আকাশৰ পৰা নামিছে কিন্ কিন্ বৰষুণ। প্ৰদ্যুম্নৰ মনটোও গধূৰ হৈ পৰিল ঠিক বতৰটোৰ দৰেই। সি এনেয়ে এবাৰ চকীখনত বহি ললে।' নাই। ইয়াত আৰু বহি থাকিব নোৱাৰি। শুবনেকি সি? নাই। সিও অসম্ভৱ। মন যেতিয়া দিশহাৰা চিন্তাৰ কোবাল সোঁতত উটি ভাঁহি ফুৰে, তেতিয়া কিমান দিন সি বিছনাতে পৰি থাকিবলৈ চেষ্টা কৰিছে। কোন দিনানো পাৰিছে? আজি সি নোশোৱেই। সি ওলাই যাব। পিছে ক'লৈ? এৰা, ক'লৈ? গোস্বামী কালিয়েই অহাৰ কথা আছিল। যদি আহিছে, তেখেতৰ লগতেই কিছু সময় কটাব পৰা যাব। লগে লগে সি ওলালেই। জোতাযোৰ পিন্ধি উঠি ঘড়ীটো পিন্ধিবলৈ যেতিয়া সি সেইটোলে চায়, তেতিয়া পূৰা দহ। দুৱাৰখন বন্ধ কৰি সি ওলাই গ'ল। "Yet with these April sun-sets that somehow recall my buried life, and Paris in the Spring.... ."

কোন বাটেৰে? চাৰিআলিৰ চ'কটোতে সি বৈ গ'ল। বিজিতাহঁতৰ পদূলিৰে গোস্বামীৰ মেচলৈ চমু হয়। কিন্তু, কিন্তু কিজানিবা বিজিতা দুৱাৰ মুখতে থিয় হৈ আছে। কিজানিবা তেওঁ তাক দেখে। কিজানিবা তেওঁ তাক মাতে। সি যাবনে? তাৰ মনটো অলপ কঁপি উঠিল। এতিয়া নিশ্চয় বিজিতাৰ দেউতাক অফিচলৈ ওলাই গ'ল। দাদাকো নিশ্চয় এই সময়ত ঘৰত নাথাকে। কেৱল মাক, বিজিতা আৰু কণমানি আইজনী। এৰা, এৰা, সি চোন তালৈকেই যাব পাৰে? আজি কিমান দিন যোৱা হোৱা নাই তেওঁলোকৰ ঘৰলৈ। বন্ধুৰ যেতিয়া পৰীক্ষা শেষ হয়, বিজিতাৰ মাকে তাকতো কৈছিল, "তুমি সেইবুলি আমাৰ ঘৰৰ ল'ৰাৰ দৰেই হৈ পৰিছা। সদায় সদায় আহি থাকিবা।" এৰা, সি তালৈকে যাব। বিজিতাৰ স'তে কথা পাতিব। বিজিতাৰ মাকৰ স'তে কথা পাতিব। আইজনীক হঁহুৱাব, নচুৱাব, লব। সময়বোৰ তাৰ আঙুলিৰ ফাঁকেৰে সৰকি যাব।

তেন্তে সচাই সি যায়নেকি তেওঁলোকৰ ঘৰলৈ ? ইমান সময়ে সি যে চ'কটোতে থিয় হৈ আছিল, সেইটো তাৰ এতিয়াহে জ্ঞান হ'ল। চাবি আলিৰ পৰা বিজিতাহঁতৰ ঘৰমুৰা হৈ সেইফালে দুখোজমান আগবাঢ়িলেই সি। হঠাৎ এখন টেক্সীয়ে পেঁ পেঁকৈ দি তাক অলপ থিয় কৰাই ৰাখিলে। ASK 1344, ASK 1344, ASK 1344....ক'লা ৰঙৰ ওপৰত বগা ৰঙেৰে লিখিলে টেক্সী, নে বগা ৰঙৰ ওপৰত ক'লা ৰঙেৰে লিখা থাকিলে টেক্সী ? কোনটো ? কোনটো ? এৰা, সি পাহৰিলে কোনটো। সৌৰভ। সৌৰভ নিশ্চয় এতিয়া শ্বিলঙত তাৰ সমাগত বি. এছ. ছি. পৰীক্ষাৰ হেঁচাত কুঁজা পৰি আছে। সৌৰভ। শ্বিলং। গলফ্ লিঙ্ক্। পাতল সেউজীয়া ঘাঁহেৰে আবৃত বিস্তৃত পথাৰ। তাৰ চতুৰ্দ্দিশে ডাঠ সেউজীয়া সৰল গছৰ পাতে পাতে মৃদু বতাহৰ সোঁ সোঁৱনি। আৰু তাৰো ওপৰলৈ ডাঠ নীলা নিৰ্ম্মল আকাশ। গল্ফ্ লিঙ্ক্। লাইটুমুখ্ৰা নে লাইমুখ্ৰা ? লাইটুমুখ্ৰা নে লাইমুখ্ৰা ? সৌৰভ। সৌৰভ এতিয়া বহুত দূৰত।

সি ৰাস্তাৰে বহুত দূৰলৈ চাই পঠিয়ালে। বিজিতাহঁতৰ পদূলিমুখখন সি সুন্দৰকৈ দেখা পালে। এখোজ আগবঢ়াব খুজিছিলহে সেইপিনে, হঠাৎ সি বৈ গ'ল। সি কিয় যাব বিজিতাহঁতৰ ঘৰলৈ ? বিজিতা তাৰ কি হয় ? বিজিতাৰ ভায়েক ৰঞ্জুক সি পঢ়ুৱাইছিল। পূৰা দুটা বছৰ। কিন্তু তাৰ বাবে সি টকা লৈছিল, তাৰ পাৰিশ্ৰমিক সি গ্ৰহণ কৰিছিল। ঘৰখনৰ স'তে তাৰ সম্পৰ্ক কিটো ? ৰঞ্জুকটো এতিয়া সি নপঢ়ুৱায়। সি কিয় যাব তেন্তে তালৈ ? তাৰ সকলো সম্পৰ্ক শেষ হৈ গৈছে ঘৰখনৰ স'তে। প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ ছাত্ৰী বিজিতা তাৰ একো নহয়। এৰা, কোনোদিন একো নহয়। সেই কাৰণেই, এইবেলি বিহুত এবাৰ তাক নেমাতিলেও ঘৰখনলৈ। কথাষাৰ মনত পৰাৰ লগে লগে সি যেন এটি গভীৰ টোপনিৰ পৰা সাৰ পাই উঠিল। বিহু যাবৰ আজি তিনিদিন হোৱা নাই। কি নিধকৰ দৰে ওলাইছে সি মানুহ ঘৰৰ তালৈ যাবলৈ ? সি উভতিব খুজিলে। নাই। পুনৰ আগবাঢ়িল। ৰাস্তাৰে মানুহ যোৱাটোও বাধানে ? সি কিয় নাযাব সিহঁতৰ বাটৰ আগেৰে গোস্বামীৰ মেছলৈ ?

এৰা, সি চোন সঁচাই বিজিতাহঁতৰ ঘৰৰ সমুখ পালেহি। সি কেৰাহিকৈ পদূলিটোলৈ চাই ললে। শূন্য। ৰক্ষা! ঘৰখনৰ ঠিক সমুখ পোৱাৰ লগে লগে সি পৰ্দ্দাৰ ফাঁকেৰে খুব সন্তৰ্পণে ড্ৰয়িং ৰুমৰ ভিতৰলৈ চাই পঠিয়ালে। শূন্য। সি আগবাঢ়িল।

গোস্বামী ঘৰৰ পৰা উভতি অহা নাই। দাস আছে। কাপোৰবোৰ পিন্ধিলৈ ভৰিত মোজা সুমুৱাবলৈ ধৰিছে দাসে বিছনাত বহি।

"অফিচলৈ যায়নেকি, দাস ?"

"চাকৰি নাই ভাই। এজনে দীঘলীয়া ছুটী লৈছিল ঘৈণীয়েকৰ প্ৰসৱৰ অজুহাতত। যিদিনা তেওঁ পোনাটিৰ সৈতে ঘৈণীয়েকক হস্পিটেলৰ পৰা আনি ঘৰ সুমুৱালেহি, সেই দিনাৰপৰাই মোৰ চাকৰি নাই।"

বেচেৰালৈ অলপ দুখ লাগিল প্ৰদ্যুম্নৰ। "আপুনি এতিয়া কলৈ যায় তেন্তে?"

"ক্লাবলৈ।"

"বাদ দিয়ক ক্লাবলৈ যোৱা এই দুপৰীয়া। মোৰ লগত ওলাওক। পাণবজাৰত তহল দিওঁগৈ দুয়ো।"

"দুপৰীয়া ক্লাবলৈ নগৈ ৰাস্তাই ৰাস্তাই ঘুৰেনে কোনোবাই ? মই যাব নোৱাৰোঁ, ভাই।"

দাসৰ ছাতি নাছিল। ক্লাবটো দুই ফার্লংমান আঁতৰত। তেখেতে প্ৰদ্যুম্নৰ ছাতিৰ তলতেই ওলাল। পাণবজাৰলৈ যোৱা মূল বাটটো পালত প্ৰদ্যুম্নই দাসক এৰিলে। দাসে মুখত ৰুমাল লৈ দৌৰ মাৰিলে ক্লাবলৈ। ক'লৈ যাব প্ৰদ্যুম্ন এতিয়া ? পাণবজাৰ ? পাণবজাৰৰ ক'লৈ ? ফাঁচীবজাৰ ? অ', নাই, নেলাগে ফাঁচী বজাৰলৈ যাব। ডি. চি. অফিচতে বিজিতাৰ জেঠাকৰ ন'ৰা দধি কাকতিয়েও কাম নকৰে জানো ? দাসে তাত কাম কৰোঁতেই জানিছে কথাষাৰ। এৰা, সি তালৈকে যাব। দধি কাকতিৰ ওচৰলৈকে যাব।

সি গৈ ডি. চি. অফিচ পালেই। এতিয়া কিমান সময় ? এঘাৰ ? মাত্ৰ ? নাই। অফিচ বহিবৰ যাথোন এঘণ্টাহে হ'ল। অলপ পিছলৈহে অহা উচিত হ'ব। সি অফিচ চেৰাই গৈ পানবজাৰৰ চাবি আলিৰ চ'ক পালে গৈ। কিনু কিন্ কৈ বৰষুণ পৰিয়েই আছে। আলিটোত মানুহ পাতল। গাড়ীবোৰ কিন্তু চলিয়েই আছে। সি কিতাপৰ দোকান এখনত সোমাই নতুনকৈ অহা কিতাপবোৰত চকু ফুৰালে। তাৰ পিছত ওলাই আহিল। আকৌ আন এখনলৈ গ'ল। দুখনমান আলোচনীৰ নতুন সংখ্যাত চকু ফুৰালে। আকৌ ওলাই আহিল। ওভাৰ ব্ৰিজৰ পিনে যোৱা ৰাস্তাটোৰে সি খোজ ললে। 'হিন্দুস্থান বিল্ডিং'। তৃতীয় মহলাত ভঁৰালীয়ে কাম কৰে। যাবনেকি ? উঠি ? নাই। পৰহি কেৱল তাৰ কাষত বহি এঘণ্টা আড্ডা দি আহিছে। ঘনাই গ'লে তাৰ ঋহু'এ বেয়া পাব তাক। পুনৰ উভতিলে সি।

'গুৱাহাটী ডায়েৰী'ৰ সমুখত নতুন ফাষ্ট্ ক্লাছ্ গাড়ী এখন আহি ৰ'লহি। তাৰ পৰা নামি ডায়েৰীলৈ সোমাই আহিল এজন চৌখিন স্বাস্থ্যৰ ডেকাৰ লগত উৎকট্ ধুনীয়া এক গাভৰু তিৰোতা। প্ৰদ্যুম্নই তথা লাগি চালে মানুহজনীলৈ। কি খাই তৈয়াৰ কৰে ইহঁতে ইহঁতৰ স্বাস্থ্যবোৰ, সৌন্দৰ্য্যবোৰ।

পুনৰ আহি পাণবজাৰৰ চাৰিআলি পোৱাৰ লগে লগে সি দেখা পালে ৰুদ্ৰ বৰদলৈক। "হেই ৰুদ্ৰ, ক'লৈ যাব ?" সি এক প্ৰকাৰ জঁপিয়ায়েই পৰিল ৰুদ্ৰ বৰদলৈৰ গাত আৰু তাক টানি লৈ আহিল 'মহামায়া কেবিন'ৰ বাৰান্দালৈকে। ৰুদ্ৰ বৰদলৈয়ে এইবাৰো বি. এ. পৰীক্ষা দিব। এইবাৰো আকৌ দীঘলীয়া ছুটীৰ বাবে আবেদন কৰিবলৈ ওলাইছে। তাৰ টান বেমাৰ বুলি ডাক্টৰৰ চাৰ্টিফিকেট লাগে।

"বাদ দে ডাক্টৰৰ চাৰ্টিফিকেট। বল 'কল্যাণী'লৈ। চাহ খাই লওঁ দুয়ো গৈ।"

"ৰ', চাহ খাবি। পইচা আছে জানো লগত ?"

"মোৰ আকৌ কিহৰ পইচা ? তই চাৰ্টিফিকেট লবি ইমান মহৎ উদ্দেশ্যৰ বাবে মিছা কথা কৈ। চাহ তোৰ।"

"নাই, নোৱাৰোঁ ভাই। পাঁচটা টকা আছেই লগত। ডাঃ মজুমদাৰৰ চাৰ্টিফিকেট লম। তেখেতৰ চাৰ্টিফিকেট হ'লে ছুটী পোৱাত গোলমাল নাই। গতিকে পাঁচোটা টকাই লাগিব।"

"নালাগে বল ডাক্টৰ মজুমদাৰৰ চাৰ্টিফিকেট। আন ডাক্টৰৰ চাৰ্টিফিকেটেৰেও চলি যাব। চাৰি টকাতেই হবও। বাকীটো টকাৰে চাহ। বল, আপত্তি নৰখিব তোৰ।"

সি ৰুদ্ৰ বৰদলৈক হাতত ধৰি, চোলাত ধৰি টানিবলৈ ধৰিলে। কিন্তু তাক আৰু নোৱাৰিবি। ৰুদ্ৰক এই স্বভাবটোৰ কাৰণেই বেয়া লাগে। চাহ খুওৱাতো ইমান চিকটা হ'লে চলেনে ? কাৰবাক চাহ খুৱাব লাগিব বুলি ৰুদ্ৰই লগত পইচাই নাৰাখে। কি যে লেতেৰা স্বভাবৰ ল'ৰা। উপায় নেপাই প্ৰদ্যুম্নয়েই খুৱাব বুলি লৈ গ'ল ৰুদ্ৰক 'কল্যাণী'লৈ।

'কল্যাণী'ৰ ওপৰ মহলাত মানুহৰ ভাৰ তেতিয়া নাই। চাহ আহি পোৱাৰ লগে লগেই এঢোক খাই প্ৰদ্যুম্নই আৰম্ভ কৰিলে, "তই জীৱনত কিমান ভাল মানুহ লগ পাইছ অ', ৰুদ্ৰ ?"

"ভাল মানুহ লগ পোৱা, বেয়া মানুহ লগ পোৱাটো সম্পূৰ্ণৰূপে

নিজৰ ব্যক্তিত্বৰ লগত সম্পৰ্ক থকা। মই যদি আৰম্ভত বহুত ভাল মানুহ লগ পাইছোঁ, তেন্তে মই নিজে ভাল মানুহ কাৰণেই।"

"থ, থ, ৰুদ্ৰ। কেঁচুৱাৰ মুখত দৰ্শনৰ গভীৰ তথ্যৰ কথা শুনিলে হাঁহি উঠি যায়। ইঞ্জিওৰেন্সত কেৰাণীগিৰি কৰিছ। মাহৰ শেষত দৰ্মহাকিটা গণি লৈছ। ঘৰত টকা দিব নালাগে। তই সংসাৰৰ কি আভাস পাব? মোৰ দৰে যদি মানুহৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিলিহেঁতেন ল'ৰাছোৱালী পাঢ়ুৱাই, আৰু যদি দৰ্মহা দিবলৈ পাহৰা বা পহৰা ভাও জোৰা তথাকথিত অভিজাত শ্ৰেণীৰ গৃহস্থক দৰ্মহাৰ কথা সোঁৱৰাই দিবলৈ লাজ কৰি হাতত বাচৰ ভাড়া নাই বাবে বিশ্ববিদ্যালয়ৰ ক্লাচ খটি কৰিলিহেঁতেন, তেতিয়া বুজিলিহেঁতেন বেয়া মানুহ, ভাল মানুহ লগ পোৱাটোৰ লগত নিজে ভাল বা বেয়া হোৱাৰ কোনো সম্পৰ্ক নাই। ভাল মানুহ মই এজনেই লগ পালোঁ, ৰুদ্ৰ—উজান বজাৰৰ কমল নাৰায়ণ কাকতি। ডি. চি. অফিচৰ কোনোটো অফিচৰ হেড্‌ক্লাৰ্ক। বয়স ভাটী দিছে। গম্ভীৰ, অল্পভাষী মানুহজন। গ্ৰেজুৱেট্। কিমান বছৰ আগৰ গ্ৰেজুৱেট্ মন কৰিবি। কেৰাণীয়ে হৈ ৰ'ল তথাপি। কোনোখন জিলাৰ জিলাধিপতি হৈ তেখেত অৱশ্যে আজি মটৰ দৌৰোৱা নাই, ল'ৰা-ছোৱালী কিটাৰ বাবে লাখ-পতিৰ সন্তান বুলি এটি পৰিচয় গঢ়ি তোলা নাই। কিন্তু তেখেতৰ পুৰস্কাৰ, তেখেতে আশীৰ্ব্বাদ, পৰিয়ালখন সুন্দৰকৈ, কতো অকণো আসোঁৱাহ নোহোৱাকৈ চলাই নিয়াৰ এটি উদাৰ প্ৰশান্তি, ল'ৰা-ছোৱালী আটাই কেইটাকেই সুমতিৰ, সৎবুদ্ধিৰ কৰি গঢ়ি তোলাৰ এটি সুবিমল আনন্দ।"

"কিন্তু ৰবি। এজন মানুহক তেনেকুৱা দেৱতা কৰি তুলি দিয়াৰ উৎস কি?"

"তাৰ কোনো উৎস নাই। ভাল মানুহ এজন লগ পালোঁ। তাৰ বাবে মই নিজেই ধন্য হৈ গৈছোঁ। আৰু তেখেতৰ গৈণীয়েক। উঃ, what a goddess is she! মই যেন তেওঁৰ নিজৰেই ল'ৰা। যিদিনা চাহৰ লগত কিবা এবিধ দিব নোৱাৰে, চুলি কিডাল মোৰ আলফুলকৈ পিছি দি কৈ যাব, 'বেয়া নাপাবা, বোপা।' তেওঁৰ ছোৱালী তেনে নহৈ আৰু কোন হ'ব? মই বিজিতাৰ কথা কৈছোঁ, ৰুদ্ৰ। তেওঁলোকৰ নুমলীয়া ছোৱালী বিজিতা। পঢ়ে প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত। কলেজীয়া ছোৱালী বুলি এদিন এটিও ভেম পতা নেদেখিলোঁ। চাকৰটোক চাহ আনিবলৈ নিদি নিজে আনি দি যাবহি। কোনোবা এদিন চাহ কৰাত

দেৰি হ'লে কৈ যাবহি, 'যাওঁতে অকণ মাত দি যাব দেই'। আহিবৰ সময়ত যেতিয়া মাত দিওঁ বিজিতাক, তেতিয়া ক'ব, 'বব ক'ত যায়। বব ঘড়ীৰ কাটাৰ লগে লগে ঘূৰাটো নেদেখুৱাবচোন। ঘড়ীটো ভাঙি দিম কেতিয়াবা। অকণমান বহক বন্ধুৰ লগত। শিক্ষক হিচাবে নহয় কিন্তু। মানুহ হিচাবেহে।' মই বহিম আৰু ইতিমধ্যে তেওঁ চাহমিঠাই লৈ আহিব। কিমান বুদ্ধিমতী, কিমান মৰমিয়াল ছোৱালী বিজিতা, চা চোন।"

"পিছে ৰবি, উৎপটো চাহৰ আতিশয্য নে বিজিতা ?" ৰুদ্ৰই বহাৰ পৰা উঠি দুষ্ট হাঁহি এটি মাৰি সুধিছিল।

"তই ছুটী লব পাৰিবি, বি. এ. পাচ কৰিবও পাৰিবি, সকলো কৰিব পাৰিবি। কিন্তু তই মানুহ হ'ব নোৱাৰিবি, ৰুদ্ৰ।"

প্ৰদ্যুম্নৰ চকুত কৃত্ৰিম ক্ৰোধৰ ভাব। সি গৈ মনে মনেই চাহৰ পইচা দি দিলে। তাৰ পিছত ক'লে, "তোৰ লগতেই যাব পাৰোঁ অ', ৰুদ্ৰ। ডাক্তৰৰ ওচৰৰ পৰা উভতি আহি তই গোটেই দিনটো মোৰ লগত কটাবিতো ?" ৰুদ্ৰই সন্মতি জনালে। আৰু সি ৰুদ্ৰৰ লগে লগে যাবলৈ ধৰিলে। ৰুদ্ৰৰ স'তে খোজ কাঢ়ি কাঢ়ি প্ৰদ্যুম্নৰ ভাব হ'ল, ডি. চি. অফিচলৈ যোৱাটোহে তাৰ ঠিক হ'ব। আজিয়েই। তাৰ অন্তৰখনে সেইটোৱেই বিচাৰিছে আজি। কিমানদিন যোৱা নাই সি বিজিতাহঁতৰ ঘৰলৈ। তালৈ যোৱাত কিমান যে বাঁধা তাৰ। কিমানদিন যাওঁ বুলি গৈছে; অথচ উভতি আহিছে পদূলিৰ পৰা। ডি. চি. অফিচলৈ গ'লেও অৱশ্যে বিজিতাৰ দেউতাকক লগ ধৰাটো সম্ভৱ নহ'ব তাৰ। সি জানে। কিন্তু তথাপি সি অন্ততঃ দধি কাকতিৰ স'তেতো দুষাৰ কথা পাতি মনটোক নিচুকাব পাৰিব। "নহ'লে মই নেযাওঁই যা, ৰুদ্ৰ। তয়েই যা।" হঠাৎ তাৰ মুখৰ পৰা ওলাই পৰিল। ৰুদ্ৰ বিশেষ আচৰিত নহ'ল। সিটো তেনেকুৱাই। তাক বৰং বিদায় দি ৰুদ্ৰই অলপ নিৰাপদেই বোধ কৰিলে।

প্ৰদ্যুম্নই উভতি খোজ ললে। হাতৰ ঘড়ীটোলৈ চাই সি দেখে, এক বাজেই। সি ডি. চি. অফিচলৈ বুলি বেগাই খোজ ললে। বিজিতাক তাৰ হঠাতেই খুব আপোন লাগি গ'ল। উপলব্ধি কৰিলে, বিজিতাক তেওঁৰ প্ৰকৃত ৰূপত এই পৃথিৱীত একমাত্ৰ সিয়েই চিনি পায়। গতিকে বিজিতা যদি তাত বাহিৰে আন কাৰোবাৰ হৈ যায়, তেন্তে তেওঁ যেন কাচৰ পাত্ৰ মজিয়াত পৰি টুকুৰা টুকুৰ হোৱাৰ দৰে ভাঙি চিঙি চুৰমাৰ হৈ যাব। উঃ, কি যে এই ৰহস্যময় উপলব্ধি তাৰ। বিজিতাক সি ভাল পালে।

আৰু লগে লগে ভাল পালে বিজিতাৰ স'তে সম্পৰ্ক থকা পৃথিবীৰ সকলো বস্তুকেই। সিদিনালৈকে সিটো এই ডি. চি. অফিচটো মোকৰ্দমা কৰিবলৈ অহা মানুহমখাৰ চুণ মচা আৰু পিক-পেলোৱা ঠাই বুলিয়েই ধৰি লৈ আছিল। আজি অথচ ডি. চি. অফিচৰ কি এক অভিনৱ ৰূপ তাৰ চকুত। তাৰ মনে পাখিমেলে বিজিতাৰ ওচৰলৈ, বিজিতাৰ ঘৰলৈ। তাকে নোৱাৰি তাৰ ভৰি আগবাঢ়ে ডি. চি. অফিচলৈ। তাৰ অন্তৰে হয়তো বিচাৰে বিজিতাৰ অন্তৰৰ সান্নিধ্য। তাকে নাপাই সি বিচাৰি ওলায় বিজিতাৰ জেঠাকৰ ল'ৰা দধি কাকতিক।

এৰা, এয়াচোন সি ডি. চি. অফিচ পালেই। বিজিতাৰ দেউতাকৰ অফিচ পালেহিয়েই। দধি কাকতিৰ অফিচৰ সমুখত থিয় দিলেহিয়েই। কিন্তু সি কিয় লগ ধৰিব বাৰু দধি কাকতিক ? দধি কাকতিৰ লগত সি কলেজত পঢ়িছিল একে শ্ৰেণীতে। কিন্তু সিটো কোনোদিন তেওঁৰ সৈতে ঘনিষ্ঠতা স্থাপন কৰা নাছিল। কোনো দিন সি ভুলতেও বিচৰা নাছিল দধি কাকতিৰ সঙ্গ। তেন্তে আজি সি যাব কিয় তেনে এজন ল'ৰাৰ ওচৰলৈ ? নাই, সি কেতিয়াও নাযায়। সি কেতিয়াও নাযায় তালৈ। সি খোজ আগবঢ়ালে ঘৰমুৱাকৈ।

হঠাৎ অনুভৱ হ'ল প্ৰদ্যুম্নৰ, সি অতিশয় অৱসন্ন হৈ পৰিছে। তাৰ বিশ্ৰামৰ প্ৰয়োজন হৈছে। কিন্তু যেতিয়াই সি ঘৰলৈ যোৱাৰ কথা ভাবিলে, তেতিয়াই তাৰ মূৰ ঘূৰিল। দুশ্চিন্তাৰ নাৰকীয় দূতেৰে, অশান্তিৰ মকৰাজালেৰে তাৰ ঘৰখন যেন ঠাঁহ খাই আছে। তাত জানো আৰু মানুহে জিৰণি লব পাৰে ? তাততো সঙ্গ নাই। মানুহৰ সঙ্গ নাই তাত। হঠাৎ প্ৰদ্যুম্ন বৈ গ'ল। সঁচাকৈয়ে জানো তাৰ ঘৰত সঙ্গ নাই ? এৰা, সি বুজি উঠিল, আমাৰ জন্মৰ সময়ত আমাৰ পৃথিবীৰ গণ্ডী নিতান্ত ঠেক হৈ থাকে। আই আৰু পিতা আঁৰু ককাই আৰু ভাই-ভনী—এয়েই আমাৰ পৃথিবীত তেতিয়া। লাহে লাহে পৃথিবীৰ সীমাৰেখা বাঢ়ি যায়—চুবুৰীটো, গাওঁখন, স্কুলখন। বয়স ক্ৰমে ক্ৰমে যিমানেই আগবাঢ়িব সিমানেই আপোন ঘৰৰ প্ৰতি, আপোন গাৰঁৰ প্ৰতি শৈশৱৰ আকৰ্ষণ ক্ষীণ হৈ যাব। অন্তৰত সৃষ্টি হ'ব নিজৰেই অজ্ঞাতসাৰে এক শূণ্যতা। সেই শূণ্যতা পৰিপূৰ্ণ কৰাৰ বাবে আমি কত বিৰামহীন, বিশ্ৰামহীন উচ্ছৃংখল প্ৰচেষ্টা কৰোঁ। অবাঁধ অপাৰ পাৰাবাৰৰ নিঃসঙ্গ নাৱিকৰ অশান্ত অন্তৰ কেতিয়াবা হঠাতে দূৰণিৰ দিগন্তত তাল আৰু ডালচেনি গছেৰে ভৰা উপকূল দেখা পাই, আৰু সেই তাল-ডালচেনিৰ জিহিৰি

লিহিৰি পাতৰ মাজত হেজাৰ বিহঙ্গৰ কূজন কল্পনা কৰি নাচি উঠে। দিগন্তৰ সীমা বিচাৰি বাউল হয় শ্ৰান্ত নাবিক। কিন্তু, প্ৰদ্যুম্নৰ ভাব হ'ল, দিগন্তৰ সীমা জানো আছে? দূৰণিৰ স্বপ্নময় ডালচেনি—উপকূল জানো সঁচা? সি জানে, মানুহৰ মনৰ যি চিৰন্তন নিঃসঙ্গতা, সেই নিঃসঙ্গতা মাকৰ মৰমে, দাদাকৰ, ভায়েকৰ, ভনীয়েকৰ চেনেহে নোৱাৰে আঁতৰাব। এটি নিৰ্দ্দিষ্ট সীমাৰ বাহিৰত সেই মৰমৰ, সেই চেনেহৰ কোনো দখল নাই। মানুহৰ উৰণীয়া মনে পাখি মেলে সেই সীমা চেৰাই গৈ আৰু বহুতো ওপৰলৈ। তাৰ মনেও পাখি মেলিছে। তাক আজি বিশ্ৰাম লাগে। তাক আজি জিৰণিৰ বাবে লাগে আপোন মনৰ স্বপ্নৰ ৰহণ সনা এটি নীড়। কিন্তু, কিন্তু সি জানো সম্ভৱ বাস্তৱত? ভাবৰ তীব্ৰতা তাৰ যিমানেই আগবাঢ়িছিল খোজো তাৰ প্ৰখৰ হৈছিল সিমানেই। সি এক প্ৰকাৰৰ দৌৰাৰ দৰেই ঘৰমুৱা খোজ দিছিল কেতিয়াবা।

মাক দুপৰীয়া টোপনিৰ পৰা উঠাই নাই। দাদাকো অফিচত। ভায়েক আৰু ভনীয়েক স্কুলতেই। ঘৰখন তেনেই নিতাল। প্ৰদ্যুম্নই ভৰি হাত ধুই বিছনাত শুই পৰিল।

বিছনাত পৰাৰ অলপ পিচতেই তাৰ টোপনি আহিছিল। সি সাৰ পাই দেখিলে, সাৰপায়ো তাৰ টোপনিৰ আমেজ ভঙা নাই। বিছনাখনৰ লগতে লিপিট খাই এক হৈ সি পৰি ৰ'ল। তাৰ বহুসময়লৈ উঠিবৰ মন নগ'ল। গাৰুটোত মুখনখন গুজি দি সেইটো দুহাতেৰে সাৱটি ধৰি উবুৰি খাই পৰি ৰ'ল কিছু সময়। লাহে লাহে তাৰ গাটো পাতল লাগি আহিল। সি উঠি হাতমুখ ধুই টেবুলত বহিল। তেতিয়া তাৰ ঘড়ীত চাৰি। পঢ়িবনেকি অকণমান? কিতাপখন মেলি লৈ পঢ়াৰ কথা ভাবোঁতেই চাহ আহিল। চাহ খাই সি অকণ বাৰান্দালৈ ওলাই গ'ল। বতৰটো বেচ ফৰকাল আছিল। আগবেলাৰ বতৰটোৰ কথা এতিয়া আৰু ভাবিবই নোৱাৰি। ৰ'দখিনি অলপ ৰঙচুৱা হৈ পৰিছে। ডালে পাতে চৰাইবোৰে যেন কিবা এক আনন্দৰ মেলাত মতলীয়া হৈ পৰিছে। সৌ এটি বগলীৰ জাক নীল আকাশৰ তলেদি উৰি উৰি যাবলৈ ধৰিছে। সঁচাকৈয়ে এই বগলীবোৰৰ দৰে উদাৰ আকাশত মুকলিমূৰীয়া হৈ দেউকা কোবাই ফুৰিব পৰা হ'লে। তাৰ মনটো পুনৰ অস্থিৰ হৈ উঠিল। সি কাপোৰবোৰ পিন্ধি পেলালে আকৌ। জোতা-মোজা পিন্ধি ভাবিলে, চান্দমাৰীলৈকে সি যাব। অঞ্জন ডেকাক তাৰ ঘৰত সি লগ ধৰিবগৈ।

চান্দমাৰীত চিটি বাচৰ পৰা নামি যেতিয়া সি অঞ্জন ডেকাৰ দুৱাৰত

টোকৰ মাৰিলেগৈ, তাৰ ঘড়ীত তেতিয়া পাঁচ বাজিবলৈ আৰু পোন্ধৰ মিনিট বাকী। প্ৰদ্যুম্নক হঠাৎ লগ পাই বলিয়া অঞ্জনটো আৰু বেছি বলিয়া হ'ল। "হেল্লো, প্ৰদ্যুম্ন, আহ, আহ। মই ঠিক চাহ খাবলৈ সাজু হৈছিলোঁ। তই এই সময়তে আহি বঢ়িয়া কৰিলি। দুয়ো একেলগে বহি চাহ খাওঁ, চিগাৰেট খাওঁ, তামোল খাওঁ। আৰু তাৰ পিছত? আৰু তাৰ পিছত, মদো খাম। কি কব? এঞ্জিনিয়াৰ বন্ধু স্বামীনাথনৰ অনুগ্ৰহত আজি এবটল গোটাইছোঁ।"

"ধেৎ পাগল, কিহৰ মদ খাৱ? দে, দে, চাহ আনিবলৈ দে।"

"আজি নেৰিম ভাই। বিশেষতঃ তোক পাইছোঁ যেতিয়া, দুয়ো একে লগে তোৰ মিচ বিজিতা কাকতিৰ হেল্‌থ্ ড্ৰিঙ্ক্ কৰিম। বুজিছ? কিমান আগবাঢ়িছ পিছে? হেই ৰংমন, প্ৰদ্যুম্নলৈকো চাহ আনিবি।"

"মদৰ কথা বাদ দে। বিজিতাৰ কথা পাতোঁ বাৰু।"

"মদ আৰু বিজিতা: একে লগে চলিব নোৱাৰেনেকি?"

"বলিয়ালি এৰ। শুন। বৰ্ত্তমান মোৰ আটাইতকৈ প্ৰয়োজনীয় কথা হ'ল, মই বিজিতাক কৈ দিয়াটো, বিজিতাৰ দেউতাকক, বিজিতাৰ মাকক কৈ দিয়াটো—যে মই বিজিতাক ভাল পাওঁ, যে মই বিজিতাক বিয়া কৰাবলৈ ওলাইছোঁ। কিন্তু সমস্যা হৈছে কি জান? বিজিতাৰ স'তে মোৰ বিয়াৰ প্ৰস্তাৱ দিবলৈ মোৰ যোগ্যতা জানো কিবা আছে? পঢ়া শেষ কৰিব পৰা নাই। জীৱনটোৱে কেনে গতি লব তাৰ চিন ফুটাই তুলিব পৰা নাই। আৰু, আৰু আটাইতকৈ ডাঙৰ সমস্যা হ'ল, মই এটি সুশ্ৰী চেহেৰাৰ অধিকাৰী নহওঁ। মই কওঁ কেনেকৈ?"

"তয়ো আৰু মানুহনে! কোৱাৰ ওপৰত ইমান জোৰ দিছ কিয়? আগেয়ে কাম, তাৰ পিছত প্ৰয়োজন হ'লে কথা। শিলঙে মোক এই সত্যটো শিকাই পঠিয়াইছে—যিদৰে শিকাই পঠিয়াইছে মদৰ বটলটোও সঁচা বুলি।"

"ৰবি, অঞ্জন। তই আজি বৰ উত্তেজিত হৈ আছ। কিবা যদি পাৰ, সৎ উপদেশ দে। ন'হলে মনে মনে থাক।"

ইতিমধ্যে চাহ-জলপান আহি পাইছিল। দুয়ো খাই ল'লে।

"সৎ আৰু অসতৰ মাজত কিবা এডাল সুস্পষ্ট ৰেখা যদি টানি দিয়া আছে বুলি ভাবি আছ এতিয়াও, তেন্তে তোৰ অত বয়স অথলে গ'ল, প্ৰদ্যুম্ন। এতিয়াও তই ল'ৰা-পুথি আওৰাই থকা পাঁচ-ছয় বছৰীয়া ল'ৰা এটিয়েই হৈ আছ।"

"তেনেকৈ সমালোচনা নকৰিবি, অঞ্জন। সৎ কথা মানে তই মোৰ কাৰণে যি ভাল বুলি ভাব তাকেহে অৰ্থ কৰিছোঁ। আকৌ মোৰ কাৰণে কি ভাল হ'ব, সিও সম্পূৰ্ণ সীমিত। বিজিতাক মই বিয়া কৰাম বুলি বিজিতাক আৰু গৃহস্থক কৈ দিবৰ বাবে উজু উপায় এটা দেখুৱাই দিয়াটোৱেই মই সৎকাম বুলি ধৰিছোঁ।"

প্ৰদ্যুম্নৰ কথাত অঞ্জন চেক্ চেকাই হাঁহি উঠিল। "তই চোন মোতকৈয়ো এখোপ চৰা অ'?" অঞ্জনে ক'লে। "শুন, মদটোক মুখত নিদিয়ালৈকে সেইটো কৰাকেই আটাইতকৈ সঁচা কথা বুলি ভাবি থাকোঁ। যেতিয়া মুখত দিওঁ, তেতিয়াও অসামান্য কিবা এটি কৰি উঠাৰ মাদকতাত উল্লাসিত হৈ থাকোঁ। কিন্তু ৰাগী লাহে লাহে আঁতৰি যায়, চেতনা ক্ৰমে ক্ৰমে উভতি আহে, আৰু লগে লগে মন উপচি পৰে ক্ষণিকৰ উত্তেজনাত যেনিবা কৰি পেলোৱা কিবা এটি কামৰ বাবে তীব্ৰ অনুশোচনাৰ দুৰ্ব্বাৰ প্ৰবাহেৰে।"

"বিজিতাৰ প্ৰতি মোৰ যি অনুৰাগ, তাক তোৰ সুৰাৰ প্ৰতি অনুৰাগৰ সৈতে তুলনা নকৰিবি, অঞ্জন।"

"তোৰ বাঁধা মানি হয়তো নকৰাকৈ থাকিব পাৰিম। কিন্তু দুয়োটাৰে মাজত কোনো দিন নোহোৱা পাৰ্থক্য এটিৰ অৱতাৰণা তইতো আৰু কৰিব নোৱাৰ। প্ৰেম বস্তুটো তোৰ দৰে পাঁচ ফুট চাৰি ইঞ্চীয়া আৰু বগলীটোৰ দৰে জঁকাৰ মানুহৰ বাবে নহয় অ', প্ৰদ্যুম্ন। তোৰ চেহেৰা আৰু স্বাস্থ্য, তাৰে তই প্ৰেম কৰিব পাৰিবি; কিন্তু সেই প্ৰেমৰ বিনিময়ত তই কেতিয়াও লাভ কৰিব নোৱাৰিবি তোৰ অভিপ্ৰেত। ফলত তোৰ আবেগ-অনুভূতি হ'ব নিদাৰুণ ভাবে প্ৰতিহত, তোৰ প্ৰেম হ'ব কাচ পাত্ৰৰ দৰে ভাঙি চিঙি চুৰমাৰ। প্ৰেম আছিল মোৰ দৰে চেহেৰা, মোৰ দৰে শৰীৰৰ গঠনৰ মানুহৰ বাবে, বন্ধু। কিন্তু প্ৰেমৰ সৰোবৰত যেতিয়া নামিছিলোঁ তেতিয়া এই জ্ঞানেৰে নমা নাছিলোঁ। যেতিয়া তাত নামি সাঁতুৰিছিলোঁ, তেতিয়াই হৈছিল মোৰ এই উপলব্ধিটো। তথাপি পৰিণতিত কি পালোঁ, কি হ'লোঁ তইতো দেখিছই—this bottle and this dissolute living—এই বটল আৰু এই উচ্ছৃঙ্খল জীৱন-পদ্ধতি। বিজিতাক তই বাদ দে, বিজিতাক তই পাহৰি যা, প্ৰদ্যুম্ন। কোনো ছোৱালীকে কাহানিও-তই ব্যক্তিগত ভাবে, তেনেই ওচৰৰ পৰা চিনি পাবলৈ নিবিচাৰিবি। কোনো কাহানিও কোনো ছোৱালীক আৰু ইমান আপোন ভাবে নলবি। পিছে বাদ দে সেইবোৰ এতিয়া। সম্প্ৰতি ছো, এৰা

কেইচোকমান পি ল। মোৰ সাম্প্ৰতিক শ্ৰেষ্ঠ বন্ধু ডেকা এঞ্জিনিয়াৰ মিঃ স্বামীনাথনৰ অনুগ্ৰহত গোটাইছোঁ।"

অঞ্জনে প্ৰদ্যুম্নৰ শৰীৰৰ গঠন আৰু চেহেৰাটোলৈ আঙুলিয়াই দিয়া উপদেশখিনিয়ে যেনিবা অৱসন্ন, বিশ্ৰামপ্ৰয়াসী, নীড়প্ৰত্যাভিগামী কোনো উৰণীয়া সামুদ্ৰিক পক্ষীৰ জাক এটিলৈ গুলী এটিহে মাৰি পঠিয়ালে। বিশ্ৰামৰ আশা বাদ দি, আপোন নীড়ৰ আশা ত্যাগ কৰি, সেই সান্ধ্য সামুদ্ৰিক পক্ষীৰ জাক লগে লগে হৈ পৰিল যেন দিশভ্ৰষ্ট, দলভ্ৰষ্ট, অশান্ত, অস্থিৰ। প্ৰদ্যুম্নই বহি থাকিবলৈ টান পালে। শেষৰ পিনে অঞ্জনে যি কৈছিল, সেইবোৰ তাৰ কাণত সোমোৱা নাছিল। তাৰ মুখৰ ওচৰত অঞ্জনে যেতিয়া মদৰ গিলাচটো ডাঙি ধৰিলে, সি তেতিয়া অঞ্জনক ঠেলি টেবুলৰ ওচৰলৈ লৈ গ'ল। গিলাচটো অঞ্জনৰ হাতৰ পৰা কাঢ়ি আনি সি ক'লে, "থ, থ ইমানলৈ আহিবলৈ এতিয়াও মোৰ সময় হোৱা নাই। যেতিয়া হয়, তেতিয়া চাগৈ তোৰেই ওচৰলৈ আহিম ইয়াকে বিচাৰি। তই থাক আৰু।"

কথাখিনি কৈয়েই প্ৰদ্যুম্ন ওলাই গ'ল। অঞ্জনে প্ৰদ্যুম্নৰ এই আকস্মিক প্ৰস্থান আশা কৰা নাছিল। সি চিঞৰি চিঞৰি কবলৈ ধৰিলে, "Don't be offended, Pradyumna. Shillong has taught me two great lessons, one—how to live with a wounded heart, the other—how to call a spade a spade."

প্ৰদ্যুম্নই মূল আলিবাট পোৱাৰ লগে লগেই বাচ এখন আহি পালে আৰু সি লগে লগে উঠি গ'ল। কিন্তু শিলপুখুৰীতেই সি পুনৰ নামি গ'ল আৰু নৱগ্ৰহ শ্মশানৰ পিনে যোৱা ৰাস্তাটোৰে যাবলৈ ধৰিলে। চেনিকুঠীৰ ৰাস্তাটোৰে সি যিমানে দ্ৰুত গতিত আগবাঢ়িল, তাৰ মনটো আগবাঢ়িল তাতোকৈয়ো দ্ৰুততৰ হৈ। এৰা, কিবা এটা কৰিব লাগিব। কেৱল চিন্তা আৰু চিন্তাৰ মাজেৰেই সময় অতিবাহিত কৰিলেই আৰু নচলে। সি এতিয়াই যাব কাকতিহঁতৰ ঘৰলৈ কিবা এটা সিদ্ধান্ত বিচাৰি। হঠাৎ সি থমকি ৰল। কাকতিহঁতৰ ঘৰলৈ সি যাব ? গৈ কি কৰিব ? এৰা, বিজিতাই তেওঁৰ সেই দুষ্ট হাঁহিটোৰেই তাক সম্ভাষণ জনাবহি। তেওঁৰ কোলাত থাকিব আইজনী। সিও এটি দুষ্ট হাঁহিৰেই বিজিতাৰ সম্ভাষণৰ প্ৰত্যুত্তৰ জনাব আৰু তাৰ পিছতেই সি বিজিতাৰ কোলাৰ পৰা কাঢ়ি আনিব আইজনীক। বিজিতাই বাৰু বহুদিন তেওঁলোকৰ তালৈ নোযোৱা বাবে তাকে দোষী সাব্যস্ত কৰিবনে ? সি কি কব তেতিয়া ? 'তুমি বৰ নিষ্ঠুৰ, বিজিতা। তুমি

শিল, তুমি পাষাণ। যোৱা এমাহ মই তোমাৰ তালৈ আহিব পৰা নাই। কিমান বিচাৰিছোঁ, মই তোমাৰ ইয়ালৈ আহোঁ, তোমাৰ স'তে দুষাৰ কথা পাতোঁ, এই মোৰ মৰমী ঘৰখনিত ক্ষন্তেক জিৰণি লৈ মনটোক অকণ শান্তি দিওঁ। কিন্তু ক'ত মাতিলা তুমি মোক? ক'ত বিচাৰিলা তুমি সেইটো?'

হঠাৎ প্ৰদ্যুম্নই মূৰ জোঁকাৰি উঠিল। এয়া জানোঁ উচিত হ'ব? নাই নাই, তাতকৈ সি বিজিতাৰ দেউতাকক, বিজিতাৰ মাককে কৈ দিব, সি বিজিতাক ভাল পায়। সি বিজিতাক বিয়া কৰাব। কিন্তু সি সঁচাই জানো কব? তাৰ মনটো আকৌ কোচখাই গ'ল। ছোৱালী বিয়া দিবৰ বাবে পিতৃয়ে বিচাৰে সুস্থ মনৰ, সবল স্বাস্থ্যৰ আৰু সজ প্ৰতিষ্ঠাৰ এজন ডেকা। আৰু সি? অলপ আগতে অঞ্জনে কোৱা কথাষাৰ আহি তাৰ কাণত এক বিষাক্ত তীক্ষ্ন কাড়ৰ দৰে আঘাত কৰিলেহি। সি দুই হাতেৰে কাণ দুখনত হেঁচা মাৰি ধৰিবৰ মন কৰিলে। তাৰ জীৱনটো সুপ্ৰতিষ্ঠিত হোৱা হ'লেও! বি. এ. লৈকে পঢ়িছিল সি ভালকৈয়েই। ইংৰাজীত অনাৰ্চ্ লৈয়েই সি পাচ কৰিছিল বি. এ.। ইতিমধ্যে দাদাকৰ বিয়া হ'ল। ভনী-য়েজনীযেও প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী পালেগৈ। এনে এখন পৰিয়ালৰ ওপৰত নিৰ্ভৰ কৰি সি কেনেকৈ পঢ়েগৈ এম. এ.? এৰা সি সোমাইছি লাইফ্ ইন্সিওৰেঞ্চত কেৰাণী হৈ। চাকৰি এৰি যোৱা বছৰটোত সি এম. এ. পঢ়িলে। তাৰ ফলত ইংৰাজীৰ এম. এ ৰ সি এটা পৰীক্ষা পাচ কৰিলে। এজন ছাত্ৰ—এখন সাধাৰণ আৰ্থিক অৱস্থাৰ পৰিয়াল—বৰ্ত্তমান যাৰ অস্থিৰ, ভৱিষ্যৎ যাৰ অনিশ্চিত...। ছোৱালী জানো দিয়ে কোনোবাই এনে এখন ঘৰতো? এনে এজন ল'ৰালৈকো? তাতে আকৌ তাৰ স্বাস্থ্য, আৰু তাৰ জাতি...।

প্ৰদ্যুম্নৰ মনৰ অৱস্থা ক্ৰমে ক্ৰমে বেয়াৰ পিনলৈ ঢাল খালে। সূৰ্য্যৰ কোঠাত বিজুলী পোহৰ। সি বাৰে ধৰা দিছে কিজানি কিতাপত। এৰা ফাইনেল পৰীক্ষাৰ বাবে সাজু হোৱাৰ সময় এয়া। উৱা! এইখিনি ৰাস্তা দেখোন তেনেই এন্ধাৰ? দীঘলীয়া টৰ্চ্ আৰু প্ৰকাণ্ড জখলা এডাল লৈ ৰাস্তাৰ বিজুলী তাঁৰত কাম কৰা মানুহ কেইজনমানে পিট্ পিট্‌কৈ চাই ফুৰিছে বিজুলী তাঁৰবোৰ। হাটখোলাৰ চ'কত মানুহৰ জুম। এখন ট্ৰাক, চকা বেঁকা হৈ যোৱা এখন ৰিক্সা, দুটা মান পুলিচ। কিমান যে এক্সিডেণ্ট্ হয় দিনটোত!

এৰা সিচোন আহিয়েই পালে বিজিতাহঁতৰ ঘৰ। সোমাবনে? সোমাব? নাই, নাই। নোৱাৰি। ড্ৰয়িং ৰুমত মানুহ। নোৱাৰি যাব

এনে অৱস্থাত। কিন্তু কতা? সি চোন সোমায়েই আহিল? পৰ্দাখন গুছাই দুৱাৰমুখত থিয় দিলে প্ৰদ্যুম্ন। কমল কাকতিয়ে তাৰ মুখলৈ চাই অলপ হাঁহিলে আৰু ক'লে, "বহুদিনৰ মূৰত আহিলা দেখোন? ভিতৰতে বহাগৈ।"

"এয়া পদুমদা দেখোন, ক'ত উজুতি খাইনো ইয়াত পৰিলহি? আহক, আহক।" তাক তেওঁৰ পঢ়া কোঠালৈ লৈ গ'ল বিজিতাই। মাজতে মাকক চিঞৰি কৈ গ'ল পদুমদাদাক আহিছে তেওঁৰ। সি বহি ললে বিজিতাৰ পঢ়া চকীখনতে।

"ডেটল অকণ আনিমনেকি?" তেওঁৰ সেই দুষ্ট হাঁহিটোৰেই বিজিতাই সুধিলে।

"কিয়?" চেষ্টা কৰিও প্ৰদ্যুম্নই এটি দুষ্ট হাঁহি মাৰিব নোৱাৰিলে। তাৰ ওঁঠত এটি শেঁতা হাঁহি।

"কতো খুন হোৱা নাই জানো ইয়াত উজুতি খাই পৰোঁতে?"

"খুন বহুতো হৈছে, বিজিতা। কিন্তু ডেটলেৰে তুমি ভাল কৰিব পাৰিবা, তেনে আশা নাই। যদিও ক্ষুণ্ণ হৈছোঁ তোমাৰ ঘৰলৈ আহোঁতেই, তথাপি মোৰ আঘাতৰ তুমি প্ৰতিকাৰ কৰিব পাৰিবা—তেনে আশ্বাস জানো সম্ভৱ?"

"ৰব, কিবোব কৈছে একো বুজা নাই।" কথাষাৰ কৈয়ে বিজিতা কোঠাৰ পৰা ওলাই গ'ল আৰু অলপ পিছত পুনৰ সোমাই আহিল। মুখত এমোকোৰা হাঁহিৰে তেওঁ এইবাৰ প্ৰশ্ন কৰিলে, "পঢ়া-শুনা কেনে চলিছে? এনেদৰে ঘূৰি ফুৰিলে নচলিব কিন্তু।"

"তাৰ মানে, তোমালোকৰ ইয়ালৈ আহিলে বেয়া পোৱা?"

"নাই নাই, আমাৰ ইয়ালৈ আহিলে ভাল পাওঁ। কিন্তু আপুনিনো, আপুনি আমাৰ ইয়ালৈনো, ক'ত আহে? চান্দমাৰী, পাণবজাৰ, ফাঁচীবজাৰ, শান্তিপুৰ মাৰি ফুৰে নহয়। মানুহৰ আগত কয়, এম. এ. পঢ়িছোঁ।"

"কিন্তু কি স্বৰ্ত্তত তুমি মোক তেনেকৈ সমালোচনা কৰিছা, জানিব পাৰোঁনে?"

"ধৰক, বন্ধু হিচাবেই।"

"তুমি কথা লুকাইছা, বিজিতা। নিজকে ফাঁকি দিছা তুমি। মানুহৰ মনৰ এই লুকা-ভাকু—ইয়েই মানুহৰ যত অশান্তিৰ মূল। অস্কাৰ ওৱাইল্ডৰ এটি চৰিত্ৰই কি কৈছে জানা?—"Between men and women there

is no friendship possible. There is passion, enmity, worship, love, but no friendship.

"বাৰু বাদ দিলোঁ সেইটো। বিহুত কেলেই নাহিল, কওক।"

"মাতিছিলা ?"

"কেনেকৈ মাতোঁ ? মই আপোনাৰ দৰেতো পুৰুষ নহয় আৰু যে এই আঠ বজাতো মানুহৰ ঘৰলৈ যাব পাৰোঁ।"

"ৰঞ্জুৱে নিচিনে মোৰ ঘৰ ? হৰিয়ে নিচিনে মোৰ ঘৰ ?"

"উঃ, আপুনি বৰ নিষ্ঠুৰ পদুমদা। সকলো পুৰুষেই নিষ্ঠুৰ। আপোনা লোক পুৰুষবোৰে যদি নাৰীৰ অন্তৰ কেনে উৎকট ঠুনুকা আৰু চেন্‌চিটিভ্ তাৰ অকণমানো গম পালেহেঁতেন। গোটেই বিহুতো মই যে আপুনি আহিব আহিব বুলি কিমান আশা কৰি আছিলোঁ। ৰঞ্জু আপোনাৰ ছাত্ৰ। কিন্তু সিও পুৰুষ। তাৰ কিয় মনত পৰিব, কোন আহিল কোন নাহিল বিহুত, তাৰ হিচাব ? হৰিক মই কেনেকৈ পঠিয়াও আপোনাৰ ঘৰলৈ ?"

বিজিতাৰ মনৰ খবৰ পাই প্ৰদ্যুম্নৰ মনটো কেনে যেন হৈ উঠিল। কোনো এক বসন্তৰ উদাসী সন্ধ্যা এটিত কোনোবা মালিনীৰ পাৰৰ অনাদৃত কঁহুৱা বননিত হঠাৎ যেন চঞ্চল ফাগুনৰ কঁপনি লাগিল। লগে লগে বত্তাহত ভাঁহি উঠিল হেজাৰ জলপক্ষীৰ সান্ধ্য কূজন আৰু অলেখ অনামী বনফুলৰ মন উন্মনা কৰা অচিন সৌৰভ। এনে এটা পৰিবেশত মৰি যাব প'ৰা হ'লে—এৰা, এৰা, ঠিক ওথেলোৰ দৰেই—If it were now to die 'twere now to be most happy. প্ৰদ্যুম্ন মনে মনে থাকিল। মনে মনে আছে বিজিতাও। হৰিয়ে চাহ লৈ সোমাই আহিল। লগত দুখন ব্ৰিটানিয়া গ্লাক্সো।

অলপ পিছতেই সোমাই আহিল বিজিতাৰ মাক। "পদুম, তুমি দেখোন আমালৈ পাহৰিলাই ?" বিজিতাৰ মাকৰ কথাৰ উত্তৰত প্ৰদ্যুম্নই মাথোন হাঁহিলে। বিজিতাৰ মাকৰ কত কথা। ৰঞ্জুৰে পৰীক্ষা যোৱাৰ পৰা বহুত ৰাতিলৈ ঘূৰা হ'ল। সি তেতিয়াও ঘৰ চপা নাই সেইদিনা। বিজিতায়ো আজিকালি কম পঢ়া-শুনা কৰে। ওচৰতে সেইদিনা এখন বিয়া। কেনে ধৰণৰ যে বিয়া। তেনেবোৰ কথা তেওঁৰ অলপো ভাল নালাগে। শুনিলেও লাজ লগা কথা।

"কোনখন বিয়াৰনো কথা কৈছে ? কেনে ইমান লাজ লগা বিয়া বাৰু ?" প্ৰদ্যুম্নই সুধিলে।

"এ নকবা আৰু। ন'ৰাজন কলিতা ; ছোৱালীজনী হ'ল নদীয়াল।"

"ও, মানে অসবৰ্ণ বিবাহৰ কথা কৈছে? মোৰ মতে চোন সেইখন ভাল বিয়াহে হ'ল। জাতিভেদ যদি উঠাব খোজে এনেকুৱা বিয়াৰ দ্বাৰাহে সম্ভৱ হ'ব। আন উপায়েৰে নহয়।" প্ৰদ্যুম্নই একে উশাহেৰে কথাখিনি কৈ পেলালে। তাৰ মনটো অলপ অস্থিৰ হৈ উঠিল। এৰা, সি আহোন। আৰু কাকতিহঁত? কাকতিহঁত? মনৰ অস্থিৰতাত বিজিতাৰ মাকে কি কৈছিল সি নুশুনিলে। হঠাৎ কিছুসময়ৰ পিছত তাৰ কাণত পৰিল, "তোমা-লোকে আজি কালিৰ ল'ৰাবোৰেতো ভাল বুলি কবাই। এইবোৰ কথাও তোমালোকে যে ভাল বুলি ভাবিব পাৰা। ইপিনে জাতি নিমিলে। সিপিনে ল'ৰাৰ মাকৰ সন্মতি নাই। বিয়া হল আদালতত। কেনেবোৰ কথা যে ঘটিব ধৰিছে দেশখনত। বিজিতাৰ মাকৰ পৰা এই কথা শুনাৰ পিছত প্ৰদ্যুম্নৰ মুখৰ পৰা আৰু কথা নোলাল। কোঠাটোৰ বতাহো যেন শেষ হৈ গৈছে। তাত আৰু উশাহ লোৱা সম্ভৱপৰ নহয়। সি কব নোৱাৰোঁতে পকেটৰ পৰা ৰুমালখন উলিয়াই লৈ আঙুলি এটিৰে নাকৰ আগত ঘূৰাবলৈ ধৰিলে। বিজিতাৰ মাকে কৈয়েই গৈ থাকিল, "অকল সেয়েইতো নহয়। দৰাজন আজি কেবাদিনৰ পৰাই কইনাৰ ঘৰতে আছেহি নিজৰ ঘৰ এৰি। আদালতৰ পৰা আহি এতিয়া বন্ধু-বান্ধৱক চাহ খাবলৈ মাতিছে। দৰা-কইনা কি চাবা। ল'ৰাজন হ'ল একেবাৰে কোমল বয়সৰ। দেখাতো অকণমান ল'ৰাটো। ক্ষীণ আৰু চাপৰ। ছোৱালী আনহাতে কি চাবা। স্বাস্থ্যই—পাতিয়ে, বয়সে —গঢ়ে সকলো পিনেদি ল'ৰাৰ লগত বিসদৃশ। যেন ল'ৰাৰ মাকহে।"

প্ৰদ্যুম্নই আৰু শুনি থাকিব নোৱাৰিলে। পৃথিৱীৰ সমগ্ৰ মানুহক তাৰ সেই মুহূৰ্ত্তত অবুজ, অজ্ঞান যেন লাগিল। সমগ্ৰ মানৱজাতিৰ প্ৰতি এক পৰম বিতৃষ্ণাত তাৰ নাক-মুখ কোচ খাই গ'ল। দৰাজন যদি তাৰ দৰেই ক্ষীণ-চাপৰ অথচ তাৰ দৰেই এক শক্তিশালী মনৰ অধিকাৰী, আৰু কইনা যদি বিজিতাৰ মাকে কোৱাৰ দৰেই ওখ পাখ, স্বাস্থ্যৱতী আৰু সুস্থ মগজুৰ, তেন্তে এই বিয়াই হ'ল একমাত্ৰ সাৰ্থক বিয়া, এক আদৰ্শ বিয়া। তাৰ সলনি এক দুৰ্ব্বল, ৰুগ্ন পুৰুষৰ যদি এক দুৰ্ব্বল ৰুগ্ন নাৰীৰ স'তে বিয়া পাতি দিয়া হয়, তেন্তে কেইটামান অযোগ্য, পঙ্গু প্ৰাণীৰ সৃষ্টি কৰাত বাহিৰে আৰু কি হ'ব এই বিয়াৰ পৰিণতিত? সেয়েই যে মানৱ গোষ্ঠীৰ মৃত্যুৰ বাট, মানৱজাতিৰ আত্মহত্যাৰ নামান্তৰ। প্ৰদ্যুম্ন থিয় হ'ল। সি যাওঁগৈ বুলি মাত লগালে আৰু মাজৰ কোঠাটো পালেহি। লগে লগে বিজিতাই আগচি ধৰিলেহি তাক। "বৰ, কলৈ যায় মুখখন পাচিটোৰ দৰে কৰি?"

"তুমিতো মোক সদায়ে এনেদৰে ৰাখিব নোৱাৰা, বিজিতা।" সি উচাট মাৰি বিজিতাক এৰাই আগবাঢ়িল।

আলিবাটত ভৰি দিয়াৰ লগে লগে সি যেন মহাশূণ্যত প্ৰৱেশ কৰিলে। তাৰ খোজবোৰ অস্থিৰ হৈ পৰিল। এৰা, সি বিজিতাৰ বাবে অযোগ্য। তাৰ মন, তাৰ শাৰীৰিক গঠন, তাৰ স্বাস্থ্য, তাৰ কোনো কথাই নাৰীৰ জীৱনৰ সম্ভাৰৰ অনুপযুক্ত। সি অযোগ্য। উঃ, অথচ তাৰ অন্তৰখন, তাৰ মনটো। ইমান আকলুৱা, ইমান আলসুৱা, ইমান নিঃসঙ্গ এখন অন্তৰ এনে এটি শৰীৰত কিয় দিলা, ভগৱান? কব নোৱাৰোঁতে তাৰ বাওঁহাতখনেৰে তাৰ বুকুখনিত হেঁচা মাৰি ধৰি দুকুত গুলীখোৱা এটি মানুহৰ দৰে ঘৰৰ পিনে সি খৰ গতিত কুঁজা হৈ আগবাঢ়িবলৈ ধৰিলে। তাৰ শৰীৰ যেন ক্ষত-বিক্ষত হৈ পৰিছে, দেহ যেন তেজেৰে লুতুৰি পুতুৰি হৈ পৰিছে। তাৰ আৰু খোজ কঢ়াৰ শক্তি নাই। আনকি থিয় হৈ থাকিবলৈকো সি অক্ষম।

একেটা ভঙ্গীতে খোজ কাঢ়ি কাঢ়ি সি যেতিয়া ঘৰ পালেহি, মাকে তেতিয়া ভাত ৰান্ধি আছে। সি তাৰ কোঠাটোলৈ পোনে পোনে সোমাই গ'ল আৰু ঠিক একে ভঙ্গীতেই উবুৰি খাই বিছনাত শুই পৰিল। জোতা নোখোলা অৱস্থাতেই তাৰ ভৰি দুখন বিছনাৰ বাহিৰলৈ উলিয়াই ৰাখিলে। গাৰুটোত মুখটো গুজি দিয়াৰ লগে লগে তাৰ কান্দোন ওলাই আহিল। "যাৰ হোম নজ্বলিল যিউ শলিতাত, বিয়াৰ হালধি হ'ল তেজেৰে ৰাঙলী, তাকতো তুমি মাতিলা ভুলকৈ এই বসন্তৰ সভালৈ।" তেন্তে তাৰ পন্থা কি? তাৰ পথ কেনি? তাৰ পথ কেনি? অঞ্জন। একমাত্ৰ অঞ্জনৰ পন্থাই জানো তাৰ বাবে তেন্তে মুকলি ৰল?

সি এইবাৰ চিত হৈ শুই ললে। বিজিতাই তাক ঘিণ কৰে নেকি? অথচ, অথচ বিজিতাক, বিজিতাৰ অন্তৰক, বিজিতাৰ আত্মাক যদি কোনোবাই প্ৰকৃত ৰূপত চিনি পাইছে এই পৃথিৱীত, তেন্তে সেই পুৰুষ সিয়েই একমাত্ৰ বুলি সিতো ডাঠি কব পাৰে। তথাপি সি বিজিতাৰ বাবে অনুপযুক্ত! বিজিতাৰ বাবে যোগ্য সাথোন কোনো এক দৈত্যাকায় চেহেৰাৰ...

হঠাৎ তাৰ চিন্তাৰ সুঁত ভাঙি গ'ল। সেই মুহূৰ্ত্ততে কোনো কদাকাৰ, অতিকায় দৈত্য এটিয়ে তাৰ সন্মুখত থিয় হৈ যেন আৰ্ত্তনাদ কৰি উঠিল। প্ৰদ্যুম্নই তৎক্ষণাৎ উঠি বহি বেড্ সুইচ্‌টো টিপি দিলে। কোঠাটো পোহৰ হৈ উঠাৰ লগে লগে তাৰ চকু পৰিল বেৰৰ্ত আঁৰি থোৱা আনন্দৰাম বৰুৱাৰ

ছবিখনত। আনন্দৰাম বৰুৱাৰ প্ৰশান্ত, গম্ভীৰ চকুযুৰিত কি এক অপূৰ্ব্ব বুদ্ধিদীপ্তি,—এক নিষ্ঠাৰ, এক তপস্যাৰ স্বৰ্গীয় আভা। সি একে থৰে চাই থাকিল ছবিখনলৈ। সি যেন পাহৰি গ'ল ক্ষন্তেক পূৰ্ব্বৰ তাৰ সকলো খেদ, সকলো সমস্যা, সকলো অনুতাপ। বিলাতৰ পৰা উভতি অহাৰ পিছত আনন্দৰাম বৰুৱাই এগৰাকী ছোৱালীৰ এখনি ছবি তেওঁৰ এজন বন্ধুক দেখুৱাই কৈছিল, "এৱেঁই মোৰ অভিপ্ৰেত কন্যা, she is my desired bride". কিন্তু অন্তৰৰ মণিকূটত তেওঁ জলাই দিয়া দেখা গ'ল অনন্ত জ্ঞানৰ শিখা—অনিৰ্ব্বাৰ, অনিৰ্ব্বাণ। সেই স্বপ্ৰজ্বলিত জ্ঞানশিখাত পুৰি পুৰি আনন্দৰাম বৰুৱা চাই হৈ গ'ল এদিন—নীৰৱে, গুপুতে। এৰা, জ্ঞানৰ সাধনাই প্ৰদ্যুম্নয়ো কৰিব। মানুহৰ জ্ঞানৰ দীপেৰে প্ৰদীপ্ত পৃথিবীত, মানুহৰ অন্তৰৰ গভীৰত সি সোমাই বুৰগৈ থাকিব তাৰ সমগ্ৰ জীৱন। সি নিমগ্ন হ'ব সেই ৰহস্যময় কুহঁকত। কিন্তু মানুহৰ সঙ্গ, মানুহৰ সমাজ তাক নেলাগে, তাক সি নিবিচাৰে কাহানিও।

অজ্ঞাতসাৰে বিছনাৰ পৰা উঠি গ'ল প্ৰদ্যুম্ন আৰু আনন্দৰাম বৰুৱাৰ ছবিখনিৰ সমুখত জলাই দিলে এডালি ধূপ।

## প্ৰদ্যুম্ন ত্ৰিতত্ত্ব—(২)

# প্ৰদ্যুম্ন চলিহাৰ বিৰহ

অৱশেষত আহি পালা, বন্ধু। আহা সোনাই আহা ভিতৰলৈ। সৌ চকীখন টানি আনা মোৰ বিছনাৰ ওচৰলৈ। একেবাৰে ওচৰলৈ নানিবা আকৌ। ৰুগীয়া মানুহ, হেজাৰ হওক। এৰা, ঠিক সেই খিনিতেই বহা। আজি কিমান দিনে তোমাৰ এই উপস্থিতি কামনা কৰি কাণ পাতি শুই আছোঁ, কিজানিবা শুনি পাওঁ বাহিৰত তোমাৰ পদধ্বনি। আজি মোৰ কিমান আনন্দ মইতো বুজাব নোৱাৰোঁ, বন্ধু। শয্যাশায়ী ৰুগ্নলোক। বিছনাতে শুই শুই মৰণৰ দিন লেখোঁ আঙুলি মূৰত। যেতিয়া সৰ্ব্বশৰীৰ বিষাই উঠে একেখনি বিছনাতে একে দৰে শুই শুই, মন অস্থিৰ হৈ উঠে মুকলিৰ পোহৰ বিচাৰি, বাহিৰৰ পৃথিৱীৰ সৰব আহ্বান শুনি, বিগত দিনৰ গতিময় স্বপ্ন সুঁৱৰি, তেতিয়া কেনেদৰে যে উদগ্ৰীৱ হৈ উঠোঁ পৰিচিত—অপৰিচিত যি কোনো মানুহৰ কণমান সান্নিধ্য বিচাৰি, আনকি কোনো এক বন্য মূক প্ৰাণীৰো সঙ্গসুখ কামনা কৰি। তেনে অৱস্থাত, তুমি কল্পনা কৰাচোন, তোমাৰ দৰে এজন বন্ধুৰ সঙ্গৰ মূল্য মোৰ বাবে কিমান হব পাৰে। মই জানোঁ, মই তোমাক প্ৰতিদিনে পাব নোৱাৰোঁ এনেদৰে মোৰ কাষত। তুমি ব্যস্ত লোক। তুমি মোৰ বন্ধুয়েই অকল নহয়। তুমি মোৰ বন্ধুৰ বাহিৰেও গুৱাহাটীৰ সকলোৰে চিনাকি পাশ্চাত্য চিকিৎসা বিদ্যালব্ধ ডাঃ অখিল দাস। আনহাতে মই হলোঁ এক মৃত্যুমুখী ৰোগী। মোৰ এই নিৰ্জ্জন, আবদ্ধ কোঠাত এজন সুস্থ, ব্যস্ত মানুহ আহি বহি থকাটো নিশ্চয় অতি কঠিন। তথাপি তোমাক মাতিছোঁ, বন্ধু। বেয়া নাপাবা। মাথোন এটা ঘণ্টা বহা মোৰ কাষতে। মৃত্যুৰ আগে আগে মোৰ ব্যক্ত কৰি যাবৰ মন গৈছে মোৰ সকলো কথা, মোৰ সমগ্ৰ শোকৰ কাহিনী; যি কথা, যি কাহিনীয়ে মোক নিৰ্ম্মমভাবে ঠেলি দিলে এই শোকাবহ মৃত্যুৰ মুখলৈ।

শুনা বন্ধু, তুমি আহিবা আহিবা বুলি আজি তিনিদিন আগেৰে পৰা সাজু হৈ আছোঁ সকলো কথা অন্তৰ উজাৰি কবলৈ; মোৰ এই গাৰুৰ তলত সন্তৰ্পণে প্ৰস্তুত কৰি ৰাখিছোঁ সকলো চিঠি-পত্ৰ। চোৱা এই টোপোলা-

চিঠিলৈ। মই মোৰ এই সৰ্ব্বনাশী কাহিনী বৰ্ণাই যাম আৰু লগে লগে তাক বেছি সজীৱ, বেছি বিশ্বাসযোগ্য কৰিবলৈ আনুক্ৰমিক ভাবে সজাই থোৱা এই চিঠিৰ দমৰ পৰা পঢ়ি যাম দুই এষাৰ কথা। ধৈৰ্য্য ধৰি শুনি যাবা, বন্ধু।

তুমিতো জানা মোৰ সেই নিৰাশ প্ৰেমৰ কথা বিজিতা কাকতিৰ স'তে। যি বিজিতাক মই ভাল পাইছিলোঁ অন্তৰতলিৰ পৰা, কিন্তু যি ভালপোৱাই মোক নিৰাশ বেদনা দিছিল অহৰ্নিশে। কিন্তু মোৰ সকলো নিৰাশা শাম কাটিছিল সময়ত। এদিন যি নোপোৱাৰ বেদনাই মোক খুলি খুলি খাইছিল, সেই নোপোৱাৰ বেদনা সময়ৰ সোঁতত আকস্মিক আবিৰ্ভূত সূৰ্য্যৰ পোহৰত বাৰিষাৰ মেঘ আঁতৰি পলোৱাৰ দৰে পলাইছিল। এৰা বিজিতাই মোক ভাল পাইছিল। মোৰ সকলো দোষ, মোৰ সকলো গুণকেই বিজিতাই ভাল পাই পেলাইছিল। আমাৰ ভালপোৱাৰ সমগ্ৰ বাঁধা, সমগ্ৰ অন্তৰায় আওকাণ কৰি, বিজিতাই তেওঁৰ ভালপোৱা এদিন ঘোষণা কৰি লাজুকী-লতা এডালিৰ দৰেই জঁয় পৰি গৈছিল লাজতে। তুমি জানা, তেওঁলোকৰ ঘৰখনৰ সৈতে মোৰ এবাৰ নোৱাৰা সম্পৰ্ক। মাক, দেউতাক বিজিতা—কোনেও মোক আঁতৰি থাকিবলৈ নিদিছিল এদিনো তেওঁলোকৰ পৰা। বিজিতাৰ আচৰণবোৰো কিবা বেলেগ ধৰণৰ হৈ পৰিছিল মোৰ ওচৰত ক্ৰমে ক্ৰমে। এদিন তেওঁক এখন কিতাপ কিনি দিবলৈ মোক কেটামান টকা দিছিল। কিতাপ কিনাৰ পিছত মোৰ হাতত ৰোৱা আধলিটো গধূলি তেওঁক দি দিলোঁ। কিন্তু তেওঁ নলয়। মই বাৰে বাৰে টেবুলত থৈ দিওঁ। তেওঁ ওভোতাই দিয়ে বাৰে বাৰে। অৱশেষত আধলিটো তেওঁৰ পিনে ঠেলা মাৰি দি বেগাই ওলাই আহিব খুজিছিলোঁ তেওঁলোকৰ ঘৰৰ পৰা। তেওঁ লৰি আহি মোৰ পিছফালেদি কোটৰ তলেৰে সুমুৱাই দিলে আধলিটো। মোৰ বৰ খং উঠি গ'ল। কঁকালত বেল্ট্ মৰা আছিল। আধলিটো চাৰ্টৰ তলেদি নামি গৈ তাতে ৰৈছিলগৈ। মই বেল্ট্ খুলি দিলত আধলিটো পেণ্টৰ তলেৰে গৈ মজিয়াত পৰিল গৈ। মোৰ খং উঠিছিল। মাক-দেউতাকক কৈ দিব খুজিলোঁ ইমান ডাঙৰ ছোৱালী এজনীৰ এনে উদ্ভণ্ডালিৰ কথা। ভাইটিক মাতি আনি আধলিটো বিচাৰিবলৈ কলোঁ মজিয়াত, সকলো কথা বিৱৰি কোৱাৰ পিছত।

কিন্তু কি যে আচৰিত ধৰণৰ আছিল বিজিতাৰ স'তে মোৰ সম্পৰ্ক। সেই দিনা তেওঁলৈ মোৰ ইমান খং উঠা স্বত্ত্বেও তাৰ পৰা ওলাই অহাৰ

লগে লগে মই কুমলি গ'লো। বিজিতাৰ প্ৰতি এক অদ্ভুত সমবেদনাত মই অস্থিৰ হৈ উঠিলোঁ তাৰ পিছৰে পৰা। মোৰ উভতি দৌৰি গৈ বিজিতাক ক্ষমা খুজিবৰ মন গল দেৰী বুলি। এদিন গ'ল। দুদিন গ'ল। তিনিদিন গ'ল। আৰু নোৱাৰিলোঁ। চতুৰ্থ দিনা উঠিলোঁ গৈ মই বিজিতাহঁতৰ ঘৰত। মাক-দেউতাক হঁতে হাঁহি মাতি কথা পাতিলে ঠিক আগৰ দৰে। কিন্তু বিজিতা নাহিল। তেওঁ ঘৰখনতে যে আছে তাৰেই কোনো উমান নাই। আগেয়ে হ'লে ইমান পৰে মই তেওঁক ইংৰাজী কবিতা বুজাই দিব লাগে বুলি টানি লৈ গ'লহেঁতেন মোক, মাক-দেউতাকহঁতৰ আগৰ পৰা তেওঁৰ কোঠালৈ। চাহ আনি দিলে হেঁতেন নিজৰ হাতেৰে। মোৰ উঠিবৰ হ'ল। বিজিতা তেতিয়াও নহা দেখি ময়েই গ'লো তেওঁৰ পঢ়া কোঠালৈ। বিজিতাই মুৰেই নাদাঙে। "কি হ'ল ? গ্ৰীক্ মাইথ'লজিৰ এমাজন্ দেখোন আজি অসমীয়া সাধুৰ নিমাতী কন্যা হ'লা ?" "নামাতিব মোক। কৈ দিছোঁ। এইখন নিয়ক আৰু মা-দেউতাহঁতক কৈ দিয়ক গৈ মই দিছোঁ বুলি। বৰ মহাপুৰুষীয়াজন ওলাইছে।" চিঠিখন মোৰ গালৈ দলিয়াই দি তেওঁ কোঠাৰ পৰা ওলাই গ'ল। ময়ো ওলাই আহিলোঁ। চিঠিখন জেপত লৈ ঘৰ পাবলৈ ধৈৰ্য্যই নুজুৰিলে। ষ্ট্ৰীট্ লাইটৰ পোহৰতেই খন্তেক থিয় হৈ চিঠিখন পঢ়ি পেলালোঁ। চোৱা বন্ধু, এইখনেই সেই প্ৰথম চিঠিখন। ইয়াত লিখা আছে, "পদুমদা, মোৰ অন্তৰখনে কিয় জানো ইমানকৈ আপোনাৰ অকণ মৰম বিচাৰে—আপোনাক অশেষ মৰমৰ মাজত ডুবাই ৰাখিবলৈ বিচাৰে। সেয়েহে সেইদিনা আধলিটো দিছিলোঁ। প্ৰকৃততে চাহ খাবলৈ নহয়, পদুমদা, মৰমৰ প্ৰতীকৰূপেহে। কিন্তু আপুনি কৈ উঠিল, 'কি ধুৰন্ধৰ ছোৱালী'। আৰু মোৰ সেই মৰমৰ প্ৰতীক মজিয়াতে বাগৰি থাকিল। অকল সেয়ে নহয়, আপুনি ভাইটিকো কৈ দি গ'ল। গোটেই ঘৰখনে মোক আগুৰি ধৰিলে। মোৰ বুকুখন যে কেনেকৈ কঁপিছিল তেতিয়া। আপোনাৰ ওপৰত মোৰ খুব খং উঠিছিল। আপুনি যেন মোৰ আলসুৱা ভালপোৱা সিহঁতৰ আগত ধৰা পেলাই গ'ল। মোৰ ভাব হ'ল, সঁচাকৈয়ে মই খুব ভুল কৰিলোঁ। আপুনি সেইদিনা খঙতে কৈ যোৱা কথা সঁচা, ইমান ডাঙৰ হৈছোঁ, অথচ এতিয়াও পাগলী হৈয়েই আছোঁ।"

বিষাদ আৰু আনন্দৰ এক অবোধ্য সংমিশ্ৰণে সেইদিনা মোক উৱাউল কৰি তুলিছিল, বন্ধু। তাৰ পিছত প্ৰতিটো দিন মোৰ জীৱনলৈ কেনেকৈ যে নামি আহিছিল। এই দিনবোৰৰ প্ৰতিটোৱেই যেনিবা মোৰ কাৰণে

কোনো সৰগৰ নন্দন বনৰ শুভ বতৰা লৈ আহে, প্ৰতিটো নতুন পুৱাই যেনিবা মোৰ কাৰণে কঢ়িয়াই আহে সৰগী পাৰিজাতৰ মধুৰ সুবাস। এই মৰততে অত গান, অত ফুল, অত স্বপ্ন কিহে সৰজিলে? তাৰ পিছত মই বিজিতাইঁতৰ তালৈ প্ৰায়েই যাওঁ। চকুত থাকে এটি পীড়িত, উদাস চাৱনি। মনত থাকে অনাগত দিনৰ স্বপ্নৰ কুৰ্ঁলী। বিজিতাই মোক সৰু ল'ৰাৰ দৰে মৰম কৰে। যদিনা মোক তেওঁ অৱসন্ন দেখে, সেই দিনা তেওঁ মোক কথা কবলৈকেই নিদিয়ে। চকীখনতে লৰচৰ নকৰাকৈ বহি থাকিব দি পূৰা বেগত ফেনখন চলাই দিয়ে। কেতিয়াবা মই চাহ নেখাওঁ বুলি ঠেহ পাতোঁ। তেওঁ খুৱাই দিয়ে। তেনেই ওচৰতে বহি মোক চাহ মিঠাই খুৱাই দি থকা অৱস্থাত মই যেন তেওঁৰ মুখত মেডোনাৰ স্বৰূপ দেখা পাই তধা লাগি চাই ৰওঁ মুখ মেলিবলৈ পাহৰি। "কি দেখিছে মোৰ মুখত, কেচুৱাটো কৰবাৰ" বুলি তেওঁ মোক মৃদু ভৰ্ৎসনা কৰে।

বিজিতাই মোলৈ প্ৰায়ে লিখে। সপ্তাহত কমেও দুখন চিঠি লিখে। ময়ো তেওঁৰ লগত খোজ মিলাবলৈ চেষ্টা কৰি অকৃতকাৰ্য্য হওঁ। উত্তৰ দিয়াত পলম হ'লে তেওঁৰ যে কি বেঁাহ। এবাৰ তেওঁ মোলৈ লিখিছিল, "পদুমদা, আপুনি মানুহ নহয়। মোৰ অন্তৰৰ দেৱতা। আপোনাক মই কিহেৰে পূজা কৰিম? অন্তৰৰ এবুকু মৰমেৰে? তাতকৈ আৰু অন্য কিবা দিবলৈ মোৰ যে একো নাই।" প্ৰায়েই মোৰ স'তে দুষ্টামি কৰে তেওঁ। এদিন মোৰ ৰুমালখন মই হেৰুৱালোঁ। দুদিনমান পিছত গৈ পালোঁ, তেওঁৰ চিঠিখনৰ লগতে মোৰ হেৰোৱা ৰুমালখনো। চিঠিখনত লিখা আছিল, "আপোনাৰ কাম কৰি মোৰ প্ৰাণে কিয় ইমান তৃপ্তি পায়? ইয়াকেই ভালপোৱা বোলে নেকি? সেই দিনা ৰুমালখন আপোনাৰ কোলাৰ পৰা টেবুলৰ তলত পৰোঁতে মই দেখিছিলোঁ। কিন্তু নকলোঁ। ক'লেই আপুনি তুলি লৈ যাব, আৰু মই ধুব নাপাম। পিছদিনা ধুই দিছোঁ। কিমান যে ভাল লাগিছিল ৰুমালখন ধুই ধুই।" বিজিতাক কিন্তু আটাইতকৈ ভাল লাগিছিল মোৰ, তেওঁ যেতিয়া মই আন কোনোবা ছোৱালীৰ তিলমানো সংস্পৰ্শত অহা শুনিলে ঈৰ্ষাত পুৰি মৰে। এইখন চিঠিত তেওঁ কি লিখিছে শুনা বন্ধু, "পদুমদা, তুলিকাই আপোনাক খুব মৰম কৰে নহয়? আপুনিও চাগে কিমান মৰম কৰে তাইক। কাৰণ, আপুনিতো পঢ়াত ভাল ছোৱালীকহে ভাল পায়। মই যে পঢ়াত মস্ত গাধ। তুলিকাই আপোনাক ৰবকৈ খুৱায়ো,

নহয়? মোৰ কিয় ইমান হিংসা হৈছে বাৰু তুলিকালৈ? ইমান হিংসাকুৰীয়া কিয় মই? মোৰ ধাৰণা, আপোনাক মোত বাহিৰে আন কোনেও যেন আৰু আচলতে মৰম কৰিব নোৱাৰে। কোনেও যেন আৰু মৰম নকৰক আপোনাক। মৰম নাপাওক আপোনাৰ পৰাও। ইমান বেয়া মোৰ মন।" লাহে লাহে বিজিতাজনী যেন মোৰ প্ৰতি প্ৰেমত গলি গলি নিঃশেষ হৈ গৈছিল। নিজৰ সমগ্ৰ সত্তা মোতেই বিলীন কৰি দি তেওঁ যেন মই হৈ যাব বিচাৰিছিল। ইতিমধ্যে তেওঁ মোক পদুমদা বুলি চিঠিত সম্বোধন কৰিবলৈ বাদ দি সোণ বুলিবলৈ লৈছিল। এয়া শুনা, "সোণ, আজি কি কৰিছোঁ জানে? চাবে দহৰ পৰা বাৰ বজালৈ বৰষুণত তিতি কাপোৰ ধুইছোঁ। ঠাণ্ডাত গা থৰ্ থৰ্কৈ কঁপিছিল। ভাগৱত উশাহ টানিব নোৱাৰা হৈছিলোঁ। কিন্তু সেয়া যেন একোৱেই নহয়। মন উপচি আছিল আপোনাৰ স্মৃতিৰে। কামনা কৰিছিলোঁ, ঠাণ্ডা লাগি জ্বৰ উঠক মোৰ। তেতিয়া সোণ আহি, মোৰ প্ৰাণ আহি মোৰ কপালত হাত বুলাই দি মৰম কৰিব। কিন্তু ক'ত উঠিব জ্বৰ এই আপদীয়া দেহটোত।" এই একেখন চিঠিৰে তলৰ পিনে লিখিছে, "নিভা— ইমান ডাঙৰ ছোৱালীজনীয়ে ফ্ৰকটো পিন্ধি পদুলিতে থাকে মুখ উলিয়াই। বেয়াও নাপায়। আমি কেতিয়াতে ফ্ৰক এৰি বাৰান্দালৈ ওলাবলৈ বাদ দিলোঁ মনতে নপৰে। তাই ইমান বেয়া। অ', পৰচৰ্চা কৰিলোঁ, নহয়? বেয়া পালে, মহাত্মা গান্ধীটো? মাৰিব মোক? মাৰক; আপোনাৰ চৰটোও যে মোৰ কিমান কাম্য।" কেতিয়াবা বিজিতাই খঙো কৰে মোক—তেনেই অকণমানি ছোৱালীজনীৰ দৰে একোটি তুচ্ছ কথাতেই। এবাৰ মই লিখিছিলোঁ, "তুমি মোক কিয় ভাল পালা? মোৰ দেখোন নাৰীয়ে ভাল পাবলগীয়া একোৱেই নাই—ৰূপ, স্বাস্থ্য, ধন, সম্পত্তি, এইবোৰৰ একোৱেই। তুমি জানো মোক সঁচাই ভাল পাইছা, তথাপি? মোৰচোন সন্দেহ হয়।" তাৰ উত্তৰ এয়া বন্ধু, "আপুনি মোক ইমান আঘাত দিব পাৰে বুলি মইতো নাজানিছিলোঁ। আপুনি মোক সন্দেহ কৰে। মোৰ প্ৰাণেই আজি মোক সন্দেহ কৰে। যাক আজি ইমান দিনে মৰম কৰি, ভাল পাই, প্ৰাণৰ সোণ বুলি সাৰটি ললোঁ, সেয়েই মোক সন্দেহ কৰে। ইয়াতকৈ, সোণ মোৰ, মোক টেটুত চেঁপি মাৰি নেপেলালে কেলেই?"

কিন্তু দিনে দিনে ফলে পাতে এনেদৰে জাতিষ্কাৰ হৈ পৰা মোৰ সেই প্ৰাণৰ আঙুৰ বনত কোন দেৱতাৰ যেন কুদৃষ্টি পৰিল। অন্তৰৰ সেই

আলসুৱা আঙুৰ বন কঠোৰ বাস্তৱৰ ৰৌদ্ৰোত্তাপত লেৰেলি যোৱাৰ উপক্ৰম হ'ল। অপ্ৰত্যাশিতভাৱে চিঠিত তেওঁ লিখিলে, "মা-দেউতাই মোক ইমান মৰম কৰে। অথচ, মই ক্লাচ নাইনত উঠাৰে পৰা মোক বিয়া দি ঘৰৰ পৰা উলিয়াই দি চিন্তামুক্ত হবলৈ তেওঁলোক উঠি পৰি লাগি আছে। তেতিয়াৰে পৰা মই যেন বজাৰৰ দোকান এখনত বিক্ৰীৰ বাবে আঁৰি থোৱা এথোক পকা কল। মোক লৈ কত গ্ৰাহকক তোষামোদ, কত গ্ৰাহকৰ স'তে দৰ-ভাও, কত গ্ৰাহকৰ মোৰ ওপৰত নজৰ, পৰীক্ষা। এতিয়া আকৌ কটন কলেজৰ এজন অধ্যাপকৰ কথা ইহঁতে ঘৰত বৰকৈ উলিয়াইছে। মোৰ কি হ'ব, সোণ? মই যে ভগৱানক বৰকৈ খাটিছোঁ, মই যেন আপোনাৰ বাহিৰে আৰু কাৰো বুকুৰ মাজলৈ যাব নালাগে। মই যে যাব নোৱাৰোঁ, সোণ। সেই কথা মই ভাবিবই নোৱাৰোঁ। সেই ভাব আহিলেও মোৰ মূৰ ঘূৰি যায়। মই যদি আপোনাৰ হ'ব নোৱাৰোঁ, আপোনাৰ জীৱনৰ দায়িত্ব মই যদি লব নোৱাৰোঁ, মই যে জীয়াই থাকিবই নোৱাৰিম, সোণ। মোৰ কি হ'ব?"

এই চিঠিয়ে মোৰ জীৱনৰ এটি নতুন অধ্যায়ৰ সূচনা কৰিলে। মই এফালে যেনেকৈ আধা বলিয়া হ'লোঁ, আনফালে তেনেকৈ বেছি বাস্তৱ, বেছি সজাগো হৈ পৰিলোঁ। যাক তুমি অন্তৰেৰে বিচাৰিছা, যি তোমাৰ জীৱনৰ একমাত্ৰ সত্য বুলি তুমি উপলব্ধি কৰিছা, তাৰ বাবে যুঁজ দিয়াটো, তাৰ বাবে আন সকলো ত্যাগ কৰাটোৱেই প্ৰকৃত মানৱধৰ্ম্ম। মোৰ জাত বিজিতাৰ জাতৰ সৈতে একে নহয়। তেওঁৰ ঘৰে হয়তো এই কথাত আপত্তি কৰিব। কিন্তু মই একোকে কেৰেপ নকৰোঁ। আইনৰ সহায়ত হ'লেও বিজিতাক মই মোৰ আপোন কৰি লম। সকলো বাঁধা মই ওফৰাই দিম। বিজিতালৈ মই সেই মৰ্ম্মেই লিখিলোঁ। অৱশ্যে তেওঁলৈ লিখা চিঠিত মোৰ দৃঢ়তাতকৈ, মোৰ অস্থিৰতাই অথবা নিৰাশাই বেছিকৈ প্ৰকাশ পাইছিল বুলি বিজিতাই মোক জনাই তেওঁক প্ৰেৰণা যোগাবলৈ লিখিছিল।

কি হ'ল বন্ধু, উচপিচ কৰিবলৈ ধৰিছা দেখোন? এৰা, তুমি হয়তো শুনি শুনি অৱসন্ন হৈ পৰিছা। তেতিয়াৰে পৰা কৈয়েই আছোঁ নহয় একে দৰে। ইমানতে হয়তো মই তোমাক অৱসৰ দিয়া উচিত আছিল। পিছে থাওক, বন্ধু। আৰু এতিল বহা। মোৰ সকলো কথা শুনি শেষ কৰা। তুমি যে আৰু দুই এদিনতে আহিবা মোৰ কাষলৈ, তেনে আশ্বাসতো আৰু নাই। আজিয়েই সকলো শুনি মোৰ মন পাতলাই

খোৱা। ইয়ালৈ আৰু কোনোতো নাহেও। অসুখত পৰা ডেৰ মাহ দুমাহ পিছলৈ বন্ধুবোৰ আহি আছিল। তেওঁলোকৰ হাঁহি মুখে, মিঠা মাতে মোৰ ৰুগ্ন দেহৰ, মোৰ অসুস্থ মনৰ ভালেখিনি মঙ্গল সাধন কৰিছিল। কিন্তু লাহে লাহে সেই বন্ধুবোৰৰ উপস্থিতি কমি আহিল আৰু মই ইয়াতে পৰি থাকিব লগীয়া হলোঁ৷ বিছনাখনকে একমাত্র বন্ধু কৰি লৈ। মই যদি এনে অৱস্থাত পৃথিৱীৰ সকলো পাহৰি গৈ মৰণকে একমাত্র সঙ্গী কৰি মৰণৰ স'তেই কথা পাতি থাকিব পাৰিলোঁহেঁতেন! কিন্তু মই যে এই সংসাৰৰ, এই জীৱনৰ এটি সামান্য কথাও, এটি তুচ্ছ ঘটনাও পাহৰি যাব নোৱাৰিলোঁ। প্ৰথম যেতিয়া জানিলোঁ, মই আৰু বাহিৰৰ পোহৰ দেখা পাব নোৱাৰোঁ, মুকলি বতাহত খোজ কাঢ়ি ফুৰা শক্তি, স্বাধীন চিন্তীয়াভাবে জীয়াই থকাৰ শক্তি মই হেৰুৱাই পেলাইছোঁ, তেতিয়াই মই মোপাচাঁৰ উপায়টোকেই অৱলম্বন কৰিবলৈ চেষ্টা কৰিছিলোঁ। নখ কাটোঁ বুলি ব্লেডখন ইয়াৰ তাৰ হতুৱাই অনাই লৈ অনেকদিন চেষ্টা কৰিছিলোঁ সেই চূড়ান্ত জাঁপটো মাৰি দিবলৈ সিপুৰীৰ অজ্ঞাত উপকূললৈ। কিন্তু ক'তা? সাৰ্থক জানো হ'ল মোৰ প্ৰচেষ্টা? তাতকৈ আন কিবা পন্থা অৱলম্বন কৰি মৃত্যুক সাৱটি লবলৈ মই যে অক্ষম। এয়া কি, তোমাৰ মুখমণ্ডলে, তোমাৰ চকুযুৰিয়েচোন কেনে ৰং ললে, বন্ধু? তুমি আচৰিত হৈছা মোৰ এনে চেষ্টাৰ কথা শুনি? এৰা, স্বাভাৱিক, খুব স্বাভাৱিক তোমাৰ মনলৈ তেনে ভাব অহাটো। পিছে শুনা বন্ধু। সোনকালে শেষ কৰোঁ। অ', তুমি বেয়া নাপাবা দেই। তোমাক একাপ চাহ দিবও নোৱাৰিলোঁ মই। দিনটো এই ঘৰত কোনো নাথাকে। মা জীয়াই থকালৈকে কিছু শুশ্ৰূষা পাইছিলোঁ। দুবেলা দুমুঠি খাবলৈকো ঠিক সময়ত পাইছিলোঁ। তদুপৰি পথ্য, জলপান সকলো। এতিয়া গোটেই দিনটো সকলো কামে কামে বাহিৰত থাকে—দাদা, বৌ, ভণ্টি—সকলো। প্ৰথম কেইমাহমানলৈ ভণ্টিৰ কলেজ ছুটী হ'লেই, বা দাদা-বৌৰ অফিচ, স্কুল ছুটী হ'লেই লৰি আহিছিল মোৰ ওচৰলৈ। কিন্তু ময়েই তেওঁলোকৰ সুখৰ ঘৰ বিষাক্ত কৰি তুলিলোঁ। মাথোন বাতিটো কটাবৰ বাবে আহোঁ নাহোঁকৈ তেওঁলোক আহে ঘৰলৈ। চাহ কাপৰ বাবে সেই কাৰণে বেয়া নাপাবা, বন্ধু।

পিছে শুনা, বিজিতাই মোৰ মনৰ অস্থিৰতা বুজি মোক শান্তনা দিয়ে। যদি তেওঁৰ ঘৰ বহুখিনি আগবাঢ়ি যায় এই বাটে, তেন্তে তেওঁ ঘৰত কৈ দিবলৈ সাজু তেওঁ সেই বিয়াত নোসোমায় বুলি। ইতিমধ্যে হেনো মই

বিয়াৰ প্ৰস্তাৱ লৈ যাব লাগিব তেওঁলোকৰ ঘৰলৈ। তেতিয়া সকলো ঠিক কৰিব পৰা যাব। মই শান্তনা পাওঁ। অধ্যাপকৰ কথা তেওঁলোকৰ ঘৰত তল পৰে। কিন্তু পুনঃ ওলায় শ্বিলঙত থকা কোনোবা ষ্টেটিষ্টিকেল্ অফিচাৰ এজনৰ কথা। এম্. ভি. স্কুলৰ হেড্ পণ্ডিত বুঢ়া দেউতাকে চাবলৈ আহিছিল ছোৱালী। ছোৱালী পছন্দ হৈছে। ল'ৰাজনে পূজাত আহি সন্মতি জনালেই হ'ল। মই পুনৰ অস্থিৰ হৈ উঠোঁ। কথাবোৰ শুনি শুনি মই যেন শ্বাসৰুদ্ধ হৈ যাওঁ। বিজিতাৰ হাতদুখন মোৰ বুকুত হেঁচি ধৰি মই উচুপোঁ। তেৰোঁ উচুপে। মই তেওঁক দোষাৰোপ কৰোঁ, তেওঁ কিয় খুলি কৈ দিয়া নাই এতিয়াও। আচল সময় আহিলে কব বুলি তেওঁ মোক দৃঢ় কৰিবৰ চেষ্টা কৰে। মোৰ অশান্তিৰ উপশম হয়। কিন্তু ই যে বাৰিষাৰ আকাশৰ মেঘ। এচপৰাৰ পিছত আন এচপৰা— আৰু প্ৰতি চপৰাই তেনেই কালমূৰ্ত্তিৰ। কিছুদিন পিছত ওলাল আকৌ এজন এঞ্জিনিয়াৰৰ কথা। ঘৰখনৰ বেছ মত আছে। ল'ৰাজন মাদ্ৰাজৰ পৰা উভতি আহিলেই হ'ল। কথাষাৰ যিদিনা গধূলি মোক বিজিতাই ক'লে, সেইদিনা মই আগৰ দৰে আবেগত উতলি নুঠিলোঁ। মই কিছু কঠোৰ হৈ ক'লো, "এয়া কি ছলনা তোমাৰ। ইটোৰ পিছত সিটো খবৰ কৈ তুমি মোৰ ওচৰত কান্দিবলৈ আহা; কিন্তু ইমানদিনে তুমি গৃহস্থৰ কথাত প্ৰতিবাদ জনাই তোমাৰ প্ৰেম ব্যক্ত কৰিব নোৱাৰিলা। তুমি আচৰিতভাবে দুৰ্ব্বল, বিজিতা।" কিন্তু কথাখিনি কৈয়েই মই পুনৰ আবেগত আচ্ছন্ন হৈ পৰিলোঁ। মোৰ কণ্ঠস্বৰ গদ্ গদ্ হৈ পৰিল। মই তেওঁৰ হাত দুখনি মোৰ হাতত লৈ ক'লোঁ, "মই তোমাক পাম বুলি আশা কৰাটো দূৰণিৰ মৰীচিকা খেদাত বাহিৰে আন একো নাছিল, বিজিতা। আজি আৰু মই তোমাক ঘূৰাই পাব নোৱাৰোঁ। এঞ্জিনিয়াৰ এজন হাতত পাওঁতে তোমাৰ গৃহস্থই কেতিয়াও আৰু তোমাক মোলৈ নিদিয়ে। তোমাৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ তোমাৰ আশাতীত ভাবে পলম হৈ গ'ল।" কওঁতে কওঁতে মোৰ দুগাল চকুলোৰে উপচি পৰিল। সেই সময়ত পৰিস্থিতি বুজিয়েই দেৱকান্ত বৰুৱাৰ "কলংপাৰত: ৰাজনিশা" কবিতাটো মই মোৰ পকেটত সদায় ৰাখিছিলোঁ। অজ্ঞাতসাৰেই সেই কবিতাটো মই তেওঁৰ হাতত তুলি দিলোঁ। কবিতাটো দেখি তেওঁ উচপ খাই উঠিল। কবিতাটো দলিয়াই দি মোৰ ভৰিত তেওঁ পৰি গ'ল। মোৰ ভৰি দুখনিত সাৱটি ধৰি তেওঁ হুক্ হুকুকৈ কান্দিবলৈ ধৰিলে। কোনোবাই দেখে বা শুনে বুলি মোৰ বৰ ভয় হ'ল। মই তেওঁক মোৰ

ভৰিৰ পৰা একৰাই দিব খুজিলোঁ। কিন্তু নোৱাৰিলোঁ। "দেখক। আজি মোক সকলোৱে দেখক। আপোনাৰ এই ভৰি দুখনত পৰিয়েই মই আজি মোৰ জীৱন শেষ কৰিম।" তেওঁৰ কান্দোন আৰু বেছিহে হ'ল। উঃ, কি যে যন্ত্ৰণাৰে, কি যে বেদনাৰে দুঃসহ হৈ পৰে প্ৰতিটো দিন সেই সময়ত মোৰ।

ইয়াৰ কিছুদিন পিছতেই বিজিতাৰ দেউতাকৰ মৃত্যু হ'ল অকস্মাতে। মোৰ মনে এই মৃত্যুত দুটি অতি নিদাৰুণ আঘাত পালে। পৃথিবীৰ পৰা এজন প্ৰকৃত ভাল মানুহ হেৰাই গ'ল একালে আৰু আনফালে মোৰ প্ৰাণৰ বিজিতাই হেৰুৱালে তেওঁৰ অতি মৰমৰ দেউতাকক। পৰিয়ালখনৰ স'তে মই আগতকৈয়ো বেছি ঘনিষ্ঠ হৈ পৰিলোঁ। বিজিতাৰ ককায়েক কলেজত পঢ়ি থকা ছাত্ৰ। সংসাৰ-অনভিজ্ঞ সম্পূৰ্ণৰূপে। তেওঁ সকলো কথাতে মোৰ পৰামৰ্শ লয়। মাকেও মোকে একমাত্ৰ আশ্ৰয় বুলি গ্ৰহণ কৰিলে। মই দিহাভৰঘাৰ উপৰিও শাৰীৰিক শ্ৰম আৰু আৰ্থিক সাহায্যৰেও সহায় কৰিলোঁ তেওঁলোকক। আৰু ভগৱানক খাটিলোঁ, এই নিষ্কলুষ, নিৰ্দ্দোষ পৰিয়ালটোক যেন আৰু বেছিকৈ সহায় কৰিবলৈ আৰু বেছি শক্তি, আৰু বেছি সুমতি পাওঁ।

হাঁহিবলৈ মোৰ গাততো শক্তি নাই। কিন্তু মোৰ যে খুব হাঁহিবৰ মন গৈছে, বন্ধু। এই সময়ত মোৰ আপোন ঘৰেই পৰ হ'ল আৰু বিজিতাৰ ঘৰখনেই হ'ল মোৰ নিজৰ ঘৰ। এদিন নগ'লেও হেনো মোলৈ বাট চাই চাই মাকে সেই সময়ত গলৰ বিষ তোলে। বিজিতাই ৰগৰ কৰি কয়, "তুলিবতো। সৰু জোৱায়েকলৈ কম মৰম জানো?" আত্মা-তৃপ্তিৰে মোৰ চকু উদ্ভাসিত হৈ পৰে। কত নিশা কটাই দিলোঁ বিজিতাহঁতৰ ঘৰত সেই সময়ত। যিদিনা ৰাতি তেওঁলোকৰ ঘৰত থাকোঁ, সিদিনা ভাত খাই উঠাৰ লগে লগেই বিজিতাই মোৰ বিছনাখন পাৰি দিছিল। মোৰ পেণ্টটো সোলোকাই শ্লিপিং ট্ৰাউজাৰ্চ্‌টো পিন্ধি লওঁ আৰু বিজিতাই পেণ্টটো, ঘড়ীটো সন্তৰ্পণে নি আন ঠাইত থৈ দিয়ে। কেনে অনুভৱ যে হয় নিশা একেটা কোঠাতে তেওঁ যেতিয়া মোৰ ছমজ্‌দাৰ্ হৈ মোৰ তদাৰক কৰে তেনেদৰে!

দিন যায়। অৱশেষত আহি পৰে সেই দুৰ্ভগীয়া দিনটো। মই আন দিনাৰ দৰেই বিজিতাৰ ৰুমত বহোঁগৈ। সেইদিনাৰ দিনটো আছিল কিছু অস্বাভাৱিক। শেষ শৰতৰ আকাশ মেঘেৰে উপচি আছিল। ওপোলোৱা আকাশৰ পৰা টোপাটোপে বৰষুণ পৰি আছিল পুৱাৰ পৰা

গধূলিলৈ। এজাক চেঁচা বতাহে শীতৰ আগমন সূচাই ঘূৰি ফুৰিছিল ইফালে সিফালে। দিনটো ঘৰতে আবদ্ধ হৈ থাকি বেয়া লাগিছিল এনে এটি বতৰত। বিজিতাহঁতৰ ঘৰত তেওঁ মোৰ কোঠালৈ অহাৰ লগে লগেই এটি দীঘল চুমা খাই দিলোঁ তেওঁৰ দুই ওঁঠত। চেঁচা পৰি যোৱা শৰীৰটোলৈ তেনেকৈয়ে যেন উত্তাপ ঘূৰাই আনিম। বহুতো সময়লৈ তেওঁৰ মুখতেই মোৰ মুখ গুজি ৰাখিলোঁ। তাৰ পিছত তেওঁৰ মুখত, তেওঁৰ গালত, তেওঁৰ গলত, তেওঁৰ বাহুত মোৰ হাত, মোৰ ওঁঠ বুলাই দিলোঁ। কোনো কথা নাই দুয়োৰে মুখত বহুতো সময়লৈ। মাথোন দুয়ো যেন অনুভৱ কৰিছোঁ দুয়োৰে বুকুৰ ধপ্‌ধপনি, দুয়োৰে শৰীৰৰ তেজৰ পিৰ্‌পিৰণি। হঠাৎ তেওঁ উচপখাই উঠি মোৰ পৰা আঁতৰি গ'ল। কি হ'ল মই সুধিলোঁ। "দাদাই দেখিলে।" মই সুধিলোঁ, তেওঁ কেনেকৈ জানিলে। "বাহিৰত দাদাৰ মাত।" অলপ পিছতে দাদাক সোমাই আহিল। "আপুনি আৰু আমাৰ ইয়ালৈ আহিব নালাগে।" তেওঁৰ মুখত হাঁহি নাই। মই সুধিলোঁ, "কেলেই?" তেওঁ ক'লে, "এতিয়াৰ পৰা আৰু আমি নিজৰ ভৰিৰ ওপৰত থিয় দি চলিবলৈ চেষ্টা কৰিম। গতিকে আপোনাৰ সহায় আৰু নালাগে।" মই দেখিলোঁ, তেওঁ আচল কথাটো এৰাই চলিবৰ চেষ্টা কৰিছে। মোৰ মুখৰ পৰা আপোনা আপুনি ওলাই আহিল, "কথা লুকাই নেৰাখিব। আপুনি মোক আজি হঠাতে যে এনেদৰে ক'লে, ইয়াৰ নিশ্চয় কিবা এটি বিশেষ কাৰণ আছে। তাক লুকাই কেলেই ৰাখে? এটা লেতেৰা কথাত আপুনি মোক আজি আৱিষ্কাৰ কৰিছে। কিন্তু মই জানোঁ, মই একো লেতেৰা কাম কৰা নাই। মই যি কৰিছোঁ, এটি পৱিত্ৰ উদ্দেশ্যতে তাক কৰিছোঁ। মই আপোনাৰ ভনীয়েকক ভালপাওঁ। মই তেওঁক বিয়া কৰাম বুলি কথা দিছোঁ আৰু তেৱোঁ মোত বাহিৰে আন কাৰো নহয় বুলি মোক কথা দিছে। গতিকে আমাৰ অন্তৰৰ বিবাহ ইতিমধ্যে হৈ গৈছে।" কিন্তু বিজিতাৰ দাদাকে মোৰ কথালৈ কাণকে নিদিলে। বিজিতাক তেওঁ গালি পাৰি আৰু মাৰৰ ভয় দেখুৱাই মোৰ কোঠাৰ পৰা উলিয়াই লৈ গ'ল। তাৰ পিছত তেওঁৰ জেঠাকৰ পুতেক দধি কাকতি আৰু তেওঁ দুয়ো আহি মোক ইমান বেয়া কাম কৰিব পৰা মানুহ বুলি সপোনতো ভবা নাছিল বুলি আক্ষেপ কৰিলে। মই মাথোন মোৰ সৎ উদ্দেশ্যৰ কথা দোহাৰি বাৰে বাৰে বিয়াৰ প্ৰস্তাৱ দিলোঁ। কিন্তু সেই উচ্চ শিক্ষা পোৱা আজিৰ যুগৰ, আজিৰ গুৱাহাটী নগৰৰ ডেকা দুজনৰ পৰা এই কথা শুনি আচৰিত হ'লোঁ,

যে আমাৰ মাজত জাতিভেদ আছে কাৰণে তেনে কথা ভবাটোৱেই অসম্ভৱ। বন্ধু মোৰ, আমিতো সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডকেই আমাৰ জ্ঞানৰ পৰিধিৰ অন্তৰ্গত কৰাৰ সুতীব্ৰ প্ৰস্তুতি চলাইছোঁ। তাহানিৰ স্বপ্নময় চন্দ্ৰলোক আজি আমাৰ হাতৰ মুঠিত। কিন্তু আমাৰ মনৰ এই এলান্ধুবোৰ, মন কৰিছানে এই-বোৰলৈ? সন্মুখৰ ডাঠ এন্ধাৰবোৰ ঠেলি ঠেলি, কিন্ কিন্ বৰষুণত তিতি তিতি সেই শেষ শৰতৰ সেবেঙা গধূলি থৰক্ বৰক্ খোজেৰে মই ঘৰ পালোঁহি।

সেইদিনাৰ পৰা যদিওবা মই আৰু বিজিতাক লগ নেপাওঁ, তথাপি তেওঁৰ পৰা চিঠি পাই আছোঁ গুপ্তভাবে। এই চিঠিৰ জাঁপটো যে দেখিছা, এই ঘটনাৰ পিছৰ্ত অহা। এইবোৰ পঢ়িলে মই এতিয়াও চকুলোৰে বাট নেদেখা হওঁ। প্ৰতিটো কথাই যেন ইয়াৰ তেওঁৰ বুকুৰ তেজেৰে লিখা, চকুৰ লোতকেৰে লিখা। এয়া এখনত লিখিছে, "সোণ, দিন দুপৰ যদিও, বাহিৰখন এতিয়া তেনেই আন্ধাৰ। এটি ভয়ানক ধুমুহাৰ আগন্তুক। এনে ভাব হৈছে, যেন পৃথিবীৰ সকলো মলি-পাপ এই ধুমুহাই ধুই ধাই নিকা কৰি লৈ যাব। আপুনি এতিয়া ক'ত? মোৰ কষ্ট দিনে দিনে বাঢ়ি যাবলৈ ধৰিছে, সোণ। দাদাৰ মোৰ প্ৰতি নিষ্ঠুৰতা প্ৰতি দিনে চৰি গৈছে। তাৰ কাপোৰ ধুই দিয়া, ইষ্ট্ৰি কৰি দিয়াৰ পৰা ঘৰখনৰ চুৰা ধোৱালৈকে সকলোখিনি ময়েই কৰিব লাগে। অকণো জিৰণি নাপাওঁ পুৱা পাঁচ বজাৰ পৰা ৰাতি চাৰে এঘাৰ বজালৈ। কেতিয়ালৈ আপুনি মোক লৈ যাব, মোৰ প্ৰাণটি?"

কিন্তু এই চিঠিবোৰেই মোক দিলে এক বিচিত্ৰ অভিজ্ঞতা, যি অভিজ্ঞতাই মোৰ বুকুত হানিলে মাৰাত্মক আঘাত। তেওঁৰ আটাইবোৰ চিঠিতেই ক্ৰমে ক্ৰমে তেওঁৰ ঘৰখনৰ প্ৰতি এক উৎকট ঘৃণা আৰু মোৰ প্ৰতি এক অসীম ভক্তি স্পষ্ট হৈ পৰিছিল। এদিন এইখন চিঠিত লিখিলে, "গোটেই ঘৰখনেই পাপৰ গঁৰাল হৈ পৰিছে, সোণ মোৰ। এইবোৰ কথা আপোনাৰ ফুলৰ দৰে পৱিত্ৰ মনটোত সুমুৱাই দিবলৈ মোৰ অকণো মন নাছিল। কিন্তু আৰু নোৱাৰোঁ। দধি দাদা মোৰ ডাঙৰ পিতাৰ ল'ৰা হোৱা স্বত্বেও, মোৰ দাদা হোৱা স্বত্বেও, সি কি কাণ্ড কৰে জানেনে? সেই দধি দাদাই, দিয়ে সেই গধূলি আপোনাক ইয়ালৈ অহা বন্ধ কৰি দিলে আপোনাৰ বিয়াৰ প্ৰস্তাৱলৈ আওকাণ কৰি, আপোনাক অসৎ কাম কৰা বুলি দোষাৰোপ কৰি? পাপ, সোণ সকলো ফালেই পাপ। তাৰ লগত মই আনন্দ লগত কৰাৰ দৰেই স্ফূৰ্ত্তি কৰো, হাঁহো, নাচোঁ।

কিন্তু ইয়াৰ সুবিধা লৈয়েই সি বহুতো আগ বাঢ়িল। এদিন মা বাইদেউ-হঁতৰ তাত যোৱাত মই ভাত বান্ধি আছিলোঁ। সি চোন বজা লাওটো কুটি দিওঁ বুলি পাকঘৰত সোমাই লাওটো কুটিলেহি। তাৰ পিছত তাৰ গুটিবোৰ মোৰ মুখত খঁহি দি মোৰ গাল দুখনত পাৰে মানে টিপিলে। মই তাৰ কাণ্ড দেখি এনেভাবে অবাক হৈ গৈছিলোঁ যে সেই সময়ত একোকে কোৱা সম্ভৱ হৈ নুঠিল তাৰ বিৰুদ্ধে। আন এদিনৰ কথা। পিতা মৰাৰ পিছত সি দাদাৰ সহায় হওঁ বুলি আমাৰ ঘৰতে আছেহি নহয়। সি পুৱা ন বজালৈ নুঠেই। এদিন ন বজাত তাৰ কোঠা সাৰিবলৈ মই সোমাই গৈছোঁ। তাৰ বিছনাৰ তলখন সাৰিবলৈ মূৰ সুমুৱাই দিছোঁ, এনেতে সি মোৰ হাতখনত ধৰি অতি জোৰে টিপা মাৰি দি আঙুলি কিটা ভাঙিব-লগীয়া কৰিলে। আকৌ আন এদিন দুপৰীয়া ক্লাচ নাই বাবে মই শুই আছোঁ। সি সেই ছেগতে মনে মনে মোৰ কমত সোমাই আপোনাৰ মৰমৰ এই মোৰ বুকুখনতে—।" বিজিতাৰ চিঠিত এই খবৰ শুনি মই যেন কেনে অধীৰ হৈ উঠিছিলোঁ। ঘৰতে থকা এজন মানুহে যদি দাদাকৰ মুখা পিন্ধি ইমানখিনিলৈ আগ বাঢ়ে, মোৰ বিজিতা জানো আৰু তাত সৎ হৈ থাকিব পাৰিব?

কিন্তু এই কাহিনীৰ ইয়াতেই যদি সামৰণি পৰিলহেঁতেন। আন এখন চিঠিত তেওঁ জনালে, ভিনদেৱেকক আশ্ৰয় হিচাবে তাত থাকিবলৈ মাক আৰু দাদাকে মাতিছে। ভিনদেৱেকে হেনো আনন্দে সন্মতি জনাই তেওঁৰ নিজৰ ঘৰ ভাড়া দিবলৈ ওলাইছে। মই লিখিছিলোঁ, কথাটো মোৰ মতে বেয়া হোৱা নাই। ঘৰখনত ভিনদেৱেকৰ দৰে বয়সস্থ, জ্ঞানী আৰু সৎলোক এজন থাকিলে ভালবেই কথা। কিন্তু ইয়াৰ উত্তৰত বিজিতাই কি লিখিছে শুনা, বন্ধু। পিছে চক খাই নুঠিবা। "সোণ, আপুনি ভিনদেউ বিলাত-ফেৰৎ কাৰণে, ভিনদেউ বয়সস্থ কাৰণে, ভিনদেউ অসমৰ শিক্ষা জগতত সুখ্যাত কাৰণে তেওঁক বৰ ভাল বুলি ভাবি আছে। ইমান অজলা আপুনি। অসমৰ এজন উজ্জ্বল ভবিষ্যৎ-সম্পন্ন বৈজ্ঞানিক বুলি তেওঁৰ জীৱনীটো সেই দিনা ছবিখনৰে সৈতে 'অসম ট্ৰিবিউন'ত অৱশ্যে ওলাইছে। কিন্তু তেওঁৰ সেয়ে জানো প্ৰকৃত পৰিচয়? হায়, এই মানুহজনৰ বিষয়ে মই যি জানোঁ, তাৰ ভাগ যদি গোটেই অসমকে, গোটেই পৃথিৱীকেও দিব পাৰিলোঁহেঁতেন। এই পশুটোৰ কথা কি কম। উঃ, তাৰ স্বভাৱটোৰ বাবেই বাইদেউক ইমান মই ভালপাওঁ বুলিও মই যে এদিন তাইৰ স'তে তাইহঁতৰ ঘৰত থাকিবও নোৱাৰোঁগৈ। সি এদিন পূজাৰ বন্ধাৰ কৰোঁ বুলি মা-পিতাক

কৈ মোক লৈ গ'ল ৰিক্সাত তুলি ফাঁচী বজাৰমুখে। বাইদেউ তেতিয়া আমাৰ ঘৰতে আছিল। মা-পিতাই আপুনি ভবাৰ দৰেই তাক ভাল বুলি ভাবি মোক ওলাবলৈ কৈছিল তাৰ লগত। মোৰ প্ৰতি তাৰ আগৰ আচৰণ-বোৰৰ পৰাই যদিও মই তাৰ স্বৰূপ বুজিছিলোঁ, দেউতাৰ কথা এৰাব নোৱাৰি মই ওলালোঁ। পিছত যি ভয় কৰিছিলোঁ সেয়েই হ'ল। ফাঁচী বজাৰত ৰিক্সা নৰল। ৰিক্সাৱালাক ৰিক্সা চলাবলৈ নিৰ্দেশ দিলে তাৰ ঘৰৰ পিনে। মোৰ বুকু কঁপিবলৈ ধৰিলে। বাইদেউ আমাৰ তাত আছে যেতিয়া তাৰ ঘৰত আৰু কোনো নাই। মই তাক ক'লোঁ, 'কাপোৰ যদি কিনে, ফাঁচীবজাৰ দেখোন এৰি আহিলোঁ, ভিনদেউ।' সি বৰ গম্ভীৰ সুৰত ক'লে, 'ঘৰৰ পৰা পইচা লৈ আহোঁগৈ বলা। লগত পইচা অনা নাছিলোঁ।' মই মনে মনে থাকিবলৈ বাধ্য হ'লোঁ। তাৰ ঘৰ পালত ৰিক্সা ৰখাই সি মোক মাতিলে ঘৰৰ ভিতৰলৈ। মই আপত্তি কৰিলোঁ। সি দুৱাৰৰ তলাটো খুলিলেগৈ। তাৰ পিছত পুনৰ ওলাই আহি মোৰ চাদৰৰ আচলত টানিবলৈ ধৰিলে—ভিতৰলৈ এবাৰ মাত্ৰ বোলে গৈ আহিব লাগে এটা বিশেষ কাৰণত। মই তথাপি নগ'লোঁ। তাৰ বুজনি গৈ লাহে লাহে কাবৌ কাকুতিত পৰিণত হ'ল। আৰু তাৰ পিছত তাৰ কাণ, মুখ খঙত ৰঙা পৰি উঠিল হঠাতে। সি গৈ দুৱাৰত পুনৰ তলাটো লগাই ৰিক্সাৱালাক ৰিক্সা ঘূৰাবলৈ ক'লে। তাৰ পিছত আমাৰ ঘৰ পোৱালৈকে তাৰ মুখত আৰু কথা নাই। কি গম্ভীৰ! সাক্ষাৎ বিলাত-ফেৰৎ বৈজ্ঞানিক। ইয়াৰ পিছত আৰু কিমান শুনিব এই বৈজ্ঞানিক আদহীয়া অধ্যাপকৰ কথা। অলপতে ঘটা এটা মাথোন উদাহৰণ দি শেষ কৰেঁ। এই চিঠি। এদিন ৰাতি চাৰে এঘাৰ বজাত মই পঢ়ি আছোঁ মোৰ কোঠাত। পিতা মৰাৰ কিছুদিন পিছতেই। পিতা মৰাৰ পিছৰে পৰা তেতিয়ালৈ বাইদেউকো সি ঘৰলৈ নিয়া নাই, সিও যোৱা নাই। হঠাৎ মোৰ ৰুমত কোনোবা সোমোৱা গম পালোঁ সেই দুপৰ নিশা। উভতি চাই দেখোঁ, চোৰৰ দৰে হাতত সাৰে ভৰিত সাৰে মোৰ পিনে আগুৱাই আহিব ধৰিছে কুল, বুলু, আৰু অনুৰ দেউতাক—মোৰ ভিনদেউ, বাইদেউক আৰু ভাগিনী তিনিটা তাৰ ৰুমত টোপনি যোৱা অৱস্থাত এৰি। মই গৰ্জি উঠিলোঁ, 'কি লাগে চোৰ। কিয় সোমাইছ ইয়াত?' সি ফোঁপাই ফোঁপাই ক'লে, 'এটা মাত্ৰ কিচ্ (Kiss) দিয়া।' সোণ, এই ঘৰখনত মই যে আৰু থাকিব নোৱাৰোঁ। ঘৰখনত যদি ইমানোই পিশাচৰ উন্তওালি চলে, মই বাৰু কেনেকৈ থাকিম ইয়াত? প্ৰত্যেক মুহূৰ্ত্ততে জানো এজনী গাভৰু ছোৱালীয়ে

নিজকে বচাই ৰখা সম্ভৱ? তথাপি আছোঁ, সোণ। একমাত্ৰ আপোনাৰ কাৰণেই আছোঁ।"

বুজিছাইতো বন্ধু, মোৰ মনৰ অৱস্থা কেনে হ'ব পাৰে এই কথা জনাৰ পিছত। উঃ একোজনী গাভৰুৰ জীৱন কেনে বৈচিত্ৰ্যৰে ভৰা! পিঞ্জৰাবদ্ধ একোজনী গাভৰু ছোৱালীৰ গতানুগতিক জীৱন প্ৰবাহতো হৈ যায় কত অভিজ্ঞতা, ঘটি যায় লোকচক্ষুৰ আঁৰে আঁৰে কত অভাৱনীয় ৰহস্য। এই বিজিতাজনী। বিছটা, বা একৈছটা বছৰৰ মাথোন চিনাকি তেওঁৰ সংসাৰ খনৰ স'তে। অথচ অভিজ্ঞতাৰ কিযে নতুনত্ব এই তৰুণীৰো পৰাতন সংসাৰত। তেওঁতো আন বহুতো ছোৱালীৰ দৰে মঞ্চত নচা, অনুষ্ঠানত গীত গোৱা, সভাই সমিতিয়ে স্বেচ্ছাসেৱিকা হোৱা ছোৱালী নহয়। এই বাবেই যে মই বিজিতাক ভাল পাইছিলোঁ, বন্ধু। বিজিতাৰ মাজেদি মই দেখা পাইছিলোঁ পুৱা গা ধুই বেলৰ তলত শিৱক আৰাধনা কৰা, গ ূলি হ'লে তুলসী তলত মাটিৰ চাকি জলাই দিয়া পুণ্যৱতী গৃহিণীৰ পূত মূৰ্তি। কিন্তু মোৰ সেই মনৰ আদৰ্শ, মোৰ সেই ছোৱালীৰ জীৱন-পদ্ধতি সম্পৰ্কে ভাৱ-ধাৰণা কেনেদৰে যে কাচ-পাত্ৰৰ দৰে ভাঙিচিঙি চুৰমাৰ হৈ গ'ল।

তোমাৰ চকুত সেয়া কিহৰ বং, বন্ধু? বিজিতাৰ সেই জীৱনটোৰ, এজনী ছোৱালীৰ সীমিত জীৱন-ধাৰাৰ মাজতে আহি যোৱা অভিজ্ঞতা—বৈচিত্ৰ্যৰ কথা শুনি চমকি উঠিছা? কিন্তু ইয়াতকৈয়ো বেচি চমকপ্ৰদ সেই বিজিতাৰ কাহিনী, বেচি বিচিত্ৰ সেই গাভৰুৰ অভিজ্ঞতা। এই চিঠিখনলৈ চোৱা, বন্ধু। ইয়াত এয়া তেওঁ লিখিছে, "মোৰ সোণমণি, আপুনি এই ঘৰলৈ আহিব নোৱাৰে নহয়? নেলাগে, সোণ। আপোনাৰ সেই পৱিত্ৰ চৰণ-ধূলি এই নৰকত পৰাৰ যোগ্য নহয়। ইয়াত নৰকৰ কীট বোৰেহে সোমাব পাৰে, হাঁহিব পাৰে, নাচিব পাৰে মাতাল হৈ। আপুনি যে কোনোবা সৰগৰ দেৱদূত। এই পাপৰ মাজলৈ কেনেকৈ আহিব?

"কিন্তু পাপৰোতো এটা সীমা থাকিব লাগে। এই নৰকৰ কীটবোৰে এই সীমা চেৰাই গৈছে কাহানিবাই। আন কথা নালাগে মোৰ দাদা, মোৰ নিজৰ দাদাৰ, মোৰ জন্মদাতা মা-পিতাৰ বৰপুত্ৰৰ কথা শুনক। শুনি শুনি চক খাই নুঠিব, নাইবা শুনি উঠি অবিশ্বাস নকৰিব, সোণ। মই যেনেকৈ সত্য, মোৰ এই কাহিনীও ঠিক তেনেকৈয়ে সত্য, মোৰ প্ৰাণটি। মোৰ দাদা মোৰ দাদাতো নহয়। সেই মহাপাপী মোৰ শত্ৰু। তাৰ কথা কি কম। সি আগেয়ে মোৰ গা আৰু মোৰ বুকু স্পৰ্শ কৰিয়েই

শান্ত আছিল দধি দাদাৰ দৰে। কিন্তু ক্ৰমে ক্ৰমে তাৰ উৎপাত আৰু চৰি যাবলৈ ধৰিছে। এতিয়া প্ৰায় প্ৰতিনিশাই, প্ৰতিদিনেই সময় বুজি সি মোৰ সতীত্ব নাশ কৰিবলৈ চেষ্টা কৰে। প্ৰতি নিশাই সি মোৰ দুৱাৰত খুন্দিয়াই চায়হি খুলিব পাৰেনেকি। টৌপনিৰ পৰা সাৰ পাই মোৰ যে কিমান ভয় লাগে তেতিয়া দাদাৰ এই কাণ্ড দেখি। মোৰ শোৱা কোঠা আৰু তাৰ শোৱা কোঠা লগালগি। সি শোৱা কোঠা দুটাৰ মাজৰ বেৰ খনত এটি বিন্ধা কৰি লৈছে। তাৰে মই কাপোৰ সলোৱা বা প্ৰসাধন কৰা সময়ত মোৰ উদং গালৈ সি সতৃষ্ণ নয়নে চাই থাকে। কথাষাৰ জানি কিছুদিনৰ আগেয়ে মই ফুটাটো বন্ধ কৰি দিছোঁ। কিন্তু এন্দুৰটো মাৰি পেলাব নোৱাৰিলে এন্দুৰৰ গাঁতৰ মুখ বন্ধ কৰি জানো কিবা লাভ আছে, সোণ? সি এতিয়া মোৰ কোঠাৰ ড্ৰেচিং মিৰৰ্ খনৰ লগত দুই কোঠাৰ মাজৰ বেৰৰ ওপৰত এখন আৰু তাৰ কোঠাত অন্য এখন মিৰৰ্ এনেভাবে স্থাপন কৰি লৈছে যে তাৰ কোঠাৰ মিৰৰ্খনত চায়েই মোৰ নগ্ন শৰীৰৰ সমস্ত বিভৎস সৌন্দৰ্য্য সি উপভোগ কৰি মাতাল হৈ উঠিব পাৰে। অকল এয়েই নহয়। ঘৰত মা নাথাকিলে সি আহি মোৰ দেহত নানা পৰীক্ষা চলায়। জোৰকৈ। উঃ ভগৱান। কি যে পাপ কৰ্ম্মত বুৰ গৈছে ঘৰখন।”

বন্ধু মোৰ, তোমাৰ চকু-মুখ দেখোন আশ্চৰ্য্যৰে ভৰি পৰিছে? এৰা বন্ধু,ময়ো আচৰিত হৈছিলোঁ প্ৰথম যেতিয়া এই চিঠি পঢ়োঁ, তেতিয়া। মোৰ এই অপ্ৰত্যাশিত অভিজ্ঞতাই মোৰ মনত, মোৰ শৰীৰত এনে এক মাৰাত্মক আঘাত দিলে যে মই লাহে লাহে দুৰ্ব্বল হৈ যাবলৈ ধৰিলোঁ। অৱশেষত মই থিয় হৈ খোজকেই পাতিব নোৱাৰাত পৰিলোঁ। এৰা, মই হৈ পৰিলোঁ শয্যাশায়ী। ডাক্তৰৰ পিছত ডাক্তৰ আহিল। তোমাৰ দৰে বিলাত-ফেৰৎ অনেক ডাক্তৰ। কোনেও ধৰিব নোৱাৰিলে মোৰ ৰোগ। তেওঁলোকৰ মত, মই কেতিয়াবা হেনো এনেয়ে ভাল হৈ যাব পাৰোঁ। অত্যধিক স্নায়বিক দুৰ্ব্বলতাৰ বাবে মই হেনো এনেদৰে শয্যাশায়ী হৈ পৰিছোঁ। সেই কৃতবিদ্য, অভিজ্ঞ, সুনিপুণ চিকিৎসক সকলৰ অজ্ঞতা দেখি মোৰ তেতিয়া মনে মনে খুব হাঁহি উঠিছিল, বন্ধু। অত্যধিক স্নায়বিক দুৰ্ব্বলতা—Excessive nervous debility. কিন্তু কি কাৰণে আহি পৰিল এই অত্যধিক স্নায়বিক দুৰ্ব্বলতা—Excessive nervous debility? তোমালোকৰ চিকিৎসা বিজ্ঞানে এই কথা যিদিনা চুকি পাই তাৰ প্ৰতিবিধান কৰিব পাৰিব, সেইদিনাই হ'ব তোমালোকৰ বিজ্ঞান সম্পূৰ্ণ। বহু কথা কৈ

পেলালোঁ নহয় অনাৱশ্যকীয় ভাবে? বেয়া নাপাবা, বন্ধু। অসুস্থ শৰীৰ, অসুস্থ মন।

সি যি কি নহওক, তোমাক আৰু বেছি সময় আমনি নিদিওঁ। আৰু নেলাগে তুমি ৰুগ্ন লোকৰ এই আৱদ্ধ কোঠাত এই সুন্দৰ বিয়লিটো নষ্ট কৰি দিবলৈ। তুমি যোৱাগৈ, বন্ধু। মোৰ কাহিনী যিখিনি শুনিলা, তাৰ পৰা তোমাৰ কিবা লাভ হ'ল নে নাই কব নোৱাৰোঁ। এই কথা মাথোন জানোঁ, যে তোমাৰ এই আনন্দমুখৰ চলমান জীৱনৰ এটি সোণালী আবেলি মই নষ্ট কৰি দিলোঁ। তোমাৰ এই আবেলিটোৰ বিনিময়ত মোৰ মনে পালে অনেক উপশম। মইতো বুজাব নোৱাৰোঁ, তোমাৰ ওচৰত মই কিমান কৃতজ্ঞ, বন্ধু। তুমি যোৱা। অ', তুমি যোৱাৰ আগে আগে মোক আৰু অকণ সহায় কৰি দি যোৱা, বন্ধু। পানী গিলাচ মোলৈ আগবঢ়াই দি যোৱা, মোৰ গলটো একেবাৰে শুকাই গৈছে। ......বহু। ধন্যবাদ। তোমাৰ হাতৰ পানী এগিলাচ খাই কিমান যে শান্তি পাইছোঁ। পৃথিবীৰ মানুহৰ মৰম মোৰ প্ৰতি তেন্তে এতিয়াও শেষ হৈ যোৱা নাই? এৰা বন্ধু, নমস্কাৰ! কি ক'লা? আৰু আহিবা, সময় পালে? তুমিতো এক আচৰিত প্ৰাণী তেন্তে! মোৰ ইয়ালৈ পুনৰ আহিবলৈ আৰু জানো হাবিলাস থাকিব পাৰে তোমাৰ? বাৰু তেন্তে। তোমাৰ সেই পুনৰাগমনৰ দিনটোলৈকে প্ৰতীক্ষা কৰিয়েই মই শুই ৰম ইয়াতে মাজৰ এইকেইটা দিন।

## প্ৰদ্যুম্ন ত্ৰিতত্ত্ব—(৩)

# প্ৰদ্যুম্ন চলিহাৰ বিবাহ

বিয়া এখন বুলিলে কত কাম, কত জঞ্জাল, কত সমস্যা। কিন্তু এই আটাইবোৰেই হাঁহি মুখে মূৰ পাতি ললোঁ; মূৰ পাতি লৈ সুচাৰু ৰূপে সম্পন্ন কৰিলোঁ সকলো দুটা কাৰণত। এটি সম্পূৰ্ণ আৱেগজনিত কাৰণত মোৰ বিয়া নহ'ল। অৱশ্যে মোৰ বহুত শুভাকাঙ্ক্ষাৰ মতে মোৰ বিয়াৰ বয়স এতিয়াও পাৰ হৈ যোৱা নাই। কিন্তু বয়সেই বিয়াৰ বাবে প্ৰধান কথা নহয়। যি নহওক, বিয়াৰ কথা মনৰ তলিৰ পৰা সাৰি পুচি পেলালোঁ বুলিও, বিয়াৰ প্ৰতি সকলোৰে পৰা যি এক পবিত্ৰ ভাব আছিল সি নাইকিয়া হৈ নগ'ল। বৰং বিবাহ অনুষ্ঠানটো মোৰ মনত আৰু বেচি পূত, আৰু বেচি পবিত্ৰ হৈ পৰিল। বিবাহ-উৎসৱে মোক দেৱলোকৰ সন্ধান দিয়ে, মোলৈ বৈ আনে সেই ভাৰতৰ আদিম যুগৰ কথা, যেতিয়া সৰস্বতী-দৃষদ্বতীৰ, গঙ্গা-যমুনাৰ তীৰবৰ্ত্তী অৰণ্যানী মুখৰিত হৈছিল শত-সহস্ৰ ঋষি-সাধকৰ বেদমন্ত্ৰ-ধ্বনিৰে। হোমৰ গুৰিত যেতিয়া উচ্চাৰিত হয় পবিত্ৰ বেদ-স্তৱক পুৰোহিতৰ উদাত্ত কণ্ঠত, সমগ্ৰ ৰভাতল আচ্ছন্ন হয় বৈদিক যজ্ঞৰ পবিত্ৰ গন্ধেৰে, সেই শুভ-ৰাত্ৰিৰ পূত লগনত এক হৈ যায় দুটি প্ৰাণ জন্ম-জন্মান্তৰলৈ, কি যে এক ৰহস্যময়ী অনুভূতিত সমাহিত হৈ পৰে মোৰ চেতন, অচেতন মন তেতিয়া।

বিয়াখনৰ নামত মই সকলো পৰিশ্ৰম মূৰ পাতি লব পৰাৰ আনটো কাৰণ, কনক হাজৰিকা মোৰ নিভাঁজ বন্ধু। সকলোৰে পৰাই আমাৰ ইজনৰ প্ৰতি সিজনৰ চেনেহৰ অন্ত নাই। এনে স্থলত, তাৰ বিয়াখনত মই প্ৰাণ পণে খাটি দিয়াটো মোৰ কৰ্ত্তব্যৰ ভিতৰত বুলি মই ধৰি লৈছিলোঁ। বিয়াখন যোৱাৰ পিছতহে এতিয়া মই অনুভৱ কৰিছোঁ, কি হাড় ভগা পৰিশ্ৰম হ'ল। এনে অৱস্থাত মই এতিয়াই প্ৰদ্যুম্ন চলিহাক লগ পাবলৈ বিচৰা নাছিলোঁ। কিন্তু কালি অকস্মাতে তাৰ চিঠি পালোঁ। আজি আহি লগ ধৰিব সি মোক। সেই আচহুৱা ৰোগটোত শয্যাশায়ী হৈ পৰাৰো দুমাহমান পিছলৈ মই তাৰ ওচৰলৈ গৈ আছিলোঁ। পিছলৈ আৰু ভাল নলগা হ'ল। ছমাহ মান বিছনাত পৰি থকাৰ পিছত দাক্ষিণাত্যৰ উপকূলত সাগৰীয় জলবায়ু লৈ ভাল হোৱাৰ আশাৰে তাক বোম্বেলৈ দাদাকে পঠিয়াই দিয়া

বুলি শুনিছিলোঁ। বেচেৰা যে আৰু ভাল হৈ কোনোবা দিনা গুৱাহাটীলৈ উভতি আহিব, তেনে আশা নাছিল। দুখ লাগিছিল প্ৰদ্যুম্ন পাগলটোলৈ। কিন্তু যোৱাৰ ছয় সাত মাহমান পিছতেই সি আৰোগ্য হৈ উভতি অহা বুলি শুনিছিলোঁ। তাৰ উভতি আহিবৰো আজি কিজানি ছমাহ মান হ'ল। কিন্তু সি কাইলৈকে মোক লগ ধৰা দূৰৈৰ কথা, মোলৈ এটি খবৰেই পাঠিওৱা নাই। মই আচৰিত হোৱা নাই। বিছনাত সি পৰি থকা সময়ত তাৰ খবৰ লবলৈ বাদ দি মই জানো কম অন্যায় কৰিছিলোঁ আমাৰ বন্ধুত্বৰ প্ৰতি? যি দিন ধৰি বিয়াৰ আশা পৰিত্যাগ কৰিলোঁ, সেইদিন ধৰি প্ৰদ্যুম্ন ডঙুৰাটোক লৈ যে কেনে উত্তগুতাত লাগি গ'লো। উজান বজাৰৰ তাৰ সেই প্ৰেমিকা জনীৰ ঘৰৰ স'তে যেতিয়া তাৰ সম্পৰ্ক অন্যায়ভাবে, নিৰ্ম্মমভাবে ছিন্ন হৈ গ'ল, সি প্ৰতিজ্ঞা কৰিলে সেই ছোৱালীজনীক বিয়া কৰাবলৈ নেপালে সি আৰু বিয়া নকৰায় জীৱনত। পিছত ছোৱালীজনীৰ চিঠিৰ পৰাই গম পালে সিহঁতৰ ঘৰখন কেনে পাপ-কলুষেৰে ভৰা। কি যে বেদনা তাৰ তেতিয়া ! ভৰা লুইত পাৰ হৈ সি উত্তৰ গুৱাহাটী উঠেছি, মোক লগ পাবলৈ। হাতত ধৰি টানি লৈ যায় কাণায়ে বৰশী বোৱা শিলটোৰ পিনে। কত কথা তাৰ সেই প্ৰাচীন অৰণ্যৰ নিস্তব্ধতাৰ মাজত। সেই ছোৱালীজনীক সি বিয়া কৰোৱাত বাঁধা, কাৰণ তাইক সি পবিত্ৰভাবে ভাল পায়, কাৰণ তাৰ আৰু সেই ছোৱালীজনীৰ মাজত কোনো অসৎ সম্পৰ্ক নাই, কাৰণ সেই ছোৱালীজনীকেই পত্নীৰূপে পাবলৈ সি উদ্যত। তাৰ এই নিৰ্দ্দোষ উদ্দেশ্যৰ বাবে, সজ কাৰ্য্যাৱলীৰ বাবে সি আনকি ছোৱালীজনীক দেখা কৰিবও নোৱাৰে ; তাইৰ ঘৰত খোজ দিয়াৰ অধিকাৰ পৰ্য্যন্ত সি হেৰুৱাই পেলাইছে। আনহাতে, তাইৰ ওপৰত সকলো আচৰণ কৰিব পাৰে, সৎ অসৎ সকলো ব্যৱহাৰ তাইক কৰিব পাৰে তাইৰ জেঠাকৰ ল'ৰাজনে, তাইৰ ভিনদেৱেকে, তাইৰ আপোন দাদাকে। কাৰণ, সিহঁতৰ সম্বন্ধ সমাজৰ দ্বাৰা অনুমোদিত। এইখনেই সমাজ, যিখনৰ দোহাই দি সেই দিনা গধূলি তাক বিজিহাইঁতৰ ঘৰৰ পৰা চিৰ বিদায় দিছিল বিজিতাৰ দাদাকইঁতে। এনে এখন সমাজত সি বোলে আৰু বিয়া কৰাব নোৱাৰে। তাৰ যে কত খেদ, কত আখেজ। মযো বিয়াৰ কথা মোৰ মনৰ পৰা বাদ দিয়াৰ বাবে সি মোক সাবটি অভিনন্দন জনাইছিল আজি দুবছৰ আগেয়ে। তাৰ পিছত সি এখন স্কুটাৰ কিনি লৈছিল আৰু কিনিছিল এটি ট্ৰেঞ্জিষ্টৰ্ ৰেডিঅ'। স্কুটাৰৰ পিছৰ চিটটোত মোক তুলি লৈ সি যে ৰেডিঅ'টোৰ সৈতে কোন দিনা ক'ত ওলায় গৈ। অলপ দীঘলীয়াকৈ সময় পালেই

সি মোক লৈ যাব গুৱাহাটীৰ পৰা পোন্ধৰ বিছ মাইল আঁতৰৰ প্ৰকৃতিৰ ৰমণীয় নিৰ্জান ঠাইবোৰলৈ। স্কুটাৰখন ৰাখি যাঁহনিত শুই পৰে প্ৰদ্যুম্ন। বাজি উঠে তাৰ ৰেডিঅ'; আৰু মোক কাষতে বহুৱাই লৈ গাই যায় ফিট্‌জেৰাল্ডৰ 'ৰুবাইয়াৎ অৱ্ ওমৰ খায়াম'।

মই বিয়া বাদ দিছিলোঁ বুলিও প্ৰদ্যুম্নৰ দৰে বোহেমিয়ান হৈ পৰা নাছিলোঁ। আন হাতে, সংসাৰৰ আটাইবোৰ কথা স্বীকাৰ কৰি লৈ সংসাৰৰে এজন হৈ থকাৰ কথাহে মই চিন্তা কৰিছিলোঁ। অৱশ্যে প্ৰদ্যুম্ন বোহেমিয়ানটোৰ স'তে সেই কিটা মাহ তেনেদৰে কটাই দিব পাৰি বেয়া লগা নাছিল। মোৰ দৰে ডঙুৰা অসাংসাৰিক মানুহ এজনৰ পক্ষে সময় কটোৱাটোও জানো এটা সৰু সমস্যা? কিন্তু এই আটাইবোৰ প্ৰায় ডেৰ বছৰ আগৰ কথা। ইমান দিনৰ বিৰতিৰ পিছত সেই প্ৰদ্যুম্ন আজি পুনৰ আহিব মোৰ ওচৰলৈ। বোম্বেৰ পৰা আৰোগ্য হৈ উভতি আহিবৰ আজি তাৰ প্ৰায় ছমাহ হ'ল। এই ছমাহে তাৰ কোনো উম ঘাম নাই। হঠাতে কালি পালোঁ তাৰ চিঠি। কোনে জানে কি ৰূপ লৈ থিয় দিব প্ৰদ্যুম্ন আহি মোৰ ওচৰত?

মোৰ দৃঢ় বিশ্বাস, ডেৰ বছৰ আগৰ, সেই দুৰাৰোগ্য ৰোগত ভোগাৰ আগৰ সেই প্ৰদ্যুম্ন চলিহাকেই হয়তো মই আকৌ লগ পাম। আকৌ আৰম্ভ হব তাৰ স্কুটাৰৰ পিছৰ 'চিট'ত মোৰ সেই অবাঁধ উন্মুক্ত জীৱন। হয়তো ভালেই লাগিব মোৰ এই জীৱন। বিশেষকৈ কনকৰ বিয়াখনত প্ৰাণ ঢালি লাগি দিয়াৰ পিছত মোৰ মনটো যথেষ্ট পাতল লাগিছে। এই বিয়াখনত এনে দৰে খটাৰ পিছত সংসাৰত জন্মি এজন মানুহে যি ধৰ্ম্ম পালন কৰা কৰ্ত্তব্য, সেই ধৰ্ম পালনৰ যেন মোৰ সামৰণি পৰিল। মই যেন সন্ন্যাস আশ্ৰম পালন কৰিব পৰা হৈছোঁ—প্ৰদ্যুম্নৰ স্কুটাৰত ঘূৰি ফুৰি তাৰ ট্ৰেঞ্জিষ্টৰত পাশ্চাত্যৰ কোনোটো ৰেডিঅ' কেন্দ্ৰৰ কোনোটো 'লাইট্ আইটেম্' উচ্চৈঃস্বৰে খুলি দি, নাইবা তাৰ সেই অদ্ভুত কৰ্কশ মাতটোৰে ওমৰৰ কবিতা আবৃত্তি কৰা শুনি শুনি। তথাপি সি আৰু এমাহমান পিছত মোৰ ওচৰলৈ অহা হ'লেই কিজানি বেচি ভাল আছিল। শৰীৰ-টোৱে অলপ বিশ্ৰাম পালেহেঁতেন, আৰু লগতে কনকৰ দাম্পত্যজীৱনৰ সুখ-স্বাচ্ছন্দ্যৰ বেঙণি মোৰ চকুত বিৰিঙাই কিজানিবা তাহনিতে হেৰুওৱা এক ফুলৰ সুৰভিৰে উন্মনা হ'ব পাৰিলোঁহেঁতেন তেতিয়া।

কনক হাজৰিকাৰ শহুৰেকৰ ঘৰেও ঘৰকৈ মাতিছে কাইলৈ দুপৰীয়া কনকৰ স'তে। কিন্তু প্ৰদ্যুম্নৰ পৰা জানো ছুটী আৰু পাম কাইলৈ?

নগ'লেও কিন্তু কনকৰ শাহুৱেক আৰু ঘৰগিৰীয়েক বৰ অসন্তুষ্ট হ'ব মোৰ ওপৰত। কনকেও কপালৰ ফলতহে পালে এনেখন ঘৰ। অতি মাৰ্জিত ৰুচিৰ প্ৰতিজন মানুহেই। ঘৰখন বেয়া হোৱা হ'লে পিছে মোৰেই বেয়া লাগিলহেঁতেন; ময়েই ঠিক কৰিছিলোঁ যেতিয়া কনকৰ বিয়া এইখন ঘৰত। ছোৱালীজনীৰ আৰু ঘৰখনৰ বিষয়ে সকলো কথা জানিছিলোঁ ডি. চি. অফিচত কাম কৰা আমাৰ ইয়াৰে এজন মানুহৰ পৰা। শ্ৰীমতী হাজৰিকাৰ দাদাকেও বি. এ. ফেল কৰি ডি. চি. অফিচতে কাম কৰে। প্ৰায়সকলো ঠিক হৈছিল দ্ৰুত গতিতেই। শুভ কাম যে সোনকালেই হৈ যাব লাগে, তাৰ তাগিদা পাইছিলোঁ কইনা ঘৰীয়াৰ পৰাই।

ছোৱালীজনী চাবলৈ কনকৰ মাকহঁতকেই পঠিয়াইছিলোঁ যদিও, তেওঁলোকে চাই অহাৰ পিছত কনক আৰু ময়ো যাবলৈ বাধ্য হ'লোঁ উভয় পক্ষৰ অনুৰোধত। আমি ছোৱালী চাই অহাৰ প্ৰায় ডেৰ মাহ পিছতেই বিয়াৰ দিন ঠিক হৈছিল। ছোৱালী দেখাৰ পিছত কনক আৰু মোৰ— উভয়ৰে মন ফৰকাল লাগিছিল। কনকৰ মাকে আৰু মোমাইদেৱেকহঁতৰ বুঢ়ীমাকে কোৱা কথাই সঁচা—ছোৱালীতো নহয়, সাক্ষাৎ লক্ষ্মীজনী। সুন্দৰকৈ সজাই থোৱা কোঠা এটিত আমি দুয়ো বহিছিলোঁ। দাদাক আৰু মাকে অতি নম্ৰভাৱে, অতি ভদ্ৰতাৰে আমাৰ স'তে কথা পাতিছিল। অলপ পিছতে কইনাৰ ভিনিদেৱেকো আহি পাইছিল। তেখেতৰ নাম আগৰে পৰাই জানোঁ। এটি সম্পৰ্কৰ ডোলেৰে বান্ধ খাবলৈ ওলোৱাৰ কাৰণেই বোধ হয়, তেখেতে আমাৰ লগত অতি আপোনভাৱেই কথা হৈছিল। অলপ গৌৰৱেই বোধ হৈছিল তেখেতৰ লগত ঘনিষ্ঠভাৱে কথা পাতি। হেজাৰ হ'লেও তেখেত বিদ্বান পুৰুষ, অসমৰ এজন সুপৰিচিত লোক। মানুহজন পিছে সঁচাই ইমান মিতভাষী, ইমান সদাচাৰী, ইমান সৰল বুলি আগেয়ে ধাৰণা নাছিল।

গৈ পোৱাৰ পিছতেই দুয়ো দুগিলাচ অৰেঞ্জ স্কোৱাচ্‌ খাইছিলোঁ। কিছু সময় পিছত চাহ খাবলৈ হোৱা বুলি আমাৰ কোঠাৰ পৰা তিনিও ওলাই গ'ল। আৰু লগে লগে সোমাই আহিল কনকৰ ভাবীপত্নী। ডাঙৰ দীঘল অৱয়ৱ। শকত হ'লেও অস্বাভাৱিকভাৱে শকত নহয়। গাৰ বৰং সুন্দৰ বগা। মুখৰ বং সুমথিৰা টেঙাৰ দৰে। দেখিয়েই ভাল লাগিল। কনকে নিশ্চয় ঠগ নেখায়। কিন্তু তাতোকৈয়ো ভাল লাগিল ছোৱালীজনীৰ চাল-চলনখিনি। আমালৈ ছোৱালীজনীয়ে লৈ আহিছিল দুকাপ চাহ, দুগিলাচ পানী, আৰু চাৰি প্লেট বিভিন্ন মিঠাই। টেবুলত সেইখিনি

খৈয়েই লাজ লাজকৈ থিয় দিছিল বেৰৰ ওচৰত। তলমুৱাকৈ তাতে থিয় হৈ তেওঁযেন কিবা এটিৰ লৈ প্ৰতীক্ষা কৰিলে। মই ক'লোঁ, "তুমি বুলিয়েই সম্বোধন কৰোঁ, বেয়া নাপাবা।" তাৰ পিছত আমি শুনা নামটোৰ ছোৱালীজনী তেৱেঁই হয়নে নহয় সুধিলোঁ। তেওঁ ক'লে, "হয়"। তাৰ পিছত কনকক ক'লোঁ, "তোৰ এতিয়া কি সুধিবৰ আছে সোধ, কনক।" সি এটি সেপ ঢুকি লৈ সুধিলে, "আমি যে উত্তৰ গুৱাহাটীৰ পৰা আহিছোঁ, কিজানি জানিছাই। মই কনক হাজৰিকা। বোধহয় মোৰ নামটোৰ সৈতে ইতিমধ্যেই পৰিচিত হৈ পৰিছা। আৰু ই মোৰ বন্ধু, অনুপ বৰুৱা।" ছোৱালীজনীয়ে অতীব নম্ৰভাবে নমস্কাৰ জনালে দুয়োকে। কনকে পুনৰ আৰম্ভ কৰিলে, "পিছে আচল কথালৈ আহোঁ। তোমাৰ আৰু মোৰ বিয়াৰ বিষয়ে তোমাৰ আৰু মোৰ ঘৰে যে আলোচনা চলাইছে, তাৰ নিশ্চয় গম পোৱা। বিয়াৰ স্থান মানুহৰ জীৱনত কোন-খিনিত, তাক নিশ্চয় তুমি বুজা। গতিকে, অকল ঘৰ দুখনৰ কথাৰেইতো নহ'ব। তোমাৰ জানো ইয়াত সন্মতি আছে?"

"হয়, আছে।" ছোৱালীজনীয়ে তলমুৱা কৰিয়েই গম্ভীৰভাবে উত্তৰ দিলে।

"তুমি মোৰ স'তে সুখী হ'ব পাৰিবা জানো?" কনকৰ প্ৰশ্ন।

"নিশ্চয় পাৰিম বুলি ভাবোঁ।"

"আন কাৰোবাক যদি তোমাৰ মোতকৈয়ো বেচি ভাল লাগিছিল, কিন্তু পৰিস্থিতিয়ে বাধ্য কৰিলে তোমাক মোকে বাচি লবলৈ, তেন্তে কৈ দিয়া। মই তোমাক সহায় কৰি দিম আনন্দেৰে। কাৰণ, তেনে ক্ষেত্ৰত তুমি হেজাৰ চেষ্টা কৰিলেও মোৰ লগত সুখী হব নোৱাৰিব পাৰা।" কনকে একে উশাহে কৈ পেলালে।

"নাই, মই তেনেদেৰে কাকো কেতিয়াও মোৰ অন্তৰত স্থান দিয়া নাই। ঘৰৰ মতেই মোৰ মত। মোৰ ঘৰখনকেই মই সকলো পৰা মানি আহিছোঁ। মা, দাদা, ভিনদেউ এই সকলক মই শ্ৰদ্ধা কৰোঁ, ভক্তি কৰোঁ, আৰু এইসকলৰ কথা মই সদায় মানি চলোঁ।"

ছোৱালীৰ এই উত্তৰত কনক অলপ ৰ'ল। তাৰ পিছত কিবা এটি ভাবি ক'লে, "বাৰু তেন্তে, তুমি যদি সৰ্ব্বান্তঃকৰণে মোকেই গ্ৰহণ কৰিব পাৰা, তোমাৰ আৰু মোৰ ঘৰক আগবাঢ়িবলৈ দিওঁ নেকি শেষলৈকে?" ছোৱালীয়ে সন্মতিত মূৰ দুপিয়ালে।

আমাৰ ইতিমধ্যে চাহ খোৱা হৈছিল। কবলগীয়া কথাও আৰু

বিশেষ নাছিল। ছোৱালীজনী ওলাই অহাৰ পিছত মাক, দাদাক, ভিন-দেৱেকহঁত পুনৰ সোমাই আহিছিল আমাৰ কোঠালৈ। তেওঁলোকে আঙঠি পিন্ধোৱা দিন এটা ঠিক কৰিলে তাৰ দহ দিন পিছতেই। কনক আৰু মোকেই পুনৰ যাবলৈ কৈছিল আঙঠি পিন্ধাবলৈ। আমি ওলাই আহিছিলোঁ। আটাইকেইজনে আগ বঢ়াই থৈছিল আমাক. ৰাস্তালৈ। ঘৰলৈ উভতি আহোঁতে বাটত আমি বৰ আনন্দ পাইছিলোঁ। ছোৱালী আমি ভবাতকৈ বহুত ভাল। ঘৰখন আমি শুনাতকৈ অনেক ওপৰত। দেউতাক ভাল মানুহ আছিল, জানোঁ। কিন্তু দেউতাকৰ মৃত্যুৰ পিছতো ঘৰখনৰ মান, দেখিলোঁ, হ্ৰাস হোৱা নাই। কইনাৰ দাদাক নিশ্চয় দেউতাকৰ সমপৰ্য্যায়লৈ উঠিব। যি মলা বাঢ়ে তাৰ দুপতীয়াতে চিন। কনকক পিঠিত থপৰিয়াই থপৰিয়াই কলোঁ, "তই বৰ ভাগ্যৱান, কনক। তোলৈ বৰ ঈষা হৈছে প্ৰকৃততে।"

তাৰ দহদিন পিছত আমি পুনৰ ওলাইছিলোঁ কনকৰ ভাবী শহুৰেকৰ ঘৰত। সেই একে ধৰণেৰে সজ্জিত একেটা কোঠাতে দুয়ো বহিছিলোঁ। কথা-বতৰাৰ মাজেৰে চাহ-মিঠাই খোৱাৰ পিছত ভিতৰৰ আন এটি কোঠালৈ আমাক মাতি নিলে। তাত দেখোঁ এখন পাটী পৰা। কোঠোটোৰ এমূৰত চকী। আমাক ভিতৰলৈ মাতি নিয়া বুঢ়ীজনীয়ে চকী দুখনত আমাক দুয়োকে বহিবলৈ দিলে। অলপ পিছত এজনী ক্ষীণ, মিঠা বৰণীয়া ছোৱালীয়ে কনকৰ ভাবীপত্নীক লৈ আহিল আমাৰ কোঠালৈ। তেওঁলোক দুয়ো পাটীত বহাৰ লগে লগে বুঢ়ীজনীও বহিল। লগে লগে আৰু দুই তিনিজনীমান তিৰোতা আৰু সৰু সৰু ছোৱালীৰে পাটী ভৰি পৰিল। বুঢ়ীজনীয়ে এটি সেন্দুৰৰ টেমা কনকলৈ আগবঢ়াই দিলে। তাৰ পিছত তেওঁৰেই পৰামৰ্শমতে আঙঠি পিন্ধা আঙুলিটো আগবঢ়াই দিলে ছোৱালী-জনীয়ে তলমূৰাকৈ। কনকে আঙঠিটো পিন্ধাই তেওঁৰ কপালত আঁকি দিলে এটি সেন্দুৰৰ ফোঁট। লগে লগে ছোৱালীজনী আগুৱাই তাৰ ভৰি চই এটি সেৱা জনালে। এই পৱিত্ৰ লোকাচাৰৰ মাজত মই যেন সম্পূৰ্ণ এখন নতুন পৃথিবী দেখা পালোঁ। এনে দৰেই সূচনা হ'ল তেন্তে, এটি ভবিষ্যৎ জীৱনৰ, মেল খালে এক নতুন সংসাৰৰ পাতনি। মাঙ্গলিক সেন্দুৰৰ ফোঁট, সশ্ৰদ্ধ প্ৰণাম—এইবোৰৰ মাজত লুকাই আছে কত অব্যক্ত কামনা, কত সহস্ৰ আকুতি। আমি উভতি অহা সময়ত দুয়োৰে গম্ভীৰ হৈ পৰিছিলোঁ অস্বাভাৱিকভাবে। কনকে কৈছিল, ছোৱালীৰ সেৱাই তাক যেন সঁচাকৈয়ে এখন নতুন সংসাৰলৈ লৈ গ'ল। তাৰ বোলে বৰ গধুৰ লাগি পৰিল হঠাতে জীৱনটো।

বিয়াৰ দিনাখন মই গোটেই দিনটো এক চেকেণ্ডো বিশ্ৰাম লব পৰা নাছিলোঁ। কনকে মোক নিশাটো অন্ততঃ শুবলৈ কৈছিল। কিন্তু মই জানো থাকিব পাৰেঁ৷ দৰাৰ লগত কইনাঘৰীয়ালৈ নোযাৱাকৈ? আজি নিশাই যে মোৰ জীৱনৰ এক চৰম নিশা, যেতিয়া মই সাৰ্থক কৰিম মোৰ মনৰ, মোৰ চকুৰ সমগ্ৰ তৃষ্ণা।

দৰা কইনাঘৰীয়াৰ চোতালৰ পূজাৰ বেদীৰ সমুখত বহাৰ পৰা মই দৰাৰ লগতে আছিলোঁ। হোমৰ গোন্ধ পোৱাৰে পৰা কি যে এক আধ্যাত্মিক আধ্যাত্মিক ভাবেৰে আচ্ছন্ন হৈ পৰিছিল মোৰ সমগ্ৰ সত্তা। দুটি প্ৰাণ এটি কৰাৰ ই যে অতি প্ৰাচীন অথচ চিৰ নতুন বৈদিক পন্থা। সৃষ্টিৰ সেই আদিম যুগত এই ভাৰতৰে কোন ঋষি-পিতৃৰ মনত উদয় হ'ল মানুহৰ সৃষ্টি-ধৰ্ম্মী সহজ-বৃত্তিটোত এই অভিনৱ উপায়েৰে দৈৱিক মৰ্য্যাদা আৰোপ কৰাৰ ভাব, মানুহৰ পাশৱ প্ৰবৃত্তিক পৱিত্ৰ স্নান কৰিবলৈ, মানুহৰ উদণ্ড ক্ষুধাক মাৰ্জিতৰূপে স্ৰোতগামী কৰাৰ সপোন; তেতিয়াৰে পৰা চলিয়ে থাকিল সেই ঋষি-পুৰুষৰ এই অতুল উদ্ভাৱন। যুগৰ পিছত যুগ ধৰি প্ৰাণে বিচাৰিলে প্ৰাণ, আৰু এনেদৰে নিশাৰ পিছত নিশা এই হোমৰ গুৰিত একে মাঙ্গলিক বেদ-মন্ত্ৰৰ স্তৱক উচ্চাৰণ কৰি অপ্ৰতিহতকৈ ৰাখিলে মানুহে মানৱকূল, মানৱ-মৰ্য্যাদা।

চাওঁতে চাওঁতে তিৰোতাসকলৰ মাঙ্গলিক উৰুলি, শঙ্খ-বৰকাহঁৰ এক ৰহস্যময় ঐক্যতানৰ মাজত কইনাক ঘৰৰ পৰা উলিয়াই আনি হোমৰ গুৰিত বহুৱা হ'ল। আনুষ্ঠানিক কাম আগবাঢ়িল। হোমৰ পৱিত্ৰ গন্ধেৰে ৰভাতল মলমলাই গ'ল। পুৰোহিতৰ কথামতে এটি নিৰ্দ্দিষ্ট মুহূৰ্ত্তত দৰাই কইনাৰ হাত—এৰা, এজন ডেকাই এক গাভৰুৰ হাত—স্পৰ্শ কৰি উচ্চাৰণ কৰিলে।

ওং যদেতদ্ হৃদয়ং তব তদস্তু হৃদয়ং মম।
যদিদং হৃদয়ং মম তদস্তু হৃদয়ং তব ॥

'এই যি তোমাৰ অন্তৰ সেই অন্তৰ হ'ক মোৰ অন্তৰ, আৰু এই যি মোৰ অন্তৰ সেয়া হ'ক তোমাৰ অন্তৰ'। আৰু লগে লগে কি যে এক অবোধ্য অনুভূতিত গিৰ্ গিৰ্‌কৈ মোৰ চকুৰ পৰা চকুলো বাগৰি আহি দুগালেৰে সৰি পৰিল। লাজত মই তৎক্ষণাৎ ৰুমালেৰে ঢাকি ধৰিলোঁ মোৰ চকুযুৰি। এৰা, এয়েতো কনকৰ আজি তাৰ নৱবধূলৈ, তাৰ যুগ্ম জীৱনৰ একমাত্ৰ সঙ্গীলৈ অন্তৰৰ প্ৰথম কথা, প্ৰকৃত কথা। মোৰ প্ৰথমে আনি দুয়ো ছোৱালী চাবলৈ অহা দিনটোলৈ মনত পৰিল। কোনো দিন কোনো পুৰুষৰ

সংস্পৰ্শলৈ যিজনী ছোৱালী কেতিয়াও অহা নাছিল, সেই ছোৱালীজনীয়ে এই পবিত্ৰ লগ্নত এক অচিনাকি পুৰুষৰ হাতত আকাশৰ জোন, তৰা, সৰগৰ দেৱ-দেৱতাক সাক্ষী ৰাখি নিজকে সমৰ্পণ কৰিলে আৰু ক'লে, 'তোমাৰ হৃদয় মোৰ হৃদয়, মোৰ হৃদয় তোমাৰ হৃদয়—।' সমগ্ৰ জীৱনৰ কত আশা, কত আকাংক্ষা মিশ্ৰিত হৈ আছে এই মঙ্গল-মুহূৰ্ত্তত। অকল এয়েতো নহয়, আন এটি মঙ্গলময় লগ্নত দৰা-কইনাক লগ্ন-গাঁঠিৰে গাঁঠি পেলোৱা হ'ল। সঁচাকৈয়ে দুটি প্ৰাণ এটি হৈ গ'ল এই নিশা। কইনাই অন্তৰ উবুৰিয়াই সেৱা জনালে দৰাৰ চৰণত স্বামীদেৱতা বুলি। ইয়াৰ পিছত দৰা-কইনাৰ সকলো কথাই যুগ্মভাবে কৰা হ'ল। একে লগে সেৱা কৰিলে কইনা-দাতাৰ চৰণত, মাতৃৰ চৰণত, আৰু আন আন শ্ৰদ্ধাভাজন সকলোৰে চৰণত। এই সময়ত ঘৰৰ ভিতৰত কিযে আনন্দৰ ৰোল, কি যে অপূৰ্ব্ব ৰং ৰহইচৰ অভূতপূৰ্ব্ব উল্লাস।

শেষ নিশা দৰা কইনাৰ টেম্মীতে উঠি আহিলোঁ মযো। ঘৰ পোৱাৰ লগে লগে কত যে লোকাচাৰ পালিব লগা হ'ল। প্ৰতিটো কামেই দৰা-কইনাই যুটীয়া ভাবে কৰিবলগীয়া। আঙঠি সলোৱা, মাঙ্গলিক ঘটৰ পানী আৰু ঠাৰিৰে চাউলৰ ডোনলৈ চটিয়াই আগ দিয়া, কইনাক আগত লৈ দৰাক ঘৰলৈ সুমুৱাই নিওঁতে মাটিৰ চাকি এটি গচকি ভঙা, আৰু কত কি। ইমানবোৰ কামৰ পিছত কইনাৰ নিশ্চয় দৰাৰ প্ৰতি এটি সৌহাৰ্দ্দ্য জন্মে। আৰু এই আচাৰবোৰৰ মাজে মাজে দৰাৰ নবৌয়েকহঁতৰ, বুঢ়ীমাকহঁতৰ দৰাকইনাক লৈ কম ঠাট্টা মস্কৰানে? ইমান যে ৰং তামচা এটা উৎসৱৰ নামত হব পাৰে।

বিয়াৰ দ্বিতীয় দিনাৰ পৰা অলপ আজৰি পাইছিলোঁ। আজি ছ'দিন মাথোন হৈছে বিয়া যাবৰ। কনক বেচ সুখীয়েই হৈছে বুলি শুনিছোঁ নৱ-পৰিণীতা পত্নীৰ লগত। একেবাৰে অকণমানী ছোৱালীজনীৰ দৰে হেনো তাৰ পত্নীৰ কথাবতৰাবোৰ। তেনেই আজলী, তেনেই নিৰ্দ্দোষ, তেনেই চেনেহ-কাতৰা। কনকৰ ওচৰত তেওঁ হেনো আজি দুদিনতে যেনেভাৱে আত্মসমৰ্পণ কৰিছে তেনেভাবে ঈশ্বৰৰ ওচৰতো মানুহে আত্মসমৰ্পণ নকৰে। কনকৰ জীৱন হেনো এই সতী-সাধ্বী ছোৱালীজনীৰ সৈতে মধুৰ হৈ পৰিছে। কনকৰ কথা শুনি শুনি বৰ ভাল লাগিছিল মোৰ। ইমানবোৰ ধৰ্ম্ম-আচৰণ, বৈদিক প্ৰথা, মাঙ্গলিক আচাৰ-নীতি বৃথাই নগ'ল তেন্তে?

"এই অনুপ! কিয় এনেকৈ ধ্যানমগ্ন হৈ আছা?" প্ৰদ্যুম্নই ধুমুহা এচাটিৰ দৰে সোমাই আহি মোৰ চিন্তাৰ আঁত ভাঙি দিলে।

"আহ, তোলৈকেই বাট চাই আছোঁ। পিছে ভাবিছিলোঁ যেৰ্ যেৰ্ কৈ সোমাই আহিবি মোৰ ঘৰলৈ। কিন্তু একেবাৰে চোন সাৰ সুৰ নাইকিয়াকৈ আহিছ? ক'ত, তোৰ স্কুটাৰ ক'ত? নৈখন পাৰ হৈ আহিলি কেনেকৈ এই দিনৰ দুই বজাতেই?"

"স্কুটাৰখন বেচি দিলোঁ। যমৰ ৰাজ্যৰ পৰা প্ৰাণ লৈ উভতি আহিলোঁ আজি প্ৰায় ছমাহ আগতেই। তথাপি তোৰ খবৰেই নাই। ৰুগ্ন অৱস্থাত, শয্যাশায়ী অৱস্থাত খবৰ নলৱ, তাৰ বাবে কোনো খেদ নাই। কিন্তু এতিয়া সুস্থ অৱস্থাতো তই এবাৰ খবৰ লব নোৱাৰিলিনে এই পাঁচ-ছ মাহে? ইমানেই ব্যস্ত লোক তই? মোৰ ভাব হৈছে, সংসাৰখনে চিৰাচৰিত ধৰ্ম্ম ৰক্ষা কৰি কৰি ব্যস্ততাৰ এনে এটি চূড়ান্ত বিন্দুৰ ওচৰ চাপিছেগৈ যে সেই বিন্দুত অৱতীৰ্ণ হোৱাৰ লগে লগে এই পৃথিবী নিশ্চয় চিৰকালৰ বাবে অচল হৈ পৰিব।"

প্ৰদ্যুম্নৰ কথাৰ উত্তৰ দিবলৈ যোৱাটো বিপদজনক বলি মই জানোঁ। সেই কাৰণেই কথাৰ সুঁতি সলাই দিলোঁ, "পিছে তই স্কুটাৰখন বেচিলি কেলেই, প্ৰদ্যুম্ন? মই আকৌ আশা কৰি আছিলোঁ, তোৰ লগ লাগি আকৌ আৰম্ভ কৰিম আমাৰ সেই অন্তহীন স্কুটাৰ-যাত্ৰা।"

মোৰ এই কথা শুনাৰ লগে লগে প্ৰদ্যুম্ন আৰু যেন বেচি উত্তেজিত হৈ পৰিল। "এৰা অনপ, হয়তো আশা কৰি আছিলি মোৰ সেই স্কুটাৰৰ ঘূৰ্ণীয়মান চকা দুটিৰ দৰে পনৰ আৰম্ভ কৰিবি আমাৰ সেই বিৰামহীন, গতিময় বোহেমিয়ান জীৱন-যাত্ৰা।"

তাৰ এই অস্বাভাৱিকভাবে উত্তেজনাময় কথাৰ মাজতে সি অজ্ঞাতসাৰেই মোক টানি লৈ গৈছিল ৰাস্তালৈ। মন্ত্ৰমুগ্ধৰ দৰে ময়ো গৈ আছিলোঁ তাৰ লগে লগে।

"তই খবৰ পাৱ, অনুপ, সন্দিকৈ ছোৱালী কলেজৰ ইংৰাজীৰ অধ্যাপিকা বন্দনা চক্ৰৱৰ্ত্তীৰ লগত মোৰ বিয়া আজিৰ পৰা পোন্ধৰ দিন পিছতেই?" প্ৰদ্যুম্নৰ এই কথাত মই একপ্ৰকাৰ চক খায়েই উঠিলোঁ।

"তোৰ বিয়া? ইংৰাজীৰ অধ্যাপিকা কোনোবা বন্দনা চক্ৰৱৰ্ত্তীৰ লগত? তোৰ প্ৰেমৰ পৰিশতি তেন্তে এয়েই? যি প্ৰেমৰ কাৰণে তই হৈছিলি মৃত্যুমুখী, তই হৈছিলি ক্ষত-বিক্ষত, বিদগ্ধ।"

"উস্, সেই কথা তই আৰু নুলিয়াবি, অনুপ। অন্ততঃ তই নলিয়াবি সেই কথা। মোৰ সেই প্ৰেমিকাৰ ছয় দিন আগতে বিয়া হৈ গৈছে।"

"ছয় দিন আগতে? অৰ্থাৎ এক জুলাইত? কিন্তু তোৰ মুখৰ পৰা

শুনাযতে ছোৱালীজনীৰ প্ৰতিশ্ৰুতি, তোক নাপালে আত্মহত্যা কৰিম বোলা প্ৰতিজ্ঞা ক'লৈ গ'ল? তেওঁলোকৰ ঘৰখনৰ তোৰ প্ৰতি থকা কৃতজ্ঞতাওতো ইমান সোনকালে মষিমূৰ হৈ যাব নোৱাৰে। তই ইংৰাজীৰ অধ্যাপিকা পাই তৎক্ষণাৎ পাহৰি পেলালিনেকি অ' ছোৱালীজনীক, প্ৰদ্যুম্ন?" পৰম বিস্ময়ত মই প্ৰদ্যুম্নৰ কান্ধত হাত থৈ প্ৰশ্ন কৰিলোঁ।

"তোৰ কথা শুনি মোৰ খুব হাঁহি উঠিছে, অনুপ। তই দেখিছোঁ সংসাৰৰ ভূ নেপোৱা কেঁচুৱা ল'ৰটো হৈয়েই আছ এতিয়াও। শুন। মোৰ ৰোগশয্যাতো মই মোৰ প্ৰিয়াৰ চিঠি নিয়মিতভাবেই পাই আছিলোঁ। আগত-কৈয়ো বেছি কৰুণ, বেছি স্নেহসিক্ত হৈ পৰিছিল সেই চিঠিবোৰ। বোম্বেৰ সাগৰৰ পাৰো ঢুকি পাইছিলগৈ মোৰ প্ৰিয়াৰ চিঠিয়ে। সাগৰৰ বালিত বহি নীল সাগৰৰ বুকুৰেদি বৈ অহা চঞ্চল বতাহজাক উপভোগ কৰি মই পঢ়িছিলোঁ মোৰ ৰূপসী প্ৰিয়াৰ চিঠি। মই যেতিয়া লাহে লাহে আৰোগ্য হৈ আহিছিলোঁ আৰু তাৰ খবৰ পাইছিল তেওঁ, কি যে আনন্দৰ এক সোঁত বৈ গৈছিল তেওঁৰ চিঠিৰ আখৰৰ শাৰীবোৰৰ ওপৰেদি। তেওঁ লিখিছিল, 'সোণ, আপুনি ইয়ালৈ আহিলেই এইবাৰ মই আৰু গুচি যাম এই ঘৰ এৰি আপোনাৰ বুকুৰ মাজলৈ। মোৰ যে অসহ্য লাগিছে ইয়াত।' বোম্বেৰ পৰা উভতি আহোঁতে কিনি লৈ আহিছিলোঁ তেওঁৰ বাবে এখন আটক ধুনীয়া শাৰী। আহিয়েই তেওঁৰ এজনী বান্ধবীৰ সহায়ত তেওঁলোকৰ ঘৰলৈ, তেওঁক আনি সেইখন দি দিলোঁ। কিমান দিনৰ মূৰত যে তেওঁক দেখিছিলোঁ সেইদিনা। কিন্তু মোক তেনেদৰে পাবলৈ তেওঁ যিমান উৎকণ্ঠা দেখুৱাব লাগিছিল, মই দেখা নাপাইছিলোঁ সেইখিনি উৎকণ্ঠা তেওঁৰ আচৰণত। অথচ সেই দামী শাৰীখন দিওঁতে তেওঁ ইমান আনন্দেৰে গ্ৰহণ কৰিছিল যে মোৰ ভাব হৈছিল, তেওঁৰ মোৰ প্ৰতি ভালপোৱা নিশ্চয় অটুট আছে। তেওঁৰ ব্যৱহাৰত মই যে এক অস্বাভাৱিক শীতলতা আবিষ্কাৰ কৰিছোঁ, সি মাথোন মোৰ খেয়ালী মনৰহে সৃষ্টি। দুঘণ্টা তেওঁৰে সৈতে কটাই যেতিয়া তেওঁক বিদায় দিলোঁ আৰু ময়ো উভতিলোঁ ঘৰলৈ, তেতিয়া মই যেন স্বৰ্গৰ পৰাহে উলটি আহিছোঁ। ইয়াৰ পিছত মই তেওঁৰ পৰা চিঠি আশা কৰিছিলোঁ নিতান্ত উৎকণ্ঠাৰে। বহুদিনৰ মূৰত এখন চিঠি পাইছিলোঁ। কিন্তু তাত আগৰ সেই প্ৰেমৰ আৰ্দ্ৰতা নাছিল। ই যেন কৰ্ত্তব্যৰ আহ্বানত তলতীয়া কৰ্ম্মচাৰীয়ে ওপৰৰ বিষয়ালৈ লিখা চিঠি—শ্ৰদ্ধা আৰু সৌহাৰ্দ্যৰ গতানুগতিকতা আছে, প্ৰাণৰ পৰশ কিন্তু এধানিও নাই তাত। কিন্তু ভুল নাভাগিল মোৰ তথাপিও। এবাৰ ভিনদেৱেকৰ ঘৰলৈ যাওঁতে বাটত

লগ পাইছিলোঁ। বিস্লাৰ পৰাই স্নেহৰ সম্ভাষণ জনালে এটি খোলা হাঁহি মাৰি। বিস্লা কিন্তু নৰখালে কোনোমতে। এনেকৈয়ে মোৰ মনত লাহে লাহে সন্দেহে ঠাই ললে। হঠাৎ আজি এমাহ আগতে খবৰ পালোঁ, আন কোনোবা এজন ডেকাৰ সৈতে বিয়াত সন্মতি দি তেওঁ তেওঁৰ আঙঠি পিন্ধিছে। কথাষাৰ শুনাৰ আগেয়েও এনে এটি কথা ঘটিছে বুলিয়েই শঙ্কা কৰি আছিলোঁ বুলিও, শুনাৰ লগে লগে সকলো যেন ওলট-পালট হৈ গ'ল। মোৰ 'হীৰাকণ' জনীয়ে সম্পূর্ণ এটি নতুন বেশত মোৰ আগত দেখা দিলে। এডুখৰি মহামূল্যবান জকমকীয়া হীৰা যেন অকস্মাতে মূল্যহীন ক্ষণভঙ্গুৰ চিকচিক কৰে কাচ এডুখৰিলৈ পৰিৱৰ্ত্তিত হৈ পৰিল। নাইবা, আনৰ চকুত সি হয়তো এতিয়াও এডোখৰ অতি মূল্যবান জলমল কৰে হীৰাই; মোৰ চকুত মাথোন এই মুহূর্ত্তত ধৰা দিলে তাৰ বৈজ্ঞানিক বিশ্লেষণজনিত প্ৰকৃত ৰূপ। এডুখৰি জিলমিল কৰে মহামূল্যবান, সুন্দৰ হীৰা—কুৎসিৎ, কদাকাৰ, কলা কাৰ্বনৰ এটি বিশেষ অৱস্থাত ঘনীভূত হোৱা ৰূপত বাহিৰে যি আৰু একোৱেই নহয়। অতীতৰ সকলো কথাৰেই একোটি নতুন অৰ্থ আৱিষ্কাৰ কৰিলোঁ পৰম বিস্ময়েৰে এই এই সময়ত। জেঠাকৰ পুতেক দাদাক, ভিনদেৰেক, আপোন দাদাকৰ স'তে ঘটা তেওঁৰ অভিজ্ঞতাৱলীৰ ব্যাখ্যা মোৰ কাৰণে যেন এতিয়া সম্ভৱ হৈ পৰিল।"

"কিন্তু ছোৱালীজনীৰ কাৰসৈতে বিয়া ঠিক হ'ল?" মই পৰম আশ্চৰ্য্যত প্ৰশ্ন কৰিলোঁ।

"উত্তৰ গুৱাহাটীৰ কোনোবা এজন হাজৰিকাৰ সৈতে।"

প্ৰদ্যুম্নৰ এই উত্তৰত মই আকস্মিক বজ্ৰপাতৰ শব্দ শুনি যেন চমক খাই উঠিলোঁ। এক প্ৰকাৰ চিঞৰি মাৰিয়েই মই তাক সুধিলোঁ, "কি কৈছ, প্ৰদ্যুম্ন? উত্তৰ গুৱাহাটীৰ কোনোবা হাজৰিকাৰ সৈতে? এক জুলাইত? কি নাম, কি নাম আছিল তোৰ প্ৰেমিকাৰ? তোৰ সেই 'হীৰাকণৰ'?"

"তই কেবাবাৰো জানিবলৈ বিচাৰিছিলি মোৰ 'হীৰাকণৰ' প্ৰকৃত নামটো। ইমান দিনে নকলোঁ যেতিয়া আজি আৰু জানি লাভ নাই, অনুপ। বিয়াৰ এদিন আগতে মই বিয়াৰ সকলো কথা গম পাইছিলোঁ আৰু জানিছিলোঁ যে সেই বিয়াত আদিৰ পৰা অন্তলৈ ওতঃপ্ৰোতভাৱে জড়িত আছিলি তই নিজে।"

প্ৰদ্যুম্নৰ মুখৰ পৰা এই কথা খিনিৰ লগে লগে মোৰ ভৰিৰ তলৰ সমগ্ৰ পৃথিৱীখন যেন তীব্ৰ গতিত ঘূৰিবলৈ ধৰিলে। ঘৰি ঘৰি এই

পৃথিবী যেন থানবান হৈ যাব এতিয়াই। প্ৰদ্যুম্নক সুধিবলগীয়া মোৰ বহু কথাই আছিল। কিন্তু কিহে যেন তেতিয়া মোৰ ওঁঠ দুটা চেপি ধৰি আছিল অতি নির্মমভাবে। মোৰ মুখৰ পৰা মাথোন ওলাল: "তাৰ পিছত তোমালোকে কোনো চিঠিকেই নিলিখিলে, তোক এখাৰি মাত দিও বিদায় নললে সেই ছোৱালীয়ে? বিজিতা কাকতি সেই ছোৱালীজনীৰ নাম? সেইখন ঘৰৰেই সেই বিজিতা কাকতি, যিখন ঘৰত অস্থিৰ হৈ পৰা বুলি তোমালোকে লিখিছিল তেওঁ দাদাক, ভিনদেৱেকহঁতৰ অবৈধ উৎপীড়নত? উঃ প্ৰদ্যুম্ন, প্ৰথম যিদিনা কনক হাজৰিকাক লৈ ছোৱালী চাবলৈ যাওঁ, তেতিয়া কি ৰূপত যে দেখিছিলোঁ এই ছলনাময়ীক, কি কথা যে শুনিছিলোঁ এই ছোৱালীৰ মুখত।"

ইতিমধ্যে আমি নৈৰ ঘাট পাইছিলোঁহি। হঠাৎ প্ৰদ্যুম্নই মোৰ পৰম শত্ৰুৰ দৰে মোৰ ডিঙিত দুহাতেৰে চেপি ধৰি চিঞৰি চিঞৰি কবলৈ ধৰিলে, "মোৰ জীৱনৰ আদর্শৰ নৱজন্ম হৈছে, অনুপ। আজি আৰু নাৰীক তাহানিৰ দৰে পুৱা বেল পাতেৰে শিৱক আৰাধনা কৰা বা গধূলি তুলসী তলত চাকি জ্বলোৱা অৱস্থাত নিবিচাৰোঁ। আজি আৰু নাৰীক ঘৰৰ চাৰি বেৰৰ ভিতৰতে অকলে আবদ্ধ হৈ লোক-দৃষ্টিত পুৰুষৰ সংস্পর্শৰ পৰা আঁতৰি থাকি সতী হৈ থকাটো আশা নকৰোঁ। মোৰ বিবাহ সেই দিনা হঠাতে ঠিক হ'ল এজনী বঙালী ছোৱালীৰ স'তে। যাক তেওঁৰ সকলোতেই চকাইছিল। দেউতাক অজস্ৰ টকাৰ মানুহ। তেওঁ নিজৰ কামত অসমবঙ্গ ঘূৰি ফুৰে। গতিকে তেওঁৰ একমাত্ৰ সন্তান বন্দনাক মিচনাৰী শিক্ষানুষ্ঠানত ৰাখি ৰাখিয়েই ডাঙৰ কৰিলে আৰু শিক্ষা দিলে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেওঁ যোৱা বছৰ এম. এ. পাচ কৰি ইয়াত অধ্যাপিকা হৈছেহি। এওঁ এতিয়াও মঞ্চত অভিনয় কৰে, গধূলিৰ সাহিত্যচ'ৰাত বার্ণাড্‌ শ্বৰ নাৰী চৰিত্ৰসমূহৰ ওপৰত মৌলিক আলোচনা কৰে, আৰু পুৰুষ বন্ধুৰ স'তে আবেলি নিয়মিত নদীৰ পাৰত খোজ কাঢ়ে। এওঁৰ স'তে মোৰ প্ৰথম চিনাকি হ'ল আজি কিছু দিন আগতে গধূলি এখন চাহ মেলত। তেওঁ এজন অচিনাকি বৃদ্ধ অধ্যাপকৰ লগত তেতিয়া ইব্‌চেনৰ নোৰাৰ মানসিক সংঘাতৰ বিশ্লেষণ কৰাত ব্যস্ত আছিল। ওচৰতে এখন মেজৰ দুয়োপিনে আমি দুজন বন্ধু বহি আছিলোঁ। তেওঁৰ বিশ্লেষণে মোক এনেভাবে আকর্ষণ কৰিছিল যে মই তেওঁৰ ওচৰত কৰ নোৱাৰাকৈয়ে বহি গলোঁ আৰু দুৰ্যোৰ প্ৰতিবাদ কৰিলোঁ নোৰা সম্পৰ্কে তেওঁৰ মতৰ বিৰুদ্ধে। সেই বিতর্কৰ পৰিণতিত তেওঁৰ স'তে মোৰ বিয়া হ'ব অহা ১৭ আগষ্ট, সোমবাৰে

গুৱাহাটীৰ আদালতত। সেই দিনা আবেলি এখন চাহ মেলত তোৰ উপস্থিতি মই আশা কৰিলোঁ। নেপাহৰিবি।”

কথাখিনি একে উশাহে শেষ কৰি সি জাপ মাৰি তাৰ বাবে বৈ থকা নাওখনত উঠিল গৈ। নাৱৰীয়াই নাও মেলি দিলে। প্ৰদ্যুম্নৰ নাওখন অকণমান আছিল বুলিও, সেই বাৰিষাৰ ভৰা লুইতত তাৰ নাও সজোৰে চলিবলৈ ধৰিলে। মই থৰ লাগি চাই থাকিলোঁ নাওখনলৈ। নদীৰ প্ৰবল সোঁতটোৰ ওপৰেদি তাৰ নাৱৰ কি ধীৰ প্ৰখৰ গতি! প্ৰদ্যুম্ন লাহে লাহে মোৰ দৃষ্টিত অস্পষ্ট হৈ যাবলৈ ধৰিলে। কিন্তু মোৰ উভতি যাবলৈ মন নাই। এৰা, উভতি মই ক’লৈ যাম?

# অরুন্ধতী মিত্র

Outside the arch there seemed always an arch, beyond the remotest echo a silence.

*A Passage to India* : **E. M. Forster.**

## অৰুন্ধতী সিৰিজ—(১)

# অৰুন্ধতীৰ ছলনা

আদি বসন্তৰ এটি নিৰ্জ্জন দুপৰীয়া এটি ৰিঙা ৰঙা ভাবে পৃথিবীখন উন্মনা কৰি তুলিছিল। এচাটি মন্থৰ বতাহে সঙ্গহাৰা হৈ গছে বনে কি যেন বিচাৰি ফুৰিছিল। শীতৰ অন্তৰ আৰু গ্ৰীষ্মৰ আৰম্ভণীৰ সেই উখৰ দুপৰীয়া চৰাই চিৰিকতিবোৰেও কিহৰ যেন সন্ধানত উদ্গ্ৰীব হৈ গছৰ ডালে পাতে নিতাল মাৰি বৈ আছিল। আধুনিক জগতৰ বা-বতাহৰপৰা বহুতো আঁতৰৰ, নতুন পৃথিবীৰ চলমান গতিৰ বাহিৰত অৱস্থিত, ক্ষুদ্ৰ, গ্ৰাম্য চহৰ টিহুত এই মধ্যাহ্নৰ অলস, উদাস সময়বোৰ আগবাঢ়ি যাবলৈ পাহৰি যেন স্থবিৰ হৈ পৰিছিল।

ধ্ৰুৱজ্যোতি দত্তৰ বৰ অসহ্য লাগিছিল। শোওঁ বুলিও সেই ৰবিবাৰৰ দুপৰীয়া তেওঁ শুই থাকিব নোৱাৰিলে। কিহে যেন তেওঁক কিহৰ আহ্বান জনায়। তেওঁৰ বেসুৰা অন্তৰ-তন্ত্ৰীত কি এটি অভাৱৰ সুৰ যেন কিহে বজায়হি এনে এটি ফাগুনৰ দুপৰীয়া। সঙ্গৰ বাবে ধ্ৰুৱজ্যোতি দত্ত উদগ্ৰীৱ হৈ উঠিল। কিন্তু সঙ্গ ক'ত পোৱা যাব তেনে এক দুপৰীয়া তেনে এখন ঠেক গ্ৰাম্য চহৰত? চকীখন অলপ আগুৱাই টানি আনি তেওঁৰ শোৱনি-কোঠাৰ একেবাৰে দুৱাৰমুখতে বহি ললে ধ্ৰুৱজ্যোতি দত্ত। বাহিৰত হাইস্কুলৰ মুকলি খেল পথাৰখন। সেউজীয়া নিমজ বাঁহনিৰ ওপৰত পৰি জিলমিলাই থকা ৰ'দ জাকত বাহিৰে সমুখৰ পথাৰখনত আৰু একোৱেই নাই। পথাৰখনলৈ বহুসময়লৈ চাই থাকিল ধ্ৰুৱজ্যোতি দত্তই। এযোৰ ঘৰ-চিৰিকাই বৰ উচ্চৈঃস্বৰে হঠাতে এটি কিচিৰ-মিচিৰ শব্দ কৰি বাহিৰৰ পথাৰখনত পৰিলহি। খন্তেকৰ বাবে সিহঁত দুটিৰ সেই অবোধ্য স্বৰে ধ্ৰুৱজ্যোতি দত্তৰ নিৰ্জ্জনতা ভঙ্গ কৰিলে। তাৰ পিচত যুঁজি যুঁজি চৰাইহালি যেন ভাগৰি পৰিল। সিহঁত ওপৰলৈ উৰামাৰি গুচি গ'ল। ধ্ৰুৱজ্যোতি দত্তৰ মনটো পুনৰ শূণ্য হৈ পৰিল। হাইস্কুলখনৰ বিপৰীত কালৰ, খেলপথাৰখনৰ এমূৰৰ, এই অকণমানি 'অসম টাইপ্' ঘৰটিত ধ্ৰুৱ-জ্যোতি দত্ত সেই দুপৰীয়া অকলে। অসম্ভৱ। এই দুপৰীয়া অকলে ইয়াত বহি থাকিব নোৱাৰি। কাৰবাক বিচাৰিব লাগিব। এই শূণ্যতাৰ-পৰা হাত সাৰিবলৈ কাৰোবাৰ সঙ্গ তেওঁক লাগিব। কিন্তু কাৰ?

মনলৈ আহিল এখনি মুখ। কোমল, উচ্ছাসময় এখনি সুন্দৰ মুখ। সেই মুখ অৰুন্ধতী চৌধুৰীৰ। যাবনেকি অৰুন্ধতীৰ ওচৰলৈ তেওঁ? অৰুন্ধতীয়ে তেওঁক কৈছিল, "এটাও ইংৰাজী কবিতা আৰু মই নিজে নপঢ়োঁ। জানে? নিজেই যদি পঢ়িব লাগিল, তেন্তে ছোৱালীবোৰৰ ইমান ঠাট্টা কেনৈ সহ্য কৰিব লাগিছে?"

অৰুন্ধতীৰ কথাই তেওঁক আমোদ দিছিল। তেওঁৰ কৌতূহলো উপজিছিল। তেওঁ কৈছিল, "ছোৱালীবোৰৰ ঠাট্টা? ছোৱালীবোৰে বাৰু তোমাক বৰ ঠাট্টা কৰেনেকি? কি বুলি?"

"ওঁ....,বৰ সুধিছে। কি বুলি আৰু হ'ব? আপোনাৰ কলেজখনৰ কোনজনী ছোৱালীয়েনো আপোনাক দাদা বুলি মাতে? মোক সিহঁতে কয়, 'তোৰ লগত আমি হাল নুজুৰোঁ অ,' অৰুন্ধতী। তোৰ সেইটো এক্স্‌ট্ৰা প্ৰিভিলেজ্। প্ৰফেচৰ দত্ততো টিহু কলেজৰ নহয়। প্ৰফেচৰ দত্ত, গতিকে, আমাৰো নহয়'......"

অৰুন্ধতী ৰৈ গৈছিল। এটি লাজৰ পাতল আভা তেওঁৰ মুখত বিৰিঙি উঠিছিল। দত্তই হাঁহিছিল। পৰম উৎসাহেৰে দত্তই সুধিছিল, "তেন্তে মই কাৰ?"

অৰুন্ধতীয়ে তথাপিও একো নকৈ তলমূৰ কৰি আছিল। দত্তই পুনৰ সুধিলে, "কোৱা। তেন্তে মই কাৰ? ছোৱালীবোৰৰ মতে মই কাৰ বাৰু?"

অৰুন্ধতীয়ে কৈ উঠিছিল, "ইঃ, ছোৱালীবোৰৰ কথা। তাতে আৰু লাগি থাকিমনে?" অৰুন্ধতীয়ে গম্ভীৰ হৈ দেখুৱাইছিল। তেৰেঁা গম্ভীৰ হৈ দেখুৱাইছিল। তেওঁ কৈছিল, "মই কিন্তু নুবুজিলোঁ।"

"নালাগে আপুনি বুজিব। যাথোন আপুনি কি বুজে, মোকো তাকেই বুজাই দিয়ক।" অৰুন্ধতীয়ে টপৰাই উত্তৰ দিছিল।

"কি?" তেওঁ সুধিছিল।

"বুজা নাই? ইংৰাজী কবিতা। ইমান অজলাটো হৈ কেনেকৈ ইংৰাজীত এম. এ. পাচ কৰিলেনো?"

অৰুন্ধতীৰ আপত্তিয়ে সেইদিনা দত্তক অশেষ আনন্দ দিছিল। তেওঁ অৰুন্ধতীৰ চকুলৈ চাই অজলাৰ দৰে হাঁহিছিল।

অৰুন্ধতীৰ তালৈকেই তেন্তে যাবনেকি দত্ত? ফাগুনৰ এই উদাস দুপৰীয়াটি সঁচাই যে কবিতা পঢ়ি কটাই দিবৰ বাবেই। টেবুলৰ ওচৰত তেওঁ বহি ল'ব। তেওঁৰ কাষঁকালে বহিব অৰুন্ধতী। একেখন ইংৰাজী

কবিতাৰ সংকলন তেওঁলোকে দুয়াৰে মাজত মেলি ল'ব। আৰু ধ্রুবজ্যোতি দত্তই পঢ়ি যাব যৌৱনৰ উত্তাল তৰঙ্গত মন থৌকি-বাথৌ কৰা ভাবৰ বৰ্তমানে ইংৰাজী কবিতা। অথবা, মনৰ এক সমাহিত অৱস্থাত অন্তৰৰ সমগ্র অশান্তি অৱদমিত কৰি শান্তনাৰ সৌম্য ভাব গ্রহণ কৰা এটি, দুটি কবিতাৰ পংক্তি। আৰু নাইবা, মেগ্ন'লিয়া আৰু লাইলাক্ ফুলৰ সুবাসৰ স্মৃতিৰে ভৰা এটি অতীতক সাৱটি লৈ লৈ, বৰ্ত্তমানহীন, ভবিষ্যৎহীন কোনো এক প্রৌঢ়া ৰমণীয়ে নিজকে সুখী বুলি ফাঁকি দি করুণ হাঁহি মৰাৰ এক মন গধূৰ কৰা কাব্য প্রকাশ। অৰুন্ধতীৰ চকুৰ পতাত লাহে লাহে অলসতাৰ ভাব বিৰিঙি উঠিব। তেওঁৰ মন-প্রাণ আচ্ছন্ন হৈ পৰিব। আৰু তেতিয়াই ধ্রুবজ্যোতি দত্তই মূৰ তুলি তেওঁৰ চকুৰ পিনে চাই পঠিয়াব। অৰুন্ধতীয়ে তেতিয়া কেনে কৰিব বাৰু? তেওঁ হয়তো দত্তৰ চকুৱে চকুৱে পৰি অলপ সজাগ হৈ উঠিব; আৰু লগে লগেই তলমূৰা কৰিব। দত্ত ৰৈ যাব। প্রশ্নসূচক দৃষ্টিৰে তেওঁ অৰুন্ধতীৰ চকুৰ পিনে চাব। অৰুন্ধতীয়ে ক'ব, "ইমান ভাল ভাল কথাবোৰ লিখা থাকে কবিতাত।" এক পৰম বিজয়ৰ উল্লাসত দত্ত নীৰব হৈ যাব। তাৰ পিচত? এৰা, তাৰ পিচত?

দত্ত যেন ইমান সময়ে সঁচাই অৰুন্ধতীৰ কাষতেই বহি আছিল। হঠাৎ তেওঁৰ তন্দ্রা ভাঙি গ'ল। এইবাৰ তেওঁ পিচপিনৰ খিৰিকীখনেৰে বাহিৰলৈ চাবলৈ বুলি তেওঁ পাচফালৰ খিৰিকী মুখত বহি ললে। ঘৰটোৰপৰা কিছু নিলগত এশাৰী কলগছ। ফাগুনৰ দিশহাৰা চঞ্চল বতাহ জাকত কঁপি কঁপি আটাইবোৰ পাত চিৰিলা চিৰিলি হৈ ফাঁটি গৈছে। সেই চিৰিলা চিৰিলি পাতবোৰ বতাহৰ ঢৌ লাগি মৃদু মৃদু কঁপি আছে। দৃশ্য-টোলৈ চাই চাই ধ্রুবজ্যোতি দত্তৰ মনটো অলপ ভাল লাগিল। একে ধ্যানে দত্তই চায়েই থাকিল পাতবোৰলৈ। উদ্ধত ফাগুনী বতাহে অস্থিৰ অশান্ত কৰি তোলা সেই কলপাতবোৰৰ সৈতে হঠাৎ দত্তই এক অদ্ভুত আত্মীয়তা বোধ কৰিলে।

সেই পাতবোৰৰপৰা ভাঁহি অহা সোঁ সোঁ শব্দটো দত্তই যেন ইমান সময়ে শুনিও নুশুনিছিল। শব্দটো এইবাৰ অতি স্পষ্ট হৈ দত্তৰ কাণত বাজি উঠিল। তেওঁ নিমগ্ন হৈ পৰিল। তেওঁৰ সমুখত যেন ভাঁহি উঠিল কোনো এক নৃত্যৰতা সুন্দৰী গাভৰুৰ লয়লাস ভঙ্গিমা। সেই গাভৰুৰ নেপুৰৰ তালে তালে তেওঁ শুনিবলৈ পালে কোনো এক দূৰ সৌন্দৰ্য্যপুৰীৰ মধুৰ সঙ্গীতৰ মূৰ্চ্ছনা। দত্ত আৰু বেছি চঞ্চল, আৰু বেছি অস্থিৰ হৈ উঠিল। তেওঁ আৰু তাত তেনেদৰে বহি থকিব নোৱাৰিলে।

চকীৰপৰা উঠি তেওঁ তেওঁৰ সৰু কোঠাটোত অস্থিৰ হৈ ঘূৰি ফুৰিবলৈ ধৰিলে।

নাই, নাই। অকলশৰে তেনেদৰে বহি থাকিলে তেওঁ নিশ্চয় বলিয়া হৈ যাব। সময়বোৰ মুঠেই কাটি যোৱা নাই। অসম্ভৱ ধৰণে স্থিৰ হৈ পৰিছে অনন্ত কালৰ সোঁত এই নিৰ্জ্জন দুপৰীয়া। দত্তই অজ্ঞাতসাৰে লংপেণ্ট্‌টো উলিয়াই আনি পিন্ধি পেলালে। গাত হাৰাইন্ চাৰ্ট্‌টো সুমুৱাই ললে। আৰু? জোতা-মোজা? নাই, এই দুপৰীয়া জোতা-মোজাৰ প্ৰয়োজন নাই। চেণ্ডেলযোৰেই হব। ঘড়ীটো পিন্ধা সময়ত এবাৰ সেইটো চাই লবলৈ দত্তৰ ভয় লাগিছিল। কাটা দুডাল যিটোহে বেগত আগবাঢ়িছে, সেইটো দত্তৰ বেচ জনা আছে। তথাপি তেওঁ চালে। মাথোন ডেৰ বাজিছে। দত্তৰ মনটো সেমেকি গ'ল। এই ডেৰ বজাতে, এই ভৰ দুপৰীয়াতে, মানুহ জানো মানুহৰ ঘৰলৈ যায়? তদুপৰি, তেওঁৰ দৰে এজন অবিবাহিত ডেকা জানো আবিয়ৈ গাভৰু থকা মানুহৰ ঘৰলৈ যাব পায়? এইবোৰ কথা বাদ দিও, দত্তৰ দৰে এজন অধ্যাপক, এজন কলেজৰ শিক্ষক, তেওঁৰ কোনো সম্পৰ্ক নোহোৱা এজনী ছোৱালী থকা এখন ঘৰলৈ, এই দুপৰীয়া জানো যোৱা উচিত?

কিন্তু দত্তৰ মনত এইবোৰ প্ৰশ্ন যিমানেই খেলিলে সিমানেই তেওঁ সাজি পাৰি, আগুৱাই ওলাইহে আহিল। তেওঁ ওলাই আহি বাৰান্দাৰপৰা চোতালত ভৰি পেলাইছেহে মাত্ৰ, এনেতে পুনৰ সেই ঘৰচিৰিকা যুৰিয়ে তুমুল হাঁহাকাৰ কৰি তেওঁৰ সমুখৰ চোতালতে পৰি গ'লহি। ইটোৱে সিটোৱে পুনৰ কিবা এক অবুজ ভাষাৰে কেৰ্‌কেৰালে, ঠোঁটেৰে-ঠেঙেৰে যুঁজিলে, আৰু তাৰ পিছত দুয়ো দুইফালে উৰা মাৰি গুচি গ'ল।

দত্তৰ মনটো কেনেবা কেনেবা লাগিল। তেওঁ চোতালখন পাৰ হৈ ঘাঁহনিডৰাত লাহে লাহে ভৰি দিলেহি। ঘাঁহনিৰ ওপৰে ওপৰে গৈ গৈ পথাৰখন তেওঁ অতিক্ৰম কৰিবলৈ ধৰিলে। খেল পথাৰখনৰ সিমূৰতে ৰাজবাটটো। সেইটিও তেনেই জনশূন্য। ৰাস্তাৰ আলকতৰাবোৰ ঠাঁয়ে ঠায়ে গলিছে। ওপৰৰ ৰ'দজাক বেচ টান। দত্তই ৰাস্তাটোৰ দক্ষিণমুৱা হৈ গৈ থাকিল। এতিয়ামানে আটৈমান বাজিলেও মানুহৰ ঘৰলৈ এক-প্ৰকাৰ যোৱাৰ সময় হ'লহেঁতেন। এচ. ডি. চি. অফিচৰ সমুখখনত দুটি এটি মানুহৰ সমাগম আছে। দত্তৰ মনটো আশ্বস্ত হল। দূৰৈত ষ্টেচনৰ ফালৰপৰা দুটি এটি মানুহ তেওঁৰ পিনে অহা তেওঁৰ চকুত পৰিল। দত্তৰ মনটো আৰু অলপ পাতল হ'ল। এচ. ডি. চি. অফিচটো এবাৰ চিনি

আলিৰ চ'কটো পোৱাৰ লগে লগে তেওঁৰ ভাব হল, শৰ্মাৰ দোকানতে বহি চাহ একাপ খাই লোৱাই উচিত হব। সময় কিছু পাৰ হৈ যাব। মানুহৰ ঘৰলৈ যাবলৈকো আৰু বেয়া নলগা হ'ব।

তেওঁ চাহদোকান খনলৈ সোমাই গ'ল। দোকানত তেতিয়া যি দুই এজন মানুহ আছিল, তেওঁলোকে আটায়ে ৰেডি'অৰ সঙ্গীত শুনাত ব্যস্ত। টেবুলত পৰি থকা "নতুন অসমীয়া"খন লৈ দত্ত একোণত বহিল। খবৰবোৰ তেনেই বৈচিত্র্যহীন। তথাপি তেওঁ চকু ফুৰাই গ'ল। চাহৰ লগত এটি চন্দেছ খালে। আৰু অলপ সময় কটাবপৰা যাব বুলি চন্দেছটো শেষ হোৱাত তেওঁ এটি চিঙৰাও আনিবলৈ দিলে। তথাপি তেওঁ দোকানত পোন্ধৰ মিনিটতকৈ বেছি সময় কটাবলৈ টান পালে। এনেয়ে এই সময়ত ইয়াত বহি থাকিলে, তেওঁ যেন চাহদোকানত বহি ৰেডিঅ' শুনা মানুহবোৰৰ শ্ৰেণীলৈহে নামি যাব। কিয় জানো, দোকানে দোকানে বহি বহি ৰেডিঅ' শুনি ফুৰা এই মানুহবোৰলৈ ঘৃণা লাগে দত্তৰ।

চাহ দোকানৰপৰা ওলাই আহি দত্তৰ ভাব হ'ল, অৰুন্ধতীৰ ঘৰলৈ যোৱাত তেওঁৰ সঁচাকৈয়ে জানো কিবা বাঁধা আছে? তেওঁ টিহু কলেজৰ ইংৰাজীৰ অধ্যাপক। আৰু অৰুন্ধতী? যোৱাবেলি বি. এ.-ৰ প্ৰথমাংশৰ পৰীক্ষা বসন্ত ওলোৱা বাবে দিব নোৱাৰি অহাবাৰ দিবলৈ ঘৰতে আহি পঢ়ি থকা গুৱাহাটীৰ কটন কলেজৰ ছাত্ৰী অৰুন্ধতী। দত্ত টিহুত বাহিৰা মানুহ। উজনি অসমৰ ডুমডুমাৰ মানুহ ধ্ৰুবজ্যোতি দত্ত। টিহুৰ সমাজ টিহুৰ মানুহ, টিহুৰ ভিতৰখনৰ লগত দত্ত জড়িত হৈ পৰা নাই, আৰু পৰিবলৈ বিচৰাও নাই। টিহুত নতুনকৈ খোলা লাইফ্ ইন্সিওৰেন্স কৰ্পোৰেশ্যনৰ ব্ৰাঞ্চ অফিচটোৰ ব্ৰাঞ্চ-মেনেজাৰ অৰুন্ধতীৰ দেউতাক অৰবিন্দ চৌধুৰী। মূলতে তেওঁ টিহুৰেই আছিল বুলিও, তেওঁৰ শিক্ষা, তেওঁৰ চাকৰি সদায় বাহিৰতে হৈছিল কাৰণে চৌধুৰীয়েও টিহুৰ ভিতৰুৱা কথাবোৰত সোমাই পৰা নাই। দত্তৰ সেয়েহে চৌধুৰীৰ সৈতে এটি আত্মীয়তা। এই বিদেশত তেওঁলোক যেন একে ঠাইৰে প্ৰবসুৱা। তদুপৰি, দত্ত গুৱাহাটীত পঢ়ি থাকোঁতেই চৌধুৰীৰ সৈতে পৰিচিত হৈ পৰিছিল। সাহিত্যত বাপ থকা, আৰু সময় পালে পঢ়া-শুনা কৰা মানুহ শ্ৰীচৌধুৰী। তেওঁলোকৰ অন্তৰঙ্গতা, বোধকৰোঁ, সেইকাৰণেই। টিহুৰ দৰে এখন ঠেক ঠাইত এনে দুজন মানুহে, এনেকুৱা ঘনিষ্ঠতা স্থাপন নকৰি আৰু ক'ত কৰিব? দত্ত তেন্তে নাযাব কিয় অৰুন্ধতীহঁতৰ ঘৰলৈ এতিয়া? হ'লেইবা দুপৰীয়া, তাতে কি?

দত্ত আহি আহি পোষ্ট অফিচৰ ওচৰ পাইছিলহি। তেওঁ সেই-খিনিতে সোঁফাললৈ ঘূৰি যোৱা সৰু বাটটোৰে সোমাই যাব নেকি ভাবিলে অৰুন্ধতীহঁতৰ ঘৰলৈ। কেনে অৱস্থাত লগ পাব বাৰু এতিয়া অৰুন্ধতীক? দেউতাকে নিশ্চয় গেঞ্জীটো পিন্ধি ড্ৰয়িং ৰুমতে অৰুণিহঁতৰ লগত ৰগৰ কৰি থাকিব। দত্তক হঠাৎ তেনে সময়ত তেওঁৰ সমুখত দেখি তেওঁ কি কব বাৰু? ধ্ৰুবজ্যোতি দত্তৰ মনটো পুনৰ কোঁচ খাই গ'ল।

তেওঁ বাওঁফালৰ পূবপিনলৈ সোমাই যোৱা ৰাস্তাটোৰে চাই পঠিয়ালে। পাঠকহঁতৰ মেচলৈকেই যাব নেকি বাৰু? তালৈ গ'লে নিশ্চয় তেওঁৰ সহকৰ্ম্মী বহুত বন্ধুকে লগ পোৱা যাব। তেওঁলোকৰ লগত হাঁহি-ধেমালি কৰি গোটেই আবেলিটো কটাই দিব পৰা যাব। হাঁহি-ধেমালিৰ কথা মনত পৰোঁতেই দত্তৰ মনটো পুনৰ কোঁচ খাই গ'ল। পাঠকহঁতৰ মেচ বুলিলে বন্ধৰ দিনত অখণ্ড তাচখেলাকেই তেওঁ বুজে। নাই। তাচখেলা চাই চাই কেতিয়াও এটা বেলা কটাই দিব নোৱাৰি। নিজে খেলাটোতো আৰু দূৰৈৰ কথা। ধ্ৰুবজ্যোতি দত্তৰ মতে পৃথিবীৰ যিটো আটাইতকৈ বেয়া কথা, সেইটোৱেই হ'ল খেলা---তাচ খেলা, টেনিচ খেলা, ফুটবল খেলা, ক্ৰীকেট খেলা, সকলো খেলাই। উৰণীয়া মনটোক খেলাৰে আবদ্ধ কৰি থোৱা, আৰু উৰণীয়া পখী এটি সঁজাত বন্ধ কৰি থোৱা---দুয়োটাই তেওঁৰ বাবে অসহ্য। ধ্ৰুবজ্যোতি দত্তই সোঁফালৰ ৰাস্তাটোৰে পশ্চিমলৈ সোমাই গ'ল।

পশ্চিমমুৱা হৈয়েই তেওঁৰ বুকুৰে টপ টপাবলৈ ধৰিলে। কিয় আহিল? ভৰি দুখন তেওঁৰ শিৰ শিৰাই উঠিল। উশাহবোৰ চুটি চুটি হৈ পৰিল। তেওঁ যেন কোঁপাই কোঁপাই খোজ কাঢ়িছে। এবাৰ তেওঁ পেচাবেই কৰি লবনেকি? কিন্তু নাই। অসুবিধা। ঠেক বাটটোৰ দুয়োফালেই মানুহৰ ঘৰ। আৰু কতা? তেওঁচোন আহি পালেহিয়েই? ড্ৰয়িং ৰুমৰ বাৰান্দাত থিয় হ'ল। ৰক্ষা। তেওঁ ভয় কৰা মতে অৰুন্ধতীৰ দেউতাক তাত নাই। তেওঁ মজিয়ালৈ সোমাই গ'ল। তাততো কোনো নায়েই, গোটেই ঘৰখনেই নিঃশব্দ। মজিয়াৰ মাজৰ সৰু টেবুলখনত তেওঁ টুকুৰিয়াই দিলে। ভিতৰৰপৰা কোনো সঁহাৰি নাই। এইবাৰ গৈ ভিতৰৰ ফালৰ দুৱাৰৰ গ্লাচত টুকুৰিয়াই দিলে। চকু থিয় কৰি, কাণ পাতি অলপ সময় ৰৈ থাকিল। তাৰ পিচত আৰু টুকুৰিয়ালে। এইবাৰ ভিতৰৰপৰা সৰু ল'ৰা এটিয়ে শ্লিপাৰ পিন্ধি দৌৰি অহাৰ শব্দ শুনা গ'ল।

"অ', দত্তদা আহিছে? বহক।" বংমণিয়ে ভিতৰৰ দুৱাৰখন খুলি দি পুনৰ ভিতৰলৈ দৌৰ মাৰিলে।

ধ্রুৱজ্যোতি দত্ত বহি ললে। বহি লৈ ড্রয়িং ৰুমটোৰ ইফালে সিফালে চকু ফুৰালে। এনেতে মুখত এমোকোৰা হাঁহি লৈ অৰুন্ধতী সোমাই আহিল। "দত্তদা আহিছে? ই:, আপুনি ইমান ভাল? মই ঠিক আপোনাৰ কথাই ভাবিছিলোঁ, জানে? উ:, আজি ইমান অকলশৰীয়া লাগিছে। দেউতা কালি আবেলিয়েই গুৱাহাটীলৈ গ'ল—কিবা অফিচৰ কামত। লগতে অঞ্জলিকো লৈ গ'ল। ঘৰখন গোটেই শূণ্য হৈ পৰিছে। মই মাক কৈছিলোঁৱেই, জানে, আপুনি এতিয়া আহিলে ভাল লাগিব বুলি।" অৰুন্ধতীয়ে একে উশাহে কথাবোৰ কৈ গৈছিল।

"দিয়াচোন, আচল অৰ্থটো যিয়েই নহওক, মুখত যে ভাল লাগে বুলি কৈছা। মোৰতো ধাৰণা, দুপৰীয়া মানুহ আহিলে, উলিয়াই খেদি দিবলৈ ইচ্ছা হয় মানুহৰ।" দত্তই ক'লে।

"উ: ৰাম। কি কয় আপুনি? উলিয়াই খেদি দিম কেলেই? আপোনাৰ লগত আৰু উপায় নাই। আপুনিনো মোৰ কোনটো কথাত কোন দিনা বিশ্বাস কৰিলে? সদায় মই অকোৰা পকোৰাকৈহে কথাবোৰ কওঁ।" অৰুন্ধতীয়ে মুখখন ওন্দোলাই দিলে। দত্তই তৃপ্তি পালে। তেওঁক আৰু খং তুলি কষ্ট দিবলৈ দত্তৰ মন নগ'ল। দত্তই ক'লে, "বাৰু, বাৰু, তুমি বৰ সহজ ছোৱালী। তুমি কথাবোৰ সদায় পোনপোটীয়াকৈ কোৱা। পিছে মোক এতিয়া এগিলাচ পানী খুওৱা। কাগুনমহীয়া ৰ'দত গল শুকাই গ'ল।"

অৰুন্ধতী ভিতৰ সোমাই গ'ল। দত্তই অলসভাৱে চকীখনত গাটো এৰি দি কিছু সময় এনেয়ে বহি থাকিল। কিন্তু অৰুন্ধতীয়ে আপা কৰাতকৈ বেচি দেৰি কৰিলে। দত্তই এনেয়ে বহি থাকিবলৈ টান পাই, ক'ৰবাত কিবা কাকত-আলোচনী পায়নেকি চালে। কোঠাটোৰ একোণৰ অকণমান টেবুলখনৰ ওপৰত এখন কিবা আলোচনী তেওঁৰ চকুত পৰিল। তেওঁ উঠি গৈ সেইখনকেই আনি পাত লুটিওৱাত লাগি গ'ল। সেইখন বছৰছুৰ আগৰ শ্বিলঙৰ এটি বঙালী বিহু উৎসৱৰ এখন সোঁৱৰণী পত্ৰ। ভিতৰত বহুতো ছবি আছে। দত্তৰ সেইখন পাই ভালেই লাগিল। তেওঁ পাতবোৰ লুটিয়াই যাবলৈ ধৰিলে। হঠাৎ এটা পাতত দত্তৰ চকু থিৰ হ'ল। সেই পৃষ্ঠাত থকা চাৰিটা নৃত্য ভঙ্গীমাৰ দুটিত অৰুন্ধতী চৌধুৰীৰ নৃত্য-ভঙ্গী। তলত লিখা আছে—'যোৱা বেলিৰ বিহু উৎসৱত ভুয়সী

প্ৰশংসা লাভ কৰা "মেৰমানী আৰু কচ" নৃত্য নাটিকাত অৰুন্ধতী চৌধুৰী আৰু অনামিকা বৰুৱা।' দত্তই পৰম মনোযোগেৰে চাবিওটা নৃত্য ভঙ্গী চোৰাত লাগি গ'ল। আজিৰ পৰা সাত আঠ বছৰ আগৰ অৰুন্ধতীজনীৰ চেহেৰাটো দেখিবলৈ পাই তেওঁ বিশেষ আমোদ পালে। কেতিয়াও দত্তক নাচি নেদেখুওৱা, অথচ সদায় দত্তৰ আগত পূৰ্ব্বৰ নাচোনৰ অভিজ্ঞতাবোৰ কৈ কৈ তৃপ্তি পোৱা অৰুন্ধতীজনীক আজিৰ এই নৃত্য ভঙ্গী দুটিত আবিষ্কাৰ কৰি দত্তই যেন মহাসমৰ জিনি পেলালে। ছবিকেইটালৈ চাই থাকোঁতে কিমান সময় যে পাৰ হৈ গ'ল, তেওঁ টলকিবই নোৱাৰিলে।

অৰুন্ধতী সোমাই অহাৰ লগে লগে দত্ত উচপ খাই উঠিল। দত্তৰ তেনে অৱস্থাত অৰুন্ধতীয়ে হাঁহিছিল। কিন্তু দত্তৰ ওচৰ পাই যেতিয়া দেখিলে তেওঁ সেই বিশেষ পৃষ্ঠাটো খুলি লৈছে, তেতিয়া অৰুন্ধতীয়ে জিভাখন উলিয়াই দি কেনে যে এটি লাজকুৰীয়া হাঁহি মাৰিলে। "সেইখন কেলেই চাইছে। ইমান পুৰণি আলোচনী এখন। চাওঁ, সেইখন মোক দিয়কচোন। আপুনি এইখিনি খাই লওক।"

দত্তই কিন্তু আলোচনীখন উৰুত থৈ বাওঁ হাতেৰে সেইখন হেঁচি থাকিলে আৰু অৰুন্ধতীৰ পিনে চাই এটি বিজয়ৰ হাঁহি মাৰি পৰাজিতা অৰুন্ধতীক যেন বিদ্ৰূপ কৰিলে।

গিলাচটোৰপৰা এঢোক খাই, দত্ত আচৰিত হৈ উঠিল। "এয়া কি? এয়া জানো পানী?" দত্তৰ অৱস্থা দেখি অৰুন্ধতীয়ে খিল্‌খিলাই হাঁহিলে। "তেন্তে কি আৰু? বিশেষনো কি?" অৰুন্ধতীয়ে ওলোটাই প্ৰশ্ন কৰিলে।

"টিহুৰ পানীবোৰ জানো টেঙা টেঙা, মিঠা মিঠা লাগে? আমাৰ উজনি অসমৰ পানীৰ দেখোন কোনো স্বাদ নাই। আমি ইয়াক চৰবৎ বুলিহে কওঁ। তোমালোকৰ এই পিনে কথাবোৰ কেনে অদ্ভুত।"

"খাওকচোন। আপুনিও কি জানি অদ্ভুতেই হৈ যায়।"

দত্তই তথাপিও নাখালে। অকণমান অজলা ল'ৰাটোৰ দৰে তেওঁ মাথোন খাওঁ নাখাওঁকৈ থাকিল।

"খাওক বুলি কৈছোঁ, খাওক। সৰু ল'ৰাৰ দৰে অমুৰি নকৰিব।" অৰুন্ধতীয়ে মুখলৈ কৃত্ৰিম গাম্ভীৰ্য্য আনি খোৱাৰ আদেশ দিলে দত্তক। দত্তই মিছাকৈয়ে ভয় পোৱা দেখুৱাই চৰবৎ খিনি খালে আৰু সৰু ল'ৰাটোৰ-দৰেই ৰুমালখন উলিয়াই মুখখন মচিবলৈ ধৰিলে।

অৰুন্ধতীয়ে গিলাচটো লৈ ভিতৰলৈ গ'ল। দত্তই পুনৰ ছবি চোৱাত

লাগিল। অৰুন্ধতী পুনৰ সোমাই আহিল আৰু ওচৰৰে চকীখনত বহি ললে। দত্তই আলোচনীৰপৰা মূৰ তুলি পুনৰ সৰু ল'ৰাটিৰ সৰেই ক'লে, "আজি কিন্তু নাচি দেখুৱাব লাগিব।"

অৰুন্ধতীয়ে ক'লে, "নিশ্চয় দেখুৱাম। কি নাচ চাব বাৰু?"

'দেবযানী আৰু কচ।'

"কিন্তু কচ কোন হ'ব?"

"কচৰ অংশটো বাৰু খালী হৈয়েই ৰ'ব দিয়াচোন।

"খালী হৈ কেলেই ৰ'ব?"

"তেন্তে হ'ব বাৰু। তোমালোকৰ ভাইটিয়েই কচ হ'ব। তুমি অলপ শিকাই দিলেই হ'ল।"

"নাই। ল'ৰাৰ লগত কেলেই নাচিম।"

"নানাচানেকি ল'ৰাৰ লগত?"

"উঁহু, কেলেই নাচিম?"

দত্তই অৰুন্ধতীৰ চকুৰ পিনে চাই হাঁহিলে। দত্তৰ চকুত চকু পৰিলত অৰুন্ধতীয়েও হাঁহি উঠিল। দত্তই ক'লে, "থেংক্ ইউ ফৰ্ ইয়োৰ্ চেষ্টাটি, মেডাম্।"

"আপুনি ধন্যবাদ দিলে হ'ব কি? আপুনিতো নিজে অকণো 'চেষ্ট' নহয়।" অৰুন্ধতীয়ে ক'লে। দত্ত জপিয়াই উঠিল।

"কোনে ক'লে মই 'চেষ্ট' নহয়?" তেওঁ সুধিলে।

"মই আপোনাৰ কোনটো খবৰ নাজানো বুলি ভাবে?" অৰুন্ধতীয়ে নিৰ্ভীকভাৱে প্ৰশ্ন কৰিলে।

"তুমি মোৰ কোনটো খবৰ জানা, তাকেই কোৱা।"

"অৰুণিমা বৰুৱা কোন?" অৰুন্ধতীয়ে যেন শেষ অস্ত্ৰপাত প্ৰয়োগ কৰি বীৰদৰ্পে থিয় হ'ল।

দত্তই খন্তেকৰ বাবে ভাবিলে, কোন অৰুণিমা বৰুৱা কথা সুধিব পাৰে অৰুন্ধতীয়ে। কোনো তেজ মঙহৰ ছোৱালীৰ কথা সেই মাথোঁৰে তেওঁৰ মনত নপৰিল। তেওঁৰ পূৰ্ব্ব-প্ৰকাশিত এটি গল্পৰ নায়িকাজনীৰ নাম আছিল অৰুণিমা বৰুৱা। তাৰেই কথা জানো অৰুন্ধতীয়ে সুধিছে? দত্তই তৎক্ষণাৎ একো উত্তৰ দিব নোৱাৰিলে। প্ৰশ্নবোধক দৃষ্টিৰে মাথোন মূৰ তুলি চালে তেওঁ অৰুন্ধতীৰ পিনে।

"এতিয়া নিমাত কিয়? কওক, কোন সেই অৰুণিমা বৰুৱা?" অৰুন্ধতীৰ কথাত এনে ভাব যেন দত্ত তেওঁ জব্দ কৰি পেলোৱা এটি

চিকাৰহে। দত্তই ভাবিলে গল্পৰ সেই নায়িকাজনীক কিবা বিশেষ কাৰণত তেওঁ জীৱনত লগ পোৱা কোনোজনী বাস্তৱ ছোৱালী বুলি ধৰি লোৱাৰ থল আছেনেকি। দত্তই একো উৱাদিহ নাপাই সুধিলে, "কেলেই সুধিছা ?"

"আপুনি বোলে আকৌ বৰ সৎ, সেই কাৰণেই সুধিছোঁ।"

"মই অসৎ হোৱাৰ প্ৰমাণ কি পালা ?"

"আপোনাকতো মই অসৎ হোৱা বুলি কোৱা নাই। পিছে আপুনি নিজেই দেখোন প্ৰমাণ কৰিছে আপোনাৰ এটা গল্পত।"

দত্তৰ এইবাৰ হাঁহি উঠি গ'ল। অৰুণিমা বৰুৱাক নায়িকা হিচাপে লৈ লিখা সেই গল্পটোৱে এসময়ত অসমীয়া পাঠক সমাজৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। এই গল্পটোত এজন ইংৰাজীৰ স্নাতকোত্তৰ ছাত্ৰই অৰুণিমা নামৰ এজনী ছোৱালীৰ প্ৰেমত পৰি উদ্বাউল হোৱা আৰু অৱশেষত বঞ্চিত হোৱাৰ এটি কাহিনী আছিল। দত্ত নিজেই সেই সময়ত ইংৰাজীৰ ছাত্ৰ আছিল। তাত বাহিৰে গল্পটোৰ নায়কজন তেওঁ নিজে বুলি ভাবিবলৈ আৰু কি আছে ?

"মোৰ কোনটো গল্পত ?" বগৰ কৰাৰ মনেৰেই দত্তই সুধিলে।

"কেলেই, 'অৰুণিমাৰ চকুলো' নামৰ গল্পটোত।"

"সেইটো গল্প লিখিলোঁ বুলিয়েই মই অসৎ হলোঁনেকি ?"

"তেনে গল্প লিখিলেই অসৎ নহয়। পিছে তেনে গল্প লিখাৰ ছলেৰে যি আত্মজীৱনী লিখি নিজৰ লেতেৰা ফালটো সুন্দৰকৈ দেখুৱাই দিয়ে, তেওঁক তাৰ পিচতো আৰু সৎ বুলিম নেকি ?"

দত্তৰ এইবাৰ ডাঙৰকৈ হাঁহি দিবৰ মন গ'ল। এইটো সকলোৱেই তেন্তে তেওঁৰ আত্মজীৱনী বুলিয়েই ধৰি লৈছে ? নিজৰ কি লেতেৰা ফালটোনো তাত প্ৰকাশ হ'ল ? দত্তৰ মনত পৰিল, প্ৰেমত নায়ক নায়িকা দুয়ো কাণে-মূৰে তল যোৱা অৱস্থাত, তেওঁলোকৰ দৈহিক মিলনৰ কেটামান দৃশ্যও গল্পটোত বৰ্ণনা কৰা হৈছিল। মানুহে যে কেনে ভাৱে লৈছে এইবোৰ। দত্তৰ অলপ লাজেই লাগিল।

তেওঁ কথাৰ সোঁত সলাই দিবৰ বাবে প্ৰশ্ন কৰিলে, "তুমি পঢ়িছিলা সেই গল্পটো ? বাৰু, কোৱা চোন কেনে লাগিছিল।"

"মই নপঢ়াকৈ ক'লোঁনেকি ?"

"আকেইতো, কেনে লাগিছিল কোৱা।"

"কেনে লাগিব আৰু। মিছা কথাবোৰ কেলেই লিখি ফুৰে ?"

"মিছাই যদি সেইবোৰ, মই আকৌ অসৎ হ'লোঁ কেনেকৈ? মোৰ আত্মজীৱনীয়েই বা হ'ল সেইটো কেনেকৈ?"

"সকলোবোৰ মিছা নহয়। কিন্তু তাৰ অশ্লীল ঘটনাবোৰতো মিছা।"

"সকলোবোৰ মিছা নহয় মানে?" দত্তই কৌতূহলেৰে সুধিলে।

"মানে ধৰক, আপুনি যে অৰুণিমাক ভাল পায়, সেয়া সঁচা। সেইখিনি আপোনাৰ আত্মজীৱনী। কিন্তু তাইৰ লগত আপুনি যিমানলৈ আগবাঢ়ি যোৱা বুলি গল্পটোত লিখিছে, সেয়াতো সঁচা নহয়।"

"হাবে। তুমি কি কোৱা, অৰুন্ধতী?" দত্ত অলপ গম্ভীৰ হৈ উঠিল।

"মই কি কওঁ আৰু? আপোনাৰ ছাত্ৰীবোৰে যি কয় তাকেই কৈছোঁ।"

দত্ত আৰু বেচি গম্ভীৰ হৈ উঠিল। "মোৰ ছাত্ৰীবোৰে কি কয়?"

"কি কব? যি সঁচা বুলি জানে, তাকে হয়। সিহঁতে গল্পটোত আপুনি যিবোৰ অশ্লীল কাম অৰুণিমাৰ সৈতে কৰা বুলি দেখুৱাইছে, সেইবোৰৰ বাবে মোক ঠাট্টা কৰে, জানে?"

"তোমাক ঠাট্টা কৰে?" দত্ত জঁপিয়াই উঠিল। "তোমাক কেলেই?"

"ইঃ, মোক কেলেই, এতিয়া নুবুজে। বৰ অজলাটো ওলাইছে। গল্প লিখাৰ সময়ত হ'লে যি চতুৰালিটো দেখুৱাব। প্ৰতিটো শব্দ বুজিবৰ বাবেই পাঁচ মিনিটকৈ লাগে।"

"ৰবা, তামচা এৰা। মই একো বুজি পোৱা নাই সঁচাকৈয়েই।"

"অৰুণিমা কোন? তাকেই কওক। তেতিয়া সকলো বুজিব।"

"অৰুণিমা কোনো নহয়। মোৰেই এজনী কল্পনাৰ ছোৱালী।"

"নামটো তেন্তে কেলেই মোৰ লগত মিলে?"

দত্তৰ এইবাৰ টেক্ টেক্কৈ হাঁহি দিবৰ মন গ'ল। অসম্ভৱ ধৰণে উগ্ৰ হৈ উঠা এই পৰিস্থিতিটো তৎক্ষণাৎ যেন শাঁত পৰি গ'ল। অৰুন্ধতীয়ে আৰু ক'লে, "ছোৱালীবোৰে কয়, মোৰ হুবহু নামটো নিদি সেইখিনি মাথোন সলাই দিছে। ইংৰাজী পঢ়া ছাত্ৰজনতো আপুনিয়েই।"

দত্তই হাঁহিবই নে কান্দিবই ঠিকেই কৰিব নোৱাৰাত পৰিল। কেনেকৈ যে ধৰি লয় ছোৱালীবোৰে কথাবোৰ। গল্পটো লিখোঁতে অৰুন্ধতীক তেওঁ দেখাই নাছিল। তেওঁৰ চিনাকি অৰবিন্দ চৌধুৰীৰ ছোৱালী এজনী আছে বুলি তেওঁ এম. এ. পঢ়ি থাকোঁতেও জানিছিল। কিন্তু তেওঁৰ নাম যে অৰুন্ধতী, এই কথাষাৰিও আনকি তেওঁ জনা নাছিল। অথচ কথাটো

যে কিমান দূৰ আগবাঢ়ি গৈছে ইতিমধ্যে। আৰু অৰুন্ধতী। তেৱেঁই বা কি ৰূপত লৈছে এই কথাটো। তেওঁ অৰুন্ধতীক সুধিলে, "ছোৱালী-বোৰে মই গল্পটো কেতিয়া লিখিছিলোঁ জানে নে নাই?"

"ছোৱালীবোৰে কেলেই জানিব লাগে? সিহঁতৰ ধাৰণাত ভুল নাই।"

"কি ধাৰণাত?"

"আপুনি যে সঁচাই ভাল পায় সেই ধাৰণাত।" অৰুন্ধতীৰ মুখখন যেন লাজত ৰঙা পৰি উঠিল। তেওঁ তলমূৰা কৰিলে।

দত্তই সুধিলে, "কাক ভাল পাওঁ?"

"লাজ নাপায়, সুধিছে যে?" অৰুন্ধতীয়ে উত্তৰ দি দত্তৰ পিনে চালে। দত্তৰ সঁচাই লাজ লাগিছিল। তেওঁ যেন আত্মৰক্ষাৰ চেষ্টাতেই কৈছিল, "তোমাৰ নামটোৰ লগত অৰুণিমা নামটোৰ সাদৃশ্য আছে বাৰু। তৰ্কৰ খাটিৰত ধৰি লওঁ, নায়কজনো ময়েই। কিন্তু অকল এইখিনিৰ ওপৰত ভিত্তি কৰিয়েই মানুহ এজনক জানো সন্দেহ কৰা উচিত? বাকী আৰু কি মিল আছে আমাৰ দুয়োৰে আৰু সেই নায়ক-নায়িকাৰ মাজত?"

"চব মিলে। প্ৰত্যেকটো কথাৰেই মিল আছে, জানে? আমাৰ অঞ্জলিয়েও কথাটো বুজিছে। তাই সিদিনা মোক ঠাট্টা কৰিছে, জানে নে নাই?"

"অঞ্জলিয়েও?" দত্ত আচৰিত হ'ল। "মাই গড্! ইয়াত আৰু থাকিব নোৱাৰি। উঠোঁ দেই।"

অৰুন্ধতীয়ে খপ্‌কৈ তেওঁৰ সন্মুখত থিয় হ'ল গৈ। "ৰব, কওঁ যায়। অধ্যাপকবোৰ কিমান 'বিজি' আমি বুজোঁ।"

দত্তই এটা হাঁহি মাৰি পুনৰ বহিল গৈ। অৰুন্ধতী ভিতৰলৈ সোমাই গ'ল। অলপ পিচতে অৰুন্ধতীৰ মাক সোমাই আছিল। "তুমি অহা গম পাইছোঁ। পিছে অৰুন্ধতীৰ লগত কথা পাতি আছা বুলিয়েই মই ভিতৰতে অলপ বিশ্ৰাম লওঁ। গৰম এইবাৰ খাওঁ খাওঁ মূৰ্ত্তি ধৰিয়েই আহিব যেন পাওঁ। এই ফাগুন পৰিছেহে; এতিয়াই দেখোন থাকিব নোৱাৰা হ'ল।"

দত্তই শলাগিলে। অৰুন্ধতীৰ দৰে অৰুন্ধতীৰ মাকেও কথা অলপ বেচিকৈ কয়। তেওঁ আৰু বহুত কিবা কিবি কৈ গৈছিল। দত্তৰ সকলোবোৰ কথা কাণত সোমোৱা নাছিল। এবাৰ তেওঁ কলে, তাইৰ দেউতাকে অহা পৰীক্ষাটো গুৱাহাটীত দিবলৈ তাইক পঠিয়াবৰ মন কৰা নাই। ইয়াতেই পাৰে যেতিয়া, পৰীক্ষাটো ইয়াতেই দিয়ক। তুমি আহু

যেতিয়া, ইয়াত থাকিলে তাইৰ পঢ়া শুনাৰ লাভ হে হ'ব। তোমাৰ পৰা পঢ়া-শুনাত যিখিনি সহায় পাব, গুৱাহাটীৰ হোষ্টেলত নো সেইখিনি ক'ত পাব।"

দত্ত যেন অলপ অবসন্ন হৈ পৰিছিল। তেওঁৰ বেছি কথা কবৰ আৰু মন যোৱা নাছিল। তেওঁ মাথোন কৈছিল, "ঠিক আছে। তেওঁৰ চেণ্টাৰ্'টো 'চেঞ্জ' কৰি লবলৈ বৰ বেছি দিগ্‌দাৰি ন'হব। সেইখিনি আগতে কৰি লব লাগিব। সময় হ'লে মই তেখেতক কম বাৰু।"

অৰুন্ধতীয়ে এখন টি-ট্ৰে'ত চাহ আৰু লগত খাবৰ বাবে কিবা কিবি অলপ লৈ সোমাই আহিল। দত্তই ক'লে, "তুমি নিজেই কৰিলা নেকি? ইমান চোকা কেতিয়াৰ পৰা হ'লা বাৰু?"

"ইঃ, চাহখিনি কৰিবলৈকো কিবা চোকা হ'ব লাগে নেকি?"

"নালাগে বাৰু। পিছে ইমান খাব নোৱাৰোঁ দেই।"

"নোৱাৰিলে হ'ব দেখোন। কিমাননো দিছোঁ? কোনো আপত্তি নৰজে। আৰম্ভ কৰক।" অৰুন্ধতীয়ে আঙুলিৰে ইঙ্গিত দিলে। দত্তই একোকে নামাতি হাত সাৱটি বহি থাকিল।

"উঃ, বহি থাকিলে কেনেকৈ? এনেয়ে পুৰুষ হ'লে নহ'ব, নহয়। খোৱাতো পুৰুষ হ'ব লাগিব।"

অৰুন্ধতীৰ কোৱাৰ ভঙ্গীত দত্তৰ হাঁহি উঠিল। তেওঁ প্লেটখন হাতত ললে। খাবলৈ আৰম্ভ কৰি অৰুন্ধতীৰ মাকক ক'লে, "চাওক আপোনাৰ ছোৱালীক। আপুনি এই মাথোন তেওঁৰ শিক্ষকতা কৰিবলৈ মোক ক'লে, আৰু লগে লগেই তেওঁ মোৰ ওপৰত শিক্ষকতা কৰাত লাগি গ'ল। এতিয়া আকৌ চেকনী এডাল নানিলেহে হৈছে।"

মাকে দত্তৰ কথাত হাঁহিলে। সমৰ্থনৰ সুৰত তেওঁ ক'লে "এইবোৰ কথাত তাই বেচ চোকা; মাথোন পঢ়াতহে নহয়।"

দত্তই পুনৰ হাঁহিলে। এইবাৰ তেওঁ অৰুন্ধতীৰ পিনে চাই কলে, "তথাপি আপোনাৰ ছোৱালীৰ বিদ্যা নাই বুলি ক'ব নোৱাৰে। কাৰণ, তেওঁ নাচত পাকৈত।"

"চাবাচ! ঠিক কৈছে দত্তদাই।" অৰুন্ধতী জঁপিয়াই উঠিল। "নাচোতো এবিধ বিদ্যা। পিছে জানে, দত্তদা? মাই আজি কালি মোক নাচ শব্দটো মুখতেই আনিবলৈ নিদিয়ে। মই বোলে বুঢ়ী হলোঁ। মাৰ কথা চাওক। আপুনি সোধকচোন মাক, বৈজয়ন্তীমালাৰ বয়স কিমান।"

মাকে জীয়েকৰ কথাত মুখ টিপি টিপি হাঁহিছিল। তেওঁ উঠিল। তেওঁ দত্তক কৈ গ'ল "তুমি বহা। তাইৰ লগত কথা পাতা। অশুলি নাই, নহয়। মোৰ বহুত কাম।"

মাক যোৱাৰ কিছু পিচতেই দত্ত উঠিল। অৰুন্ধতীক ক'লে, "মম্ভো যাওঁ দেই।"

"মাই আপোনাক যাব ক'লে নেকি?"

"তথাপি যাওঁ। তুমিতো মোক ভাল মুখেৰে নামাতা।"

"ধেৎ, কেলেই নামাতিম? মুখত তিতা কথা ক'লোঁ বুলি হ'ল নেকি? মই আপোনাক ইমান শ্ৰদ্ধা কৰোঁ।"

"মুখত কৈছা।"

"উঃ ৰাম। আপোনাক বুকু ফালি দেখুৱালেহে হ'ব আৰু। টিহু কলেজৰ ছোৱালীবোৰে মোক ঈৰ্ষা কৰে, জানে? একমাত্ৰ আপোনাৰ কাৰণেই। আপোনাৰ বিষয়ে মোক কিমানবোৰযে প্ৰশ্ন সোধে সিহঁতে। আপোনাৰ প্ৰতিটো কথাই সিহঁতে জানিব বিচাৰে মোৰপৰা। আপুনিহে মাথোন মোক নকয়।"

"কিনো সোধে সিহঁতে?"

"আটাইবোৰ কথাকেই সোধেঃ আপুনি পুৱা কেইবজাত উঠে, ৰাতি কেইবজাত শোৱে, দিনত শোৱে নে নাই। গল্প কেতিয়া লিখে, কেনেকৈ লিখে। আৰুযে ক'ত কথা! মই কিন্তু একোকে ক'ব নোৱাৰোঁ সিহঁতক। ক'ৰপৰা কম? আপুনি কিবা মোক জানিব দিয়েনে সেইবোৰ কথা।"

"তমিনো মোক কেতিয়া সোধা সেইবোৰ, মইযে ক'ব লাগে? বাৰু কোনে কোনে তোমাক সোধে সেই কথাবোৰ, কোৱাচোন।"

"কেলেই, আটাইসোপা ছোৱালীয়েই সোধে। মালতী, ৰাধিকা, লাৱণ্য, বিমলা, অমলা---আটাইসোপাই আৰু।"

"তেওঁলোকেচোন ক্লাচত মোৰ চকুৰ পিনেই চাব নোৱাৰে? মোৰ পিচত আকৌ এইবোৰ গায়।"

"ইঃ, আপনি কি বুজিব। আৰু যিবোৰ কথা সোধে মোক সিহঁতে।"

দত্তৰ কৌতহল ওপজে, আৰুনো কিবোৰ সোধে জানিবলৈ। কিন্তু তেওঁৰ সুধিবলৈ লাজ লাগে, যিদৰে অৰুন্ধতীৰ কবলৈ লাজ লাগে।

"বাৰু, আজিলৈ যাওঁদেই, অৰুন্ধতী।"

"অ', দিম দেখোন যাব। আজি মানুহৰ দৰ্কাৰ হৈছে। কাৰণে, যোৱাৰ

ধপ্ধপিও বেছি হৈছে। আৰু যেতিয়া মানুহবে ঘৰ ভৰি থাকিলে বহিৰ-লৈকো ঠাই দিবলৈ টান পাম, তেতিয়া নুঠাই হ'ব।"

"ৰাখি থব খুজিছানেকি ইয়াতে? আজি ৰাতিও ৰাখিবা?"

"থাকক, ভয় কৰিছোঁনেকি?"

দত্ত বৈ গ'ল। কথাৰ সোঁত যেন ভুল দিশে ঘোৰাব উপক্ৰম কৰিলে। তেওঁ যেন সোঁতটো ঘূৰাই আনিবলৈকেই ক'লে, "কিন্তু মই থাকিলে তুমিহে যে ভাত ৰান্ধি খুৱাব লাগিব।"

"মইতো সদায় ৰান্ধোঁ। সেইটো একো কথাই নহয়।"

"আজিও ৰান্ধিবা তেন্তে?"

"নিশ্চয়। মাথোন থাকি যাওক।"

"হৈছে, হৈছে। অশেষ ধন্যবাদ। মাক মাতা। মই যাওঁ গৈ।"

অৰুন্ধতীৰ ঘৰৰপৰা ওলাই আহি ৰাস্তাত উঠিলত্ দত্তই অনভৱ কৰিলে, তেওঁৰ এতিয়া অলপ নিৰ্জ্জনতাৰ প্ৰয়োজন হৈছে। কিন্তু ঘৰলৈ ঘূৰি গৈয়ো তাত শান্তি পাব বুলি তেওঁ আশা নকৰিলে। তেওঁ হাইস্কুলৰ পথাৰৰ কাষৰ বাটটোৰে নদীৰ পাৰৰ পিনে খোজ দিলে। জীৱনৰ আটাইবোৰ কথাই যেন এবাৰ নতুনকৈ নিৰীক্ষণ কৰাৰ সময় হৈছে। তেওঁৰ জীৱনৰ উল্লেখযোগ্য প্ৰতিটো কথাই তেওঁৰ মনৰ পটত চিনেমাৰ পৰ্দ্দাত এটাৰ পিচত এটাকৈ ছবি ওলাই যোৱা দি যাবলৈ ধৰিলে। আৰু তাৰে মাজে মাজে বিখন মুখ ঘনে ঘনে তেওঁৰ সন্মুখত ভাঁহি উঠিল, সেই মুখ অৰুন্ধতীৰ। কেনে যে অকণমানি ছোৱালীৰ দৰে অৰুন্ধতীৰ কথাবোৰ। পানী এগিলাচ আনোঁ বুলি লৈ আহিল চৰ্ব্বৎ এগিলাচ। ক'লে, 'খাওক বুলি কৈছো, খাওক। সৰু ল'ৰাৰ দৰে অবুৰি নকৰিব।' উঃ, আৰু যে কেনেকৈ প্ৰশ্নটো সুধিছিল, 'অৰুণিমা বৰুৱা কোন?' দত্তৰ অকলে অকলে হাঁহি উঠি গ'ল, যেতিয়া তেওঁৰ মনত পৰিল অৰুন্ধতীৰ সেই কথাষাৰি, 'সকলো-বোৰ মিছা নহয়। কিন্তু তাৰ অশ্লীল ঘটনাবোৰতো মিছা।' কথাবোৰ যিমানেই মনত পৰিবলৈ ধৰিলে, সিমানেই দত্ত যেন আৰু অস্থিৰ হৈ উঠিবলৈ ধৰিলে। তেওঁ জানো অৰুন্ধতীক সঁচাই ভাল পায়? আৰু অৰুন্ধতীয়ে? এইবোৰৰ অৰ্থ তেন্তে কি? লাহে লাহে আন্ধাৰত পৃথিবীখন বুৰ গ'ল। গ্ৰাম্য নগৰী টিঙ্গৰ চতুৰ্দ্দিশ নিৰ্জ্জন হৈ পৰিল। দত্ত অকলে অকলে নদীৰ পাৰতে থিয় হৈ ৰ'ল। সেই নিৰ্জ্জনতাত নদীৰ সোঁতটোৰ মৃদু কলধ্বনিটো মাথোন বাজি ৰ'ল একে নিয়মে। আৰু বাজি ৰ'ল একে নিয়মে দত্তৰ অন্তৰত আৱেলিৰ অৰুন্ধতীৰ প্ৰতিটো কথাই এটি ধ্ৰুপদী সঙ্গীতৰ দৰে।

ধ্ৰুবজ্যোতি দত্তই এদিনো আৰু অৰুন্ধতীক নেদেখাকৈ থাকিব নোৱাৰাত পৰে। তেওঁৰ কণমানি ঘৰটোৰ সমুখৰ বাঁহনিডৰাত পৰা আবেলিৰ সূৰ্য্যৰ হেঙুলীয়া কিৰণবোৰ গচকি গচকি তেওঁ যায় অৰুন্ধতীৰ ঘৰলৈ। অৰুন্ধতীৰ পঢ়া কোঠাত দুয়ো বহি থাকোঁতে কেনেকৈ যে অস্তগামী সূৰ্য্যৰ ক্ষীণ আভাবোৰ অৰুন্ধতীহঁতৰ পদূলিৰ তাল গছ দুজুপিৰ পাতৰ মাজেৰে কেতিয়া নাইকিয়া হৈ পৰে, দত্তই গমকে নাপায়। দত্তই গমকে নাপায়, কেতিয়ানো অৰুন্ধতীহঁতৰ সমুখৰ নাহৰজুপিৰ সুবাসবোৰ পৃথিৱী উপচি পৰা জোনাকৰ সৈতে মিশ্ৰিত হৈ বাহিৰৰ জগতখন স্বপ্নিল কৰি তোলে।

লাহে লাহে ধ্ৰুবজ্যোতি দত্তৰ গতানুগতিক জীৱনটোতো ভালেমান পৰিবৰ্ত্তন ঘটে। তেওঁৰ কলেজৰ ক্লাচবোৰ বছৰটোৰ বাবে শেষ হৈ যায়। অৰুন্ধতীহঁতৰ ঘৰলৈ ফুৰিবলৈ যোৱাত বাহিৰে বাকীবোৰ সময় তেওঁ ঘৰতে বহি থাকিব লগীয়া হয়। পাঠকে তেওঁৰ মেচলৈ দত্ত নোযোৱা বাবে আপত্তি কৰে। পাঠকে কয়, তাচখেলা তেবেঁা ভাল নাপায়। 'কিন্তু বন্ধুবোৰৰ উৎপাত। আহিয়েই বিছনাত বহি খেলা আৰম্ভ কৰি দিব। যেনিবা সেই বিছনা, সেই ঘৰ মোৰ নহয়, তেওঁলোকৰহে।' দত্তৰ কথাবোৰ কাণত নোসোমায়। তেওঁ তেনে ঠাইত ফুৰিবলৈ যাব নোৱাৰে। তেওঁৰ বৰ অকলশৰীয়া লাগে। কেতিয়াবা আকৌ বৰষুণ দিয়ে—কিন্ কিন্ কৰে বহু দিনলৈ, নহলেবা হুৰমূৰ কৰে ক্ষন্তেক সময়ৰ বাবে। অলপ সময়ৰ বাবে দিয়া দবাপিটা বৰষুণ দত্তৰ ভাল লাগে। খিৰিকীৰ মুখত বহি তেওঁ প্ৰকৃতিৰ গা-ধোৱা ৰূপ উপভোগ কৰে। কিন্তু কিন্ কিন্ কৰে বৰষুণ দত্তৰ বৰ অসহ্য লাগে।

কিন্ কিনীয়া বৰষুণ দিছিল সেই দিনাও। দত্তৰ অসহ্য লাগিছিল। গৰমৰ বন্ধটো তেওঁ শ্বিলঙত কটাই অহাৰ কথা কেইদিনমান পৰা ভাবিছিল। অৰুন্ধতীৰ কি যে আপত্তি। 'যাওক। কিন্তু চাব, টিহলৈ যাতে আৰু উভতি নাহে।' উঃ, কি যে ৰোষ তেওঁৰ। অৰুন্ধতীৰ কথাষাৰ মনত পৰিলত দত্তৰ অকলে অকলেই হাঁহি উঠি গ'ল। দত্তৰ উত্তৰটোও বেয়া হোৱা নাছিল পিছে। 'কেলেই, টিহখন অকল তোমাৰ নেকি যে মোক ইয়ালৈ তুমি আহিব নিদিবা?' দত্তৰ ভাব হল, যাব নেকি অৰুন্ধতীৰ তালৈকেই এই সেমেকা সময়বোৰ কটাই আহিবৰ বাবে? শ্বিলঙলৈ যাবলৈ আৰু মাথোন এসপ্তাহহে বাকী। অৰুন্ধতীক তেওঁ আজি প্ৰতিশ্ৰুতি দি আহিব, তেওঁৰ পৰীক্ষা শেষ হোৱাৰ লগে লগেই তেওঁ

উভতি আহিব। অৰুন্ধতীক তেওঁ বুজাই কব, পৰীক্ষাৰ আগত তেওঁক এৰি যোৱাৰ বাবে তেওঁৰ অকণো লোকচান নহয়। তেওঁ এতিয়ালৈকে যিবোৰ 'চাজেশ্যন্' দিছে, যিবোৰ বুজাইছে, তাতকৈ নতুন কিবা সহায় আগবঢ়াবলৈ আৰু একো নাই। অৰুন্ধতীৰ এতিয়া নিজে পঢ়া সময়।

দত্ত সঁচাকৈয়ে ওলাল। আবেলি তেতিয়া তিনি বাজিছিল। ছাতিটো তৰি লৈ ভৰিত ওৱাটাৰ প্ৰুফ্ যোৰ সোমাই লৈ পানীৰে চিপ চিপীয়া হোৱা ঘাঁহনিডৰাৰ ওপৰেদি ৰাস্তালৈ দত্ত আগবাঢ়িছিল। অৰুন্ধতীহঁতৰ ড্ৰয়িং ৰুমৰ বাৰান্দাত দত্তই যেতিয়া ভৰি দিলে, অৰুন্ধতীয়ে তেতিয়া ড্ৰয়িংৰুমতে বহি মুখেৰে কিবা গুণ গুণাই আছিল।

"এইয়া! দত্তদা আহিছে? আহক। সোমাই আহক না।"

"তুমি চাগৈ মনে মনে গালিয়েই পাৰি আছা।"

"কেলেই?"

"এই বতৰতো মানুহৰ ঘৰলৈ অহা বাবে।"

"আপোনাৰ কথাবোৰ যে! গালি পাৰিম কেলেই? এই বতৰত মানহ আহিলে ভালহে লাগে আৰু।"

"দিয়াচোন, তোমাৰো আবেগ অনুভূতিবোৰ যে মানুহৰ দৰেই।"

"মই মানুহ নহয় আৰু কি? ৰাক্ষসিনী? আৰু আপুনি কি?"

"কিনো মই?"

"আপুনি শিল। আপুনি কাঠ।"

"মই শিল আৰু কাঠ? কেনেকৈ?"

"নহ'লে কেলেই শুিলওলৈ যায় মোৰ ইমান আপত্তিৰ স্বত্বেও? আপোনাৰ কাৰণেই মই গুৱাহাটীলৈ নগ'লোঁ। অথচ আপুনি এতিয়া সময়ৰ মুৰকত কোন সতেৰে গুচি যায়? আৰু ৰাক্ষসিনী হলোঁ মই? আপুনি মানুহ, নহয়নে?" অলপ বৈ অৰুন্ধতীয়ে পুনৰ কলে, "যাওক। আমিনো কোন যে আমাৰ কথামতে নোযোৱাকৈ থাকিব।" অৰুন্ধতীৰ মাতত কেচুৱাৰ ঠেঁহ।

দত্তই অতি কোমলকৈ ক'লে, "তুমি ইমান খং কৰিছা কেলেই, অৰুন্ধতী? তোমাৰ কথা মতে নোযোৱাকৈ নাথাকিলোঁ যদিও, তোমাৰ কথামতেই উভতি আহিম নহয়। মই যে সঁচাকৈয়েই, তোমাৰ পৰীক্ষাৰ পিচতেই উভতি আহিম।"

অৰুন্ধতীৰ মুখখন উদ্ভাসিত হৈ উঠিল। অতি লনি মুৰত তেওঁ ক'লে, "সঁচাই কৈছে?" দত্তই ক'লে, "সঁচা।"

"মোৰ কথামতে আহিব ?"

"আৰুনো কাৰ কথামতে ?"

"শপত খাই কওক। বিদ্যা ?"

দত্তই উচ্চাৰণ কৰিলে, "বিদ্যা।"

"থেংক্ ইউ।" অৰুন্ধতী জঁপিয়াই উঠিল। "অকণমান বহক দেই, দত্ত দাদা।"

অৰুন্ধতী ভিতৰলৈ গ'ল। দত্তই অকলে অকলে হাঁহিলে। অকল-শৰীয়া অৱস্থাত দত্তই অৰুন্ধতীহঁতৰ ড্ৰয়িং ৰুমটোত এনেয়ে এবাৰ চকু ফুৰাই গ'ল। এঠাইত আঁৰি থোৱা আছে হাঁহি থকা অৱস্থাত নেহৰুৰ এখন ৰঙীণ ছবি। ওচৰৰে আন এখন ছবিত নেহৰু আৰু কেনেডীয়ে একেলগে খোজ কাঢ়ি গৈ আছে। সিখন বেৰত আঁৰি থোৱা আছে কৃষ্ণৰ এটি শিশু মূৰ্ত্তিৰ ছবি। তাৰ ওচৰত অৰুন্ধতী আৰু অঞ্জলিৰ সৰুতে লোৱা এখন ফ'টো। আনখন বেৰত অৰুন্ধতীয়ে এটি মণিপুৰী নৃত্যৰ ভঙ্গীত তোলা এখন ফ'টো। আৰু তাৰে ওচৰতে অঞ্জলিয়ে কোনো সঙ্গীত প্ৰতিযোগিতাত পুৰস্কাৰ পোৱাৰ এখন চাৰ্টিফিকেট বন্ধাই থোৱা। দত্ত হঠাৎ যেন অসন্তুষ্ট হৈ উঠিল। ড্ৰয়িং ৰুমটো সজোৱাৰ অন্তৰালত যি ৰুচি নিহিত আছে, তাৰ প্ৰতি এক পৰম বিতৃষ্ণাত তেওঁ দাঁত মুখ নিকটাই দিলে।

কিহত কেনেকৈ মেৰ খাই, কিহৰ জঞ্জালত কেনেদৰে সোমাই পৰি তেওঁ আৰব্ধ হ'ল এই মায়া—ব্যূহত। সেই মুহূৰ্ত্তত সেই ঘৰৰপৰা, সেই পৰিস্থিতিৰপৰা, আনকি সেই চহৰৰ পৰাও তেওঁ যেন নিষ্কৃতি বিচাৰিলে। টিহু কলেজে ইংৰাজীৰ অধ্যাপক বিচাৰি হাবাথুৰি খাইছিল। অৰবিন্দ চৌধুৰীয়ে তেওঁৰ পৰিচয়ৰ সুযোগ লৈ অন্ততঃ পৰীক্ষাৰ খবৰ ওলোৱালৈকে পৰীক্ষাৰ পিচৰপৰা এই তিনি মাহ তাত কাম কৰি কলেজখনক সহায় কৰিবলৈ দত্তক কৈ চাইছিল। দত্ত সম্মত হৈছিল ; কিন্তু মনে মনে তেওঁ এই প্ৰতিজ্ঞা কৰিছিল যে খবৰ ওলোৱাৰ লগে লগেই গুৱাহাটীলৈ তেওঁ উভতি যাব। কৰিবলগীয়া কাম তেওঁৰ বহুত আছে—সাহিত্য অধ্যয়ন, সাহিত্য চৰ্চ্চা, সাহিত্যৰ ওপৰত গৱেষণা। কেৱল অধ্যাপনাই তেওঁৰ জীৱনৰ উদ্দেশ্য নহয়। টিহু তেওঁ এৰিবই লাগিব। কিন্তু কতা ? ক'ত গ'ল তেওঁৰ সেই আকাঙ্ক্ষা, সেই স্বপ্ন ? এখনি অকণমানি গাৱঁলীয়া চহৰৰ এজনী সামান্য ছোৱালীৰ চকুৰ পতাত তেওঁ জানো কি দেখা পাই বৈ গ'ল তেনেদৰে ! তেওঁ বৈ গ'ল তেনেদৰে এই নেহৰু-কেনেডী,

শিশু কৃষ্ণৰ ছবিৰে সীমিত, মণিপুৰী নৃত্য-ভঙ্গী আৰু সঙ্গীত প্ৰতিযোগিতাত কৃত কাৰ্য্যতাৰ চাৰ্টিফিকেটৰ প্ৰদৰ্শনীৰ আত্মশ্লাঘাৰে অন্ধ এই অন্ধকাৰ কুঠৰীত। দত্তই আৰু তাত বহি থাকিবলৈ টান পালে। শ্ব, শ্বেক্‌ছ্‌পীয়েৰ্, ইব্‌চেন্, টলষ্টয় আৰু বহুতো মনীষীৰ এক ভ্ৰমৰ-গুঞ্জনৰ প্ৰতিধ্বনি দত্তৰ কাণত যেন সেই মুহূৰ্ত্ততে বাজি উঠিল। তেওঁ থিয় হ'ল। তেওঁ সেই ঘৰৰপৰা ওলাই আহিবলৈ উদ্যত হ'ল। কিন্তু তেনেতেই তেওঁৰ সমুখত ওলালহি অঞ্জলি। "অলপ বহক দেই। বাইদেউ ভিতৰ সোমাইছে। আপোনাক অকণ বহিবলৈ কৈছে।"

দত্তই ক'লে, "নাই, নাই। মোৰ এটি জৰুৰী কাম আছে। তোমাৰ মা ক'ত? মই আহিলোঁ বুলি কবা। অৰুন্ধতীকো কবা।" দত্ত ওলালেই। অৰুন্ধতী দৌৰি আহিল, "হেৰি, কলৈ যায়? মই চাহ কৰিবলৈ গৈছোঁ। মই নিজেই চাহ কৰিছোঁ। বহক দেই। কেতিয়াও যাব নোৱাৰে চাহ নোখোৱাকৈ।" কিন্তু দত্তক আৰু তেতিয়া কোনে ৰাখে? বাহিৰত বৰঘূৰ্ণ তেতিয়া টানকৈ দিছিল। বতাহে মাৰিছিল সোঁ সোঁকৈ। দত্তই ছাতিটো তৰি সেই ধুমুহাৰ মাজতে অদৃশ্য হৈ গ'ল।

কিন্তু তাৰ পিছ দিনাই দত্তৰ মনটো অনুশোচনাৰে ভৰি পৰিছিল। কিয় তেওঁ গুচি আহিল কালি তেনেদৰে? ধেৎ, কেনে যে পাগল তেওঁ। সংসাৰৰ সকলোবোৰ মানুহেই যদি শ্ব-শ্বেক্‌ছ্‌পীয়েৰক লৈয়েই ব্যস্ত থাকে, তেন্তে সংসাৰ জানো চলিব? প্ৰতি মানুহৰে মনৰ যেনেকৈ এখন স্বকীয় প্ৰদেশ, তেনেকৈ প্ৰতিখন পৰিয়ালৰে ভাব-অনুভূতিৰ একো একোখন নিজস্ব ভূমি। ইটো আদৰ্শৰ মানুহে সিটো আদৰ্শৰ মানুহক শ্ৰদ্ধা কৰিও নিজৰ আদৰ্শক অব্যাহত ৰাখিব পৰাত, ইখন পৰিয়ালৰ মানুহে সিখন পৰিয়ালৰ সেই স্বকীয় ভাব-অনুভূতিৰ সেই বিৰুদ্ধ ভূমিত সহজভাৱে সোমাব পৰা, আৰু সোমাই অপৰিবৰ্ত্তিতভাৱে ওলাই আহিব পৰাতহে মানুহৰ গৰিমা। দত্তই তেন্তে কিয় ঘিণ কৰিব অৰুন্ধতীহঁতৰ এই আদৰ্শক? অৰুন্ধতীহঁতৰ পৰিয়ালৰ এই সীমিত ভাব-অনুভূতিক? নাই, নাই, অৰুন্ধতীহঁতৰ পৰিয়ালখনক ঘিণ কৰিবলগীয়া একোৱেই নাই। টিছৰ মানুহে কয়, অৰবিন্দ চৌধুৰীৰ ঘৰখনৰ এটি 'এৰিষ্ট'ক্ৰেটিক্' ঢং আছে। অৰুন্ধতীহঁতৰ পৰিয়ালখন বৰ 'বিজাৰ্‌ড্'। তেওঁলোকৰ পৰিয়ালখন টিছৰ লগত খাপ নাখায়। নাই, নাই, এই কথাত কোনো সত্যতা নাই। দত্তই কৈ দিব, টিছখনক চিঞৰি চিঞৰি কৈ দিব, এই কথা সত্য নহয়। টিছৰ মানুহৰ যি ভাব-ভঙ্গী, যি 'কাল্‌চাৰ্,' অৰবিন্দ চৌধুৰীয়ে তেওঁৰ আদি জীৱনটো

বাহিৰতে কটাই অহা বাবে তেওঁৰ ভাব-ভঙ্গী, তেওঁৰ 'কাল্‌চাৰ্' তাৰ লগত নিমিলে মাথোন।

দত্ত উচ-পিচাই উঠিল। বাহিৰত তেতিয়া অন্ধকাৰ। স্কুলীয়া ছাত্ৰৰ খেল পথাৰখন ৰাতিৰ আন্ধাৰে আৱৰি ধৰিছে। সেই ডাঠ আন্ধাৰৰ মাজে মাজে কণ কণ জোনাকী পৰুৱাবোৰে সিহঁতৰ বুকুৰ ক্ষুদ্ৰ পোহৰকে মাথোন সম্বল কৰি লৈ ভমক ভমককৈ লক্ষ্যবিহীন ভাৱে ওপঙি ফুৰিছে। ধ্ৰুৱজ্যোতি দত্তৰ সেই আন্ধাৰত জোনাকী পৰুৱাবোৰৰ মাজে মাজে ঘূৰি ফুৰিবৰ মন গ'ল। কাপোৰ-কাণি ভালকৈ পিন্ধি লৈ, ভৰিত চেণ্ডেলযোৰ তেওঁ সুমুৱাই ললে আৰু সেই আন্ধাৰ খেল পৰাৰখনত অলপ সময়ৰ পিচতেই তেওঁ তহল দি ফুৰিবলৈ ধৰিলে। আন্ধাৰত অকলে অকলে খোজ কাঢ়ি, যেনি তেনি উৰি ফুৰা জোনাকী পৰুৱাৰ বকুৰ কণ কণ পোহৰবোৰ খেদি খেদি, দত্তৰ যে সেই নিশা কেনে এক ৰহস্যময় অনুভূতি হ'ল। তেওঁৰ হঠাৎ নিজকে বৰ নিঃস্ব যেন অনুমান হ'ল। তেওঁ যেন অতি দীন, অতি হীন। ক্ষুদ্ৰ হ'লেও নিজৰ বুকুৰ পোহৰেৰে আন্ধাৰত উৰি ফুৰিব পৰা এই জোনাকী পৰুৱাবোৰতকৈয়ো তেওঁ যেন দৰিদ্ৰ। এই অনুভূতিটো তেওঁৰ মনত যিমানেই খেলিবলৈ ধৰিলে, সমানেই তেওঁৰ ভাব হ'ল, তেওঁক আশ্ৰয় লাগে, তেওঁক কাৰোবাৰ সহায় লাগে এই জীৱনত। তেওঁ জোনাকী পৰুৱা নহয়; অথচ তেওঁৰ জীৱনৰ চৰম কাৰুণ্য এয়েই যে তেওঁৰ জীৱনৰ ক্ষেত্ৰও এই জোনাকীবোৰৰ এই বিচৰণ ক্ষেত্ৰৰ দৰে দুৰ্ঘোৰ তিমিৰাচ্ছন্ন। লগে লগেই দত্তৰ খোজ খৰ হ'ল। কেতিয়ানো তেওঁ খেল পথাৰখন এৰি ৰাস্তাত ভৰি দিলে, আৰু ৰাস্তা অতিক্ৰম কৰি অৰুন্ধতীহঁতৰ বাৰান্দাত উঠিল গৈ, তেওঁ যেন গমকেই নাপালে।

অৰুন্ধতীৰ কি অভিমান! তেওঁৰ মুখত হাঁহি নাই। মাথোন প্ৰশ্ন আছে, "কেলেই আহিল?"

দত্তই হাঁহিলে। "চাহ খাবলৈ। তুমি কৰা চাহ খাবলৈ।"

"মোক চাহ দোকানৰ 'বয়', পাইছেনেকি যে আপুনি যেতিয়াই চাহ বিচাৰিব তেতিয়াই মই আপোনাক চাহ কৰি দিম? এইখন জানো চাহ-দোকান?"

"নহয় বুলিয়েইতো তুমি কৰা চাহ খাবলৈ আহিছোঁ। চাহ দোকানলৈ কোনোবা জানো কোনো নিৰ্দিষ্ট মানুহে কৰা চাহ খাবলৈ যায় কেতিয়াবা?"

অৰুন্ধতী নিমাত। টেবুলত দুইখন হাতেৰে ভিৰ দি তেওঁ তলমুৰা হৈ ৰৈ থাকিল। দত্ত চোফাখনতে বহি লৈছিল। তেওঁ উঠি আহি

অৰুন্ধতীৰ কাষ পালে। অৰুন্ধতীৰ থুঁতৰিটো তেওঁৰ আঙুলিৰে অলপ দাঙি দি কলে, "তলমুৰা হৈ আছা যে? চাওঁ মুখখন।" অৰুন্ধতীয়ে কিন্তু এইবাৰ দত্তৰ পিনে পাচহে দিলে। দত্তই অৰুন্ধতীৰ সমুখৰ পিনে গ'ল আৰু অৰুন্ধতীৰ চকুলৈ চালে। চকুৱে চকুৱে পৰাত অৰুন্ধতীয়ে হাঁহিলে। অৰুন্ধতীয়ে কৈ উঠিল, "যাওক, ইমান দুষ্ট আপুনি।" অৰুন্ধতী গৈ এখন চোফাৰ ওচৰৰ এটি মূ'ৰাতে বহি ললে। দত্ত চোফাখনতে বহিল। দত্তই কলে, "বেয়া পাইছা?" অৰুন্ধতীৰ মুখত মাথোন হাঁহি। তেওঁ কলে, "ভিতৰলৈ আহক।" অৰুন্ধতীৰ পিচে পিচে দত্ত ভিতৰলৈ গৈ অৰুন্ধতীৰ পঢ়া কোঠা পালেগৈ আৰু তাতে বহি ললে। বহি লৈ দত্তই তেওঁৰ হাতখন অৰুন্ধতীৰ সমুখলৈ আগবঢ়াই দিলে আৰু কলে "দিয়া।"

অৰুন্ধতীয়ে সন্দেহে সুধিলে, "কি?" দত্তই তেওঁৰ চকুৰে অৰুন্ধতীৰ হাতখনলৈ ইঙ্গিত দি কলে, "সেইখন।" অৰুন্ধতীয়ে হাতখন আগবঢ়াই নিদিলে। দত্তই তেওঁৰ হাতখন আৰু অলপ আগবঢ়াই দিলে অৰুন্ধতীৰ হাতখনৰ ওচৰলৈ। অৰুন্ধতীয়ে তেওঁৰ হাতখন পিছুৱাই নিনিলে। এইবাৰ ধ্ৰুৱজ্যোতি দত্তই অৰুন্ধতীৰ হাতখনত ধৰি পেলালে। অৰুন্ধতীয়ে হাতখন পিছুৱাই নিনিলে। তেওঁ আপত্তি নকৰিলে। দত্তই কিছু সময় হাতখন ধৰি থাকিল। লাহে লাহে তেওঁ তেওঁৰ হাতৰ আঙুলিবোৰ অৰুন্ধতীৰ কোমল হাতদুখনৰ বিভিন্ন অংশত বুলাই দিলে। সমগ্ৰ শৰীৰতে কিহৰ যেন এটি শিহৰণ অনুভৱ কৰিলে দত্তই। অৰুন্ধতী নিশ্চল হৈ বহি থাকিল। দত্তই লাহে লাহে তেওঁৰ দুয়োখন হাতৰ মাজত অৰুন্ধতীৰ হাতখন সুমুৱাই ললে আৰু ধীৰে ধীৰে অৰুন্ধতীৰ হাতখন দত্তৰ মুখৰ ওচৰলৈ উঠাই আনিলে। অৱশেষত অৰুন্ধতীৰ বগা হাতখনত দত্তই আল-ফুলকৈ চুমা খাই দিলে। তাৰ পিচতেই তেওঁ অৰুন্ধতীৰ চকুৰ পিনে চালে। অৰুন্ধতীৰ মুখত হাঁহি নাই। কিবা এক অভূতপূৰ্ব অভিজ্ঞতাৰ দুৰ্ব্বাৰ গ্ৰাসত নিজকে এৰি দি তেওঁ যেন মূক হৈ বহি ৰৈছে।

লাহে লাহে ধ্ৰুৱজ্যোতি দত্তৰ শ্বাস চুটি হৈ আহিল। তেওঁৰ বুকুৰ স্পন্দন খৰ হ'ল। কেতিয়ানো অকস্মাৎ তেওঁ অৰুন্ধতীক টানি আনি দুই বাহুৰে নিজৰ বুকুত সুমুৱাই লৈ নিজৰ মুখখন অৰুন্ধতীৰ মুখত হেঁচি ধৰি দীঘলীয়া চুমা এটা খাই দিলে কবই নোৱাৰিলে। চুমাটো খোৱা হোৱাৰ পিচত অলপ লৰ-চৰ কৰি অৰুন্ধতী যেতিয়া দত্তৰ বুকুৰ মাজৰপৰা ওলাই গ'ল, তেতিয়াহে যেন তেওঁ চেতনা ঘুৰাই পালে।

ধ্ৰুৱজ্যোতি দত্তই স্বাভাৱিক অৱস্থা ঘুৰাই পোৱাৰ লগে লগেই দেখা পালে,

অৰুন্ধতীৰ মুখখন লাজত ৰঙা চিঙা পৰিছে। চুলিবোৰ তেওঁৰ বিশৃঙখল হৈ যেনি তেনি ওলমি পৰিছে। অৰুন্ধতীয়ে যেন কান্দিবৰ উপক্ৰম কৰিছে। অৰুন্ধতীৰ অৱস্থা দেখি দত্তৰ ভয় হৈছিল। শান্বনা দিবলৈ তেওঁ কোনো উপায়কে বিচাৰি নাপাইছিল। হতবুদ্ধি হৈ দত্তই অৰুন্ধতীৰ চুলিবোৰ দুই হাতেৰে ঠিক কৰি দিছিল। অলপ পিচত অৰুন্ধতী সংযত হৈ উঠিছিল। দত্তৰ চকুৰ পিনে তেওঁ চাব নোৱাৰিছিল। অন্য এটি দিশলৈ চাই চাই তেওঁ কৈছিল, "আপুনি অলপ বহক। মই চাহ লৈ আহোঁ। মই আহি পাওঁমানে আপুনি 'চেকেণ্ড কামিং' কবিতাটোৰ ওপৰত এটা 'নোট' মোক লিখি দিব পাৰে।" কৈয়েই অৰুন্ধতী ওলাই গৈছিল।

দত্তই অৰুন্ধতীক নোট লিখি দিব নোৱাৰিছিল সেই দিনা গধূলি। অৰুন্ধতীৰ কিতাপ-বহীবোৰ লিৰিকি বিদাৰি থাকি তেওঁৰ ভাল লাগিছিল। গালে মুখে ওলমি পৰা অসংযত চুলিবোৰেৰে কন্দনামুৱা অৰুন্ধতীৰ সেই মুখখন ঘনে ঘনে তেওঁৰ মনত পৰিছিল। যিমানেই তেওঁৰ সেই মুখখন মনত পৰিছিল, সিমানেই তেওঁৰ অৰুন্ধতীক আৰু বেছি আপোন লাগিছিল।

অৰুন্ধতী চাহ লৈ আহিছিল। দত্তই খাইছিল। মাজতে দত্তই কৈছিল, "তুমিও খোৱা।" অৰুন্ধতীয়ে সুধিছিল, "ক'ত?" দত্তই সেই কথাৰ উত্তৰ বিচাৰি নাপাইছিল। তেওঁ কৈছিল, "এৰা, কাপতো মাথোন এটাহে।" অৰুন্ধতীৰ সেই গধূলি কথাৰ শেষ নাছিল। "জানে, আপোনাৰ কলেজৰ ছোৱালীবোৰে কয়, আপুনি বোলে ক্লাচত ম'ৰিলেও 'নোট' নিদিয়ে। অথচ মোৰ বাবে ঘণ্টাৰ পিচত ঘণ্টা বহি 'নোট' লিখিব পাৰে। আৰু জানে, সিহঁতে কয়, আপুনি হেনো সিহঁতৰ আগত বৰ নীৰস হৈ দেখুৱায়। অথচ মোৰ আগত আপুনি হেনো একেবাৰে 'মানস সৰোবৰ।' সিহঁতে মোক বৰকৈ জোকায়, জানে?"

সময়ৰ গাত সেই গধূলি পাখি গজিছিল। দত্ত আচৰিত হৈছিল যেতিয়া ঘড়ী চাই তেওঁ দেখিলে, তিনি ঘণ্টা সময় পাৰ হৈ গ'ল। তেওঁ যাবলৈ বুলি থিয় হৈ ক'লে, "জীৱনত এটা ৰেকৰ্ড স্থাপন কৰিলোঁ, জানা অৰুন্ধতী? কোনো ছোৱালীৰ কাষত বহি আজিৰ দৰে তিনি ঘণ্টা সময় কেতিয়াও কটোৱা নাছিলোঁ। যাৰ সময়ৰ প্ৰতিটো চেকেণ্ডৰ গাতে গধুৰ লোৰ দগা লগোৱা থাকে, তাৰ সময়ৰ গাতো আজি পাখি গজিল।" অৰুন্ধতীয়ে এটি দীঘলীয়া নিশ্বাস এৰি দি গম্ভীৰ ভাৱে কৈছিল, "তাৰ বাবে যদি কাৰোবাৰ কিবা গৌৰব কৰিবলগীয়া থাকিল্ব, তেন্তে সেই গৌৰব মোৰ।"

তাৰ পিচত নিৰ্দ্দিষ্ট দিনটোতেই দত্ত শ্বিলঙলৈ গৈছিল গৈ। আগদিনা অৰুন্ধতীক মাত দিবলৈ যোৱাৰ কথাটো দত্তৰ স্পষ্ট মনত আছে। অৰুন্ধতীৰ পঢ়া কোঠাৰ সেই টেবুল লাইটৰ পোহৰত সেইদিনা অৰুন্ধতী আৰু যেন বেচি অপৰূপা হৈ উঠিছিল। সিহঁতৰ ৰং ৰহইচৰ কথাবোৰ লাহে লাহে শেষ হৈ গৈছিল। অৰুন্ধতী নীৰৱ হৈ পৰিছিল। দত্তই একোকে কবলৈ নাপাইছিল। হঠাৎ তেওঁৰ মুখৰ পৰা ওলাই পৰিছিল, "কাইলৈৰ গধূলিৰ এনেকুৱা সময়টো কিমান যে বেলেগ হ'ব আজিতকৈ।" অৰুন্ধতীয়ে কৈছিল, "আপুনি চাগৈ কিমান উপভোগ কৰিব কাইলৈৰ শ্বিলঙৰ গধূলিটো। কাইলৈ শ্বিলঙৰ সেই নিকা গধূলি ৱাৰ্ড্ লেকৰ পাৰত বহি বহি যি তৃপ্তি পাব, তাৰ মাজত হয়তো টিছুৰ আজিৰ এই গৰম লেতেৰা আবেলিটোৰ কথা পাহৰিয়েই যাব।" অৰুন্ধতীৰ কথাই দত্তৰ মন আবেগেৰে ওপোচাই দিছিল। দত্তই বহু কথা কওঁ বুলিও একোকে কব নোৱাৰিছিল। তেওঁৰ মুখৰপৰা মাথোন ওলাইছিল, "এই টিছু, এই গধূলি, আৰু এই---।" তাৰ পিচত দত্ত ৰৈ গৈছিল। খন্তেক পিচতে তেওঁৰ পুনৰ কথাৰ সুৰ অলপ সলনি কৰি কৈছিল, "এইবোৰ আৰু কেতিয়াবা পাহৰিব পাৰিম বুলি ভাবিছা নেকি মোৰ জীৱনত?" অৰুন্ধতীয়ে এটি শেঁতা হাঁহি মাৰিছিল। এটি হুমুনিয়াহ কাঢ়ি তেওঁ কৈছিল, "থাকিবনে মনত!"

দত্তৰ সঁচাকৈয়ে মনত পৰিছিল। পাইনৰ তলে তলে, বিচপ্ আৰু বিডন্ জলপ্ৰপাতৰ অবিৰাম জিৰ্ জিৰ্ শব্দটোৰ লগে লগে, গল্ফ্ লিঙ্কৰ সুবিস্তৃত সেউজীয়া ঘাঁহনিৰ ওপৰে ওপৰে মনত পৰিছিল এখনি মুখ, অৰুন্ধতী চৌধুৰীৰ মুখ। কিন্তু আচৰিত। শ্বিলঙৰ সেই চিৰ সেউজীয়া সৌন্দৰ্য্যৰ মাজতো বকু ৰঙা কৰিব পৰা কাঁইটৰ আঁচোৰ আছে।

শ্বিলঙৰ সম্পৰ্কীয় পেহীয়েক এঘৰৰ ঘৰত আছিল গৈ ধ্ৰুৱজ্যোতি দত্ত। পেহীয়েকহঁতৰ নবৌৱেকজনীয়ে তেওঁৰ সকলো যতন লৈছিল, সেই কেইদিন। নবৌৱেকে প্ৰায়ে তেওঁৰ বিয়াখন পতাৰ কথা কৈ তামচা কৰিছিল তেওঁৰ সৈতে। এদিন এনে এটি কথাৰ মাজতেই, দত্তই নবৌৱেকক কৈছিল, "কেলেই, তোমালোকৰ বাপধন দাদাৰ বিয়াখনকেই নাপাতা কিয় আগেয়ে? ডাক্টৰবোৰৰেই যদি বিয়া নহয়, আমি প্ৰফেচৰ-বোৰৰ বিয়া হ'বনে আৰু? এয়াতো ডাক্টৰবোৰৰ দিন, এঞ্জিনিয়াৰবোৰৰ দিন।" পুতেকৰ বিয়াৰ কথা ওলোৱা শুনি পেহীয়েকে বেচ আমোদ পাইছিল হবলা সিটো কোঠাত। তেওঁ তত্তালিকে দত্ত আৰু নবৌৱেক থকা কোঠাটোলৈ আহি মাত লগাইছিল, "ধ্ৰুৱ বোপা, আমাৰ বাপধনৰ

বিয়াৰ কথা উলিয়াইছা? এবাতোন, আমিও বিয়াখন পাতোঁ পাতোঁ কৈয়েই আছো। পিছে দৰাৰহে দেখোন কাণষাৰ নাই। তুমি উভতি যাওঁতে গুৱাহাটীত তাক কৈ যাবাচোন।"

"আপোনালোকেওতো ছোৱালী-তোৱালী চোৱা মিলা কৰা নাই হ'বলা। ছোৱালী দুজনীমান চাই সবিশেষ জনাই তেওঁলৈ লিখি পঠিয়াওক-চোন। তেওঁ তেওঁৰ মতামত জনাই দিব নহয়।" দত্তৰ মুখত হাঁহি।

"এঃ, বোপা। আজি কালিৰ ল'ৰাৰ বাবেও আৰু মাক দেউতাকে ছোৱালী চালে হ'বনে? ল'ৰাই বা আকৌ কাক, ক'ত ঠিক কৰি থৈ দিছে।"

"কেলেই, কিবা কৈছেনেকি তেওঁ সেই বিষয়ে আপোনালোকক?" কোনো কৌতূহলত এই প্ৰশ্ন দত্তই সোধা নাছিল। তেওঁ মাথোন বুঢ়ী পেহীয়েকৰ ৰং চাবলৈকেই সুধিছিল। কিন্তু তাৰ উত্তৰত পেহীয়েকে যি ক'লে, তাৰ প্ৰতিটো শব্দই যেন দত্তৰ স্নায়ুত তড়িৎ বেগে প্ৰবাহিত হৈ তেওঁক এক তীব্ৰ বৈদ্যুতিক আঘাত হানিলে। "ঠিক কৰা হিচাপে অৱশ্যে কাকো ঠিক কৰা নাই। কিন্তু তুমিতো জানাই নিশ্চয়; তোমা-লোকৰ টিহুতে থাকে নহয় আজি কালি। অৰবিন্দ চৌধুৰীৰ ছোৱালী অৰুন্ধতী। তেওঁৰ গুৱাহাটীৰ কলেজত পঢ়োঁতে আমাৰ বোপাৰ লগত বোলে বৰ মিল আছিল। গধূলি আমাৰ বোপাৰ আজৰি সময়খিনিত দুয়ো বোলে সদায় সদায় একে লগে ফুৰিছিল। সঁচা মিছা নাজানোঁ, বোপা। এই শ্বিলঙত বহিয়েই সকলো কথা শুনি থাকোঁ। সেই যে অৱনি ডাক্তৰৰ ঘৈণীয়েক, ঘোৰপুখুৰীৰ পাৰত থাকে, তাই মোৰ সম্পৰ্কীয় বোৱাৰী হয় নহয়। তাইৰ মুখেই শুনি থাকোঁ সকলো কথা। আমাৰ বোপাই হেনো তাইৰ আগত সকলো কথা খুলি কয়। নবৌয়েৰ হয় নহয়, বোপা। অৰুন্ধতীক বিয়া কৰাব বুলি সি বোলে তাইৰ আগত কৈছেই। এদিন বোলে থিয়েটাৰ চাবলৈ যোৱাও দেখিছে দুয়োকে।"

পেহীয়েকৰ সকলোখিনি কথা শেহলৈ শুনি থকাৰ দত্তৰ আৰু ধৈৰ্য্য নাছিল। পেহীয়েকৰ কথাৰ উত্তৰত তেওঁৰ মুখেৰে কি ওলাইছিল, তাকো তেওঁ নিজেই ভালকৈ কব নোৱাৰে। সমগ্ৰ ঘৰখন যেন ধ্ৰুৱজ্যোতিৰ বাবে সেইদিনা হঠাৎ বায়ুশূন্য হৈ পৰিছিল। মে'মহীয়া শ্বিলঙৰ নাতিশী-তোষ্ণ পৰিবেশত সেইদিনা দত্তৰ সমগ্ৰ দেহ ঘৰ্ম্মাক্ত হৈ পৰিছিল। অকণমান শীতল বতাহ বিচাৰি ধ্ৰুৱজ্যোতি দত্তই সেইদিনা শ্বিলঙৰ বাটে বাটে বলিয়াৰ দৰে ঘূৰি ফুৰিছিল। সেইখন ঘৰৰ ভিতৰত সেইদিনাৰ নিশাটো

কটাই দি তেওঁ যেন নাৰকীয় শাস্তি ভোগ কৰিছিল। দত্তৰ ভাব হৈছিল, সেইখন ঘৰৰ প্ৰতিডোখৰ টিঙে-কাঠে-লোই যেন অৰুন্ধতীক বোৱাৰী হিচাপে আদৰি আনিবলৈ প্ৰস্তুত হৈ আছে। ঘৰখনৰ বেৰে-চালে দুৱাৰে-খিৰিকীয়ে দত্তক যেন ইমান দিনে তেওঁৰ অজ্ঞতাৰ আৰু দুৰাশাৰ বাবে ইতিকিং কৰি আছিল। উঃ! দত্তই যে কেনেকৈ নুবুজা কৈ আছিল ইহঁতৰ এই অস্ফুট বিদ্ৰূপ।

শ্বিলঙৰ লাবানৰ এই বগা ধুনীয়া চাংৰঙলাটো অৰুন্ধতীৰ কোমল হাতৰ পৰশত আৰু হয়তো বেচি ধুনীয়া, বেচি পৰিপাটি হৈ উঠিব। এই সুন্দৰ ঘৰটোৰ সুসজ্জিত ড্ৰয়িং ৰুমটো অৰুন্ধতীৰ নিমজ হাতৰ পৰশত আৰু বেচি সুসজ্জিত হৈ উঠিব। এই ঘৰটোৰ খালী হৈ থকা, এই কে'দিনৰ বাবে ধ্ৰুৱজ্যোতি দত্তক থাকিবলৈ দিয়া, এই শোৱনি কোঠাটো হয়তো অতি সোনকালেই এনে এটি নিশা দুটি যৌৱন-মদিৰ স্ত্ৰী-পুৰুষৰ জীৱনৰ অভিষেক উৎসৱেৰে ৰজন জনাই যাব। সিহঁতৰ নীল স্বপ্নৰ ছায়া-প্ৰতিচ্ছায়াবোৰ, সিহঁতৰ আনন্দ উল্লাসৰ ধ্বনি-প্ৰতিধ্বনিবোৰ, এই ঘৰৰ এই বেৰে-চালে খুন্দা খাই সমগ্ৰ শ্বিলঙতে ওপঙি ফুৰিব গৈ। সিহঁতে হাঁহিব, সিহঁতে নাচিব। বিলাস-উন্মাদনাত সিহঁতে পাহৰি যাব, এই পৃথিৱীৰে এই দিগন্ততে কতই কতনা নিশা উজাগৰে কটালে, কতই কতনা জীৱন সপোনৰ বোলেৰে বোলাওঁ বুলিও দুই হাতে মেহাৰি পেলাবলৈ বাধ্য হ'ল।

পিচ দিনা পুৱা দত্ত আকস্মিকভাৱে যাবলৈ ওলোৱাত ঘৰখনৰ সকলোৰে আচৰিত হৈছিল। ঘৰখনৰ কোনেও তেওঁক আহিবলৈ নিদিব খুজিছিল। ইমান দিন থাকোঁ বুলি আহি এই কেইদিনতেই মাথোন যাবলৈ ওলোৱাৰ কাৰণ কি নবৌৱেক, পেহীয়েক, সকলোৱে তেওঁক আগুৰি ধৰি সুধিছিল। দত্তই তেওঁলোকৰ কথাৰ কোনো পোনপটীয়া উত্তৰ নিদিছিল। দত্ত গুচি আহিছিল।

ৰাতি এঘাৰ বজাৰ লগে লগেই অধ্যাপক দত্তই ট্ৰেইনৰপৰা নামি টিহুৰ মাটিত ভৰি দিছিল। সৰু চহৰ টিহু ৰাতি এঘাৰ বজাত নিতাল মাৰি শুইছিল। এনে এটি নিৰ্জন নিশা ৰাস্তাত অকলে অকলে খোজ কাঢ়ি দত্তৰ কিমান ভাল লাগিলহেঁতেন। কিন্তু সেই নিশা দত্তৰ অকণো ভাল লগা নাছিল। এক নিশাৰ ভিতৰতে সমগ্ৰ পৃথিৱীখনেই যেন তেওঁৰ বিৰুদ্ধে এক গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈ পৰিছে, তেওঁৰ প্ৰতি বিৰূপ হৈ উঠিছে। টিহুৰ ৰাস্তাৰ দুই কাষৰ প্ৰতিটো ঘৰ, প্ৰতি ডাল গছেই যেন তেওঁক উপলুঙা কৰিছে।

ডাকঘৰৰ সমুখ পোৱা লগে লগে তেওঁ চটফটাবলৈ ধৰিলে। পশ্চিম পিনলৈ যোৱা বাটটোৰ পিনে তেওঁ পিঠি দি আগুৱাই যাবলৈ ধৰিলে। কিন্তু সেই বাটটো পোৱাৰ লগে লগেই তেওঁৰ চক ঘৰি গ'ল। তেওঁৰ চকুত পৰিল, অৰুন্ধতীহঁতৰ নতুনকৈ সজা 'অসম টাইপ' ঘৰটো তেতিয়া টোপনিত লালকাল। সমুখতে নিস্পন্দ, নিশব্দ হৈ থিয় হৈ আছে অৰুন্ধতীহঁতৰ তালগছ দুডালি। আৰু তাৰে ওচৰতে একেদৰে থিয় হৈ আছে নাহৰডালি। হঠাৎ ধ্রুবজ্যোতি দত্তৰ নাহৰজপিৰ পৰা উটি অহা গোন্ধটি নাকত লাগে বুলি বৰ ভয় লাগিল। অৰুন্ধতীৰ স্মৃতি, অৰুন্ধতীৰ সান্নিধ্য এইবোৰৰ লগত যে জড়িত হৈ আছে এই নাহৰৰ বসন্ত-সুবাসবোৰ। দত্তই বেগাই পাৰহৈ যাবলৈ খুজিলে। কিন্তু পনৰ কিয় জানো নাহৰফলৰ গোন্ধটো এবাৰ তেওঁ পাবলৈ বিচাৰিলে। অৰুন্ধতীৰ সৈতে একে লগে তেওঁলোকৰ ড্ৰয়িংৰুমত, তেওঁৰ পঢ়া কোঠাত বহি বহি কেনেকৈযে উপভোগ কৰিছিল এই নাহৰৰ সুবাসটো। আছে জানো সেই সুবাস এতিয়াও? দত্ত কেইখোজমান পিছুৱাই আহিল আৰু নাহৰজুপিৰ পিনে মুখ কৰি এটি দীঘল।য়া উশাহ টানিলে। নাই, নাই। একো নাই। বসন্ত বিদায়ৰ লগে লগে এই নাহৰজপিৰ বকৰ সুবাসো শেষ হৈ গ'ল। চব শেষ হৈ গ'ল। দত্ত আগবাঢ়িল।

পিচ দিনা ধ্রুবজ্যোতি দত্তই তেওঁৰ সৰু ঘৰটোৰ বাহিৰলৈ একেবাৰে নোলাল। বাৰিষাৰ ঘন বৰষুণ বোৰ সেইদিনা ধাৰাসাৰে নামি আহিছিল। দত্তৰ আগফাল-পিচফালৰ সেউজীয়া ঘাঁহনি ৰূপালী পানীত বুৰ গৈছিল। বতাহ আৰু বৰষুণৰ সোঁ সোঁ শব্দটো মাথোন চতুৰ্দ্দিশে শুনা গৈছিল। আবেলিলৈ বৰষুণ এৰিছিল। তথাপি আকাশ নিৰ্ম্মল হোৱা নাছিল। পৃথিবী আন্ধাৰ হৈ আছিল। অবিৰাম বৰ্ষণৰ সোঁ সোঁ শব্দটো তেতিয়া নাছিল। কিন্তু তাৰ ঠাইত এটি জিলী পোকে একেটা সুৰতে জি জিঁকৈ চিঞৰি থাকি দত্তক বিব্ৰত কৰি তুলিছিল। বৰষুণ এৰিলত কণমান বাহিৰৰ বতাহ, বাহিৰৰ পোহৰৰ বাবে তেওঁ দুৱাৰখন খুলি দিছিল, পিচ পিনৰ। কিন্তু জিলীৰ সেই জিঁ জিঁয়নী তেওঁৰ কাণত লগে লগে আৰু তীব্ৰতৰ হৈহে বাজি উঠিছিল। দত্তই পুনৰ দুৱাৰখন বন্ধ কৰি দিছিল। তেওঁ বিছনাতে পৰি থাকিবলৈ বিচাৰিছিল। কিন্তু তথাপি এই ৰিং ৰিঙীয়া সুৰটো একেধৰণেই কাণত বাজি থাকে। দত্তৰ অসহ্য লাগে। তেওঁ আৰু বেচি বিব্ৰত হৈ উঠে। তেওঁ কোঠাটোৰ ভিতৰতে ঘূৰি ফুৰে। হঠাৎ তেওঁৰ এই পোকটো বিচাৰি উলিয়াই মাৰি পেলাবৰ মন গ'ল।

দত্তক শান্তি লাগে। দত্তৰ মনে নির্জ্জনতা বিচাৰিছে। পোকটো তেওঁ মাৰি পেলাব। তেওঁ শব্দটো সমুখৰ পিনৰপৰা নে পিচফালৰপৰা আহিছে অনুমান কৰিলে। তেওঁ বুজিলে, এয়া পিচ ফালৰ পৰা অহা শব্দ। তেওঁ পিচফালৰ দুৱাৰখন খুলি দিলে। কিন্তু লগে লগেই দেখিলে, শব্দটো যেন ঠিক পিচফালৰ পৰা অহা নাই। তেওঁৰ অনুমান হ'ল, শব্দটো তেওঁৰ কোঠাৰ ভিতৰতে হৈছে। তেওঁ পুনৰ ভিতৰ সোমাই আহিল। কিন্তু কতা? শব্দটোতো ইয়াত নহয়। তেওঁ সমুখৰ ফালৰ দুৱাৰ খনৰ ওচৰ পালে। কিন্তু সেইখন খুলি দিয়াৰ আগতেই দেখিলে, শব্দটো তেওঁৰ নিজৰ কাণৰ পৰাইহে ওলাইছে। আচৰিত! দত্তই দুই হাতেৰে কাণত হেঁচা মাৰি ধৰাৰ কথা ভাবিলে। নাই। শব্দটো তেওঁৰ বুকুতহে বাজিবলৈ ধৰিছে। দত্তৰ অসহ্য লাগিল। তেওঁৰ বুকুত যেন এই ছেদ ভেদ নোহোৱা একস্বৰী শব্দটো তেতিয়া আৰু বেছি তীব্ৰ হৈ বাজিবলৈ ধৰিছে। তেওঁ নিৰুপায় হ'ল। তেওঁ বিছনাত উবুৰি খাই পৰি শুই ললে।

শ্বিলঙৰপৰা অহা তিনিদিন হৈ গ'ল। দত্ত তথাপি ঘৰৰপৰা ওলোৱা নাই। সেইদিনা বৰষুণ নাই। ৰাওলী ৰ'দেৰে দত্তৰ সমুখৰ খেল পথাৰখন ভৰি গৈছে। দত্তৰ মনটোৰ গধুৰ ভাবটো বৰষুণ যোৱাৰ লগে লগেই পাতলি পৰিছে। কিন্তু ৰ'দজাক যিমানেই উঠি আহিল, তেওঁৰ অন্তৰৰ শূন্যতাও সিমানেই যেন বেচি হৈ আহিল। মনৰ অস্থিৰতা ক্ৰমে ক্ৰমে বাঢ়ি আহিল। তেওঁ আলমাৰীটো খুলি গেটেৰ 'চাফাৰিংচ্ অৱ্ ইয়ং ৱার্থাৰ্'খন উলিয়াই ললে: Was it necessary, I wonder, that that which makes the happiness of a man should also become the source of his misery ?

The warm rich feeling of my heart for living nature, which flooded me with so much rapture, which turned the world around me into a Paradise, is now becoming an unendurable tormentor to me, a torturing spirit that sues me on all my ways......

দত্তৰ মেলা কিতাপ মেলা হৈয়েই ৰ'ল। তেওঁৰ কোঠালৈ অপ্ৰত্যাশিত-ভাৱে সোমাই আহিল অৰুন্ধতীহঁতৰ ভাইটি। সোমাই আহিয়েই তেওঁ দত্তৰ হাতত চিঠিখন দিলে আৰু ক'লে, "দত্তদা, আপোনাক বাইদেৱে আজিয়েই যাবলৈ কৈছে। শ্বিলঙৰপৰা আপুনি যোৱে কোনোবা দিনাই

আহিল। আমাৰ তালৈ এতিয়াও যোৱা নাই কেলেই? বাইদেৱে আপোনাক বেয়া পাইছে।" ভাইটি ওলাই দৌৰ মাৰিলে। দত্তই চিঠিখন খুলি চালে, "দত্তদা, মই আচৰিত, জানে? আপুনি কোন কাহানিতে শ্বিলঙৰপৰা আহিল, আজিলৈকে আমাৰ ইয়ালৈ আহিবলৈ মনত নপৰিল। আপুনি মোক কিবা কথাত বেয়া পাইছে বুলি মোৰ বৰ ভয় হৈছে, জানে? আপুনি আজি গধূলি কিন্তু যেনে তেনে আহিব। মা-দেউতাহঁতে আপুনি শ্বিলঙৰপৰা আহিও আমাৰ ইয়ালৈ কিয় অহা নাই, মোক সুধি আছে, জানে? আজি নাহিলে চাব কিন্তু। আপোনাৰ—অৰুন্ধতী।"

গধূলি দত্ত গৈছিল।

"শ্বিলঙলৈ গৈ আমালৈ খুবেই মনত পৰিছিল, নহয়?" অৰুন্ধতীৰ চোকা প্ৰশ্ন।

"এৰা, ভবাতকৈও বহুত বেচিকৈ।" দত্তই নম্ৰ হাঁহি মাৰি কৈছিল।

"শ্বিলঙৰপৰা উভতি আহিবৰ চাৰি দিন হ'ল, ইয়াৰ ভিতৰত এদিন ইয়াত আহিবলৈ মনত নপৰিল, এয়েই তাৰ প্ৰমাণ?"

"মোৰ শ্বিলং যাত্ৰাৰ অৱতৰণীতেইহে মই তোমাক সেই আশ্বাস দিছিলোঁ, নহয় জানো?"

"আৰম্ভণাতে নিদি আৰু শেষত দিলেনেকি কেতিয়াবা? শেষত দিবলৈ ইয়ালৈ আহিলে জানো কেনোবা দিনা?"

"এৰা, আৰম্ভণাতেইহে কৈছিলোঁ, শ্বিলঙলৈ গৈ মোৰ তোমালৈ মনত পৰিব বৰকৈ। কিন্তু টি. এছ্. এলিয়টৰ কবিতাত আছে নহয়, but our beginning never knows our end, কিন্তু আমাৰ আৰম্ভণীয়ে কেতিয়াও সামৰণিৰ কথা ক'ব নোৱাৰে।"

"মই সেইবোৰ কি বুজোঁ আপোনাৰ এলিয়ট্, ফেলিয়ট্। মই মাথোন বুজিছোঁ, আপুনি কথা দি কথা নাৰাখে।"

অৰুন্ধতীয়ে এনেদৰে কিমাননো আৰু আগুৱাই গৈ থাকিব, দত্তই তাকে ভাবিছিল। অৰুন্ধতীয়ে পুনৰ কৈছিল, "বাৰু থাওক। স্বেচ্ছাইতো নকয়েই, ময়েই সুধিছোঁ। শ্বিলঙত গৈ কি কৰিলে? মোৰ পৰীক্ষাৰ পিচত উভতি আহোঁতে দেখোন আগতেই আহি পালে?"

"কলোঁ নহয়, আমাৰ আৰম্ভণীয়ে কেতিয়াও সামৰণিৰ কথা কব নোৱাৰে। ভাবিছিলোঁ শ্বিলঙলৈ যাম। তাৰ শীতলতা, প্ৰকৃতিৰ সেউজীয়াবোৰৰ স'তে এক হৈ মিলি গ্ৰীষ্মটো কটাই আহিম। কিন্তু সেইবোৰ একোৱেই নহ'ল। গৈয়েই হাত পৰিল কাকিয়াদত, চকু পৰিল খাচীয়ানী

স্কওত। কি আৰু কৰিবা অদৃষ্টৰ বিৰুদ্ধে? কি আৰু কৰিবা? 'ড্রিংকিং বাৰ'ত মদ খালোঁ, 'প্ৰষ্টিটিউশ্যন'ত ৰাসলীলা খেলিলোঁ। তাৰ পিচত আমনি লাগিল। উভতি আহিলোঁ।"

"বৰ বঢ়িয়া শুনাইছে। লাজ নেলাগেনে কবলৈ?" অৰুন্ধতীৰ কথাৰ সুৰত মৃদু ভৎসনা।

"লাজ কিহৰ? কিছুমান মানুহ সংসাৰলৈ আহে সংসাৰ পাতিবলৈ। শান্তিৰ ঘৰ সাজিবলৈ। আন কিছুমান আহে মদ আৰু বেশ্যাৰ সংস্পৰ্শত জাগতিক সত্য উপলব্ধি কৰিবলৈ। মহাসমুদ্ৰৰ অৱক্ষয়মান উপকূলত থিয় হৈ সৃষ্টিতত্ত্ব হৃদয়ঙ্গম কৰিবলৈ।" দত্তৰ মাতত গম্ভীৰতা।

"সংসাৰ বাৰু কোনবোৰে কৰে?" অৰুন্ধতীৰ মুখত পাতল হাঁহি।

"নিজকে সোধা। মই মাথোন জানোঁ, মই নহয়। অন্ততঃ শ্বিলঙত গৈ মই তাকেই বুজি আহিলোঁ।"

"আই ঐ দেহি। দুদিনমান শ্বিলঙত থাকিয়েই ইমান পৰিবৰ্ত্তন। আৰু আপুনি কৈ যোৱা মতে গোটেই বন্ধটো শ্বিলঙত কটাই অহা হ'লে যে কি হৈ আহিলহেঁতেন।"

"কৈ যোৱা মতে গোটেই বন্ধটো শ্বিলঙত কটাই আহিব পৰা হ'লে কিজানি অকণো পৰিবৰ্ত্তন নঘটিলহেঁতেন, অৰুন্ধতী।"

"বাদ দিয়ক। আপুনি আজি বৰ কিবাটো হৈ আছে। আমিযে শ্বিলঙত আছিলোঁ—কেনে যে সুখৰ দিন আছিল, সেইবোৰ। 'ছামাৰ্' পৰিলেই বন্ধৰ দিনত আমি 'আপাৰ্' শ্বিলঙলৈ যাওঁ। বছৰত দুবাৰমানকৈ 'ফেমিলি পিক্‌নিক্' পাতি চেলা, চেৰাপুঞ্জী আদিলৈ যাওঁৱেই। সেইকিদিন ভোগ কৰিলোঁযে কিমান। শ্বিলঙৰ বৌমাছৰ কথা, শ্বিলঙৰ নাচপতিৰ কথা কি কব। শ্বিলংখনলৈ ইমান মনত পৰে, দত্তদা। অথচ আজি যে ক'ত পঁচি আছোঁহি।"

অৰুন্ধতীৰ কথাবোৰ শুনি শুনি দত্তৰ ভালেই লাগিছিল। তেওঁৰ ভাব হৈছিল: নাই, নাই, এইজনী অৰুন্ধতীৰ হানিয়ে তেওঁক কোনো পিনৰপৰা ক্ষতিগ্ৰস্ত কৰা নাই। সেই মুহূৰ্ত্তত তেওঁৰ নিজৰে বৰ সুখী যেন বোধ হ'ল। ডাঃ বাপধন দাদা, অৰুন্ধতী—এইবোৰ এখন বেলেগ পৃথিবীৰ মানুহ। এওঁলোকৰ পৃথিবী 'ছামাৰ আউটিঙ'ৰ পৃথিবী, এওঁলোকৰ পৃথিবী চেলা-চেৰাপুঞ্জীৰ 'পিক্‌নিক'ৰ পৃথিবী, এওঁলোকৰ পৃথিবী বৌমাছ-নাচপতিৰ পৃথিবী। ধ্রুবজ্যোতি দত্তৰ হঠাতে বৰ ঘৃণা উপজিল—এই মানুহবোৰলৈ। কেনে যে ঠেক পৰিধি এটাৰ ভিতৰত বাস কৰে এই

প্ৰাণীবোৰ। অৰুন্ধতীলৈ বৰ পুতৌ উপজিল সেই মুহূৰ্ত্তত দত্তৰ। হে ঈশ্বৰ, এই প্ৰাণীবোৰক ক্ষমা কৰা। কাৰণ সিহঁতে কি কৰিছে, তাক নিজেই নাজানে।

অৰুন্ধতীয়ে কৈয়েই থাকিল, "কিন্তু দুখ লাগে কিয় জানে আটাইতকৈ বেচিকৈ ? সেই শ্বিলঙতে নাচ শিকিছিলোঁ। কিমান নাচিলোঁ, কিমান হাঁহিলোঁ। দেৱযানী, সাবিত্ৰী, শকুন্তলা, চিত্ৰলেখা—কতৰ যে ভাও দিলোঁ নৃত্যৰ মাজেদি। অথচ, সেই শ্বিলং মোৰপৰা আজি কিমান দূৰ।"

"কিমাননো দূৰ পাইছা ? আকৌ যাবা নহয়। আকৌ হাঁহিবা গৈ, আকৌ নাচিবা গৈ শ্বিলঙতে।"

"ধেৎ। মিছা আশা দিয়ে কেলেই ? আৰু কেতিয়াবা হ'বনে সেই-বোৰ ?" অৰুন্ধতীৰ স্বৰ কৰুণ হৈ পৰিছিল।

"দুখ নকৰিবা, অৰুন্ধতী। তুমি যে শ্বিলঙত গৈ নাচিবৰ, হাঁহিবৰ কাৰণেই জন্মিছিলা। তুমিতো এলিয়ট্-ফেলিয়ট্ বুজিবলৈ জন্মা নাছিলা।"

দত্ত গুচি আহিছিল। লাহে লাহে গৰমৰ বন্ধটো শেষ হৈ গৈছিল। ল'ৰা-ছোৱালীবোৰেৰে পুনৰ কলেজখন ভৰি পৰিছিল। তথাপিও দত্তৰ একো নতুন নতুন নালাগিছিল। পৃথিবীৰ সকলো যেন অসম্ভৱ ধৰণে স্থিতিশীল হৈ পৰিছে। তেওঁৰ মনত যেন লেতেৰা পানীৰ ডোঙা বান্ধিছে। তেওঁৰ জীৱনটো যেন পৰ্ব্বতসম গধূৰ হৈ পৰিছে।

কিন্তু সঁচাই জানো বাপধনক ভাল পায় অৰুন্ধতীয়ে ? গুৱাহাটীত আবেলি বাপধন আৰু অৰুন্ধতী সঁচাই জানো একেলগে ফুৰি, থিয়েটাৰ চাই সময় কটাছিল ? অৰুন্ধতীবপৰা তেনে একো কথাৰতো গম পোৱা নাযায়। অৰুন্ধতীয়ে ধ্ৰুৱজ্যোতি দত্তক কিমান ভাল পায়। তেওঁৰ পিয়াহ লাগিল। তেওঁ পানী খুজিলে। অৰুন্ধতীয়ে আনি দিলে চৰবৎ। তেওঁ শ্বিলঙলৈ যাবলৈ ওলাল। অৰুন্ধতীবপৰা তেওঁ বিদায় ললে। বিদায়ৰ সেই আবেগ-আৰ্দ্ৰ মুহূৰ্ত্তত অৰুন্ধতীয়ে ক'লে, 'কাইলৈ শ্বিলঙৰ সেই নিকা গধূলি ৱাৰ্ড্ লেকৰ পাৰত বহি বহি যি তৃপ্তি পাব, তাৰ মাজত হয়তো টিঙৰ আজিৰ এই গৰম, লেতেৰা আবেলিটোৰ কথা পাহৰিয়েই যাব।' দত্তই নাপাহৰে বুলি কোৱাৰ পিচত অৰুন্ধতীয়ে যিটো হুমুনিয়াহ কাঢ়ি কৈছিল 'থাকিবনে মনত।'—সেইটো দত্তৰ এতিয়াও মনত বাজি আছে। নাই, নাই। অৰুন্ধতীয়ে নিঃসন্দেহে দত্তক ভাল পায়। 'অৰুণিমাৰ চকুলো' নামৰ গল্পটোৰ নায়িকা অৰুন্ধতীয়েই বুলি অৰুন্ধতীয়ে নিজেই দাবী কৰিছে। তাৰমানে অৰুন্ধতীয়ে তেওঁৰ প্ৰেম

দত্তৰ ওচৰত নিৱেদন কৰিছে। ইয়াত কোনো ভুল নাই। বাপধনৰ সৈতে অৰুন্ধতীৰ কোনো সম্পৰ্ক নাই। থাকিব নোৱাৰে। এজন ডেকা ল'ৰাৰ লগত এজনী গাভৰু ছোৱালী একেলগে ফুৰা মানেই প্ৰেম নহয়। দুটি ডেকা-গাভৰুৱে আজৰি সময়ত একেলগে থিয়েটাৰ চোৱা মানেই প্ৰেম নহয়। এনে ধাৰণা মাথোন ধ্ৰুবজ্যোতি দত্তৰ শ্বিলঙৰ পেহীয়েকৰ দৰে বুঢ়ী তিৰোতাৰ। এনে ধাৰণা প্ৰাচীনমনা মানুহৰ। এনে ধাৰণা কুসংস্কাৰ-পূৰ্ণ মস্তিষ্কৰ। অৰুন্ধতীয়ে বাপধনক ভাল নাপায়। দত্তই অৰুন্ধতীক ভাল পায়----তেওঁ অৰুন্ধতীক কৈ দিব। তেওঁ অৰুন্ধতীক কৈ দিব, অৰুন্ধতীক তেওঁ বিয়া কৰাব।

কিন্তু দত্তই অৰুন্ধতীক কৈ দিব নোৱাৰিলে, তেওঁ তেওঁক ভাল পায়। তেওঁ তেওঁক বিয়া কৰাব। এক পৰম অস্থিৰতাৰ মাজেদিয়ে গ্ৰীষ্ম আঁতৰি গ'ল। আঁতৰি গ'ল শৰৎ আৰু হেমন্ত। লাহে লাহে শীত নামি আহিল। সৰু চহৰ টিৰ গছ-গছনিবোৰৰ পাতবোৰ সৰি গ'ল। নাঙঠ গছবোৰৰ পাত সৰি পৰা ডালবোৰৰ মাজেদি আকাশৰ জোনবায়ে লুকাভাকু খেলিলে। কিন্তু দত্তৰ সেইবোৰলৈ ভ্ৰুক্ষেপ নাই। এটা সন্দেহে তেওঁক ৰাক্ষসিনীৰ দৰে খেদি লৈ ফুৰিলে। এটা অনিশ্চয়তাই গ্ৰীক পুৰাণৰ 'ফিউৰী' বোৰৰ দৰে অহৰ্নিশে তেওঁক স্থিৰ হৈ থাকিবলৈ নিদিলে।

অৰুন্ধতীৰ সৈতে তেওঁৰ সম্পৰ্কৰ ইটো সিটো সৰু সুৰা কথাকে সম্বল কৰি তেওঁ তেওঁৰ সন্দেহ, তেওঁৰ অনিশ্চয়তাৰপৰা নিষ্কৃতি পাবলৈ বিচাৰিলে। এদিন দত্তই কাগজ এটুকুৰাত চিঠি এখন লিখি অৰুন্ধতীৰ হাতত দি আহিছিল তেওঁৰ দেউতাকক দিবলৈ। চিঠিখন তেওঁ কোনো খামৰ ভিতৰত সুমুৱাই দিয়া নাছিল। কিন্তু অৰুন্ধতীয়ে তেওঁক তাৰ বাবে 'কেয়াৰ্‌লেচ্' বুলি মৰমসনা গালি পাৰিছিল আৰু নিজেই এটি খামৰ ভিতৰত চিঠিখন সুমুৱাই দি দত্তক কৈছিল, 'পিতাৰ এড্ৰেচ্‌টো লিখি দিয়ক ওপৰত।' দত্তৰ যত্ন লবলৈ, দত্তৰ ওপৰত অভিভাৱকত্ব কৰিবলৈ অৰুন্ধতী কোন? এদিন দত্তই তিনি ঘণ্টা অৰুন্ধতীৰ ওচৰত বহি থাকি যেতিয়া কৈছিল, জীৱনত তেওঁ এটি ৰেকৰ্ড স্থাপন কৰিলে, অৰুন্ধতীয়ে তেতিয়া কি কৈছিল? 'তাৰ বাবে যদি কাৰোবাৰ কিবা গৌৰৱ কৰিবলগীয়া থাকিল, তেন্তে সেই গৌৰৱ মোৰ।' এইবোৰৰ অৰ্থ কি? নাই। নাই। কোনো সন্দেহ নাই। অৰুন্ধতীয়ে তেওঁক ভাল পায়। বাপধন দাদাকক অৰুন্ধতীয়ে কেতিয়াও ভাল পাব নোৱাৰে।

কিন্তু তথাপিও তেওঁ জানো নিশ্চিত হ'ব পাৰে? কিন্তু কেনেকৈ আৰু

নিশ্চিত হোৱা সম্ভৱ? এৰা, অৰুন্ধতীৰপৰা তেওঁ স্পষ্ট জানিবলৈ বিচাৰিব, বাপধনৰ লগত তেওঁ সঁচাই ফুৰা-চকা কৰিছিল নেকি। যদি কৰিছিল, তাৰ অন্তৰালত কি আছিল? প্ৰেম? ,পৰিণয়? সেয়েই যদি হয়, ধ্ৰুবজ্যোতি দত্তৰ সৈতে তেওঁৰ যি সৌহাৰ্দ্য, ধ্ৰুবজ্যোতি দত্তৰ প্ৰতি তেওঁৰ যি প্ৰেম, তাৰ কি অৰ্থ? কেৱল বন্ধুত্ব? নে আন কিবা? ইয়াৰ উত্তৰ দত্তক লাগে। এই প্ৰশ্নৰ উত্তৰেৰে তেওঁ তেওঁৰ জীৱনৰ পথ নিৰ্ণয় কৰিব। সমগ্ৰ জীৱনটো তেওঁৰ সমুখত বিস্তীৰ্ণ হৈ পৰি আছে। সেই জীৱন তেওঁ তুলি লব, আৰু নিজৰ ৰুচি মতে তাক ৰূপ দিব, গ্ৰহণ কৰিব। তেওঁৰ হেৰুৱাবলগীয়া আছে কি? এজনী ছোৱালীৰ হয় বা নহয় বোলা এটি উত্তৰে তেওঁৰ অকণো হিত বা ক্ষতি সাধন কৰিব নোৱাৰে। তেওঁ মাথোন নিশ্চিত হৈ লব। তেওঁ অৰুন্ধতীক সুধিব।

কিন্তু পাৰিব জানো তেওঁ? অৰুন্ধতীৰ মুখামুখি হৈ তেওঁক দত্তৰ মনত অহৰহ খেলাই থকা প্ৰশ্নটো কৈ পেলোৱাৰ কথা তেওঁ কেবা দিনো কল্পনা কৰিলে আৰু কেবা দিনো কোঁচ খাই গ'ল। তেওঁ এজন শিক্ষকতো। আৰু অৰুন্ধতী এজনী ছাত্ৰী—তেওঁৰেই হওক বা যাৰেই নহওক। অসম্ভৱ। এইবোৰ কথা অৰুন্ধতীক সোধা অসম্ভৱ। এয়া অনৈতিক, 'ইম্মৰেল্'। তাৰ পৰিবৰ্ত্তে তেওঁ লাগিলে ভুগি থাকিব নীৰৱে আৰু তিলে তিলে। যি বেদনাৰ লেলিহান শিখাই তেওঁক পুৰি মাৰিব লাগিছে, সেই বেদনাৰ কথা অৰুন্ধতীয়ে জানিব নালাগে। পৃথিবীৰ কোনেও জানিব নালাগে তাক।

আদি শীতৰ এক সেমেকা গধূলি শীতৰ ঠেৰেঙা লাগি নিৰ্জ্জন হৈ পৰা টিছৰ বাটেদি দত্ত গৈ আছিল, অৰুন্ধতীহঁতৰ ঘৰৰ পিনে। তেওঁৰ হাতত আছিল গেটেৰ "চাফৰিংচ্ অব ইয়ং ৱাৰ্থাৰ্"খন। অৰুন্ধতীয়ে এটি কিচ্ কিচ্ কৰে কলা চুৱেটাৰ পিন্ধি পঢ়ি আছিল কিবা এখন। দত্তক তেওঁ আগৰ দৰেই উষ্ণ সম্ভাষণ জনালে। উত্তৰত দত্তই ঠিক হাঁহিব নোৱাৰিলে। তেওঁ কিতাপখন টেবুলত থৈ বহিল। অৰুন্ধতীয়ে ক'লে, "সেইখন কি?"

"এইখন তোমাৰ বিয়াৰ উপহাৰ।" দত্তৰ উত্তৰত অৰুন্ধতীয়ে এটি লাজৰ হাঁহি মাৰি দত্তৰ পিনে পিঠি দিলে। দত্তই কলে, "লাজ কৰিছা কেলেই? অমৰ জাৰ্ম্মাণ কবি গেটেই এদিন এজনী ছোৱালীৰ চকুৰ মণিত নিজৰ আত্মাৰ ৰূপ দেখা পাইছিল।] তেওঁৰ সাধনাৰ বিৰামহীন বাটৰ আদি ছোৱাতেই গেটে থমকি ৰৈ গৈছিল। .সেই অসামান্যাৰ চকুৰ মণিৰ যাদুৰ পৰশ লাগি গেটেয়ে পাহৰি গৈছিল, তেওঁৰ জীৱনৰ লক্ষ্য,

তেওঁৰ জীৱনৰ অতীত-ভৱিষ্যৎ। হঠাৎ যেতিয়া গেটেই জানিব পাৰিলে তেওঁৰ হৃদয়ৰ অধিষ্ঠাত্রী সেই অসামান্যা তেওঁ লগ পোৱাৰ পূৰ্ব্বেই আনৰ হৈ আছে, গেটেই সেইদিনা পৃথিৱীখন অন্ধকাৰ দেখিছিল। জীয়াই থকাৰ অৰ্থ আৰু তেওঁ বিচাৰি নাপাইছিল। আত্মহত্যা কৰি জীৱনৰ পৰা মুক্তি লাভ কৰাৰ কথা তেওঁ অহৰহ চিন্তা কৰিছিল। কিন্তু গেটেই তেওঁৰ জীৱনত আত্মহত্যা কৰিব নোৱাৰিলে। গেটেই যি কাম তেওঁৰ জীৱনত কৰিব নোৱাৰিলে—সেই কাম কৰিলে তেওঁৰেই সৃষ্টি, ডেকা ৱাৰ্থাৰে—এইখনি কিতাপত। এইখনেই মই তোমাৰ বিয়াত উপহাৰ দিবলৈ উলিয়াইছোঁ, অৰুন্ধতী।”

“ধেৎ, আপুনি যে কিবোৰ কয়। কিছুদিনৰপৰা আপোনাৰ বহুত পৰিৱৰ্ত্তন ঘটিছে। মই আপোনাক নবজাত পৰিছোঁ, জানে?”

এই খিনিতে দত্তই কৈ দিব খুজিছিল, তেওঁৰ খুলি কবলগীয়া সকলো কথা। কিন্তু মখৰপৰা তেওঁৰ কোনো কথা নোলাল তেতিয়া। মাথোন তেওঁৰ হাতখন আগবঢ়াই দিলে অৰুন্ধতীৰ হাতখনলৈ। অৰুন্ধতীয়ে তেওঁৰ হাতখন পিছুৱাই নিলে। দত্তই তেওঁৰ হাতখন অলপ আগবঢ়াই দিলে। অৰুন্ধতীয়ে তেওঁৰ হাতখন আৰু পিছুৱাই নিলে। দত্তই ক'লে, “নিদিয়া?” অৰুন্ধতীয়ে তথাপি নিদিলে তেওঁৰ হাতখন। দত্তই জোৰকৈয়েই এইবাৰ অৰুন্ধতীৰ হাতখনত ধৰি পেলালে। ধৰাৰ পিচত আৰু অৰুন্ধতীয়ে আপত্তি নকৰিলে। দত্তই সুধিলে, “মই বৰ বেয়া কাম কৰিছোঁ, নহয়!” তেওঁৰ মাতত দুষ্ট চঞ্চলতা নাই এধানো। অৰুন্ধতীয়ে একো নামাতিলে। দত্তই পুনৰ সুধিলে, “কোৱা, বেয়া কাম কৰিছোঁ?” অৰুন্ধতীয়ে তথাপি একো নামাতিলে। কিন্তু এইবাৰ তেওঁ হাতখন টানি লৈ গ'ল দত্তৰ হাতৰপৰা। দত্তই ক্ষমা প্ৰাৰ্থনাৰ সুৰত ক'লে, “বেয়া নাপাবা, অৰুন্ধতী। মইতো কোনো দুষ্ট অভিপ্ৰায় লৈ তোমাৰ ওচৰ চপা নাই। মোৰ এটি কিবা সৎ আশা আছে বুলিহে আগবাঢ়িছোঁ এইখিনিলৈ।”

অৰুন্ধতী হঠাৎ যেন চকিত হৈ উঠিল। তেওঁ খপহকৈ ক'লে “কি সৎ আশা কৰাৰ কথা কৈছে আপুনি?”

“তাকেইতো কম বুলি আহিছিলোঁ তোমাক। কিন্তু এতিয়া দেখিছোঁ, মুখেৰে মই তোমাক একোকে বুজাই কব নোৱাৰিম। বাৰু, এটা কাম কৰিলে তুমি বেয়া পাবানেকি? মোৰ কবলগীয়া কথাবোৰ তোমাক যদি লিখি জনাওঁ, তুমি বেয়া পাবানেকি?”

অৰুন্ধতীৰ মুখৰ গাম্ভীৰ্য্য ক্ৰমে ক্ৰমে বাঢ়ি গৈছিল। তেওঁ যেন অলপ

কৌতূহলো বোধ কৰিছিল। তেওঁ কৈছিল, "বাৰু জনাবচোন। কি জনাব খুজিছে। আপোনাৰ কথাবোৰ লাহে লাহে কেনে যে হৈ যাব ধৰিছে। মই কিন্তু একোৱেই বুজিব পৰা নাই।" দত্ত উঠিছিল। তেওঁ ওলাই অহাৰ লগে লগে অৰুন্ধতীয়ে পুনৰ কৈছিল, "চাব, মোক কিন্তু চিন্তাত পেলাই থৈ গ'ল। কাইলৈ আপুনি যেনে তেনে আহিব।"

তাৰপৰা উভতি আহিয়েই দত্তই ভাতকেইটা খাই ললে। তাৰ পিচত ল'ৰাটোক শুই থাকিবলৈ কৈ তেওঁ টেবুলত বহি ললে। চিঠিখন এতিয়াই লিখি থোৱা উচিত। আৰু পলম কৰিব নোৱাৰি। কিন্তু সঁচা সঁচিকৈয়ে তেওঁ জানো চিঠি লিখিব অৰুন্ধতীলৈ ? প্ৰেমৰ চিঠি ? অধ্যাপক ধ্ৰুবজ্যোতি দত্তই তৃতীয় বাৰ্ষিক বি. এ. শ্ৰেণীৰ এজনী ছাত্ৰীলৈ প্ৰেমৰ চিঠি লিখিব ? এযাতো 'পজিচন'ৰ কথা অকল নহয় ; 'ডিগ্‌নিটি'ৰ কথা— মৰ্য্যাদাৰ কথা অকল নহয। এয়াযে বয়সৰ কথাও। প্ৰেমৰ চিঠি লিখি ছোৱালীৰ হাতত দিয়াৰ বয়স এতিয়া জানো দত্তৰ আছে ? কেতিয়াও নাই। সেই 'ৰোমাণ্টিক্ ষ্টেজ্' কেতিয়াবাই পাৰ হ'ল। প্ৰেমৰ চিঠি তেওঁ কেতিয়াও নিলিখে। তেওঁ তেন্তে কি কৰিব ? কেনেকৈ খুলি কব তেওঁ অৰুন্ধতীক তেওঁৰ সকলো কবলগীয়া কথা ? হঠাৎ দত্তৰ মনত এটি বুদ্ধি খেলি গ'ল। এৰা, এইটোৱে আটাইতকৈ ভাল কথা হ'ব। অৰুন্ধতীক সুধিব লগীয়া আটাইবোৰ প্ৰশ্নৰে এখনি প্ৰশ্নকাকত তেওঁ প্ৰস্তুত কৰিব। প্ৰশ্ন-কাকতখন তেওঁ অৰুন্ধতীক কাইলৈ গধূলি দিব। তাৰ কোনো লিখিত উত্তৰ অৰুন্ধতীয়ে তেওঁক দিব নালাগে। ছোৱালীৰ চিঠি পাই, গুপুতে তাক পঢ়ি, অন্তৰত এক অপূৰ্ব্ব শিহৰণ অনুভৱ কৰাৰ বয়স তেওঁৰ কেতিয়াবাই পাৰ হ'ল। সেই চিঠিৰ প্ৰতিষাৰি কথা স্মৃতিৰ সংগোপনত সযতনে সংৰক্ষণ কৰি এক অভূতপূৰ্ব্ব মাদকতা লাভ কৰাৰ বয়সো তেওঁৰ এতিয়া নাই। তাৰ পৰিবৰ্ত্তে, প্ৰতিটো প্ৰশ্নৰ বিপৰীতে অৰুন্ধতীয়ে তেওঁৰ কলমেৰে 'হয়' বা 'নহয়' সূচক চিন দি তেওঁৰ মনোভাব দত্তক জনালেই হৈ গ'ল।

এক নিমিষৰ ভিতৰতে এই ভাবটোৱে তেওঁৰ এটি বিৰাট সমস্যাৰ যেন সমাধান কৰি পেলালে। তেওঁ কলমটো লৈ খুব জোৰেৰে লিখি গ'ল এক নম্বৰ, দুই নম্বৰকৈ সাতোটা প্ৰশ্ন। তাৰ পিচত তেওঁ কাকতখন মনে মনে পঢ়িলে আৰু ঠায়ে ঠায়ে দুটি এটি কথা শুধৰালে। অৱশেষত চাফচিকুণকৈ আন এখন কাকতত তেওঁ প্ৰশ্নবোৰ নকল কৰি উলিয়ালে :

১। শ্বিলঙত শুনিছিলোঁ, তোমাৰ হেনো লাবানৰ নবনাৰায়ণ দত্ত মজুমদাৰ পেহাৰ ল'ৰা, বৰ্ত্তমান গুৱাহাটী মেডিকেল কলেজত কাম কৰি থকা ডাঃ কনক দত্ত মজুমদাৰ ওৰফে বাপধন দাদাৰ লগত বৰ ভাল। গুৱাহাটীত তুমি পঢ়োঁতে সদায় হেনো গধূলি তেওঁৰ লগত ফুৰা, একেলগে থিয়েটাৰ, চিনেমা চোৱা। বাপধন দাদাই হেনো তোমাক বিয়া কৰাব বুলি যোৰপুখুৰীৰ পাৰৰ অৱনি ডাক্তৰৰ ঘৈণীয়েকক কৈ দিছে। এইবোৰ কথা সঁচানে ?

২। তুমি বাপধন দাদাৰ লগত ফুৰা চকা কৰা বাবে, বিয়াত তোমাৰ মত আছে বুলি তেওঁলোক সকলোৱে ধৰি লৈছে। যদি ওপৰৰ কথাবোৰ সঁচা, তেন্তে বাপধনদাৰ সৈতে বিয়াত তোমাৰ মত থকা কথাও সঁচানেকি ?

৩। তোমাৰ মোৰ সৈতে যি সম্পৰ্ক, সি তোমাৰ দেউতাৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক থকা বাবে, তোমাৰ সৈতে মোৰ যেনে সম্পৰ্ক হ'ব লাগিছিল, তাতকৈ বহুত বেলেগ হৈ গৈছে যেন লাগে। আমাৰ এই সম্পৰ্কত মোৰ প্ৰতি তোমাৰ এটি ভালপোৱাৰ আকৰ্ষণ থকা বুলি মোৰ সন্দেহ হয়। মোৰ সন্দেহ নিৰ্ভুল জানো ?

৪। পানী খোজোঁতে চৰবৎ দিয়া, শ্বিলঙলৈ বন্ধটো কটাবৰ বাবে যাব খুজিলে তুমি মোক যাবলৈ দিব নোখোজা, মোৰ সেই গল্পটিৰ নায়িকা তুমিয়েই বুলি মই তোমাৰ প্ৰেমত পৰা বুলি নিৰ্ভীকভাৱে দাবী কৰা, তোমাৰ কাষত তিনি ঘণ্টা বহি থকা বাবে তুমি গৌৰব বোধ কৰা, শ্বিলঙত গৈয়ো তোমালৈ মনত পৰিব বুলি কোৱাত তুমি হমুনিয়াহ কঢ়া— এইবোৰ মোৰ প্ৰতি তোমাৰ প্ৰেমৰ নিৰ্ভেজাল ইঙ্গিত যেন লাগে। নহয় জানো ?

৫। যদি ৩নং আৰু ৪নং প্ৰশ্নৰ তুমি 'হয়' সূচক উত্তৰ দিয়া, তেন্তে মই তোমাক বিয়াৰ প্ৰস্তাৱ দিব পাৰোঁনে ?

৬। যদি শ্বিলঙত শুনা কথাবোৰ মিছা, আৰু যদি বৰ্ত্তমান তোমাৰ বিয়াৰ কথা একেবাৰেই উঠা নাই, তেন্তে ভবিষ্যতে তোমাৰ মোৰ সৈতেই বিয়া হ'ব বুলি আশা কৰি থাকিব পাৰোঁনে ?

৭। নাইবা, শ্বিলঙত শুনা কথাও মিছা, তোমাৰ মোৰ লগত হোৱা সম্পৰ্কত মোৰ প্ৰতি তোমাৰ যি আকৰ্ষণ ফুটি উঠা বুলি মোৰ সন্দেহ হৈছে, সিও মিছা ; আৰু মই তোমাক ভবিষ্যতলৈ আশা কৰিও থাকিব নালাগে। এয়েই তোমাৰ মোক কবলগীয়া নেকি ?

প্ৰশ্নকেইটা নকল কৰি উলিয়াওঁতে ৰাতি বাৰ বাজিছিল। তেওঁ

কাগজখন ভাঁজ দি কিতাপ এখনৰ মাজত সুমুৱাই থলে আৰু তাৰ পিচত শুই থাকিল।

পিচদিনা গধূলি হোৱাৰ লগে লগেই দত্ত অৰুন্ধতীৰ পঢ়া কোঠাত সোমাইছিল গৈ। অৰুন্ধতীয়ে সেই নিশা পূৰ্ব্বৰ দৰে দত্তৰ লগত সহজ হ'ব নোৱাৰিছিল। দত্ত গৈ পোৱাৰ লগে লগেই তেওঁক বহিবলৈ দি অৰুন্ধতী ভিতৰলৈ গৈছিল। দত্তই বহি থাকিবলৈ টান পাইছিল। অৰুন্ধতীয়ে চাহ একাপ আৰু বিস্কুটৰ প্লেটখন টেবুলত আনি থোৱাৰ লগে লগে দত্তই প্ৰশ্ন কাকতখন তেওঁৰ হাতত তুলি দিলে। তেওঁ ক'লে, "সেইখন ভালকৈ পঢ়া। যিটো প্ৰশ্নৰ উত্তৰত তুমি 'হয়' বুলি কব খোজা, তাৰ বিপৰীতে খালী ঠাইখিনিত শুদ্ধ চিন বহুৱাই দিয়া। আৰু যিটো প্ৰশ্নৰ উত্তৰত তুমি 'নহয়' বলি কোৱা, তাৰ বিপৰীতে খালী ঠাইখিনিতে অশুদ্ধ চিন বহুৱাই দিয়া।" কৈ উঠি দত্তৰ ভাব হৈছিল, তেওঁ যেন স্বাভাৱিক ধৰণে, কথাবোৰ কব পৰা নাই। মাতটো যেন তেওঁৰ অসম্ভৱ ধৰণে কৰ্কশ হৈ ওলাইছে। তেওঁ লক্ষ্য কৰিছিল, কাকতখন হাতত তুলি লওঁতে অৰুন্ধতীৰ হাতখনো ঈষৎ কঁপিছিল।

অৰুন্ধতীয়ে পৰম মনোযোগিতাৰে কাকতখন পঢ়ি গৈছিল। দত্তই হাতত চাহৰ কাপটো তলি লৈছিল; কিন্তু তেওঁৰ চকু আছিল, অৰুন্ধতীৰ মুখত। পাতল পাতল কৈ চাহৰ ঢোক গিলি তেওঁ অৰুন্ধতীৰ মুখৰ ৰঙৰ কিবা পৰিবৰ্ত্তন ঘটেনেকি, তালৈ লক্ষ্য কৰিছিল। কিন্তু তেওঁ বুজিব নোৱাৰিছিল একোকেই অৰুন্ধতীৰ মুখখনৰ পৰা।

অৰুন্ধতীয়ে প্ৰশ্নকাকতখন পঢ়াত যথেষ্ট সময় লৈছিল। বোধহয় তেওঁ দুই তিনিৰাৰ কাকতখন পঢ়িছিল। তাৰ পিচত তেওঁ দত্তৰ চকুৰ পিনে চাই সুধিলে, "শ্বিলঙৰ এইবোৰ কথা আপোনাক কোনে ক'লে?" অৰুন্ধতীৰ মাতত এক অস্বাভাৱিক গম্ভীৰতা।

দত্তই ক'লে, "সেইবোৰ পিচত হ'ব বাৰু। আগেয়ে কলমটো লৈ শুদ্ধ-অশুদ্ধ চিনবোৰ প্ৰতিটো প্ৰশ্নৰ বিপৰীতে খালী ঠাইবোৰত দি যোৱা।" দত্তৰ কথাত দৃঢ়তা।

"বৰ। নালাগে। উত্তৰবোৰ মই মুখেৰেই কৈ যাম। কিন্তু শ্বিলঙত শুনা কথাবোৰ আপোনাক কোনে ক'লে? উঃ, মানুহবোৰ যে কেনে!" অৰুন্ধতীৰ মাতত এক তীব্ৰ অসন্তুষ্টিৰ সুৰ শুনা গ'ল।

দত্তই কলে, "খং কৰিছা কলেই? কম নহয় সকলো। মাথোন আগেয়ে মোৰ প্ৰশ্নবোৰৰ বিপৰীতে শুদ্ধ-অশুদ্ধ চিনবোৰ দি দিয়া।"

"শুদ্ধ-অশুদ্ধ চিন কিয় দিব লাগে? এই আটাইবোৰ কথা মিছা। আপোনাৰ আশা ত্যাগ কৰক।"

"কোনবোৰ মিছা? শিলঙত শুনা কথাবোৰ অকল, নে মই তোমাৰ ব্যৱহাৰত যিবোৰ সন্দেহ কৰিছোঁ, সেই আটাইবোৰ ধাৰণাই?"

"আটাইবোৰেই অশুদ্ধ। আপুনি আপোনাৰ আশা এৰক। উঃ, আপোনালোক মানুহবোৰে যে কিবোৰ ভাবে।"

দত্তৰ আৰু অৰুন্ধতীৰপৰা কোনো কথা শুনাৰ ধাউতি নাছিল। তেওঁৰ কাণ দুখন ৰঙা পৰি উঠিছিল। কপালখন অদ্ভুত ধৰণে গৰম হৈ উঠিছিল। তেওঁ আৰু বহি থাকিব নোৱাৰিলে। কি যে ছলনাময়ী নাৰী। পৃথিবীৰ সকলো পুৰুষৰ লগতেই তেন্তে এই জাতটোৱে ঠিক অৰুন্ধতীয়ে তেওঁৰ লগত ব্যৱহাৰ কৰাৰ দৰেই কৰেনেকি, যে তাত সন্দেহ কৰিবলগীয়া একোৱেই নাথাকে? দত্ত উঠিল। তেওঁ অৰুন্ধতীৰ হাতৰপৰা প্ৰশ্নকাকতখন আনি নিজৰ পেণ্টৰ মোনাত সুমুৱাই ললে। "বাৰু থাকিবা। ইমান দিনে তোমাক যিখিনি আমনি দিলোঁ, তাৰ বাবে ক্ষমা কৰিবা। ভুলতেহে মই তোমাক সেইখিনি আমনি দিছিলোঁ। তদুপৰি, ভবিষ্যতে আৰু মই তোমাকতো কোনো আমনি নিদিওঁ।" দত্ত ওলাই আহিল। তাৰ পিচতে তেওঁ পুনৰ বৈ গ'ল। তেওঁ ঘূৰি কলে, "তোমাৰ মা আৰু অঞ্জলিক মাত লগাই আহিবলৈ নহ'ল। এটা জৰুৰী কামৰ কথা মনত পৰি গুচি আহিলোঁ বুলি ক'বা।"

অৰুন্ধতীৰ অন্তৰখন বোধহয় অলপ কুমলি উঠিছিল। দুৱাৰ মুখত থিয় হৈ অৰুন্ধতীয়ে কৈছিল, "আপোনাৰ ভালৰ বাবেহে কৈছোঁ। ভবিষ্যতলৈ তেনে কোনো আশা পুহি নাথাকিব।" অৰুন্ধতীৰ অনুকম্পাখিনিৰ দত্তই কোনো প্ৰয়োজন বোধ কৰা নাছিল। পিচলৈ উভতি নোচোৱাকৈয়েই তেওঁ গুচি আহিছিল।

উভতি আহি ঘৰত সোমাই তেওঁ দেখিলে টিহত থকা আৰু তেওঁৰ বাবে অসম্ভৱ। ইমান দিনে যে তেওঁ কেনেকৈ এই টিহখনত সোমাই আছিল, সেইটোহে আচৰিত। সেই শীতৰ ৰাতি দত্তৰ বৰ গৰম লাগিছিল। নাই, নাই। ইয়াত থকা আৰু তেওঁৰ কাৰণে এক মুহূৰ্ত্তৰ বাবেও সম্ভৱ নহয়। তেওঁ গুচি যাবগৈ সেই নিশাই। তেওঁৰ বাবে, তেওঁৰ দৰে এজন উচ্চ শিক্ষিত, অধ্যয়ন পুষ্ট ডেকাৰ বাবে, এই ক্ষুদ্ৰ চহৰখনতেই অকল কিয়, এই বিশাল ভাৰতবৰ্ষৰ য'তে ত'তে জীৱিকাৰ বাবে পন্থা বিচাৰি পোৱা যাব। সেই মুহূৰ্ত্ততে তেওঁ বাঁৰাটোক কলে, তেওঁক তৎক্ষণাৎ ভাত দিব লাগে। তেওঁ

ভাত খায়মানে সি তেওঁৰ বিছনা পত্ৰবোৰ বান্ধি হোল্ডলত ভৰাই দিব লাগে। তেওঁ এমাহৰ বাবে এটা জৰুৰী কামত ক'ৰবালৈ যাবলগীয়া হ'ল তৎক্ষণাত। তেওঁ এমাহৰ বাবে ল'ৰাটোক চলিবৰ খৰছো দি দিলে। এমাহ পিচতো তেওঁ নাহিলে ঘৰটো এৰি দি ল'ৰাটোক আন কাম বিচাৰি উলিয়াবলৈ তেওঁ কৈ দিলে। কাম যেন সি এই মাহটোতেই বিচাৰি থাকে, সিটো মাহত লগে লগে নিযুক্ত হ'ব পৰাকৈ।

ভাত খাই উঠাৰ পিচত ল'ৰাটোৱে ভাত খায় মানে কিতাপ পাতিবোৰ তেওঁ ট্ৰাঙ্কত ভৰালে। ল'ৰাটোৰ ভাত খোৱা হোৱাৰ পিচতেই তাৰ মূৰত ট্ৰাঙ্ক আৰু হোল্ডলটো তুলি দি তেওঁ ষ্টেচন পালেহি। তেতিয়া ৰাতি এঘাৰ। গাড়ী আহিবলৈ আৰু এঘণ্টা বাকী। তেওঁ ল'ৰাটোক গৈ শুই থাকিবলৈ পঠিয়াই ৰাতিৰ নিৰ্জ্জন প্লেটফৰ্ম্মখনত অকলে অকলে তহল দি থাকিল। ওপৰৰ পৰা নিয়ৰবোৰ টোপে টোপে সৰি আছিল। ষ্টেচনৰ বাঁহ-বন, ধূলি-মাকতিবোৰ সেমেকি আছিল। দত্তৰ মনটোও সেমেকি উঠিছিল। টিহুখন এবাৰ একেবাৰে আগ মুহূৰ্ত্তত কি এটি অবুজ বেদনাই যে তেওঁৰ বুকুত হেঁচামাৰি ধৰিলে। টিহুত কটাই দিয়া তেওঁৰ জীৱনৰ দিনবোৰৰ প্ৰতিটো ঘটনাই তেতিয়া তেওঁৰ মনত স্পষ্ট হৈ উঠিল। সেই ক্ষুদ্ৰ চহৰখনৰ সৰু কলেজটোৰ প্ৰতিজন তেওঁৰ মৰমৰ ছাত্ৰৰ আৰু ছাত্ৰীৰ কোমল মুখবোৰ এখন এখনকৈ তেওঁৰ মনত ভাঁহি উঠিবলৈ ধৰিলে। সিহঁতে কি কৈছে? 'আপুনি নাযাব, চাৰ। আপুনি নাযাব। আমি আপোনাক বিচাৰিছোঁ।' দত্তই কাণ দুখনত হেঁচা মাৰি ধৰিলে। নাই। নাই। তোমালোকে মোক তেনেকৈ নকবা। তেনেকৈ নকবা।

ঠিক সেই মুহূৰ্ত্ততে দত্তই দূৰণিৰ ৰেল লাইনত পোহৰ দেখা পালে। হঠাৎ তেওঁ যেন বাস্তৱলৈ ঘূৰি আহিল। ধেৎ, তেওঁ কি কৰিছে? তেওঁ কান্দিছে কিয়? তেওঁ এজন সামান্য মানুহ। সামান্য শিক্ষক। তেওঁৰ অনুপস্থিতিয়ে টিহুৰ একো ক্ষতি সাধন নকৰে। তেওঁৰ অভাৱে টিহু কলেজখনক অকণো অভাৱগ্ৰস্ত নকৰে। দত্তই টিকেট এটা কিনি আনিলে। গাড়ীখন আহি ৰ'ল। ৰাতি গাড়ীখনত মানুহ পাতল আছিল। নতুনকৈ তাত উঠা মানুহ নাছিলেই। তেওঁ সহজেই গাড়ীত বস্তুখিনি উঠাই দিব পাৰিলে।

ঘণ্টা বাজি উঠিল। সেই দুপৰ নিশাৰ গভীৰ নিৰ্জ্জনতা ভঙ্গ কৰি গাড়ীখন লাহে লাহে আগুৱাই যাবলৈ ধৰিলে। দত্তৰ কলিজাৰ ধপ্ ধপনিৰ সৈতে গাড়ীৰ ভাউচ্ ভাউচ্ শব্দটো যেন একেটাই, দত্তৰ তেনে অনুমান

হ'ল গাড়ীৰ ভিতৰত থিয় হৈ। গাড়ীৰ গতি লাহে লাহে ক্ষিপ্র হৈ পৰিল। লগে লগে গাড়ীৰ হুচ্ হুচ্ শব্দটোও ঘন হৈ পৰিল। গাড়ীৰ গতি আৰু শব্দ দুয়োটাই একেলগে দত্তক কিহৰ যেন আনন্দ দিলে। তেওঁৰ মনটো পাতল লাগিল। তেওঁৰ ভাব হ'ল, তেওঁৰ এই জীৱনৰ যাত্রা—বন্ধনৰপৰা মুক্তিলৈ, সীমাৰ মাজৰপৰা অসীমলৈ, ক্ষুদ্রৰপৰা বিশাললৈ।

ৰাতিৰ আন্ধাৰ ঠেলি গাড়ী লাহে লাহে বহুখিনি আগুৱাই গ'ল। সৰু চহৰ টিহুখন দত্তৰ পিচফালে আন্ধাৰত নিমজ্জিত হৈ পৰি থাকিল। দত্তই তেওঁৰ কোঠাটোৰ দুৱাৰখন বন্ধ কৰি দি ভিতৰত বহি ললেহি। টিহুৰ চকুত তেতিয়া টোপনি নামিছে। টিহুখন শোৱক।

## অৰুন্ধতী ত্ৰিতত্ত্ব—(২)

# অৰুন্ধতীৰ বেদনা

কেনে আচৰিত আছিল মানুহজন। শিশুৰ দৰে সৰল অথচ মহামুনিৰ দৰে জ্ঞান-গম্ভীৰ। ইমান গুৰুতৰ অৰ্থত জানো লব বুলি ভাবিছিল মানুহজনে অৰুন্ধতীৰ উত্তৰটো? অৰুন্ধতীৰ উত্তৰটোৰ পিচত এবাৰ যি ওলাই গ'ল অৰুন্ধতীৰ পঢ়া-কোঠাৰপৰা, কোনো দিন আৰু উভতি নাহিল অৰুন্ধতীৰ ওচৰলৈ। কোনো দিন আৰু কোনো সম্বেদ নাপালে অৰুন্ধতীয়ে সেইমানুহজনৰ। অৰুন্ধতীৰ ভাব হ'ল, অধ্যাপক ধ্ৰুবজ্যোতি দত্তৰ ওচৰত তাই অপৰাধ কৰিছে—যি অপৰাধৰ মাৰ্জ্জনা প্ৰাৰ্থনাৰ কাল আৰু স্থান লাভ কৰাৰ আজি আৰু উপায় নাই। ধ্ৰুবজ্যোতি দত্তই কৈছিল, 'জীৱনটোৰ সকলো কথাই আকস্মিক। কোনো কাহানিও নেদেখা এই সৰু গাৱঁলীয়া চহৰখনৰ কলেজখনত মই সোমাই পৰাটো যিদৰে আকস্মিক, সেইদৰে তোমাৰ সৈতে মোৰ যি পৰিচয় সিও নিতান্ত আকস্মিক।' অৰুন্ধতীৰ জীৱনৰ যিটো আটাইতকৈ জৰুৰী কথা, সেইটোও যে এই আকস্মিকতাৰ ঘূৰ্ণিৰ দ্বাৰাই নিয়ন্ত্ৰিত হ'ব, তাক জানো অৰুন্ধতীয়ে অনুমান কৰিব পাৰিছিল তেতিয়া? আৰু পৰা হ'লে। আৰু পৰা হ'লে।

অৰুন্ধতীৰ এষাৰ কথাৰ পিচতেই অদৃশ্য হৈ যোৱা ধ্ৰুবজ্যোতি দত্তক নিচেই কাষতে পাবলৈ সেই মুহূৰ্ত্তত অৰুন্ধতী উদগ্ৰীৱ হৈ উঠিল। তিনি বছৰ আগতে আঁতৰি যোৱা মানুহজন এই মাত্ৰ যেন আঁতৰি গ'ল তাইৰ ওচৰৰপৰা। ধ্ৰুবজ্যোতি দত্তৰ মুখখনি অৰুন্ধতীৰ চকুৰ আগত স্পষ্ট হৈ ভাঁহি উঠিল। নিৰ্ম্মল বগা এখনি সৰু মুখ। সুতীক্ষ্ণ দৃষ্টিৰ এহালি দীপ্ত চকু। ঘন, কলা চুলিবোৰৰ তলেদি এখনি বহল, বগা কপাল। অৰুন্ধতী অধীৰা হৈ উঠিল। মানুহজনক যেন তাই পুনৰ ঘূৰাই লৈ আহিব কাষলৈ—তাইৰ নিচেই কাষলৈ।

ধেৎ। কিবোৰ ভাব যে আহে অৰুন্ধতীৰ মনটোলৈ। মানুহৰ জীৱনত কত কথাই যে অপ্ৰত্যাশিতভাৱে ঘটি যায়। সেইবোৰক লৈ জানো ব্যস্ত হৈ থাকিলে চলে মানুহৰ? এৰা, অৰুন্ধতীয়েও মূৰ নঘমায় এতিয়া আৰু সেইবোৰক লৈ। জীৱনটো এনেকুৱাই। ৰাণী মাহীয়েকৰ কি হৈছিল অৰুন্ধতীৰ? দুই, তিনিজন জ্যোতিষীৰ হতুৱাই ৰাশি লগ্ন চাই বিয়া ঠিক কৰা হৈছিল ৰাণী মাহীয়েকৰ। কত গুণ, কত জ্ঞান, কত বংশ

গৌৰৱ, কত অৰ্থ গৌৰৱ ল'ৰাজনৰ আৰু তেওঁৰ পৰিয়ালৰ। বিয়াৰ ছমাহ আগতেই কিমান পয়োভৰেৰে যে আঙঠি এটিও পিন্ধাই থৈ গ'ল অৰুন্ধতীৰ ৰাণী মাহীয়েকক। কিন্তু কি হ'ল অৱশেষত? ছমাহ পিচত ঠিক সেই মাহৰ ঠিক সেই দিনত বিয়া হ'ব লগীয়া আছিল ৰাণী মাহীয়েকৰ, বিয়া তেওঁৰ হ'ল সেই মাহৰ, সেই দিনতেই। কিন্তু ৰাণী মাহীয়েকৰ সৈতে ৰাণি-জোৰা মিলা, ৰাণীমাহীয়েকক আঙঠি পিন্ধাই থৈ যোৱা সেই ল'ৰাজনৰ সৈতে নহয়। আৰু তথাপি ৰাণীমাহীয়েক তাইৰ আজি সুখী। ৰাণীমাহীয়েকে নিজ মুখেৰেই কৈছে অৰুন্ধতীক, তেওঁ সুখী হৈছে। সেই ৰাণীমাহীয়েকেই অৰুন্ধতীক বিয়াৰ বাবে উৎসাহ দিছিল, নিৰ্ভয় দিছিল। 'মোৰ জীৱনটোলৈকে নাচাবা কিয়, অৰুন্ধতী? মই আজি কিমান সুখী। তয়ো ভয় নকৰিবি। তয়ো দুখ নকৰিবি। তয়ো সুখী নোহোৱাকৈ নাথাক।' এৰা, অৰুন্ধতী সুখী নোহোৱাকৈ থকা নাই। অৰুন্ধতীও সুখী হৈছে। তাইৰ বিয়াৰ আগে আগে ৰাণীমাহীয়েকেই তাইক বুজাইছিল, 'ভিনদেৱেৰতো তোক কণাৰ দলিৰ দৰে আঁতৰাব খোজা নাই। চাই চিতি ল'ৰা ঠিক কৰিছে। ল'ৰা শিক্ষিত আৰু বুদ্ধিমান। মেজিষ্ট্ৰেটৰ চাকৰি কৰে। দেখাতো শুৱনি আৰু স্বাস্থ্যৱান। আৰুনো কি লাগে?' এৰা ৰাণীমাহীয়েকে ঠিকেই কৈছিল তাইক, আৰুনো কি লাগে। সঁচাই, আৰু একোকে নালাগে অৰুন্ধতীক। আৰু যদি কিবা লাগেও তাইক, সেইখিনি জানো ডাঃ কনক দত্ত মজুমদাৰৰ মাজেদি পালেহেঁতেন তাই? তাইৰতো আজি বিশ্বাস নহয়। তেন্তে তাই সুখী নহৈ আৰু কি হৈছে? কিন্তু......। হঠাৎ অৰুন্ধতী বৈ গ'ল। তাইৰ ৰাণী মাহীয়েক জানো সঁচাকৈয়ে সুখী হৈছে? মানুহে দেখাত কোনো অভাৱত নপৰিও, মানুহে বিচাৰিবপৰা সকলোখিনি পায়ো, ৰাণীমাহীয়েক জানো প্ৰকৃততে সুখী হৈছে? অৰুন্ধতীৰ চোন বিশ্বাস নহয়।

সেই মুহূৰ্ত্তত অৰুন্ধতীয়ে ৰাণীমাহীয়েকৰ প্ৰতি এটি আকৰ্ষণ অনুভৱ কৰিলে। দেউতাক তাইৰ তেতিয়া অফিচত। টিহুৰপৰা গুৱাহাটীলৈ বদলি হৈ আহিবৰ পৰাই তেখেতে পাণবজাৰৰ অফিচত। ঘৰ এইয়া চানমাৰীত। চানমাৰীৰপৰা পাণবজাৰ যথেষ্ট দূৰ। 'টিফিন্' দেউতাকে কোনো দিন ঘৰত খাবলৈ নাহে। অফিচতে খায়। আজিও এই দুপৰীয়া দেউতাক নিশ্চয় ঘৰলৈ নাহে। মাক এতিয়া শুব। অঞ্জলি কলেজত। ভাইটি স্কুলত। তেন্তে ইয়াত অকলে অকলে বহি থাকিয়েই বা লাভ কি? পাগল হৈ যাব, তাই পাগল হৈ যাব এনেদৰে অকলে অকলে বহি থাকিব

লাগিলে। এৰা, তাই ৰাণী মাহীয়েকৰ তালৈকেই যাব। মহাদেৱেক কামত ওলাই গৈছে এই সময়ত। ল'ৰা-ছোৱালীবোৰ স্কুলত। শাহুৱেকে নোশোৱাকৈ থকা নাই দুপৰীয়া। অৰুন্ধতীৰ ভালেই লাগিব মাহীয়েকক তেনে অৱস্থাত লগ পাই। অৰুন্ধতী তাইৰ শোৱা কোঠাত বিছনাতে বহি আছিল। তাই উঠিল। তাই মাকৰ কোঠালৈ গ'ল। মাকে ইতিমধ্যে ৰান্ধনি ঘৰৰপৰা ওলাই আহি শোৱা কোঠাত বিশ্ৰাম লৈছে। শাওণ মহীয়া এই দুপৰীয়াটো কেনে যে লাগে। পৃথিবীখন অবাঁধ গতিত চলিয়ে আছে এই দিন দুপৰীয়া। তথাপিও কেনে নিৰ্জ্জন, কেনে নিতাল। মাকেও নিতাল মাৰি বিছনাত গা এৰি দিছে। কতো একো সাৰ-সুৰ নাই।

"মা, মই ৰাণীমাহীৰ ঘৰৰপৰা আহোঁগৈ। মোৰ অহাত দেৰী হ'ব পাৰে। চিন্তা নকৰিবি।"

মাকে চকুযুৰি মুদি আছিল। চকু মেলি তেওঁ অৰুন্ধতীৰ মুখলৈ চালে আৰু ক'লে, "যাগৈ। দেউতাৰ উভতি অহাৰ আগে আগে উভতি আহিবি কিন্তু।"

ইমান সহজেই মাকৰ অনুমতি পাব বুলি অৰুন্ধতীয়ে অনুমান কৰিছিলেই। বিয়া ঠিক হোৱা ছোৱালীক বিয়াৰ আগে আগে মাকহঁতে সকলো প্ৰকাৰৰ স্বাধীনতাকেই দিবলৈ প্ৰস্তুত। বাহিৰা মানুহে মাথোন নাজানিলেই হ'ল। দেউতাকবোৰৰ পৰাও গুপুত কৰি মাকহঁতে আনকি কিছুমান স্বাধীনতা দিব খোজে ছোৱালীক। অৰুন্ধতীৰ হাঁহি উঠিল মাকবোৰৰ কথা ভাবি। বিয়া ঠিক হোৱাৰ আগতে এনে দুপৰীয়া অকলশৰীয়া, অকলশৰীয়া লাগিলে কিমান দিন তাই ৰাণীমাহীয়েক, তাইৰ বান্ধৱী কমলা, অঞ্জনা, মাধুৰী, হিমাহঁতৰ ঘৰলৈ যাব খুজিছিল। অথচ মাকে কত অজুহাত উলিয়াই, তাইক যে যাব নিদিছিল তেতিয়া। অকল এয়েইতো নহয়। পৰহি কি হৈছিল? চিনেমা এখন চাবলৈ মন গ'ল অৰুন্ধতীৰ তাইৰ কেইজনীমান বান্ধৱীৰ সৈতে। মাকে তৎক্ষণাৎ অনুমতি দি দিলে। 'মেটিনি'ৰ বাবেও নহয়। একেবাৰে 'ইভ্নিং শ্বো'ৰ বাবেই। অৰুন্ধতীৰ হাঁহি মনে মনে আৰু বেচিকৈ উঠিল। মাকবোৰো যে! জীয়েকবোৰক লৈ বেচেৰীহঁতৰ ক'ত সমস্যা।

অৰুন্ধতীয়ে চেণ্ডেলযোৰ পিন্ধি ললে। মুখখন পানীৰে তিয়াই লৈ টাৱেলখনেৰে পুনৰ মচিলে। তাৰ পিচত আচিখনৰ সমুখত থিয় হৈ মুখমণ্ডলত 'লেক্টোকেলামাইন্' অকণমান সানি ললে। তাৰ পিচত, তাৰ ওপৰত 'পাউডাৰ পাফ'টোৰে লেক্ৰে পাউডাৰবোৰ লগাই দিলে। পাউডাৰ

যহাঁ শেষ হোৱাৰ পিচত 'পাউডাৰ পাফ্'টো থৈ হাতখনেৰেই গাল দুখন-এনেয়ে এবাৰ স্পৰ্শ কৰি চালে। গাল দুখন বেচ মসৃণ লাগিল তাইৰ। লেক্‌মে পাউডাৰৰ সুগন্ধেৰে গোটেই কোঠাটো ভৰি পৰিছিল। আচিৰ সন্মুখতে থিয় হৈ সেই পাউডাৰৰ সুগন্ধত আচ্ছন্ন হৈ তাই খন্তেকৰ বাবে চকুযুৰি মুদি দিলে। তাৰ পিচত তাই যাবলৈ সাজু হ'ল। কোঠাটোৰ-পৰা ওলাব খোজোঁতেই হঠাৎ তাইৰ মনত পৰিল, 'লেডীজ্ চু'যোৰ কিনি আনিবৰ বেচি দিন হোৱা নাই। সেইযোৰ তাই এতিয়ালৈকে মাথোন দুদিনহে পিন্ধিছে। আজি তাই সেইযোৰ পিন্ধিহে ওলোৱা উচিত আছিল। তাই ততালিকে ঘূৰি আহি চেণ্ডেলযোৰ খুলি থলে, আৰু 'চু'যোৰ পিন্ধি পুনৰ ওলাই গ'ল।

কুমাৰপাৰাৰ ভৰলু নদীৰ পাৰতেই বাণীমাহীয়েকৰ ঘৰ। এই শাওণ মহীয়া গৰম দুপৰীয়া নিশ্চয় বেচ ভাললগা হৈ উঠিছে বাণীমাহীয়েকহঁতৰ সেই ঠাইখনি। বাণীমাহীয়েকহঁতৰ ঘৰৰ সমুখেদি আলিবাটটো। তাৰ সিকাষেদি ভৰলু নদী। বাৰিষাৰ ভৰলু পানীৰে এতিয়া উপচি আছে নিশ্চয়। এই গৰম দুপুৰীয়া নদীৰ পানীৰ ওপৰেদি বৈ অহা বতাহ জাক নিশ্চয় বাণীমহীয়েকহঁতৰ ঘৰলৈও বৈ আহিছে। সেই বতাহত তেওঁলোকৰ সমুখৰ ৰাস্তাৰ কাষত থকা চেগুণগছবোৰৰ বহল বহল পাতবোৰ কিজানি কঁপি আছে। চেগুণ গছৰ পাতৰ কঁপনিত হয়তো ফিৰ্ ফিৰ্ এটি শব্দ উঠিছে। আৰু নদীৰ বুকুত উঠিছে পানীৰ সোঁতে সৃষ্টি কৰা কুলু কুলু শব্দ। ঠাইখন যে কেনে ৰমণীয় হৈ পৰিছে এই নীৰস দুপৰীয়া। অৰুন্ধতীৰ একে জাঁপেই আহি কুমাৰপাৰাৰ বাণী-মাহীয়েকহঁতৰ ঘৰৰ সমুখত থিয় দিবৰ মন গ'ল। অৰুন্ধতীয়ে ৰাজবাটৰ 'ফুটপাথ'ত থিয় হৈ ৰিক্সা বিচাৰিছিল। কেনিও ক'তো ৰিক্সা এখনো পাবলৈকে নাই এই দুপৰীয়া। ৰিক্সাবোৰনো মানুহৰ কি কামত আহে? এয়া টানকৈ ৰ'দ দিলে। লগে লগেই ৰিক্সাৱালা বোৰে আৰু ৰিক্সা নচলোৱা হৈ পৰিল। এয়া বৰষুণ দিলে। লগে লগেই আৰু ৰিক্সা এখন ক'তো পাবলৈ নাইকিয়া হৈ পৰিল। ৰিক্সা পায় তেতিয়া, যেতিয়া বতৰ ইমান ভাল যে নিজেও খোজ কাঢ়ি যেনি তেনি যাব পাৰি। ৰিক্সাবোৰ তেন্তে লাগে কিয় মানুহক? 'এক্সিডেণ্ট্' বঢ়াবলৈ? অৰুন্ধতীৰ খং উঠিল। তাই চিটি বাছেৰেই যোৱাৰ কথা ভাবিলে। উহঁ! চিটি বাছেৰে যোৱা জানো উচিত? এই দুপৰীয়া হয়তো ঠাই পোৱা যাব। ভিতৰত মানুহৰ ভিৰ কম দুপৰীয়া। কিন্তু, কোন বাটেৰে যাব

চিটি বাছ ? গৌহাটী ক্লাব, বাৰোৱাৰী, লতাশিল। আৰু তাৰ পিচত ? এয়া যে অফিচৰ সময়। কাচাৰীৰ আগেৰে বাছ নাযাব জানো ? কাচাৰীত কোন থাকিব ? কোন থাকিব ? ধেৎ! অৰুন্ধতীৰ লাজ লাগে। তেখেত মেজিষ্ট্ৰেট্ নহয় ? সেই সময়ত যদি বাহিৰলৈ ওলাই আহে কিবা কাৰণত ? আচ্ছা, অৰুন্ধতী চিটি বাছতেই গ'ল বাৰু। বাছখন কাচাৰীৰ আগত ৰ'ল। তেখেত ওলাই আহিল। অৰুন্ধতী খিৰিকীৰ মুখত বহি আছে। তাইক তেখেতে দেখিলে। মাতিবনে বাৰু তাইক ? কি বুলি মাতিব তাইক ? অৰুন্ধতীৰ লাজ নালাগিবনে ? ওহোঁ, নোৱাৰি। তেনেকৈ যাব নোৱাৰি। ভদ্ৰপৰি—। এয়া কি ? তাইৰ ঘড়ীটো ক'ত ? আই ঐ দেহি। তাইচোন ঘড়ীটো পিন্ধিবলৈ পাহৰি আহিছে। অৰুন্ধতী নিমিষতে ঘৰলৈ উভতি গ'ল। কেচ্টোৰপৰা ঘড়ীটো উলিয়াই পিন্ধি ললে। ঘড়ীটো পিন্ধি লৈয়েই অৰুন্ধতীৰ বৰ লাজ লাগি গ'ল। কাৰ ঘড়ী পিন্ধিছে এয়া অৰুন্ধতীয়ে ? অৰুন্ধতীৰ চকুযুৰি আপোনা আপুনি মুদ খাই গ'ল। মুখখন তাইৰ কোঁচ খাই গ'ল সাধাৰণ ভাৱে। ল'ৰাজন এদিন আহিছিল অৱশেষত। মুখখন উৎকৎ ধুনীয়া নহ'লেও স্বাস্থ্যটো তেখেতৰ ইমান হৃষ্ট পুষ্ট আৰু শৰীৰটো ইমান সুগঠিত যে ল'ৰাজন দেখিলেই ভাল লাগি যায়। অৰুন্ধতীৰো ভাল লাগি গৈছিল তেখেতক দেখিয়েই। কিন্তু তাতকৈয়ো অৰুন্ধতীৰ ভাল লাগিছিল তেখেতৰ নম্ৰতাখিনি। এজন ডেকা ল'ৰা, উচ্চ চাকৰি, চৰকাৰী ক্ষমতাৰে ক্ষমতাপন্ন— তথাপিও অকণমান অহঙ্কাৰৰ চিন চাব নাই চেহেৰাত, চকুত, আৰু মুখত। সঁচা কথা কবলৈ গ'লে অৰুন্ধতীক যেন সমীহ কৰিহে কথা বতৰা কৈছিল তেখেতে। ঘড়ীটো ল'ৰাজনেই সেই দিনা অৰুন্ধতীক পিন্ধাই থৈ গৈছিল। তাৰ আগেয়ে, তেখেতৰ মাকহঁত আহি তাইক আঙঠি এটি পিন্ধাই থৈ গৈছিল। অৰুন্ধতীৰ হাতত এয়া তেখেতৰ ঘড়ী। অৰুন্ধতীৰ ভাবি কেনে যেন লাগিল।

হঠাৎ অৰুন্ধতীৰ গাটো বৰ গধুৰ লাগিল। ঘড়ী, আঙঠি, সোণৰ 'চেইন'—যাকে তাইক অলপতে গঢ়াই দিয়া এই সোণৰ 'চেইন' ডালি। উঃ, অৰুন্ধতীৰ শৰীৰটো যেন আৰু অৰুন্ধতীৰ নহয়। তাইৰ গাটো বৰ দুৰ্ব্বল লাগিল। এই শৰীৰটো যেন আৰু ঘুৰাই লৈ ফুৰিবলৈ নহয়। তাইৰ শৰীৰটোৰ ওপৰত তাইৰ নিজৰেই অধিকাৰ হেৰাই গৈছে। শৰীৰটোৰ লগে লগে তাইৰ মনটোও সেই মুহূৰ্ত্তত অতিশয় গধুৰ লাগিল। তাই ভোতাযোৰ খুলিলে আৰু অলসভাৱে বিছনাতে গাটো এৰি দিলে।

আৰু বাৰটা দিন। আৰু বাৰটা দিন। মাথোন বাৰটা দিন। তাৰ পিচতেই অৰুন্ধতীৰ পৰিচয় সম্পূৰ্ণ সলনি হৈ যাব। অৰুন্ধতী আৰু অৰুন্ধতী হৈ নাথাকে। অৰুন্ধতী চৌধুৰী হ'বগৈ অৰুন্ধতী বৰুৱা। গুৱাহাটীৰ যোৰপুখুৰীৰ পাৰৰ অবিনাশ বৰুৱাৰ বোৱাৰী, নিলয় বৰুৱাৰ পত্নী, অৰুন্ধতী বৰুৱা। ভাবটো মনলৈ অহাৰ লগে লগে অৰুন্ধতীৰ গাটোত কিহৰ যেন এটি শিহৰণ নাগিল। তাই উবুৰি খাই গাৰুটোত মুখখন হেঁচি ধৰিলে। অৰুন্ধতী বৰুৱা—মনে মনে এবাৰ উচ্চাৰণ কৰি চালে কেনে শুনায়। তাৰ পিচত, পুনৰ মনে মনে উচ্চাৰণ কৰিলে—অৰুন্ধতী দত্ত মজুমদাৰ। ধেৎ, কিবোৰ আহে তাইৰ মুখলৈ। কনক দত্ত মজুমদাৰৰ লগত, ডা: কনক মজুমদাৰৰ লগত আজি আৰু তাইৰ কি সম্পৰ্ক ? আৰু ধ্ৰুৱজ্যোতি দত্ত। কেনে হ'লহেঁতেন বাৰু ধ্ৰুৱজ্যোতি দত্তৰ সৈতে তাইৰ বিয়া হোৱা হ'লে ? শেক্স্‌পীয়েৰ্, শ্ব, গেটেক লৈয়েই সদায় ব্যস্ত হৈ থকা মানুহজনক কিয় জানো অৰুন্ধতীৰ স্বামীহিচাপে ভাবিবলৈ টান নাগিছিল। তেওঁৰ সঙ্গ ভাল পাব পাৰি, তেওঁক—মানুহ গৰাকীক ভাল লাগিব পাৰে। কিন্তু তেওঁক বিয়া কৰোৱা ! কিয় জানো অৰুন্ধতীয়ে ভাবিব নোৱাৰিছিল তেওঁক বিয়া কৰোৱা কথাটো।

তাইৰ ভাবীস্বামী নিলয় বৰুৱাৰ সৈতে হঠাৎ ধ্ৰুৱজ্যোতি দত্তক এবাৰ তাইৰ তুলনা কৰি চাবৰ মন গ'ল। ধ্ৰুৱজ্যোতি দত্তৰ সৈতে তাইৰ বিয়া হ'লেও তাইৰ অস্তিত্ব ঠিক একেদৰেই লোপ পোৱাৰ উপক্ৰম হ'লহেঁতেন জানো ? এজন মানুহ—শাৰীৰিক আড়ম্বৰৰ প্ৰতি, সাংসাৰিক অৰ্থ—সম্ভাৰৰ প্ৰতি যাৰ কোনো ভ্ৰূক্ষেপ নাই। অৰুন্ধতীক তেওঁ কেৱল অৰুন্ধতীৰ ৰূপতেই চিনিছিল। অৰুন্ধতীক তেওঁ কেৱল অৰুন্ধতী হিচাপেহে পাবলৈ বিচাৰিছিল। নিলয় বৰুৱাই ঘড়ী পিন্ধোৱাৰ উপৰিও, অৰুন্ধতীক এতিয়া যেতিয়া নিলয় বৰুৱাৰ মাকে আঙঠি পিন্ধালে, বোৱাৰী হিচাপে চাই গ'ল, তেতিয়াহে অৰুন্ধতীৰ এই উপলব্ধি হ'ল। অৰুন্ধতী আৰু অৰুন্ধতী হৈ নাথাকে। তাই কাৰোবাৰ পত্নী, কাৰোবাৰ বোৱাৰী, আৰু কতনা লোকৰ কি হৈ যাবগৈ। এখন অচিনাকি ঘৰলৈ গৈ অচিনাকি মানুহবোৰক একে দিনাই নিজৰ বুলি অভিনয় কৰি কেতিয়া যে কেনেকৈ কত ভাও দিব লাগিব। ধ্ৰুৱজ্যোতি দত্তৰ সৈতে তেওঁৰ বিয়া হোৱা হ'লে, তাইৰ কিয় জানো ভাবিবৰ মন যায়, এইবোৰ তাই কৰিব নালাগিলহেঁতেন। তাই তাই হৈয়েই থাকিলহেঁতেন। সঁচাকৈয়ে ধ্ৰুৱজ্যোতি দত্তৰ সৈতে তাই বিয়াত সন্মতি দিয়াহেঁতেন।

কিন্তু তাই নিদিলে কিয় সন্মতি ধ্ৰুৱজ্যোতি দত্তৰ সৈতে তাইৰ বিয়াৰ ?

কিহৰ বাঁধা আছিল তেখেতক তাইৰ বিয়া কৰোৱাত? এৰা, ধ্ৰুবজ্যোতি দত্তৰ দৰে মানুহ এজনক স্বামী হিচাপে তাইৰ মনটোৱে নিবিচাৰিছিল। তাত বাহিৰে আৰু জানো একোৱেই কাৰণ নাছিল? ধ্ৰুবজ্যোতি দত্তই যেতিয়া তাইৰপৰা উত্তৰ বিচাৰিছিল, তাইতো ভৱা নাছিল—তাইৰ মনে তেখেতক স্বামীহিচাপে নিবিচাৰে বুলি। সেইটো তাই, পিচতহে ভাবি উলিয়াইছিল। তেন্তে কিয়? তেন্তে কিয় তাই তেখেতৰ দৰে মানুহ এজনক পোনচাটেই তেনেদৰে প্ৰত্যাখ্যান কৰিছিল? এৰা, ধ্ৰুবজ্যোতি দত্তক যে তাই একেবাৰে স্বামীহিচাপে কল্পনাই কৰা নাছিল তেখেতৰ সৈতে সম্পৰ্ক থকা দিন কেইটাত, সেইটো নহয়। বহুদিন কৰিছিল। কিন্তু কিয় জানো, যেতিয়াই তাই তেখেতক স্বামীহিচাপে গ্ৰহণ কৰাৰ কথা ভাবিছিল, তেতিয়াই সেইটো ন'ৰামতীয়া কামহে হ'ব যেন অনুভৱ কৰিছিল। অৰুন্ধতী মৰমত উঠা ছোৱালী। অৰুন্ধতী এখন সুপ্ৰতিষ্ঠিত পৰিয়ালত লালিত হোৱা ছোৱালী। অৰুন্ধতী মাক-দেউতাকৰ আশ্ৰয় আৰু স্নেহৰ ছত্ৰ-ছায়াত ডাঙৰ হোৱা ছোৱালী। তাই তেনে এখন সুপ্ৰতিষ্ঠিত পৰিয়ালেই বিচাৰে। তাই স্নেহ আৰু আৰ্থিক নিৰাপত্তাৰ দৃঢ় ছত্ৰ-ছায়াকেই বিচাৰে জীৱনত। ধ্ৰুবজ্যোতি দত্তৰ পৃথিৱী যেন অদৃঢ়, নিৰাপত্তাবিহীন এখন পৃথিৱী। তাত যেন অৰুন্ধতীয়ে নিৰাপদ বোধ কৰিব নোৱাৰিব। তাত যেন অৰুন্ধতীয়ে নিৰাশ্ৰয় বোধ কৰিব। এনেকুৱা এটি ধাৰণাতেই তাই ধ্ৰুবজ্যোতি দত্তৰ হোৱাটো কল্পনা কৰিব নোৱাৰিছিল নেকি? তাই যেন এখন বেলেগ সমতলৰ এটি বেলেগ শ্ৰেণীৰ প্ৰাণী। আৰু ধ্ৰুবজ্যোতি দত্ত আন এটি সমতলৰ, আন এক শ্ৰেণীৰ প্ৰাণী—যাৰ খাদ্য, যাৰ আচাৰ ব্যৱহাৰ, যাৰ ৰুচি-অভিৰুচি সম্পূৰ্ণ পৃথক।

কিন্তু এই ধাৰণাৰ বশৱৰ্তী হৈয়েই অকল তাই ধ্ৰুবজ্যোতি দত্তক নিৰাশ কৰিছিল জানো? ধ্ৰুবজ্যোতি দত্তক ইমান সহজতে আঁতৰাই পঠিয়াবৰ আৰু জানো একো কাৰণ নাছিল? কনক দত্ত মজুমদাৰ। তাইৰ কনক ভিনদেৰেক। তেওঁক লৈ তাইৰ যি আশা, আকাঙ্ক্ষা গঢ়ি উঠিছিল, সেয়েই জানো ধ্ৰুবজ্যোতি দত্তক এটি বেলেগ প্ৰাণী বুলি ভাবিবলৈ তাইক শিকোৱা নাছিল? কনক ভিনদেৰেকক লৈ গঢ়ি উঠা তাইৰ আশাবোৰৰ বাবে তাই ধ্ৰুবজ্যোতি দত্তক তেনেকৈ বিদায় দিছিল, নে দেউতাকৰ আৰ্থিক নিৰাপত্তাৰ এখন আড়ম্বৰপূৰ্ণ পৃথিৱীত তাই ডাঙৰ হৈছিল বাবে তেখেতক প্ৰত্যাখ্যান কৰিছিল? আচল কাৰণ কোনটো? কোনটো আছিল তাইৰ প্ৰত্যাখ্যানৰ প্ৰকৃত কাৰণ?

কনক ভিনদেৰেক। সৰলতাৰে ভৰা মুখখনিৰে, নিৰ্জ্জু চাৱনিটোৰে কেনে যে মৰম লগা আছিল তাইৰ কনক ভিনদেৰেক। মুখখন বন্ধ কৰিয়ে মিঠা হাঁহিটো মাৰি দিয়ে অৰুন্ধতীক দেখিলে। কথাবোৰ বৰ সৰু সৰুকৈ কয় তাইৰ কনক ভিনদেৰেকে। গধূলি কেনে ব্যস্ত হৈ পৰে মানুহজন তেওঁৰ 'হস্পিটেল ডিউটি'ত। অৰুন্ধতীয়ে চেষ্টা কৰিছিল তেওঁৰ সেই ব্যস্ততা ভঙ্গ কৰিবলৈ। যিদিনাই তাই তেওঁক তেওঁৰ হস্পিটেলৰ ব্যস্ততাৰপৰা আঁতৰাই লৈ যাব পাৰিছিল নদীৰ পাৰত ফুৰিবলৈ বা পাণবজাৰৰ ৰেষ্টুৰেণ্টত চাহ খাবলৈ বা কোনোখন চিনেমা বা থিয়েটাৰ চাবলৈ, সেইদিনাই তাই বিজয়ৰ গৌৰৱত ওফন্দি উঠিছিল। পাণবজাৰৰ সেই আটাইবোৰ বিয়লি আৰু সন্ধিয়াৰ কথা অৰুন্ধতীৰ চকুৰ আগত ফটফটীয়া হৈ পৰিল। সেই প্ৰতিটো আবেলি, সেই প্ৰতিটো গধূলি কেনে ৰঙীণ, কেনে উন্মুক্ত, কেনে আনন্দমুখৰ হৈ নামি আহিছিল আৰু আঁতৰি গৈছিল। অৰুন্ধতীৰ কাষে কাষে খোজ কঢ়া, অথবা পাণবজাৰৰ কোনোবাখন ৰেষ্টুৰেণ্টৰ ফুলাম পৰ্দাৰ আঁৰত কণমান টেবুলখনৰ আনফালে বহি চাহ খোৱা কনক ভিনদেৰেকটোক অৰুন্ধতীয়ে যেন কিবা এক নুবুজা মাদকতাত গিলিহে থৈ দিব। গঁচাকৈয়ে কেনে পাগলীজনী হৈ পৰিছিল অৰুন্ধতী সেই সময়খোৰত। আচৰিত, সেইবোৰ গধূলি, সেইবোৰ ঘটনা এই একেখন গুৱাহাটীৰেই ভিতৰতে এই যে একেইজনী মানুহৰ জীৱনলৈ আহিছিল, আজিচোন অৰুন্ধতীয়ে তাক কল্পনা কৰিবলৈকেই টান পায়।

হঠাৎ অৰুন্ধতী চমকি উঠিল। তাই বিছনাতে বহি ললে। সৰ্ব্বনাশ। কনক ভিনদেৰেকে তাইক কিনি দিয়া সেই কিউপিড আৰু ছাইকিৰ মাৰ্ব্বলৰ যুগ্মমূৰ্ত্তিটো ক'ত? তাই বিছনাৰপৰা সাউৎ কৰে উঠি গ'ল আৰু তাইৰ চামৰাৰ চুটকেচটো খুলিলে। চুটকেচৰ তলিৰ পৰা তাই উলিয়াই আনিলে সেই মাৰ্ব্বলৰ মূৰ্ত্তিটো। মূৰ্ত্তিটো হাতত লৈ সেইটিলৈ চাই ৰ'ল অৰুন্ধতী বহুতো সময়লৈ। কিউপিডৰ গাতে গা লগাই থকা ছাইকিৰ সৌষ্ঠৱ দেহৰ প্ৰতিটো অঙ্গতে কি যে এক লীলায়িত ভঙ্গী! আৰু কিউপিড? আৰু কিউপিড?

অৰুন্ধতীয়ে আৰু চাই থাকিব নোৱাৰিলে কিউপিডৰ মূৰ্ত্তিটোৰ পিনে। কনক ভিনদেৰেক। উঃ কনক ভিনদেৰেক তাইৰপৰা আজি কিমান আঁতৰত! কিন্তু যাওক। থাকিলেই বা আঁতৰত। তাৰপৰা ক্ষতি কি অৰুন্ধতীৰ? তেওঁ সৎ হোৱা হ'লে, তেওঁ নিৰ্দ্দোষ হোৱা হ'লে, তেওঁ পুৰুষ হোৱা হ'লে······। কিন্তু যাওক। সেইবোৰ ভাবিয়েই বা এতিয়া লাভ কি?

অৰুন্ধতীয়ে কিউপিড আৰু ছাইকিৰ যুগ্মমূৰ্ত্তিটোৰ পিনে পুনৰ চালে। কিউপিডৰ মূৰ্ত্তিটোৰ তলত খোঁদিত কৰা আছে 'কনক'; ছাইকিৰ মূৰ্ত্তিটিৰ তলত খোদিত কৰা আছে 'অৰুন্ধতী'। অৰুন্ধতীৰ খং উঠি গ'ল। কি অধিকাৰ আছিল ডাঃ কনক দত্ত মজুমদাৰৰ এই মূৰ্ত্তিযুৰিৰ তলত সিহঁতৰ নাম দুটি কটাই মূৰ্ত্তিযুৰি তাইক উপহাৰ দিবলৈ? ডাঃ কনক দত্ত মজুমদাৰ সেইবাৰ কিবা কাৰণত বোম্বাইলৈ যাবলৈ ওলাইছিল। অৰুন্ধতীয়ে কৈছিল, 'মোলৈ কি উপহাৰ আনিব?' ৰেষ্টুৰেণ্টত বহি দুয়ো চাহ খাই আছিল। কনক ভিনদেৱেকে সুধিছিল তাইৰ চকুলৈ চাই পঠিয়াই, এটি মিচিকিয়া হাঁহি মাৰি, 'কোৱা, তোমাক কি লাগে?' অৰুন্ধতীয়ে তাৰ উত্তৰত কি কৈছিল? ধেৎ। কিয় কৈছিল তেনেকৈ? তাইৰ লাজ লাগি গ'ল তাইৰ উত্তৰটো মনত পৰি। তাই কৈছিল, 'আজিলৈকে মোক কি লাগে যদি তাকেই বুজিব নোৱাৰিলে, যাওঁক। একোকে আনিব নালাগে আপুনি।' কিছুদিন পিচতেই কনক ভিনদেৱেক বোম্বাইৰপৰা উভতি আহিছিল। অৰুন্ধতী আচৰিত হৈছিল। তেওঁ ঠিক তাই বিচৰা ধৰণৰ উপহাৰ এটিয়েই লৈ আহিছিল। এই উপহাৰটি। উপহাৰটি পাই তাই অতিশয় আনন্দ পাইছিল। তথাপি তাই দেখুৱাইছিল, তাই যে সুখী হোৱা নাছিল। কিয় জানো কনক ভিনদেৱেকৰ ওপৰত অত্যাচাৰ কৰি তাইৰ ইমান ভাল লাগিছিল। তাই কৈছিল 'বৰ উপহাৰটো আনিলে। কি কৰিম মই এই মাৰ্ব্বল ডোখৰেৰে?' কনক ভিনদেৱেকে কৈছিল, 'মাৰ্ব্বল হিচাপে ইয়াক লৈছা কেলেই? ইয়াৰ জানো একোৱেই তাৎপৰ্য্য নাই?' কিউপিডৰ মূৰ্ত্তিটোলৈ তেওঁ আঙুলিয়াই দিছিল আৰু কৈছিল, 'এইজন মই।' তাৰ পিচত তেওঁ ছাইকিৰ মূৰ্ত্তিটো দেখুৱাই দি কৈছিল, 'আৰু এয়া তুমি'? কনক ভিনদেৱেকে হাঁহিছিল। অৰুন্ধতীয়েও হাঁহিছিল। তাই কৈছিল, 'কলেই নহ'ব। তলত লিখাই দিয়ক।' কনক ভিনিদেৱেকে তাইৰ কথা শুনিছিল। তেওঁ যুগ্মমূৰ্ত্তিটো পুনৰ লৈ গৈছিল আৰু কিছুদিন পিচত নাম দুটা কটাই আনি যুৰাই দিছিল তাইক। কিমান যে আনন্দ পাইছিল সেইদিনা অৰুন্ধতীয়ে। কিন্তু আজি? ক'ত সেই কিউপিড? তাইৰ বৰ খং উঠি গ'ল ডাঃ কনক দত্তক মজুমদাৰলৈ। কিউপিড নহয়, কাপুৰুষ। তাই দাঁত কৰচি উঠিল মূৰ্ত্তিটো হাতত লৈয়েই। মজিয়াত আচুৰি ভাঙি চুৰমাৰ কৰিব নেকি এই মূৰ্ত্তিটো তাই?

খন্তেক পিচতেই অৰুন্ধতী কুমলি উঠিল। দোষ জানো কনক ভিনদেৱেকৰ? তাই পুনৰ আহি বিছনাত পৰি ৰ'ল। কোমলমনা কনক

ভিনদেৱেকক তাই তাইৰ বিজৰ ইচ্ছা মতেই চলাই নৈ গৈছিল। উপহাৰ তাই নিজেই খুজি লৈছিল। মূৰ্তিৰ তলত তাইৰ নাম তাই নিজেই কটাই লৈছিল। হস্পিটেলৰখৰা তেওঁক তাৰেই টানি নি ৰেষ্টুৰেণ্টত বহুৱাই লৈছিল আৰু তাৰ পিচত তায়েই তেওঁক চাহ চালি দিছিল। এইবাৰ অৰুন্ধতীৰ মুখখন পোহৰ হৈ উঠিল। তাই যেন অলপ হাঁহিব খুজিলে। এবাৰ কি হৈছিল? কনক ভিনদেৱেকে ৰেষ্টুৰেণ্টত বহি যেতিয়া চাহৰ কাপটো লৈ চাহত শোহা মাৰিলে, তাই কৈ উঠিল, 'লাজ নাপায়? ইমান আপোনপেটা। এচামুচ চাহ মোৰ ইয়াত দিব নোৱাৰিলে?' কনক ভিনদেৱেকে হাঁহিছিল, সেই মুখ বন্ধ কৰি মৰা বিশেষ হাঁহিটো। 'কিহৰ হাঁহিছে, কেচুৱাটোৰ দৰে? চাওঁ' বুলি অৰুন্ধতীয়ে কৃত্ৰিম খঙত একো লাই হৈ কনক ভিনদেৱেকৰ আধা খোৱা চাহৰ কাপটোৰপৰা চাহ চালি নিজৰ কাপটো পূৰ কৰি ললে। তেতিয়া তেওঁ কি কৈছিল? অৰুন্ধতীৰ মনত পৰিল। তেওঁ কৈছিল তেওঁৰ সেই বিশেষ হাঁহিটো মাৰি, 'বেমাৰ বিয়পিব দেই।' অৰুন্ধতীয়ে তেতিয়া মুখত কি যে এক গম্ভীৰতা লৈ চামুচপাত জোঁকাৰি কৈছিল, 'কিপ চাইলেণ্ট্, ডক্টৰ। বেমাৰৰ এই ৰাজ্যত প্ৰৱেশ নাই।' অৰুন্ধতীৰ মুখখন আৰু বেচি উদ্ভাসিত হৈ উঠিল। তাই চঞ্চল হৈ উঠিল।

কিন্তু সেই আটাইবোৰৰ, বাবে অৰুন্ধতীয়েই জানো দোষী? অৰুন্ধতীৰ কথাবোৰ এবাৰ পাগুলি চাবৰ মন গ'ল। তাই পুনৰ বিছনাত পৰিল। অৰুন্ধতীয়ে যেতিয়া পঞ্চম, ষষ্ঠমানত পঢ়ি আছিল, তেতিয়াই কনক দত্ত মজুমদাৰহঁতৰ ভিনদেৱেকে আৰু আনকি অৰুন্ধতীৰ মাকেও তাইক কনকলৈ বিয়া দিব বুলি তাইক জানো জোকোৱা নাছিল? তাই যেতিয়া ডাঙৰ হ'ল, তাই যেতিয়া গাভৰু হ'ল, তেতিয়াও ডাঙৰ ভিনদেৱেকে অন্ততঃ তাইক জোকাবলৈ এৰা নাছিল। তাই যেতিয়া গুৱাহাটীলৈ পঢ়িবলৈ আহিল, তেতিয়াও সেই ঠাট্টাৰ সামৰণি পৰা নাছিল। বোৱপুখুৰীৰ পাৰৰ অৱনি ডাক্টৰৰ বৈণীয়েকে এইবাৰ আগভাগ লৈছিল তাইক কনকৰ বোৱাৰী বুলি জোকোৱাত। এইবোৰ কাৰণতেই নে কিয় জানো তাইৰ কণক ভিন-দেৱেকক ভাল লাগি গৈছিল। তেওঁৰ নিৰ্জ্জু প্ৰকৃতিটোৰ ওপৰত তাই সহজেই আধিপত্যও কৰিব পাৰিছিল। হয়, কনক ভিনদেৱেকক গঁচাকৈয়ে তাইৰ ভাল লাগিছিল। তাৰ বাবে জানো তাই দোষী? নে তাইক কনকক লৈ জোকোৱা তাইৰ ডাঙৰ ভিনদেৱেক, মাক, অৱনি ডাক্তৰৰ বৈণীয়েকহঁত? নে কনক ভিনদেৱেক?

এৰা, হয়তো কনক ভিনদেৰেকেই। হয়তো কনক ভিনদেৰেকেই দোষী তাইৰ বিয়া তেওঁৰ সৈতে নোহোৱাৰ বাবে। তেওঁৰ মুখখনত যিমান সৰলতা, তেওঁ সিমান সৰল কেতিয়াও নহয়। তেওঁৰ চেহেৰা যিমান নিৰ্জ্জু, তেওঁ মানুহজন সিমান নিৰ্জ্জু কেতিয়াও নহয়। ডাঃ কনক দত্ত মজুমদাৰ পুৰুষ নহয়। তেওঁ নাৰীও নহয়। তেওঁ শিশু। তেওঁ অপ্ৰাপ্তবয়স্ক। তেওঁৰ শিক্ষা, তেওঁৰ সৌন্দৰ্য্য, তেওঁৰ স্বাস্থ্য, তেওঁৰ প্ৰতিষ্ঠা—সকলো অৰ্থহীন। সকলো অথলে গৈছে। অৰুন্ধতী সিমানলৈ আগুৱাই যোৱাৰ পিচত, সেইবাৰ বসন্ত ওলাই তাই পৰীক্ষা দিব নোৱাৰিলে। তাই হোষ্টেল এৰি, টিহুত থাকিবলগীয়া হ'লগৈ। পুনৰ এবছৰৰ মূৰত তাই তাতেই পৰীক্ষা দি বি. এ. ৰ প্ৰথম অংশ পাচ কৰিলে। তাৰ পিচতো তাই তাতেই পঢ়িব লগীয়া হ'ল। তাই বি. এ.ৰ দ্বিতীয় অংশও টিহুতেই পাচ কৰিলে। বি. এ. দিয়াৰ লগে লগেই অৰুন্ধতীৰ বিয়াৰ প্ৰশ্ন উঠিল। অৰুন্ধতীৰ মাক দেউতাকে কথা পতা তাই শুনিছিল যে কনকৰ সৈতে তাইক বিয়া দিব পাৰিলে, তেওঁলোকে ভালেই পায়। তৃতীয় পুৰুষৰ হতুৱাই তেওঁলোকৰ ইচ্ছা কনক ভিনদেৰেকৰ মাক দেউতাকহঁতলৈ জনাইছিলওঁ। কিন্তু কিয় সেই সময়ত কনক ভিন্‌দেৰেকৰ মাক-দেউতাকহঁত ইমান নীৰৱ হৈ থাকিল? তাইৰ মাকে অৱশেষত শ্বিলঙৰ তাইৰ বাইদেৰেকলৈ চিঠি দিয়াটোও আনকি তাই জানে। নিজকে ইমান সৰু কৰিও তাইৰ মাক দেউতাক ইমান আগ বাঢ়িছিল কনকৰ বাবে। কিন্তু বাইদেৰেকে লিখি পঠিয়াইছিল কি? তাইৰ স্পষ্ট মনত আছে। তাই চিঠিখন মাকৰ গাৰুৰ তলৰপৰা আনি গুপুতে পঢ়িছিল। বাইদেৰেকে লিখিছিল, "আমাৰ বাপুৰ বিয়াৰ বাবে ঘৰত দেখোন আজি কালি একো কথাই নোলায়। তেওঁক আৰু উচ্চ শিক্ষা লবলৈ বোম্বাই নে মাদ্ৰাজলৈ দুবছৰৰ কাৰণে পঠিওৱাৰ কথাকে ঘৰখনত আজি কালি বেচিকৈ ওলায়। উপযাচি তাইৰ বিয়াৰ বাবে এওঁলোকক কবলৈ মোৰো বেয়া লাগে। তাইক বিয়া দিবিয়েই যেতিয়া, আন দৰা জানো নোপোৱাকৈ থাকিবি?"

অৰুন্ধতীৰ মাক-দেউতাকে লগে লগেই সেইজন ল'বাৰ আশা এৰি আন ল'ৰা বিচৰাত লাগি গৈছিল। পাত্ৰ ওলাইছিল কেবাজনো। এঞ্জিনিয়াৰ, প্ৰফেচৰ, এম. এ. পাচ শিক্ষক, বি. ডি. ও., এছ. ডি. চি. আৰু যে কত ধৰণৰ ল'ৰাৰ কত খবৰ আহিল সেই কেইদিনত। অৰুন্ধতীৰ অসহ্য লাগিছিলা। কনক ভিনদেৰেকৰ আশা বাদ দি দিও তাই বিয়

মোৱাৰিছিল। অৱশেষত তাই নিজেই এবাৰ তেওঁক সুধি চোৱা ঠিক কৰিলে। চিঠিখনত কি লিখিছিল অৰুন্ধতীয়ে, এতিয়াও তাইৰ সুন্দৰকৈ মনত আছে: "কনক ভিনদেউ, হাস্পাতালৰ ৰোগাৰ খবৰৰ বাহিৰে, পৃথিৱীত যে আন খবৰো আৰু বহুত আছে, তাৰ গম জানো পায়? মোৰ বিয়া পাতিব খুজিছে দেউতাইঁতে, শুনিছেনে নাই? ঘৰত দৰা বিচাৰি হায়ৰাণ। আপুনিয়ে এজন দৰা বিচাৰি দিবচোন ভাল চাই। বেচি নালাগে, আপোনাৰ দৰে ডাক্তৰ এজন হ'লেই হ'ল।"

চিঠিখন পোষ্ট কৰাৰ পিচদিনাৰ পৰাই অৰুন্ধতীয়ে উত্তৰলৈ আশা কৰি গল খিয় কৰি বৈ আছিল। উত্তৰ কিন্তু নাপাইছিল তাই। এদিন গৈছিল, দুদিন গৈছিল; এসপ্তাহ গৈছিল, দুসপ্তাহ গৈছিল। তথাপিও, তাইৰ কনক ভিনদেৱকৰপৰা চিঠিৰ উত্তৰ নাহিছিল। তাই আৰু আশা এৰি পেলাইছিল। উঃ ভগৱান! কেনে যে লাগিছিল তাইৰ সেই কেইটা দিন! ইতিমধ্যে তাইক সেইফালেই কাম কৰা এঞ্জিনিয়াৰ এজনে চাইও গৈছিল। ল'ৰাজনে ঘৰত গৈ ভাবি চিন্তি তেওঁৰ উত্তৰ পঠিয়াব বুলি কৈ গৈছিল। ল'ৰাজনৰ মত পালেই অৰুন্ধতীৰ মাক-দেউতাকেও তাইৰ মত বিচাৰিব বুলি তেওঁলোকে কোৱা কুই কৰিছিল। তাই আৰু বেচি অধৈৰ্য্য হৈ উঠিছিল। তাইৰ মত সুধিলে, তাই কি ক'ব? তাইৰ কনক ভিন্দেৱকৰ চিঠি যে তেতিয়াও নাহিল? অৱশেষত চিঠি আহিছিল। তাইৰ কনক ভিন্দেৱেকৰ চিঠি আহিছিল। তেওঁ লিখিছিল, "মৰমৰ অৰুণমণি (উঃ! এই সম্বোধনটো যে তেওঁ সেই চিঠিখনতো কৰিব পাৰিছিল! কেনে বিচিত্ৰ এই পুৰুষ জাতটো!), তোমাৰ বিয়াৰ খবৰ পাই বৰ বং পালোঁ। তোমাৰ বিয়াৰ কথা শুনি মোৰো বিয়া কৰাবৰ মন গৈছে, জানা? পিচে আমাৰ ঘৰত দেখোন মোৰ বিয়াই পাতিব নোখোজে? মই মাত্ৰাজলৈ উচ্চ শিক্ষাৰ বাবে যোৱাতহে তেওঁলোকে জোৰ দিছে। বাৰু, তোমাৰ বিয়াখনেই আগতে হৈ যাওক। বিয়াৰ পিচত যেতিয়া বোৱাৰী হ'বা, সংসাৰত সোমাই পৰিবা, তেতিয়া মোৰ বাবে তুমিয়েই এজনী ভাল চাই ছোৱালী চাই দিব পাৰিবা। ভাল চাই চাবা কিন্তু।"

নিষ্ঠুৰ! অৰুন্ধতীয়ে দাঁত কৰচি উঠি বহিল, ঠিক যেনেকৈ আজি এবছৰ আগতে দাঁত কৰচি তাই কালি টুকুৰা-টুকুৰ কৰিছিল সেই চিঠিখন। কোঠাৰ ভিতৰতে তাই ইফালে সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে। চকুত পৰিল, পুনৰ সেই *কিউপিড আৰু ছাইকিৰ মূৰ্তিটোত। তাই মূৰ্তিটো

হাতত তুলি ললে আৰু দাঁত মুখ কামুৰি সেইটো ওপৰলৈ ডাঙিলে ঃ 'ননচেন্স্!" তাইৰ মুখৰপৰা ওলাই গ'ল। তেওঁ তাইক সেইটো উপহাৰ দিছিল, তাৰ তাৎপৰ্য্য ব্যাখ্যা কৰিছিল; আৰু তাই এজনী মূৰ্খৰ দৰে তাতে ভোল গৈ ইয়াকে সাৰটি লৈ মূৰ্খৰ স্বৰ্গ ৰচনা কৰিছিল। নৰকলৈ যাওক সেই যুগ্মমূৰ্ত্তি, সেই যুগ্মস্বপ্ন। তাই কিউপিড আৰু ছাইকিৰ যুগ্মমূৰ্ত্তিটো সেই মুহূৰ্ত্ততে মজিয়াত জোৰকৈ দাঁত মুখ কামুৰি আচাৰ মাৰি দিলে আৰু লগে লগেই তাই বিছনাত পৰি গ'ল আৰু গাৰুটোত মুখখন হেঁচি ধৰি উচুপিবলৈ ধৰিলে। চকুলোৰে তাইৰ গাৰুটি সেমেকি গ'ল।

কনক ভিনদেৰেকৰ চিঠি পোৱাৰ দুদিনমান পিচতেই শ্বিলঙৰ বাইদেৱেক আহিছিল। তেওঁ কৈছিল মাক দেউতাকক, 'বাপুৰ বিয়া কৰাবলৈ মত আছিল অৰুন্ধতীক। অৰুন্ধতীৰ ভিনদেৰেকৰো মত আছিল। কিন্তু মাক-দেউতাকৰহে মত নাই এইৰ লগত। তাতকৈ তেওঁক দুবছৰ পঢ়ুৱাবলৈ পঠোৱাকেই তেওঁলোকে ঠিক কৰিলে। আমাৰ বাপুটো কেনে বাধ্য হ'ব জানই মাকদেউতাকৰ। মাকৰ মূৰৰ বিষ উঠিলে এতিয়াও মূৰ শিতানত বহি মাকৰ মূৰ টিপি টিপি কান্দে। তেনে ল'ৰাইনো মাক-দেউতাকৰ বিৰুদ্ধে গৈ নিজেই এযাৰ কিবা কৰনে?'

অৰুন্ধতীৰ কান্দোন বন্ধ হৈছিল। তাই ভাবিলে, নকয় নকওক। তাইৰ কি ক্ষতি হ'ল? এৰা, এৰা, তাই ঠিকেই কৰিছিল। তাই সেই সময়ত যাৰে তাৰে লগত বিয়াত সন্মতি দিবলৈ প্ৰস্তুত হৈছিল। ইতিমধ্যে তাইৰ পৰীক্ষাৰ খবৰ ওলাইছিল। তাই বি. এ. পাচ কৰিছিল। দেউতাকে তাইক সেইবাৰ বিয়া দিব নোৱাৰিলে পঢ়ুৱাবই লাগিব বুলি 'ট্ৰেন্সফাৰ'ৰ চেষ্টা কৰি আছিল। অৱশেষত তেওঁ পুনৰ গুৱাহাটীলৈ 'ট্ৰেন্স্ফাৰ' লৈ গুচি আহিল। অৰুন্ধতীক এম্. এ. পঢ়িবলৈ দিয়া এক প্ৰকাৰ ঠিক হৈছিল। কিন্তু তেতিয়াই ওলাল যোৰপুখুৰীৰ পাৰৰ নিলয় বৰুৱা। মেজিষ্ট্ৰেট্। যৰত সকলো সুখী হ'ল। ভাল ল'ৰা এজন ইমান সহজে পালে। অৰুন্ধতীয়েও ভাবিবলৈ চেষ্টা কৰিছে, তাই সুখী হৈছে। তাইৰ কোনো হানি হোৱা নাই, কোনো ক্ষতি হোৱা নাই ক'তোৱেই। নিলয় বৰুৱাই তাইক ঘড়ী পিন্ধাই গৈছে। নিলয় বৰুৱাৰ মাকে তাইক আঙঠি পিন্ধাই গৈছে। তাই আজি নিলয় বৰুৱাৰ। ডাঃ কনক দত্ত মজুমদাৰ বোলা ল'ৰা এজনক তাই কোনো দিন কেতিয়াও ভাল পোৱা নাছিল। তেওঁৰ ভাল পাবলগীয়া একোৱেই নাছিল। তেওঁৰ ব্যক্তিত্ব নাই, তেওঁৰ পুৰুষত্ব নাই, তেওঁৰ একো নাই। মাকৰ সুখ-দুখ, আশা-

আকাঙ্ক্ষাকে যি পুৰুষে নিজৰ সুখ-দুখ, আশা-আকাঙ্ক্ষা বুজি লব পাৰে, নিজৰ মনৰ সংবাদ নকলে পাহৰি যি পুৰুষে বাক-দেউতাকৰ আঙুলিৰ ইঙ্গিতত নিজৰ নিজস্ব বিসৰ্জ্জন দিব পাৰে, সেই পুৰুষৰ পুৰুষত্বক ধিক!- ডাঃ কনক দত্ত মজুমদাৰক ধিক!

আনহাতে ধ্ৰুৱজ্যোতি দত্ত? ধ্ৰুৱজ্যোতি দত্তৰ স্মৃতিবাশিয়ে তাইৰ চৌপাশ তেতিয়া ধূপৰ ধোৱাৰ দৰে আচ্ছন্ন কৰি পেলালে। ধ্ৰুৱজ্যোতি দত্তই এদিন সুধিছিল তাইক, 'তোমাৰ চকুত মই কি দেখা পালোঁ, জানা?' অৰুন্ধতীয়ে সুধিছিল 'কি?' ধ্ৰুৱজ্যোতি দত্তই লগে লগে তেওঁৰ পেণ্টৰ যোনাৰ পৰা কোনো শিল্পীয়ে আঁকা এগৰাকী নাৰীৰ ফুলৰ দৰে স্নিগ্ধ, শান্ত, স্মিত এখনি মুখৰ এটি ছবি উলিয়াই তেওঁৰ চকুৰ আগত ডাঙি ধৰিছিল। অৰুন্ধতীয়ে তথা লাগি চাইছিল সেই মুখখনিৰ পিনে। সেই নাৰীমুখৰ ম্লান হাঁহিটিয়ে আৰু নিষ্কলুষ সৌন্দৰ্য্যই অৰুন্ধতীক অবাক কৰিছিল। সেয়া জানো অৰুন্ধতীৰেই প্ৰতিকৃতি হ'ব পাৰে ধ্ৰুৱজ্যোতি দত্তৰ মনত? অসীম গৌৰৱত অৰুন্ধতীৰ বুকুখনি সেই দিনা স্ফীত হৈ উঠিছিল। কিন্তু তাইৰ দৃঢ় বিশ্বাস আছিল, অৰুন্ধতী কেতিয়াও তেনে নহয়। সেয়া এক মহতী নাৰীৰ ৰূপ, কোনো এক শিল্পীৰ কল্পনাত ধৰা দিয়া অসামান্যাৰ ৰূপ, যি নাৰী, যি অসামান্যা কেতিয়াও অৰুন্ধতী নহয়। অৰুন্ধতীয়ে কৈছিল, 'মই যদি এনে হ'লোঁহেঁতেন, কথাই নাছিল দত্তদা।' দত্তই কৈছিল, 'মোতকৈ তোমাক কোনে আৰু বেচিকৈ চিনি পায়? নিজে জানো নিজৰ ৰূপ দেখা পোৱা কেতিয়াবা?' অৰুন্ধতীয়ে পৰিস্থিতিটো পাতল কৰিবৰ নিমিত্তেই টপৰাই উত্তৰ দিছিল, 'প্ৰাওঁতোন। মোৰ মুখখন জানোএটি বলৰ দৰে নহয়? এটি টেনিচবলৰ দৰে একেবাৰে মুৰণীয়া। ইমান কুৎসিৎ লাগে মোৰ নিজকে।' অৰুন্ধতীৰ কথাত দত্তই হাঁহিছিল। ছবিটো পুনৰ তেখেতে সন্তৰ্পণে তেখেতৰ যোনাত ভৰাই থৈছিল।

অৰুন্ধতীৰ মনটো পুনৰ উন্মনা হৈ উঠিল। সেই ধ্ৰুৱজ্যোতি দত্ত আজি ক'ত? কিমান দূৰত তাইৰ পৰা? এয়েই নেকি জীৱন তেন্তে? যাৰ আমাৰ প্ৰকৃত প্ৰয়োজন, যি আমাক এটি বিশিষ্ট ৰূপত চিনি পাইছে, তাক আমি তেওঁৰ প্ৰয়োজনৰ বেলিকা আঁতৰাই দি সন্ধান কৰিম এনে এগৰাকীক, যি আমাক নিবিচাৰে, যাৰ অভাৱ পৃথিৱীৰ যিকোনো একজনেই পূৰণ কৰিব পাৰে। তাৰ পিচত এদিন আমাৰ ভুল ভাঙিব, এদিন আমি বুজি পাম, আমি কি পাইছিলোঁ অযাচিতে, আৰু কি হেৰুৱালোঁ, ভুলক্ৰমে

আমাৰ আত্ম-উপলব্ধিৰ, আমাৰ আত্ম-শুদ্ধিৰ সেই পৰম মুহূৰ্ত্তত এদিন তুচ্ছ বুলি নেওচা দি অহা সেই হেৰোৱা ফুলৰ সুবাস বিচাৰি আমি উতলা হৈ উঠিম। কিন্তু প্ৰাণৰ সেই অধীৰ মুহূৰ্ত্তত, জীৱনৰ সেই পৰম সন্ধিক্ষণত, সেইখনি কাৰ মুখ, যিখনি আমি দেখা পাম আমাৰ নিচেই ওচৰত, আৰু যিখনিকে আমি আমাৰ নিচেই আপোন বুলি আমাৰ অশান্ত মনক নিচুকণি দিম?

অৰুন্ধতী উঠি গ'ল বিছনাৰপৰা। জীৱনৰ কিবা এক মহৎ উপলব্ধিয়ে তাইৰ মনৰ পৰিধি হঠাৎ যেন বহলাই দিলে। তাইৰ মনটো পাতল হ'ল। কৰবাৰপৰা এচমকা নিকা পোহৰ আহি যেন তাইৰ চতুৰ্দ্দিশ পোহৰাই তুলিলে। অৰুন্ধতী উঠি গৈ মজিয়াত পৰি থকা কিউপিড আৰু ছাইকিৰ মূৰ্ত্তিটো তুলি লব খুজিলে। ইয়াকতো আৰু লগত ৰাখিব নোৱাৰি। তাইৰ জীৱনৰ এটা অধ্যায়ৰ সকলো চিহ্নই যে তাই এতিয়া অৱলুপ্ত কৰি পেলাব লাগিব। কিন্তু আচৰিত! অৰুন্ধতীয়ে দেখিলে, কিউপিড আৰু চাইকিৰ সেই যুগ্মমূৰ্ত্তিটো, পকা মজিয়াত আচাৰ মাৰি দিয়াত, দুফাল হৈ আছে। ফাটটো সুন্দৰকৈ মূৰ্ত্তি দুটিৰ মাজেৰে মেলিছে। যুগ্মমূৰ্ত্তিটি তাই ওপৰলৈ তুলি আনিবলৈ খোজাৰ লগে লগেই দুয়োটি মূৰ্ত্তি বিচ্ছিন্ন হৈ গ'ল। অৰুন্ধতীয়ে আৰু দেৰি নকৰিলে। তেনেই নিৰ্ব্বিকাৰভাৱে তাই কিউপিডৰ মূৰ্ত্তিটি খিৰিকীৰে বাহিৰৰ নৰ্দ্দমালৈ দলি মাৰি দিলে। তাৰ পিচত ছাইকিৰ মূৰ্ত্তিটো হাতত তুলি ললে। হাতত তুলি লৈ তাই ভাবিলে, ইয়াৰো আৰু কোনো প্ৰয়োজন নাই। তাই সেইটিও আন এখন খিৰিকীৰে নৰ্দ্দমালৈ দলিয়াই দিলে।

অৰুন্ধতীৰ মনটো আৰু বেচি পাতল লাগিল এইবাৰ। তাইৰ খিৰিকীবোৰেৰে বাহিৰৰপৰা জাকে জাকে যেন নিৰ্ম্মল পোহৰবোৰ সোমাই আহিল। সেই মুহূৰ্ত্ততে অৰুন্ধতীৰ মনত পৰিল, ধ্ৰুৱজ্যোতি দত্তই এদিন তাইৰ বিয়াত উপহাৰ দিবলৈ বুলি কিতাপ এখন লৈ আহিছিল। কি নাম আছিল কিতাপখনৰ? গেটেৰ, অমৰ জাৰ্ম্মান কবি গেটেৰ উপন্যাস, "চাফাৰিংচ্ অৱ্ ইয়ং ৱাৰ্থাৰ্?" এৰা, অৰুন্ধতীৰ ঠিক মনত আছে। তেখেতে সেইখন অৰুন্ধতীৰ টেবুলতে এৰি গৈছিল। অৰুন্ধতীয়ে সেইখন তাইৰ চুটকেচত ভৰাই থোৱা নাছিল জানো? তাই লগে লগে চুটকেচটোৰ ওচৰ পালেগৈ। চাবিপাত হাতত লৈ চুটকেচটো খুলিলে। ধ্ৰুৱজ্যোতি দত্ত নিৰ্দ্দোষ। ধ্ৰুৱজ্যোতি দত্তৰ স্মৃতি তাইৰ জীৱনত অতি প্ৰয়োজন। তাই গোটেই চুটকেচটোতে কিতাপখন বিচাৰি

চলাথ কৰিলে। এটি স্মৃতি মাথোন, এটি ক্ষুদ্ৰ স্মৃতি বিচাৰি পাবলৈকো ধ্ৰুৱজ্যোতি দত্তৰ, অৰুন্ধতী সেই মুহূৰ্ত্তত উধাউল হৈ উঠিল। এটা হস্তাক্ষৰ, মাথোন এটি হস্তাক্ষৰো যদি বৈ গৈছে অৰুন্ধতীৰ ওচৰত ধ্ৰুৱজ্যোতি দত্তৰ, অৰুন্ধতীৰ জীৱন যেন কেনে মহৎ হৈ যাব। কিন্তু নাই। কিতাপ-খন ক'তো নাই ধ্ৰুৱজ্যোতি দত্তৰ। আজি কতোৱেই একো বৈ যোৱা নাই মানুহজনৰ।

অৰুন্ধতী অস্থিৰ হৈ উঠিল। এক অদ্ভুত ক্ষিপ্ৰতাৰে তাই তাইৰ চুটকেচৰ বিভিন্ন বস্তবোৰ নিমিষৰ ভিতৰতে ওলট-পালট কৰি পেলালে। হঠাৎ তাইৰ হাতত পৰিল, তাইক ঘড়ী পিন্ধাই যোৱাৰ পিচত বিদিনা তাইৰ ভাবীস্বামী দ্বিতীয় বাৰৰ বাবে আহিছিল তাইৰ ওচৰলৈ, সেইদিনা তাইক দি যোৱা তেখেতৰ আবক্ষ ফটোটি। তাইৰ ভাবীস্বামীৰ মুখখনিলৈ লগে লগেই তাই চাই পঠিয়ালে। তাই তধা লাগি চাই ৰ'ল তাইৰ ভাবীস্বামীৰ মুখখনৰ পিনে, এটি অজলা শিশুৰ দৰে, সৃষ্টিৰ আদিম পুৱাত পৃথিবীৰ আদিম নাৰীজনীয়ে প্ৰথম সূৰ্য্যোদয় চোৱাৰ দৰে।

অৰুন্ধতী ত্ৰিতত্ত্ব—(৩)

# অৰুন্ধতীৰ শান্ত্বনা

অৰুন্ধতীয়ে ভাবিবপৰা নাছিল, জীৱনটো তাইৰ এসময়ত ইমানেই ব্যস্ত হৈ পৰিব। অথচ মানুহে দেখাত কৰিবলগীয়ানো আছে কিটো? মনটিক পেৰাম্বুলেটৰখনত শুৱাই ঠেলি লৈ ফুৰে প্ৰায়ে কাঞ্চাই নিজেই। তাক কিন্তু কথা হৈছিল, কেচুৱাৰ যত্ন লবলৈ নহয়; বজাৰলৈ যোৱা, ধুবীৰ তালৈ যোৱা ইত্যাদি ইটো সিটো বাহিৰা কামবোৰ কৰিবৰ বাবেহে। ল'ৰা ছোৱালীৰ যত্ন লবলৈ খাটীয়ানী আয়াজনী আছেই। তথাপি কাঞ্চাটোৰ মনটিলৈ কি যে মৰমটো সোমাল। গোটেই দিনটো সি তাইক এৰিবই নোখোজে। আয়াজনী আৰু তাৰ মাজত মনটিক লবলৈ বুলি কঢ়া-আজোৰা লাগিলেহে চাবলৈ ভাল হয়। অৰুন্ধতীয়ে তেতিয়া সিহঁতৰ কোঁচালত 'ৰেফাৰি'ৰ কাম কৰিব লাগে। তথাপিও ভাঙি আনিব নোৱাৰে সিহঁতৰ কাজিয়া। মনটিও যিহে মৰম লগা হৈ উঠিছে। কণ কণ চকুযুৰিৰে কেনেকৈ যে চাই থাকে তাইৰ মুখখনৰ পিনে। কেতিয়াবা হঠাতে অকণমান মুখখনিৰে হাঁহিটো মাৰি দিয়ে পিৰিক্‌কৈ।

ইমান দিনে লিখিম লিখিম বুলিও লিখিব নোৱাৰা চিঠিখন আজি এই গধূলি লিখিব বুলি টেবুলৰ ওচৰত বহি লৈছিল অৰুন্ধতী। মনটিৰ কথা মনত পৰাৰ লগে লগে তাইৰ ইচ্ছা হ'ল মনটিক এবাৰ চাই আহিবলৈ। অৰুন্ধতী টেবুলৰপৰা বিছনালৈ উঠি গ'ল। আঠুৱাখন দাঙি মনটিৰ মুখৰ ওপৰলৈ অৰুন্ধতীৰ মুখখন নিলে। টোপনিত লালকাল শিশুটিৰ মুখখন কেনে ধুনীয়া দেখাইছে। অৰুন্ধতীয়ে তাইৰ মুখখন শিশুটিৰ মুখৰ ওচৰলৈ নমাই নিলে। কেচুৱাটিৰ মুখখনিতে চুমা এটি খাই দিবলৈ অৰুন্ধতীৰ তীব্ৰ ইচ্ছা হ'ল। কিন্তু তাইৰ ভাব হ'ল, চুমা এটি খাই দিলেই তাই সাৰ পাই উঠিব। অৰুন্ধতীৰ চিঠিখন আৰু লিখা হৈ নুঠিব। অৰুন্ধতীয়ে তাইৰ মুখখন আঁতৰাই আনিলে। মনটিৰ গাৰ কাপোৰবোৰ সন্তৰ্পণে ঠিক কৰি দিলে। তাৰপিচত তাই পুনৰ টেবুললৈ আহিল।

চিঠিখন তাই লিখিবই লাগিব। মনটিৰ দেউতাক ঘৰত থাকিলে চিঠিখন আৰু লিখা নহয়। ইটো সিটো কাম, সৰু-সুৰা কথাৰ বং ৰেবালি,

ছেদ ভেদ নোহোৱা মৰমৰ লুকাভাকু—এইবোৰৰ মাজেদিয়েই সময়বোৰ কাটি যায়। তেখেতে অফিচলৈ যোৱা সময়ত চিঠিখন লিখিব বুলি তাই সদায় থিৰ কৰে। কিন্তু নহয়গৈ। তেখেত অফিচ ওলাই যোৱাৰ পিচতেই গোটেই পৰিয়ালখনৰ খোৱা-বোৱাৰ ব্যস্ততা। তাইৰ নিজৰ আৰু আন সকলোৰে খোৱা-বোৱা শেষ হ'লে, বান্দনি যৰ আৰু খোৱা ঘৰটো পৰিষ্কাৰ কৰা হ'লনে নাই, সাজ-বাচনবোৰ ধুই ধাই পৰিপাটিকৈ থোৱা হ'লনে নাই—ঠাকুৰ, ভদ্রেশ্বৰ, কাঞ্চাইঁতৰ ওচৰত এইবোৰ কথাৰ তদাৰক। তাৰ পিচত, বিছনাত অলপ গাটো এৰি দি বিশ্ৰাম লওঁতে গোটেই আবেলিটো কেনেবা কেনেবা লাগি থাকে। ইতিমধ্যে বেডিঅ'টোত দুপৰীয়াৰ অনুষ্ঠানবো সময় হয়। বেডিঅ'ৰ সময় শেষ হয় মানে, তাই বিছনাৰপৰা উঠে মানে, আবেলিৰ চাহৰ যোগাৰ কৰিবৰ হয়েই, তাৰবাবে আকৌ ঠাকুৰ, ভদ্রেশ্বৰ, কাঞ্চাইঁতক টোপনিপৰা অখোৱা—সেইটোও সহজ কথা নহয়। তিনিওটাৰে যিহে কুম্ভকৰ্ণ নিদ্ৰা।

তেখেতে অফিচৰ কামত কলিকতালৈ যোৱা এই সাত দিনত তাইৰ দৈনন্দিন জীৱনত অলপ ব্যতিক্ৰম ঘটিছে। পৰহিলৈকেই তেখেতৰ সাত দিন পূৰ হ'ব। তেখেতে উভতি আহি পাব। এৰা, চিঠিখন অৰুন্ধতীয়ে আজি গধূলি লিখিবই লাগিব। কাইলৈ পোষ্ট কৰিব লাগিব। পৰহিলৈ তেখেত আহি পাবহি। লগে লগেই তাইৰ ব্যক্তিগত জীৱনটো পুনৰ তেখেতৰ জীৱনটোৰ সৈতে এক হৈ পৰিব। তাইৰ জীৱনৰ সকলো গূঢ়তা, সকলো প্ৰচ্ছন্নতা হেৰাই যাব। ঠিকেই, চিঠিখন তাই আজি লিখিবই লাগিব। আজি অতদিনে বিবোৰ কথাই তাইৰ মনটোত বাতি শোওঁতে, পুৱা টোপনিৰ পৰা উঠোঁতে, গধূলি নদীৰ পাৰত ফুৰোঁতে, নাইবা কাঁচীৰজাৰত গিৰীয়েকৰ সৈতে বজাৰ কৰোঁতে উগুল-থুগুল লগাই আছে, সেই আটাই-বোৰ কথা তাই অঞ্জলিলৈ লিখি তাইৰ মনটো পাতলাবই লাগিব। নহ'লে যে তাই বলিয়া হৈ যাব। অৰুন্ধতীয়ে কলমটো তুলি ললে আৰু সেই সময়ত শান্তি নিকেতনত সঙ্গীত পঢ়ি থকা ছাত্ৰী তাইৰ ভনীয়েক অঞ্জলিলৈ, গিৰীয়েকৰ 'ৰাইটিং পেড্'টোতে ওপৰৰ গিৰীয়েকৰ ঠিকনাটো কাটি, লিখি গ'ল :

মৰমৰ অঞ্জলি,

চেনেহ যাচিছোঁ। লবি।

আমাৰ বোৰপুখুৰীৰ পাৰৰে ত্ৰোতালী শিৱাক জান, নহয়? এইবাৰ

শান্তি নিকেতনৰ পৰাই পঢ়া শেষ কৰি যে উভতি আহিছে ? তেওঁৰ মুখতেই শুনিলোঁ, তোৰ বোলে তাত তোৰ স'তে একে লগে পঢ়া এজন বঙালী ল'ৰাৰ লগত বৰ মিলা-প্ৰীতি। কিজানি কথাষাৰ শুনিয়েই তই জঁপিয়াই উঠিবি। উঠাটো স্বাভাৱিক। মই কটন কলেজত পঢ়ি থাকোঁতে মানুহে যেতিয়া মই ডাঃ কনক দত্ত মজুমদাৰৰ লগত বৰকৈ ফুৰা-চকা কৰাটো সহিব নোৱাৰিছিল, তেতিয়া ময়ো ক্ৰুদ্ধ বাঘিনীৰ দৰে জঁপিয়াই উঠিছিলোঁ সেই মানুহবোৰৰ বিৰুদ্ধে। তেতিয়া মোৰ সেই মানুহবোৰক বৰ ঠেক মনা যেন লাগিছিল। মই ভাবিছিলোঁ, পৃথিৱীৰ এটা দিশত যেতিয়া মানুহবোৰে চন্দ্ৰলোকলৈ যোৱাৰ, মঙ্গল গ্ৰহলৈ যোৱাৰ প্ৰস্তুতি চলাইছে, ঠিক তেতিয়াই আমাৰ এই দিশটোত কেনেকৈ যে এই মানুহবোৰ গুহাৰ আন্ধাৰতে সোমাই আছে! এই চিঠি পঢ়াৰ পিচত, এতিয়া কিজানি তয়ো ভাবিবি, তোৰ বাইদেউ অৰুন্ধতীও সেই গুহাৰ আন্ধাৰতে সোমাই থকা নীচমনা মানুহবোৰৰ মাজৰে এজনী। কিন্তু তথাপিও জান, অঞ্জলি ? মোৰ আজি কালি প্ৰায়ে মন যায়, মই যেন এই পৃথিৱীৰ উচ্চতম পৰ্ব্বত-শিখৰত থিয় হৈ টেঁটু ফালি ফালি চিঞৰি সমগ্ৰ পৃথিৱীকে শুনাই দিম : মই ভুল বাটে গৈছিলোঁ। মোৰ সেই বাটেৰেই তোমালোক যিবোৰে আকৌ যাবলৈ উপক্ৰম কৰিছা, নাযাবা, উভতি আহা।

তোকো মই এই কথাষাৰি কবলৈয়েই এই চিঠিখন লিখিছোঁ, অঞ্জলি। তোৰ বয়সতো এতিয়া কম নহয়। তদুপৰি তই বিশ্বকবিৰ সৃষ্টি শান্তিনিকেতনত বাস কৰ আৰু অধ্যয়ন কৰ। এই সকলো কথা বুজিবলৈ চেষ্টা কৰিবি। শুনা কথা; আমাৰ মাৰ বোলে তেওঁৰ চিনাকি মহলত মোক লৈ বৰ গৌৰব। জোৱায়েক হাকিম। ছোৱালীৰ শহুৰেক, তেওঁৰ ঝিয়েয়েক অৱসৰপ্ৰাপ্ত উচ্চ পুলিচ বিষয়া। ছোৱালীৰ শহুৰেকৰ ঘৰ গুৱাহাটীৰ দৰে এখন ঠাইৰ পুৰণি, সম্ভ্ৰান্ত ঘৰ। মটৰ গাড়ী আছে। নতুনকৈ সজা দুমহলীয়া পকা ঘৰ আছে। মাৰ গৌৰৱ কৰিবলগীয়া বিষয়ৰ অন্ত নাই। ময়োতো কওঁ, ৰাজৰাণীৰ সুখত আছোঁ মই। ভাত ৰান্ধিবৰ বাবে আছে ঠাকুৰ, ৰান্ধনিক সহায় কৰিবৰ বাবে আছে চাকৰ, ইটো সিটো বাহিৰা কাম কৰি দিবৰ বাবে ৰাখি দিছে নেপালী চাকৰ, মনটিক চোৱা-মেলা কৰিবলৈ আছে আয়াজনী। আৰুনো কি লাগে ? গধূলি ভিনদেৱেৰাৰ লগত 'এম্বাশেচড'ৰ খন লৈ নদীৰ পাৰে পাৰে ফুৰিবলৈ ওলাই যাওঁ। উভতি আহোঁতে কাঁচী বজাৰত গাড়ীখন ৰাখি বজাৰ কৰোঁ। ঘৰত কেতিয়াবা কেতেৱাত নোহোৱা অৱস্থাত মন বেয়া লাগিলে আমাৰ শোৱা-কোঠাতেই

সুকায়াকৈ ৰেডিঅ' এটা আছেই। এজনী ছোৱালীয়ে ৰোৱাৰী হিচাপে আৰু কিবা বিচাৰে বুলি ভাব নেকি তই ?

তথাপিও মই জানো সুখী ? কিন্তু কিয় সুখী নহওঁ মই ? এনেকুৱা এখন ঘৰত, ইমানৰ পিচতো যদি কোনোবা সুখী নহয়, তেন্তে হয় তাই অসুস্থমনা, নহয় তাই ৰুগ্না। তই কি কৱ ? কিন্তু মোৰনো কি ৰোগ আছে ? আৰু অসুস্থমনা ? মই চোন স্বীকাৰ কৰিবলৈ টান পাওঁ, মোৰ কিবা মানসিক বিকৃতি আছে বুলি। আৰু যদি আছে, তেন্তে মই স্বীকাৰ কৰিবই লাগিব, এই মানসিক বিকাৰ মোৰেই আত্মকৰ্ম্মৰ ফল।

কৈশোৰৰ অবাঁধ চঞ্চলতা আজি মোৰ নাই। যৌৱন অতিক্ৰম কৰি নাহিলেও, যৌৱনৰ যি দুৰ্ব্বাৰ উচ্ছলতা, তাক চেঁপা দি নাইকিয়া কৰি দিছে মোৰ এই গাৰ্হস্থ্যধৰ্ম্মৰ লোহ আৱৰণীয়ে। সংসাৰৰ অভিজ্ঞতাৰ মণিকূটত নতজানু হৈ আজি মই উপলব্ধি কৰিছোঁ মোৰ ব্যক্তি-সত্বাৰ সমগ্ৰ দোষ-ক্ৰুটী। মোৰ ব্যক্তিত্ব অতিশয় দুৰ্ব্বল ; আৰু মই স্বাধীনমনা নহয়। আনে যেনেদৰে ভাবে, আনে মোৰ যি ভাল বুলি কয়—মই স্বাধীনমনা নহয় বাবেই, তাকেই মই সহজতে মানি লওঁ। মই নিজে যি ভাল বুলি ভাবোঁ, মোৰ মনে যি বিচাৰে বুলি মই জানোঁ, মোৰ ব্যক্তিত্বৰ দুৰ্ব্বলতাৰ বাবেই, তাক মই গ্ৰহণ কৰাৰ কথা ভাবিব নোৱাৰোঁ। চমু কথাত, মোৰ নিজা ব্যক্তিত্ব, নিজা মন বুলিবৰ একেবাৰেই নাই।

তই মোৰ কথা শুনি হাঁহিছনেকি, অঞ্জলি ? যদি মোৰ কথা সচাঁ নহয়, তেন্তে কিয় ধ্ৰুৱজ্যোতি দত্তক এবাৰ কথাও ভাবি নোচোৱাকৈ তেনেদৰে আঁতৰাই পঠিয়ালোঁ ? কনক দত্ত মজুমদাৰক আমাৰ ঘৰৰ আৰু তেওঁলোকৰ ঘৰৰ মানুহবোৰে মোৰ বাবে ঠিক হ'ব বুলি ভাবিছিল বুলিয়েই কিয় মযো তেওঁক মোৰ মনত ঠাই দিছিলোঁ ? ধ্ৰুৱজ্যোতি দত্ত। জান নহয়, অধ্যাপক ধ্ৰুৱজ্যোতি দত্তক ? তইঁতে চাগৈ ভাবিছিলি, তেখেতে মোক মোৰ পঢ়াবোৰ শিকাই দিয়ে, তাত বাহিৰে আৰু তেখেতৰ স'তে মোৰ কোনো সম্পৰ্কই নাই। কিন্তু তই কিজানি অনুমান কৰিব পাৰিছিলিয়েই, অজ্ঞাতসাৰেই আমি দুয়ো বহুখিনি আগবাঢ়ি গৈছিলোঁ। দেউতাইঁতে কেতিয়াও তেখেতৰ স'তে মোৰ বিয়াৰ কথা ভবা নাছিল কাৰণেই নে কিয় জানো, তেখেতক মই বিয়া কৰোৱাৰ কথা কেতিয়াও ভবা নাছিলোঁ। কিন্তু কিয় মানুহজনৰ সঙ্গ ইমান ভাল লাগিছিল ? দিনটোত এবাৰ তেখেত মোৰ ওচৰলৈ নাহিলে, কেনেকৈ যে উচ্পিচ্ কৰিছিল মোৰ মনটোৱে। তেখেতৰ ভাব চিন্তা, তেখেতৰ ৰুচি-অভিৰুচি,

তেখেতৰ স্বভাৱ-চৰিত্ৰ, তেখেতৰ সকলোবোৰ কথাই মোৰ কিবা আপোন আপোন লাগিছিল। মোৰ তেখেতক ইমান আপোন আপোন লগা ভাবটোৱেই বোধহয় তেখেতক প্ৰৰোচিত কৰিছিল। তেখেতো আগুৱাই আহিছিল। তেখেত সহজ সৰল মানুহ আছিল। ভাঁজ-ভুঁজ নাছিল কোনো কথাৰ। তেখেতে মোক মোৰ অন্তৰৰ যি সত্য, তাৰেই স'তে হঠাতে এদিন মুখামুখি কৰি দিলে যেতিয়া, তেতিয়া মই কোঁচ খাই গ'লোঁ। কিয় ? তেখেতক যদি আপোন আপোন লাগিছিলেই, আপোন কৰি লব নোৱাৰিলোঁ কিয় তেখেতক ? মা-দেউতাই নাভাবে বাবে ? তেন্তে মোৰ এটি স্বাধীন মন ক'ত ?

আনহাতে কনক ভিনদেউক সকলোৱে মোৰ স্বামী হিচাপে কল্পনা কৰিছিল। তেওঁকো ভাল লাগিছিল। কিন্তু ধ্ৰুৱজ্যোতি দত্তক ভাল লগাৰ দৰে নহয়। দত্তৰ মনৰ কথাবোৰ, মনৰ ৰুচি-অভিৰুচিবোৰ ভাল লাগিছিল। কিন্তু কনক ভিনদেউৰ মনৰ খবৰ বা তেওঁৰ ৰুচি-অভিৰুচিৰ কথা মই একো নাজানিছিলোঁৱেই। তেওঁৰ মুখখন মোৰ ভাল লাগিছিল, তেওঁৰ মুখৰ হাঁহিটো মোৰ ভাল লাগিছিল, তেওঁৰ দেহৰ গঠনটো মোৰ ভাল লাগিছিল। চমু কথাত, তেওঁৰ আটাইবোৰ চাক্ষুষ কথাই মোৰ ভাল লাগিছিল। তেওঁৰ স'তে মোৰ বিয়াৰ কথা মই চিন্তা কৰিছিলোঁ। কাৰণ, মাহঁতেও কৰিছিল। আৰু আমি যেনে পৰিস্থিতিত ডাঙৰ দীঘল হৈছিলোঁ, তেওঁৰ পৰিস্থিতিও তেনে আছিল। তেওঁৰ স'তে যেন মই একে শ্ৰেণীৰ মানুহ আছিলোঁ। দেউতাহঁতৰ ভাব-ধাৰাই যদি মোৰো ভাব-ধাৰণা নিয়ন্ত্ৰিত কৰে এনে দৰেই, তেন্তে মোৰ ব্যক্তিত্বৰ জানো আৰু কিবা স্বকীয়তা থাকিল ?

কিন্তু পৰাধীন মনা অকল জানো ময়েই ? ব্যক্তিত্বহীনা অকল জানো ময়েই ? মইতো কব খোজোঁ, অসমৰ প্ৰতিজনী নাৰীয়েই, আৰু খুব সম্ভৱ ভাৰতৰো আজি প্ৰতিজনী নাৰীয়েই এই অভিযোগত অভিযুক্ত। আমি ছোৱালীবোৰে এতিয়াও আমাৰ মনটোক, আমাৰ অন্তৰখনক ভালদৰে বুজিবলৈ শিকা নাই। আমি মাথোন চিৰাচৰিত সামাজিক ৰীতি নীতিৰ, দহজনৰ মতামতৰ দ্বাৰা গঢ় লোৱা আমাৰ মা-দেউতাৰ মতামতৰ সোঁতত উটি যোৱা নল-খাগৰি। তোৰ কথাকেই ধৰচোন। তই আজি তোৰ সহপাঠী বঙালী ডেকাজনৰ স'তে তহঁতৰ মনৰ আদান-প্ৰদান কৰি মজি থাকিব পাৰিবি, তহঁতৰ কল্পনা বিলাসী মনেৰে ভৱিষ্যতৰ এখন সপ্নৰো ৰচনা কৰিব পাৰিবি ; কিন্তু তোৰ জানো সাহস হ'ব, তোৰ জানো শক্তি

হ'ব তইঁতৰ সেই কল্পনাৰ সৰগখনক বাস্তৱত ৰূপ দিবলৈ? তোৰ মনৰ জোখাৰে সেই সংসাৰখন গঢ়ি তুলিবৰ? তোৰ মনৰ মানুহজনক তোঁৰ নিজৰ কৰি লবৰ? যদি নহয়, ইয়াৰ পৰিণাম কি হ'ব ভাবিব পাৰিছনে? ইয়াৰ পৰিণামৰ কথা দকৈ ভাবি চাবি, অঞ্জলি। যৌৱনৰ মাদকতাত তেনেদৰে আপোন পাহৰা নহবি।

স্বামীৰ অকপট মৰম পায়ো, মোৰ ওপৰত স্বামীৰ অমোঘ বিশ্বাস লাভ কৰিও, মই আজি এজনী অসুখী স্ত্ৰী—এই কথা কোনে বাৰু বিশ্বাস কৰিব? মোৰ ভাব হয়, মোৰ জীৱনত মই তিনিজন মানুহক প্ৰতাৰণা কৰি মোৰ সেই অপৰাধ ঢাকি ৰাখিবলৈ মোৰ মূৰত মই টানি ললোঁ এই পবিত্ৰ গৃহিণীৰ ওৰণি। মোৰ বিশ্বাস, মোৰ মা-দেউতাৰ সামাজিক মৰ্য্যাদা ৰক্ষা কৰিবৰ বাবে, মোৰ নিজৰ সাংসাৰিক নিৰাপত্তা বৰ্তাই ৰাখিবৰ বাবে, এজন সৎ মানহৰ আশা-আকাঙ্ক্ষাক ভৰিৰে ঠেলি আৰু মোৰ আপোন সত্বাৰ বিননিক আওকাণ কৰি, আজি মই আশ্ৰয় বিচাৰিলোঁ এই দুৰ্ভেদ্য অট্টালিকাৰ ভিতৰত।

কিয় মই কনক ভিনদেউক তেনেদৰে টানি নিছিলোঁ তেওঁৰ মনৰ ৰুচি-অৰুচিৰ বিচাৰ নকৰি, আৰু মোৰ আপোন মনৰ কল্পলোক নিৰ্ম্মাণৰ বাবে, ইমান স্বাৰ্থপৰতা কৰি? এয়া মোৰ দোষ নাছিল জানো? কেতিয়াবা মোৰ ভাব হয়, মইতো তেওঁক প্ৰতাৰণা কৰা নাই। তেওঁ কিয় আগুৱাই আহিছিল মই যেতিয়া আহ্বান জনাইছিলোঁ তেওঁক? প্ৰতাৰণা যদি কোনোবাই কৰিলে, তেন্তে তৰেঁই মোক কৰিলে। কিন্তু পিচ মুহূৰ্ত্ততে মোৰ পুনৰ ভাব হয়, কনক ভিনদেউৰ দোষ নাই। তেওঁৰ উচ্চ আকাঙ্ক্ষা আছে, উচ্চ আকাঙ্ক্ষা পূৰ্ণ কৰাৰ তেওঁৰ বাট মুকলি আছে। তেওঁ কিয় বান্ধ খাবহি মোৰ সংসাৰৰ এই সংকীৰ্ণতাৰ মাজত? মই যদি তেওঁকেই বিচাৰিছিলোঁ, কিয় মই বাট চাব নোৱাৰিলোঁ তেওঁ উচ্চ ডিগ্ৰী লৈ উভতি অহালৈকে? তেওঁক যদি ভালেই পাইছিলোঁ, তেন্তে কিয় তেওঁক মনেই সেই সৎ কামৰ বাবে অনুপ্ৰেৰণা যোগাই বাট চাব নোৱাৰিলোঁ দুটা বছৰৰ বাবে? মইতো তেওঁৰ প্ৰেমত পৰা নাছিলোঁ। মই আশা কৰিছিলোঁ মোৰ বিয়া হওক তেওঁৰ লগত। যেতিয়াই মই তেওঁৰ যোগেদি এই বিবাহ লাভ কৰা সহজ নহব যেন পালোঁ, তেতিয়াই মই তেওঁক এৰিলোঁ। তেওঁক মই প্ৰৱঞ্চনা কৰিলোঁ।

আৰু ধ্ৰুৱজ্যোতি দত্ত। কিয় মই তেখেতক তেনেদৰে আগুৱাই আনিছিলোঁ? বুজা বদি নাছিলোঁৱেই তেখেতক, কিয় তেন্তে বুজাৰ

অভিনয় কৰিছিলোঁ ? কিয় তেখেতক দেখুৱাইছিলোঁ, অত মৰম, অত আদৰ, অত ভালপোৱা ? খঙো উঠিছিল মানুহজনলৈ কিছুমান কথাত। কিন্তু আজি দেখিছোঁ, যিবোৰ কথাত তেখেতলৈ মোৰ খং উঠিছিল, যিবোৰ কথাত তেখেতক মই বিদ্রূপৰ যোগ্য বুলি ভাবিছিলোঁ, আচলতে সেইবোৰেই আছিল তেখেতৰ ব্যক্তিত্বৰ অমূল্য আভৰণ। ধ্রুবজ্যোতি দত্তই এদিন মোক কি কৈছিল, জান ? শ্বিলঙৰ ভিনদেউ গৈছিল টিহলৈ। গধূলি ভিনদেউৰ লগত ফুৰিবলৈ ওলালোঁ। তোৰ কিজানি মনত আছে। মাৰ কাম থাকিছিল থাবে, তোক মাই আমাৰ লগত যাবলৈ নিদি ঘৰতে ৰাখিছিল। টিহ হাইস্কুলৰ হোষ্টেলৰ ওচৰৰ বাটটোৰে নদীৰ পাৰ ওলালোঁ গৈ। গৰমত গধূলিৰ বতাহজাক বৰ ভাল লাগিছিল। বহুতো সময় দুয়ো নদীৰ পাৰত থিয় হৈ ৰ'লোঁ। তথাপি অহা বাটেদিয়েই তৎক্ষণাৎ উভতি আহিবৰ মন নগ'ল। নদীৰ পাৰে পাৰেই দক্ষিণমুৱা হৈ সেউজীয়া বাঁহনিৰ মাজে মাজে যোৱা নংলুভীয়া বাটটোৰে একেবাৰে ৰেল আলি উঠিলোঁ গৈ। টিহ নদীৰ ওপৰৰ ৰেলৰ দলংখনৰ ইমূৰত গধূলিৰ পাতল এন্ধাৰত দুয়ো এঘণ্টামান বহিলোঁ। ৰাতি চাৰে আঠমান বজাতহে ঘৰ আহি পাইছিলোঁহি।

ইতিমধ্যে ধ্রুবজ্যোতি দত্তই মোলৈ বাট চাই মোৰ পঢ়া কোঠাত তোৰ লগত বহি আছিল। মই অহাৰ লগে লগেই তই উঠি গলি নহয়। তাৰ পিচত তেখেতৰ কি খং। তেখেতে সুধিলে, 'কাইলৈ এনেদৰে মোৰ লগতো ফুৰিবলৈ ওলাবানে ?' মই ক'লো, 'কিয় ওলাম আপোনাৰ লগত ? মানুহে কি বুলিব ?' তেখেতে তৎক্ষণাৎ কৈ উঠিল, 'আজি মানুহে একো নুবুলে নহয়, তোমালোকক ?' তেখেতে তামচা কৰিছে বুলি তেখেতক কলোঁ, 'আজিনো কি বুলিব। মই কিবা যাৰে তাৰে লগত ফুৰিছোঁনে ? ভিনদেউৰ লগতহে ফুৰিছোঁ।' কিন্তু ইয়াৰ পিচত মই বুজিছিলোঁ, তেখেতৰ খং উঠিছিল। তেখেতে কৈছিল, 'মানুহে কি বুলিব, কি ভাবিব, এইবোৰক লৈয়েই তোমালোক ইমান ব্যস্ত যে তোমালোকে নিজৰ কথা ভাবিবলৈ পাহৰিয়েই গৈছা। তোমালোক মানুহবোৰৰ নৈতিক মৃত্যু ঘটিছে। আৰু মানুহবোৰৰ যুক্তিও যে। ডেকা ভিনদেৱেকৰ লগত গাভৰু খুলশালীয়েক ৰাতি ফুৰিবলৈ পায়। কাৰণ ভিনদেৱেক বিবাহিত। আন হাতে এজন অবিবাহিত ডেকা এজনী অবিবাহিত গাভৰুৰ লগত ফুৰাটো নিষিদ্ধ। কাৰণ এই সুবিধাকে লৈ অবিবাহিত ডেকাজনে অবিবাহিত গাভৰুজনীক বিয়াৰ প্ৰস্তাৱ দি দিব

পাৰে। মানুহৰ নীতি জ্ঞানো যে। আৰু এইবোৰতেই তোমালোক ব্যস্ত।'

তেখেতৰ কথা শুনি সেইদিনা মোৰো খং উঠিছিল। মোৰ ভাব হৈছিল, তেখেত এজন অতি সংকীৰ্ণমনা লোক। তেখেতে যেন ঈৰ্ষাত দগ্ধ হৈ এই কথাবোৰ কৈছে। কিন্তু আজি মই বুজিছোঁ তেখেতৰ কথা। সকলো মানুহে যদি তেখেতৰ দৰেই ভাবিলেহেঁতেন। মোৰ আজি কালি প্ৰায়েই ভাব হয়, তেখেতক মই প্ৰতাৰণা কৰিছোঁ। তেখেতক মই মোৰ মনৰ ইচ্ছাৰেই যিমান পাৰোঁ ওপৰলৈ তুলি লৈ গ'লো, আৰু তাৰ পিচত এদিন সেই উচ্চতাৰ পৰা অতিশয় নিৰ্ম্মমভাবে এৰি দিলোঁ তললৈ। এৰা, ধ্ৰুবজ্যোতি দত্তক মই প্ৰতাৰণা কৰিলোঁ। প্ৰতাৰণা কৰিলোঁ তোৰ ভিনদেৱেৰাকো—মনটিৰ দেউতাককো।

মনটিৰ দেউতাকক মই প্ৰবঞ্চনা কৰা নাই কি? আমাৰ স্নেহ-আলিঙ্গনৰ চৰম মুহূৰ্ত্তত, হিয়া আদান-প্ৰদানৰ কোনো এক আত্ম-বিস্মৃত পৰিস্থিতিত তেখেতক মই সিক্ত কণ্ঠে কৈছোঁ, তেখেতৰ বাহিৰে কোনো পুৰুষক আৰু এনেদৰে মৰম কৰা নাই, এনেদৰে মনত ঠাই দিয়া নাই। কেতিয়াবা আকৌ আবেগত গদ গদ হৈ কৈ পেলাইছোঁ, কিমান তপস্যাৰ ফলত মই লাভ কৰিলোঁ তেখেতক। কিন্তু মোৰ জীৱনৰ চৰম কাৰুণ্য কি জান? যেতিয়াই মই যি কৈছোঁ তেখেতক তেখেতৰ প্ৰিয়তমা হিচাবে, তেতিয়াই মোৰ মনত পৰিছে হয়তো মোৰ ধ্ৰুবজ্যোতি দত্তৰ স'তে, নহয় মোৰ কনক দত্ত মজুমদাৰৰ স'তে ঘটা যত সম্পৰ্কৰ কথা। কিমান যে মৰম তেখেতে মোক কৰে। কিন্তু মই জানো সেই মৰম গ্ৰহণ কৰিব পাৰিছোঁ সহজ হৈ?

তেন্তে মই জীয়াই আছোঁ কিয়? কেতিয়াবা মই সঁচাই ভাবোঁ, মোৰ জীয়াই থকাৰ প্ৰয়োজন কি? মই যদি প্ৰতাৰিকাই, মই যদি প্ৰবঞ্চিকাই, মোৰ জানো জীয়াই থকাৰ অধিকাৰ আছে এইখন ধৰত? কিন্তু পিছ মুহূৰ্ত্ততেই মোৰ ধাৰণা হয়, মই প্ৰতাৰিকা হ'লেও দোষী নহওঁ। প্ৰবঞ্চিকা হ'লেও অপৰাধিনী নহওঁ। মোৰ কি দোষ? মোৰ ক'ত অপৰাধ? মানুহৰ চকুত এই যি ছলনা মোৰ, তাৰ মাজেৰে মই মাথোন পালি গ'লোঁ, এজনী নাৰীৰ সংসাৰ-ধৰ্ম। নিজকে ফাঁকি দি, আনকো প্ৰতাৰণা কৰি, মই মাথোন কৰি গ'লোঁ আজিৰ আমাৰ সমাজত কতো একো আউল নলগোৱাকৈ এজনী তিৰোতাই যিবিলি কৰি থাব পাৰে, মাথোন সেই খিনিকেই।

তোকো কৈছোঁ, তই আজি যি বাটেৰে আগ বাঢ়ি গৈছ, সেই বাটে আগবাঢ়ি যাবলৈ তই যোগ্য নহয়—অন্ততঃ আমাৰ বৰ্ত্তমান যিখন সমাজ আৰু তাত নাৰীৰ যি ভূমিকা—সেই সমাজত আৰু সেই ভূমিকাৰ মাজত। এই কথা মই বুজোঁ, কাৰণ তোৰ বাইদেউ হিচাপে তোৰ ভিতৰ-বাহিৰ মই সকলোৰে পৰাই জানোঁ। সেই শিল্পী ডেকাজনক তই প্ৰকৃততে কিমানখিনি বুজিছ মই নেজানোঁ। মোৰ ধাৰণা, কলেজত পঢ়ি থাকোঁতে মই ধ্ৰুবজ্যোতি দত্তক যিমান চিনি পাইছিলোঁ, তাতকৈ বেচি তই সেই ডেকাজনক চিনি পোৱা নাই। আৰু যদি পাইছও, তেওঁক তই পাবলৈ আমাৰ এই সমাজত তই যি যুদ্ধ দিব লাগিব সেই যুদ্ধ দিবলৈ তোৰ শক্তি আৰু সাহসে জানো কুলাব? কুলাব বুলি এতিয়া হয়তো কব পাৰিবি; কিন্তু আগবাঢ়ি গৈ গৈ যেতিয়া শীৰ্ষ বিন্দু পাবি; যেতিয়া দেখিবি সমগ্ৰ পৃথিবীখনেই ৰুদ্ৰ মূৰ্ত্তি ধৰি মহাসমুদ্ৰৰ কল্লোল তুলিছে তোৰ চাৰিওফালে, তেতিয়াও জানো তই দৃঢ়তাৰে থিয় হৈ থাকি কব পাৰিবি, সেই পৰিস্থিতি শান্ত কৰিবলৈ তোৰ পৰিমিত শক্তি আছে, সাহস আছে বুলি? আৰু যদি নোৱাৰ, তেন্তে তোৰ অৱস্থা কি হ'ব? তোৰ সেই নিৰ্দ্দোষ, উজ্জ্বল মুখখনত মোৰ দৰে পিন্ধি লব লাগিব সমগ্ৰ জীৱন দুৰ্ব্বহ কৰি তোলা এক গধুৰ সুগৃহিণীৰ মুখা। তাতকৈ তই এৰি পেলা। নিজকে তই প্ৰবোধ দে, তই এজনী সাধাৰণ ছোৱালী! নিজকে তই নুবুজ। সংসাৰৰ কোনো অভিজ্ঞতাই তোৰ নাই। গতিকে তোৰ বাবে উপযুক্ত অনুপযুক্ত মানুহ বাচি লবলৈকো তোৰ যোগ্যতা নাই। মা-দেউতাই সংসাৰ চিনি পাইছে, সংসাৰৰ ঘাত-প্ৰতিঘাতত জলাকলা হৈ হেজাৰ অভিজ্ঞতাৰে সমৃদ্ধ হৈছে। তেওঁলোকেই তোৰ বাবে কোন যোগ্য হ'ব, তাক জানে।

নাৰীয়ে তেন্তে যুগে যুগে নিজৰ সত্বাক বলি দি, নিজৰ ব্যক্তিত্বক আওকাণ কৰি মই তোক দেখুৱাই দিয়া এই সহজ সাধ্য পথকেই বাছি লবনেকি? তই মোক সুধিব পাৰ। তোৰ এই বয়সত নাৰীসত্বা, নাৰীমন, নাৰীৰ ভৱিষ্যৎ—এইবোৰ কথাই বৰ ডাঙৰ প্ৰশ্ন হৈ সমুখত থিয় দিয়া স্বাভাৱিক। তোৰ বয়সত কিয়, মোতকৈ বয়সত বহুত ডাঙৰ, অভিজ্ঞতাত বহুগুণে প্ৰোঢ়, বিদ্যাতো বহুগুণে শ্ৰেয়ঃ অনেক তিৰোতাই আমাৰ ঘৰলৈ আহি মোক এইবোৰৰ কথা কয় আৰু 'গুৱাহাটী মহিলা সমিতি'ৰ সভ্যা ভৰ্ত্তি কৰিবলৈ চেষ্টা কৰে। ঘণ্টাৰ পিচত ঘণ্টা ধৰি এইবোৰ কথাৰ ফুলজাৰি মাৰি তেওঁলোকে মোক কয়, মোৰ দৰে শিক্ষিতা

তিৰোতা এজনীয়ে এনেদৰে ঘৰত সোমাই থাকিলে নচলে। এনেকৈ মই আজি ঘৰত সোমাই থকা মানে সমগ্ৰ অসমৰ মহিলা শ্ৰেণীৰ ভৱিষ্যত প্ৰগতিৰ আশা মষিমূৰ কৰা। মই কিন্তু মহিলা সমিতিত যোগ দিয়া নাই তথাপি। কিয় জানো মোৰ ভাব হয়, মহিলা সমিতিৰ বক্তৃতা আৰু প্ৰস্তাৱসমূহৰ দ্বাৰা নাৰী মুক্তি নাহে। সি আমাৰ মনৰ উৎকৰ্ষ, আমাৰ নিজ নিজ জীৱনৰ স্বাৱলম্বিতাৰ যোগেদিহে আহিব। স্বাৱলম্বী হ'ব লাগিব বুলি, নিজৰ ভৰিত থিয় হৈ নিজে চলি যাব লাগিব বুলি, নিজৰ পৰিচয়ত আজীৱন নিজকে পাই যাম বুলি ভয় কৰি, এদিন মই ধ্ৰুৱজ্যোতি দত্তক আঁতৰাই, কনক দত্ত মজুমদাৰক বিচাৰিছিলোঁ। তাৰ পিচত মোৰ বিয়া কনক ভিনদেউতকৈয়ো বেচি প্ৰতিষ্ঠাশালী এজনৰ স'তে হোৱাৰ সম্ভাৱনা দেখি, আৰু ধ্ৰুৱজ্যোতি দত্তৰ স'তে মোৰ বিয়া হ'লে যিবোৰ ভয় আছিল, সেইবোৰ ভয় এই বিয়াৰ ফলত লেশ মানো নহ'ব বুলি জানি, মই এই বিয়াত সন্মতি দিলোঁ। কি অধিকাৰ আছে মোৰ আজি নাৰী-মুক্তি, নাৰী-স্বাধীনতাৰ নামত মহিলা-সমিতিত যোগ দি টেঁটু ফালিবৰ? অকল মোৰেই কিয়, অসমৰ কেইজনী নাৰীৰ এই অধিকাৰ আছে, স্বাধীন মন আছে? যেতিয়ালৈকে আমি স্বাধীন মন এটিৰ অধিকাৰী নহওঁ, সবল ব্যক্তিত্ব এটিৰ অধিকাৰী নহওঁ, তেতিয়ালৈকে আমি জানো নাৰী-মুক্তি, নাৰী-স্বাধীনতা আশা কৰিব পাৰোঁ?

আমাৰ ঘৰৰ ওচৰতে এঘৰ মানুহ আছে। তই ইয়ালৈ আহোঁতে ঘৰখন কিজানি দেখিছিলিয়েই। আমাৰ ঠিক পূবফালৰ খেৰী ঘৰটো যে আছে, সেই ঘৰ মানুহেই। গিৰীয়েকে কোনোবা এখন অফিচত কেৰাণী কাম কৰে। ঘৈণীয়েকেও এখন স্কুলত শিক্ষয়িত্ৰী কাম কৰে। দুয়োৰে গ্ৰেজুৱেট। পৰিয়ালখন চলোৱাত দুয়োৰে সমানে ভাগ লয়। সকলো কামৰ বাবেই দয়োৰে সমানে পৰামৰ্শ কৰে, দুয়োৰে সমানে শ্ৰম কৰে। গধূলি দুয়ো বজাৰ কৰিবলৈ একেলগে ওলাই যায় খোজ কাঢ়ি কাঢ়ি। তেওঁলোককেই মোৰ সুখী যেন লাগে। তেওঁলোকৰ তিৰোতাজনীকেই মোৰ আদৰ্শ মুক্ত নাৰী, আদৰ্শ স্বাধীন নাৰী যেন লাগে। তেওঁ জানো মহিলা-সমিতিৰ যোগেদি, অথবা কেৱল বিশ্ববিদ্যালয়ৰ ডিগ্ৰীটোৰ যোগেদিয়েই তেওঁৰ জীৱনৰ সেই স্বাধীনতা অৰ্জ্জন কৰিছে? আমি দুয়ো গধূলি যেতিয়া 'এস্‌প্লেনেডখন'ত উঠি বতাহ লওঁ, তেতিয়া নদীৰ পাৰত এইহাল স্বামী-স্ত্ৰীক হাঁহিমুখে খোজ কাঢ়ি ফুৰা প্ৰায়েই দেখা পাওঁ। মোৰ ভাব হয়, সেইজনী তিৰোতাৰ পৃথিৱী বন্য বিহঙ্গমৰ অবাধ পৃথিৱী।

আৰু মই? আৰু মোৰ পৃথিবী? মই সঁজাৰ ভিতৰত আবদ্ধ হোৱা এক বন্দী বিহঙ্গম। মোৰ পৃথিবী 'এম্বাশেচডৰ্' গাড়ীৰ এই ঠেক ভিতৰি ভাগৰ কৃত্রিম, মসৃণ পৃথিবী।

কিন্তু এইবোৰ কথাক লৈয়েই মই মন মাৰি থাকোঁ বুলি তই আকৌ চিন্তা নকৰিবি। তোৰ ভবিষ্যতৰ কথা ভাবিহে এইবোৰ কথা লিখিছোঁ। নিজৰ ব্যক্তিত্বক মই এসময়ত নেওচা দি আহিলোঁ। মোৰ যিখন সমাজ, তাত নিদিতো আৰু উপায় নাছিল। যেতিয়া মই সেই ভুল বুজিলোঁ, তেতিয়া আৰু তাৰ প্ৰতিকাৰ বিচৰাৰ সুযোগ মোৰ হেৰাই গৈছিল। মোৰ কোনো উপায় নাছিল। এনেকৈয়েই মই মোৰ মনক বুজনি দিওঁ। মোৰ আজি এয়েই শান্তনা যে মোৰ ব্যক্তিত্বৰ এই শোকাবহ দৈন্যৰ পিচতো, মোৰ মনৰ এই শোচনীয় দুৰ্ব্বলতাৰ পিচতো মোৰ স্বামীৰ মনত মোৰ তুলনা নাই। মোৰ ৰূপত, মোৰ গুণত, মোৰ জ্ঞানত তেখেত মুগ্ধ। তেখেত সুখী। স্বামীক সুখী কৰিব পৰাতকৈ স্ত্ৰীৰ জীৱনৰ সফলতানো আৰু কি থাকিব পাৰে? মোৰ বিবাহিত জীৱনত মই সফল হৈছোঁ, অঞ্জলি।

সৰু সুৰা অসুবিধা কিছুমান নোপোৱা নহয়। শাহু আয়ে মোক অন্তৰৰপৰা ভাল পায় বুলি বিশ্বাস নহয়। তেখেতৰ ধাৰণা, তেখেত-সকলতকৈ আমাৰ দেউতাহঁতৰ ঘৰখন, বংশটো বহুত তলৰ। তেনে এখন ঘৰৰপৰা আহি তেখেতসকলৰ এই উচ্চ ঘৰত, উচ্চ বংশত মই যিবোৰ সুবিধা ভোগ কৰিছোঁ তাৰ মই যোগ্য নহওঁ। সেয়েহে, ঘৰ-খনত মোৰ কৰিবলগীয়া যদিও একো নাই, তেখেতে মই এলেহুৱা, এলেহুৱা বুলি প্ৰায়ে বলকি থাকে। অৱশ্যে ঘৰত ডিন্‌দেৱেৰা নহ'লেহে। দুপৰীয়া ৰেডিঅ'টো খুলি দি বিছনাত যেতিয়া মই শুই পৰোঁ, তেখেতে বাহিৰত উচ পিচ কৰে। 'শুৱাৰ আৰামেই চাবি নে ৰেডিঅ' শুনাৰেই আৰাম চাবি।' এনেকুৱা ধৰণৰ কথাবোৰ আহি মোৰ তেনে সময়ত কাণত পৰে। আজৰি সময়ত ডিনদেৱেৰা আৰু মই যেতিয়া আমাৰ শোৱনি কোঠাত সোমাই ৰং-তামচা কৰোঁ, ধেমেলীয়া কথা পাতোঁ, তেখেতে বাহিৰত অস্থিৰ হৈ পৰা মই প্ৰায়ে লক্ষ্য কৰোঁ। ডিনদেৱেৰাক কিন্তু একো নকওঁ।

এয়া মোৰ চিঠিখন লিখি থাকোঁতে বহু সময় গ'ল নহয়। সিফালে শাহু আই খঙত জ্বলি উঠিছে। তেখেতে ভদ্ৰেশ্বৰক কব ধৰিছে, 'যাচোন, ৰাজৰাণীয়ে কি কৰিছে ঘৰটোত সোমাই সেতপৰে, চাই আহ গৈ।

দেহাৰ ভাগৰত বিছনাত পৰি আৰামেই কৰিছেনে পতিৰ বিৰহতে শোকত পৰিছে। ইপিনে বান্ধনি ঘৰত যে তইঁতৰ কামৰ তদাৰক কৰিব লাগে, খবৰ নাই।' আজি আৰু তোলৈ নিলিখোঁ, অঞ্জলি। ইমানৰ পিচতো জানো ইয়াত সোমাই এনেদৰে চিঠি লিখি থাকিব পাৰি?

তই আকৌ মোক লৈ চিন্তা নকৰিবি। বোৱাৰী জীৱনত এইবোৰ একো কথাই নহয়। তোক কৈছোঁৱেই নহয়, মই সুখীয়েই। এজনী সুখী বোৱাৰীয়ে পাবলগীয়া সকলোখিনিকেই মই পাইছোঁ। তোৰ ভবিষ্যতৰ মঙ্গল কামনা কৰিহে মই এই চিঠি লিখিলোঁ।—মোৰ দুখৰ কথা তোক জনাবলৈ নহয়। মোৰ দুখৰ কথা একোৱেই নাই। আমাৰ দৰে বোৱাৰীবোৰৰ জীৱনৰ এইবোৰ সাধাৰণ কথা। আমিতো আৰু আমাৰ ঘৰৰ ওচৰৰ খেৰীঘৰত থকা সেই মানুহহালৰ তিৰোতাজনীৰ দৰে বোৱাৰী নহয়।

মনটি এতিয়া বেচ ৰৱম লগা গৈছে, জান? তাই অৰুণ, অৰুণ হাঁহেও। তাইক লৈ ঘৰখনত সকলোৰে টনা-আজোৰা। আমাৰ ঘৰলৈ আমাৰ আপোন যিবোৰ মানুহ আহে, তাৰে কিছুমানৰ মতে তাইৰ মুখৰ গঢ় হেনো মোৰ মুখৰ গঢ়ৰ দৰে হ'ব। আন কিছুমানৰ মতে আকৌ তাই তোৰ ভিন্‌দেৰেৰাৰ মুখৰ গঢ় লব। কিছুমানৰ মতে আকৌ তাই কাৰ দৰে হ'ব এতিয়াই কৈ দিব নোৱাৰি। এনে কোমল বয়সত কেচুৱাই মাহে মাহে মুখৰ আকতি সলায়, গাৰ বৰণ সলায়। পিছে তোৰ ভিনদেৰেৰাই মোৰ আগত প্ৰায়ে কয়, তাই হেনো মোৰদৰে হ'লে তেখেতে ভাল পাব। ময়ো তেখেতৰ আগত তাই সাইলাখ তেখেতৰ দৰেই হ'লে ভাল পাম বুলি কওঁ। কিন্তু আচলতে তাই কেনে হ'লে মই ভাল পাম, জান অঞ্জলি? মই আশা কৰোঁ, মোৰ মনটি এনে হওক, যি মনটিয়ে হিলডোল ভাঙি যাব পৰাকৈ শক্তিশালী হ'ব, আৰু যি মনটিয়ে মূল্য দিব জানিব আপোন ব্যক্তিত্বৰ মৰ্য্যাদাক। দুটি গুণ, যি গুণৰ অধিকাৰিণী হ'ব নোৱাঁৰিলোঁ মই—আমাৰ আজিৰ এই সমাজখনত ডাঙৰ হোৱা তোৰ বাইদেৰেৰা।—অৰুন্ধতী বৰুৱা।

# পিটনি পুখুৰী বিতৰ্ক

Those who have crossed
With direct eyes, to death's other kingdom
Remember us—if at all—not as lost
Violent souls, but only
As the hollow men
The stuffed men.

*The Hollow Men* : **T. S. Eliot.**

## পিটনি পুখুৰী ৰিতন্ত্ৰ—(১)

# পিটনি পুখুৰীত অদৃশ্য লীলা

গৰম এইবাৰ বাৰুকৈয়েই পৰিব কিজানি। দুপৰীয়াৰে পৰা কেনে যে এটি ষেঁহ ষেঁহীয়া গৰমে অস্থিৰ কৰি তুলিছে মানুহবোৰক। গ্ৰীষ্মকালৰ উত্তপ্ত গৰমত ঘামি যাব পৰা হ'লেও কিজানি শান্তি পোৱা গ'লহেঁতেন। কিন্তু বহাগৰ শেষৰ এই ষেঁহ ষেঁহীয়া গৰমটোত দেহৈ পুৰিও যোৱা নহয়; শান্তিত স্থিৰ হৈ বহি থাকিবও নোৱাৰি। ওৰে গাটো ঘামেৰে সেমেকি উঠে; অথচ ভালকৈ ঘামবোৰ ওলাই আহি মন-শৰীৰ নিকা কৰি নিদিয়ে। ষেঁহ ষেঁহীয়া গৰমৰ এই অশান্তিৰ মাজতে আকৌ দুপৰীয়াৰে পৰা একে ধৰণে বলি আছে বলিয়া বতাহজাক। অস্থিৰ, দিশহাৰা এই বতাহজাকৰ প্ৰবল স্ৰোতত ধূলি-বালিবোৰ উৰি উৰি গোটেই চহৰখন ধুমঁলি-কুঁবলি কৰি পেলাইছে। ঘামত সেমেকি থকা গাত ধূলি-কণাবোৰ লাগি ধৰি দেহ-মন অশুচি কৰি তুলিছে। কোবাল-বতাহজাকৰ মাজেৰেই, বতাহত উৰি ফুৰা ধূলিবোৰৰ পৰা চকু-মুখ কোনোমতে ৰক্ষা কৰি ঘৰ পালোঁহি।

ঘৰ পাই কিন্তু অশান্তি আৰু চৰিহে গ'ল। মোৰ কোঠাত সোমাই দেখিলোঁ, গোটেই মজিয়াখন গছৰ সৰি পৰা শুকান পাত, আৰু ধূলি-বালিৰে উপচি আছে। জোতাযোৰ খুলিবলৈ বিছনাত বহি দেখোঁ, গোটেই বিছনাখনো ধূলিৰে ভৰা। ঘড়ীটো খুলি টেবুলত থবলৈ ওলাই দেখা পালোঁ, গোটেই টেবুলখন আৰু তাৰ ওপৰত থকা কাগজ-কিতাপবোৰ ধূলিৰে আবৃত হৈ আছে। নাই, আৰু কতোৱেই শান্তি নাই। কণমান বিশ্ৰাম লবলৈ কতো এটুকুৰাও আৰু ঠাই নাই এই সময়ত। ল'ৰাটোক চাহ কৰিবলৈ কৈ মোৰ কোঠাটো মই নিজেই চাফ কৰাত লাগি গ'লোঁ, বাঢ়নীতাঁৰ আৰু 'ফিডাৰ্ ব্ৰাচ্' ডাল লৈ। দুৱাৰ খিৰিকীবোৰ জপাই দিছোঁ ইতিমধ্যে।

কোঠাটো সাৰি-পুচি নিকা কৰাৰ পিছত চাহ-জলপান খাই ললোঁ। নলিনী তাৰ আগৰ মেচ এৰি আজি গধূলীয়ে আহিব মোৰ এই ভাড়া ঘৰলৈ। তিনিটা কোঠাৰ মোৰ এই 'অসম টাইপ' ঘৰটোৰ মাজৰ কোঠাটো এতিয়াও আগৰ দৰেই 'ড্ৰয়িং ৰুম' হিচাপে ৰাখি ঘৰটো মই নিজাকৈ

ভাড়া লোৱাৰে পৰা এই পৰ্য্যন্ত 'গেষ্টৰুম্' হিচাপে ৰখা সিমূৰৰ কোঠাটো নলিনীলৈ আজি খালী কৰি ৰাখিছোঁ। তাৰ কোঠাটোৰ অৱস্থা চাবলৈ যাওঁতে দেখোঁ, চোতালখনো গছৰ শুকান, সৰা পাতেৰে ভৰি আছে। ল'ৰাটোক সেইবোৰ সাৰিবলৈ লগাই দি নলিনীৰ বাবে খালীকৈ ৰখা কোঠাটোৰ দুৱাৰ-খিৰিকীবোৰ বন্ধ কৰিলোঁ। আৰু তাৰ পিছত ল'ৰাটোক সেই কোঠাটোও সাৰি পুচি পৰিষ্কাৰ কৰিবলৈ কৈ মই মোৰ কোঠালৈ আহি টিউশ্যনলৈ যাবৰ বাবে পুনৰ পিন্ধি উৰি ওলালোঁ। দুৱাৰ-খিৰিকীবোৰ বন্ধ কৰাত কোঠাটো এতিয়া পৰিষ্কাৰ। মুখ-হাত ধুই পেলোৱাত গা-মনো কিছু পৰিষ্কাৰ পৰিষ্কাৰ যেন লাগিছে। কিন্তু তথাপি ঘেঁহ-ঘেঁহীয়া গৰমটো আঁতৰা নাই। গাটো ঘামৰ কণিকাৰে পুনৰ সেমেকি উঠিছে। আৰু কোঠাৰ দৱাৰ খুলি যেতিয়া বাহিৰ ওলালোঁ, তেতিয়া দেখিলোঁ, বতাহৰ কোবো আগৰ ধৰণেই আছে। ধূলি-বালিবোৰ মোৰ নাকে-মুখে-গাই পুনৰ ভৰি পৰিল। অলপ আগতে চাফ কৰা চোতালখন পুনৰ ধূলি আৰু গছৰ শুকান সৰা পাতেৰে উপচি পৰিছে।

মই অসম্ভৱ ধৰণে বিৰক্ত হৈ উঠিলোঁ। এনে এটি গৰম, লেতেৰা পৰিৱেশত ঘৰৰ আৱদ্ধ কোঠাবোৰত সোমাই থাকি থাকি ল'ৰা-ছোৱালীক পঢ়ুৱামেই বা কেনেকৈ। তথাপি মই যাবই লাগিব। বসন্তশেষৰ এই উষ্ণ অস্থিৰ বতৰ। তাৰ পৰা আমি ৰক্ষা পাম কেনেকৈ? সময়ৰ প্ৰভাৱৰ পৰা আমি নিষ্কৃতি পাম কেনেকৈ? ল'ৰাটোক নলিনী আহিলে তাৰ বাবে ৰখা কোঠাটোত তাক সোমাই লোৱাত আৰু তাত তাৰ বস্তু-বেহানিবোৰ সজোৱাত সহায় কৰি দিবলৈ নিৰ্দ্দেশ দি মই আঁতৰি আহিলোঁ অস্থিৰ বতাহজাক আৰু উৰি ফুৰা ধূলীবোৰৰ পৰা নিজকে কোনোমতে ৰক্ষা কৰাৰ বৃথা আশাৰে মুখখন বন্ধ কৰি আৰু চকুযুৰি আধা-মেলা আধা-মুদাকৈ ৰাখি। টিউশ্যনবোৰলৈ নগ'লেতো নচলে।

ৰাতি ন বজাত টিউশ্যনৰ পৰা উভতি আহি ঘৰ চাপি দেখোঁ, নলিনীয়ে আহি ইতিমধ্যেই তাৰ কোঠাটোত সকলো পৰিপাটিকৈ সজাই লৈছেই। তাৰো গাল-মুখ-হাত ঘামেৰে সেমেকা। মই ক'লোঁ "তোৰ তেন্তে সকলো কাম শেষ? কোঠাত সজাবলৈ আৰু একো বাকী নাই?" মই তাৰ বিছনাৰ ওচৰৰ চকীখনতে বহি লৈছিলোঁ। সি মই তাৰ কোঠাত সোমোৱাৰ লগে লগে তাৰ বিছনাতে বহি ললে আৰু তাৰ বহী এটাৰে গাই-মুখে বা দি দি ক'লে, "সকলো কাম শেষেই, ধৰ। সজাবলৈ বস্তুনো আছে কি সোপা? কিন্তু আছে। তথাপি আছে। আৰু এবিধ

বস্তু সজাবলৈ এতিয়াও মোৰ বাকী আছে।" মই তাৰ কোঠাৰ চাৰিও পিনে চকু দিলোঁ। কোঠাটোৰ একাষে খিৰিকী এখনৰ কাষত তাৰ বিছনাখন। বিছনাৰ মূৰত তাৰ পঢ়া টেবুলখন। সিটো কোণত থকা তাৰ আলমাৰীটোত কিতাপবোৰ সজোৱা হৈছেই। টেবলৰ ওচৰতে চকী দুখন। আৰু নো সম্পত্তি বুলিবলৈ কোঠাটোত সজাবলৈ তাৰ বাকী কি ৰব পাৰে? সপ্রশ্ন দৃষ্টিৰে মই তাৰ পিনে চালোঁ

সি ক'লে, "এতিয়াও ধৰিব পৰা নাই তই? এই ৰুমটোত আৰু এতিয়া সজাই থবলৈ বাকী ৰল মোক নিজকে।"

"তোক নিজকে মানে?" তাৰ কথাৰ প্রকৃত অর্থ মই সচাঁই বুজা নাছিলোঁ। মোৰ প্রশ্নৰ লগে লগে সি বহাৰ পৰা উঠি তাৰ বিছনাৰ তলৰ টাঙ্কটো খুলিলে আৰু তাৰ পৰা ছবি এখন উলিয়াই আনি মোৰ চকুৰ আগত দাঙি ধৰিলে। কোনো অচিন শিল্পীৰ সক্ষ্ম অনুভূতিৰ আৰু নিপুণ হাতৰ সংযোগত সৃষ্টি হোৱা এখন চালে চকুৰোৱা পেইন্টিং। এক প্রবল ধুমুহাত ছেদেলি-ভেদেলি হৈ পৰিছে পাতল ধোৱাঁ, বৰণীয়া মেঘবোৰ। সেই বিচ্ছিন্ন মেঘৰ টুকুৰাবোৰৰ তলৰ ধুমুহা-বিক্ষুব্ধ আকাশ-খনিত নিৰাশ্রয়, নিৰুদ্দেশ হৈ ক্লান্তভাবে পাখি মাৰি ফুৰিছে এটি সঙ্গহীন বন্য চৰাই। তাৰো তলত, এক বিস্তৃত প্রান্তৰত থিয় হৈ থকা এক সুউচ্চ গছৰ আকাশ-চুম্বী ডাল-পাতবোৰ ধুমুহাৰ উদ্দাম স্রোতত হৈ পৰিছে অশান্ত, অস্থিৰ।

ছবিখনি মোৰ চকুত পৰাৰ লগে লগে মই অতি গম্ভীৰ হৈ উঠিলোঁ। সিও তেতিয়া অসম্ভৱ ধৰণে গম্ভীৰ।

নলিনীৰ কোঠাৰ পৰা মই ওলাই আহিলোঁ। তাৰ ছবিটিৰ চেতন-অচেতন মন জোঁকাৰি যোৱা প্রতিটো দৃশ্যই বহু সময়লৈ মোৰ মনত ভাঁহি থাকিল। মোৰ বিছনাত কাপোৰ-কানিবোৰ নোখোলাকৈয়েই মই শুই পৰিলোঁ। এৰা, কেনে এখন ধুমুহা-বিধ্বস্ত আকাশ। ছেদেলি-ভেদেলি হৈ পৰা মেঘৰ টুকুৰা। নিৰুদ্দেশ, নীড়হাৰা এটি ক্লান্ত চৰাই। আৰু বাতগ্রস্ত এডালি গছৰ কম্পমান, অস্থিৰ ডাল-পাত। ময়ো জানো ধুমুহাত নাড়হাৰা, নৰাশ্রয় হোৱা সেই চৰাইটি নহওঁ? মোৰ আকাশো জানো এক অস্থিৰ, উত্তাল, বাতগ্রস্ত আকাশ নহয়—য'ত সেই চৰাইটিয়ে খন্তেক স্থিৰ হৈ থাকিব নোৱাৰে, ক্ষণিকৰ বাবে আশ্রয় বিচাৰি নাপায় কতোৱেই? কিন্তু কিহৰ এই ধুমুহা?

নলিনী মোৰ ঘৰলৈ অহাৰ দিনাৰে পৰাই মনৰ নিঃসঙ্গতা খিনিৰ

বহু পৰিমাণে যেন উপশম হৈছে। সময়বোৰ কটাই দিবলৈ বহুখিনি সুচল হৈছে। তথাপি কিয় জানো প্ৰায়ে মোৰ অনুভৱ হয়, যুগৰ এই অন্তহীন ব্যস্ততাৰ মাজত, চহৰৰ এই কৃত্ৰিমতাৰ মাজত যন্ত্ৰৰ দৰে চলি গৈ গৈ ক্ৰমে ক্ৰমে যেন আমি নিৰ্জ্জীৱ যন্ত্ৰ হৈ যাব ধৰিছোঁ। সেয়েহে নলিনীক এদিন দেওবাৰে মই প্ৰস্তাৱ দিলোঁ, সেই দিনা আবেলিকৈ আমাৰ চহৰীয়া বিৰতিবিহীন ব্যস্ততাৰ কথা সাময়িকভাবে পাহৰি হ'লেও গুৱাহাটীৰ বাহিৰলৈ ওলাই গৈ প্ৰাকৃতিক দৃশ্যৰ মাজত ক্ষণিকৰ আশ্ৰয় বিচাৰিবলৈ। কিন্তু প্ৰকৃতিৰ ৰমণীয় দৃশ্যৰ মাজলৈ যোৱাৰ কথা শুনি নলিনীয়ে মুখ বিকটাই পৰম বিতৃষ্ণা এটিত কৈ উঠিল, "দূৰ। প্ৰকৃতিও আৰু কিবা ৰমণীয়! তাৰ মাজতো আৰু কিবা আশ্ৰয় বিচৰাৰ কথা কৱ। সেইবোৰ মই একো নুবুজোঁ, বেদান্ত! চহৰৰ মানুহৰ ভিৰৰ পৰা আঁতৰি গৈ কোনোবা নিৰ্জ্জন এটুকুৰা ঠাইত অলপ সময়ৰ বাবে যদি দেহ-মন স্বাধীনভাবে এৰি দিয়াৰ অবাঁধ আনন্দ লাভ কৰিবলৈ ইচ্ছা কৰিছ, তেন্তে বল আবেলিলৈ। কিন্তু প্ৰকৃতিৰ ৰমণীয় ৰূপ উপভোগ কৰা, প্ৰকৃতিৰ কোলাত আশ্ৰয় বিচৰা—এনেবোৰ কাব্যিকভাব মই বুজি নাপাওঁ। সেইবোৰ মোৰ আগত নকবি।"

উপায় নাপাই মই তাৰ উদ্দেশ্যতেই আবেলি গুৱাহাটীৰ বাহিৰলৈ ওলাই যাম বুলি তাক ক'লোঁ। তাৰ পিছত তাক সুধিলোঁ, "প্ৰকৃতিৰ ৰূপে বাৰু তোক আকৰ্ষণ নকৰে; কিন্তু কাব্যিকতাৰ প্ৰতিও দেখোন তোৰ বৰ বিৰাগভাগ দেখিলোঁ। কবিতা তাই একেবাৰে নপঢ়নেকি?"

সি টপৰাই উত্তৰ দিলে, "কি ভাষাৰ? সংস্কৃত কবিতাৰ যদি কথা কৈছ,. তেন্তে হৈছে আৰু। হাইস্কুলীয়া ছাত্ৰ-অৱস্থাত সংস্কৃত-শিক্ষকে সংস্কৃতত মোৰ অসাধাৰণ গৰ্দ্ধৱ-জ্ঞান দেখি মন্তব্য কৰিছিল যে পূৰ্ব্ব জন্মত মই নিশ্চয় ম্লেচ্ছ কি শ্লেচ্ছ আছিলোঁ। নহ'লে মোৰ এই ছাত্ৰ-অৱস্থাত মোৰ মগজুতহে নালাগে মোৰ জিভাৰ আগতো আন কি এটা সংস্কৃত শব্দ বা ধাতুৰ ৰূপেও বা সংস্কৃত ব্যাকৰণৰ এটি সাধাৰণ নিয়মেও কোনোমতে শিপা বহুৱাব নোৱাৰাৰ অন্য কাৰণ থাকিব নোৱাৰে।"

তাৰ কথা শুনি মোৰ হাঁহি উঠিছিল। মই তাক পুনৰ প্ৰশ্ন কৰিলোঁ, "সংস্কৃতৰ কথা বাৰু বাদ দে। অন্য কবিতা?"

সি ক'লে, "অন্য আৰু কি? ছাত্ৰ-হিচাবে স্কুল-কলেজত পাঠ্যৰ বিধিটো, কবিতা পঢ়িবলগীয়া হৈছিল, মোৰ কবিতা অধ্যয়নৰ দৌৰো সিমানলৈকেই আছিল। পিছত অৱশ্যে কমলিনীক লৈ মোৰ যিটো

দুৰ্ঘটনা হ'ল, সেই দুৰ্ঘটনাৰ ফলস্বৰূপে দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' খন একেবাৰে মুখস্থ কৰি পেলালোঁ।"

মই ক'লোঁ, "ওঁ, কমলিনীৰ কথা তই আগেয়েও কৈছিলি নহয় ? কিন্তু কমলিনীৰ স'তে তোৰ সকলোবোৰ সম্পৰ্কৰ কথা বিশদভাৱে যে কোৱা কথা আছিল, কতা, আজিলৈকেকেতো নকলি ?"

সি ক'লে, "হব বাৰু। আজি আবেলি গুৱাহাটীৰ বাহিৰত গৈয়েই সেই কাহিনী তোক বিৱৰি কব পাৰিম। কিন্তু তয়ো মোক তোৰ সুৰবালাৰ স'তে হোৱা প্ৰেমৰ কাহিনীৰ পিছৰ অন্য প্ৰেমৰ কাহিনীবোৰ কৈ শুনাব লাগিব।"

মই তাৰ কথাৰ প্ৰতিবাদ কৰি ক'লোঁ "সুৰবালাৰ পিছত মই আৰু কেতিয়া প্ৰেমত পৰিলোঁ ?"

সি লগে লগেই কৈ উঠিল, "কেলেই ? সাবিত্ৰী, অনুপমা, জৰ্জিয়ানা আৰু আন কি বৰ্ত্তমানৰ ইলি—এইবোৰ কলৈ গ'ল। প্ৰতিটো খোজত তোৰতো আজিকালি একো একোজনী প্ৰেমিকাৰ উত্তৰ হয়। সেই তয়ো আৰু কব, সুৰবালাৰ পিছত তই আৰু কাৰো প্ৰেমত পৰা নাই !"

নলিনীৰ এই কেইষাৰি কথাই মোৰ মনত কোনো অতি চোকা ঔষধে শৰীৰত আকস্মিকভাৱে ক্ৰিয়া কৰাৰ দৰে হঠাতে এক আকস্মিক প্ৰতি-ক্ৰিয়াৰ সৃষ্টি কৰিলে। বহুতো সময়লৈ মই নীৰৱ হৈ ৰলোঁ ; আৰু এই সময় ছোৱাতেই মোৰ এই ত্ৰিছ বছৰীয়া চুটি জীৱনটোৰ বাটত অ'ত ত'ত লগ পাই অহা অনেক ছোৱালীৰ স্পষ্ট-অস্পষ্ট স্মৃতিবোৰে মোৰ অন্তৰত এক বিচিত্ৰ খেলিমেলিৰ সৃষ্টি কৰি দিলে। সুৰবালা, সাবিত্ৰী, অনুপমা, জৰ্জ্জিয়ানা—আৰু যে কত ছোৱালীৰ স্পষ্ট-অস্পষ্ট স্মৃতিৰ আলেখ্যৰ মোৰ মনৰ পটত সেই মুহূৰ্ত্তত অস্থিৰ দোলন !

মই নলিনীৰ ওচৰৰ পৰা আতৰি আহিলোঁ আৰু মোৰ কোঠাত সোমাই বিছনাত বহি ললোঁ। কিন্তু অতীতৰ অনেক স্মৃতিয়ে, অসংখ্য কথাই সেই সময়ত মোক এনেদৰে জুমুৰি দি ধৰিলে যে মই স্থিৰ হৈ বহি থাকিবলৈ টান পালোঁ। মই বিছনাৰ পৰা উঠি মোৰ কোঠাটোত চটফটাই ইফালে সিফালে ঘূৰি ফুৰিবলৈ ধৰিলোঁ। জীৱনত কিয় কেতিয়াও সুস্থিৰ হৈ থাকিব পৰা নাই কোনো দিন ? কিহৰ এই অবোধ্য ব্যস্ততা ? কিহৰ তাড়নাত এই অন্তহীন ধৈৰ্য্যহীনতা ? কিহৰ যেন এক বিৰতিবিহীন ব্যস্ততাৰ মাজত, কিহৰ যেন এক অবুজ সন্ধানত মই এনেদৰে দ্ৰুত গতিত দৌৰিব লাগিছোঁ, যিহঁৰ ফলত দুই কাষে চকু ঘূৰাই চাবলৈ, পিছ পিনে

উভতি চাবলৈ তিলমান সময়ৰো আহৰি নাই। এৰা, নলিনীয়ে কোৱাৰ দৰে কত ছোৱালীক মই ভাল পাই আহিলোঁ জীৱনত। কিন্তু সেই আটাইবোৰৰ পৰা আতৰি আহি আজি বহু দিনৰ মূৰত এবাৰো জানো সিহঁতৰ কথা স্থিৰ হৈ সোঁৱৰণ কৰিবলৈ মই কেতিয়াবা সক্ষম হলোঁ ?

কিন্তু সুৰবালা ? এৰা, সুৰবালাৰ কথা সম্পূৰ্ণ বেলেগ। হঠাৎ মই কোনো এক সুপ্ৰাচীন মন্দিৰৰ গহন মণিকূটত যেন প্ৰবেশ কৰিলোঁ আৰু তাৰ পৱিত্ৰ বেদীৰ ধূপৰ ধোঁৱাৰে গম্ভীৰ হৈ পৰা সুবাসিত পৰিবেশত যেন সমাহিত হৈ পৰিলোঁ। মই মোৰ চকীখনত বহি পৰিলোঁ। মোৰ উপলব্ধি হ'ল, সুৰবালা আজিও যেন মোৰ তেনেই ওচৰত ; তেওঁৰ শান্ত, সৌম্য মূৰ্ত্তিৰ স্মৃতিৰ সুবাসেৰে মোৰ অন্তৰৰ মণিকূট আজিও সুবাসিত। অথচ সুৰবালাৰ পৰিচয় ? এৰা, সুৰবালাৰ পৰিচয় বুলিবলৈ আজি হয়তো মই একোকেই বিচাৰি নাপাওঁ। ভেঁট ফুলৰ পাহিৰ দৰে নিৰ্ম্মল বগা এখনি মুখ। মুখমণ্ডলৰ দুয়োফালে অযত্নত ওলমি পৰা আউলি বাউলি কলা চুলি। পৃথিৱীৰ সকলো ৰূপ, সকলো সৰল, নিষ্কলুষ গুণ মই যেন সুৰবালাৰ সেই মুখখনিতে স্তুপাকৃত হৈ থকা দেখা পাওঁ। তেওঁৰ আউল-বাউল চুলিবোৰ—সেইবোৰ যেন তেৱেঁই তুলি দিয়া মোৰ অন্তৰৰ ছন্দোময় ঢৌ। সঁচাই কি যে এক দুৰ্ব্বাৰ তৰঙ্গৰ সৃষ্টি কৰিছিল মোৰ হৃদয়ত সেই সুৰবালাই! এঘাৰ-বাৰ বছৰীয়া কিশোৰী সুৰবালাৰ সঙ্গ বিচাৰি, মৰম বিচাৰি পোন্ধৰ ষোলবছৰীয়া কিশোৰ অৱস্থাত মই তেতিয়া সংসাৰ-বিৰাগী হৈ পৰিছিলোঁ। অথচ সুৰবালাৰ স'তে এষাৰ কথাও পতাৰ সৌভাগ্য হোৱা নাছিল কোনো দিন ; এক মুহূৰ্ত্তৰ সঙ্গলাভৰ সুযোগো আনকি মিলা নাছিল মোৰ কেতিয়াও কোনো উদ্দেশ্যত। তেওঁৰ প্ৰতি আকৰ্ষণৰ সম্পূৰ্ণ চাৰি বছৰৰ পিছত যিদিনা মই তেওঁৰ তেনেই ওচৰতে প্ৰথম থিয় হৈছিলোঁ আৰু তেওঁৰ সৈতে এষাৰি কথাৰ মাথোন আদান-প্ৰদান কৰিছিলোঁ, সেয়েই আছিল মই লাভ কৰা তেওঁৰ শেষ সঙ্গ, আৰু মই তেওঁৰ স'তে পতা শেষ কথাও।

এইভাৱ মনলৈ অহাৰ লগে লগে কি যেন এক ক্লান্তিয়ে মোক অৱশ কৰি তুলিলে। মই মোৰ বিছনাত মোৰ দেহভাৰ সম্পূৰ্ণৰূপে এৰি দিলোঁ। সুৰবালাৰ সৈতে মোৰ প্ৰেমক মোৰ চেতন মানসিক অৱস্থাৰ বেছিভাগ সময়তে প্ৰকৃত প্ৰেম বুলি নাভাবি তাক মোৰ কিশোৰ মনৰ এটি খেয়াল, এটি অস্থায়ী স্বপ্ন-নীল কাগজৰ ঘৰ মাথোন বুলি ভাবিবলৈ কিমান চেষ্টা কৰিছোঁ। কিন্তু কতা ? কিহে যেন মোৰ অন্তৰৰ কোনখিনিত উপলুওৱাৰ হাঁহি মাৰি

লোক কৈ উঠে, 'হেৰ মূৰ্খ! কৈশোৰৰ ৰঙেৰে ৰঙীন কৰি গঢ়ি তোলা যি অট্টালিকা তোৰ ভাঙি পৰিল কৈশোৰৰ সামৰণিৰ লগে লগে নিতান্ত নীৰৱে, সেয়েই আছিল তোৰ জীৱনৰ একমাত্র বাস্তৱ সৌধ, স্বপ্নিল কৈশোৰৰ সামৰণিৰ লগে লগে যি খেয়াল শেষ হ'ল, সেই খেয়ালেই আছিল তোৰ প্ৰাণৰ প্ৰকৃত সুৰ।'

মই এই অস্থিৰ অৱস্থাৰ পৰা মুক্তি বিচাৰি পুনৰ শুৱাৰ পৰা উঠিলোঁ, আৰু কোঠাটোত ঘূৰি ফুৰিবলৈ ধৰিলোঁ। মোৰ অতি গৰম ধৰিছে। এৰা, মোৰ চতুৰ্দিশ গ্ৰীষ্মৰ চোকা উষ্ণতাত অসহ্যভাৱে উষ্ণ হৈ উঠিছে। মই এই উষ্ণতাৰ পৰা মুক্তি পাব লাগিব। মই শীতলতা বিচাৰিব লাগিব এই গ্ৰীষ্মকালিয়েই কৰবাত। কান্ধত টাৱেলখন লৈ মই গা ধুবলৈ ওলাই গ'লোঁ।

গা ধুই ভাত খাই উঠাৰ পিছৰ পৰা পুনৰ গৰমৰ উৎপাত। নলিনীৰ কোঠাত দুয়ো বহি লৈ হাতত দুয়ো দুখন বহী লৈ তাৰেই গাত বা দিয়াত লাগি গৈছোঁ। তথাপি শান্তি নাই। গালে-মুখে, হাতে-ভৰিয়ে, চোলাৰ তলৰ বুকুৰে-পিঠিয়ে ঘাম। আমি কতো শান্তি পোৱা নাই। আমি কতো সুস্থিৰ হৈ থাকিব পৰা নাই। আমি বিচনী হিচাপে ব্যৱহাৰ কৰা বহী দুটিৰে যিমানেই নিজকে বিচিছোঁ সিমানেই আৰু বেচি গৰম, আৰু বেচি অস্থিৰ অনুভৱ কৰিছোঁ। কিন্তু গ্ৰীষ্মকালিৰ এই উত্তপ্ততাৰ পৰা, সময়ৰ প্ৰভাৱৰ এই অসহ্য তাড়নাৰ পৰা আমাৰ মুক্তি ক'ত?

নলিনীয়ে সুধিলে, দুপৰীয়াৰ এই অসহ্য গৰমৰ পৰা ৰক্ষা পাবলৈ বাহিৰৰ কোনো মুকলি ঠাইত বহি লব নোৱাৰিনে? সি আমাৰ ঘৰৰ পিছ পিনৰ দল-মেটেকা আদিৰ পিটনিৰে উপচি থকা পুখুৰীটোৰ পিনে আঙুলিয়াই দি মোক ক'লে, "সৌ পুখুৰীটোৰ পাৰত বহা ঠাই নাই নেকি? পাৰতচোন সৌডাল গছ? তাৰ পাৰত বহিব নোৱাৰি?"

মই কলোঁ, "সেইটো বৰ জয়াল পুখুৰী। পুখুৰীটো অকল যে দেখাতেই বৰ ডাঙৰ তেনে নহয়। দইও হেনো বৰ দ। তাৰ ওপৰৰ সৌ পিটনিবোৰেই কিমান বছৰৰ পৰা পৰি পৰি যে কিমান ডাঠ হৈ উঠিছে, তাকেই সঠিককৈ কব নোৱাৰি। আৰু সি যে কিমান পুৰণি দিনৰ পুখুৰী তাৰ কথাকেই এই অঞ্চলত কাকো কব পৰা নেদেখিলোঁ। সেই ডাঠ পিটনিৰ তলৰ সুপ্ৰাচীন অদৃশ্য জলৰাশিৰ মাজত কি যে ৰহস্য লুকাই আছে—তাক আমাৰ জনাৰ কোনো উপায় নাই। শুনিছোঁ, পুখুৰীটোত হেনো এজনী জলকুঁৱৰীও আছে। কেতিয়াবা দুপৰীয়াৰ এনেকুৱা নিৰ্জন মুহূৰ্তত

নাইবা ৰাত্তিৰ নিৰলাত্ত অকলে অকলে ধুনীয়া, স্বাস্থ্যৱান ডেকা পালে সেই জলকুঁৱৰীয়ে হেনো সেই প্ৰাচীন ৰহস্যময় পুখুৰীটিৰ তাইৰ পিটনিৰ তলৰ আবাস ভূমিলৈ তাক টানি লৈ যায় ; আৰু তাইৰ কাম্য লিপ্সা পৰিপূৰ্ণ হ'লে তাক এৰি দিয়ে। অৰ্দ্ধ-পাগল অৱস্থাত এনেকৈ জলপৰীয়ে এৰি দিয়া অৱস্থাত এবাৰ হেনো এজন ডেকাক এই পখুৰীৰ পাৰত পোৱা গৈছিল। পুখুৰীটোৰ বিষয়ে গুৱাহাটীৰ এই অঞ্চলটোৰ বুঢ়া মানুহবোৰে এনেকুৱা সাধু আৰু বহুত কয়। পুখুৰীটোৰ ভয়তেই নতুনকৈ ইয়াৰ পাৰত সজা এই ঘৰটো মই লোৱাৰ আগতে বহু মাহ এনেয়ে পৰি আছিল। বুঢ়া মানুহৰ মুখৰ এই কাহিনীবোৰক ভয় কৰি তাৰ পৰা মই আতৰি থাকিব খোজা নাই। কিন্তু, সেই প্ৰাচীন পিটনিৰে ভৰা পুখৰীটো যে বিষাক্ত সাপ আৰু তেনেকুৱা অন্যান্য জলচৰ প্ৰাণীৰে ভৰি আছে, তাত সন্দেহ নাই। তাৰ পাৰত বহা কেতিয়াও নিৰাপদ নহয়। সাপে বেং ধৰা শব্দ পুখুৰীটোৰ পৰা প্ৰায়েই আহি থকা তই এই কেইদিনতে শুনা নাইনে ?"

নলিনীয়ে নীৰৱ হৈ মোৰ কথা শুনি আছিল। সি কলে, "এৰা, শুনিছোঁ। থাওক বাৰু। তেনে এটি পুখুৰীৰ পাৰৰ মুকলি বায়ুতকৈ আমাৰ এই বন্ধ ঘৰৰ গৰম বতাহেই বেচি নিৰাপদ হ'ব। পিছে এটা কথাদেই। জীৱনত কোনো ছোৱালীয়েতো আমাক বিচাৰি নি ক্ষণিকৰ বাবে হ'লেও সঙ্গসুখ নিদিলে। এই পুখুৰীৰ জলকুঁৱৰী জনীৰেই সঙ্গ যদি আমি পাই যাওঁ, আমাৰনো তাতকৈ সৌভাগ্যৰ কথা আৰু কি থাকিব পাৰে ? আমাকো সঁচাই পুখুৰীৰ জলকুঁৱৰী জনীয়ে কেতিয়াবা নধৰিবনে ?"

মই তাক কওঁ, "ধেৎ, পাগল। জলকোঁৱৰ হ'বলৈ এনে বলিয়া ইচ্ছাটো তোৰ কেতিয়াৰ পৰা হ'ল ?

নলিনীয়ে ক'লে, "তেনেই ল'ৰালি কালৰে পৰা। তাৰে কাহিনী-য়েইতো আজি আবেলি তোক কৈ শুনাম বুলিছোঁ। মোকো আমাৰ সেই প্ৰাচীন গাওঁখনিৰ এজনী জলকুঁৱৰীয়ে ধৰিছিল। আৰু তোকো জানো ধৰা নাছিল ? সেই জলকুঁৱৰীৰ কবলৰ পৰা মুক্তি পোৱা তয়ো জানো এতিয়া এটি অৰ্দ্ধ-পাগল নহয় ?"

মই তাৰ কথাত হাহিছিলোঁ।

আবেলি চাৰি বজাৰ লগে লগে আমি দুয়ো চাইকেল দুখনেৰে চিলং ৰ'ডেৰে যাত্ৰা কৰিছিলোঁ। যিমানলৈ পাৰোঁ চিলং ৰ'ডেৰে আমি উজাই গৈ থাকিম। গুৱাহাটীৰ পৰা আতৰি যোৱাৰ পিছত চিলং ৰ'ড যেতিয়া

জনপাতল হ'ব, তেতিয়া আমি ইটোৰে সিটোৰ আগত অন্তৰৰ কথা উজাৰি কৈ জীৱনৰ দুখ-দৈন্য, দিনটোৰ ভাগৰ-গৰম সকলো পাহৰি যাম।

গুৱাহাটীৰ নগৰীয়া অঞ্চলটো পাৰ হৈ আমি যেতিয়া নগৰৰ উপকণ্ঠৰ জন-পাতল অঞ্চলটো পাইছোঁ গৈ, তেতিয়াই ব'দৰ প্ৰখৰতা কমিছে যদিও দিনৰ উষ্ণতাটো হ্ৰাস পোৱা নাই। এজাক বতাহ প্ৰবল গতিত বৈ আছিল। নগৰীয়া অঞ্চলটো পাৰ হৈয়েই লগ পোৱা এই প্ৰবল বতাহ-জাকতো শীতলতাৰ সলনি যেঁহ যেঁহীয়া গৰম এটিহে মিহলি হৈ আছিল। লাহে লাহে ৰাস্তাৰ দুয়ো কাষে ওখ ওখ সেউজীয়া গছ নাইবা বন-লতিকাৰ ডাঠ হাবি আমাৰ চকুত পৰিছিল। তাৰে মাজে মাজে বিস্তৰ সেউজীয়া খেতি-পথাৰত বতাহৰ সেউজীয়া অথবা ক্ষেত্ৰবিশেষে সোণালী ঢৌ। প্ৰকৃতিৰ এই উন্মুক্ত, বন্য পৰিবেশত আমাৰ মনো উন্মুক্ত, আনন্দিত হৈ উঠিব লাগিছিল। কিন্তু কিহে যে এক মুক্ত, অবাঁধ আনন্দৰ উপভোগৰ পৰা আমাক আতৰাই ৰাখি দিলে। গছ-লতিকাৰ, ঘাঁহ-শস্যৰ সেই ৰং-বিৰঙৰ পৰিবেশ আমাৰ তেনেই ওচৰতে হোৱা স্বত্বেও আমাৰ পৰা যেন 'বহুতো আতৰত, আমি তাৰ সৌন্দৰ্য্য উপভোগ কৰিব পৰা সীমাৰ বাহিৰত। যেঁহ যেঁহীয়া গৰমটোত, উষ্ণ বতাহ জাকত আমি মাথোন উচ পিচাই আমাৰ চাইকেল চলায়ে থাকিলোঁ আগলৈ।

তথাপিও আশা কৰা মতে সুশান্ত, শীতল পৰিবেশ এটিত উপনীত হ'ব নোৱাৰি আমি অৱশেষত আমাৰ যাত্ৰা শেষ কৰি ৰাস্তাৰ কাষৰ এডৰা ঘাঁহনিত বহি ললোঁ। চাইকেল দখন ওচৰতে থিয়কৈ থোৱা হ'ল। চিলং ৰ'ডত অহা যোৱা কৰা মানুহ তেতিয়া একেবাৰেই নাই বুলিব পাৰি। আমাৰ দুয়োফালে বনৰীয়া গছ লতিকাৰ পাতল জাৰণি। তাৰ পৰা খৰি কাটি পিঠিত মেট মৰা খৰিৰ বোজা লৈ কুঁজা পৰি অহা দুই এজন নেপালী-নেপালনীত বাহিৰে আমাৰ কাষেৰে পাৰ হৈ যোৱা মানুহ আৰু কোনো নাই। দূৰণিৰ বননিত ৰঙা-বগা-হালধীয়া আৰু পাতল নীলা ফুলবোৰ ৰাশিয়ে ৰাশিয়ে ফুলি আছিল। তেজ ৰঙা কৃষ্ণচূড়া ফুলেৰে উপচি থকা এডৰা ঠাইলৈ নলিনীৰ দৃষ্টি আকৰ্ষণ কৰি মই নলিনীক ক'লোঁ, ''তেজ ৰঙা গোলাপ ফুল দেখি ওমৰ খায়ামৰ কি ভাব হৈছিল তোৰ মনত পৰেনে, নলিনী? এনে এটি পূৰ্ণ পুষ্পিত ৰঙীন প্ৰকৃতিৰ নীৰৱ সৌন্দৰ্য্যই আমাকো কেনেদৰে আকুল-উন্মাদ কৰি তোলা উচিত আছিল, অন্তৰত কত ভাৱৰ হিল্লোল তুলি ক্ৰমে ক্ৰমে এই পৰিবেশতে সমাহিত কৰি দিয়া উচিত আছিল। কিন্তু প্ৰকৃতিৰ সৌন্দৰ্য্যৰ প্ৰতি, আৰু সকল প্ৰকৃতিৰ সৌন্দৰ্য্যৰ

প্ৰতিয়েই কিয়, যি কোনো সুন্দৰ, সূক্ষ্ম সৃষ্টিৰ প্ৰতি আমাৰ মন, আমাৰ চেতনা এনেদৰে বিমুখ, স্থূল হৈ পৰিছে যে ক্ৰমে ক্ৰমে চেতনা-অনুভূতি শূণ্য আমি একো একোটা যন্ত্ৰ বিশেষ হৈ যাব ধৰিছোঁ মাথোন।”

নলিনীয়ে মোৰ কথাৰ উত্তৰত বহু সময়লৈ একো মতা নাছিল। এক অসাধাৰণ গাম্ভীৰ্য্যৰে সি বহি আছিল তলমূৰা হৈ। কিছু সময়ৰ পিছত সি ক'লে, “কোনো সুন্দৰ, সূক্ষ্ম দৃষ্টিয়ে মোৰ মনত ৰেখা পাত কৰিব নোৱাৰে বুলি মই নকওঁ। কিন্তু মোৰ মনত কি যে এক অবোধ্য ব্যস্ততাৰ ভাৰে অহৰহ প্ৰতিক্ৰিয়া কৰি আছে, যিহৰ ফলত, মোৰ ভাব হয়, সুন্দৰক লৈ, সূক্ষ্ম সৃষ্টিক লৈ বহি থাকিবলৈ মোৰ সময় নাই। সেই অবোধ্য ব্যস্ততাই, অলীক ব্যস্ততাই আমাৰ সমগ্ৰ অনুভূতি, সমগ্ৰ সূক্ষ্ম চেতনাক চেঁপা দি ৰাখি, তোৰ ভাষাৰেই, আমাক একোটা যন্ত্ৰবিশেষ কৰি পেলাইছে মাথোন।”

নলিনীৰ প্ৰশ্নৰ উত্তৰত মই দুখ কৰি কলোঁ, “কি কৰিবি? সুৰবালাৰ প্ৰেমত যেতিয়া গভীৰভাৱে নিমজ্জিত, তেতিয়া দিনে দিনে এটাৰ পিছত এটাকৈ কবিতা লিখিছিলোঁ। কিন্তু আজি কালি? ঘণ্টাৰ পিছত ঘণ্টা ধৰি চেষ্টা কৰিও অন্তৰৰ লাগ-বান্ধ নোহোৱা ভাববোৰক শব্দৰ সঁজাত বন্দী কৰিব নোৱাৰোঁ; আৰু কেতিয়াবা কিবা কৈ এই অসাধ্য সাধন কৰিলেও সেই শব্দবোৰত হাঁতুৰি মাৰি মাৰিও তাক কোমল কৰি, তাৰ আকাৰ-প্ৰকাৰ সলাই কাব্যিক কৰি তুলিব নোৱাৰোঁ। আমি সঁচাই একোটা যন্ত্ৰ হৈ গৈছোঁ, নলিনী।”

কথাখিনি শেষ কৰাৰ লগে লগে মোৰ এটি হুমুনিয়াহ ওলাই আহিছিল। শৈশৱৰ এৰি অহা সেই কাব্য-কানন আৰু প্ৰকৃতি-কুঞ্জৰ কথা মোৰ স্পষ্টভাৱে তেতিয়া মনত পৰিছিল। আজিকালি গধূলি যেতিয়া নিঃসঙ্গ অনুভৱ কৰোঁ, তেতিয়া পাণবজাৰ, ফাঁচীবজাৰৰ অবিৰাম জনস্ৰোতত নিজকে এৰি দি আত্ম-চেতনা হেৰুৱাই সেই নিঃসঙ্গতা দূৰ কৰোঁ। কিন্তু এসময়ত মইতো এনেকুৱা নাছিলোঁ। গধূলিৰ ডাঠ আন্ধাৰ যেতিয়া মোৰ অকণমানি, নীৰৱ গাওঁখনিলৈ নামি আহে, মই তেতিয়া মোৰ সৰু লেমটো জ্বলাই, হয় মোৰ পঢ়া-কোঠাত সোমাই সুৰবালাৰ ধ্যানত নিমগ্ন হওঁ আৰু কবিতা লিখোঁ; নহয়, নিৰ্জ্জন, গাৱলীয়া আলিবাটটোৰে অকলে খোজ কাঢ়ি গৈ জুবিটিৰ পাৰত নিঃসঙ্গতাৰ স'তে মুখামুখি হৈ আত্মচেতনা সতেজ কৰি তুলোঁ। সেই সময়তে ভাল লাগে আকাশৰ মেঘ, দূৰণিৰ বননিৰ চৰাইৰ কিৰিলি, আৰু আন্ধাৰ আৰু পোহৰৰ সংমিশ্ৰণে সৃষ্টি কৰা গাম্ভীৰ্য্য-ৰহস্য।

মোৰ বহু সময় জোৰা গহীন মৌনতা দেখি নলিনীয়ে বোধ হয় ভালপোৱা নাছিল। সি কিজানি এই গহীন পৰিবেশৰ পৰিৱৰ্ত্তন বিচাৰিয়েই মোক সুধিছিল, "সৰুতে যে ডজনে ডজনে কবিতা লিখা বুলি কৈছিলি, সেইবোৰ কি হ'ল?" তাৰ মুখত হাঁহি। কিন্তু মই হাঁহিব নোৱাৰিলোঁ। মই উত্তৰ দিলোঁ, "সকলেবোৰ এদিন নদীত উটুৱাই দিলোঁ।" মোৰ উত্তৰ নলিনীয়ে কিজানি বুজিবলৈ টান পাইছিল। কৌতূহলেৰে সি সুধিছিল, "নদীত উটুৱাই দিলি মানে?"

মই গম্ভীৰভাবে ক'লোঁ, "এৰা, নদীত উটুৱাই দিলোঁ। মইতো আজি কালি ডায়েৰী লিখাৰ দুৰ্ঘোৰ বিৰোধী। কিন্তু তই আচৰিত হবি, সুৰবালাৰ অৱস্থিতিৰ তীক্ষ্ণ চেতনাই মোৰ দেহ-মনত সঞ্চাৰিত হৈ মোক উন্মাউল কৰি ৰখা সেই চাৰিটা বছৰত মই মোৰ চেতনা অনুভূতিৰাশি নিয়মিত ডায়েৰীত লিপিবদ্ধ কৰিছিলোঁ। কিন্তু সেই চাৰি বছৰৰ পিছৰ এটি দিনত মোৰ অতীতৰ সকলো স্মৃতি—মোৰ ডায়েৰীৰ গোটেইবোৰ পাত আৰু মোৰ কবিতাৰ সমগ্ৰ পাণ্ডুলিপি শুধ-বগা কাপোৰেৰে মেৰিয়াই মোৰ গাঁৱৰ ওচৰেৰে বৈ যোৱা নিজৰাটিত উটুৱাই দিলোঁ।"

নলিনীয়ে মোক সুধিলে, "কিন্তু তই আজিকালি ডায়েৰী লিখাৰ দুৰ্ঘোৰ বিৰোধী কিয়?"

তাৰ এই প্ৰশ্নৰ উত্তৰ দিবলৈ মই অকণো চিন্তা কৰিব নেলাগিল, "সুৰবালা যিদিনা মোৰ জীৱনৰ পৰা বিচ্ছিন্ন হৈ গ'ল, সেই দিনাই মই মোৰ অতীতৰ সকলো মোহ ত্যাগ কৰিলোঁ। ইয়াৰ সুফল মই মোৰ পৰৱৰ্ত্তী জীৱনত ভোগ নকৰাকৈ থকা নাই। ইয়াৰ ফলতেই মই লাভ কৰিলোঁ মোৰ জীৱনৰ গতিশীলতা—পিছলৈ উভতি নাচাই মাথোন সন্মুখৰ পিনে গৈ থকাৰ ধৰ্ম।"

মোৰ কথাবোৰ নলিনীয়ে নীৰৱে শুনি আছিল। বেলি তেতিয়া লাহে লাহে লহিয়াইছিল। ৰ'দৰ প্ৰখৰতা লোপ পাইছিল। তথাপি দিনৰ উষ্ণতা তেতিয়াও কিয় জানো কমা নাছিল। দুপৰীয়াৰ সেই ধেঁহ-ধেঁহীয়া গৰম ভাবটোৱে আমাক সুস্থিৰ হৈ থাকিব নিদিছিল। নলিনীয়ে ক'লে, "কতো শান্তি নাই। এই সময়ত চহৰ এৰি বনৰ মাজত শীতলতা বিচৰা বৃথা। আমি উভতি যাওঁ বল। ল'ৰাটোক বজাৰ কৰাৰ নিৰ্দ্দেশ দি অহা নাই। কি আনিব লাগিব, কি নানিব লাগিব, তাক সি নিজে থিৰ কৰি লব নোৱাৰিব।"

মই ক'লোঁ, "সেইবোৰ চিন্তা বাদ দে। অন্ততঃ আজিৰ এই গধূলিটোৰ

বাবে, সেইবোৰ কথা পাহৰি থাকবলৈ চেষ্টা কৰ। ইয়াত আমি বৰ গৰম পাইছোঁ। সেইবাবে এই ঠাই এৰি আৰু কিছু আগুৱাই গৈ পাহাৰলৈ এই ৰাস্তাটিৰে আমি যদি উঠি যাওঁ, আৰু পাহাৰী দৃশ্যৰ সৌন্দৰ্য্য চকুৰ আগত ৰাখি পাহাৰৰ ওপৰত বহি লওঁ, অলপ শীতল বতাহ, অলপ শান্তি আমি নাপামনে ?"

মোৰ কথাত নলিনীয়ে সম্মতি জনাইছিল। দুয়ো চাইকেল চলাইছিলোঁ দ্রুত গতিত। খানাপাৰা পাৰ হোৱাৰ পিছত আমাৰ ৰাস্তাটো পাহাৰৰ ওপৰলৈ উঠি গৈছিল। আমিও আমাৰ চাইকেল ঠেলি ঠেলি ওপৰলৈ উঠি গ'লোঁ। পাহাৰৰ পৃষ্ঠভমিত ৰাস্তাৰ কাষত পুনৰ চাইকেল থৈ আমি বহি পৰিলোঁ। পাহাৰীয়া আলিটোৰ সোঁপিনে পাহাৰখন ক্ৰমে ক্ৰমে ওখ হৈ গৈছে। বাওঁপিনে প্ৰকাণ্ড খাল। গভীৰ খালটোৰ সিপিনে অন্য এখন পাহাৰৰ সেউজবোৰ। লাহে লাহে সন্ধ্যাৰ পাতল আন্ধাৰবোৰ নামি আহিব ধৰিছিল। আমাৰ চৌদিশৰ সন্ধিয়াৰ ধূসৰতাই আমাৰ মনো উদাস, ধূসৰ কৰি তুলিছিল। বিভিন্ন বনৰীয়া চৰাইৰ বেসুৰীয়া আৱাৰত বাহিৰে আৰু ক'তো একো শব্দ নাছিল। মই নলিনীৰ পিনে চালোঁ। নীৰৱ, নিথৰ হৈ নলিনীও বহি আছে। মই তাক ক'লোঁ, "তোৰ কমলিনীৰ কথা শুনিবলৈ এয়েই উপযুক্ত সময়। আৰম্ভ কৰ।"

তাৰ মুখখন যেন অলপ উদ্ভাসিত হৈ উঠিল। সি কৈ উঠিল, "কমলিনীৰ ? তই ঠিকেই কৈছ। এই পৰিবেশেই কমলিনীৰ কথা তোক কৈ শুনাবলৈ একমাত্ৰ পৰিবেশ। সন্ধ্যাৰ আন্ধাৰত অস্পষ্ট হৈ যাব ধৰা সৌ মূক পাহাৰখন, দিনান্তৰ ছাঁই ম্লান কৰি তোলা এই দুই পাহাৰৰ মাজৰ সুগভীৰ খালটো, আমাক আগুৰি ধৰা চৌদিশৰ নিৰ্জ্জন পৰিবেশ— এয়েই আজি মোৰ মনত কমলিনী। এসময়ৰ উজ্জ্বল, সতেজ, সবাক কমলিনী আজি মোৰ বাবে এই গধূলিৰ পৰিবেশৰ দৰেই ম্লান, অস্পষ্ট, নীৰৱ হৈ পৰিছে।"

ইয়াৰ আগতে নলিনীক মই আৰু কেতিয়াও ইমান আবেগসিক্ত হৈ পৰা দেখা নাছিলোঁ। মই তাৰ কথা নীৰৱেই শুনি গৈছিলোঁ। সি একেটা ভাবোচ্ছ্বাসতেই তাৰ অত দিনৰ স্তূপীকৃত কথাবোৰ উজাৰি কৈ গৈছিল : "মই তেতিয়া ষষ্ঠমান শ্ৰেণীত পঢ়োঁ। ষষ্ঠমান শ্ৰেণীত পঢ়া সেই অকণমানি ল'ৰাটিয়েই এদিন চতুৰ্থমান শ্ৰেণীত পঢ়া তাতকৈয়ো অকণমানি ছোৱালী এজনীৰ ভাব-চিন্তা, স্বভাৱ-চৰিত্ৰ, কথা-বাৰ্ত্তাত মুগ্ধ হৈ গৈছিলোঁ। তেওঁ মোৰ কাৰণে হৈ পৰিছিল সেই সময়ত তইঁতৰ কৰিতা-উপন্যাসৰ ভাষাৰেই 'অসামান্যা', 'অনন্যা'। তাৰ বহু বছৰ পিছত আজি

মোৰ স্বাভাৱিক মন আৰু সুস্থ মস্তিষ্কৰে এই কথা স্বীকাৰ কৰিবলৈ মই অকণো দ্বিধা বোধ নকৰোঁ যে মোৰ আগত 'অসামান্যা' হিচাবে আৱিৰ্ভূত হোৱা সেই কমলিনী আছিল আপচু মুখাবয়বৰ, অসাবলীল দেহভঙ্গীৰ, ৰূপ-লাৱণ্যহীন এক কুৎসিৎ, কদাকাৰ ছোৱালী। তথাপিও, তই শুনি নাহাঁহিবি বেদান্ত, সেইজনী ছোৱালীয়েই বিশ্বৰ সকলো সৌন্দৰ্য্যৰ অধিকাৰিণী হৈ যেন মোৰ চকুৰ আগত থিয় হৈছিল তেতিয়া।

"কমলিনীৰ দেউতাক আছিল অশিক্ষিত, ধনী লোক। ধনৰ বলতেই তেওঁ সেই অঞ্চলৰ এক বৰেণ্য নেতা। কংগ্ৰেছৰ সভ্যৰ পৰা পঞ্চায়তৰ সভাপতিলৈকে সকলোবোৰ গাওঁলীয়া মানুহৰ বাবে লোভনীয় উচ্চ পদত দেখা পাবি কমলিনীৰ দেউতাকক। মোকতো জানই, হাতত ফুটা কড়ি এটাও নোহোৱা আইৰ মই চকুৰ মণি। ঘৰখন মোৰ প্ৰতি যিমানেই উদাসীন, আই ইপিনে মোৰ প্ৰতি সিমানেই অনুৰক্ত। দাদাৰ মত, আমাৰ দৰে দুখীয়া ঘৰৰ ল'ৰাই পঢ়ি সৰ্ব্বস্বান্ত হোৱাতকৈ হালৰ মুঠিত ধৰি দুপইচা আজি ঘৰখন টনকিয়াল কৰি তোলাই ভাল। আমাৰ গাওঁৰ পাঠশালা স্কুলৰ পণ্ডিতজনৰ মতে, পঢ়াত মই তীখাৰ দৰে চোকা। পণ্ডিতৰ এই প্ৰসংশাত আই ভোল গৈ মোক স্কুললৈ গৈ থাকিবলৈ উদগাইছিল। পাঠশালাত পঢ়ি থকা সময়ত সেই বৃদ্ধ পণ্ডিতজনাই প্ৰায়ে আইক মোৰ খবৰ দি আছিল, 'প্ৰথম মানত পঢ়িলে কি হ'ব ; তৃতীয় মানৰ ল'ৰাকো সি চেৰ পেলাইছে বুদ্ধিৰে। কালি এটা প্ৰশ্নৰ তৃতীয় শ্ৰেণীৰ এজন ল'ৰায়ো উত্তৰ দিব নোৱাৰিলে। তাক সুধিলত সি খপকৈ কৈ দিলে। লগে লগেই প্ৰথম মানত পঢ়া তোমাৰ ল'ৰাৰ হতুৱাই তৃতীয়মানৰ আটাইবোৰ ল'ৰাৰেই কাণ মুচৰালোঁ।' পণ্ডিতৰ এই প্ৰসংশামুখৰ সংবাদত আইৰ চকু উজ্জ্বল হৈ উঠে। মোক কয়, 'ইস্কুললৈ গৈ থাক। দাদাৰই যিয়েই নকওক।'

"বিপদ হৈছিল, পাঠশালা পাচ কৰি যেতিয়া মাইনৰ স্কুলৰ চতুৰ্থ মানত নাম লিখোঁ, তেতিয়াহে। মাচুলৰ বাবে টকা ক'ত পাম? কিন্তু এই সমস্যাৰো সমাধান হ'ল। কমলিনীৰ দেউতাকে আইক কৈ দিলে, তেওঁৰ ছোৱালীজনীক পঢ়াত অলপ চাই-মিলি থাকিলে, মোৰ পঢ়া খৰছখিনি তেৱেঁই দি থাকিব। তেনেকৈয়েই কমলিনীহঁতৰ ঘৰলৈ মই প্ৰৱেশাধিকাৰ পাই গলোঁ। লাহে লাহে আমাৰ বহুতো পৰিৱৰ্ত্তন হ'ল। মই ষষ্ঠমান পালোঁ, কমলিনীয়ে পালে চতুৰ্থমান। আৰু অকল এয়েই নহয়। প্ৰথম যেতিয়া কমলিনীক পঢ়ুৱাবলৈ লৈছিলো, তেতিয়া এইখিনি সময়েই মোৰ কাৰণে আটাইতকৈ বিৰক্তিকৰ আছিল। লাহে লাহে এতিয়া এই

সময়খিনিয়েই হ'ল মোৰ বাবে আটাইতকৈ মধুময় ক্ষণ। এই ক্ষণ কেতিয়া আহে, তাৰ বাবেই মই দিনটোৰ গোটেইখিনি সময় অধীৰ হৈ অপেক্ষা কৰি ৰওঁ। কমলিনীহঁতৰ ঘৰখনতো মই তেওঁলোকৰ ঘৰৰ ল'ৰাৰ দৰে হৈ পৰেঁ। মাছ-মাংস থাকিলেই ভাত খোৱা নিমন্ত্ৰণ মোৰ তেওঁলোকৰ ঘৰত। অ', আৰু এটা কথা তোক কবলৈ পাহৰিছোঁ। চতুৰ্থ মানত পঢ়া বছৰটোত মোৰ পঢ়া খৰছ কমলিনীৰ দেউতাকেই দিছিল যদিও, তাৰ পিছৰ পৰা আৰু তেওঁ মোক সহায় কৰাৰ প্ৰয়োজন নহৈছিল। পঞ্চম-মানলৈ মই শ্ৰেণীত প্ৰথম হৈ প্ৰমোচন পাইছিলোঁ। গতিকে মোৰ মাচুল আৰু দিবলগীয়া নহৈছিলেই।

"কমলিনীক মোৰ কেনেকৈ কিয় ভাল লাগি গৈছিল, সেই কথাই মোৰ মনত আজিলৈকে ৰহস্য হৈ থাকিল। আৰু কমলিনীৰেই বা মোক ইমান ভাল লগাৰ কাৰণ কি হ'ব পাৰে? প্ৰথমতে যেতিয়া মই কমলিনীক পঢ়ুৱাবলৈ লওঁ, তেতিয়া তেওঁ খ-মান নে প্ৰথম মানত। পঢ়ুৱাৰ নিৰ্দ্দিষ্ট দিন বা সময় দেউতাকে আমাক একো বান্ধিয়েই দিয়া নাছিল। কমলিনীয়ে যদি কেতিয়াবা কিবা টান পায়, মোক সুধিব; আৰু মই বুজাই দিম। এয়েই আছিল বন্দোবস্ত। কিন্তু সময়ত এটা গধলিও মই কমলিনীৰ ওচৰলৈ নোযোৱাকৈ থাকিব নোৱাৰাত পৰিলোঁ। কিয়? কমলিনীয়ে গধূলি বাৰান্দাৰ বেঞ্চ এখনত বহি তেওঁৰ কিতাপৰ ওপৰত উবুৰি খাই পৰি পঢ়াৰ যতন কৰে। আৰু লেমটো মাজতে লৈ বেঞ্চখনৰ ইমূৰত বহি ময়ো তেওঁক পঢ়ুৱাত লাগি যাওঁ—তেওঁ নিজে পৰা-নোৱাৰা সকলোবোৰ কথাই। মোৰ ঘৰত মই পঢ়িব লাগে চাকিৰ পোহৰত। কাৰণ আমাৰ লেম নাই। দুখন পীৰা জোৰা লগাই তাৰ ওপৰত বহি কিতাপৰ ওপৰত উবুৰি খাই ঘৰৰ মজিয়াত মই পঢ়োঁ। কাৰণ আমাৰ ঘৰত বেঞ্চ নাই, আমাৰ ঘৰৰ বাৰান্দাও নাই। মোৰ এই দৈন্যই আৰু কমলিনীৰ সেই ঐশ্বৰ্য্যই মোৰ কমলিনীৰ প্ৰতি আকৰ্ষণৰ কাৰণ আছিলনেকি? কেতিয়াবা মই নিজকে এই প্ৰশ্ন সুধোঁ। কিন্তু ইয়াৰ উত্তৰত মই নিজেও সন্তুষ্ট নহওঁ।"

এইখিনিতেই নলিনী ৰৈ গৈছিল। মই একান্তমনে শুনি আছিলোঁ তাৰ কথা। ৰৈ যোৱাত মই ক'লোঁ, "ৰলি যে? কৈ যা। শুনি মোৰ ভাল লাগিছে।" সি ক'লে, "নাই, আজি আৰু থাওক। এতিয়া ৰাতি হ'ল। আমি উভতি যাওঁ বল।"

আমাৰ চতুৰ্দ্দিশে তেতিয়া এক অদ্ভুত নীৰৱতা। ওপৰৰ নিৰ্ম্মল

আকাশত জোনে দেখা দিছে। ৰাতিৰ ডাঠ আন্ধাৰ ঠেলি ঠেলি জোনৰ পোহৰবোৰে দিগন্ত ওপোচাই পেলাইছে।

মই ক'লোঁ, "ৰাতি হোৱা বাবে ভালেই লাগিছে। ঘৰলৈ এতিয়াই গৈনো কি কৰিবি? তোৰ আধা কোৱা কাহিনীটোকেই কৈ শেষ কৰ। পাহাৰৰ শীতল বতাহে আমাৰ গা-মনো জুৰ পেলাইছে এতিয়া।"

মোৰ প্ৰস্তাৱত নলিনীয়ে আপত্তি নকৰিলে। সি পুনৰ আৰম্ভ কৰিছিল, "আমাৰ সম্পৰ্কটো ক্ৰমে ক্ৰমে আৰু বেচি উন্নত স্তৰলৈ গৈছিল। এতিয়া মই তেওঁক ইংৰাজী, অঙ্ক বা অসমীয়া অকল বুজোৱাতে আবদ্ধ নাথাকি দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা'ও আনকি বুজাবলৈ লৈছিলোঁ। অৱশ্যে তেতিয়া মই সেই কবিতাবোৰ যেনেকৈ বুজিছিলোঁ, তেনেকৈহে দেই।" জোনৰ নিস্তেজ পোহৰত, মই অনুমান কৰিছিলোঁ, নলিনীয়ে যেন হাঁহিবৰ চেষ্টা কৰিছিল—নিজৰ ওপৰতে মৰা এক তাচ্ছিল্যৰ হাঁহি। সি ইতিমধ্যে ঘাঁহৰ ওপৰতে শুই পৰিছিল ওপৰমুৱাকৈ। মই মোৰ হাত দুখন পিছফাললৈ মেলি তাৰ ওপৰতে দেহৰ ভৰটো এৰি দি বিশ্ৰাম লৈছিলোঁ।

নলিনীয়ে আকৌ আৰম্ভ কৰিছিল, "ইয়াৰ পিছৰ কাহিনী অতি সাধাৰণ। লাহে লাহে আমি ইটোৱে সিটোৰ ওপৰত ঠেঁহ পাতিবলৈ আৰম্ভ কৰি দিছিলোঁ। এটি সাধাৰণ কথাতেই ইটোৱে সিটোৰ ওপৰত অভিমান কৰোঁ, আপডাল কৰোঁ। ইয়াৰ ভিতৰত উল্লেখযোগ্য এটি কথা মাথোন তোক কম। মই মেট্ৰিক পৰীক্ষা দিবলৈ ওলোৱা বছৰটোৰ এটি কথা। টেষ্ট পৰীক্ষাৰ পিছত নিবিষ্টচিত্তে মই পঢ়াত লাগি যোৱা উচিত আছিল। অন্ততঃ আয়ে এই কথা মোক ঘনাই শোঁৱাই দিছিল। টেষ্ট পৰীক্ষাৰ পিছৰ সময় ছোৱাৰ দৰে মূল্যবান সময় ছোৱাতো মই ঘনাই ঘনাই কমলিনীৰ তালৈ যোৱা, তেওঁলোকৰ তাত ভাত খোৱা—এইবোৰ কাৰ্য্য আয়ে সহ্য কৰিব নোৱাৰিছিল। তদুপৰি, কমলিনী এতিয়া সৰু ছোৱালী হৈ নাই, তেওঁ ডাঙৰ হৈছে; আৰু তেনে এজনী ছোৱালীৰ ওচৰলৈ গৈ থকাটোও অনুচিত বুলি আয়ে মোক ইঙ্গিত দিছিল। আইৰ এই দুয়োটা কথাই পৰম জ্ঞান-গৰ্ভ বুলি মোৰ ধাৰণা হৈছিল। গতিকে কমলিনীৰ পৰা এদিনৰ বাবে বিচ্ছিন্ন হৈ থকাটোও মোৰ বাবে দুঃসাধ্য হ'লেও, মই বহুত চেষ্টা কৰি তেওঁৰ ওচৰলৈ যোৱাটো বাদ দি পঢ়াত লাগি গ'লোঁ।

"পুৱা পোহৰ দিন মই কমলিনীৰ ওচৰলৈ নগৈ মোৰ সমাগত পৰীক্ষাৰ বাবে মনোযোগ দি পঢ়িবৰ চেষ্টা কৰিছিলোঁ। প্ৰথম তিনি দিন

তেওঁলোকৰ ঘৰলৈ নোযোৱাৰ পিছতেই কমলিনীয়ে এদিন স্কুললৈ আহোঁতে বাটত মোক লগ পাই অভিমানৰ সুৰত ক'লে, 'মেট্ৰিক দিবলৈ ওলাই আমাক পাহৰিলেই। আমি মাতিলেই বা এতিয়া আৰু যাব কিয়। দুদিন পিছত মেট্ৰিক পাছ কৰি কলেজৰ ল'ৰা হ'ব নহয়।' মোৰ মুখত হাঁহি দেখি তেওঁ বোধহয় উৎসাহ পাইছিল। তেওঁ মোৰ কাষ চাপি আহিছিল আৰু সুধিছিল, 'আজি গধূলি যাব নেকি? কাইলৈ এটা টান ইংলিচ্ লেচন্ আছে। মিনিওৰে সৈতে ৰিডিং কৰিব নোৱাৰিলে কোবাব বুলি মাষ্টৰে কৈছে।' মই তেওঁৰ কথাৰ কোনো উত্তৰ বিচাৰি নাপাইছিলোঁ। মই মাথোন এটা কেচুৱাৰ দৰে হাঁহিছিলোঁ—নিৰৰ্থক হাঁহি। কমলিনী পাৰ হৈ গৈছিল তেনেকৈয়েই তেওঁৰ স্কুলৰ অভিমুখে।

"মই তেওঁলোকৰ তালৈ নোযোৱাৰ ন দিন পিছত কমলিনীৰ মাকে মাতি পঠিয়াইছিল মোক। সেইদিনা হেনো বজাৰৰ পৰা ৰৌ মাছ এটা কিনি আনিছিল কমলিনীৰ পিতাকে। গতিকে ভাত এসাজ যেনে তেনে ৰাতি খাই আহিব লাগে তেওঁলোকৰ ঘৰত। তেওঁলোকৰ চাকৰটোৱে আহি কৈ গৈছিল। তথাপি মোৰ মন শিথিল হৈ পৰা নাছিল। চাকৰটোৰ আগত মই কৈ পঠিয়াইছিলোঁ, পৰীক্ষাৰ পিছত যাম। এতিয়া মোৰ ফাইনেল পৰীক্ষা তেনেই ওচৰত। ইয়াৰ ছ'দিন পিছত কমলিনীৰ দেউতাকে নিজেই আহি কৈ গ'ল, সেইদিনা গধূলী যেনে তেনে মই তেওঁলোকৰ তাত গৈ ভাত সাজ খাব লাগে। ৰাতিলৈ হেনো মাংসৰ যোগাৰ কৰিছে। নগ'লে নহ'ব। আৰু কমলিনীয়েও হেনো মই তেওঁলোকক কিবা কথাত বেয়া পোৱা বুলি প্ৰায়ে চিন্তা কৰি থাকে।

"কথা খিনি কৈ দেউতাক যোৱাৰ পিছতো মই তেওঁলোকৰ তালৈ পৰীক্ষাৰ আগত অন্ততঃ নাযাম বুলিয়েই ভাবি আছিলোঁ। কিন্তু যিমানেই গধূলি হৈ আহিল, সিমানেই মই মোৰ মনৰ স্থিৰতা হেৰুৱাই পেলাবলৈ ধৰিলোঁ। অৱশেষত মই আইক মাত লগাই কেতিয়ানো কমলিনীৰ পঢ়া কোঠা উঠিলোঁগৈ টলকিবই নোৱাৰিলোঁ। কমলিনী তেতিয়া পঢ়ি আছিল। বাৰান্দাৰ সলনি এতিয়া তেওঁ এটা সুকীয়া পঢ়া কোঠা পাইছে। সেই পঢ়া-কোঠাত লেমৰ পোহৰত তেওঁ অকলে বহি পঢ়ি আছিল। মোক দেখিলত তেওঁৰ অভিমান চাবি কি? প্ৰথমে মোকতো নামাতেই, মৰ তুলিও নাচায় মোৰ পিনে। নিৰুপায় হৈ মই তেওঁৰ থুঁতৰিটোত ধৰি মুখখন ডাঙি মোৰ পিনে চোৱাবলৈ যত্ন ক'ৰিলোঁ। তথাপি তেওঁৰ মাত নাই। মই ক'লোঁ 'নামাতা কেলেই?'

"এইবাৰ তেওঁ টপৰাই উত্তৰ দিলে, 'কেলেই মাত্তিম। আপুনি গাড়ি খাওক গৈ। আমাৰ ইয়ালৈ আহিলেতো আপোনাৰ পঢ়া লোকচান হ'ব। আপোনাৰ পৰীক্ষা আহিছে।'

"বহু সময়লৈ মই তেওঁৰ কথাৰ উত্তৰত কি কম ভাবিয়েই পোৱা নাছিলোঁ। অৱশেষত ক'লোঁ, 'পঢ়া লোকচান হ'লে আহিলোঁহেঁতেন নেকি?'

" 'পঢ়া লোকচান নহয়নেকি?' পৰম আগ্ৰহেৰে এইবাৰ তেওঁ সুধিলে।

"ম'যো উৎসাহিত হৈ টপৰাই ক'লোঁ, 'তোমাৰ ইয়ালৈ আহিলেও জানো পঢ়া লোকচান হয়?'

"মোৰ এই প্ৰশ্নৰ উত্তৰত কমলিনীৰ চকুযুৰি উজ্জ্বল হৈ উঠিল। তেওঁ মিচিকিয়া হাঁহি এটি মাৰি পৰম আগ্ৰহেৰে কৈ উঠিল, 'সঁচাই কৈছে? মোৰ ইয়ালৈ আহিলে আপোনাৰ পঢ়া লোকচান নহয়? সঁচাই কৈছে?'

"ময়ো হাঁহি মাৰি ক'লোঁ, 'তোমাৰ আগতো জানো মিছা কওঁ?'

"লগে লগে কমলিনী থিয় হ'ল। তেওঁৰ পঢ়া-কোঠাৰে এটি কোণৰ খুটা দুটিত গজালেৰে লগাই থোৱা তক্তা এচটাত বহুৱাই থোৱা হৈছিল এটি কৃষ্ণৰ মূৰ্ত্তি। মূৰ্ত্তিটোৰ সমুখত তেতিয়া মাটিৰ চাকি এটি জ্বলাই থোৱা আছিল। চাকিটো য'তে আছিল ত'তেই জ্বলন্ত অৱস্থাতে ৰাখি তেওঁ মূৰ্ত্তিটো তক্তা ডোখৰৰ পৰা নমাই আনি মাটিত থৈ দিলে গৈ। মই তেওঁৰ এই কাৰ্য্যৰ কোনো অৰ্থ বিচাৰি পোৱা নাছিলোঁ। নিতান্ত কৌতূহলেৰে মই তেওঁক সুধিছিলোঁ, 'কি কৰিলা সেয়া, কমলিনী?'

'চাকি গছিৰ সমুখত সেয়াতো কৃষ্ণ নাছিল। সেয়া কৃষ্ণৰ মূৰ্ত্তিহে। কৃষ্ণক পাবৰ কাৰণে মই ইমান দিনে তেওঁৰ মূৰ্ত্তিৰ সমুখত চাকি জ্বলাইছিলোঁ। আজিযে মোৰ কামনাৰ সিদ্ধি হ'ল। কৃষ্ণৰ মূৰ্ত্তিৰ আৰু কি প্ৰয়োজন?'

"অবাক হৈ চাই ৰৈছিলোঁ বহুতো সময়লৈ ষষ্ঠমান শ্ৰেণীত পঢ়া এই অকণমানি ছোৱালীজনীৰ এনে এটি উত্তৰত, সেইদিনা।"

নলিনীৰ মুখত এনে এটি কাহিনী শুনি ময়ো মাথোন অবাক হৈছিলোঁ। নলিনীৰ আগত কবলৈ তেতিয়া মই কোনো কথাই বিচাৰি নাপাইছিলোঁ। নলিনীয়ে তেন্তে তাৰ প্ৰেমিকাক, তাৰ মনে বিচৰা ছোৱালীজনীক নিজৰ কৰি পাইছিল। তাঁৰ মনে বিচৰা ছোৱালীজনীয়ে

তাক তেওঁৰ প্ৰাণৰ কৃষ্ণ বলি গ্ৰহণ কৰিছিল। আৰু মোৰ ক্ষেত্ৰত? সপ্তম-মান শ্ৰেণীৰ পৰা দশমমান শ্ৰেণীলৈ সুৰবালাৰ ধ্যান-ধাৰণাতেই নিমজ্জিত হৈ থাকিলোঁ। পৃথিৱীত যে সুৰবালাত বাহিৰে আৰু কিবা আছে, সেই চাৰিটা বছৰত তাৰ আৰু কোনো উমানেই পোৱা নহ'ল। অৱশেষত দশমমান শ্ৰেণীৰ ক্লাচ যেতিয়া শেষ হৈ আহিল, টেষ্ট পৰীক্ষা যেতিয়া ওচৰ চাপি আহিল, তেতিয়া আজি ইমান বছৰৰ মোৰ মনৰ অৱদমিত ভাব, মোৰ মনৰ গুপ্ত প্ৰণয় আৰু ঢাকি ৰাখিব নোৱাৰিলোঁ। অন্তৰৰ অপ্ৰকাশিত ভাব-অনভূতিবোৰে মোক অস্থিৰ কৰি তুলিলে। মোৰ ভাব হ'ল, এনেকৈয়ে মোৰ অন্তৰৰ সুৰবালাৰ প্ৰতি যত ধ্যান-ধাৰণা, যত ভাব-অনুভূতি, সি অব্যক্ত হৈয়েই ৰৈ যাব; সেই অব্যক্ত প্ৰেমৰ তুঁহজুইত মই আজীৱন দেই পুৰি মৰিম। আৰু সুৰবালাই মোৰ অন্তৰৰ কোনো খবৰকেই নোপোৱাকৈ কোনোবা এটি শুভদিনত আনৰ হৈ যাব গৈ। তাতকৈ, কিয় সন্ধান নিদিম সুৰবালাক মোৰ প্ৰাণৰ আকৰ্ষণৰ, মোৰ অন্তৰৰ অনুভূতিৰ? কোনে জানে, কিজানিবা তেৱোঁ মোৰ দৰেই মোকেই বিচাৰি অহৰহ পুৰি মৰিব ধৰিছে অপ্ৰকাশৰ বেদনাত? খুলা খুলি আলোচনাৰ অক্ষমতাত, অন্তৰৰ ভাবপ্ৰকাশৰ সাহসহীনতাত কিয় দুটা প্ৰাণ আজীৱন দেই পুৰি মৰিম? অসুখী হ'ম?

এনে এক দুৰ্বোৰ মানসিক সংঘাতৰ পৰিণতিত স্কুলত যিদিনা মোৰ শেষ দিন, সেইদিনা স্কুলৰ বাৰান্দাতে অনেক ল'ৰা ছোৱালীৰ আগতে দীঘলীয়া চিঠি এখন দি দিলোঁ সুৰবালাক। মোৰ যি কেইজন সহপাঠী বন্ধুৱে এই কথা জানি মোক উৎসাহ-উদ্দীপনা দিছিল, সেই কেইজনত বাহিৰে বাকীবোৰ ল'ৰা-ছোৱালীয়ে মোৰ এই কাণ্ড দেখিও টলকিবই নোৱাৰিলে মই কি কৰিলোঁ। চিঠিখনত বিশদভাৱে মোৰ সুৰবালাৰ প্ৰতি ভাব-আকৰ্ষণৰ সকলোবোৰ কথা ব্যক্ত কৰি তেওঁৰ মতামত বিচাৰিলোঁ। মই লিখিছিলোঁ, মোৰ এই ভাবৰ বাবে, আকৰ্ষণৰ বাবে মই যে তেওঁৰ ওচৰত দোষী, তাত মোৰ সন্দেহ নাই—কিন্তু মই নিৰুপায়। তেওঁৰ প্ৰতি মোৰ ভাবৰ মোৰ প্ৰতি তেওঁৰ ভাবো কি জানিবা অনুৰূপেই, তাকেই জানিবলৈ মই এই অপৰাধ কৰিলোঁ। যদি মোৰ তেওঁৰ প্ৰতি ভাব বা আকৰ্ষণৰ দৰে তেওঁৰো মোৰ প্ৰতি কোনো ভাব বা আকৰ্ষণ নাই, তেন্তে মোৰ এই অপৰাধৰ বাবে তেওঁ মোক ক্ষমা কৰিবনে? মোৰ এই প্ৰশ্নৰ উত্তৰ তেওঁক চিঠিৰে জনাব কৈছিলোঁ। কিন্তু কেবা দিনৰ পিছতো তাৰ কোনো উত্তৰ নাপালোঁ। অৱশেষত টেষ্ট পৰীক্ষাৰ প্ৰথম দিনা দুপৰীয়া স্কুলৰ সমুখৰ পথাৰখনত তেওঁক

অকলে লগ পালোঁ। লগ পায়েই সুধি পেলালোঁ, "তুমি মোক ক্ষমা কৰিব পাৰিছানে?" মোৰ মাতত কঁপনি, বুকুত কিবা এক আশঙ্কাৰ থৰ্‌পঁ থৰ্‌পঁনি, খোজত অস্থিৰতা। মোৰ কঁপা কঁপা প্ৰশ্নৰ উত্তৰত তেওঁৰ মুখৰ পৰা ওলাইছিল মাথোন দুটা শব্দ, যি দুটা শব্দ পিলেৰে অঙ্কিত শব্দৰ দৰে মোৰ হৃদয়ত অক্ষয় হৈ বৈ আছে আজিলৈ, আৰু যি দুটাৰ প্ৰভাৱ মই অনুভৱ কৰিছোঁ—তাৰ পিছৰ মোৰ জীৱনৰ ভাব-ভঙ্গী, চলন-ফুৰণ, আশা-আকাঙ্ক্ষা সকলোক্ষেত্ৰতে। 'তুমি মোক ক্ষমা কৰিব পাৰিছানে'—মোৰ এই প্ৰশ্নৰ উত্তৰত সুৰবালাই কৈছিল বিনয়ী অথচ দৃঢ়ভাৱে, 'নাই পৰা।'

ইমান সময়ে মই মনে মনে থকা দেখি নলিনীয়ে কৈছিল, "তই দেখোন শিলৰ মূৰ্ত্তিৰ দৰে নীৰৱে বহি ৰ'লি?'

মই উত্তৰ দিলোঁ, "মই তোৰ সৌভাগ্যৰ কথাই ভাবিছোঁ, নলিনী।"

"মোৰ সৌভাগ্যৰ কথা?" নলিনীয়ে উচ্চৈঃস্বৰে হাঁহি উঠিল। তাৰ পিছত সি ক'লে, "উভতোঁ বল। বহুতো ৰাতি হ'ল।"

নলিনীৰ এই প্ৰস্তাৱতহে সময়ৰ প্ৰতি মই সজাগ হৈ উঠিলোঁ। সঁচাকৈয়েই ৰাতি বহুতো হৈছে। পাহাৰৰ পৃ ভূমিৰ সেই আলিবাটটোৰ পৰা দবৈৰ খানাপাৰাৰ আৰু গুৱাহাটীৰ বিজুলি-বাঁতিবোৰ অতি বিতোপন দেখা গৈছিল। আমাৰ ওচৰত তেনে কোনো পোহৰ নাই। মাথোন আকাশত থকা জোনটিৰ ক্ষীণ পোহৰে আমাৰ চতুৰ্দ্দিশ পোহৰাইছিল ম্লানভাৱে। মই নলিনীক ক'লোঁ, "এনে এটি পৰিবেশ অপূৰ্ব্ব বুলি উপভোগৰ বাবে এঘণ্টা বৈ যোৱাৰ কথা তই ভাবিব পাৰনে?"

নলিনীয়ে হাঁহি উঠিল। "প্ৰকৃতিৰ সৌন্দৰ্য্যত ভোল গৈ যি তাৰ জীৱনৰ এটি ঘণ্টা নষ্ট কৰিব পাৰে, তাক এই যুগত আৰু অগ্ৰমনা নুবুলি কি বুলিবি? এই দৃশ্য, এই পৰিবেশ বোধ হয় সঁচাই সুন্দৰ আছিল। কিন্তু তাৰ কাৰণে সময় নষ্ট কৰাৰ কথা জানো আৰু ভাবিব পাৰি?"

নলিনীৰ কথাৰ প্ৰতিবাদ কৰাৰ মোৰ সাহস নহ'ল। দুয়ো চাইকেলত উঠি লৈ চাইকেল এৰি দিলোঁ নামনিৰ পিনে—গুৱাহাটীৰ অভিমুখে।

বহু সময়লৈ দুয়ো নীৰৱে চাইকেল চলাইছিলোঁ। কথা পাতিবলৈ যেন আৰু একোৱেই নাছিল। কিন্তু লাহে নীৰৱতাটোও অসহ্য হৈ পৰিছিল। কিবা যেন কথা কোৱা উচিত, তেনে ভাব হৈছিল। খানাপাৰা এৰাৰ লগে লগে নলিনীক মই ক'লোঁ, "কমলিনীৰ পিছত তই জানো আৰু কাকোৱেই ভাল পোৱা নাই?

সি ক'লে "কমলিনীৰ লৈ'তে মোৰ বিচ্ছেদ হোৱাৰ পিছত প্ৰতিজ্ঞা

কৰিছিলোঁ, কেতিয়াও আৰু কোনো ছোৱালীৰ প্ৰেমত নপৰোঁ। I am above love and hatred—মই প্ৰেম আৰু ঘৃণা—দুয়োটাৰে ওপৰত। কিন্তু কি হ'ব। কমলিনীক ভাল পাই থাকোঁতেই যি এজনী ছোৱালীৰ সৈতে মোৰ সম্পৰ্ক আছিল, আৰু যি সম্পৰ্কক মই মাথোন সাধাৰণ বন্ধুত্বৰ সম্পৰ্ক বুলিহে ধৰি লৈছিলোঁ, সেইজনী ছোৱালীকেই ক্ৰমে ক্ৰমে ভাল পোৱা যেন অনুভৱ হ'বলৈ ধৰিলে। কিন্তু সেই কথা এতিয়া থাওক। এইজনী ছোৱালীৰ লগত মোৰ সম্পৰ্ক প্ৰেমৰ নে বন্ধুত্বৰ, সি আজিলৈকে ৰহস্য হৈয়েই আছে। গতিকে মই নিজেও নুবুজা এই সম্পৰ্কটোৰ কথা তোক আজি কব খোজা নাই। আৰু বিশেষকৈ কমলিনীৰ সৈতে মোৰ সম্পৰ্কৰ কথা এতিয়াও তোক কৈ শুনোৱাতো শেষ হোৱা নাই। আন এদিন এই কাহিনী কৈ শেষ কৰিম। তাৰ পিছতহে আহিব অন্য কথা।"

মই মনে মনে আছিলোঁ। মোৰ মৌনতা দেখি নলিনীয়ে কৈছিল, "পিছে তোৰ খবৰ কি? সুৰবালাৰ পিছত তইতো আৰু বহুত ছোৱালীৰ সম্পৰ্কত অহাৰ কথা কৈ থাক। তাৰে দুই এজনীৰ কথা কৈ শুনাব না আজিয়েই একেলগে।"

আমি তেতিয়া গুৱাহাটীৰ ভিতৰ সোমাইছিলোঁহি। ৰাস্তাত তেতিয়া অৱশ্যে মানুহৰ ভিৰ নাই। ৰাতি ন বজাৰ গুৱাহাটী। ৰাজপথত এনে কথা কোৱা নিৰাপদ নহ'লেও এই ন বজাৰ গুৱাহাটীৰ ৰাজপথত সহজেই মই মোৰ সুৰবালা অধ্যায়ৰ কোনোটো পৰৱৰ্ত্তী কাহিনী নলিনীক কৈ শুনাব পাৰোঁ। কিন্তু মোৰ তেতিয়া আৰু কোনো কথা কোৱাৰ ইচ্ছা নাছিল। মই তাক ক'লোঁ, "সুৰবালাৰ পিছত অন্য কোনোবা ছোৱালীৰ আৰু প্ৰেমত পৰিছোঁ বুলি মই ঠিক কব নোৱাৰোঁ। কেবাজনীও ছোৱালীৰ স'তে মোৰ পৰিচয় ঘটিছিল। কিন্তু তাক 'প্ৰেম' বা 'প্ৰণয়' আখ্যা দিবলৈ মই টান পাওঁ। গধূলি ৰাজবাটত ফুৰোঁতে আমাৰ লগত দুই-এক মিনিট থিয় হৈ ইটো সিটো কথা পাতি কত মানুহ আতৰি যায় গৈ; কিন্তু সেই আটাইবোৰকে আমি জানো আমাৰ বন্ধু বুলি কওঁ?"

নলিনীয়ে তৎক্ষণাত মোক প্ৰশ্ন কৰিলে, "কিন্তু ইলি? সেই যে তোৰ ছাত্ৰী ইলি? তেওঁ জানো তোৰ প্ৰেমত পৰা নাই বুলি তই ভাব? আৰু তয়ো জানো পৰা নাই ইলিৰ প্ৰেমত?"

নলিনীৰ এই অপ্ৰত্যাশিত প্ৰশ্নই মোৰ অনুভূতিৰ কোনোবা খিনি দুৰ্ব্বল স্থানত যেন বিন্ধিলে গৈ। তাৰ প্ৰশ্নৰ কোনো উত্তৰ দিব পৰা

সামৰ্থ্য মোৰ নাছিল। অথচ নিৰুত্তৰ হৈ থাকিবলৈকো মই সক্ষম নহওঁ। মোৰ মুখৰ পৰা ওলাই গ'ল, "ধেৎ, ইলিৰ সৈতে মোৰ প্ৰেম হৈছে বুলি ভাবিও নাপায় অ'। ইলি জানো মোৰ ছাত্ৰী নহয়? তদুপৰি তেওঁতো বৰ ধনী মানুহৰ ছোৱালী। ইলিহঁতৰ দৰে ধনী পৰিয়াল এটিৰ তুলনাত মোৰ দৰে সামান্য শিক্ষক এজননো কি? ইলিৰ আৰু মোৰ মাজতো জানো প্ৰেম সম্ভৱ এনে অৱস্থাত?"

নলিনীয়ে ক'লে, "তয়ো এক বেলবুং হৈয়েই আছ অ', এতিয়াও। প্ৰেমে জানো কিবা বাঁধা মানে? ইলিক এদিন মাত না তোৰ ঘৰলৈ। তেতিয়া দেখিবি, ইলি আৰু তোৰ মাজত এখন যে কিবা বৰ দুৰ্ভেদ্য প্ৰাচীৰ থকা বুলি ভাবিছ, সি এক মূৰ্খামিৰ বাহিৰে আৰু একো নহয়। তদুপৰি ইলি তোৰ ঘৰলৈ আহিলে ময়ো দেখা পাম, ছোৱালীজনী কেনেকুৱা।"

মই নলিনীক কৈছিলোঁ, "ধেৎ, মনে মনে থাক। সেইবোৰ কথা কোৱা দূৰৈৰ কথা, ভাবিবলৈকেই নাপায়।"

নলিনী মনে মনে আছিল। ময়ো নীৰৱ হৈছিলোঁ। কিন্তু মোৰ ইচ্ছা গৈছিল, নলিনীয়ে যেন মোক ইলিৰ কথা আৰু সোধক। কিয় জানো ইলিৰ কথা ভাবি, আৰু ইলিৰ কথা আনক কৈ কৈ মই এক তৃপ্তি অনুভৱ কৰোঁ। কিয় জানো ইলি আন সকলো ছোৱালীতকৈ বেলেগ, ইলিক কিবা এক অসাধাৰণ ছোৱালী যেন লাগে। কিয় জানো ইলিক মোৰ ইমান আপোন আপোন লাগে। কিন্তু আচৰিত কথা এয়ে যে সেই দশমমান শ্ৰেণীৰ যেতিয়া মই এজন ছাত্ৰ আছিলোঁ তেতিয়াও সপ্তমমান শ্ৰেণীৰ এজনী শিশু-ছাত্ৰীৰ ভাব-ব্যঞ্জনাহীন মুখমণ্ডলত কোনো এক 'অনন্যা', 'অসামান্যা'ৰ ৰূপ দেখা পাই আশ্চৰ্য্যত অবাক হৈ আপোন-পাহৰা হৈছিলোঁ; আৰু আজি তাৰ পাঁচ বছৰৰ পিছতো বি. এ. পাচ কৰি যেতিয়া এজন শিক্ষক হৈ উঠিছোঁ, তেতিয়াও অন্য এজনী সপ্তমমান শ্ৰেণীত পঢ়া শিশু-ছাত্ৰীৰেই সেই একে ভাব-ব্যঞ্জনাহীন মুখমণ্ডলত 'অনন্যা', 'অসমান্যা'ৰ ৰূপ দেখি একে ধৰণে আকুল হৈ উঠিছোঁ। কথাষাৰ ভাবি মোৰ হাঁহি দিবৰ মন গ'ল। কিন্তু নলিনী তেতিয়া অসম্ভৱ ধৰণে গম্ভীৰ হৈ চাইকেল চলোৱাত ব্যস্ত। ময়ো গম্ভীৰ হ'বলৈ চেষ্টা কৰিলোঁ। ইতিমধ্যে আমি আমাৰ ঘৰৰ ওচৰ পাইছোঁহি।

ঘৰ পাই দেখোঁ, ভাত খাবৰ হৈছেই। কিন্তু চাইকেলৰ পৰা নামি ঘৰ সোমায়েই পুনৰ সেই দুপৰীয়াৰ অসহ্য গৰমটো অনুভৱ কৰিলোঁ।

ভিতৰত সোমাই থকা সম্ভৱ নহয়। ভৰি-হাত ধুই কোনোমতে ভাত সাজ খাই ঘামি-জামি চোতালত চকী দুখনত দুয়ো বহি ললোঁহি। কেনিও অকণো বতাহ নাই। গৰমত ঘামি দুয়ো চট ফটাই বহি থাকিলোঁ। অৱশেষত দুখন বাতৰি-কাকত দুয়ো ভাঁজ খুৱাই তাৰেই নিজৰ গাত বা দিয়াত লাগিলোঁ। তথাপি শান্তি নাই। নলিনীয়ে বহাৰ পৰা উঠি ভাঁজ খুওৱা বাতৰি-কাক-তখনেৰে বিচি বিচি চোতালখনত অৱশেষত অস্থিৰভাবে ঘূৰি ফুৰিবলৈ ধৰিলে। সি কলে, "নাই, তথাপি শান্তি নাই। কতো শান্তি নাই।" মই কলোঁ, "এই কালত শান্তি বিচৰা বৃথা। শীতলতা তই পাবি কত এই সময়ত?"

অৱশেষত নলিনী আৰু মই পুনৰ বহি ললোঁ। মই ক'লোঁ, "আবেলিটোত পৰিশ্ৰম হ'ল যদিও বহুখিনি, বেচ কিন্তু কাটি গ'ল সময় ছোৱা।" মোৰ তেতিয়া কিয় জানো ইলিৰ কথাকে পাতিবৰ মন গৈছিল বৰকৈ। কিন্তু পোনপটীয়াভাবে মই ইলিৰ কথা উলিয়াবলৈ লাজ কৰি নলিনীক ক'লোঁ, "পিছে তোৰ কমলিনীৰ কথাবোৰহে আধৰুৱা হৈ ৰ'ল।"

মোৰ কথাৰ উত্তৰত নলিনীয়ে মই আশা কৰা কথাটোকেই কৈ দিলে, "পিছে তই যে ইলিৰ কথাবোৰ আৰম্ভই নকৰিলি।"

তাৰ মুখত এই কথাষাৰ শুনি মই ভালেই পালোঁ। মই ক'লোঁ, "এৰা, ইলিক মই সঁচাই ভাল পাইছিলোঁনেকি বুলি কেতিয়াবা নিজকে নিজে সুধি পেলাবলগীয়া অৱস্থাতেই পৰিছোঁ, বুজিছ? কিন্তু ইলিয়েও জানো মোক ভাল পায়?"

নলিনীয়ে চিঞৰি উঠিল, "হাৰে, নাপাব কিয়। ইলিয়ে তোক ভাল নাপাই জানো পাৰে? তোৰ কৃপাতেইতো ইলি আজি বৰ ডাঙৰ এটা পৰিসৰৰ ভিতৰত নহলেও অন্তত: তইঁতৰ স্কুলখনত এজনী জাকত জিলিকা ছোৱালী। সুখ্যাত ছাত্ৰী। আনৰ ভাষাত নহ'লেও মোৰ ভাষাত অন্তত: তই এজন 'পিগ্‌মেলিয়ন্'। সপ্তমমান শ্ৰেণীত পঢ়া এজনী সাধাৰণ ছোৱালীক তই এজনী স্কুলৰ ভিতৰত শ্ৰেষ্ঠ 'ডিবেটৰ্' হিচাবে গঢ়ি তুলিলি। সেই তোৰ হাতৰ সৃষ্টিয়ে তোক জানো ভাল নাপাই পাৰে? তই ছোৱালী-জনীক তোৰ ঘৰলৈ মাত না এদিন।"

"আমাৰ সম্পৰ্ক সিমানলৈ গৈছে বুলি মই নেভাবোঁ, নলিনী। তেওঁক মাথোন মই 'ডিবেট'ৰ 'পইন্ট্'বোৰ স্কুলতেই দিওঁ; কেনেকৈ নিৰ্ভীকভাবে সেইবোৰ কব লাগিব তাৰ আভাস দিওঁ। তাৰ পিছত তেওঁ 'ডিবেট্' বোৰত ভাল কৰে। মোৰ পৰা অভিনন্দন পায় বা অভিনন্দন লবলৈ মোৰ ওচৰলৈ আহে। আমাৰ সম্পৰ্ক ইমানেই। যদি এই সম্পৰ্ক

কেতিয়াবা ইয়াতকৈয়ো ওপৰলৈ যায় গৈ, তেন্তে কিয় জানো সেই কথা ভাবিলেই মোৰ কিবা এটি সংকোচৰ ভাব মনলৈ আহে।"

নলিনীয়ে মোক উৎসাহ দিয়াৰ ভাবতেই বোধ হয়, দুগুণ উৎসাহেৰে মোক সোধে, "কিহৰ সংকোচ অ' ?"

মই কলো, "এই ধৰ, তেওঁক ভালেই পালোঁ এসময়ত। কিন্তু কিমানজনী ছোৱালীকনো এজন মানুহে ভালপাব পাৰে ? মই জানো সুৰবালাকো ভালপোৱা নাছিলোঁ ?"

সি চিঞৰি উঠিল, "দুৰ! তয়ো এক মানহনে এই যুগৰ। ময়ো জানো অকল কমলিনীকে ভাল পাইছোঁ জীৱনত ? আৰু জানো কাকো ভাল পোৱা নাই ? কিয়, মানসপ্ৰভা ক'লৈ গ'ল ? যেতিয়া মই কমলিনীৰ প্ৰেমত গদ্ গদ্, তেতিয়াই আকৌ মই মানসপ্ৰভাৰ ৰূপৰ আকৰ্ষণত, গুণৰ প্ৰশংসাতো আত্মহাৰা। মানসপ্ৰভাৰ চমু পৰিচয়তো তই পাইছ্ই। মোৰ তেওঁ সহ-পাঠিনী আছিল মই সপ্তমমানত পঢ়াৰ পৰা দশমমানত পঢ়ালৈকে এই সময়ছোৱাতে। কিয় যে ছোৱালীজনীক ভাল লাগে, তাকেই তেতিয়া ভাবি উলিয়াব পৰা নাছিলোঁ। তেওঁৰ ৰূপ আছে, গুণ আছে, বুদ্ধি আছে—কিন্তু এইবোৰৰ কাৰণেই যেন তেওঁক অকল মোৰ ভাল লগা নাছিল। ইয়াতকৈয়ো ওপৰৰ, ইন্দ্ৰিয়ই গ্ৰাহ্য কৰিব পৰাতকৈয়ো বহু ওপৰত, তেওঁৰ আৰু যেন কিবা এটি আছে, যিটোৱে মোক মুগ্ধ কৰে, যিটোৱে মোক তেওঁক মোৰ ইমান আপোন আপোন যেন লগাই দিয়ে। অথচ স্কুলত মানসপ্ৰভাক এই ৰূপত আৱিষ্কাৰ কৰা সময়তো মই কমলিনীৰ প্ৰেমত সম্পূৰ্ণৰূপে নিমজ্জিত। আৰু অকল সেয়েই নহয়, দুয়ো অতি কোমল বয়সীয়া কিশোৰ কিশোৰী বুলিও, বিবাহৰ বাবে দুয়ো প্ৰতিজ্ঞাবদ্ধ। কোনোবা দিনাখন স্কুললৈ আহোঁতে কমলিনীহঁতৰ ঘৰত হয়তো তেওঁক কৈ আহোঁ, মেট্ৰিক পৰীক্ষাটো দিয়াৰ পিছতেই মই তেওঁক বিয়া কৰাই পেলাম, আৰু মোৰ সেই কথাৰ পিছত তেওঁ হয়তো মনে মনে নাচি থাকিব গোটেই দিন; আৰু ইপিনে স্কুলত আহি মানসপ্ৰভাৰ আকৰ্ষণত মই নিজকে এৰি দিম মন্ত্ৰচালিত সাপৰ দৰে। এই কথা কৈ কৈ মোৰ এতিয়া খুব হাঁহিবৰ মন গৈছে, বুজিছ্ বেদান্ত ? কিন্তু ইয়াত আচলতে হাঁহিবলগীয়া কি আছে ?

"এই খিনিতে তোক কৈ থোৱা উচিত হ'ব যে মানসপ্ৰভা ৰূপ, গুণ বা বুদ্ধিতেই অকল আনবোৰ ছোৱালীতকৈ পৃথক নাছিল। তেওঁৰ আচাৰ-ব্যৱহাৰো আছিল একেবাৰেই অদ্ভুত ধৰণৰ। মই যেনেকৈ

তেওঁক আন সকলোবোৰ ছোৱালীতকৈ পৃথক বুলি ভাবিছিলোঁ, তেনেকৈ অন্য সকলোবোৰ ল'ৰাতকৈ মোক ভাবিছিল বহুতো ওপৰত বুলি। তেনে অৱস্থাত স্বাভাবিকতেই মানসপ্ৰভাৰ সম্পৰ্ক শ্ৰেণীৰ আন ল'ৰাতকৈ মোৰ লগত বেচি গভীৰ হ'ব, নাইবা মোৰ সম্পৰ্কও শ্ৰেণীৰ অন্য ছোৱালীতকৈ তেওঁৰ লগত বেচি গভীৰ হোৱা স্বাভাবিক। কিন্তু অস্বাভাবিক আছিল এনেবোৰ কথাহে যে কেতিয়াবা তেওঁ ভাবোচ্ছ্বাসত এনেদৰে নিজকে পাহৰি পেলায় যে মোক মই ল'ৰা নে ছোৱালী তাৰ কথা পাহৰিয়েই কি জানি, হাতত ধৰি টানি লৈ যায় তেওঁৰ য'লৈ ইচ্ছা ত'লৈকে। তোৰ নিশ্চয় বুজিবলৈ বাকী নাই, তেওঁৰ ওচৰত মোৰ অৱস্থা সদায় মন্ত্ৰমুগ্ধ সাপৰ দৰেই। আমাৰ এনে সম্পৰ্ক, এনে আচৰণ দেখি শ্ৰেণীৰ আৰু স্কুলৰ কিমান ল'ৰা বা ছোৱালী ঈৰ্ষাত দগ্ধ হৈছিল নাজানোঁ; কিন্তু আচৰিত হৈছিল স্কুলখনৰ প্ৰতিজন ল'ৰাছোৱালীয়েই। পঢ়াত আমি দুয়ো আন ছাত্ৰ-ছাত্ৰীতকৈ বহু গুণে শ্ৰেয়ঃ আছিলোঁ কাৰণেই বোধ হয়, কোনেও আমাক মুখামুখিকৈ একোকে কব নোৱাৰিছিল।

"মানসপ্ৰভা আৰু মোৰ এই সম্পৰ্কক লৈ স্কুলখনত কোনে কি ভাবে, বা স্কুলখন যিখন সৰুচহৰত প্ৰতিষ্ঠিত, তাৰ কোনজন মানুহে কি ভাবে— সেইটো মোৰ কাৰণে একো সমস্যা নাছিল। মোৰ কাৰণে সমস্যা হৈছিল, মোৰ স্কুলৰ পৰা তিনি মাইল আঁতৰৰ মোৰ গাওঁৰ কমলিনীয়ে এই সম্পৰ্কৰ কথা শুনি ইয়াক যেনে ধৰণে গ্ৰহণ কৰিছিল, সেইটোক লৈহে। এদিন কমলিনীৰ পঢ়া কোঠাত গৈ গধূলি বহি লৈছোঁ মাথোন। তেওঁ কৈ উঠিল, 'মানসপ্ৰভা বোলা এজনী ছোৱালীয়ে হেনো আপোনাক বৰ মৰম কৰে। হয়নে? তেওঁৰ মৰম যে আপুনি চেৰাই যাব নোৱাৰ, সেইটোতো ঠিকেই। তেওঁ যে আপোনাৰ সমানেই শিক্ষিত, আপোনাৰ সমানেই বয়সতো। তেওঁৰ তুলনাত আমিনো কোন? আমাৰ কি আছে?'

"কমলিনীৰ মুখত এনে অভিযোগ শুনি প্ৰথমতে মোৰ হাঁহিয়েই উঠিছিল। মই কৈছিলোঁ, 'মই তেওঁৰ মৰম চেৰাই যাব নোৱাৰোঁ বুলি তোমাক কোনে ক'লে?' কিন্তু ইয়াৰ উত্তৰত তেওঁ যি ক'লে, তাতেহে মই স্তম্ভিত হৈ গ'লোঁ। তেওঁ ক'লে, 'কেলেই, আপুনি জানো মানসপ্ৰভাক আওঠি পিন্ধোৱা নাই?' এই প্ৰশ্নৰ উত্তৰত মই মাথোন অবাক হৈ চাই আছিলোঁ তেওঁৰ চকুৰ পিনে বহুতো সময়লৈ।

"আৰু সেই মই হাইস্কুলত পঢ়ি থকা কালছোৱাতেই ইপিনে মানসপ্ৰভাক মানুহৰ প্ৰতিক্ৰিয়াই কেনেভাৱে স্পৰ্শ কৰিছিল? তাৰ কাহিনী

আৰু মনোৰম। এদিন স্কুল ছুটী হোৱাৰ লগে লগে মই ঘৰলৈ বুলি খোজ দিছোঁ। পিছপিনৰ পৰা মানসপ্ৰভাই চিঞৰি উঠিল, 'নলিনী, নলিনী......।' মই পিছলৈ চাই দেখোঁ, তেওঁ প্ৰায় দৌৰিয়েই আহিছে স্কুলৰ পৰা ঘৰমুৱা হোৱা ইমানবোৰ ল'ৰা-ছোৱালীৰ মাজে মাজে। মই তেওঁৰ বাবে বৈ যোৱাই অকল নহয়, মই তেওঁক সোনকালে লগ দিবলৈ কিছু পিছুৱাইও গৈছিলোঁ; কাৰণ মোৰ ভয় হৈছিল, তেওঁ আৰু বেচি দীঘলীয়া বাট এছোৱা ইমানবোৰ ল'ৰা-ছোৱালীৰ মাজেৰে দৌৰি আহিব লাগিলে, কাৰবাক কৰবাত খুন্দিয়াই দুৰ্ঘটনাৰ সৃষ্টি কৰিব। তেওঁক লগপোৱাৰ লগে লগে তেওঁ ফোঁপাই ফোঁপাই ক'লে, 'বলা, একেলগে যাওঁ।' একেলগে যাবলৈ বুলিয়েই কেৱল তেওঁ যে ইমান এটা হুলস্থুলৰ সৃষ্টি কৰিলে, তাকে ভাবি একফালে যেনেকৈ মই মৰমত গলি গৈছিলোঁ, আনফালে তেনেকৈ খঙো উঠিছিল তেওঁলৈ। আমি দুয়ো স্কুলপথাৰখন এৰি মূল ৰাস্তাৰে আহি আছিলোঁ। তেওঁলোকৰ ঘৰ সেই গাৱঁলীয়া চহৰখনৰ একেবাৰে মূৰৰ পিনে। তেওঁলোকৰ ঘৰ এৰি আমাৰ গাৱঁলৈ আকৌ আঢ়ৈ মাইলমান আহিব লাগে। তেওঁলোকৰ ঘৰ পাবৰ হয় মানে ৰাস্তাত আমাৰ ওচৰে পাজৰে স্কুলৰ ল'ৰা-ছোৱালী আৰু প্ৰায় নাইকিয়া হৈছিল। তেনে সময়তে তেওঁ তেওঁৰ মুখৰ পৰা ছেদ ভেদ নোহোৱাকৈ ওলাই থকা অন্তহীন কথাবোৰ এৰি হঠাৎ গহীন হৈ গ'ল। মই তেওঁৰ পিনে চালোঁ। তেওঁ ক'লে, 'ৰবা, নলিনী। তোমাক মোৰ এটা কথা সুধিবলগীয়া আছে।' তেওঁৰ মুখৰ গহীনতা আৰু কথাৰ গাম্ভীৰ্য্য দেখি, মোৰ ভয় লাগি গৈছিল। মই তেওঁৰ চকুৰ পিনে সপ্ৰশ্ন দৃষ্টিৰে চাইছিলোঁ। তেওঁ কোনো সংকোচ নোহোৱাকৈয়ে টপকৈ সুধি পেলাইছিল, 'তুমি বোলে মোক বিয়া কৰাব খুজিছা, হয়নে?' লাজত মই লগে লগেই ৰঙা-চিঙা পৰি গৈছিলোঁ। আশ্চৰ্য্যত মই অবাক হৈ পৰিছিলোঁ। মই তেওঁৰ চকুৰ পিনে এক নৰম দৃষ্টিৰে চাই পঠিয়াই থিয় হৈ ৰৈছিলোঁ এটি মূৰ্ত্তিৰ দৰে। তেওঁ পুনৰ সুধিছিল, আগতকৈয়ো বেচি চোকা সুৰত, 'কোৱা, নলিনী। সঁচানে মিছা? তুমি বোলে মোক বিয়া কৰাব খজিছা, সঁচা নে মিছা?' বহুতো সময়লৈ মোৰ পৰা কোনো উত্তৰ নেপাই তেওঁ কৈ গ'ল, 'চাবা, ভৱিষ্যতে যাতে আৰু কাৰো মুখত এই কথা নুশুনোঁ। বয়সতো তুমি মোতকৈ ডাঙৰ নোহোৱা। দুই-এমাহে সৰুহে হ'বা কিজানি। তোমাক মই ইমান মৰম কৰিলোঁ বুলি, তুমিনো মোক বিয়া কৰাবলৈ ভাবৰ সাহস কৰিব

লাগেনে ? আৰু তাকেই স্কুলখনৰ সকলোৰে আগত গাই ফুৰিছা ! তোমাক মোৰ ইমান মৰম লাগে, সেই বুলিয়েই তুমি স্কুলখনৰ ইমানবোৰ ল'ৰা ছোৱালীৰ আগত এনে কথা কৈ এনেকৈ লাজ দিব পোৱানে ?' ইতিমধ্যে আহি আহি আমি তেওঁৰ ঘৰৰ পদূলি পাইছিলোঁ। তেওঁ সেইখিনিতে কৈছিল, 'আহা, আমাৰ ঘৰতে চাহ খাই যাবা। তোমাৰ বৰ ভোক আৰু ভাগৰ লগা নাই জানো ?' কিন্তু তেতিয়া মই এনে এক মানসিক বিপৰ্য্যয়ত পৰিছিলোঁ যে তেওঁৰ সেই আমন্ত্ৰণ ৰক্ষা কৰা সম্ভৱ নাছিল। আন এদিন যাম বুলি কৈ মই তেওঁৰ পৰা কোনো মতে এৰা দিলোঁ, আৰু ঘামি জামি ঘৰ পালোঁহি।"

কথাখিনি শেষ কৰাৰ লগে লগে মই নলিনীৰ মুখলৈ চাই পঠিয়ালোঁ। দেখিলোঁ তাৰ চকু-মুখ তেতিয়া এক আত্মতৃপ্তিৰ আনন্দেৰে উদ্ভাসিত হৈ উঠিছে। মই তাক কি কম ভাবি নেপালোঁ। সি ক'লে, "বহুত ৰাতি হ'ল। তোৰতো সোনকালে শুৱা অভ্যাস। যাগৈ। শুই থাক এতিয়া। এই গৰমৰ দিনত গৰমৰ পৰা হাত সাৰি থাকিবৰ উপায়তো আৰু নাই।"

শিক্ষকতা কৰাৰ ডেৰ বছৰ হ'ল। ভাগৰি পৰিছোঁ এই ডেৰটা বছৰতে। স্কুলৰ পকামূৰীয়া, পিছন-উৰণত পৰিপাটিহীন বৃদ্ধ শিক্ষকবোৰক দেখিলে, আজিকালি মোৰ শ্ৰদ্ধাত ঠিক নহয়, পুতৌতেই কিজানি, মূৰ নত হৈ যাব খোজে। যৌৱনৰ আৰম্ভণীৰ পৰাই এই শিক্ষকবোৰে একেদৰে একেখন স্কুললৈ আহি থকাৰ ধৈৰ্য্য ক'ত কেনেকৈ লাভ কৰিছিল ? এই সকল বাৰ্দ্ধক্যপীড়িত শিক্ষকক দেখি দেখিয়েই মই মোৰ ভবিষ্যতলৈ চকু মেলি চাবলৈ অক্ষম হৈ পৰিলোঁ। এনেতে এটি বৰ্ষা ঋতুৰ পুৱা নলিনীয়ে এদিন মোৰ কোঠালৈ আহি প্ৰস্তাৱ কৰিলে, দুয়োৰে এম্. এ.ত নাম লিখিবলৈ। বি. এ. পাচ কৰি পঢ়িবলৈ এৰি দিবৰ দুবছৰ হ'ল। বি. এ. ইংৰাজীত অনাৰ্চ্ লৈয়েই পাচ কৰিছিলোঁ। কিন্তু এম. এ.ত পঢ়া নহ'ল গৈ। টকাৰ অভাৱ—যিয়ে এটি দুৰাৰোগ্য ব্যাধিৰ দৰে মোক কাহানিও এৰা দিয়া নাই। ইংৰাজীত অনাৰ্চ্ লৈ পাচ কৰিছিলোঁ কাৰণেই বোধ হয়, গুৱাহাটীত শিক্ষকতাৰ চাকৰি এটি বিচাৰি উলিয়াত টান নপৰিল। শিক্ষকতা আৰম্ভ কৰা দিন ধৰি গধূলি মানুহৰ ঘৰে ঘৰে ল'ৰা ছোৱালী পঢ়ুৱাই টকাও গোটেই কমকৈ অৰ্জ্জা নাই। টকা লাগে কাৰণেই এতিয়া এনে কাম কৰা নাছিলোঁ। কলেজত পঢ়া দিনত টকাৰ অভাৱত এনে কষ্ট পাইছিলোঁ যে এতিয়া অনাকাংক্ষণীয়ভাৱে হ'লেও টকা আজি তাৰ হেতু হব বুলিবলৈ কিবা এক দুৰ্ব্বোধ্য আগ্ৰহ জন্মিছিল। নলিনীয়ে

এম্. এ. পঢ়াৰ প্ৰস্তাৱটো দিয়াতো, ভাবি চালোঁ, এই দুবছৰে 'পাচ্ বুক'ত জমা কৰা টকাখিনিৰে কোনোমতে চলাই দিব পাৰি এম্. এ. পঢ়া দুটা বছৰ। তদুপৰি, এই একেখন স্কুলতে একে ধৰণৰ কাম কৰি কৰি ময়ো যে এদিন বুঢ়া হৈ যাম—কিছুদিনৰ পৰা মোৰ মনত ওপোজা এই ভয়টোৱেও মনে মনে এম্. এ. পঢ়িবলৈ উদগনি দিছিল। তথাপি নলিনীৰ প্ৰস্তাৱটো টপৰাই সমৰ্থন কৰিবলৈ টান পালোঁ। মই মনে মনে থকা দেখি সি ক'লে, "মই দুবছৰত যি টকা জমালোঁ, তয়োতো তাতকৈ কম জমোৱা নাই। তদুপৰি আমাৰ আগৰ স্কুল আৰু কলেজৰ কেৰিয়াৰলৈ চাই চৰকাৰে দুয়োকে দুটা স্কলাৰশ্বিপ্ দিব বুলি জানো আশা কৰিব নোৱাৰোঁ? বিশেষকৈ বি. এ.লৈকে দুয়োৱে স্কলাৰ্শ্বিপ্ হ'ল্ডাৰ্ আছিলোঁ যেতিয়া। তেনেকৈয়েই চলি যাব কিবাকৈ দুটা বছৰ। কি কৱ? Agreed?" হঠাৎ মোৰ মুখৰ পৰা ওলাই গ'ল, "Yes, agreed."

তাৰ পিছত নলিনীয়ে ক'লে, "পিছে তোৰ ইংৰাজীত অনাৰ্চ্ আছিল যেতিয়া তইতো এম্. এ.ও ইংৰাজীতে পঢ়িবি। কিন্তু মই এতিয়া কিহত পঢ়োঁ? মোৰ তো ডিষ্টিংশ্যন্‌হে বৈছিল।"

মই তাক সুধিলোঁ, "তই কি বিষয় ভাল পাৱ?"

এক পৰম বিতৃষ্ণাত সি দাঁত-মুখ নিকটাই উত্তৰ দিলে, "দূৰ। তই যে আকৌ ভালপোৱাৰ প্ৰশ্ন তুলিছ। যিটো বিষয় ভাল পাওঁ সেইটোতে এম্. এ. পঢ়িব লাগিব বুলি তোক কোন মূৰ্খই শিকালে? যিজনী ছোৱালীক ভাল পালি, সেইজনীকেই জানো বিয়া কৰালি?"

তাৰ এই প্ৰশ্ন শুনি মই নিৰুত্তৰ হ'লোঁ। সি পুনৰ ক'লে, "খুব এটা সহজ চাব্‌জেক্ট চাজেষ্ট্ কৰ চোন। গাধৰ সাঁকো জাতীয় এটা চাব্‌জেক্ট্—যাতে কষ্ট নকৰাকৈয়েই পাচ কৰি যাব পাৰোঁ। এম্. এ. পঢ়াৰতো কোনো উদ্দেশ্য নাই। Absolutely purposeless. মাথোন আজিকালি বি. এ. পাচ কৰিলে সকলোৱে এম্. এ. পঢ়ে কাৰণেহে পঢ়িব ওলাইছোঁ। গতিকে অনায়াসে এম্. এ. এটা হ'ব পাৰিলেই হ'ল। ধৰ, পলিটিকেল্ চাইঞ্চতেই এড্‌মিশ্যনটো লৈ লওঁ। কেনে হয়?"

মই কলোঁ, "সুন্দৰ। সহজে পাচ কৰাই নহয়; তেনে এটা চাবজেক্টত তই ভালো কৰিব পাৰিবি। কিন্তু আমাৰ বাবে কোনটো বিষয়ত ভাল কৰিম বা বেয়া কৰিম, তাৰ প্ৰশ্ন অবান্তৰ। তোৰ কথাষাৰেই মোৰ অতি সঁচা যেন লাগিছে, কোনো উদ্দেশ্যত আমি এম্. এ. পঢ়িবলৈ ওলোৱা নাই। আমাৰ এই সিদ্ধান্ত সম্পূৰ্ণৰূপে উদ্দেশ্যহীন—absolutely purposeless."

নলিনীয়ে ক'লে, "বচ। তেন্তে হৈ গ'ল আৰু। এতিয়া এড্‌মিশ্যনৰ বাবে সাজু হ।"

তাৰ পিছত কিছুসময় আমি দুয়োৱে নীৰৱ হৈ আছিলোঁ। এবাৰ ময়েই ক'লোঁ, "পিছে ৰবি। এড্‌মিশ্যন হয়তো লোৱা হ'ব। কিন্তু এম. এ. পঢ়া জানো সঁচাকৈয়ে হ'ব দুয়োৰে ? টকাতকৈয়ো অন্য এবিধ বস্তুৰহে দেখোন পঢ়াৰ বাবে বেচি প্ৰয়োজন যেন মোৰ বোধ হয়। কিন্তু সেইটো জানো আমাৰ আজি কালি আছে ?"

সি কৌতূহলপূৰ্ণ দৃষ্টিৰে মোলৈ চাই পঠিয়াই সুধিলে, "কোন বিধ বস্তুৰ কথা কৈছ ?"

মই কলোঁ, "বস্তু ঠিক নহয়। এটি গুণৰ কথা মই কব খুজিছোঁ, ধৰ। ধৈৰ্য্য। এম্. এ. পাচ কৰিবলৈ হ'লে ধৈৰ্য্য লাগিব। আমাৰ জানো ধৈৰ্য্য আছে বুলি তই ভাব ?"

নলিনীয়ে ক'লে, "কেনেকৈ জানিলি, আমাৰ ধৈৰ্য্য নাই ?"

মই ক'লোঁ, "ধৈৰ্য্য কাক বোলে তই যদি মোক সোধ, মই একোকে কব নোৱাৰিম। কিন্তু এটাৰ পিছত এটাত লাগি, অলপতে প্ৰতিটোকে এৰি দি, ইটোৰ পৰা সিটোলৈ বাগৰি ফুৰা লোকসকলৰ যে ধৈৰ্য্য নাই, তাক মই জানোঁ।"

মোৰ কথাত নলিনী যেন সন্তুষ্ট হৈছিল। সি কৈছিল, "এৰা, তই ঠিকেই কৈছ, বেদান্ত। আমাৰ ধৈৰ্য্য নাই। মই যদি কমলিনীকেই ভাল পাইছিলোঁ, কমলিনীৰ সকলোবোৰ কথাতে মই যদি মুগ্ধ হৈছিলোঁ, তেন্তে তাৰে মাজতে আকৌ মানসপ্ৰভাক কেনেকৈ মই অন্য ছোৱালীতকৈ সম্পূৰ্ণ বেলেগ এজনী ছোৱালী বুলি তেওঁৰ ওচৰত নিজৰ ব্যক্তিত্বৰ কথা হেলাৰঙে পাহৰি যাব পাৰিছিলোঁ ? কোনজনীক প্ৰকৃততে মই বিচাৰিছিলোঁ, সেই সম্পৰ্কে কিয় এটি স্থিৰ সিদ্ধান্তত আজিলৈকে মই আহিব নোৱাৰিলোঁ ? এটি ঘড়ীৰ চিৰ দোদুল্যমান মই এটি দোলক। তই ঠিকেই কৈছ, বেদান্ত, আমি স্থিৰতাহীন—ধৈৰ্য্যহীন।"

অতি গম্ভীৰ ভাবে নলিনীয়ে এইখিনি কথা কৈ শেষ কৰিছিল। কিন্তু হঠাৎ তাৰ মুখত চঞ্চলতাৰ আভাস ফুটি উঠিল। সি হাঁহিলে আৰু কবলৈ আৰম্ভ কৰিলে, "সৰুতে যেতিয়া প্ৰাইমাৰী স্কুলৰ ছাত্ৰ আছিলোঁ, তেতিয়া মোৰ জীৱনৰ উদ্দেশ্য আছিল, যিকোনো প্ৰকাৰেই হয় এজন ৰঙা টুপাৰালা পুলিচ হোৱা, নহয় মটৰ চলোৱা ড্ৰাইভাৰ হোৱা। যেতিয়া মাইনৰ স্কুল পাচ কৰিলোঁ, তেতিয়া হিন্দী মাষ্টৰ হোৱাৰ উদ্দেশ্যে হিন্দী পৰীক্ষা দিয়াত

গভীৰভাবে মনোনিবেশ কৰিলোঁ। ইতিমধ্যে, হিন্দীৰ ক্লাচ যেতিয়া হাইস্কুলৰ ক্লাচ চলি থকা সময়ত নহয়, গতিকে আইৰ ইচ্ছা আৰু কমলিনীৰ দেউতাকৰ উৎসাহত হাইস্কুলৰ ক্লাচো কৰি থাকিলোঁ। হিন্দীৰ দুটা পৰীক্ষা পাচ কৰাৰ পিছত অৱশ্যে হিন্দী মাষ্টৰ হোৱা চখটোও গ'ল গৈ। তাৰ পিছত যেতিয়া মেট্ৰিক পৰীক্ষা দিলোঁ, তেতিয়া দেখিলোঁ, অতি উচ্চ নম্বৰ পাই প্ৰথম বিভাগত মেট্ৰিক পাচ কৰিছোঁ। এনে অৱস্থাত, আই, পাঠশালাৰ স্কুলৰ মোৰ মোক বৰ মৰম কৰা শিক্ষক জন, মানসপ্ৰভা আৰু বহুতেই কলেজত পঢ়িবলৈ উদগালে। কলেজত যে কোনোবা দিনা পঢ়া হ'ব, তেনে আশা মোৰ কোনো দিনেই নাছিল। কিন্তু তথাপি কলেজত নাম লিখা হ'ল। কলেজত মানে গুৱাহাটীৰ কটন কলেজত নহয়। মোৰ গাঁৱৰ পৰা দহ মাইল দূৰৈৰ নতুনকৈ স্থাপিত হোৱা এখন কলেজত। আয়ে এটি এটিকৈ জমা কৰা পইচাৰে কলেজলৈ অহা যোৱা কৰিবলৈ বুলি মোক এখন ৰংবোৰ এৰি যোৱা, প্ৰতিটো অঙ্গতে মামৰে ধৰাত একপ্ৰকাৰ অচল হোৱা, অ'ত অ'ত বেঁতৰ কিম্বা মৰাপাটৰ জৰীৰ গাঠিৰে ভৰা তেনেই বুঢ়া চাইকেল এখন কিনি দিছিল। সেইখনকেই মোৰ সেই নিসহায় জীৱনৰ সঙ্গী কৰি লৈ কলেজলৈ অহা-যোৱা কৰিবলৈ লাগিলোঁ। কলেজত পঢ়িবলৈ উদগোৱা মানুহবোৰৰ বহুতেই কৈছিল, মোৰ দৰে ভাল ছাত্ৰ এজনে এনে এখন নতুন কলেজলৈ গ'লে, মাচুল মাফ পাম, লাইব্ৰেৰীৰ পৰা কিতাপ এনেয়ে পাম। পুৰা এবছৰ মাচুল দি দি ঘৰৰ অৱস্থা অচল হোৱাৰ পিছত যেনিবা বৃত্তি পোৱা খবৰো আহিল আৰু মাচুলো মাফ পালোঁ। কিন্তু লাইব্ৰেৰীত দেখিলোঁ, কেইখনমান পুৰণি পত্ৰিকাৰ বাহিৰে আৰু একো নাই। তথাপি তেনেকৈয়েই আই. এ. পৰীক্ষাটো দিলোঁ। আৰু আচৰিত কথা, খবৰ কি হ'ল তইতো জানই। বিশ্ববিদ্যালয়ত পঞ্চম স্থান অধিকাৰ কৰিলোঁ।

"আই. এ. পৰীক্ষা দি উঠিয়েই কিবা এটা স্বাধীন ব্যৱসায় কৰাৰ মনেৰে গুৱাহাটীৰ আদালতত মহৰী কাম কৰাৰ কথা ভাবিছিলোঁ। সেই উদ্দেশ্যে এগৰাকী পুৰণি বুঢ়া মহৰীৰ ওচৰত দলিল লিখা, দৰ্খাস্ত লিখা আদি মহৰীৰ কামবোৰ শিকিবলৈকো লৈছিলোঁ। মহৰী হ'বলৈ কিয় মন মেলিলোঁ, এই প্ৰশ্ন হয়তো তোৰ মোক এই মুহূৰ্ত্তত কৰিবলৈ মন যাব পাৰে। স্বাধীন ব্যৱসায় যে মই ভালপাওঁ, আৰু আই. এ. দিয়াৰ পিছত হাতত হেজাৰে হেজাৰে জমা টকা নথকা মানুহে একমাত্ৰ মহৰীৰ স্বাধীন কামকেই কৰিব পাৰে বাবে, তাকে বাচি লৈছিলোঁ—তেনে নহয়। আচলতে মেট্ৰিক পৰীক্ষা

দিয়াৰ পিছৰে পৰা বিভিন্ন বিষয়ৰ কেৰাণী চাকৰিৰ বাবে দৰ্খাস্তৰ লগে লগে ট্ৰেজাৰী চালানো দি দি অৱসন্ন আৰু সৰ্ব্বস্বান্ত হৈছিলোঁ বাবেহে মহৰীৰ কামটোকেই ভাল বুলি শেষত বাচি লৈছিলোঁ। কিন্তু আই. এ. পৰীক্ষাৰ ফলে পুনৰ মোক এই কামৰ পৰাও আঁতৰাই আনিলে। পুনৰ মোৰ সৰু কালৰ এল. পি. স্কুলৰ শিক্ষাগুৰু গৰাকীৰ আৰু অন্যান্য কেতবোৰ শুভাকাঙ্ক্ষীৰ কথামতে বি. এ. পঢ়া ঠিক কৰিলোঁ। এইবাৰ কমলিনীৰ দেউতাকৰ পৰা কিন্তু কোনো উদ্‌গনি পোৱা নাছিলোঁ দেই।

"গুৱাহাটীৰ কটন কলেজত বি. এ. ত নামটো লিখিম বুলি প্ৰথমতে থিৰ কৰিছিলোঁ। ভাবিছিলোঁ, বিশ্ববিদ্যালয়ত পঞ্চম স্থান অধিকাৰ কৰিলোঁ যেতিয়া শকত চৰকাৰী বৃত্তি এটা পামেই। মাচুলতো দিবই নালাগিব। তদুপৰি গুৱাহাটীৰ জজৰ চাকৰি কৰা খুড়াই আগেয়ে নিজৰ ভাতিজাক বুলি আনৰ আগত পৰিচয় কৰি দিবলৈ লাজ পাই আমাৰ লগত সম্পৰ্ক নাৰাখিছিল যদিও, এতিয়াৰ কথা স্বকীয়া হব বুলি ভাবি মই খুড়াৰ ঘৰতে থকা-খোৱাৰ ব্যৱস্থা কৰিব পাৰিম বুলি আশা কৰিছিলোঁ। ঠিক মই আশা কৰিছিলোঁ বুলি ক'লে ভুল হ'ব। আয়ে মোক আশা দি পঠিয়াইছিল। কিন্তু জজ চাহাব খুড়াৰ ঘৰত উঠি মোৰ যি তিতা অভিজ্ঞতা হ'ল, তাক মই আজিলৈকে আৰু কাকোৱেই কোৱা নাই, বেদান্ত। সেই তিক্ততাৰ কথা আনক কোৱা দূৰৈৰ কথা, নিজে ভাবিলেও দেহ-মন তিক্ততাৰে বিবৰ্ণ হৈ পৰে। খুড়াৰ লগত কথা হৈ দেখিলোঁ, মোৰ দৰে নিঃকিন অৱস্থাৰ এটা ল'ৰাই গুৱাহাটীৰ দৰে চহৰ এখনত পঢ়িবলৈ আহিবলৈ সাহস কৰাটো তেওঁ মুৰ্খালিত বাহিৰে একো নহয় বুলি ভাবে। তেওঁৰ ঘৰতেই থকা-খোৱা কৰাৰ মোৰ আশাৰ যেতিয়া আভাস তেওঁক দিলোঁ, তেতিয়া জজ-চাহাব খুড়াৰ নিজৰ মুখেৰে দুৰৱস্থাৰ কাহিনী কিমান শুনিবি! যেতিয়া মই থাকিবলৈ এধানমান ঠাই বিচাৰি গুৱাহাটীত হাবাথুৰি খাইছিলোঁ, তেতিয়া মোৰ খুড়াই তেওঁৰ দুহেজাৰ বৰ্গফুটৰ আৰ্. চি. চি. বিল্ডিংটোত আৰু এজন মানুহ ৰাখিবলৈ কোনো মতেই ঠাই উলিয়াব নোৱাৰি দুখ কৰিছিল। খুড়াহঁতৰ দুহেজাৰ বৰ্গফুটৰ ঘৰখনত চাকৰটোক ধৰি পৰিয়ালৰ মানুহৰ সংখ্যা আঠজন বুলি এইখিনিতে তই জানি থোৱা দৰ্কাৰ। আৰু তাত বাহিৰে, যেতিয়া মই দুবেলা দুমুঠি ভাতৰ বাবে কাও বাও কৰি, বা তাৰ সলনি দুবেলা দুটুকুৰা ৰুটীকেই বিচাৰি গুৱাহাটীৰ বাটে-বাটে অনাই বনাই ফুৰিছিলোঁ, তেতিয়া খুড়াৰ মোক তেওঁলোকৰ ঘৰত ৰখাৰ অন্য অসুবিধা হ'ল, গুৱাহাটীত

সেই সময়ত কণী আৰু গাখাৰ হেনো দুষ্প্ৰাপ্য হৈ পৰিছে। ইপিনে তেওঁৰ ল'ৰা ছোৱালীবোৰক এই দুবিধ বস্তুৰ পৰা বঞ্চিত কৰিব লাগিলে, সিহঁতে পঢ়িব কেনেকৈ? এনে স্থলত, তেওঁৰ নিজৰ ল'ৰা ছোৱালীৰ বাবে কণী-গাখীৰৰ চিন্তাই কৰিব নে মোৰ দৰে এটা অনাবশ্যকীয় বোজা মূৰত জাপি লৈ তেৱেঁ বলিয়া হ'ব আৰু ল'ৰা ছোৱালীবোৰো মূৰ খাব? খুড়াৰ এই জটিল প্ৰশ্নৰ উত্তৰ মই মোৰ তেতিয়াৰ সবল মনৰ বুদ্ধিখিনিৰে দিবলৈ সক্ষম নহৈছিলোঁ।

"খুড়াহঁতৰ ঘৰত থাকি পঢ়া আশা এনেদৰেই জলাঞ্জলি দিলোঁ। জজচাহাবৰ ভতিজাক বুলি সকলোৰে পৰা আইৰ মুখত শুনি শুনি মনত ওপজা গৌৰৱটো যেতিয়া এনেকৈয়েই আঁতৰি গ'ল, তেতিয়া কটন কলেজত পঢ়াৰ ইচ্ছাই বা থাকে ক'ত? এনে অৱস্থাত মোৰ দৰেই সংস্থানহীন যোদ্ধা কিছুমানৰ 'অনাথ মেচ' এটাত সোমাই বি. বৰুৱা কলেজত নাম লিখি নিশাচৰ হৈ পৰিলোঁ। তৃতীয় বাৰ্ষিকৰ পৰীক্ষাটো দি চতুৰ্থ বাৰ্ষিক পোৱাৰ লগে লগেই, ইঞ্জিওৰেঞ্চৰ অফিচত সোমালোঁ। আৰু সোমায়েই তোক যেতিয়া লগ পালোঁ, তাৰ পিছৰ পৰা মোৰতো সকলো কথা তই জানই। এনে এজন ল'ৰাৰ ধৈৰ্য্যই বা থাকিব ক'ত; মনৰ দৃঢ়তাই বা গঢ়ি উঠিব কেনেকৈ?"

কথাখিনি নলিনীয়ে শেষ কৰাৰ লগে লগে মই দেখিলোঁ, তাৰ চকুৱে-মুখে হাঁহিৰ বিৰিঙণি। খিৰিকীৰে বাহিৰলৈ চাই পঠিয়াইও দেখিলোঁ, বাহিৰত উজ্জ্বল ৰূপালী ৰ'দ। মোৰতো স্কুল বন্ধই। বাহিৰৰ ৰ'দলৈ চোৱা দেখি নলিনীয়ে ক'লে, "মোৰ অফিচলৈ যোৱাৰ সময় এৰাই গ'ল বুলি ভাবিছনেকি? এম্. এ. পঢ়িবলৈ ওলাইছোঁ যেতিয়া, চাকৰিতো এৰিমেই। গতিকে আজি যেনিবা ছুটীতেই থাকিলোঁ।"

সি অফিচলৈ নাযায় বুলি শুনি মই উৎসাহিত হ'লোঁ। এটি বেলেগ ভঙ্গীত বিছনাতে বহি লৈ মই তাক ক'লোঁ, "ইঞ্জিওৰেঞ্চৰ অফিচত দুয়ো সোমোৱাৰ লগে লগে আমি যে কেনে আকস্মিকভাৱে পৰিচিত হৈছিলোঁ, তোৰ মনত আছে নহয়?"

মোৰ এই প্ৰশ্নৰ লগে লগে আমাৰ পিছপিনৰ সেই পুৰণি পিটনি পুখুৰীটোৰ পৰা সাপৰ কবলত পৰা ভেঁকুলীটিৰ আৰ্ত্তনাদ ভাঁহি আহিবলৈ ধৰিলে। নলিনীক মই চকুৰে ইঙ্গিত দি বিপদগ্ৰস্ত সেই ভেঁকুলীটিৰ কাতৰ চিঞৰলৈ তাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। সিও যেন সেই বৈ বৈ বাজি উঠা আতুৰ শব্দবোৰ শুনি ব্যতিব্যস্ত হৈ উঠিছিল। কিছুসময় নীৰৱে সেই

ভেঁকুলীটিৰ অসহায় অৱস্থাৰ কান্দোনলৈ কাণ দিয়াৰ পিছত নলিনীয়ে ক'লে, "অ,' অফিচত পৰিচয় হোৱাৰ কথা কৈছিলি ? এৰা, সেই কথা জানো আৰু পাহৰিব পাৰোঁ ? সিতো দবছৰ আগৰ কথা। তথাপি আমাৰ সেই প্ৰথম দেখা-দেখিৰ প্ৰতিটো কথাই কেনেকৈ যে মনত স্পষ্ট হৈ বৈ গ'ল।" তাৰ পিছত সি সুধিলে, "অফিচত তোক মোৰ প্ৰথম দেখি কি ভাব হৈছিল জান ?"

মই সুধিলোঁ, "কি ?"

সি ক'লে, "মই লক্ষ্য কৰিছিলোঁ, তই যিটো নীলা হাৱাইন্ চাৰ্ট পিন্ধি অফিচলৈ প্ৰথম অৱস্থাত গৈছিলি, সেইটোৰ পিঠিখন ফটা। পিন্ধন-উৰণৰ কথা বাদ দিও তোৰ দেহৰ গঠনেও মোৰ মনত এটি বিশেষ ছাপ বহুৱাইছিল। দেখাত তই ইমান ক্ষীণ আৰু অকণমান, যে তোক সেই ফটা চোলাটোৰে দেখি মোৰ এক প্ৰকাৰৰ সহৃদয়তাৰেই ভাব হ'ল নে শত্ৰুতাৰেই ভাব হ'ল, বুজিবই নোৱাৰিলোঁ। মই ভাবিছিলোঁ, ইও মোৰ দৰে কৰবাৰ দৰিদ্ৰ ৰিফিউজী। মাথোন মই অসমৰে অসমীয়া হৈয়ো অসমতে ৰিফিউজী ; আৰু ই হয়তো পূৰ্ব্ববঙ্গৰ পৰা ভাগি অহা বঙালী ৰিফিউজী। কিয় জানো মোৰ তেতিয়া তোক বঙালী বুলি ভাব হৈছিল। অসমীয়া আৰু বঙালীৰ মাজত হোৱা ভাষা-আন্দোলন পাৰ হৈ যাবৰ তেতিয়াতো বেচি দিন হোৱা নাছিল। তেনে অৱস্থাত মই স্বাভাৱিকতে ভাবিছিলোঁ, হঠাৎ যদি আমাৰ অফিচৰ ভিতৰত অসমীয়া বঙালীৰ মাজত পুনৰ সংঘৰ্ষ হৈ যায়, তেন্তে এইটো নিশ্চিত যে এই ইমান ডাঙৰ অফিচখনত মোৰ সৈতে যুঁজিবৰ বাবে তয়েই মোৰ সমকক্ষ যোদ্ধা।" তাৰ কপালখন তেতিয়া ঘামেৰে উপচি পৰিছিল। গৰমত সি উচ পিচ কৰি গাত বা দিবলৈ ওচৰত বছী বা বাতৰি কাকত—কিবা পায়নেকি চাইছিল। বাহিৰত তেতিয়া প্ৰখৰ ৰ'দ। আমাৰ পিছ পিনৰ পিটনি পুখুৰীটোত অলপ আগতে শুনা সাপৰ কবলত পৰা বেঙৰ মাতটো ইতিমধ্যে নাইকিয়া হৈ পৰিছে। মোৰ বেচেৰী ভেঁকুলীটোৰ অৱস্থা চকুৰ আগত ভাঁহি উঠিল—কেনেকৈ সেই ভেঁকুলীটি এডালি বিষাক্ত সাপৰ কৰাল গ্ৰাসত নিঃশেষ হৈ গ'ল।

মই নলিনীক কৈছিলোঁ, "ফটা চোলাটো আৰু মোৰ ক্ষীণ দেহটোৰ বাবেই কিজানি তই মোক বঙালী বুলি ভাবিছিলি। কাৰণ, ফটা চোলা আৰু ক্ষীণকায়ে পূৰ্ব্ববঙ্গৰ দৰিদ্ৰ ৰিফিউজীৰ ছবি মনলৈ অনাটো স্বাভাৱিক। পিছে ময়ো তোৰ দৰে একপ্ৰকাৰৰ অসমৰে অসমীয়া ৰিফিউজী হে।

কলেজত পঢ়োঁতে দুবেলা দুমুঠি ভাত মিলাবৰ বাবেই লোকৰ ঘৰে ঘৰে টিউশ্যন বিচাৰি ফুৰিব লাগিছিল। পুৱা আৰু আবেলি চাহৰ লগত দুখন ৰুটী খোৱা যেনেগ কথা, চাহ এটোপাল খোৱা কথাটোকেই ভাবিব নোৱাৰিছিলোঁ তেতিয়া। গেঞ্জী চোলা এটি কিনিবৰ বাবে তেতিয়া মই তিনিমাহ আগৰ পৰা আঁচনি কৰি তাক কাৰ্য্যকৰী কৰিবৰ বাবে কঠোৰ চেষ্টা কৰিব লাগিছিল। তেনে ক্ষেত্ৰত বি. এ. দি উঠাৰ লগে লগে অফিচত যেতিয়া মই সোমালোঁ, তেতিয়া মোৰ গাত থকা চোলাটোৰ পিঠিখনেইহে যে অকল ফটা আছিল, সেইটোৱেই মোৰ কাৰণে পৰম ভাগ্যৰ কথা। চোলা এটা তিনি চাৰি ঠাইত ফাটি পিন্ধনৰ সম্পূৰ্ণ অনুপযুক্ত নোহোৱালৈকে তাক বদলোৱাৰ সামৰ্থ্য কলেজত পঢ়া চাৰিটা বছৰত মোৰ কেতিয়াও হোৱা নাছিল। পিছে সেইকথা যাব দে। তোক প্ৰথম অফিচত দেখি মোৰ কি ধাৰণা হৈছিল জান? মোক তোৰ দৰে অকণমান আৰু ক্ষীণ দেখি মোৰ প্ৰতি তোৰ মনত সহৃদয়তাই উপজিছিল নে শত্ৰুতাই উপজিছিল, সেইবিষয়ে তই নিশ্চিত নাছিলি বুলি কলি। কিন্তু অফিচখনত সোমায়েই মোৰো তোৰ ওপৰতহে চকু পৰিল প্ৰথম। তোক দেখিয়েই খঙত জ্বলি গ'লোঁ। ক্ষুদ্ৰকায়, দুৰ্ব্বল, ক্ষীণ কি প্ৰাণী এইবোৰৰ যে সৃষ্টি কৰে ভগৱানে। মোৰ দৰে পৃথিবীত আৰু কোনোবা মানুহ থাকক; তাক মই কেতিয়াও নিবিচাৰোঁ। গতিকে তোক দেখিয়েই, তোকেই অকল মোৰ গুলী কৰি মাৰিবৰ মন যোৱা নহয়, মোৰ বা তোৰ স্ৰষ্টা যি ভগৱান, সেই ভগৱানকো সেই মুহূৰ্ত্তত মোৰ গুলীয়াই মাৰিবৰ মন গৈছিল। আৰু তোৰ দেহৰ গঠনটোও হ'ল সেইটো! মুখৰ চেহেৰাই চাবি কি? অনবৰত যেন কান্দি হে আছে এই প্ৰাণীটোৱে।"

মোৰ মুখত তাৰ বিৱৰণ শুনি নলিনীয়ে হাঁহি উঠিছিল। তাৰ হাঁহিত ময়ো যোগ দিলোঁ। হাঁহিৰ অন্তত নলিনীৰ এটি দীঘল হুমুনিয়াহ ওলাই আহিল। সি ক'লে, "ইমানৰ পিছতো আমি যে জীয়াই আছোঁ আৰু এইখিনিলৈ অন্ততঃ আহি পাইছোঁ, সেয়েই বহুত দেচোন। তোৰ কথা নাজানোঁ, বেদান্ত; কিন্তু মই মোৰ এইখিনি কৃতকাৰ্য্যতাৰ বাবেই প্ৰায়ে নিজকে নিজে অভিনন্দন জনাওঁ মোৰেই বাওঁখন হাতেৰে মোৰেই সোঁখন হাতত ধৰি হেণ্ড্ চেক্ কৰি।" নলিনীৰ কথা শুনি শুনি মই গম্ভীৰ হৈ পৰিলোঁ। লাহে লাহে মই মোৰ বিছনাতে শুই পৰিলোঁ। নলিনীয়ে বহি থকা চকীখনত গাটো অৱশভাবে এৰি দি আনখন চকীত ভৰি দুখন তুলি নীৰবে বিশ্ৰাম ললে।

কিন্তু কিছু সময়ৰ পিছুতে নলিনীয়ে তাৰ সেই একেটা বিশ্ৰামৰ ভঙ্গীতেই তেনেই অলসভাবে কৈ উঠিল, "কমলিনীৰ বোলে এটি ল'ৰা হ'ল।" তাৰ কথাত মোৰ কৌতূহল উপজিছিল। মই তাৰ মুখৰ পিনে চাই পঠিয়ালোঁ। কিন্তু সি সেই একেটা ভঙ্গীতেই বহি থাকি তেনেই অলসভাবেই কৈ গ'ল, "আমোদজনক কথা কি জান? কমলিনীৰ যি গিৰীয়েকে কমলিনীৰ দেউতাকৰ পৰা লোৱা কেবা হেজাৰো টকাৰ বিনিময়ত ছোৱালীজনী বিয়া কৰাইছিল, সেই গিৰীয়েকে বোলে প্ৰসব-বেদনাত কমলিনী যেতিয়া অস্থিৰ, তেতিয়া বাবৰে পুতেক হুমায়ুনৰ মাৰাত্মক ৰোগ নিজৰ গালৈ আনি পুতেকক বচাবলৈ ঈশ্বৰক প্ৰাৰ্থনা কৰাৰ দৰে বোলে প্ৰাৰ্থনা কৰিছিল, 'তোমাৰ বিষ-বেদনাবোৰ মোক দিয়া। তুমি ভাল হোৱা। তোমাৰ হৈ মই ভূগোঁ; মই মৰোঁ।' কথাখিনি কৈ নলিনীয়ে হাঁহি উঠিছিল। হাঁহি উঠিছিল মোৰোঁ। কিন্তু মোৰ হাঁহি শেষ নোহওঁতেই নলিনীয়ে পুনৰ কলে, "আৰু তাতকৈয়ো আমোদজনক কথা কি জান? কমলিনীয়ে ওপৰোক্ত ডেকাজনৰ সৈতে যেতিয়া তেওঁৰ বিয়াৰ কথা চলিছিল তেতিয়া তেওঁ মোৰ বুকুত সোমাই কান্দি কান্দি কৈছিল, 'মোৰ বিয়া আপোনাৰ লগত নহৈ যদি সেই মানুহজন নাইবা আন কাৰোবাৰ লগত হয়, তেন্তে মই আমাৰ পুখুৰীটোত জাঁপ দি মৰিম। মোক অনুমতি দিয়ক। মোক বিদায় দিয়ক।' সেই কমলিনীয়ে আকৌ তেওঁৰ প্ৰসৱৰ সময়ত গিৰীয়েক যেতিয়া তেওঁৰ বাবে মৰিবলৈ ওলাল তেতিয়া বোলে ক'লে, "'ওহোঁ, মোকহে মৰিবলৈ দিয়ক। ভগৱানে আপোনাক ৰক্ষা কৰক।' আপোনাৰ হৈ ভগৱানে মোক মাৰি নিয়ক।"

কিছু সময়ৰ পিছতে মই নলিনীক প্ৰশ্ন কৰিলোঁ, "কিন্তু কমলিনীৰ লগত তোৰ বিয়া কিয় নহ'ল সিমানৰ পিছতো?"

নলিনীয়ে এটি হুমুনিয়াহ কাঢ়ি কলে, "এৰা, তোক কোৱা হোৱাই নাই সেই অধ্যায়টোৰ কথা। সিও মোৰ মনৰ অস্থিৰতাৰ, চঞ্চলতাৰ, নাইবা উদ্দেশ্যহীনতাৰে এক কৰুণ কাহিনী; যদিওবা আজি মোৰ বিশ্বাস যে মোৰ জীৱনত কোনো কাৰুণ্য নাই অথবা কাৰুণ্য থাকিবৰ জোখাই আজি মোৰ এটি সুস্থ, সুস্থিৰ মনেই নাই।" নলিনী তেতিয়া বোধ হয় গৰমত বৰ বেচি অস্থিৰ হৈ উঠিছিল। সি বহা অৱস্থাতেই চট ফট কৰি বাতৰি কাকতৰ তাৰ বিছনিখনেৰে সজোৰে বিচি বিচি কৈ গৈছিল, "কমলিনীৰ লগত মোৰ কিয় বিয়া ন'হল? সেই সময়ত মই আই. এ. পৰীক্ষা দিবলৈ ওলাইছোঁ। টেষ্ট দি উঠি ঘৰতে পঢ়াত লাগিছোঁ।

কমলিনীৰ বিয়াৰ বাবে মাক—দেউতাক দৰা বিচৰাত লাগিছে। কথাষাৰ শুনাৰ পিছত কমলিনীৰ ওচৰ পালোঁ গৈ। তেওঁৰ ওচৰত বহিও প্ৰথমে মই এই বিষয়ে একো কথাকেই উলিয়া নাছিলোঁ। কিন্তু কথাষাৰ তেৱেঁই কৈ দিলে, 'মোৰ বিয়া পাতিছে'। মই সুধিলোঁ, 'কাৰ লগত?' কিন্তু কমলিনীয়ে এই প্ৰশ্নৰ কোনো উত্তৰ নিদি তলমূৰা কৰিছিল। তেওঁৰ চকুযুৰি সজল। সুধিবলগীয়া মোৰ অনেক কথা আছিল তেওঁক। কিন্তু কিহে যেন মোৰ টেঁটুত তেতিয়া চেঁপা মাৰি ধৰিছিল। কমলিনীৰ পঢ়া কোঠাটো তেতিয়া এক অদ্ভুত নীৰৱতাৰে ভৰি পৰিছিল। কিমান সময় দুটি শিলামূৰ্ত্তিৰ দৰে আমি সেই নীৰৱতাৰ মাজত বুৰগৈ আছিলোঁ, তাৰ উমান আমি নিজেও পোৱা নাছিলোঁ। তাৰ পিছত কমলিনীয়ে নিজেই আৰম্ভ কৰিলে, 'কালি আইপিতাই ভাণ্ডৰ-ঘৰৰ বাৰান্দাত কি কথা পাতিছিল জানে?—তেওঁলোকৰ নলিনীৰেই দেখোন আমাৰ ভাইৰ লগত বৰ মিলা-প্ৰীতি দেখোঁ। নলিনীৰ মাকক আগেয়ে সুধি চোৱা ভাল হ'ব।—পিতাই কৈছিল—নলিনী হ'লেতো ভালেই হয়। পঢ়াই-শুনাই, স্বভাৱে-চৰিত্ৰই বেচ ভাল ল'ৰা।'—কথাষাৰ কৈ কমলিনীয় মোৰ চকুৰ পিনে চাইছিল। তাৰ পিছত তেওঁ পুনৰ ক'লে, 'কিন্তু আয়ে কি ক'লে জানে—জানোচা ল'ৰাৰ মাকে ল'ৰাই পঢ়ি আছে বাবে তেওঁৰ বিয়া কৰাবৰ হোৱা নাই বুলি আপত্তি কৰে?—কিন্তু দেউতাই পুনৰ কৈছিল—বিয়া কৰাবৰ হোৱা নাই আৰু কি? ওঠৰ-উনৈছ বছৰ হ'ল ল'ৰাৰ। আমি দেখোন পোন্ধৰ-ষোল বছৰতে বিয়া কৰাইছিলোঁ? আৰু ল'ৰা পঢ়ি আছে ভালেই হে হৈছে। বিয়াৰ পিছততো আমাৰেই ল'ৰা হ'ব সি। বিয়াৰ পিছত যিমানলৈ পঢ়ি থাকে থাকিব। মাকক এই কথা তুমি কলে, কিজানি বিয়াখনৰ বাবে তেওঁলোকৰেই আগ্ৰহ বেচি হয়। গতিকে মাকৰ লগত তুমি এই আশা দেখুৱাই কথা পাতি লোৱা।'

"কমলিনীয়ে আৰু কিবা ক'লে হেঁতেন নেকি মই নাজানোঁ। কিন্তু দেউতাকে যে তেওঁৰ পৰা অৰ্থ-সাহায্য পোৱাৰ আশাত মই তেওঁৰ ছোৱালী বিয়া কৰাম বুলি ভাবিব পাৰিছিল, তেওঁৰ এই ধৃষ্টতাৰ বাবে মই তেতিয়া খণ্ডত নিজৰ ওপৰতে নিয়ন্ত্ৰণ হেৰুৱাই পেলালোঁ। মই লগে লগেই তাৰ পৰা ওলাই আহিবলৈ থিয় হলোঁ। কমলিনীয়ে আচৰিত হৈ সুধিলে, 'কলৈ যায়?' মই গৰজি উঠিলোঁ, 'মনে মনে থাকা, কমলিনী। তোমাৰ দেউতাৰাৰ অজস্ৰ টকা থাকিব পাৰে। কিন্তু তোমালোকে জনা উচিত যে সেই টকাৰে এজন মানুহ কিনা নাযায়।' কমলিনী কঁই পুনি

গ'ল। তেওঁ নিৰ্ব্বাক হৈ পৰিল। কিন্তু মই তেওঁৰ অৱস্থালৈ অকণো ভ্ৰূক্ষেপ নকৰি তাৰ পৰা ওলাই আহিলোঁ।

"তাৰ দুদিনমান পিছতেই কমলিনীৰ মাকে বিয়াৰ প্ৰস্তাৱ লৈ আমাৰ আইৰ ওচৰ পাইছিলহি। আয়ে মোক মোৰ মতামত সোধাৰ ছলতেই এই প্ৰস্তাৱটোৰ কথা কৈছিল। কিন্তু মই কিবা মতামত দিয়াৰ আগতে আয়ে কৈছিল যে ইমান সৰুতে বিয়া কৰোৱাৰ মোৰ কোনো কাৰণ নাই। বিশেষকৈ আমাৰ দৰে দুখীয়া মানুহে ইমান সৰুতে বিয়া কৰোৱাৰ কথা উঠিবই নোৱাৰে। মই একান্ত মনে পঢ়ি যাব লাগে, পঢ়িছোঁৱেই যেতিয়া।

"দুদিনমান আগতে মাথোন কমলিনীৰ আগত যদিও তেনে এটি হুঙ্কাৰ দি ওলাই আহিছোঁ, তথাপি এনে এটি প্ৰস্তাৱ পোৱাৰ পিছতো, মই জানো আইৰ লগত একমত হৈ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিব পাৰোঁ? মই লাজ-কাজ পাহৰি আইক কৈ দিলোঁ, বেদান্ত, 'তথাপি আমাৰ দৰে ঘৰ এখনলৈকে তেনেকুৱা এঘৰ ধনী মানুহে ছোৱালীজনী যাচিছে যেতিয়া বিয়াখনচোন পাতিয়েই দিয়া ভাল। পিছতোতো কেতিয়াবা পাতিবই লাগিব।"

নলিনীয়ে তাৰ নিজৰ কথাত নিজেই হাঁহি উঠিছিল। ময়ো নাহাঁহি নোৱাৰিছিলোঁ এই কথাত। তাৰ পিছত গম্ভীৰ হৈ সি ক'লে, "ৰবি, নাহাঁহিবি এতিয়াই। ইয়াৰ পিছত কি কৈছিলোঁ আৰু শুন। মোৰ কথা শুনি তবধ মনা আইক মই আৰু বেচি তবধ মনাইছিলোঁ এই বুলি কৈ, 'পঢ়াটোকে বৰ ডাঙৰ কথা বলিনো ভাবিছ কেলেহ তই? কপালত থাকিলে একেবাৰে নপঢ়িও ডাঙৰ মানুহ হ'ব পাৰি। টমাচ্ আল্‌ভা এডিচনৰ নাম জানো শুনা নাই তই? সেই যে কলৰ গান আবিষ্কাৰ কৰা বৈজ্ঞানিকজন? তেওঁনো ক'ত কি সোপা পঢ়িছিল? আৰু মহাত্মা গান্ধী? গান্ধীয়ে যি বয়সত বিয়া কৰাইছিল, তাতকৈ মোৰ বয়সতো বহুত বেচি হৈছে।"

নলিনীৰ কথাত মই আৰু হাঁহি চম্ভালি ৰাখিব নোৱাৰিছিলোঁ। মই হাঁহি হাঁহি কৈছিলোঁ, "তই বোধ হয় বিয়া কৰাম বুলিয়েই জন্ম গ্ৰহণ কৰিছিলি। মাতৃৰ গৰ্ভৰ পৰা সন্তান যেতিয়া প্ৰথম ভূমিষ্ঠ হয়, তেতিয়া সি কি বেদনাত কান্দি উঠে কব নোৱাৰোঁ; কিন্তু তই যে ভূমিষ্ঠ হোৱাৰ লগে লগে বিয়াৰ আকাঙ্খাত আতুৰ হৈ কান্দি উঠিছিলি, সেই বিষয়ে মোৰ আৰু কোনো সন্দেহ নাই।"

মোৰ কথাত নলিনীয়ে হাঁহি উঠিছিল। নলিনীয়ে অফিচলৈ যাবলৈ বাদ দিলে যেতিয়া, আমি আজি পলমকৈ ভাত খোৱাটোকেই থিৰ কৰিছোঁ।

ল'ৰাটোক দুয়োৰে বাবে চাহ আৰু প্লেট দুখনত অলপ অলপ তৰ্কাৰী আনিবলৈ দি দুয়ো পুনৰ ভালকৈ বহি ললোঁ। নলিনীয়ে ক'লে, "অকল মোক দোষ দিয় কিয় একমাত্ৰ বিয়া কৰোৱাৰ সিদ্ধান্তকে লৈ জন্ম গ্ৰহণ কৰা বুলি? তয়ো জানো কম আছিলি? মোৰ দৰে কোমল বয়সতে তয়ো জানো প্ৰেম আৰম্ভ কৰা নাছিলি? তোৰ প্ৰেম মোৰ পৰ্য্যায়লৈ আগবাঢ়ি নগ'ল বুলিহে।"

নলিনীৰ কথাৰ প্ৰতিবাদ কৰাৰ উপায় মোৰ নাছিল। মই মাথোন হাঁহিছিলোঁ। ইতিমধ্যে চাহ আৰু তৰ্কাৰী আহি পালত চাহত সোঁহা এটা মাৰি নলিনীয়ে পুনৰ আৰম্ভ কৰিছিল, "পিছে তাৰ পিছত কি হ'ল শুন। মোৰ কথা শুনি আয়ে এটি পাতল লাজৰ হাঁহি মাৰি কৈছিল, 'যা, যা। তামচা নকৰ। ছোৱালী জানো অকল সেই জনীহে? পিছত আৰু ছোৱালী নাপাম তোৰ বাবে?' কিন্তু ময়ো এৰি দিয়া ভকত নাছিলোঁ। মই কৈছিলোঁ, 'ছোৱালীতো পামেই। কিন্তু কমলিনীৰ পিতাকহঁতৰ কথা ভাব। মোৰ তাত দিয়াৰ তেওঁলোকৰ ইচ্ছাটোৰ থকা ভাব। তেওঁলোকেও জানো ল'ৰা নাপাব?' আয়ে এইবাৰ ক'লে, 'ইমান যদি মনেই তোলৈ ছোৱালী দিয়াত, তেন্তে তোৰ পঢ়া শেষ হোৱালৈকে বাট চাওক।' মই আইক সুধিলোঁ, 'মোৰ পঢ়া কেতিয়া শেষ হ'ব?' আয়ে টপৰাই উত্তৰ দিলে, 'কেলৈ, তই যেতিয়া বি. এ. পাচ কৰিবি।' মই আইক ওলোটাই প্ৰশ্ন কৰিলোঁ, 'বি. এ. পাচ কৰিলে পঢ়া শেষ হয় বুলি তোক কোনে ক'লে? যদি বি. এ. পাচ কৰিলেই পঢ়া শেষ হয়, তেন্তে আই. এ. পাচ কৰিলেও তো পঢ়া শেষ হয়। বি. এ. পাচ কৰিবলৈ আৰু দুবছৰ। এবাৰমান যদি ফেল হওঁ তেন্তে তিনি বছৰ। আৰু এইবাৰ যদি আই. এ. ফেল কৰিব লাগিল, তেন্তে আৰু এবছৰ। ইমান বছৰলৈ এজনী বিয়া দিবলৈ উলিয়া ছোৱালী জানো ৰাখি থয় কোনোবাই?' কিন্তু আয়ো কম ভকতনী নাছিল, দেখিছিলোঁ। আয়ে টপৰাই কৈ উঠিছিল, 'যদি নথয়েই তেন্তে তোলৈ ছোৱালীজনী দিবলৈ আগ্ৰহ থকা বুলি কেনেকৈ জানিলি?'

"আইৰ এই প্ৰশ্নৰ উত্তৰত মই আৰু একোকে কব নোৱাৰিলোঁ। এই-কথাবোৰ শুনি তই কিজানি আচৰিত হৈছ। দেউতা মই সৰুতে থাকোঁতেই ঢুকোৱাত আৰু বাই-ভনী কিজনীও বিয়া দি উলিয়াই দিয়াত দাদা মোতকৈ বহুত ডাঙৰ বাবে ময়েই আছিলোঁ আইৰ একমাত্ৰ সঙ্গ। বোধকৰোঁ সেই কাৰণেই আইৰ স'তে মোৰ সম্পৰ্কটো কিছু পৰিমাণে বন্ধুত্বৰ সম্পৰ্কও আছিল। আইৰ প্ৰতি মোৰ চেনেহ যেনেকৈ অসীম, ভক্তিও তেনেকৈ

অশেষ। গতিকে আইৰ এই প্ৰশ্নৰ পিছত, তৰ্ক এৰি মই আঁতৰি গ'লোঁ। ইয়াৰ পিছত আয়ে মোক কৰা এই প্ৰশ্নটোকে ময়ো কমলিনীহঁতৰ ঘৰখনক কৰা প্ৰশ্নবুলি এই প্ৰশ্নকে কমলিনীহঁতৰ ঘৰখনলৈ পঠিয়াই দিলে। ইয়াৰ পিছতো কমলিনীৰ মাক-দেউতাকে মোৰ আশা এৰি নিদি বিয়াৰ পিছত মই পঢ়াৰ বাবে অৰ্থ-সাহায্যৰ প্ৰাস্তৱ পঠিয়াইছিল। কিন্তু সেই প্ৰাস্তৱ গ্ৰহণ কৰা-নকৰাৰ আলোচনা আইৰ স'তে কৰাৰ মই প্ৰয়োজনেই বোধ কৰা নাছিলোঁ। অতি নিষ্ঠুৰ ভাবে, অতি কটু কথাৰে সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰি মই ঘূৰাই পঠিয়ালোঁ।

"কমলিনীৰ সৈতে মোৰ সম্পৰ্ক ইতিমধ্যে বেয়া হৈছিল বুলি তই নাভাবিবি। মই ইয়াৰ মাজতো তেওঁলোকৰ ঘৰলৈ, তেওঁৰ ওচৰলৈ গৈয়েই আছিলোঁ। এই সময়ছোৱাত কমলিনীয়ে প্ৰায়ে আপত্তি কৰি কৈছিল, 'আপুনিতো ডাঙৰ মানুহ হ'ব। বিদ্বান পুৰুষ হ'ব। মানসপ্ৰভাক তাৰ পিছত বিয়া কৰাব। মানসপ্ৰভাওতো আপোনাৰ সমানে শিক্ষিত হব। আপোনালোক দুয়োৰে কিমান যে মিলিব। মই নো কি? মই এজনী নগণ্য খেতিয়কৰ সামান্য, অশিক্ষিত ছোৱালী। আপোনাৰ স'তে মোৰ কি মিল আছে যে মই মানসপ্ৰভাৰ সমান বুলি ভাবিব পাৰোঁ।?'

"কমলিনীয়ে যেতিয়া মোৰ আগত এনেকুৱাকৈ কথা কয়, তেতিয়া সেই কথাই মোৰ অন্তৰত কেনেকৈ যে বেখাপাত কৰে। আবেগ-বিগলিত মোৰ তেনে অৱস্থাত কেতিয়া যে কমলিনীক টানি আনি বুকুত সুমুৱাই লওঁ, তাৰ গমকে নাপাওঁ। কমলিনীয়েও তেনে মুহূৰ্ত্তত নিজৰ অস্তিত্ব সম্পূৰ্ণৰূপে মোৰ ওচৰত সমৰ্পণ কৰি লেতু সেতু হৈ এৰি দিয়ে নিজকে মোৰ বুকুৰ মাজত। আমাৰ মাজত তেতিয়া কোনো কথাৰ আদান-প্ৰদান নহয়। মাথোন পৰস্পৰৰ বাহুবন্ধনত আমি পাহৰি যাওঁ স্থান-কালৰ, পাৰ্থিব পৰিধিৰ, মানুহৰ জীৱনৰ থেক গণ্ডীৰ কথা, মানুহৰ সমাজৰ নীচ নীতি-নিয়মৰ যত সমস্যা।"

নলিনীৰ জীৱনৰ ইমান বছৰৰ আগৰ আৱেগ-অনুভূতিবোৰৰ কথা কৈ কৈ সি এতিয়াও আবেগ-উদ্বেল হৈ উঠিছিল। গৰমত তাৰ মুখমণ্ডল ঘামৰ কণিকাৰে আবৃত হৈ গৈছিল। সি যেন সুস্থিৰ হৈ বহি থাকিব নোৱাৰি-ছিল। অন্য এখন বাতৰি কাকত ভাঁজ খৱাই মই নিজকে বিচাৰ লগে লগে তাৰ গাতো বা লগাই দিছিলোঁ। সি সেই কৃত্ৰিম বতাহখিনি সজোৰে স্থিৰ হৈ থাকিবৰ চেষ্টা কৰি উপভোগ কৰিছিল। এই অস্থিৰ, উষ্ণ অৱস্থাৰ মাজতো মই নলিনীৰ কথা শুনি যাবলৈ ইচ্ছা প্ৰকাশ

কৰিছিলোঁ। সি কৈ গৈছিল, "কমলিনীক চাবলৈ অহা মানুহৰ ইতিমধ্যে খাৰ বৈছিল তেওঁলোকৰ ঘৰলৈ। কইনা বিচাৰি অহা দূৰ-দূৰণিৰ মানুহৰ সমাগম তেওঁলোকৰ ঘৰত যেনেকৈ বাঢ়ি গৈছিল, মোৰ আহ-যাহ তেনেকৈ কমি গৈছিল। অৱশেষত আই. এ. পৰীক্ষাৰ পিছত মই যেতিয়া গুৱাহাটীলৈ আহিবলৈ ওলালোঁ, তেতিয়াও কমলিনীৰ মাকে মই গুৱাহাটীলৈ অহাৰ আগৰাতি তেওঁলোকৰ ঘৰত ভাত এসাজ খাবলৈ নিমন্ত্ৰণ জনালে। কমলিনীৰ আৰু তেওঁৰ মাকৰ মৰম-সনা ব্যৱহাৰৰ আঁহে আঁহে সেইদিনা মই যেন কিবা এক চিৰবিদায়ৰ ছাঁ দেখা পাইছিলোঁ। তেওঁলোক মাক-জীয়েক দুয়োৰে হাঁহি হাঁহি মোক মৰম কৰিছিল। কিন্তু সেই নিঃস্বাৰ্থ, অকৃত্ৰিম হাঁহিত মই যেন কি এটি শেঁতা ৰং দেখি অসহ্য এক আঘাত অনুভৱ কৰিছিলোঁ মোৰ বুকুত, মোৰ মনত, আৰু মোৰ সমগ্ৰ শৰীৰত।

"কমলিনীৰ দেউতাকৰ কথা কিন্তু সুকীয়া। সেই দিনা গধূলি তেওঁ ঘৰতেই নাই। ভাতখোৱা সময়ৰ আগে আগে এবাৰ কৰবাৰ পৰা আহি কৈ গ'ল, তেওঁ কৰবালৈ পুনৰ যায় গৈ। উভতি অহাত ৰাতি হ'ব। গতিকে আমি খাবলৈ তেওঁক বাট চাব নালাগে। নিতান্ত বাধ্যতাৰ খাটিৰতেই যেন মোৰ পিনে চাইও এবাৰ তেওঁ কৈ গ'ল, 'অ' তুমি আহিছা? বেচ ভাল হৈছে। মোৰ অহাত দেৰী হ'ব। তুমি ভাত খাবা।' মোৰ আই. এ. পৰীক্ষাৰ খবৰ ওলোৱাৰ পিছতে যেতিয়া গাৱঁৰ বহুতো মানুহে মোক শলাগিছিল আৰু পঢ়িবলৈ উৎসাহ দিছিল, তেতিয়া কমলিনীৰ দেউতাকে মোৰ পাঠশালাৰ শিক্ষক-শুভাকাঙ্ক্ষীজনৰ আগত হেনো মন্তব্য কৰিছিল, 'পঢ়াত ভাল হ'লে কি হ'ব? মনৰ বল ল'ৰাজনৰ একেবাৰেই নাই।'

"সি যি কি নহওঁক, কমলিনীহঁতৰ অকৃত্ৰিম মৰমৰ সেই অধ্যায়টোৰ সেই গধূলি তেনেকৈ সামৰণি মাৰি, পিছদিনা গুৱাহাটী পালোঁহি। গুৱাহাটী পোৱাৰ ছমাহ পিছত খবৰ পালোঁ, কমলিনীৰ কাৰবাৰ লগত বিয়াৰ ঠিক হৈছে। ল'ৰাজনৰ বয়স মোতকৈ বহুত বেচি। শিক্ষিতো মোতকৈ বেচি—ইক'ন'মিক্সত অনাৰ্চ লৈ বি. এ. পাচ কৰিছে। তেওঁ মোৰ দৰে 'অনাথ মেচ'ত থাকি দিনত অ'ত ত'ত চাকৰি বিচাৰি ফুৰি ৰাতিৰ কলেজত পঢ়া নিশাচৰ নহয়। তেওঁ কোনোবা এখন হাইস্কুলৰ কৃতী শিক্ষক। গাৱঁৰ এজন বন্ধুৱে চিঠি এখনেৰে মোক এই খবৰ জনাইছিল। চিঠিত তেওঁ ইয়াকো লিখিছিল যে দুদিনমান আগতে হেনো দৰা ঘৰীয়াই আহি তেওঁক আঙঠি পিন্ধাই গৈছে। ছোৱালীজনীয়ে হেনো আগৰ বহুতো

বিয়া ভাঙি দিয়াৰ দৰে এই বেলিও প্ৰথমতে আঙঠি পিন্ধিবই নুখুজিছিল। বেলা এটাই চেষ্টা কৰাৰ পিছতহে হেনো তেওঁক আঙঠিটো পিন্ধাব পৰা গৈছিল। কিন্তু ইয়াৰ বহুদিন পিছলৈ হেনো ছোৱালীজনীয়ে ফটা-চিটা কাপোৰ পিন্ধি মন মাৰি বিছনাত পৰি আছিল।"

এই কথাবোৰ মোৰ আগত কোৱাৰ লগে লগে নলিনীৰ চকুযোৰ বাষ্পৰুদ্ধ হৈ পৰিছিল। তাৰ মাতটিও অস্বাভাৱিক হৈ পৰিছিল। তথাপি সি কৈয়েই গৈছিল, "এই খবৰ পোৱাৰ লগে লগেই মই গাৱঁলৈ লৰি গৈছিলোঁ। কিন্তু গৈ দেখিলোঁ, মোৰ তেতিয়া আৰু বহুতো পলম হৈ গৈছে। কান্দোঁতে কান্দোঁতে কমলিনীৰ চকুৰ চকুলো শেষ হৈ গৈছে। কমলিনীয়ে তেতিয়া তেওঁৰ আগন্তুক নতুন জীৱনৰ প্ৰস্তুতিত মগ্ন। মোৰ ফালে উভতি চাবলৈ বা খন্তেক বৈ মোৰ স'তে এধানমানি ভাব-বিনিময় কৰিবলৈ তেওঁৰ তেতিয়া আৰু আহৰি নাই। মই গাৱঁত থকা দুদিনৰ ভিতৰত এদিন আলিবাটত দুজনীমান তিৰোতাৰ সৈতে তেওঁক কৰবালৈ ওলাই অহা দেখিলোঁ। দূৰত দেখিয়ে তেওঁৰ সৈতে এষাৰ কিবা কথা পাতিম বুলি সাজু হৈছিলোঁ। তেওঁলোক মোৰ ওচৰ পালত মই বাটৰ কাষতে থিয় হৈ ৰ'লোঁ। কিন্তু তেওঁ যেন মোক দেখাই নাই, নাইবা তেওঁ যেন মোক কোনো দিন নিচিনেই, তেনে ভাবত মোক এৰাই একে গতিত আগবাঢ়ি গ'ল। মই থত মত খাই তাতেই বৈ থাকিলোঁ। সেই যি থত মত খাই বৈ গ'লোঁ, সেই স্থবিৰ, অচল অৱস্থাটোৰ পৰা মই যেন আজিলৈকে আৰু কেতিয়াও নিষ্কৃতি পোৱা নাই—যদিও ইতিমধ্যে কমলিনী গৈ গৈ বহু দূৰ পালে।"

নলিনী এইখিনিতে বৈ গৈছিল। সি পুনৰ তাৰ সৰ্ব্ব শৰীৰ অলস-ভাৱে চকীখনত এৰি দিছিল।ময়ো মনে মনে আছিলোঁ। তেতিয়া ৰ'দৰ প্ৰখৰতা আৰু বেচি বৃদ্ধিহে পাইছে। আমি গৰমত সুস্থিৰ হৈ থাকিব পৰা নাই। আমাৰ কাগজৰ বিছনিবোৰ ব্যৰ্থ হৈ হাতৰ পৰা সৰি পৰিছে।

কিছু সময়ৰ নীৰৱতাৰ পিছত নলিনীয়ে পুনৰ ক'লে, "সন্তাৰ যেতিয়া দুই হাতৰ আঁজলি উপচি থাকে, তেতিয়া আমি তাক হেলাৰঙে আঙুলিৰ ফাঁকেৰে সৰকাই দি এক ক্ৰূড় আনন্দ লাভ কৰোঁ। আৰু আঁজলি যেতিয়া শূন্য হয়, পাই হেৰুৱাৰ শান্তনাহীন বেদনাৰে আমি তেতিয়া হাঁহাকাৰ কৰোঁ। আমি ইফালে চাওঁ, সিফালে চাওঁ। কিন্তু যি হেৰুৱালোঁ তাক আৰু কোনো দিন ওভোতাই পাব নোৱাৰোঁ।"

মই মনে মনে থাকিলোঁ। নলিনীও মনে মনে আছিল। সি খিৰিকীৰে তেতিয়া বাহিৰলৈ চাই আছিল। খন্তেক পিছতে সি লৰ-চৰ নকৰাকৈয়ে একে ধৰণেই বাহিৰলৈ চাই থাকি ক'লে, ''সৌ কৃষ্ণচূড়া জুপিলৈ চাচোন। গোটেই জোপা কেনেকৈ টিক টিক কৰে ৰঙা হৈ উঠিছে।''

মই চাই পঠিয়ালোঁ। ৰঙা ফুলেৰে উপচি পৰিছে গোটেই ডালি কৃষ্ণচূড়া ফুল।

নলিনীয়ে ক'লে, 'খিৰিকীখন জপাই দে, বেদান্ত। ৰঙা ফুলবোৰ মোৰ চকুৰ পৰা আঁতৰ কৰ। ৰঙা ৰঙে মোক তেজলৈ মনত পেলাই দিয়ে—মানুহৰ তেজলৈ। তেজলৈ মোৰ ইমান ভয় কিয়, ক চোন, বেদান্ত। তই ক, বেদান্ত, কিয় মোৰ ভাব হয়, কাৰবাক যেন কেতিয়াবা হত্যা কৰি মই মোৰ দুইহাত তেজেৰে ৰঙা কৰি পেলাইছোঁ। তেজ দেখিলে সেইবাবে মোৰ চকু মুদ খাই যায়। সৌ ৰঙা ফুলবোৰ মোৰ চকুৰ পৰা আঁতৰ কৰ। মোৰ নিজৰ হত্যাৰ দৃশ্য মোৰ সন্মুখৰ পৰা আঁতৰাই দে। খিৰিকীখন বন্ধ কৰ, বেদান্ত। কৃষ্ণচূড়াৰ ফুলবোৰ মোৰ চকুৰ আগৰ পৰা লুকাই ৰাখ।'' নলিনীয়ে প্ৰায় চিঞৰি উঠিছিল। মোৰ তেতিয়া ভাব হৈছিল, নলিনী যেন স্নায়বিক ৰোগৰ পৰা ভুগা এক অসুস্থমনা লোক। তাৰ অৱস্থা দেখি, সঁচা কথা কবলৈ গ'লে, সেই মুহূৰ্ত্তত মই ভয় পাই গৈছিলোঁ। খিৰিকীখন বন্ধ কৰি দি তাক সন্তুষ্ট কৰিমনেকি ভাবি চাইছিলোঁ।

কিন্তু মোৰ হাতখন কোনোমতেই খিৰিকীলৈ আগবাঢ়ি নগ'ল। খোলা খিৰিকীৰ খোলা হৈয়েই ৰ'ল। দুপৰীয়াৰ বিৰ বিৰ বতাহত কৃষ্ণচূড়াৰ ৰ'ঙা পাহিবোৰ নিৰন্তৰ নাচি ৰ'ল নলিনীৰ সন্মুখত।

## পিটনী পুখুৰী ত্ৰিতত্ত্ব—(২)

# পিটনি পুখুৰীত প্ৰগতি ক্ৰিয়া

দুয়োৰে 'এড্‌মিচন্ ফৰ্ম্ম' দুখন লৈ নলিনী দহ বজাতে বিশ্ববিদ্যালয়লৈ গৈছে। এতিয়া দুই বাজেহি। তথাপি সি আহি পোৱা নাই কিয় জানো? তালৈ বাট চাই উদগ্ৰীৱ হৈ আছিলোঁ যদিও, মাজতে এটামান ঘণ্টা কিন্তু বেচ কাটি গ'ল, মোৰ এই ভাড়াঘৰৰ মালিকজনৰ সৈতে। আমাৰ ঘৰটোৰ পিছফালৰ প্ৰকাণ্ড পুখুৰীটোত অত বছৰে ঠাঁহ খাই থকা ডাঠ দলনি-পিটনিবোৰ আজি কিছুদিনৰ পৰা আমাৰ ঘৰৰ মালিকজনে মানুহ লগাই তুলি পেলাই পুখুৰীটো পৰিষ্কাৰ কৰাত লাগিছে। আজি তেখেতৰ পুখুৰী পৰিষ্কাৰ কৰা কাম শেষ হ'ল। এই কামত লগোৱা মানুহবোৰক মজুৰী দি বিদায় দিয়াৰ পিছত মানুহজনে মোৰ ড্ৰয়িংৰুমত এঘণ্টামান বহি কথা পাতি গ'ল। মানুহজন ব্যৱসায়ত ঠিকাদাৰ। স্বাধীনতাৰ আগৰ ভাৰতৰ অৱস্থা, তাৰ পৰৱৰ্ত্তী ভাৰতৰ অৱস্থা, দেশৰ সাম্প্ৰতিক সমস্যাসমূহ, দ্বিতীয় মহাযুদ্ধৰ বিভীষিকাসমূহ—ইত্যাদিৰ ওপৰতেই অনেক বক্তৃতা দিলে তেখেতে সেই ঘণ্টাটো। নলিনীলৈ বাট চাই ভাগৰি পৰা অৱস্থাতো আন কি এনেবোৰ সাৰমৰ্ম্মহীন তথাকথিত 'চিৰিয়াচ' সমস্যাৰ ওপৰৰ বক্তৃতা শুনি মোৰ আমনি লাগিলহেঁতেন। কিন্তু মানুহ জনে এই বক্তৃতা আৰম্ভ কৰিছিল, তেওঁৰ এই পুখুৰীটোক কেন্দ্ৰ কৰি। আজি ইমানদিন পুখুৰীটোৰ প্ৰতি বহুতৰ পৰা বহুত কথা শুনি মনত কিবা এটি সংশয়, কিবা এটি শংকাৰ ভাব লৈ থকাৰ পিছত ঘৰৰ মালিকজনৰ পৰা যেতিয়া পুখুৰীটোৰ ইতিহাস জানিলোঁ, তেতিয়া তাৰ প্ৰতি স্বাভাৱিকতে মনত এটি সৌহাৰ্দ্দ্যৰ ভাব উপজিল।

অতি পুৰণকলীয়া গুৱাহাটীৰ এই পুখুৰীটো। কিমান পুৰণি কলীয়া ঘৰৰ মালিকজনেও নেজানে। দ্বিতীয় মহাযদ্ধৰ আগলৈকে ইয়াৰ পানী অতি স্বচ্ছ, অতি পৰিষ্কাৰ আছিল। গুৱাহাটীৰ এই অঞ্চলৰ বহুত মানুহে সেই সময়ত ইয়াৰ পানী খাই, আৰু ইয়াত গা ধুই, কাপোৰ ধুইও আনন্দ লাভ কৰিছিল। সেই সময়ৰ বুঢ়া-বুঢ়ীবোৰে আনকি এই পুখুৰীত কোনোবা জলকুঁৱৰী থাকে বুলি ইয়াৰ পাৰত সেই অদৃশ্য জলকুঁৱৰীক পূজা দিছিল, আৰু এই পুখুৰীক দেৱতাৰ পৱিত্ৰ আবাসভূমি বুলি শ্ৰদ্ধা

আৰু ভক্তিৰ চকুৰে চাইছিল। কিন্তু দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰা ইয়াৰ ৰূপ, ইয়াৰ পৰিচয় সম্পূৰ্ণ সলনি হ'ল। মহাযুদ্ধৰ ভিতৰৰ কালছোৱাতে এই পুখুৰী দল-পিটনিৰে এনে ডাঠকৈ ভৰি পৰিল যে, ইয়াৰ স্বচ্ছ পানী মানুহৰ চকুৰ আগৰ পৰা লুকাই পৰিল। দল-মেটেকাৰে উপচি পৰি ই এনে এক জয়াল ৰূপ ললে যে মানুহে ইয়ালৈ আৰু চকুকে নিদিয়াত পৰিল। ইতিমধ্যে স্বাধীনতাৰ পিছৰ পৰা গুৱাহাটীৰ প্ৰকৃত নগৰ অঞ্চল বাঢ়ি আহি আহি এই অঞ্চলটোকো সামৰি ললে। মিউনিচিপালিটিৰ পৰিস্কৃত পানী পাইপেৰে মানুহৰ ঘৰে ঘৰে অহা হ'ল। গতিকে এই পিটনি পুখুৰীলৈকো সকলোৰে পাহৰি গ'ল।

কিন্তু এতিয়া আকৌ আমাৰ জাতীয় চৰকাৰে এইবোৰ পুখুৰীলৈ বেচ চকু দিছে। আমাৰ মালিককো হেনো অলপতে এই পুখুৰীটো পৰিষ্কাৰ কৰি ইয়াত 'ফিচ-ফাৰ্ম্ম'—খুলিবলৈ কেইশ মান টকা দিছে। 'ফিচ-ফাৰ্ম্ম' খুলিবলৈকে এতিয়া তেওঁ, পুখুৰীৰ ওপৰৰ দল-মেটেকাবোৰ গুচাই তাক চাফ্ কৰি ললে।

বক্তৃতা শেষ কৰি মালিকজন গুচি গ'ল। মই পুনৰ নলিনী কেতিয়া উভতি আহে বুলি উদগ্ৰীৱ হ'লোঁ। এই উদগ্ৰীৱতাৰ মাজে মাজেই কিন্তু সেই পুৰণি পুখুৰীটোৰ কথাবোৰ মোৰ মনত বাজি থাকিবলৈ ধৰিলে। কিমান পুৰণিকলীয়া সেই পুখুৰীটো কোনেও নেজানে। এসময়ত তাৰ পানী অতি স্বচ্ছ, অতি পৰিষ্কাৰ আছিল। তেতিয়া মানুহে তাক ভাল পাইছিল, শ্ৰদ্ধা কৰিছিল। দ্বিতীয় মহাযুদ্ধই তাৰ ৰূপ, তাৰ পৰিচয় সলাই দিলে। আজিৰ চৰকাৰে পুনৰ তাক পৰিষ্কাৰ কৰিব। আমাৰ জাতীয় চৰকাৰে 'ইউটিলিটেৰিয়ান্' মনোভাবেৰে তাত 'ফিচ্-ফাৰ্ম্ম' খুলিব—মীনক্ষেত্ৰ খুলিব ; কিন্তু আগৰ সেই পুখুৰীৰ স্বচ্ছতা, পবিত্ৰতা আৰু তাৰ প্ৰাচীনতাই মানুহৰ মনত উদ্ৰেক কৰা সম্ভ্ৰাগমিশ্ৰিত ভক্তি—এইবোৰ এতিয়াও অব্যাহত ৰবনে ?

এইবোৰ ভাবি থাকোঁতেই বাহিৰত নলিনীৰ জোতাৰ শব্দ শুনিলোঁ। মই তাক আদৰিবলৈ প্ৰস্তুত হ'লোঁ। সি মোৰ মুখিয়াত খোজ দিয়েই চিঞৰি উঠিল, "হেৰ, বেদান্ত। আইৰ বাৰ্ত্তা লবলৈ গৈ গঙ্গাবো যাত্ৰা কৰি আহিলোঁ। এক অভাৱনীয় অভিজ্ঞতা। আজিৰ পৰা মোৰ নৱজন্ম হ'ল জানিবি।"

সি ঠিক কিহৰ কথা কব খুজিছে, মই ধৰিব পৰা নাছিলোঁ। মই ক'লোঁ, "তইচোন উশাহ লবলৈকো পাহৰি গৈছ ? উশাহ

লোৱাতকৈয়ো ডাঙৰ বুলি ভবা সেইটোনো কি কাম কৰি আছিলি, কচোন বাৰু।"

তাৰ অৱস্থাটোৰ প্ৰতি মই তাক সজাগ কৰি দিয়াত, সি যেন অলপ লাজ পালে। সি তাৰ কোঠালৈ গৈ তাৰ সাজ-পাৰ সলাই ভৰি-হাত ধুই আহিল গৈ। মই ইতিমধ্যে ন'ৰাটোক চাহ কৰিবলৈ পঠিয়াইছিলোঁ। নলিনী মোৰ কোঠালৈ সোমাই অহাৰ লগে লগে চাহো আহিল। দুয়ো বহি চাহ খালোঁ। চাহ খাই খাই সি আৰম্ভ কৰিলে, "অপূৰ্ব্ব অভিজ্ঞতা বুজিছ ? ইউনিভাৰ্চিটি বাচখনত উঠি লৈছোঁহে, এনেতে সমুখত দেখোঁ এজনী আটক ধুনীয়া ছোৱালী।

"ঠিক অপৰূপ ৰূপৰ ছোৱালী বুলি ক'লে কিজানি মানুহে মোক ভুল কৰা বুলি কব। কিন্তু তেওঁৰ সুন্দৰ মুখমণ্ডলত যি এক ধীৰ-স্থিৰ ভাবৰ জেউতি দেখা পালো, সিয়ে মোক স্তম্ভিত কৰি ৰাখিলে বহুতো সময়লৈ। সৌন্দৰ্য্য আৰু ধীৰতাৰ এনে এক মূৰ্ত্ত বিকাশ মইতো জীৱনত আৰু কেতিয়াও দেখা নাই। আন সকলো পাহৰি মই মাথোন এই কথাকেই ভাবিলোঁ। আৰু ভাবি ভাবি এইখনি মুখৰ পিনেই চাই থাকিলোঁ ৰ লাগি। জালুকবাৰীত যেতিয়া বাচৰ পৰা নামিবলৈ ছোৱালীজনী থিয় হ'ল, তেতিয়াহে মই যেন সংজ্ঞা ঘূৰাই পালোঁ। বাচৰ পৰা নমাৰ লগে লগে এই দুখেৰে মোৰ মন ভৰি গ'ল যে কোনোদিন আৰু লগ নাপাম কিজানি এই অনিন্দ্য সুন্দৰীক। কিন্তু এড্‌মিচনৰ কাউণ্টাৰৰ ওচৰত থকা ডেস্ক এখনত মোৰ ফৰ্ম্মখনত বাকী থকা চহীটো কৰিবলৈ লৈছোঁহে মাথোন, এনেতে কোনোবা ওচৰত আহি থিয় হোৱা গন্ধ পাই মূৰ তুলি চাই দেখোঁ, সেই অপূৰ্ব্ব সুন্দৰী মোৰ তেনেই ওচৰত সোঁশৰীৰে। মই মূৰ তুলি তেওঁলৈ চোৱাৰ লগে লগেই অতি মিহি, অতি কোমল এটি মাতেৰে তেনেই ভদ্ৰভাবে তেওঁ মোক ক'লে, 'অনুগ্ৰহ কৰি মোক এই ফৰ্ম্মখন ফিল্ আপ্ কৰাত অকণমান সহায় কৰি দিবনে ?' এই অপ্ৰত্যাশিত সুযোগত মোৰ অৱস্থা যে কেনে হৈছিল, তাকতো তই অনুমান কৰিব পাৰিছই। নিজৰ ফৰ্ম্মখন তৎক্ষণাৎ প'কেটত ভৰাই থৈ তেওঁৰ ফৰ্ম্মখন ডেস্কত লৈ ফিল আপ্ কৰাত লাগি গ'লোঁ। তেওঁৰ ফৰ্ম্মখন তেওঁৰ আৰু মোৰ—দুয়োৰে মাজতলৈ দুয়োৰে ফৰ্ম্মখনৰ ওপৰত হাউলি পৰি সেইখনৰ খালী ঠাইবোৰ পূৰ কৰি যাওঁতে কি যে এক অভূতপূৰ্ব্ব মাদকতা অনুভৱ কৰিছিলোঁ তাক তোৰ নিজৰ অভিজ্ঞতা নহ'লে কেতিয়াও উপলব্ধি কৰিব নোৱাৰিবি। আমি দুয়োৰেন এখনি সৰু সংসাৰহে আৰম্ভ কৰিলোঁ এক পাৰস্পৰিক বুজা-পৰাৰ মাজেদি।"

তাৰ কথাত মোৰ হাঁহি উঠিছিল। মই ক'লোঁ, "নিলাজটো ক্ষব্বাব। এনেকুৱা মাদকতা এয়েই জানো জীৱনত প্ৰথম পালি? এনেকুৱা সৰু সংসাৰ এয়েই জানো জীৱনত প্ৰথম আৰম্ভ কৰিলি?"

সি টপৰাই উত্তৰ দিলে, "বাদ দে পুৰণি কথাবোৰ। আজিৰ এই অভিজ্ঞতাৰ লগত আগৰবোৰৰ কোনো তুলনাই নহয়। আজিৰ এই কথা সম্পূৰ্ণ নতুন। অভূতপূৰ্ব্ব।"

মই ক'লোঁ, "তোৰ অভিজ্ঞতা যে সম্পূৰ্ণ নতুন বা অভতপূৰ্ব্ব বুলি কৈ তাক ইমান মূল্য দিবলৈ গৈছ, তোৰ আগৰ কাহিনীবোৰ কি হ'ল?"

নলিনী জঁপিয়াই উঠিল। সি ক'লে, "তয়ো এক মূৰ্খ। সুৰবালাৰ প্ৰেমত ব্যৰ্থ হোৱাৰ পিছতো ইলিৰ প্ৰেমত পুনৰ পৰি তাৰ যুক্তিযক্ততা দেখুৱাবলৈ গৈ সেই দিনা মাথোন তই চোন কৈছিলি, 'আমি মানুহবোৰ গতিশীল হ'ব লাগে, ডাইনেমিক্ হ'ব লাগে। স্থিতিশীল মানুহ এজন, ষ্টেটিক্ মানুহ এজনৰ সৈত মৃতলোক এজনৰ মই কোনো পাৰ্থক্য বিচাৰি নাপাওঁ।' আৰু ইয়াৰ পিছত তয়েই মোক হাঁহিবলৈ আছ? জীয়া মানুহ দেখি, জীয়া মানুহৰ গতিশীলতা দেখি তোৰ হাঁহি উঠেনেকি?"

তাৰ এই ওলোটা আক্ৰমণত খন্তেক সময়ৰ বাবে মই নিৰস্ত্ৰ হৈ পৰিলোঁ। অলপ পিছতেই মোৰ বুদ্ধি এটি খেলি গ'ল। মই ক'লোঁ, "কিন্তু তয়েই দেখোন মোৰ ডাইনেমিক্ পাৰচনেলিটিৰ—গতিশীল ব্যক্তিত্বৰ থিয়'ৰিত আপত্তি জনাই কৈছিলি তই আৰু কেতিয়াও কোনো ছোৱালীৰ প্ৰেমত নপৰ। তোৰ ভাষাৰেই, 'I am above love and hatred—মই প্ৰেম আৰু ঘৃণা দুয়োটাৰেই ওপৰত।' পিছে?"

এইবাৰ সি মৌন হৈ ৰ'ল। তাৰ পিছত সি খোলাখুলিকৈয়েই পৰাজয় স্বীকাৰ কৰিলে। সি ক'লে, "মই তোৰ থিয়'ৰি আজিৰ পৰা মানি ললোঁ, বেদান্ত। আজিৰ পৰা ময়ো এজন গতিশীল ব্যক্তি—a dynamic personality."

দুয়ো হাঁহিলোঁ। তাৰ পিছত সি পুনৰ আৰম্ভ কৰিলে, "কিন্তু ৰবি। আচল কথাটো তইতো এতিয়াও শুনাই নাই। তেওঁৰ কৰ্ম্মখন ফিল্ আপ কৰি দেখিলোঁ, নাম তেওঁৰ দেৱিকা। আচৰিত কথা এই যে তেওঁ এম্. এ. পঢ়িব পলিটিকেল চাইন্সতেই।"

"পলিটিকেল্ চাইন্সতেই?" আচৰিত হৈ মই সুধিছিলোঁ। "ঈশ্বৰে দেখোন তেন্তে দেৱিকাক বক্ৰাক তোৰ বাবেই সংসাৰলৈ পঠিয়াই দিছিল অ'?"

মোৰ কথাত সি যেন আপ্যায়িত হ'ল। সি পুনৰ আৰম্ভ কৰিলে, "তেওঁক ইমান অপ্রত্যাশিত ভাবে ইমান ওচৰতে পালোঁ যেতিয়া কেনেকৈনো মোৰ প্রতি তেওঁৰ দৃষ্টি আকর্ষণ কৰিব পাৰোঁ, তাৰ কথা চিন্তা কৰি কৰিয়েই অৱশেষত দেখিলোঁ, ৰূপ বা স্বাস্থ্যৰে কাকো কেতিয়াও আকর্ষণ কৰাৰ দুৰাশা মই কৰিব নোৱাৰোঁ যিহেতু, মোৰ 'কেৰিয়াৰ'ৰ 'ব্রিলিয়েঞ্চ'টোৰেই তেওঁৰ চকুত চমক লগাবলৈ স্থিৰ কৰিলোঁ। কিন্তু কেনেকৈ? তেওঁ নিজেতো মোৰ বিষয়ে একো নোসোধেহে নোসোধে। অৱশেষত, মহাত্মা গান্ধী নাইবা টল্‌ষ্টয়ৰ দৰে ময়ো পৰমুখাপেক্ষী নহৈ স্বাৱলম্বী হোৱাটোকে থিৰ কৰিলোঁ। তথাপি নিজৰ কামখিনি নিজে কৰিবলৈ লাজ লাগে দেখোন। হেজাৰ হ'লেও এইখন 'ইষ্ট'হে, 'ওৱেষ্ট'তো নহয়। গতিকে এটা চল উলিয়ালোঁ—হঠাৎ মই এনে ভাব এটা দেখুৱালোঁ যেন মোৰ চার্টিফিকেট্‌বোৰ নিবলৈ মই পাহৰিছোঁহে। তাৰ পিছত বৰ অস্থিৰভাবে চার্টিফিকেটবোৰ পকেটৰ পৰা উলিয়াই এখনৰ পিছত এখনকৈ চাই যাবলৈ ধৰিলোঁ। মেট্রিক আৰু বি. এ ৰ চার্টিফিকেট দুখন তেওঁৰ আগত বৰ বেচি সময় নাৰাখিলোঁ। মেট্রিকত ফার্ষ্ট ডিভিজন্ আৰু বি. এ.ত ডিষ্টিংশ্যন্ পোৱাটো গৌৰৱৰ কথা হ'লেও ভাবে এজনী ছোৱালীক চমক লগাবলৈতো নোৱাৰি বুলি জানোঁ। আই. এ ৰ চার্টিফিকেটখন উলিয়াইহে, সেই কাৰণে, ডেস্কখনত তাক থৈ এটি এটিকৈ শব্দবোৰ পঢ়ি যাবলৈ ধৰিলোঁ, যেন দেৱিকায়ো তালৈ নাচাই থাকিব নোৱাৰে। মোৰ উদ্দেশ্য সিদ্ধি হ'ল বুলিব পাৰ। মোৰ চার্টিফিকেটত তেওঁৰ চকু পৰিল। তেওঁ উচপ খাই উঠাৰ দৰে উঠি কোমল সুৰত চিঞৰি উঠিল, 'ঐ ৰাম। আপুনি আই. এ.ত ফৈষ্ট কৰিছিল? ইমান চোকা আপুনি।' তেওঁৰ কথাত মোৰ এই অকণমান বুকুখনিও যেন তিনি চাৰি হাতমান বেচিকৈ ওফন্দি উঠিছিল। তথাপি সেইটো যেন একো কথাই নহয়, তেনে ভাবত মই ক'লোঁ, 'এ হৈছে, হৈছে, লাজ নিদিব আৰু।' এই বুলি কৈ চার্টিফিকেটখন তেওঁ দেখা কাৰণে মই যেন বৰ লজ্জিত হ'লোঁ, তেনে ভাবত ততাতৈয়াকৈ সেইখন জপাই লৈ পকেটত সুমুৱাই থলোঁ।

কথাখাৰ শেষ কৰিয়েই নলিনীয়ে হাঃ হাঃ কৈ হাঁহি উঠিছিল। তাৰ কথা শুনি মোৰো হাঁহি উঠিছিল। সি মোক সুধিলে, "বেয়া কৰিলোঁনেকি? চার্টিফিকেটখন মই যে তেওঁক ইচ্ছা কৰিয়েই দেখুৱাইছিলোঁ, সেইটো তেওঁ বুজিব পাৰিলেনেকি?"

মই ক'লোঁ, "এশটা শিয়ালৰ মৃত্যুত এজন নলিনীৰ জন্ম হৈছে ; গতিকে তেনেহেন নলিনীৰ ছল ধৰা পেলাবলৈ কোন সেই দেৱিকা ?" মোৰ কথাত সি এটি আত্মতুষ্টিৰ হাঁহি মাৰিলে। তাৰ হাঁহিত মযো হাঁহিলোঁ। বাহিৰৰ নিৰ্ম্মল আকাশখনেও ৰুপালী ৰ'দ জাবত হাঁহি আছিল তেতিয়া।

চাওঁতে চাওঁতে বিশ্ববিদ্যালয়ৰ ক্লাচ আৰম্ভ হ'লেই। আমি দুয়োৰে ক্লাচলৈ যাবলৈ আৰম্ভ কৰিলোঁ। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সতেজ, প্ৰাণোচ্ছল পৰিবেশৰ মাজত আমাৰ নিজৰ জীৱনৰ জড়তাবোৰো যেন আঁতৰি গ'ল। বিশ্ববিদ্যালয়ৰ ছাত্ৰজীৱনটো আমি উপভোগ কৰিলোঁ তৃপ্তিৰে। দুযো দুয়োৰে ক্লাচৰ সময়খিনি মাথোন আঁতৰা-আঁতৰিকৈ থাকোঁ। বাকী সময়বোৰ বিশ্ববিদ্যালয়ৰ চৌদিশৰ ভিতৰতো আমি একেলগেই। গ্ৰন্থাগাৰৰ অধ্যয়ন-কোঠাত আমি দুয়োৰেই পঢ়া অভ্যাস নাই। ডাঙৰ মোনা এখনত দুয়োৰে লাগতিয়াল কিতাপবোৰ গ্ৰন্থাগাৰৰ পৰা লওঁ আৰু ঘৰত পঢ়ি পুনৰ উমৈহতীয়া মোনাখনত পঢ়ি শেষ কৰা কিতাপ বোৰ ভৰাই লৈ গৈ ওভোতাই দিওঁ। ইয়াত বাহিৰে বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰ লগত আমাৰ সম্পৰ্ক নাই বুলিলেই হয়। বিশ্ববিদ্যালয়ৰ আমাৰ আজৰি সময়বোৰ গৰমকালি আলিবাটৰ দুয়োকাষৰ গছবোৰৰ তলে তলে থিয় হৈ কথা পাতোঁ ; আৰু জাৰকালি ৰ'দত থিয় হৈ ৰ'দ পুৱাওঁ। দুযো একেলগ হোৱা সময়ত এটা মুহূৰ্ত্তও আমাৰ কথা নপতাকৈ নাযায়। বেচি ভাগ সময় নলিনীয়ে দেৱিকাৰ কথাকেই কয়।

"দেৱিকাৰ দেউতাক বৰ ডাঙৰ চৰকাৰী চাকৰিয়াল অ'।" সি মোক কয়।

"ওঁ, ভাল কথা," মই অন্যমনস্কভাবে উত্তৰ দিওঁ।

"কিহৰ ভাল কথা অ ; শুনিছনে নাই কি কৈছোঁ ?" সি মোক চোকা প্ৰশ্ন কৰে।

তাৰ কথাত মই যে মনোযোগ দি আছোঁ, তেনে ভাব দেখুৱাই এইবাৰ কওঁ, "শুনিছোঁ। দেৱিকাৰ দেউতাক ডাঙৰ চৰকাৰী বিষয়া। এইটো জানো ভাল কথা নহয় ?" মই ওলোটাই প্ৰশ্ন কৰোঁ।

নলিনীয়ে কয়, "তোৰ মূৰত গোবৰহে আছে যেন পাইছোঁ। মোৰ দেউতা আছিল ডেকা বয়সত গৰুৰ গাড়ী এখন চলাই ভাড়া আৰ্জ্জি তাৰে কোনো মতে পৰিয়াল চলোৱা এজন দৰিদ্ৰ গাড়োৱান। কিছুকাল গাড়োৱানৰ ব্যৱসায়ত থকাৰ পিছত আৰু নোৱাৰিলে। তাৰ পিছত

দেউতা হেনো হ'ল ইয়াৰ, তাৰ বিয়াই-সবাহে মিঠাই তৈয়াৰ কৰি দি দুপইচা অৰ্জ্জা কৰিকৰ। তাতো দেউতাই দীৰ্ঘকাল লাগি থাকিব নোৱাৰি তেওঁ হেনো হ'ল সেই অঞ্চলৰ নৰিয়াত পৰা লোকসকলৰ উদ্ধাৰৰ বাবে আসুৰিক ওজা। দেউতাৰ বেজালিৰ জোলোঙাখন আৰু ভূত খেদিবলৈ ব্যৱহাৰ কৰা গাহৰিৰ দাঁতটো এতিয়াও আমাৰ ঘৰত আয়ে অতি সন্তৰ্পণে ৰাখি থোৱা দেখিবি। দেউতাৰ বেজালিও যেতিয়া ভালদৰে নচলা হৈছিল, তেতিয়া সেই বৃত্তিত লাগি থকাৰ ধৈৰ্য্য হেৰুৱাই তেওঁ যাত্ৰা-পাৰ্টিত ধেমেলীয়া ভাও লৈছিল, বা মই যিবোৰ মোৰ গাৱঁৰ মানুহৰ পৰা এইবোৰ কথা শুনিছোঁ, তেওঁলোকৰ ভাষাত 'ক্ৰমিক্ পিয়াৰ্'ও হৈছিল। 'ক্ৰমিক্ পিয়াৰ্' অৰ্থাৎ 'কমিক্ প্লেয়াৰ্' হিচাবে দেউতা হেনো বৰ বিখ্যাত হৈ উঠিল। মোৰ এপাৰি দাঁতটো দেখিছই। এটা দাঁতৰ পৰা সিটো দাঁতলৈ একো একেটা চুৰেজ খাল। অনবৰত ওঠৰ ঢাকনি নামানি বাহিৰলৈ ওলাই থকা তেনে এপাৰি দাঁতেৰে, আগমূৰত এডালিও চুলি নোহোৱা, চুটি খুহুটীয়া অভিনেতা দেউতা জানো 'বিখ্যাত ক্ৰমিক্ পিয়াৰ্' নহৈ পাৰে? তেওঁ হেনো 'আচাৰ'ত উঠিলেই মানুহে হাঁহিছিল। তেনেকুৱা এজন বিখ্যাত মানুহৰ সুযোগ্য সন্তান এটিৰ প্ৰেমিকা অতি সম্ভ্ৰান্ত ঘৰৰ ছোৱালী হ'লে, সি কেনে নিৰশাজনক, তাকো যদি তই নুবুজ তেন্তে তোৰ মূৰত গোবৰ নাথাকি আৰু ঘিউ থকা বুলি ভাবিব জানো পাৰি?"

তাৰ কথাৰ অৰ্থ এইবাৰহে মই বুজিলোঁ। তাক শান্বনা দিবলৈ মই কওঁ, "কিন্তু সেইটোনো কি বৰ ডাঙৰ কথা? ভাল মানুহৰ ছোৱালী ভালেই হয়। তেওঁলোকে মানুহৰ উচ্চ-নীচ নাই বুলি জানে। গুণীৰ গুণ বুজি পায়।"

মোৰ কথা শুনি নলিনী উৎসাহিত হৈছিল। সি ক'লে, "তই বৰ মূল্যবান কথা কলি অ', বেদান্ত। একেবাৰে খাঁটি বেদ-বেদান্তৰ কথা কৈ দিলি। কিন্তু তই তোষামোদ কৰা নাইতো?"

মই ক'লোঁ, "জীৱনত কেতিয়াবা মই কাৰবাক তোষামোদ কৰা দেখিছনে?

সি কয়, "তোক চাহ খুৱাবৰ মন গৈছে অ'। পিছে হাতত পইচা কম আছে। তই 'ডেফিচিট্ গ্ৰাণ্ট্' এটা যদি দি দিয়, সাধাৰণ টি-পাৰ্টি এটা চলি যায় কেণ্টিনত। লেজাৰৰ ঘণ্টাটো বোধহয় শেষ হ'ল। কিন্তু বাদ দে ক্লাচ। এম. এ. ক্লাচতো আৰু শিক্ষকৰ পৰা শিকিবলগীয়া

থাকেনে কিবা ? মাথোন ক, 'ডেফিচিট্ গ্ৰাণ্ট্'টো দিবি ? প্ৰায় পঞ্চাছ পইচা দি দিলেই হৈ যাব।"

মই সম্মতি দিওঁ। আৰু লগে লগে দুয়ো গছৰ তলৰ পৰা বিশ্ববিদ্যালয়ৰ কেণ্টিনলৈ আগবাঢ়োঁ। তেনেকৈয়েই আমাৰ দিনবোৰ বাগৰি যায়।

এবাৰ নলিনীহঁতৰ পলিটিকেল্ চাইন্স ডিপাৰ্ট্মেণ্টে এটি পিক্নিকৰ আয়োজন কৰিছিল। সি প্ৰথমতে নাযাওঁ বুলিছিল। টকাৰ অভাৱত। মই তাক ধন্যবাদ দিছিলোঁ। "সুস্থ মগজুৰ কোনো মানুহ কেতিয়াও পিকনিকলৈ নাযায় বুলি মোৰ ধাৰণা। ক্লাচৰ পিক্নিক্ এটাত যোগ নিদি তই তোৰ মগজুৰ সুস্থতাৰ পৰিচয় দিলি।" সি মোক শলাগিছিল। যাৰ মদৰ প্ৰতি আসক্তি, যাৰ ছোৱালীৰ প্ৰতি আসক্তি, যাৰ বলিয়ালিৰ প্ৰতি আসক্তি, কোনো অপৰাধৰ ভাব নোহোৱাকৈ, মুক্তভাবে বন্য, মুক্ত পৰিবেশত সেই আসক্তি পৰিতৃপ্ত কৰিবৰ বাবে পিক্নিকেই একমাত্ৰ সুযোগ। সি মোৰ মত সমৰ্থন কৰি এনেদৰে তাৰ ব্যাখ্যা কৰিছিল। আৰু সি আমাৰ উভয়ৰ মত দৃঢ় কৰিবলৈ উদাহৰণ দিছিল, কেনেকৈ এবাৰ বিশ্ববিদ্যালয়ৰ এটি ডিপাৰ্ট্মেণ্টৰ এটি পিকনিকত অবিবাহিতা ছাত্ৰীৰ কথাই নাই বিবাহিতা ছাত্ৰী এগৰাকীয়েও তেওঁৰ বিবাহৰ দিনৰ সকলো সম্পৰ্ক পাহৰি সহপাঠী ছাত্ৰ এজৰ বাহুবন্ধনত নিজকে এৰি দি পৰম তৃপ্তিৰে সতীত্বৰ দুৰ্বহ বোজাৰ কথা খন্তেক সময়ৰ বাবে হ'লেও পাহৰি থাকিলে। কেনেকৈ অন্য এক ছাত্ৰই মদ খাই মাতাল হৈ তাৰ বৃদ্ধ শিক্ষাগুৰু এজনৰ সৈতে 'বল্ ডান্স্' এটি দিবলৈ বুলি বৃদ্ধ অধ্যাপকক অতিষ্ঠ কৰি তুলিলে। কথাবোৰ আলোচনা কৰোঁতে কৰোঁতে আমি দুয়োৰে নাক কোচ খাই যায়। মই তাক সুধোঁ, "তই পিক্নিকলৈ কেতিয়াবা গৈছনে ?"

সি উত্তৰ দিয়ে, "এবাৰ গৈছিলোঁ, ভাই। সেইবাৰ গৈয়েই বুজিছোঁ, বিশ্ববিদ্যালয়ত পিক্নিকৰ মনোহৰ অভিজ্ঞতাবোৰৰ সম্পৰ্কে এই বি কাহিনীবোৰ শুনা যায়, তাত অকণো অসত্যতা থাকিব নোৱাৰে।"

মই ক'লোঁ, "এইবোৰ শুনিয়েই, এইবোৰ কাহিনীত অসত্যতা থাকিব নোৱাৰে বুলি জানিয়েই, মই জীৱনত কেতিয়াও পিক্নিকলৈ যোৱাই নাই।"

ইয়াৰ দুদিন পিছত দেখিলোঁ, নলিনীয়ে মোৰ পৰা টকা বিছটা খুজি নি সিহঁতৰ ডিপাৰ্টমেণ্টৰ পিক্নিক্টোৰ বাবে দি দিলে। সি মোক ক'লে,

"ক্ষমা কৰিবি, ভাই। পিক্‌নিকলৈ যোৱাৰ যিমানেই অসুবিধা আৰু অপকাৰিতা নাথাকক, এই পিক্‌নিক্‌টো মই এৰিব নোৱাৰিলোঁ। কাৰণটো বুজিছই, কিজানি। মিচ্‌ দেৱিকাও যাবলৈ ওলাইছে। মই নগ'লে, মোৰ অনুপস্থিতিত তেওঁক যদি আনৰ প্ৰেমত পৰি আহে?"

মই তাৰ কথা শুনি অলপো আচৰিত নহ'লোঁ। মই ঠিক হাঁহিবও নোৱাৰিলোঁ। মই তাক ক'লোঁ, "তই পিক্‌নিকলৈ যাবলৈ ওলোৱা দেখি মই আচৰিত হোৱা নাই এই কাৰণেই যে কাৰবাৰ বা কিহবাৰ প্ৰতি কিবা বিশেষ আসক্তি বা 'স্পেচিয়েল্ ইণ্টাৰেষ্ট্' থাকিলেই তো মানুহ পিক্‌নিকলৈ যায়। তোৰ দেৱিকাৰ প্ৰতি 'স্পেচিয়েল্ ইণ্টাৰেষ্ট্' আছে; তই পিক্‌নিকলৈ নগ'লে কোন যাব? তোক মাথোন এতিয়া চুলি চিঙি আশীৰ্ব্বাদ কৰিছোঁ, 'তোৰ যাত্ৰা সফল হওক'।"

পিক্‌নিকৰ পৰা উভতি অহাৰ পিছত নলিনীৰ কবলগীয়া কাহিনীৰ অন্ত নাই। সি বোলে বহুখিনি আগবাঢ়ি গ'ল এই পিক্‌নিকৰ সুযোগ লৈয়েই। মই সুধিলোঁ, "কিটোনো আগবাঢ়ি গ'লি?"

সি টপৰাই উত্তৰ দিলে, "কেলেই? আমি দুয়োৰে কথাটো ক্লাচৰ প্ৰায় সকলোবোৰ ল'ৰা-ছোৱালীয়ে, বিশেষকৈ ক্লাচৰ প্ৰায় সকলোবোৰ ছোৱালীয়েই জানেই নহয়। সেই যে মেৰিণা বেগম আৰু প্ৰণতি গুপ্তই এদিন তোৰ আৰু মোৰ আগত মোক লৈ দেৱিকাক সদায় তেওঁলোকে জোকায় বুলি কৈছিল, তোৰ জানো মনত নাই? শুনি আনন্দত মতলীয়া হৈ তেওঁলোক দুযোকে যে চাহ খুৱাই দিলোঁ কেণ্টিনত, তোৰ মনত নাই? পিক্‌নিকৰ ঠাইলৈ বুলি মটৰ ষ্টাৰ্ট্ দিয়াৰ সময়ৰে পৰা বেগম আৰু গুপ্ত—দুয়োৰে বৰকৈ জোকালে দেৱিকাক। বেগম আৰু গুপ্তৰ লগ লাগি আনবোৰ ছোৱালীয়েও আকৌ বিয়া গীতকেই গাই পেলালে দেৱিকা আৰু মোক কেন্দ্ৰ কৰি। সেই বিয়াগীতত বহুত ল'ৰায়ো যেতিয়া যোগ দিছিল, তেতিয়া আৰু মোক পায় কোনে? দেখাত মই যেন লাজত মৰি গৈছোঁ। কিন্তু ভিতৰে ভিতৰে?"

মই সুধিলোঁ, "দেৱিকাৰ অৱস্থা কেনে হৈছিল?"

"তেৱোঁ লাজত ৰঙা-চিঙা পৰিছিল। দেখিবলৈ কিন্তু বেচ অপৰূপ হৈছিল দেই সেই চেহেৰাটো। তোৰ আগত আজি সঁচা কথা কবলৈ হ'লে, মোৰ যেন সেইখন বিয়াহে আছিল, তেনে ভাব হৈছিল। পিক্‌নিকৰ ঠাইতো বেগম আৰু গুপ্তই এডোখৰ নিৰ্জ্জন ঠাইলৈ দেৱিকা আৰু মোক লৈ গ'ল কৌশল কৰি। তামচাতে যিমানবোৰ কথাহে কলে মেৰিণা

বেগম আৰু প্ৰণতি গুপ্তই মোক আৰু দেৱিকাক কেন্দ্ৰ কৰি, তোক তাৰ কথা কি কম ?" নলিনীৰ কাহিনী সেইদিনা শেষ হৈ নাহে। শুনি শুনি মই ভাগৰি পৰোঁ।

এদিন ক্লাচ নাই। দুপৰীয়া বিছনাত পৰি আছোঁ। দুপৰীয়া গভীৰ টোপনি আহে বুলি মোৰ সদায় ভয়। দুপৰীয়া টোপনি আহিলে ৰাতি আৰু সোনকালে টোপনি নাহে। বিছনাত পৰি চটফটাই থাকিব লাগে বহুতো পৰলৈ। তথাপি সময় কটাবলৈকেই দুপৰীয়া ভাত খাই উঠি বিছনাত গাটো এৰি দিওঁ। সেইদিনাও দিছিলোঁ। কেতিয়া মোৰ টোপনি আহিছিল কব নোৱাৰোঁ। সাৰ পাবৰ হোৱাৰ আগে আগে অৰ্দ্ধ-জাগ্ৰত, অৰ্দ্ধ-নিদ্ৰিত যি এক অৱস্থাত উপনীত হোৱা যায়, সেই অৱস্থাত মই অনুভৱ কৰিলোঁ, মোৰ মনোৰাজ্যত কিবা এক অদ্ভুত শূন্যতা। এই অসহ্য শূন্যতাই মোক যেন শ্বাসৰুদ্ধ কৰি দিব। মোৰ অনুভূৱ হ'ল, এই পৃথিবীত মোত বাহিৰে আৰু যেন কোনো প্ৰাণী নাই, পদাৰ্থ নাই, আনকি বতাহ এচাটিও নাই। এক দাৰুণ ৰিঙা ৰিঙা ভাবে মোক অস্থিৰ কৰি তুলিলে। এদিন আজিৰ এই শূন্য পৃথিবী, প্ৰাণীৰে, মানুহেৰে, মানুহৰ সঙ্গৰে যেন উপচি আছিল। সেই সকলোবোৰ আজি যেন কেনিবা হেৰাই গ'ল এই মহাশূন্যত মোক অকলে এৰি থৈ। মোৰ অসহ্য অনুভতিৰ এই মুহূৰ্ত্তত মই অন্তৰত কিবা এক দুঃসহ বেদনা অনুভূৱ কৰিলোঁ। অৰ্দ্ধ-নিদ্ৰিত সেই অৱস্থাতে মোৰ অৱচেতন মনোৰাজ্যত ভাঁহি উঠিল এখনি মুখ। নিৰ্দ্দোষ, সুকোমল, সুন্দৰ এখনি মুখ। সেই মুখ সুৰবালাৰ—বাস্তৱত যাৰ স'তে মোৰ আজি কোনো সম্পৰ্কই নাই, যাক লগপোৱাৰ কোনো আশাও আনকি জ্ঞাতসাৰে মই কেতিয়াও কৰিব পৰা নাই। এনে এক মোৰ বাবে বেদনাদায়ক, নিষ্ঠুৰ দৃশ্য মই কেতিয়াও কামনা নকৰোঁ। মই চচ্ফট্কৈ উঠি বহিবৰ চেষ্টা কৰিলোঁ। উঠি, বহি দেখোঁ, মোৰ সমগ্ৰ শৰীৰ যেন তেতিয়াই অৱশ। বহি লৈছোঁ বুলিও বাস্তৱৰাজ্যলৈ মই যেন তেতিয়াও উভতি আহিব পৰা নাই।

হাইস্কুলত পঢ়ি থাকোঁতে এনে অৱস্থাৰ মই প্ৰায়ে সন্মুখীন হৈছিলোঁ। এদিনৰ কথা বিশেষকৈ মনত আছে। এনেদৰে দুপৰীয়া যেতিয়া মই নিদ্ৰামগ্ন, তেতিয়াই মই এটি সপোন দেখিলোঁ। সুৰবালাক হেৰুৱাৰ এক নিষ্ঠুৰ সপোন। গন্তব্যস্থলীলৈ যাত্ৰা আৰম্ভ কৰা এখন ৰেলগাড়ীত উঠি সুৰবালা যেন ৱিয়াৰ কইনা সাজি কৰবালৈ আঁতৰি গুচি গ'ল, তেওঁৰ বাবে বৈ থকা কাৰোবাৰ ওচৰলৈ। ষ্টেছনৰ প্লেটফৰ্ম্মত মই

নিতান্ত নিঃসঙ্গ হৈ থিয় হৈ ৰ'লোঁ, মোৰ দৃষ্টিৰ পৰা ক্ৰমে ক্ৰমে আঁতৰি আঁতৰি অৱশেষত সম্পূৰ্ণৰূপে অদৃশ্য হৈ পৰা সেই ৰেলগাড়ীখনৰ পিনে চাই চাই। ইয়াৰ পিছত মই মোৰ অন্তৰত এক অদ্ভুত শূন্যতা অনুভৱ কৰিলোঁ। সেই অনুভূতিত সেইদিনাও মই ধৰফৰকৈ সাৰ পাই উঠিছিলোঁ। সাৰ পাই উঠাৰ আগৰ সেই অৰ্দ্ধজাগ্ৰত অৱস্থাত ঠিক আজিৰ দৰেই মোৰ অনুভৱ হৈছিল, মই যেন এসময়ত অগণন মানুহৰ, সঙ্গীৰ উপস্থিতিৰে ভৰি থকা পৃথিৱীখনত অকলে অকলে থিয় হৈ আছোঁ। মোৰ চৌপাশে এসময়ৰ পৰিপূৰ্ণ পৃথিৱীখনৰ যতমানে প্ৰাণীৰ জঁকাবোৰ, লাওখোলাবোৰ, হাড়-মূৰ বোৰ।

কিন্তু সেই সপোন দেখা সময়ত মই সুৰবালাৰ প্ৰেমত গভীৰভাৱে আপ্লুত। তেতিয়া সপোনত সুৰবালাক দেখা কোনো আচৰিত কথা নহয়। কিন্তু আজি? সুৰবালাৰ স্মৃতিয়ে কিয় আজিও মোক আমনি দি যায়? আঘাত হানি যায়? মই জানো সুৰবালাক এতিয়াও ভাল পাই আছোঁ? কতা? তেওঁ এতিয়া ক'ত থাকে, কেনেদৰে জীৱন নিৰ্বাহ কৰে, কোনো কথাকেই দেখোন নেজানোঁ? তথাপি মোৰ সপোনতো সুৰবালা কিয় আজিও?

আৰু সুৰবালাক, তাহানিৰ সুৰবালাকে যদি মই এতিয়াও ভাল পাওঁ, তেন্তে ইলি? ইলিৰ জানো মই প্ৰেমত পৰা নাই? এয়া জানো ইলিৰ স'তে মোৰ প্ৰেমৰ সম্পৰ্ক নহয়? কিন্তু ইলিয়ে বাৰু এতিয়াও মোক মনত ৰাখিছেনে? তেওঁ এতিয়াও 'ডিবেট্' কৰেনে? 'পইণ্টচ্'বোৰ কোনে লিখি দিয়ে বাৰু? অন্য কোনোবাই লিখি দিয়া 'পইণ্ট্চ্'বোৰ মুখস্থ কৰি ইলিয়ে এতিয়াও 'ডিবেট'ত 'প্ৰাইজ্' পায়? তেওঁ 'প্ৰাইজ্' পোৱাৰ পিছত যিজনে তেওঁক 'পইণ্ট্চ্'বোৰ লিখি দিয়ে, সেইজনে মোৰ দৰে এক বিষণ্ণ আনন্দ লাভ কৰে? আৰু ইলিৰ তেতিয়া সেইজন মানুহলৈ কেনে ভাব হয় জানো? কথাবোৰ ভাবি ভাবি মনত মই কি যে এক বেদনা অনুভৱ কৰিলোঁ। লগে লগে ইলিৰ প্ৰতি এক আকৰ্ষণো অনুভৱ কৰিলোঁ। মুহূৰ্ত্ততে ইলিক লগ ধৰিবলৈ মোৰ মন গ'ল।

ইলিতো সঁচাই ভাল ছোৱালী। পঢ়াত, দেখাত, গুণত—সকলোতেই তেওঁ বেচ ভাল ছোৱালী। কথাষাৰ ভাবি কিয় জানো দুখ পাওঁ। ইলি বৰ ভাল ছোৱালী, সেই বাবে কিয় মোৰ দুখ লাগে? ধেৎ, কি যে পাগল মোৰ মনটো। নাই, অকলে অকলে থাকিলে মই পাগল হৈ যাম। মই আৰু অকলে থাকিব নোৱাৰোঁ। নলিনীৰ কোঠালৈ মই সোমাই যাওঁ।

সি পঢ়ি আছিল। মই সবিনয়ে ক'লোঁ, "অলপ আমনি দিওঁ দেই। তোৰ অলপ পঢ়া খটি কৰোঁ। বেয়া নেপাবি। মোৰ অকলে থাকি ভাল লগা নাই।"

সি ক'লে, "কিহৰ আমনি অ'? কিহৰ মোৰ পঢ়া খটি? তই আমনি পাবি বুলিহে, তোৰ পঢ়া খটি হয় বুলিহে মই তোৰ কমলৈ যোৱা নাই। বল না। পিছফালৰ পুখুৰীটোৰ পাৰলৈ গৈ তাতে বহোঁ। তাৰ পানীবোৰ এতিয়া বেচ স্বচ্ছ হৈ উঠিছে। পাৰত বহি ভাল লাগে।"

মই তাৰ লগত পুখুৰীৰ পাৰলৈ ওলাই গ'লোঁ। পুখুৰীটো সঁচাই এতিয়া মনোৰম হৈ উঠিছে। যোৱা জাৰকালি আমাৰ ঘৰৰ আৰু এই পুখুৰীৰ মালিকজনে চাৰিও পাৰ সুন্দৰকৈ বন্ধাই দিছে। পুখুৰীত কোনো পিটনি, কোনো মেটেকাৰ চিন চাব নাই। আদি গ্ৰীষ্মৰ দুপৰীয়াৰ পাতল বতাহজাকত পুখুৰীৰ স্বচ্ছপানীবোৰত এটি পাতল ঢৌ উঠি আছে। আমি পুখুৰীৰ এটি পাৰত থকা এজাৰ গছ এডালিৰ ছাঁত বহি ললোঁ।

গছডালৰ ছাঁত বহি লোৱাৰ লগে লগে চকু পৰিল, গছজোপাৰ ছাঁৰ যিটো অংশ পুখুৰীৰ পানীত পৰিছেগৈ সেই ছাঁত শীতলতা আৰু বিশ্ৰাম বিচাৰি অহা অনেক মাছ। পানীৰ পৃষ্ঠভাগৰ কিছু তলতে অলসভাবে ইফাল সিফাল কৰি আছে মাছবোৰে। গ্ৰীষ্মকালিৰ দুপৰীয়া পুখুৰীৰ উত্তপ্ত পানীৰ পৰা ৰক্ষা বিচাৰি অহা মাছবোৰৰ বাবে গছৰ সেই কম আয়তনৰ পাতল ছাঁটো যেন যথেষ্ট হোৱা নাই। শান্তিকামী, শীতলতাকামী মাছবোৰৰ অলস, অৱসন্ন ভঙ্গীবোৰলৈ চাই চাই হঠাৎ মই কিয় জানো সিহঁতৰ স'তে এক অবোধ্য আত্মীয়তা বোধ কৰিলোঁ। গছৰ ছাঁত চকী দুখন পাৰি লৈ আমি ইতিমধ্যে বহি পৰিছিলোঁ। মই নলিনীক ক'লোঁ, "বিশ্বযুদ্ধৰ সেই বিভীষিকাময় যুগটোত, ভাৰতৰ স্বাধীনতা আন্দোলনৰ সেই অস্থিৰ যুগটোত এই সুপ্ৰাচীন, পৰিষ্কাৰ পুখুৰীটো দলনি-পিটনিৰে ঠাঁহ খাই ভৰি পৰিল। ইয়াত থকা মাছবোৰে মুক্ত, পৰিষ্কাৰ বায়ুৰ অভাৱত বেয়াকৈ ভুগিলে। সেই শান্তিকামী, নিৰ্জ্জু মাছবোৰৰ ওপৰত অত্যাচাৰ চলিল বিষাক্ত সাপ, আৰু অন্যান্য বিপদজনক জলচৰৰ। আজিৰ জাতীয় চৰকাৰৰ দিনত মাছবোৰে পুনৰ মুকলি বতাহ পালে। সিহঁতৰ বাবে সিহঁতে এডোখৰ পৰিষ্কাৰ মুক্ত আবাসভূমি পালে। কিন্তু কতা, সেই মাছবোৰ—সিহঁতে জানো সিহঁতৰ কাম্য শান্তি, কাম্য শীতলতা পোৱা বুলি তই ভাব, নলিনী? সৌ মাছবোৰ, সিহঁত ইমান অলস, ইমান অৱসন্ন, ইমান নিষ্কৰ্ম্মা কিয় এই সময়ত?"

বহুতো সময়লৈ নলিনীয়ে মোৰ কথাৰ কোনো উত্তৰ নিদিলে। সিও একধ্যানে মাথোন চাই আছে সমুখৰ সেই দুপৰীয়াৰ ৰ'দত শান্তি বিচৰা মাছবোৰলৈ। তাৰ নীৰৱতা দেখি ময়ো কিছু সময় নীৰৱে ৰ'লো। তাৰ পিছত আমাৰ সমুখৰ মাছবোৰৰ অৱস্থাই সৃষ্টি কৰা আমাৰ এই নীৰৱতা ভঙ্গ কৰি মই ক'লোঁ, "ইলি বাৰু মোৰ লগত মিলিব বুলি তই ভাবনে ?"

সি মাছবোৰৰ পিনে চাই থাকিয়েই ক'লে, "নিশ্চয়। তেওঁতো তোৰ মুখৰ পৰা বেচ ধুনীয়া, বেচ ভদ্ৰ বুলি শুনিছোঁ। তেন্তে তোৰ লগত নিমিলিব কিয় তেওঁ ?"

মই ক'লোঁ, "কিন্তু ইলি যে বৰ ডাঙৰ মানুহৰ ঘৰৰ ছোৱালী ? তেওঁ মোৰ লগত কেনেকৈ মিলে ?"

"তেন্তে দেৱিকা মোৰ লগত কেনেকৈ মিলে ?" নলিনীৰ ওলোটা প্ৰশ্ন।

তাৰ এই প্ৰশ্নৰ উত্তৰ মই সহজে বিচাৰি নাপাইছিলোঁ। কিছু সময়ৰ পিছত মই কলোঁ, "কিন্তু দেৱিকাই তোক ভাল পায়। আনহাতে, বইলিয়েতো মোক ভাল নাপায় কিজানি।"

"ইলিয়ে যদি তোক ভাল নাপায়, দেৱিকাই মোক ভাল পায় বুলিয়েই বা কেনেকৈ জানিলি ?" নলিনীয়ে সোধে।

মই উত্তৰ দিওঁ, "কিয় ? পিক্‌নিকত তোক লৈ তেওঁক ছোৱালীবোৰে জোকাওঁতে, আৰু বিয়াৰ গীত গাওঁতে, দেৱিকাইতো আপত্তি কৰা নাছিল। তদুপৰি, সকলো সময়তে দেৱিকাৰ লগত তোৰ সম্পৰ্ক অন্য ল'ৰাৰ তেওঁৰ লগত থকা সম্পৰ্কতকৈ সম্পূৰ্ণ বেলেগ নহয় জানো ? যেনে ধৰ, ইউনিভাৰ্চিটিলৈ যাওঁতে বাচত অন্য ল'ৰাৰ কথাৰ দেৱিকাই প্ৰয়োজন হ'লেহে উত্তৰ দিয়ে ; কিন্তু তোৰ লগত হ'লে উপযাচিও কথা পাতে।"

মোৰ কথা শুনি নলিনীৰ মুখখন উজ্জ্বল হৈ উঠিছিল। সি কৈছিল, "তই ঠিকেই কৈছ, অ'। সিদিনা ভাগ্যক্ৰমে বাচত দুয়ো মুখামুখিকৈ বহিবলগীয়াত পৰিলোঁ। সেই সুযোগতে দেৱিকাই অভাৱনীয়ৰূপে মোৰ লগত অনেক কথা পাতি পেলালে। মোৰ আচল ঘৰ ক'ত? ঘৰত কোন আছে ? ইয়াত ভাড়া ঘৰত থাকোঁ নে নিজৰেই ঘৰ ? আৰু যে কত কথা। এম্. এ. পাচ কৰি কি পঢ়িম ? মোৰ জীৱনৰ উদ্দেশ্য কি ?"

মই ক'লোঁ, "এয়াতো দেৱিকাই তোক ভাল পোৱাৰ নিখুঁত লক্ষণ। কিন্তু এতিয়া তই প্ৰেমৰ পিছৰ পৰ্য্যায়টোলৈ যাবলৈ কি পন্থা লবি ?"

সি কি পন্থা লব, সেই বিষয়ে তেতিয়া যে মই সঁচাকৈয়ে জানিব বিচাৰিছিলোঁ, সেইটো নহয়। তাৰ দেৱিকাৰ স'তে সম্পৰ্কটোৰ বিষয়ে আলোচনা কৰিবলৈকো মোৰ তেতিয়া মন যোৱা নাছিল। মাথোন ইলিৰ স্মৃতিয়ে তেতিয়া মোক জুৰুলা কৰি তুলিছিল। ইলিয়েও মোক ভাল পায়; কিন্তু এতিয়া মোৰ উপায় কি ? মোৰ উপায় মই নিজে বিচাৰি উলিয়াব নোৱাৰি, নলিনীক মোৰ নিজৰ অৱস্থাত উপনীত হোৱা বুলি তাক প্ৰত্যয় নি, তাৰ পন্থাৰ বিষয়ে এতিয়া আলোচনা কৰি, মই নিজক আশ্বস্ত কৰিব বিচাৰোঁ। সি মনে মনে থকা দেখি তাক মই পুনৰ সোধোঁ, "ক, কি পন্থা লবি এতিয়া তই ?"

নলিনীয়ে চিন্তিত হৈ কয়, "কিবা পন্থা হাতত লবলৈ মোৰ জানো কিবা উপায় আছে ?"

মই কওঁ, "কেলেই ? তই প্ৰত্যক্ষভাবে দেৱিকাক সুধি পেলা, তেওঁ তোক ভাল পায় নে নাই; যদি পায়, তেন্তে সুধিবি, বিয়াৰ বাবে তেওঁ প্ৰস্তুত আছে নে নাই।" তাক এনে উপদেশ দি মই যেন নিজেই নিজৰ নিৰুপায় অৱস্থাত এধানমান আশ্বাস পাওঁ।

কিন্তু নলিনীয়ে কৈ উঠে, "হঠাৎ যদি মোৰ ধাৰণাবোৰ ভুল বুলি তেওঁ কৈ দিয়ে ?"

তাৰ প্ৰশ্নৰ লগে লগে মই নিজেই এটি পাতল অৱস্থালৈ উঠি যাওঁ। মই দুষ্ট হাঁহি এটি মাৰি কওঁ, "আৰে। তাৰ বাবে লাজ কি ? দেৱিকাই যদি তোক কয়, তেওঁ তোক কাহানিও ভাল পোৱা নাই, তয়ো লগে লগে কৈ দিবি, তয়ো তামচাতেহে তেওঁক এই কথা সুধিছিলি। এই প্ৰশ্নটোত দেৱিকাই গুৰুত্ব দিবলগীয়া একো নাই। কাৰণ, তই একেটা প্ৰশ্ন প্ৰাক আন ছোৱালীৰ আগতো একাধিকবাৰ আগেয়ে উত্থাপন কৰিছ।" মোৰ কথাত নলিনীয়েও হাঁহে।

তাৰ পিছত হাঁহি হাঁহিয়েই নলিনীয়ে কয়, "আৰু ধৰ, তেওঁ যদি মোক ভাল পায়; কিন্তু তাকে খুলি নকয় ? কাৰণ এতিয়া তেওঁ পঢ়ি আছে যেতিয়া তেওঁৰ মনত নাইবা তেওঁৰ ঘৰত বিয়াৰ কোনো প্ৰশ্নই উঠা নাই। তেনে অৱস্থাত এই প্ৰশ্নটো তেওঁক অনুপযুক্ত সময়ত সুধি তেওঁকচোন হেকৰাহে হ'ব ?"

তাৰ এই প্ৰশ্নৰ মই কোনো উত্তৰ বিচাৰি নাপাওঁ। মই পুনৰ গম্ভীৰ

হৈ পৰোঁ। মোৰ গাম্ভীৰ্য্যই নলিনীকো গম্ভীৰ কৰে। সি নিজকে কোৱাৰ দৰে কৈ যায়, "সকলো কামৰ বাবে একোটা উপযুক্ত সময় আছে— 'ৰাইপ্ টাইম্' আছে। তাৰ আগতে সেই কাম কৰিবলৈ যোৱা মানে তাত বিফল হোৱা। পঢ়ি থকা ছোৱালী এজনীক বিয়াৰ প্ৰস্তাৱ দিয়ামানে স্বেচ্ছাই বিফলতা বৰি লোৱা। দেৱিকাক মই তেওঁ মোক ভাল পায়নে বা বিয়াৰ বাবে প্ৰস্তুত আছেনে তাক সুধিবলৈ সময় এতিয়াও হোৱা নাই। Time is not yet ripe. মনত ৰাখিবি।"

তাৰ এই উপদেশমূলক বক্তৃতাৰ মই প্ৰতিবাদ কৰোঁ, "কিন্তু ধৰি ল, দেৱিকাই তোক ভাল পায় বুলি বহুতো লক্ষণৰ বাবে ভাবি আছ। কিন্তু সিপিনে দেৱিকাই তোৰ অজ্ঞাতসাৰে আন এজনকহে ভাল পাই আছে। তেতিয়া কি হ'ব? সময়ত তইতো তেওঁক নাপাবিয়েই, ইমান দিনে তেওঁৰ কথা ভাবি ভাবি তোৰ দেহ, মন, অন্তৰ সকলো নষ্ট কৰি পেলাবি। অত অপচয়ৰ প্ৰয়োজন কি? তাতকৈ সোধ আৰু বহি থাক। সুধি যদি ভাল ফল পাৱ, বিয়া কৰাই পেলা আৰু তাৰ পিছত নিশ্চিন্তে জীৱন উপভোগ কৰ। আৰু যদি ভাল ফল নাপাৱ, তেন্তে সেই সকলো আশা বাদ দি অতীতৰ সকলো ধূলি-বালি মনৰ পৰা সাৰি-পুচি পেলাই নতুন জীৱনৰ পাতনি মেল। সুৰবালাৰ ক্ষেত্ৰত মই কি কৰিছিলোঁ? মোৰ সেই কাম তই জানো আজি অজ্ঞানৰ কাম বুলি কব পাৰিবি?"

নলিনীয়ে ক'লে, "সুৰবালাক ঘচ্‌কৈ এদিন কথাটো সুধি পেলাই— তই তোৰ মনৰ অন্তহীন দুশ্চিন্তাবোৰৰ পৰা মুক্ত হোৱাৰ বাবে তোক অজ্ঞান বুলিব নোৱাৰিলেও, যিটো সময়ত সুৰবালাক তেওঁ তোক ভাল পায় নে নাই সুধিছিলি, সেই সময়ত সোধাটো মই জ্ঞানীৰ কাম বুলি কব নোৱাৰোঁ। সপ্তমমান শ্ৰেণীত পঢ়া ছোৱালী এজনীয়ে বিয়াৰ কথা, প্ৰেমৰ কথাৰ বিষয়ে কিমান সুস্থভাবেই বা ভাবিব পাৰে? সুৰবালাক তই যি সময়ত চিঠিখন দিছিলি, সেই সময়ত নিদি তাৰ অন্ততঃ আৰু দুবছৰ পিছত দিয়া হ'লে, তেওঁৰ পৰা নিশ্চয় এটি সম্পূৰ্ণ বেলেগ উত্তৰ পালিহেঁতেন।"

"কিন্তু তেওঁৰ যে তেতিয়াই বিয়াৰ কথা উঠিছিল?" মই প্ৰতিবাদ কৰি কওঁ।

"ঘৰত বিয়াৰ কথা উঠিলেও তেওঁৰ মনততো তেতিয়া বিয়াৰ কথা উঠা নাছিল। ঘৰত তেতিয়া কথা উঠিছিল যেতিয়া, তই বৰং তেতিয়া তেওঁৰ ঘৰতেই বিয়াৰ প্ৰস্তাৱ দিয়া উচিত আছিল।"

তাৰ যুক্তিটো মোৰ অকাট্য যেন লাগিল। তথাপি নলিনীৰ এই

কথায়ো মোক সন্তুষ্টি দিব নোৱাৰিছিল। অন্ততঃ বৰ্ত্তমান ইলিৰ বিষয়ত মই কি পন্থা লোৱা উচিত, তাৰ আভাস মই নলিনীৰ কথাত বিচাৰি পোৱা নাছিলোঁ। কিন্তু ইলি সম্পৰ্কে খোলাখুলিকৈ আলোচনা কৰিবলৈ আন কি মই নলিনীৰ লগতো সংকোচ কৰিছিলোঁ। ইলিকো মই মোৰ প্ৰেমৰ কথা সুধিবৰ বাবে জানো উপযুক্ত সময় হোৱা নাই? কিন্তু উপযুক্ত সময়লৈ বাট চাওঁতে চাওঁতে ইলি যদি ইতিমধ্যে আনৰ হৈ যায়? নাই নাই। যিয়েই নহওক লাগিলে, ইলিক এইবোৰ কথা কেতিয়াও সুধিব নোৱাৰি। সোধাটো অসম্ভৱ। তেওঁলোকৰ ঘৰত সোধাৰতো প্ৰশ্নই উঠিব নোৱাৰে। কাৰণ, সেইখন ঘৰৰ ছোৱালী মোৰ তাত বিয়া দিয়াতকৈ বৰং কাটি নদীত উটাই দিব। ইলিৰ নিজৰ মত থাকিলে অৱশ্যে বেলেগ কথা।

নলিনীয়ে বহু সময় নীৰৱে থকাৰ পিছত এইবাৰ মোক ক'লে "ধৰ, দেৱিকাক মই সুধিলোঁ। তেৱোঁ মোক ভাল পায় বুলি কলে। বিয়াৰ বাবেও তেওঁ সাজু। তেতিয়া মোৰ উপায় কি হ'ব?"

মই তৎক্ষণাৎ উত্তৰ দিলোঁ, "কেলৈ? বিয়া কৰাবি।"

সি ক'লে, "বিয়া জানো মুখখনেৰেই বা মনটোৰেই অকল কৰাব পাৰি? টকা, ঘৰ, সম্পত্তি—এইবোৰ জানো বিয়াৰ বাবে অপৰিহাৰ্য্য নহয়?"

তাৰ কথাৰ মই উত্তৰ দিব নোৱাৰিলোঁ। তাৰ মুখেৰে যেন মোৰ নিজৰ প্ৰশ্নই বাহিৰ হ'ল। তথাপি মই দৃঢ় সুৰত ক'লোঁ, "তেন্তে তোৰ ভাল পাবৰ অধিকাৰ ক'ত? কাৰবাক ভালপোৱা মানে মই তেওঁক বিয়া কৰাবলৈ ইচ্ছা কৰা বুজোঁ। যাৰ বিয়া কৰাবলৈ সাহস নাই, তাৰ ভালপাবলৈকো কোনো অধিকাৰ নাই। এবাৰ এজনী নিৰ্দ্দোষ ছোৱালী নিজৰ সৰ্ব্বস্ব তোলৈ অৰ্পণ কৰি নিজে নিঃশেষ হৈ গৈছিল, তোৰ পৰা ভালপোৱাৰেই আশ্বাস পাই। সেই নিৰ্দ্দোষ, কুমলীয়া ছোৱালীজনীক তই দুই হাতেৰে টেঁটুত চেঁপি ধৰি হত্যা কৰি আহিছ এক নৰহত্যাকাৰীৰ দৰে। তেনে এক হিংস্ৰ, বন্য, অন্তৰহীন হত্যাকাৰীৰ মুখতো আকৌ ভালপোৱাৰ কথা! এইজনী ছোৱালীৰ অৱস্থাও তোৰ হাতত কি হ'ব গৈ শেষত? দেৱিকায়ো বহু দিনলৈ ফটা-চিটা মলিয়ন কাপোৰ পিন্ধি বিছনাত মন মাৰি পৰি থাকিব নেলাগিব জানো, তোৰ স'তে বিয়া নোহোৱা ঠিক হোৱাৰ পিছত আনৰ আঙঠি পিন্ধি?"

নলিনীয়ে বিয়াৰ কথা এৰাই চলি চলি প্ৰেমত হাবুডুবু খোৱা স্বভাব-টোৰ কথা ভাবি, আৰু তাৰ পৰা মই নিজেও নিজৰ বাবে কোনো উৎসাহ

নেপাই প্ৰকৃততে খং কৰিয়েই যদিও নলিনীৰ বিৰুদ্ধে মই এই বিষোদ্গাৰ কৰিছিলোঁ, তথাপি মোৰ কথাত সি বিচলিত নহ'ল যেন নেলাগিল। সি এটি পাতল হাঁহি মাৰি ক'লে, "কিন্তু যি কমলিনীয়ে ফটা-চিটা মলিয়ন কাপোৰ পিন্ধি আমন জিমনকৈ আনৰ আওঠি পিন্ধাটোক তই মই তেওঁক হত্যা কৰা বুলি আখ্যা দিব খুজিছ, সেই কমলিনীয়ে এতিয়া মোক দেখিলেও চিনি নেপায়, জান ? এবাৰ মই ঘৰলৈ গৈ গুৱাহাটীলৈ উভতি আহোঁতে দুৰ্ভাগ্যক্ৰমেই হওক বা সৌভাগ্যক্ৰমেই হওক, দুয়ো একেখন বাচতে উঠিবলগীয়াত পৰিল। দুয়ো প্ৰায় ওচৰা ওচৰিকৈয়েই বহিবলৈ বাধ্য হৈছিলোঁ। পুৰা চাৰি ঘণ্টা দুয়োৰে তেনেই ওচৰা-ওচৰিকৈ বহি অহা হ'ল। কিন্তু এষাৰি কথাও নোলাল কমলিনীৰ মুখৰ পৰা। আন কি গাড়ীৰ জোকাঁৰণিত হ'লেও তেওঁৰ মুখ এবাৰ অন্ততঃ মোৰ পিনে ঘূৰা মই দেখা নাপালোঁ।

"সেয়েহে তোক মই কওঁ, বেদান্ত, জীৱনত যদি উন্নতি বিচাৰিছ, ছোৱালীৰ চকুত চকু পানী দেখি কেতিয়াও ভোল নাযাবি।

"এতিয়া সেইবোৰ এৰ। পৰীক্ষা ওচৰ চাপিছে। নিজৰ কোঠালৈ উভতি যা। পঢ় গৈ।"

লাহে লাহে 'এম্. এ. প্ৰিভিয়াচ্' পৰীক্ষা শেষ হয়। পৰীক্ষাৰ পিছত নলিনীয়ে এবাৰ তাৰ গাৱঁলৈ যাবলৈ ইচ্ছা প্ৰকাশ কৰে। মাকক এবাৰ দেখা কৰি আহিবলৈ তাৰ হেনো বৰ মন গৈছে। মাকৰ স্নেহত সি অন্ধ হৈ নগ'লেও, মাকৰ প্ৰতি তানটো তাৰ বেচ আছে—অন্ততঃ মোৰ তুলনাত। তদুপৰি, গাৱঁলৈ গ'লে ওচৰৰ সৰু চহৰখনলৈকো সি এবাৰ গৈ আহিব পাৰিব। গাৱঁলৈ যোৱাৰ ইচ্ছা এই এটা কাৰণতো। চহৰ খনৰ মানুহৰ আগত হেনো কব, সি পঢ়ি পাচ কৰি যোৱা এই হাইস্কুল-খনৰ আৰু তাৰ শিক্ষকসকলৰ প্ৰতি মোহ তাৰ এতিয়াও আঁতৰা নাই। এই মোহে তাক টানি আনিছে। কিন্তু আচলতে চহৰখনলৈ তাৰ যাবৰ ইচ্ছা, মানসপ্ৰভাৰ বাবেহে হেনো। 'এম্. এ. ফাইনেল্' পৰীক্ষা দি উঠি মানসপ্ৰভা এতিয়া ঘৰতে গৈ আছে। মানসপ্ৰভাৰ তেনেই কাষ চাপি সি হেনো দুষাৰ কথা পাতিবলৈ উদ্‌গ্ৰীৱ। "আজি কিমান বছৰে মানসপ্ৰভাক ওচৰা-ওচৰিকৈ মই লগ পোৱা নাই, তই ভাবি চাবিচোন।" সি মোক কয়।

মই হাহি মাৰি কওঁ, "মানসপ্ৰভালৈ যে ইমান আকৰ্ষণ, দেৱিকা পৰ্ব্ব শেষ হ'লনেকি ?"

"আৰে নিষ্ঠুৰ !" নলিনীয়ে গুমৰি উঠে, "দেৱিকাক জানো মই এৰিব পাৰোঁ ? অন্ততঃ দেৱিকাই মোক নেৰা পৰ্যন্ত ?" তাৰ মাতত ক্ৰোধৰ কৃত্ৰিম সুৰ।

"ঠিকেই কৈছ, অন্ততঃ দেৱিকাই তোক নেৰা পৰ্য্যন্ত তই তেওঁক এৰিব নোৱাৰ। আৰু যি মুহূৰ্ত্ততে তেওঁ তোক এৰিব ?" মই তাচ্ছিল্যৰ সুৰত সোধোঁ।

মোৰ এই প্ৰশ্নৰ উত্তৰ সি নিমিষতেই দিয়ে, "কেলেই ? তেতিয়া মই তাৰ শিষ্যত্ব লগে লগেই গ্ৰহণ কৰিম। তই কৈছিলি নহয়, এজনী ছোৱালীৰ প্ৰেমত পৰিবলৈ তোক মাথোন এঘণ্টা সময় লাগে। এঘণ্টা সময় তই যদি এজনী ছোৱালীৰ কাষত বহি কথা পাতিব পাৰ, তেন্তে তই প্ৰেমত পৰি যাবি সেই ছোৱালীৰ। সেই ছোৱালী যেনেকুৱাই নহওক লাগিলে। ইলিৰ প্ৰেমত পৰা বুলি তই প্ৰথম মোৰ আগত স্বীকাৰ কৰাৰ পিছত এই কথা কোৱা নাছিলিনে ? তেতিয়া এই কথাৰ মই দুৰ্ঘোৰ প্ৰতিবাদ কৰিছিলোঁ। কিন্তু লাহে লাহে কিয় জানো তোৰ কথাৰ সত্যতাৰ প্ৰতি মই আকৰ্ষিত হৈ আহিব ধৰিছোঁ।"

মই তাৰ কথা শুনি এটি সন্তোষৰ হাঁহি মাৰিলোঁ। কিন্তু মোৰ সেই হাঁহি দেখি লগে লগেই সি গম্ভীৰ হৈ উঠিল আৰু ক'লে, "কিন্তু দেৱিকাৰ প্ৰতি মোৰ যি প্ৰেম তাক তই উপকৰা বলি নাভাবিবি, বেদান্ত। দেৱিকাৰ প্ৰতি মোৰ প্ৰেমৰ গভীৰতাত অকণো ভুল নাই। কিন্তু, কিয় জানো, তথাপি মানসপ্ৰভাক মই কেতিয়াও পাহৰিব পৰা নাই, মানসপ্ৰভাক মোৰ অন্তৰৰ বাহিৰত কেতিয়াও ঠাই দিব পৰা নাই। এনেক্ষেত্ৰত কেতিয়াবা স্বাভাৱিকতে মই নিজকে সুধিবলৈ বাধ্য হওঁ, মানসপ্ৰভাৰ তেন্তে মই প্ৰেমত পৰিছোঁনেকি ? কিন্তু কতা ? কেতিয়াও তো মই সজ্ঞানে নিজকে কব পৰা নাই, মানসপ্ৰভাক মই ভাল পাইছোঁ : তেওঁক মই এৰিব নোৱাৰোঁ।"

"তেন্তে মানসপ্ৰভাকেই বিয়া নকৰাৰ কিয় ?"

"পাৰিলে জানো নকৰাওঁ ?" মোৰ প্ৰশ্নৰ সি টপৰাই উত্তৰ দিয়ে। বিয়াৰ প্ৰস্তাৱ দিয়াৰ কথা যেতিয়া মই কেতিয়াও ভবাই নাছিলোঁ, আন কি তেওঁৰ পৰা ইমান আঁতৰে আঁতৰে থাকি থাকিয়েই কি জানি তেওঁক আজি মই যি ৰূপত দেখা পাইছোঁ, সেই ৰূপতো দেখা নাছিলোঁ কোনো দিন, তেতিয়াই এটি নগণ্য উৰাবাতৰি শুনিয়েই তেওঁ কেনেকৈ কাল-সৰ্পিণীৰ দৰে ফোচ ফোচাই ফণা মেলি উঠিছিল তাৰ কথা তোৰ মনত নাইনে ?"

মই দৃঢ়ভাৱে উত্তৰ দিওঁ, "কিন্তু সেইটোৱেই তো মানসপ্রভাই তোক ভালপোৱাৰ, তোৰ পৰা বিয়াৰ প্ৰস্তাৱ আশা কৰাৰ নিৰ্ভুল লক্ষণ। নাৰীৰ প্ৰতিবাদ সদায় সমৰ্থনৰ বিকৃত ইঙ্গিত।"

মোৰ কথাই নলিনীৰ ওপৰত কোনো প্ৰতিক্ৰিয়া কৰা যেন নালাগিল। সি ক'লে, "তেনেকৈ ভবাত মূৰ্খৰ স্বৰ্গৰচনাৰ আনন্দ আছে ; জ্ঞানীৰ নিৰ্ভুল চিন্তাৰ নিৰাপত্তা নাই।"

তাৰ এই দাৰ্শনিকৰ দৰে মন্তব্যত মই অলপ আহত হওঁ ; মই কওঁ, "বৰ জ্ঞানী, দাৰ্শনিকটোৱেই যদি ওলাইছ, তেন্তে আৰু যাৱ কিয় ফোচ্ ফোচ্ কৰি ফণা মেলি উঠা সেইজনী কালসৰ্পিণীৰ ওচৰলৈ ?"

এইবাৰ নলিনী যেন কুমলি গ'ল। "সেইটোৱেইতো মোৰ জীৱনৰ এই পৰ্য্যন্ত ভাঙিব নোৱাৰা একমাত্ৰ সাঁথৰ, বেদান্ত। মানসপ্ৰভাৰ স'তে মোৰ কি সম্পৰ্ক, তাক মই কেনেকৈ বুজাম ? তেওঁ কিয় জানো মোক ইমান মৰম কৰিছিল সৰুতে স্কুলত মোক প্ৰথম দেখাৰে পৰাই। সৰু ল'ৰা এটি বুলি মোক জ্ঞান কৰিয়েই সদায় মোক যেন চলাই লৈ ফুৰিব তেওঁ তেওঁৰ আঙুলিৰ ইঙ্গিতত। অথচ মোৰেই প্ৰতি আকৌ কিমান বাধ্য তেওঁ কিছুমান কথাত! এবাৰ কি হ'ল শুন। আমি সেইবাৰ অষ্টম মান শ্ৰেণীলৈ প্ৰমোচন পাইছোঁহে মাথোন। মানসপ্ৰভাৰ পূৰ্ব্বৰ নাম মনসাহে আছিল। তেতিয়ালৈকে তেওঁৰ মনসাই নাম। মনসাক মোৰ ইমান ভাল লাগে। অথচ তেওঁৰ নামটো ইমান বেয়া! সৰুতে অ'ত ত'ত গৈ গৈ ওজা-পালী চোৱাত মোৰ বৰ ৰাপ আছিল। ওজাপালীৰ পদব্যাখ্যাৰ লগে লগে মই পৰম মনোযোগিতাৰে তাক শুনি শুনি হাঁহি যাওঁ, কান্দি যাওঁ। ওজা-পালীসকলে সাধাৰণতে গোৱা শুনিছিলোঁ বেউলা লখিন্দাৰৰ পদাৱলীকেই। বেউলা-লখিন্দাৰৰ কাহিনীটো ভালো লাগিছিল মোৰ অতিকৈ। তইতো জানই, বন-জঙ্গলৰ মাজৰ এখন অতি ভিতৰুৱা ঠাইত মোৰ জন্ম। সৰুৰে পৰা তাৰ চাৰিওপিনে মাথোন সাপকে দেখি আহিছোঁ—কত ধাৰণৰ সাপ। বেউলা-লখিন্দাৰৰ কাহিনীতো সাপৰেই কাৰ্য্যৰ কথা শুনি সেই কাৰণে বিশেষ আকৰ্ষিত হৈছিলোঁ। মোৰ চকুৰ আগতে আমাৰ সেই সৰু গাওঁখনত কত গৰু-ম'হ-মানুহ সাপৰ দংশনত মৰিছিল। বেউলা-লখিন্দাৰৰ কাহিনীৰ সাপৰ দেৱী মনসাক সেই কাৰণে মই চকু পাৰিও দেখিব নোৱাৰিছিলোঁ। মনসা নামটো উচ্চাৰণ কৰিলেই মোৰ যেন কেনে লাগে। অথচ, যিজনী ছোৱালীক গাওঁৰ স্কুল এৰি চহৰৰ স্কুলত মোৰ আটাইতকৈ ভাল লাগিল, তেওঁৰ নাম মনসা। মোৰ

সহ্য নহ'ল। অষ্টম মানত যিদিনা প্ৰথম ক্লাচ হ'ল, সেইদিনাই মই মনসাৰ আগত প্ৰস্তাব ডাঙি ধৰিলোঁ, 'তুমি তোমাৰ নামটো সলাব লাগিব, তোমাৰ মনসা নামটো।' মনসাই আচৰিত হৈ সুধিছিল, 'কিয়?' মই ক'লোঁ, 'মোৰ ভাল নালাগে।' মোৰ মাতত এক দৃঢ়তা। ইয়াৰ পিছত তেওঁ আৰু মোক দ্বিতীয়বাৰৰ বাবে কোনো প্ৰশ্ন নকৰিলে। তেওঁ মাথোন ক'লে, 'তোমাৰ মতেই হ'ব বাৰু। কোৱা, মোৰ নতুন নাম কি হোৱাটো তুমি বিচৰা।' মই টপৰাই উত্তৰ দিলোঁ, 'মানসপ্ৰভা।' তাৰ পিছত সেই দিনা তেওঁ আৰু মোৰ লগত কোনো কথা নাপাতিলে। পিছদিনা ক্লাচত সোমায়েই তেওঁ এখন দৰ্খাস্ত মোৰ আগত ডাঙি ধৰিলে। মই দেখিলোঁ সেইখন দৰ্খাস্ত তেওঁৰ দেউতাকে হেড্‌মাষ্টাৰলৈ লিখিছে—তেওঁৰ ছোৱালী-জনীৰ মনসা নামটো সলাই মানসপ্ৰভা লিখিবলৈ অনুৰোধ কৰি।"

নলিনীৰ কথা শেষ হোৱাৰ লগে লগে মই পৰম উৎসাহেৰে কৈ উঠিলোঁ, "কংগ্ৰেচুলেশ্যনচ, হে বীৰ পুৰুষ! মানসপ্ৰভা তেন্তে তোৰেই মানসকন্যা?"

সি ক'লে, "এৰা, মোৰ মনৰ জেউতি।"

"ইমানৰ পিছতো তই যে তোৰ মানসপ্ৰভাৰ ওচৰত বিয়াৰ প্ৰস্তাব দিয়া নাই, সেইটোহে আচৰিত।" মই কলোঁ। মোৰ মুখত হাঁহি।

সি ক'লে, "অকল ইমানেই নহয়। মেট্ৰিক দি উঠি যেতিয়া মই ক'লোঁ, মোৰ আৰু পঢ়া নহয়, মই হিন্দী মাষ্টৰ হম, তেওঁৰ কি দুৰ্দ্ধোৰ প্ৰতিবাদ তেতিয়া। তেওঁৰ কথামতেই মই মেট্ৰিক পাচ কৰাৰ পিছত গুৱাহাটীলৈ অহা ঠিক কৰিছিলোঁ। মই আহিম বুলি মোৰ প্ৰতিশ্ৰুতি পোৱাৰ পিছত তেওঁ আহি গুৱাহাটীৰ সন্দিকৈ কলেজত নাম লিখিলে। কিন্তু সময়ৰ মূৰত টকাৰ অভাৱত মই গুৱাহাটীলৈ আহিব নোৱাৰি, গাঁৱৰ পৰা দহ মাইল দূৰৈৰ সেই কলেজখনতে নাম লিখিবলগীয়াত পৰিলোঁ। এই কথা শুনি মানসপ্ৰভাই তৎক্ষণাৎ মোলৈ চিঠি লিখিলে, তেৱোঁ তেতিয়া হ'লে গুৱাহাটী এৰি সেইখন কলেজলৈকেই ট্ৰেন্‌স্‌ফাৰ্ লব। তাত ছোৱালী হ'ষ্টেল আছেনে নাই, নাইবা কলেজ-কৰ্তৃপক্ষই তেওঁৰ থকাৰ সুব্যৱস্থা কৰি দিব পাৰিব নে নাই, তাক সুধি পঠিয়াইছিল মোলৈ সেই চিঠিতে। মোৰ চিঠিৰ পৰা যেতিয়া তেওঁ জানিলে, তাত স্থানীয় ছোৱালীৰ বাহিৰে অন্য ছোৱালীয়ে গৈ পঢ়াৰ কোনো সুবিধা নাই, তেতিয়া তেওঁ মোলৈ দুখ কৰি লিখিলে, সপ্তাহত তেন্তে অন্ততঃ দুখনকৈ চিঠি তেওঁ মোলৈ লিখিব। মই যদি উত্তৰ দিয়াত কাৰ্পণ্য কৰোঁ, বন্ধত ঘৰত গৈ লগ পালে মোৰ

হেনো মজাটো উলিয়াই দিব। এই সময়ৰ চিঠিবোৰ তই যদি আজি পঢ়িব পাৰিলেহেঁতেন, বেদান্ত।"

মই ক'লোঁ, "এৰা, দে এতিয়াই দে সেই চিঠিবোৰ।"

সি অকণো বিচলিত নোহোৱাকৈ উত্তৰ দিলে, "নাই। পুৰি পেলালোঁ সকলোবোৰ।"

মই চিঞৰি উঠিলোঁ, "পুৰি পেলালি? কিয়?"

সি সেই একেটা অবিচলিত সুৰতেই মোক সুধিলে, "তই সুৰবালাৰ স্মৃতিবোৰ বগা কাপোৰেৰে বান্ধি নদীত কিয় উটুৱাই দিছিলি? তাৰ তই কিবা এটা ব্যাখ্যা মোৰ আগত হয়তো আজি ডাঙি ধৰিব পাৰিবি। কিন্তু তাৰ প্ৰকৃততে কোনো ব্যাখ্যা নাই, বেদান্ত। অন্তৰৰ কোনোটি কথাৰেই কোনো ব্যাখ্যা নাই। মাথোন প্ৰশ্ন আছে।"

মই মনে মনে থাকিলোঁ। সিও মনে মনে থাকিল বহুতো সময়লৈ। তাৰ পিছত সি পুনৰ কৈ উঠিল, "কাইলৈ মই দেৱিকাহঁতৰ ঘৰলৈ যাম। জান? কাইলৈ আবেলি চাহৰজাত।"

মই আচৰিত হৈছিলো, সিটো আগতে কেতিয়াও দেৱিকাহঁতৰ ঘৰলৈ যোৱা নাই। মই সুধিলোঁ, "দেৱিকাহঁতৰ ঘৰলৈ যাবি? তোক জানো মাতিছে?"

তাৰ মুখত লগে লগে এটি দুষ্ট হাঁহি বিৰিঙি উঠিল। সি ক'লে, "এৰা, মাতিছে। মানে এনে ফান্দ পাতিছোঁ যে মাতিবলৈ বাধ্য হৈছে। কালি গধূলি নদীৰ পাৰত তেওঁক মাক আৰু দেউতাকৰ লগত বতাহ লৈ ফুৰা অৱস্থাত লগ পালো। তেৱেঁই আগেয়ে মোৰ পিনে চাই মিচিকিয়া হাঁহি এটা মাৰি দিলে। মোক আৰু পায় কোনে? মই তেওঁ পৰীক্ষাত কেনে কৰিলে সুধিলোঁ। কিন্তু তাৰ উত্তৰ নিৰৱে জিভাখন দুই আঙুলমান উলিয়াই তাত কামোৰ মাৰি ধৰিহে দিলে। মই তেওঁৰ সেই উত্তৰ বুজি পোৱাৰ আগতে মোৰ লক্ষ্মীজনী দেৱিকাই তেওঁৰ মাক-দেউতাকৰ স'তে মোক পৰিচিত কৰি দিলে। তাৰ পিছত মাক-দেউতাকেই তেওঁলোকৰ ছোৱালীয়ে দুখন 'পেপাৰ' দি আৰু যে নিদিলে, তাক বিৱৰি ক'লে। শুনি মই দুখ কৰিলোঁ। আৰু মই দুখ কৰা দেখি তেওঁলোকৰ ছোৱালীজনীক 'নাৰ্ভাচ্' ছোৱালী বুলি মৃদু ভৰ্ৎসনা কৰিলে। মই তেখেত সকলক শলাগি ক'লোঁ, 'এৰা, নাৰ্ভাচ্ নহৈ পৰীক্ষাটো সম্পূৰ্ণ দিয়া হ'লে এওঁৰ দৰে ছোৱালী এজনীয়ে অন্তত: হাই চেকেণ্ড ক্লাচৰ নম্বৰ ৰাখিব অতি সহজেই পাৰিলেহেঁতেন।' মোৰ কথাত মাক-বাপেকৰ উৎসাহ

চাবি কি। জীয়েকৰ প্ৰসংশাত আৰু সংসাৰত নাৰীসুলভ গুণ বুলি পৰিচিত দেৱিকাৰ দোষবোৰ মোৰ আগত ডাঙি ধৰাত শতমুখ হৈ গ'ল ডুখোৱে। তাৰ পিছত দেৱিকাইও মই যে বিশ্ববিদ্যালয়ৰ এটি 'জুৱেল্' তাৰ পৰিচয় দেউতাকহঁতক সম্পূৰ্ণৰূপে দি দিলে। লগে লগে দেউতাক মাকেও মোৰ স'তে বৰ অন্তৰঙ্গ হৈ পৰিল। সেই ছেগতে জীয়েকে মোৰ যোৱা বছৰৰ 'নোট্'বোৰ দাবী কৰিলে। মোৰ আনন্দ তেতিয়া চায় কোনে। এনেকৈয়েই যোৱা বছৰৰ সকলোবোৰ 'নোট্' লৈ কাইলৈ চাবি বজাত মই তেওঁলোকৰ ঘৰলৈ যোৱাৰ কথা।"

তাৰ কথা শেষ হোৱাৰ লগে মই চিঞৰি উঠিলোঁ, "চাবাচ্। Wish you best of luck for tomorrow."

পিচদিনা গধূলি মই নলিনীলৈ বাট চাই আছোঁ। দেৱিকাৰ ঘৰৰ পৰা উভতি আহি তাৰ যে মোৰ আগত কবলগীয়া কিমান কথা ওলাব। এইবোৰ কথা ভাবি থাকোঁতেই নলিনী আহি মোৰ কোঠাত সোমাল। সোমায়েই নীৰৱে এটি প্ৰাণখোলা হাঁহি মাৰি সি তাৰ ইখন হাতেৰে সিখন হাতত ধৰি নিজে নিজে হেণ্ডচেক্ কৰিলে। মই তাৰ কাৰ্য্য দেখি নাহাঁহি নোৱাৰিলোঁ আৰু সুধিলোঁ, "অভাৱনীয় কৃতকাৰ্য্যতা নেকি?"

সি নেই একেটা উৎসাহেৰেই ক'লে, "নকবি আৰু।"

কাপোৰ-কানি নোখোলাকৈয়েই ইয়াৰ পিছত সি মোৰ বিছনাত বহি ললে। লগে লগে আৰম্ভ কৰিলে, "শুন। গৈয়েই ড্ৰয়িংৰুমত সোমাই গ'লোঁ। তাত কোনো নাই। মাজমজিয়াৰ ঘূৰণীয়া মেজখনত বহু সময় টুকুৰিয়াই থকাৰ পিছত এজন ভাইটি সোমাই আহিল। তেৱেঁই গৈ দেৱিকাক পঠিয়াই দিলে।

তাৰ পিছত নলিনীয়ে পুনৰ কৈ গ'ল, "ড্ৰয়িং ৰুমত সোমোৱাৰ লগে লগেই বুকুত যি এক ঢপঢপনি অনুভৱ কৰিলোঁ, মোৰ ভাব হ'ল আৰু কেই মিনিটমান মই তাত তেনেকৈ থাকিব লাগিলে 'হাৰ্ট্ ফেইল্' কৰি মৰিম।"

মই ক'লোঁ, "সেইবোৰ বাদ দে। এনেবোৰ অভিজ্ঞতা মোৰো জানো কম আছে? ব্যাসক বেদ শিকাই কি লাভ? মাথোন দেৱিকা তোৰ ওচৰলৈ অহাৰ পৰা কি হ'ল ক।"

"দেৱিকাই আহিয়েই তেওঁৰ সেই মিচিকিয়া হাঁহিটোৰে সম্ভাষণ জনালে। উত্তৰত ময়ো এটি মিচিকিয়া হাঁহি মাৰিলোঁ। তাৰ পিছতে

তেওঁ সুধিলে, 'ঘৰটো বিচাৰি উলিয়াত পলম হ'লনেকি?' ইয়াৰ উত্তৰত মই যদি আচল কথাটোকে কৈ দিওঁ যে মই তেওঁৰ ঘৰটো এবছৰ আগতেই নানা প্ৰয়ত্নেৰে বিচাৰি উলিয়াই, চিনি লৈ, তাৰ আগেৰে অসংখ্যবাৰ অহা-যোৱা কৰিছোঁ তেওঁৰেই দৰ্শনৰ আশাত, তেন্তে তেওঁ মোক বৰ 'চিলা' বুলি নাভাবিবনে? গতিকে মই বৰ গম্ভীৰভাবে উত্তৰ দিলোঁ, 'কষ্ট একেবাৰে নোহোৱা নহয়। দুঠাইত দুজনমানক সুধিবলগীয়া হৈছিল। কিন্তু আপোনাৰ দেউতাকক দেখিলোঁ। এইখিনিত নজনা মানহ নাই। গতিকে বৰ বিশেষ কিবা কষ্ট হ'ল বুলি কব নোৱাৰি'।"

নলিনীৰ কথাত মই উত্তৰ দিলোঁ, "তোক ভাৰত চৰকাৰে যোৱা গণৰাজ্য দিৱসত যে 'দুষ্টশ্ৰী' উপাধিৰে বিভূষিত নকৰিলে, সেইটোহে আচৰিত।"

সি ক'লে, "সেইটো আচৰিত একো নহয়। শুন। মই এতিয়া এটা কথাৰ বাবে নিজকে মূৰ্খ বুলি নিজৰ গালত নিজে চৰাই মৰিব ধৰিছোঁ। কি কৰি। দেৱিকাহঁতৰ ঘৰত সেই সময়ত ভাইটিজনত বাহিৰে কোনো নাই বুলিব পাৰি। মাক আছে যদিও মৰৰ ঘূৰণি উঠি পৰি আছে। দেউতাকো অফিচৰ পৰা আহি পোৱা নাই। গতিকে মোক সম্ভাষণ জনোৱাৰ অলপ পিছতেই 'অক'মান বহক দেই' বুলি কৈ তেওঁ ভিতৰলৈ গ'ল। বিছ মিনিটমানৰ মূৰত তেওঁ হাতত পানী এগিলাচ আৰু মুখত হাঁহি এমোকোৰা লৈ পুনৰ সোমাই আহিল। মই ক'লোঁ, 'মোৰ পিয়াহ লগা নাই।' তেওঁ কিন্তু মোক ওলোটাকৈহে লাজত পেলালে। তেওঁ কৈ উঠিল, 'আপোনালৈ অনা বুলিয়েই বা কোনে ক'লে?' পিছে ময়ো জানো কম? মোৰ মুখৰ পৰাও মহাকবি বাল্মিকীৰ মুখেৰে আদি শ্লোক স্বতঃস্ফূৰ্ত্তভাবে নিঃসৃত হোৱা দি নিঃসৃত হ'ল, 'মোলৈ আনকেই বা নানকেই, কিবা খোৱা বস্তু মোৰ ওচৰত পালে, তাক আনব বুলিবৰ আহৰি মোৰ কোনো কাহানিও হোৱা নাই।' এইবাৰ তেওঁ জব্দ হৈ গ'ল। পানী গিলাচ মোৰ ওচৰৰ সৰু টেবুলখনত থৈ তেওঁ পুনৰ ভিতৰ সোমাই গ'ল। অলপ পিছতে তেওঁ এক প্লেট চুজি আৰু আধা প্লেটমান কাজু বাদাম লৈ সোমাই আহিল একাপ চাহৰে সৈতে। সৰু টেবুলখনত সেইবোৰো থৈ মোৰ সমুখলৈ সেইখন দাঙি আনি ক'লে, 'খাওক'।

"এনেকুৱা এটি আপ্যায়নৰ সৌভাগ্য, বিশেষকৈ এনেকুৱা এজনী ছোৱালীৰ দ্বাৰা, মই হতভগীয়াৰ জীৱনত জানো আৰু কেতিয়াবা হৈছিল? কিন্তু মই হতশ্ৰীয়ে এনেকুৱা এটি অভাৱনীয় পৰিস্থিতিত হঠাতে নিজকে

পাই মনৰ ভাৰসাম্য হেৰুৱাই পেলালোঁ। মই তেনে এটি পৰিস্থিতিত মুখেৰে কি কৰিলোঁ, তেওঁৰ ওচৰত কেনে ব্যৱহাৰ কৰিলোঁ, তাৰ কোনো ঠিকনাই নাইকিয়া হ'ল। মোৰ কীৰ্ত্তিৰ কথা সংক্ষেপতে কবলৈ হ'লে, প্ৰথমতে মই সুদা চাহত বাহিৰে একো নাখাম বুলি কৈছিলোঁ। কাৰণ দেখুৱাইছিলোঁ এই যে এইমাত্ৰ ঘৰত ডাঠকৈ আবেলিৰ চাহ জলপান খাই গৈছোঁ। ইপিনে দেৱিকাৰ তালৈ কেতিয়া যাওঁ কেতিয়া যাওঁ ভাবত, মোৰ যে ঘৰত একো খোৱাই নহ'ল বুলিব পাৰি, তাকতো তই জানই। যি হ'ক, অৱশেষত চাহৰ লগত কাজুবাদামখিনি খালোঁ; কিন্তু চুজিখিনি হ'লে হাতেৰেই নুচুলোঁ। তেওঁ খাবলৈ ইমান জোৰ কৰিলে, আৰু মোৰো চুজিলৈ কিমান খক তই তো জানই। কিন্তু তথাপি, মোৰ তেতিয়া কি যে হ'ল, মোক আৰু কোনো মতেই তেওঁ চুজি অকণ খুৱাব নোৱাৰিলে। শেষলৈ দেৱিকাৰ চকু চলচলীয়া হ'ল। তেওঁ মই চুজি কেতিয়াও নাখাও বুলি ভাবি আপৰাধী অপৰাধী ভাবত ক'লে, 'চুজিত বাহিৰে আপোনাক অন্য কিবা দিব নোৱাৰিলোঁ। ঘৰখনত সৰু ভাইটিটোৰ বাহিৰে আৰু কোনো নাইকিয়া হৈছে এই সময়ত, জানে নহয়। মোৰেই দুৰ্ভাগ্য।' তেওঁৰ চলচলীয়া চকু দেখি মই নিজকে ধিক্কাৰ দিছিলোঁ, মোৰ চুজি নোখোৱা বলিয়ালিটোৰ বাবে। কিন্তু তেতিয়া তো আৰু খাই তেওঁক শান্বনা দিবৰ উপায় নাই।"

মই তাৰ কথা শুনি ক'লোঁ, "তই এটা মূৰ্খ।'

সি ক'লে, "মূৰ্খ নহয়। গজমূৰ্খ বুলি ক। ভাৰত চৰকাৰে যোৱা গণৰাজ্য দিৱসত মোক 'দুষ্টশ্ৰী' উপাধি নিদিয়া বাবে আচৰিত হৈছে। কিন্তু ভাৰত চৰকাৰে মোক আজিৰ এই মোৰ কীৰ্ত্তিৰ পিছত অহা গণৰাজ্য দিৱসত 'গজমূৰ্খৰত্ন'—আৰু সেয়ে নহ'লেও অন্ততঃ 'হতশ্ৰী' উপাধিটোকে দিবনে নাই, সেইটোহে প্ৰশ্নৰ বিষয়। পিছে এটা কথা অ', বেদান্ত। দেৱিকাহঁতৰ ঘৰত মোৰ এই প্ৰথম পদাৰ্পণৰ কালছোৱাত শান্বনাৰ থলো একেবাৰে নাই বুলি কব নোৱাৰ। মই যেতিয়া চাহ খাই উঠি মুখখন ধুওঁ বুলি পানী গিলাচ লৈ বাহিৰলৈ গ'লোঁ, তেতিয়া মোৰ ছাঁটোৰ দৰে দেৱিকাও লগে লগে টাৱেলখন লৈ গ'ল। মুখখন ধুই উঠিলত এহাতেৰে গিলাচটো তেওঁ লৈ আন হাতেৰে টাৱেলখন মোৰ সমুখত দাঙি ধৰিলে। টাৱেলখনৰ তেওঁ এটা মূৰতহে ধৰি আছিল। তদুপৰি সেইখন মোক নিজকে লৈ মুখ মচিবলৈ দিয়া যেনো লগা নাছিল। গতিকে সিটো মূৰত তেওঁ হাতেৰে ধৰি থকা অৱস্থাতে ইটো মূৰেৰে মই মুখ-হাত মচি ললোঁ।

দেৱিকা মোৰ ইমান ওচৰতে মিচিকিয়াই হাঁহি থিয় হৈ থকা অৱস্থাত তেনেদৰে তেওঁৰ হাতৰ টাৱেলখনেৰে মুখখন মচি যেনে লাগিল, তাক তোক আৰু ভাষাৰে কৈ বুজাব নোৱাৰিম, বেদান্ত।"

ইতিমধ্যে ৰান্ধনি ল'ৰাটোৱে দুয়োৰে বাবে দুকাপ চাহ আনিছিল। সি তৎক্ষণাৎ উঠি গৈ কাপোৰ-কাণি সলাই, ভৰি-হাত ধুই চাহ খোৱাত লাগিলহি। চাহ খাই খাই সি ক'লে, "মই কাইলৈ গাওঁলৈকেই যাওঁ, বেদান্ত। দুই-তিনি দিনৰ ভিতৰতে উভতি আহিম।"

তাক মই 'যা' বুলি কবলৈ টান পাইছিলোঁ। সি গ'লে কেনেকৈ অকলে থাকিম, বিশেষকৈ ক্লাচ, চাকৰি, পঢ়া-শুনা এইবোৰ একোৱেই নোহোৱা এই অৱস্থাত, তাক মই ভাবিবলৈকেই টান পাওঁ। মোৰ অৱস্থা বুজিয়েই বোধহয়, সি কৈছিল, "তয়ো ঘৰত অকলে অকলে এনেয়ে বহি থাকিব নেলাগে। ডেকা ল'ৰা। এবাৰ ইলিহঁতৰ ঘৰৰ পৰাই এপাক মাৰি আহ।" তাৰ ওঠত দুষ্ট হাঁহি।

মই ঠিক হাঁহিব নোৱাৰিছিলোঁ। মই তাক কৈছিলোঁ, "ইলিয়ে যদি মোক এতিয়া চিনিয়েই নাপায়?" ইলিৰ বিষয়ে যেই সেই বহুতো কথা তেতিয়া মোৰ পাতিবৰ মন গৈছিল।

নলিনীয়ে ক'লে, "ইলিয়ে তোক কেনেকৈ পাহৰি যাব? তেওঁ তোক পাহৰি যাব লাগিলে, তেওঁ ডিবেটিং কম্পিটিচন্‌বোৰত এতিয়ালৈকে যিমানবোৰ প্ৰাইজ্ পাইছে, সেই আটাইবোৰকে পাহৰি যাব নালাগিবনে? কিন্তু তেওঁৰ প্ৰাইজ্‌বোৰ তেওঁতো নিশ্চয় ড্ৰয়িং ৰুমৰ এটা আলমাৰীত সকলোৱে দেখাকৈ সজাই থৈছে সন্তৰ্পণে।"

তাৰ কথাখিনিয়ে মোৰ অন্তৰৰ কোনোবাখিনিত যেন বিন্ধে গৈ। মই কওঁ, "এৰা, মোৰ সহায়ত পোৱা উপহাৰবোৰ ইলিয়ে সজাই থব সকলোৰে চকুত পৰাকৈ তেওঁৰ বাহিৰ-চ'ৰাত। কিন্তু মোৰ স্মৃতিৰাশি আনৰ পৰা গুপুত কৰি কৰি ক্ৰমে ক্ৰমে হেৰুৱাই পেলাব সেইবোৰ নিজেও। ছোৱালীবোৰ এনেকুৱাই, নলিনী।"

মোৰ কথাৰ বিষণ্ণ, গম্ভীৰ সুৰত, নলিনীও গম্ভীৰ হৈ পৰে। সি কয়, "তেন্তে দেৱিকাৰ মনৰ পৰাও মোৰ স্মৃতি এদিন হেৰাই যাব?"

মই ক'লোঁ, "ঈশ্বৰে তোক ৰক্ষা কৰক।"

সি ক'লে, "তেন্তে ঈশ্বৰে তোকো ৰক্ষা কৰক।"

ইয়াৰ পিছ দিনাই নলিনী তাৰ গাৱঁলৈ যায় গৈ। মোৰ বৰ অকলশৰীয়া লাগে। সময়বোৰ কেনেকৈ কটাওঁ ভাবি ভাবি উৱাদিহ নেপাওঁ।

এনেতে এটি শুভ খবৰ আহিল। মই যিখন স্কুলত এম্. এ. পঢ়িবলৈ লোৱাৰ আগতে শিক্ষকতা কৰিছিলোঁ, তাত এখন আন্তঃগুৱাহাটী স্কুল-তৰ্কপ্ৰতিযোগিতা পাতিছে। স্কুলৰ 'ডিবেটিং চেক্ৰেটাৰী'জনে মোক তাৰ এজন বিচাৰক হিচাবে নিমন্ত্ৰণ কৰিবলৈ আহিছে। এনে এক নিৰুনুৱা অৱস্থাত, এনে এটি নিমন্ত্ৰণ পাই বেচ ভাল লাগিল। দুদিন পিছৰ তৰ্ক-প্ৰতিযোগিতাখনলৈকে বাট চাই চাই সময় কটাবলৈ লাগিলোঁ।

নিৰ্দ্দিষ্ট দিনটোত মই স্কুললৈ ওলালোঁ। প্ৰতিযোগিতা আৰম্ভ হোৱাৰ এঘণ্টা আগতেই স্কুল পাইছিলো গৈ। স্কুল পায়েই শিক্ষকৰ 'কমন ৰুম'লৈ সোমাই গৈছিলো। আজি প্ৰায় এবছৰৰ মূৰত শিক্ষক সকলে মোক তেওঁলোকৰ মাজত পালত, তেওঁলোকৰ আনন্দৰ সীমা নাই। আনন্দ পাইছিলোঁ মযো। কিন্তু সকলো আনন্দকে তল পেলাই অলপ পিছতেই ইলি সোমাই আহিল 'কমন ৰুম'লৈ। তেওঁ মোৰ ওচৰত থিয় হ'লহি। তেওঁ মিচিকিয়া হাঁহিৰে মোক সম্ভাষণ জনাইছিল; মযো প্ৰতি সম্ভাষণ জনালোঁ একেদৰেই। তাৰ পিছতেই ক'লে, "আপুনি আহিব, আহিব বুলি ভাবিয়েই আছিলোঁ, চাৰ। অৱশেষত, অলপ আগতে সঁচাই মই ক্লাচৰ পৰা বাৰান্দাৰে আপোনাক আহিব ধৰা দেখিলোঁ।"

মই ক'লোঁ, "তোমালোকে যে মোক পাহৰি যোৱা নাই, তাৰ বাবে ধন্যবাদ। পবহি মোক মাতিবলৈ যাওঁতে 'ডিবেটিং চেক্ৰেটাৰী'কো তোমালোকৰ মই তাকেই কৈছোঁ।"

ইলিয়ে ক'লে, 'পাহৰিম কেলেই? পিছে, আজিৰ প্ৰতিযোগিতাত যোগ দিবলৈ মোক আমাৰ স্কুলৰ পৰা নিৰ্ব্বাচন কৰিছে। কিন্তু মোৰ বৰ ভয় লাগিছে, চাৰ। মই যে আজিৰ বিষয়টোৰ বিষয়ে একো নেজানোঁ। চাৰহঁতৰ বহুতক 'পইণ্ট্' লিখি দিবলৈ কৈছিলোঁ। কিন্তু কোনেও নিদিলে, চাৰ। শেষত অন্য এজনৰ পৰা দুটামান 'পইণ্ট্' লিখাই আনিছোঁ।"

'অন্য এজনৰ পৰা'—এই কথাষাৰ ইলিৰ মুখত শুনি মোৰ যেন কেনে লাগিছিল। মই ঠিক হাঁহিব পৰা নাছিলোঁ। তথাপি হাঁহিবৰ চেষ্টা কৰি ক'লোঁ, "নাই নাই, 'পইণ্ট্'লৈ কোনো কথা নাই। নিৰ্ভয়ে, নিজৰ ওপৰত বিশ্বাস ৰাখি অনৰ্গল কৈ যাবা। সেয়েই যথেষ্ট এটি 'পজিচন্' পাবৰ বাবে।"

ইতিমধ্যে আৰু দুজনীমান ছোৱালী আহি ইলিৰ লগত থিয় হৈ মোক সম্ভাষণ জনাইছিল। তেওঁলোক ওলাই যোৱাত বাৰান্দাত ল'ৰাৰ

আক এটিয়েও প্ৰীতি-সম্ভাষণ যাচিলে। তাৰ পিছতে তৰ্ক-প্ৰতিযোগিতা আৰম্ভ হ'ল। ইলিয়ে যেতিয়া বক্তৃতা আৰম্ভ কৰিছিল তেতিয়া, সঁচা কথা কবলৈ গ'লে, মই অলপ বিপদতেই পৰিছিলোঁ। বিচাৰক হিচাপে মই নিজকে কিজানিবা পাহৰি যাওঁ বুলি মোৰ ভয় হৈছিল। তেওঁৰ বক্তৃতা প্ৰকৃততে কেনে হৈছিল তাৰ বিচাৰ কৰিবলৈ মই পাহৰিয়েই গৈছিলো। বক্তৃতাৰ শেষত যেতিয়া তেওঁৰ নামৰ বিপৰীতে নম্বৰ বহুৱাব লাগিল, মোৰ বিপদ তেতিয়া আৰু বেচি হ'ল। মই তেওঁক কিমান নম্বৰ দিম? এজন বিচাৰক হিচাপে তেওঁৰ বক্তৃতা মই যেনেদৰে শুনা উচিত আছিল, তেনেদৰে মোৰ চোন শুনাই নহ'ল? তথাপি নম্বৰ এটি বহুৱাই দিলো। ভয় হৈছিল, কিজানিবা এই নম্বৰ, আন দুজন বিচাৰকে দিয়া নম্বৰতকৈ বহুত ওপৰতেই হৈ যায়। পিছত আটাইবোৰৰে নম্বৰ যোগ কৰি 'পজিচন্' নিৰ্দ্ধাৰণ কৰাৰ সময়ত কিন্তু দেখিলোঁ, ইলিয়ে নম্বৰ কম পাইছে আটাইতকৈ মোৰ হাততেই। তৰ্ক-প্ৰতিযোগিতাৰ ফলাফলত দেখা গ'ল, ইলি প্ৰথম হৈছে। লগে লগেই মোৰ তেওঁক অভিনন্দন জনাবলৈ মন গৈছিল। কিন্তু মোৰ পৰা, অন্ততঃ মোৰ বিচাৰকৰ আসনৰ পৰা, ইলি তেতিয়া বহুত দূৰত। মই ভাবিছিলোঁ, তৰ্ক-প্ৰতিযোগিতা শেষ হোৱাৰ লগে লগে মই ইলিক তপ্ত সম্ভাষণ জনাম। তাৰ পিছৰ চাহ-মেলত তেওঁক মোৰ ওচৰতে বহুৱাই অনেক কথা পাতিম। কিন্তু সময়ৰ মূৰত দেখিলোঁ, সেইবোৰ একোৱেই নহ'ল। তৰ্ক-প্ৰতিযোগিতা শেষ হোৱাৰ লগে লগে ইলিৰ লগত সদায়ে এজাক ল'ৰা-ছোৱালী। তাৰ পিছৰ চাহ-মেলতো তেওঁ ল'ৰা-ছোৱালীবোৰৰ মাজতে আৰু মই অন্য দুই গৰাকী বিচাৰক, প্ৰতিযোগিতাৰ অধ্যক্ষ, প্ৰধান শিক্ষক, শিক্ষক আদিৰ লগত। চাহমেলখন কেনেকৈ শেষ হৈছিল মনত নাই। আশা আছিল, চাহ-মেলৰ পিছত ইলিক নিশ্চয় লগ পাম, আৰু আমি দয়োৰে ঘৰ একেই পিনে যেতিয়া কিছুদূৰ অন্ততঃ একেলগে যাম কথা পাতি পাতি।

এই আশাতেই চাহ-মেল কেতিয়া শেষ হ'ল ধৰিবই নোৱাৰিলো। চাহ-মেল শেষ হোৱাৰ লগে লগে বাৰান্দাত থিয় হৈ দেখোঁ, ৰাস্তাত ৰাখি থোৱা ফাৰ্ষ্ট ক্লাচ গাড়ী এখনৰ পৰা আটক ধুনীয়া ডেকা এজন ওলাই আহিল। ইলিয়েও তেওঁৰ প্ৰশংসামগ্ন স্কুলৰ বন্ধু-বান্ধৱীবোৰৰ মাজৰ পৰা ওলাই লগে লগে ডেকাজনৰপিনে আগবাঢ়ি গ'ল। মোৰ চকুৰ আগত তেওঁলোকে হাহি ধেমালিৰে অভিনন্দন, সম্ভাষণ আদিৰ আদান-প্ৰদান

কৰিলে। তাৰ পিছত ইলিৰ পুৰস্কাৰটো ডেকাজনে লৈ ইলিক আগবঢ়াই লৈ গ'ল, গাড়ীখনলৈ। অলপ পিছতেই গাড়ীখন ষ্টাৰ্ট দিলে আৰু ইলিক কাষত লৈ ডেকাজনে গাড়ীখন চলাই গুচি গ'ল। মই তেতিয়া খোজ-কাঢ়িয়েই আছিলোঁ। নে থিয় হৈয়েই আছিলোঁ, নিজেও ধৰিব নোৱাৰিছিলোঁ।

কেইজনমান ছাত্ৰ আহি অৱশেষত মোৰ সেই অস্থিৰ অৱস্থাত মোৰ সঙ্গ লৈছিল। অকলশৰীয়া বাটটোত মই তেওঁলোকৰ সৈতে মনে নিবিচৰা কথা-বোৰ পাতি পাতি ঘৰমুৱা হৈছিলোঁ। ক্ৰমে ক্ৰমে ছাত্ৰবোৰ এৰা দি দি তেওঁলোকৰ ঘৰলৈ গুচি গৈছিল। মানুহৰ আৰু গাড়ী-মটৰৰ ভিৰত খোজ দিবলৈ ঠাই নোহোৱা ব্যস্ত আলিবাটত মই অকলে অকলে খোজ কাঢ়িছিলোঁ। মোৰ দুশ্চিন্তাৰ সীমা নাছিল। লাগ-বান্ধ নোহোৱা অনেক ভাব। কিন্তু সেই আটাইবোৰ ভাবৰ মাজেৰে এটি প্ৰশ্নই বাৰে বাৰে মোক উদ্ব্ৰাৱল কৰি তোলে—'ইলিক গাড়ীত তুলি লৈ যোৱা সেই আটক ধুনীয়া ডেকাজন কোন ?'

পিছ দিনা গধূলি নলিনী আহি পায়। সি ভৰি-হাত ধোৱে মানে ল'ৰাটোক মই চাহ কৰিবলৈ পঠিয়াওঁ। ভৰি-হাত ধুই সি তাৰ কোঠা সোমোৱাৰ লগে লগে ময়ো গৈ তাৰ চকী এখনত বহি লওঁ। সি তাৰ বিছনাতে বহে। এনেতে চাহ আহি পালত দুয়ো চাহ খোৱাত লাগোঁ। চাহ খাই খাই সি মোক সোধে, "তোৰ খবৰ কি ? ইলিৰ তাত গলি ?"

মই ক'লোঁ, "ইলিৰ খবৰ আৰু মোক নুসুধিবি। মোৰ চব শেষ।"

"কেলেই ? ইলিহঁতৰ ঘৰলৈ গৈছিলি ?" সি সোধে।

"ঘৰলৈ নগ'লে জানো চব খবৰ শেষ হ'ব নোৱাৰে ? ইলিহঁতৰ ঘৰলৈ যোৱা মানুহতকৈ মই আজি কালি বহুত বেছি ডাঙৰ মানুহ, জান ? যদিও মোৰ মটৰ গাড়ী নাই। ইলিহঁতৰ ঘৰলৈ মোক কোনেও নামাতিলেও ইলিহঁতৰ স্কুললৈ ইলিহঁতৰ স্কুলে মোক নিমন্ত্ৰণ জনায়। এলা-পেচা কাৰণত নহয়। একেবাৰে আন্তঃগুৱাহাটী স্কুল তৰ্ক-প্ৰতিযোগিতাৰ বিচাৰকৰ আসন গ্ৰহণ কৰিবলৈ।"

"তৰ্ক-প্ৰতিযোগিতাৰ বিচাৰক ? তই ? বাঃ।" নলিনী চিঞৰি উঠে। তাৰ পিছত সি পুনৰ কয়, "ইলিয়ে যে ফাষ্ট হৈছে, তাক তো নুসুধিলেও হ'ব ; নহয় জানো ?"

মই কওঁ, "নিশ্চয়।"

"তেন্তে আৰু চব শেষ কিয় ?" সি মোক সোধে।

মই বিমৰ্ষতাৰে কওঁ, “এৰা, তথাপি। ‘ডিবেট’ৰ পিছত তেওঁক বহুত আশা কৰিও অভিনন্দন একেৰি জনাব নোৱাৰিলোঁ। কোনোবা এজন ডেকাৰ এখন ফাষ্ট ক্লাচত উঠি তেওঁ গুচি গ’ল। কিন্তু এইটো একো কথাই নহয়। তই তোৰ কথা ক। তোৰতো নিশ্চয় বহুত খবৰ আছে।”

সি ক’য়, “এৰা। খবৰ গোটেই কম নাই। ঘৰলৈ গৈ দেখিলোঁ, ঘৰৰ অৱস্থাৰ বিশেষ একো পৰিৱৰ্ত্তন নাই। আই মাথোন আগতকৈ বুঢ়া হৈছে। আইৰ মোৰ প্ৰতি আকৰ্ষণ হয়তো বহু দিনৰ মূৰত যোৱা কাৰণেই আৰু অলপ বঢ়া যেন পালো। দাদা আগৰ দৰেই মোৰ প্ৰতি উদাসীন যদিও এটি কথাত বেচ মনোযোগ দিয়া যেন পালোঁ—মোৰ বিয়াখন পাতি দিয়াত। অৱশ্যে বিয়া হেনো অহাবাৰ ফাইনেল পৰীক্ষাৰ পিছতহে পাতিব। কিন্তু তাৰ বাবে ছোৱালী ঠিক কৰিবৰ সময় হৈছে এতিয়াৰ পৰাই। বৌৰ হতুৱাই দাদাই সুধাইছিল, মোৰ ইতিমধ্যে কোনোবাজনী ভাগ্যৱতী ঠিক কৰি থোৱা আছে নেকি? যদি নাই, ময়েই ঠিক কৰিম, নে সেই ভাৰটো তেওঁলোকে লব লাগিব? মই ক’লোঁ, ‘ক’ত কিমান ঠিক কৰিলোঁ এতিয়ালৈকে তাৰ কোনো হিচাব নাই।’ বৌয়ে হাঁহি ক’লে, ‘কিন্তু আমাক বিয়াৰ বাবে এজনীহে লাগে।’ ময়ো ক’লোঁ, ‘নাই। বিয়াৰ বাবে এজনীও নাই দেই।’ বৌয়ে পুনৰ হাঁহিছিল। মোক কৈছিল, ‘তুমিও আৰু পুৰুষনে। তেন্তে সেই ভাৰ আমাক দিয়া। আমি একেদিনাই ঠিক কৰি দিম’।”

মই ক’লোঁ, “তোলৈ ছোৱালী চাইছেনেকি কৰবাত তেওঁলোকে?”

সি ক’লে, “হিচাব নাই। আইৰ আৰু বৌৰ মত, মোলৈ বোলে ৰাজ্যৰ সকলোৱেই ছোৱালী দিব খোজে। এই ‘ৰাজ্যৰ সকলোবোৰ’ মানহৰ বিশেষ বতৰা কি শুনিবি।”

মই তাক সুধিলো, “তই কি উত্তৰ দি আহিলি?

“মোৰ জানো উত্তৰ দিবলৈ কিবা আছে?” সি মোক ওলোটাই সুধিলে। মই মনে মনে থাকিলোঁ। অলপ পিছতেই নলিনীয়ে পুনৰ ক’লে, “কিন্তু মোৰ আচল খবৰটো তোকতো কোৱাই নাই। শুন। ঘৰলৈ যোৱাৰ পিছদিনাই মই মানসপ্ৰভাহঁতৰ ঘৰলৈ ওলালোঁ। যেতিয়া মানসপ্ৰভাহঁতৰ ঘৰ পাওঁ, তেতিয়া সাঁজ লাগিছে। গধুলিৰ আন্ধাৰবোৰ লাহে লাহে, সাৰ-সুৰ নোহোৱাকৈ নামি আহিবলৈ ধৰিছে সেই গাৱঁলীয়া সৰু চহৰখনিলৈ।

"মনত এটি সংকোচৰ ভাব লৈ মই সোমাই গ'লোঁ। মাধৱী লতাডালিৰে আগুৰা তেওঁলোকৰ পদলিৰে চোতাললৈ। চোতালৰ একোণত কাৰোবাৰ এটি ছায়ামূৰ্ত্তি। কোননো সেইজনী না আন্ধাৰ না-পোহৰ সেই পৰিবেশত ধৰিব নোৱাৰি মোৰ সংকোচ আৰু বেচি হৈছিল। সেই ছায়ামূৰ্ত্তিটোত বাহিৰে চোতালত নাইবা চোতালৰ পৰা দেখিব পৰা আন কোনো ঠাইত তেতিয়া আৰু কোনো মানুহ নাই। আন কি মানুহৰ সাৰ-সুৰো নাই এধানিও। কাক মাত দিম, কি কৰিম—এনেবোৰ প্ৰশ্নত মই থকা-সৰকা হ'লোঁ। এনেতে চকী এখনত দেহটো এৰি দি অলসভাবে বহি থকা সেই ছায়ামৰ্ত্তিটিয়ে মাত দিলে, 'সেইজন নলিনানেকি ?' মই জঁপিয়াই উঠিলোঁ অভাৱনীয় আনন্দত। এয়া যে মানসপ্ৰভাৰ মাত। মই, 'এয়া তুমিহে' বুলি আনন্দ আৰু আশ্চৰ্য্যৰ এক সংমিশ্ৰিত স্বৰত কৈ উঠাৰ লগে লগে, তেওঁ আথে বেথে উঠি নিজে বহি থকা চকীখন এৰি দি ক'লে, 'বহা।' কিন্তু তেওঁ ভিতৰলৈ গৈ আন এখন চকী নানে মানে মই থিয় হৈ ৰ'লোঁ। আনখন চকী চোতালৰ সেই কোণটিলৈ আনি তেওঁ তাত বহাত মযো মোৰ আসন গ্ৰহণ কৰিলোঁ। তাৰ পিছত পৰম আন্তৰিকতাৰে সেই গধূলিৰ পাতল আন্ধাৰতে তেওঁ মোক তেনেই ওচৰৰ পৰা সুধিলে, 'কোৱাচোন, কৰপৰা ওলালা আজি ইমান দিনৰ মূৰত।' মই ক'লোঁ, 'এম. এ. ফাইনেল দি ডাঙৰ মানুহ হ'লা নহয় ; আমাৰতো বিচাৰ লবলৈ তোমালোকৰ সময়েই নাই। তথাপি আমিয়েই তোমালোকক বিচাৰি আহিলোঁ। সৰু মানুহ বুলি খেদি নপঠোৱাতো ?'

" 'বিচাৰি যদি ফুৰাই, আজি ইমান বছৰে কি কৰিছিলা ?' মানসপ্ৰভাৰ প্ৰশ্ন।

"ইয়াৰ উত্তৰত মই কি কম বহু সময়লৈ ভাবি পোৱা নাছিলোঁ। পিছত ক'লোঁ, 'ইয়াৰ আগতে বিচাৰি উলিয়াবলৈ তুমি জানো ইয়াত আছিলা ? আৰু বিশ্ববিদ্যালয়ৰ ছোৱালী হ'ষ্টেললৈ আমাৰ দৰে ক্ষুদ্ৰ প্ৰাণীয়ে যোৱা জানো সম্ভৱ ?'

"এইবাৰ মানসপ্ৰভা অলপ নীৰৱ হৈ ৰ'ল। তাৰ পিছত ক'লে, 'এৰা, মযো বহুদিন ধৰি ঘৰলৈ অহাই নাছিলো, নহয়। বন্ধবোৰত গুৱাহাটীৰ ভিনদেউহঁতৰ ঘৰখনতে থকা যায়। পিছে ছোৱালী হ'ষ্টেললৈ যদি তুমি নোযোৱা, তেন্তে ভিনদেউহঁতৰ ঘৰত গৈয়োতো বন্ধবোৰত লগ ধৰিব পাৰিলাহেঁতেন, মোক যদি তুমি সঁচাকৈয়েই ইমান বিচাৰা। নে তেতিয়াও তোমাৰ ব্ৰহ্মচৰ্য্য ভঙ্গ হয় ?'

"মই কলোঁ, 'কেৰাণী মানুহ এজন তোমালোকৰ ভিনদেৱেৰাৰ দৰে ডাঙৰ মানুহ এজনৰ ঘৰলৈ যাবেঁই বা কেনেকৈ ?'

"মানসপ্ৰভা মোৰ এই কথাৰ পিছত পুনৰ নীৰৱ হ'ল। কিছু সময়ৰ পিছত তেওঁ পুনৰ ক'লে, 'তুমি চাকৰি এৰি পুনৰ পঢ়া শুনি সঁচাকৈয়ে বৰ ভাল লাগিছিল। তোমাৰ দৰে ল'ৰা এজনে কেতিয়াও তেনেকৈ অফিচত সোমাই প্ৰতিভা নষ্ট কৰা উচিত নহয়।'

"মই ক'লোঁ, 'এতিয়ানো কি বৰ ভালতো কৰিলোঁ, চাকৰিটো এৰি ?'

"তেওঁ ক'লে, 'কেলেই, এতিয়া তোমাৰ প্ৰতিভাৰ বিকাশ হ'ব।' তেওঁৰ এই কথাত মই সুধিছিলোঁ, 'লাভ কি হ'ব প্ৰতিভাৰ বিকাশ হোৱাৰ পৰা ? মই চোন যিমানেই ওপৰলৈ উঠি গৈছোঁ, অন্ততঃ মানুহৰ চকুত, সিমানে অসুখী, সিমানেই নিঃসঙ্গ হৈ যাব লাগিছোঁ।'

"মানসপ্ৰভাই মোৰ মুখত এই কথা শুনি কৈ উঠিল, 'অসুখী আৰু নিঃসঙ্গ হোৱাৰ কথা কৈছা ? তুমিও ? তুমিতো অসুখী হ'বৰ বাবে, নিঃসঙ্গ হ'বৰ বাবে জন্মা নাছিলা, নলিনী। তোমাৰ প্ৰতিভা আছে, তোমাৰ এটি দৃঢ় মন আছে। গতিকে তোমাৰ কি নাই ? তুমি চিৰ সুখী, তোমাৰ চাৰিওফালে অগণন সঙ্গী। অসুখী মই, নিঃসঙ্গ মইহে, নলিনী। এই গধূলিৰ আন্ধাৰত অকলে অকলে, মনে মনে মোক বহি থকা দেখিছিলা নহয় ? এয়েই মোৰ জীৱন, মোৰ জীৱনৰ দশা। তুমি অসুখী, আৰু নিঃসঙ্গ বুলি নকবা, নলিনী।' তেওঁৰ কথাবোৰ আৱেগ-আপ্লুত হৈ পৰিছিল। মোৰ তেওঁক বৰ অস্বাভাৱিক লাগিছিল ঃ ইমান ভাবোচ্ছ্বাসত মই মানসপ্ৰভাক আগতে কেতিয়াও লগপোৱা নাছিলোঁ।

"তেওঁৰ আৱেগে, তেওঁৰ ভাব-প্ৰৱণতাই মোকো আৱেগ-সিক্ত আৰু ভাব-প্ৰৱণ কৰি তুলিছিল। এজাক পাতল বতাহ ফিৰ ফিৰকৈ বলি আছিল। সেই বতাহত মানসপ্ৰভাৰ ওচৰতে ফুলি থকা ৰজনীগন্ধাজুপিৰ পৰা এটি গোন্ধ ভাঁহি আহি মোক উত্ৰাৱল কৰি তুলিছিল। আকাশত তেতিয়া পঞ্চমী নে ষষ্ঠীৰ কাঁচিজোন। জোনাকৰ ক্ষীণ আভাত মই মানসপ্ৰভাৰ মুখখন কোনোমতে মণিব পাৰিছিলোঁ। গধূলিৰ আন্ধাৰ আৰু ক্ষীণ জোনালী আভাৰ সংমিশ্ৰণত মানসপ্ৰভাক মোক অপূৰ্ব্বসুন্দৰী যেন লাগিছিল। ৰজনীগন্ধাৰ সুৰভীৰে মিশ্ৰিত হৈ উঠা বতাহজাকে মোৰ দেহ-মনত যেন এক অতীন্দ্ৰিয় অনুভূতিৰ সৃষ্টি কৰিছিল। তেনে অৱস্থাত মানসপ্ৰভাকো মোৰ কিবা এক অশৰীৰী সৌন্দৰ্য্যৰ এটি

ছায়ামূৰ্ত্তি যেনহে লাগিছিল। স্বতঃস্ফূৰ্ত্তভাবেই মোৰ মনৰ পৰা তেতিয়া এই কথাবোৰ ওলাই আহিছিল, 'মই কিমান অকলশৰীয়া, তুমি তাক কাহানিও নুবুজিবা, মানসপ্ৰভা। গুৱাহাটীৰ অগণন জনতাৰ মাজতো মই অকলশৰীয়া ; মানুহৰ চকুত, অন্ততঃ তোমাৰ চকুত এনে এক প্ৰতিভাশালী দৃঢ়মনা ছাত্ৰ হৈয়ো, মই অসুখী, দৰিদ্ৰ।'

"মানসপ্ৰভাই এইবাৰ কৈছিল, তোমাৰ এই ৰোগৰতো অতি সহজে দৰৱ গোটাই লব পাৰা। অহাবাৰ ফাইনেলটো দি কোনোবা এজনী মানসকুঁৱৰীক নিজৰ কৰি লোৱা। তেতিয়াতো আৰু নিঃসঙ্গ অনুভৱ নকৰা, অসুখী নোহোৱা।'

"মই ক'লো 'সেইটোতো তুমিও কৰিব পাৰা।' মানসপ্ৰভাই মোৰ এই কথাত হাঁহিছিল নে কান্দিছিল মই সেই নিস্তেজ জোনাকত ঠিক ধৰিব পৰা নাছিলোঁ। কিন্তু তেওঁৰ মাতত আবেগৰ কম্পন। তেওঁ কৈছিল, 'নাই, নাই, নলিনী। মোৰ এই ৰোগৰ কোনো দৰৱ নাই। মই মোৰ এই নিঃসঙ্গতাৰ অহৰহ তাড়নাত, এই মোৰ অসুখত দেই পুৰি মৰিম আজীৱন। মোৰ জীৱনত আৰু কোনো আশা নাই। যি আশা আছে, তোমাৰ জীৱনতে আছে।'

"মই তেওঁৰ কথা একোকে বুজি পোৱা নাছিলোঁ। তেনেই অবুজ সৰু ল'ৰা এটিৰ দৰেই মই তেওঁক সুধিছিলোঁ, 'মই যেনেকৈ বিয়া কৰাই সুখী হ'ম বুলি কৈছা, তুমিও জানো তেনেকৈ বিয়া কৰাই সুখী হ'ব নোৱাৰা ?'

"মানসপ্ৰভাই তৎক্ষণাৎ কৈ দিলে, 'মই কাকো ফাঁকি দিব নোৱাৰোঁ, নলিনী।' তেওঁৰ কথাবোৰ মোৰ বাবে আৰু বেচি দুৰ্ব্বোধ্য হৈ পৰিছিল। মই তেওঁৰ মুখখনলৈ ভালকৈ চাবলৈ চেষ্টা কৰিও বিফল হৈছিলোঁ। জোনটো তেতিয়া লাহে লাহে মাৰ যাব ধৰিছিল। আমাৰ চতুৰ্দ্দিশ আৰু বেচি আন্ধাৰ, আৰু বেচি ৰহস্যময় হৈ পৰিছিল। হঠাৎ মানসপ্ৰভাই কৈছিল, 'অ', তোমাক এটোপা চাহো দিয়া নাই, নহয় ? ৰবা দেই। ঘৰততো কোনেও জনাও নাই তুমি অহা বুলি। ময়ো ইমান পাগলী। এইবোৰ পাহৰিয়েই গৈছোঁ।' তেওঁ ঘৰ সোমাই গ'ল। মোৰ চতুৰ্দ্দিশে গধূলিৰ সেই বতাহজাক একে ধৰণে বলি থাকিল ; আৰু সেই বতাহত ভাঁহি থাকিল মানসপ্ৰভাৰ ৰজনীগন্ধাজুপিৰ সেই মন উত্ৰাৱল কৰা গোন্ধটো।

"অলপ পিছতেই মানসপ্ৰভাৰ মাকে লেম এটা লৈ আহি মোৰ চকুৰ আগত দাঙি ধৰিলে আৰু মোৰ মুখলৈ চাই ক'লে, 'তুমি ইমান দিনৰ

মূৰত আহিছা ; অথচ তাই এই চোতালৰ কোনটোতে বহুৱাই ৰাখিছে ইমান পৰে। আহা, ভিতৰলৈ আহা।'

"মোৰ বাহিৰৰ আন্ধাৰত তেনেকৈ বহি থাকিয়েই ভাল লাগিছিল। মই সঁতকাই ভিতৰৰ পোহৰলৈ যাব নিবিচাৰিছিলোঁ। কিন্তু মোৰ আপত্তি নৰজিল। মানসপ্ৰভাৰ মাকৰ পিছে পিছে গৈ তেওঁলোকৰ ড্ৰয়িং-ৰুমত বহিলোঁ গৈ। মাকে তেখেতৰ মাতৃস্নেহেৰে মোক ইটো সিটো কথা সুধি আছিল—আমাৰ ঘৰৰ খবৰ কি, আইৰ খবৰ কি, ঘৰলৈ মই ইমান কমকৈ কিয় আহোঁ, কোনদিনা উভতি যাম, এম্. এ. পাচ কৰি কি কৰিম—ইত্যাদি বহুতো কথা। এইবোৰৰ ভিতৰত মানসপ্ৰভাৰ মাকে আটাইতকৈ উল্লেখযোগ্য কথা যিষাৰ পাতিলে সেয়া হ'ল, এম্. এ. টো পাচ কৰাৰ লগে লগেই মই মোৰ বিয়া পাতিব লাগিব হেনো। এনেবোৰ কথা চলি থাকোঁতেই চাহ-জলপান লৈ মানসপ্ৰভা সোমাই আহিল আমাৰ কোঠালৈ। লেমৰ পোহৰত মানসপ্ৰভাৰ সেই যি চেহেৰা দেখিলোঁ, তাক দেখিয়েই মই অবাক হৈ গ'লোঁ। এয়াতো মোৰ পূৰ্ব্বৰ সেই মানসপ্ৰভা নহয়, চৰ্ম্মকংকালসাৰ, কোটৰগতনয়না, অকালবৃদ্ধা এই নাৰী যেন মোৰ অপৰিচিতা। পৰম বিস্ময়ত মই তেওঁৰ মুখৰ পিনে তধা লাগি চাই থাকিলোঁ। তেওঁ কৈছিল, 'চাইছা কি মোৰ মুখৰ পিনে ? খোৱা।' তেওঁৰ কণ্ঠত অথচ মোৰ সেই আগৰ চিনাকি কণ্ঠস্বৰ, তেওঁৰ মুখত মোৰ সেই আগৰ চিনাকি হাঁহিটি।

"মই তেওঁৰ এই মৰমৰ আদেশ মানিব নোৱাৰিছিলোঁ সহজে। মই তেওঁৰ মুখৰ পিনে চায়েই ৰৈছিলোঁ পৰম বিস্ময়ত। তেওঁ পুনৰ খাবলৈ নিৰ্দ্দেশ দিয়াত মই খাবলৈ আৰম্ভ কৰিলোঁ। কিন্তু মোৰ মনত মানসপ্ৰভাৰ স্বাস্থ্যটিৰ এই পৰিৱৰ্ত্তনৰ কি কাৰণ হব পাৰে, সেই ভাব বোৰেই এনেকৈ জুমুৰি দি ধৰিলে যে মই অকল মনোযোগিতাৰে খাবই যে নোৱাৰিলোঁ তেনে নহয় ; মোৰ সোঁকাষে চকী এখনত বহি থকা মানসপ্ৰভাৰ মাক, আৰু মোৰ সমুখত থিয় হৈ থকা মানসপ্ৰভা—তেওঁলোকৰ স'তেও মই আন্তৰিকতাৰে সেই সময়ত কোনো কথা পাতিব নোৱাৰিলোঁ।"

মই নলিনীক সুধিলোঁ, "মানসপ্ৰভাই যে বাহিৰৰ বাৰান্দাত বহি থাকোঁতে তোক কৈছিল, তেওঁ বিয়া কৰাব নোৱাৰে ; কাৰণ তেওঁ কাকো ফাঁকি দিব নোৱাৰে, তাৰ অৰ্থ কি ? তেওঁৰ স্বাস্থ্যৰ এই অভাবনীয় পৰিৱৰ্ত্তনতেই সেই কথাৰ তাৎপৰ্য্য লুকাই আছেনেকি ?"

নলিনীয়ে মোৰ প্ৰশ্নত কোনো আগ্ৰহ নেদেখুওৱাকৈ কৈ উঠিল, "মানসপ্ৰভাৰ সকলো কথাই মোৰ বাবে ৰহস্য হৈয়েই ৰ'ল বেদান্ত— সেইদিনা গধূলিৰ নিস্তেজ জোনাক আৰু পাতল আন্ধাৰৰ, গধূলিৰ বতাহ আৰু ৰজনীগন্ধাৰ সুৰভিৰ সংমিশ্ৰণৰ সেই ৰহস্যময় পৰিবেশৰ দৰেই ।

"ইয়াৰ পিছত মাক ভিতৰলৈ গ'ল আৰু মানসপ্ৰভাই লেমটো হাতত লৈ মোক আগবঢ়াই দিবলৈ ওলাই আহিল । চোতাল পাই তেওঁ মোৰ তেনেই ওচৰ চাপি আহিল আৰু সুধিলে, 'ইউনিভাৰচিটি হষ্টেলত থাকোঁতে তোমাৰ বিষয়ে এটি কথা শুনিছিলোঁ । সঁচানে ?' মই ক'লোঁ, 'কি কথা ?' তেওঁ ক'লে, 'দেৱিকা নামৰ এজনী ছোৱালীৰ সৈ'তে তোমাৰ সম্পৰ্কৰ কথা ।' মই ক'লোঁ, 'যদি শুনিছাই, মোৰনো আৰু কবলৈ কি আছে ? মানুহৰ লগত মানুহৰ সম্পৰ্ক হ'লে তাতনো বৈচিত্ৰ্য কি আছে ?' তেওঁৰ কথাত এইবাৰ কৰ্ত্তৃত্বৰ সুৰ, 'ইতো মানুহৰ সৈতে মানুহৰ সম্পৰ্ক নহয় । এজন ডেকাৰ সৈতে এজনী গাভৰুৰ সম্পৰ্ক । তোমাৰ দৰে ল'ৰা এজনে আৰু ছোৱালী নাপাবা ? পঢ়ি থকা অৱস্থাতেই তেনে এজনী ছোৱালীক লৈ যে বলিয়া হৈছা ?'

"আমি তেতিয়া ধীৰ গতিত খোজ দি দি কথা পাতিছিলোঁ । তথাপি আমি আহি তেওঁলোকৰ পদূলিমুখ পাইছিলোঁহি । মাধৱীলতাডালিৰে আবৃত ধেনুভিৰীয়া পদূলিটোৰ তলত দুয়ো থিয় হৈ ৰৈছিলোঁ । মই তেওঁক সুধিছিলোঁ, 'তেনে এজনী ছোৱালী মানে ? দেৱিকাক তুমি বেয়া ছোৱালী বুলি কব খুজিছানেকি ?' মানসপ্ৰভাই তৎক্ষণাৎ উত্তৰ দিলে, 'দেৱিকাক ভাল ছোৱালী বুলিনো কেনেকৈ জানিলা ? কিমান দিনৰ পৰাই বা জানা সেইজনী ছোৱালীক ?' ইতিমধ্যে মই মানসপ্ৰভাৰ পৰা কিছু আঁতৰি আহিছিলোঁ ৰাজবাটলৈ । মই তেওঁক ক'লোঁ, 'দেৱিকাক মই নিশ্চয় বহুদিন আগৰ পৰা নাজানোঁ । কিন্তু মোৰ উপায় কি ? যাক আমি বহুদিনৰ পৰা জনা বুলি ভাবোঁ, যিয়ে আমাকো জানে বুলি ভাবোঁ, আমাক বুজি পায় বুলি ভাবোঁ, সেইবিলাকতো আমাৰ পৰা সৰ্পিণীৰ দৰে ফণা মেলি আঁতৰি যায় । গতিকে আৰু গত্যন্তৰ ক'ত, তেনে এজনী বহু দিনৰ পৰা নজনা ছোৱালীৰ লগতেই সম্পৰ্ক নকৰি ?'

"মানসপ্ৰভাৰ মুখৰ বৰণ তেতিয়া কেনে হৈছিল, তাক দেখিবলৈ মোৰ উপায় নাছিল । ইতিমধ্যে মই তেওঁৰ পৰা বহুতোখিনি আঁতৰি আহিছোঁ আন্ধাৰ বাটটোৰে । তথাপি এবাৰ উভতি মই চাই পঠিয়ালোঁ । আন্ধাৰত

মানসপ্ৰভাক মই ভালকৈ মনিব নোৱাৰিলোঁ। মাথোন দেখিলোঁ, পদূলিত গ্ৰীষ্মকালৰ ফুলহীন সেই মাধৱীলতাডালিৰ তলত তেতিয়াও বৈ আছে এটি নিস্তেজ পোহৰ।”

নলিনীৰ মাতটো যেন কিছু অস্বাভাৱিক হৈ ওলাইছিল। সি বৈ গৈছিল। ময়ো নীৰৱে আছিলোঁ।

ইয়াৰ কিছুদিন পিছতেই আমাৰ ‘এম্. এ. প্ৰিভিয়াচ্’ পৰীক্ষাৰ খবৰ ওলাইছিল। নলিনীয়ে প্ৰথম শ্ৰেণীৰ নম্বৰ পাইছে। মোৰ খবৰো হতাশাজনক নহয়। উচ্চ দ্বিতীয় শ্ৰেণীৰ নম্বৰ ৰাখি পাচ কৰিছোঁ। ইমান দিনে নলিনীয়ে পৰীক্ষাৰ খবৰটোলৈকেই বাট চাই আছিল। তাৰে চেলু লৈয়েই যাতে সি দেৱিকাৰ ওচৰলৈ যাব পাৰে। নম্বৰ কিটা পোৱাৰ লগে লগেই তাক আৰু পায় কোনে? সেই দিনা আবেলিয়েই উঠিল গৈ দেৱিকাহঁতৰ ঘৰত। গধূলি উভতি আহি তাৰ কথাৰ শেষ নাই। আহিয়েই ক’লে, “শুন মোৰ কাহিনী। মন দি শুনিবি—যাতে মোৰ কথা শেষ হোৱাৰ পিছত ইয়াৰ তাৎপৰ্য্য কি মোক কব পাৰ। মই গৈ পোৱাৰ লগেই লগেই দেৱিকাই মুখত এমোকোৰা হাঁহিৰে মোক অভিনন্দন জনালে।” তাৰ পিছত সি হেনো সুধিলে, ‘পিছে মই পাচ কৰিছোঁ নে নাই আপুনি জানেতো?’ দেৱিকাই হেনো ক’লে, ‘আপুনি ফেল কৰিলে, ‘ফেল’ শব্দটোৰ অৰ্থ ওলোটা হৈ যাব নালাগিব জানোঁ? কিন্তু এই পৰ্য্যন্ত ‘ফেল’ শব্দটোৰ অৰ্থ ‘ডিক্স্‌নাৰী’ততো আগৰ দৰেই আছে।’

“দেৱিকাৰ এই কথাত বেচ flattared হৈ গৈছিলোঁ, বুজিছ? কিন্তু মোৰ নম্বৰখিনিৰ কথাহে তেওঁক কবলৈ মন। কিন্তু কওঁ কি বুদ্ধিৰে। অৱশেষত এটি বুদ্ধি ওলাল। মই কলোঁ, ‘প্ৰিভিয়াচ্’ পৰীক্ষাৰ পাচ-ফেলৰ খবৰৰতো কোনো মূল্য নায়েই; আনকি উচ্চ নম্বৰ পোৱাৰো কোনো মূল্য নাই। কাৰণ, ফাইলেনত ইয়াৰ সম্পূৰ্ণ ওলোটা হৈয়ো যাব পাৰে। মোৰ নম্বৰৰ কথা শুনি যিবিলাকে মোক অভিনন্দন জনায়, সেই বিলাকক মই এই কথাই বুজাওঁ।’ মোৰ বুদ্ধিয়ে ফল ধৰিলেদেই। তেওঁ ক’লে, ‘আপুনি উচ্চ নম্বৰ পাইছে, নহয়? প্ৰথম শ্ৰেণীৰ নম্বৰ পাইছে চাগৈ। এৰা, মই ভাবিছিলোঁৱেই আপুনি প্ৰথম শ্ৰেণীৰ নম্বৰ পাব বুলি।’ মনে মনে মই তেতিয়া গপত গঙাটোপ। মুখত কিন্তু মাত নাই। নম্ৰতাই যেন মোক বোবা কৰি পেলাইছে, তেনে ভাব।”

নলিনীৰ কথাত মই নাহাঁহি নোৱাৰিছিলোঁ। হাঁহি হাঁহি তাক সুধিলোঁ, “তোৰ সুখবৰৰ আনন্দৰ ভাগ মাক-দেউতাকহঁতে ললেনে নাই?”

সি ক'লে, "শুন না। নলব কেলেই? অলপ পিছুতে দেউতাক সোমাই আহিল। মোৰ খবৰ ভিতৰত দেৱিকাৰ মুখতেই শুনি আহিছিল। তেখেতে ক'লে, 'তোমাৰ খবৰ শুনি বেচ আনন্দ পালোঁ। ভাল ল'ৰা; ভাল কৰিছা। শুনি আমাৰো ভাল লাগিছে। অহা বাৰলৈ আৰু ভালকৈ পঢ়া। তুমিতো 'ব্ৰিলিয়েণ্ট্ কেৰিয়াৰ'ৰ ল'ৰা; তোমাৰ এটা 'ব্ৰাইট্ ফিউচাৰ্ আছে'।"

কথাখিনি কৈ নলিনীয়ে মোৰ পিনে চাইছিল। মই ক'লোঁ, "তোৰ ভবিষ্যতৰ কথা দেৱিকাৰ দেউতাকে ভাবিছে। ইয়াতকৈ ডাঙৰ আশ্বাস তোক আৰু কি লাগে? তই পালি অ', দেৱিকাক।"

সি ক'লে, "কিন্তু ৰবি। আৰু আছে। অলপ পিছত মাকো আহি আমাৰ ওচৰতে বহি আমাৰ সমূহীয়া আনন্দত যোগ দিলে। তেওঁ মূৰৰ ঘূৰণি উঠি পৰি আছিল। তথাপি বিছনাৰ পৰা উঠি আহিছে; মন কৰিবি। তেখেতসকলে মোক সুধিলে, মোৰ গাওঁ ওচৰৰ চহৰখনৰ পৰা কিমান দূৰ। ঘৰত মোৰ কোন কোন আছে। কোনে কি কৰে। এই খিনিতে অলপ মই মিছা কথা ক'লোঁ দেই। ঘৰত দাদা আৰু আই থকা বুলি ঠিকেই ক'লোঁ। কিন্তু দাদাই যে হাল বাই খেতি কৰিহে কোনোমতে পেট পোহে, তাকনো কেনেকৈ চিধাই কৈ দিয়? গতিকে ক'লোঁ, 'ঘৰত যথেষ্ট খেতিৰ মাটি আছে। তামোল-পাণৰ বাৰী এখনো আছে। সেইবোৰ চোৱা-মিলা কৰে দাদাই'।"

মই তাক আশ্বাস দিলোঁ, "এইটো একো ফাঁকি নহয়। আজিকালি ভদ্ৰ সমাজত ফাঁকিৰ আশ্ৰয় নহ'লে জানো ভদ্ৰলোক বুলি বৰ্ত্তি থাকিব পাৰি? তই সেইখিনি ফাঁকি দি এই ভেঁজালৰ যুগতো নিৰ্ভেজাল ভদ্ৰ-লোকৰেই পৰিচয়েই দিছ।"

তাৰ পিছত সি ক'লে, "তেখেতসকলে মোক আৰু সুধিলে, ভবিষ্যতে মই কি কৰিম। এই কথাৰ উত্তৰ দিবলৈ গৈ মই বিপদত পৰিছিলোঁ দেই। প্ৰথমে ভাবিলোঁ, এখেতে চৰকাৰী চাকৰি কৰে যেতিয়া ময়ো আই. এ. এছ্. কম্পি্ট্ কৰি চৰকাৰী চাকৰিয়েই কৰিম বুলি কৈ দিওঁনেকি? তাৰ পিছত ভাবিলোঁ, নাই, কোনেও নিজৰ কামটো কেতিয়াও ভাল নেপায়। গতিকে কওঁ, পাচ কৰাৰ পিছত পাৰিলে বিশ্ববিদ্যালয়ত আৰু নোৱাৰিলে কোনোবাখন কলেজত সোমাই শিক্ষকতা কৰিম। কিন্তু পুনৰ ভাব হ'ল, আজি কালি মানুহেতো উপৰুৱা পইচা নথকা চাকৰি কৰা লোকক মানুহৰ মূল্য নিদিয়ে। দেৱিকাৰ দেউতাকৰ

দৰে এজন উচ্চ পদবীৰ চাকৰিয়ালে, তেনেস্থলত, ধৰা-বন্ধা দৰ্ম্মহাৰ শিক্ষকক কিজানি দেখিলেই গা অশুচি হোৱা বুলি গঙ্গা-স্নান কৰিব। গতিকে মই ক'লোঁ, 'চাকৰিৰ কথা মই এতিয়াও ভবাই নাই। এম্. এ.তো পাচ কৰি লৈ গৱেষণাৰ বাবে বিলাতলৈ যাবলৈ চেষ্টা কৰিম। গবেষণা শেষ কৰি বিলাতৰ পৰা উভতি আহিহে চাকৰিৰ কথা ভাবিম।' মোৰ কথা শুনি, মাক-দেউতাক আৰু দেৱিকা—সকলোৱে মোক প্ৰসংশা কৰিলে, বুজিছ ?"

মই তাক ক'লোঁ, "কিন্তু তই তেনেকৈ কৈ বৰ ভাল নকৰিলি, নলিনী। তই ইমান ডাঙৰ দেখুৱালি যে তই যেন কন্যাদায়গ্ৰস্ত পিতৃমণ্ডলীয়ে ঢুকি পাব পৰা সীমাৰ বহুত ওপৰৰ এটি প্ৰাণী। তই বিলাতী ডক্টৰেট ডিগ্ৰী এটি লবি—সেইটো বাৰু ভাল কথা কলি। কিন্তু চাকৰিৰ কথা এতিয়াও একেবাৰে ভবাই নাই মানে তইতো নিশ্চয় বিয়াৰ কথাও ভবা নাই বুলি কোৱা হ'ল। এনে স্থলত দেৱিকাক তেওঁলোকে কেনেকৈ যাচিবলৈ সাহস কৰিব তোলৈ? বৰং তই কব লাগিছিল, পৰীক্ষাৰ পিছত খবৰ ভাল হ'লে গুৱাহাটীতে ভাল চাকৰি এটা বিচাৰি লবি। কাৰণ, দেউতাকবোৰে নাভাবিলেও মাকবোৰে অন্ততঃ নিজৰ ছোৱালীক সহজে হাতেৰে চকি পোৱাতে ৰাখিবলৈ বিচাৰে, জানিবি; ল'ৰা লাগে অলপ আশা কৰাতকৈ নিম্নস্তৰৰেই হ'ল।"

মোৰ কথাত নলিনীয়ে যেন প্ৰত্যয় মানিলে। সি ক'লে, "উঃ, এই উপদেশ দিবলৈ তই যদি মোৰ তেতিয়া লগতে থাকিলিহেঁতেন।"

মই তাক উৎসাহ দিবলৈ কওঁ, "কিন্তু তাৰ বাবে তই অনুশোচনা কৰিবলগীয়া একো নাই। মুঠতে, দেৱিকাক যে তোলৈ দিয়াৰ কথা মাক-দেউতাকে ভাবিছে, এই কথাত সন্দেহ নাই। আৰু দেৱিকায়ো যে তোক ভাল পায়, তাৰ প্ৰমাণতো পাবলৈ বাকী নায়েই।"

সি ক'লে, "কিন্তু ৰবি না। কথা এতিয়াও শেষ হোৱা নাই। মই অহাৰ আগে আগে মাকে ক'লে, 'আমাৰ দেৱিকা বৰ নাৰ্ভাচ্ ছোৱালী। তাই এইবাৰ তাইৰ নাৰ্ভাচ্‌নেছৰ বাবেই পৰীক্ষা সম্পূৰ্ণকৈ দিব নোৱাৰিলে। তোমাৰ ওপৰত তাইৰ অশেষ আস্থা। গতিকে, আমিও তোমাকেই আশা কৰিলোঁ, তাইক নোট্-চোট্ যিহেৰে যেনেকৈ পৰা সহায় কৰি সৰকাই নিয়া।"

এই কথা শুনাৰ লগে লগে মই নলিনীৰ হাতত ধৰি 'হেণ্ডচেক্' কৰিলোঁ। তাক ক'লোঁ, "তই ঠিক কৈছতো? তেন্তে হৈছে আৰু দেৱিকা আজিৰ পৰাই তোৰ হ'ল।"

সি ক'লে, "আৰু শুন। ধৈৰ্য্য ধৰ। দেৱিকাই মোক আগবঢ়াই দিবলৈ পদূলিলৈ আহিছিল। ল'ন্ থনৰ মাজেদি পাৰ হৈ আহোঁতে দেৱিকাই কৈছিল, 'আপুনি ইমান চোকা। মোকতো আপুনি ষিগেই কৰে চাগৈ। এৰা, মাই কোৱা কথাই সঁচা—মই বৰ নাৰ্ভাচ্ ছোৱালী। বিশেষকৈ পৰীক্ষাৰ আগত মই বৰ হতাশ হৈ পৰোঁ। তেনে সময়ত, স্বভাৱতে মই কাৰোবাৰ পৰা উৎসাহ বিচাৰোঁ। কিন্তু কোনে মোক উৎসাহ দিবলৈ আহিব? আপুনি ইমান ভাল ল'ৰা। নিজৰ পৰীক্ষাৰ বাবেই নিজে ব্যস্ত। আমাৰ কথা আৰু তেতিয়া ভাবিবলৈ আপোনালোকৰ সময় ক'ত'?"

মই পুনৰ চিঞৰি ক'লোঁ, "বাঃ! তহঁতৰ আনুষ্ঠানিক বিয়া নহ'লেও মানসিকভাৱে বিয়াই হৈ গ'ল অ'!"

ইতিমধ্যে আমাৰ ষষ্ঠ বাৰ্ষিকৰ ক্লাচ পুনৰ আৰম্ভ হৈছিল। ক্লাচবোৰ পূৰা গতিত চলিছিল। পঞ্চম বাৰ্ষিকৰ ছাত্ৰবোৰৰো সময়ত ক্লাচ আৰম্ভ হোৱাত, বিশ্ববিদ্যালয়খন বেচ আকৰ্ষণীয় হৈ উঠিছিল। বিশ্ব-বিদ্যালয়ৰ প্ৰকাণ্ড প্ৰকাণ্ড ঘৰবোৰৰ ভিতৰে-বাহিৰে শতেক ল'ৰা-ছোৱালীৰ আনন্দ-উল্লাসৰ গুণ-গুণ—যেন কোনো এক বসন্তকালীন ৰম্য, বিজন বনত হেজাৰ পক্ষীৰ কূজন, হেজাৰ মধুকৰৰ গুঞ্জন। তাৰ মাজে নলিনী আৰু মোৰ মাজত চলিল, দেৱিকা আৰু ইলিক আমি পোৱাৰ আশা-নিৰাশা সম্পৰ্কে অন্তহীন আলাপ আলোচনা।

এনে অৱস্থাতে এদিন হঠাৎ শুনিলোঁ, ইলিযে এজন ডেকাৰ লগত পলাই গ'ল কৰবালৈ। পুলিচে সজোৰ তদন্ত চলাইছে; কিন্তু সন্ধান পোৱা নাই। কথাষাৰ শুনি আঘাত কিছু দকৈয়ে পাইছিলোঁ অন্তৰত। কিন্তু তথাপি বৰ বিস্মিত নহ'লোঁ এই খবৰত। মাথোন জানিবলৈ মন গ'ল , এই ডেকাজন কোন, যাৰ প্ৰতি ইলিয়ে এনে এক অবাঁধ আকৰ্ষণত নিজকে চম্ভালিব নোৱাৰিলে। পুলিচৰ দৰে সজোৰ তদন্ত মই অৱশ্যে চলোৱা নাছিলোঁ, এই ডেকাজনৰ সবিশেষ জানিবলৈ। তথাপি জীৱনত কিছুমান কথা অনেক চেষ্টা কৰিও আয়ত্বাধীন কৰিব নোৱাৰি; আৰু কিছুমান কথা বিনাইচ্ছাই আমাৰ জীৱনলৈ আহি যায়। ময়ো এদিন অতি সহজেই জানি গ'লোঁ, ইলিয়ে যিজন ডেকাৰ লগত পলাই গ'ল, সেইজন আন্তঃগুৱাহাটী তৰ্ক প্ৰতিযোগিতাৰ দিনা গাড়ীৰে ইলিক লৈ যোৱা ডেকাজনেই। শুনি মোৰ কিবা এক অদ্ভুত, অবোধ্য আনন্দৰ ঢৌ মনটোত খেলি গৈছিল। সেই আনন্দৰ মন্থৰ ঢৌবোৰে মোৰ মনৰ পাৰৰ অংশ-

বিশেষ অলপ অলপ যেন খহাই নিছিল। কিছু দিনলৈ মই অকলে অকলে থাকিহে ভালপোৱা হৈছিলোঁ। নলিনীৰ পৰা আন কি অলপ এৰাই চলিছিলোঁ এই কেইদিন।

এদিন দুপৰীয়া। কোঠাটোৰ ভিতৰত গৰমত বহি থাকিবলৈ মই টান পাইছিলোঁ। মনৰ এই অশান্তিৰ মাজত আগন্তুক পৰীক্ষাৰ বাবে পঢ়াৰতো প্ৰশ্নই নাছিল। নলিনী কিজানি তাৰ কোঠাত পঢ়ি আছিল তেতিয়া। মই পিছফালৰ পুখুৰীটোৰ পাৰলৈ ওলাই গ'লোঁ। পাৰৰ গছডালিৰ ছাঁত চকীখন পাৰি বহি ললোঁ। পুখুৰীৰ পাৰতো তেতিয়া বতাহ নাই। তথাপি মুকলিৰ গছৰ ছাঁত বহি যেন অলপ শান্তি পালোঁ। আমাৰ জীৱনৰ মূল্য পৃথিৱীৰ কোনো মানদণ্ডৰে জুখিব নোৱাৰি। আমাৰ জীৱনৰ উদ্দেশ্য দৈনন্দিন সংসাৰৰ প্ৰাত্যহিক তুচ্ছতাবোৰত কেতিয়াও নিবদ্ধ হব নোৱাৰে। যি দিন পাৰ হৈ গ'ল, তাৰ কথা ভাবি থকা আমাৰ জীৱনৰ ধৰ্ম্ম হোৱা উচিত নহয়। যি এবাৰ আমাৰ জীৱনৰ পৰা আঁতৰি গ'ল, তাৰ কথা সুঁৱৰি সুঁৱৰি উচুপা আমাৰ স্বাভাৱ হোৱা অনুচিত। যি আমাৰ পৰা বিচ্ছিন্ন হৈ গ'ল, তাৰ শেষ স্মৃতিচিহ্ন খিনিও আমাৰ মনৰ তলিৰপৰা সাৰি পুচি আঁতৰাই পেলাই দি আমাৰ নিজৰ বাটেৰে বাট বুলি যোৱাটোৰেই আমাৰ জীৱনৰ ধৰ্ম্ম হোৱা উচিত।

মই মোৰ সমুখত পুখুৰীৰ পানীবোৰলৈ চাই পঠিয়ালোঁ। গছ ডালৰ ছাঁটিৰ যিটি অংশ পানীত পৰিছে সেই ছাঁত পুনৰ দেখিলোঁ, বিভিন্ন ধৰণৰ অনেক মাছ সিহঁতৰ বাজৰাবোৰ মেলি মেলি পুখুৰীৰ পানীৰ পৃষ্ঠভূমিৰ পৰা নাতিগভীৰত এনি তেনি ঘূৰি ফুৰিব ধৰিছে। কেতিয়াবা কেতিয়াবা সিহঁতে মুখখন ওপৰলৈ তুলি সেই দুপৰীয়াৰ উত্তপ্ত পানীত যেন অকণমান শীতল বতাহ কামনা কৰিছে। কিন্তু শীতলতা? এই গ্ৰীষ্মকালিৰ দুপৰীয়াৰ এই উত্তপ্ত পুখুৰীত শীতল বতাহ জানো সিহঁতে বিচাৰি পাব? সিহঁতে জানো শান্তি পাব? হঠাৎ মোৰ সেই পানীৰ উত্তাপত অস্থিৰ হৈ শীতল ছায়া বিচাৰি ফুৰা 'ফিচ-ফাৰ্ম্ম'ৰ মাছবোৰক বৰ আপোন যেন লাগিল। যুদ্ধৰ সময়ৰ মেটেকা-পিটনিৰে ভৰি থকা সেই জয়াল পুখুৰীটোত—ডাঠ পিটনিৰ তলৰ মুক্ত বায়ুহীন সেই পুখুৰীটোত নিশ্চয় অনেক মাছ আছিল। আৰু আজিৰ মুক্ত বায়ুত, স্বচ্ছপানীত থকা এই পুখুৰীতো অনেক মাছৰ জাক। কিন্তু ইহঁত জানো সুখী? মুক্ত বায়ুৰ, স্বচ্ছ পানীৰ এই মাছবোৰ জানো সুখী? মই মাছবোৰলৈ চাই থাকিলোঁ একেধ্যানে। মনৰ গভিত্ত সাঁতুৰি ফুৰা, নহ'লে তেনেই অলস-

ভাবে সিহঁতৰ বাজৰাবোৰ মেলি দি মখবোৰ ওপৰলৈ তুলি পানীৰ অলপ তলতেই ওপঙি থকা সেই মাছবোৰলৈ।

লাহে লাহে আমাৰ পৰীক্ষা ওচৰ চাপি আহিল। আমি দুয়ো পঢ়াত মনোনিবেশ কৰিলোঁ। গধূলি ব্ৰহ্মপুত্ৰৰ পাৰত দুয়োৱে বতাহ লওঁ। তাত বাহিৰে দিনটোৰ বাকীখিনি সময় খোৱা-লোৱা-পঢ়া কাৰ্য্যতেই ঘৰৰ ভিতৰত সোমাই থাকোঁ। মাজে সময়ে অৱশ্যে নলিনীয়ে দেৱিকাক পঢ়াত সহায় কৰি দিবলৈ, নাইবা তেওঁৰ 'নাৰ্ভাচ্‌নেছ্‌' আঁতৰাবলৈ দেৱিকাহঁতৰ ঘৰলৈ যায় গৈ। মই তাক উৎসাহ দিওঁ সেই কামত। মই কওঁ, "পৰীক্ষাটো গ'লেই বিয়াৰ প্ৰস্তাৱটো দি দে।"

সময়ত পৰীক্ষা পাৰ হৈ যায় গৈ। মনবোৰ আমাৰ মুকলি লাগে। দিনবোৰো যেন অতি ফৰকাল। কিছু দিন যেনি তেনি দুয়ো ঘূৰি ফুৰোঁ—বৰজাৰৰ বিমান-কোঠত, ভুবনেশ্বৰীৰ টিঙত, বশিষ্ঠাশ্ৰমৰ নিবিড় বননিত নাইবা পাণবজাৰ-ফাঁচীবজাৰৰ অগণন জনতাৰ ভিৰৰ মাজত। এই বোৰৰ মাজে মাজেও আমাৰ আলোচনাৰ শেষ নাই। মই নলিনীক কওঁ, "পৰীক্ষাৰ খবৰ ওলালে তই যেতিয়া প্ৰথম শ্ৰেণী পাবি, তেতিয়া মাক-দেউতাকে দেৱিকাক তোলৈ দিয়াত নিশ্চয় আপত্তি নকৰে। তোৰ প্ৰস্তাৱ লৈ দেৱিকাৰ মাক-দেউতাকৰ ওচৰলৈ মই যাম। কিন্তু তাৰ আগতে, অৰ্থাৎ পৰীক্ষাৰ খবৰ ওলোৱাৰ আগতেই, তই দেৱিকাক এবাৰ সুধি দে। তেওঁৰ মতামতটোহে আগ।"

নলিনীয়ে কয়, "কিন্তু দেৱিকাক মই সুধিবলৈ টাইম্‌ এতিয়াও ৰাইপ্‌ হৈ উঠা নাই যেন লাগে অ'। মোৰ বাৰু বিয়াৰ এতিয়া উপযুক্ত সময় হ'লেই ; কিন্তু দেৱিকাৰতো হোৱা নাই। তেওঁ এইবাৰ প্ৰিভিয়াচ্‌হে পাচ কৰিব। গতিকে তেওঁৰ বিয়াৰ উপযক্ত সময় হ'ব আৰু এবছৰ পিছত। সেই কাৰণে এবছৰ পিছতহে মই তেওঁৰ মতামত লোৱা উচিত হ'ব।"

মই তাৰ কথাত আপত্তি কৰোঁ। কওঁ, "বাদ দে তোৰ সেই থিয়'ৰি। জীৱনত বাস্তৱবাদী যেতিয়ালৈকে হ'ব নোৱাৰ, তেতিয়ালৈকে জীৱন-যুদ্ধত জয়ী হ'ব নোৱাৰ। মনত ৰাখিবি। ছোৱালীয়ে এম্‌. এ. পাচ কৰাত আমাৰ গুৰুত্ব দিবলগীয়া একো নাই। আমাৰ দেশৰ ছোৱালীয়ে এতিয়াও বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লব খোজে বিয়াৰ বজাৰত নিজৰ মূল্য বঢ়াবলৈ। যদি সেই দুৰূহ বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লোৱাৰ আগেয়ে বিয়াৰ বজাৰত সমুচিত মূল্য লাভ কৰে, তেন্তে সিহঁতে জানো

আৰু ডিগ্ৰীলৈ বাট চাই থাকে? ইলিয়ে মোক যি শিকাই গ'ল, সেই পাঠৰ পৰা তই জানো একোকে নিশিকিলি ?"

মোৰ কথা শুনি নলিনী বহু সময় নীৰৱ হৈ থাকে। তাৰ পিছত সি কয়, "দেৱিকাকনো মোৰ সুধিবলৈ আৰু কি বাকী ৰ'ল, অ'? মোৰ অন্তৰৰ কথা তেওঁক বুজাবলৈ মযেই বা কি বাকী এৰিছোঁ, আৰু তেওঁৰ অন্তৰৰ কথা মোক বুজাবলৈ তেওঁেই বা কি বাকী এৰিছে? কিহবাৰ ছবি এটা যেতিয়া আঁক, তেতিয়া তাৰ গাত জানো আৰু লিখি দিয়াৰ প্ৰয়োজন থাকে, সেইটো কিহৰ ছবি ?"

মই তাৰ কথাৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰোঁ। কওঁ, "নিশ্চয় প্ৰয়োজন আছে। ছবি এটা যেতিয়া তই আঁক, তেতিয়া তই কেনেকৈ জানিবি যে যিহৰ ছবি তই আঁকিছ, তাক ছবিটিয়ে নিখুঁটভাবে ফুটাই তুলিছে? মই স্বীকাৰ কৰোঁ, প্ৰেম মনৰ এটি ভাব মাথোন; আৰু মনৰ এই ভাবটো প্ৰত্যক্ষভাবে প্ৰকাশ নকৰি মনৰ অন্যান্য ভাবৰ প্ৰকাশেৰে পৰোক্ষভাবেও এই ভাবে প্ৰকাশ কৰিব পাৰি—ঠিক যেনেকৈ কবিতা এটিৰ ভাব পোন-পটীয়াভাবে প্ৰকাশ নকৰি প্ৰতীক আৰু কল্পচিত্ৰৰ মাজেৰে প্ৰকাশ কৰা যায়। কিন্তু প্ৰেমৰ এনে অভিব্যক্তিৰে প্ৰেমিকাক বিয়া কৰাব পৰা নেযায়—সেই কথা মনত ৰাখিবি, নলিনী। তই যদি দেৱিকাক ভাল-পাবলৈহে ভালপাইছ, তেন্তে মোৰ কবলগীয়া একো নাই। কিন্তু যদি তেওঁক তই বিয়া কৰাবলৈ ভাল পাইছ, তেন্তে তেওঁক প্ৰত্যক্ষভাবে সুধি তেওঁৰ ঘৰত বিয়াৰ প্ৰস্তাৱ দিয়াৰ বাহিৰে গত্যন্তৰ নাই, জানিবি।"

মোৰ এনে দীঘলীয়া বক্তৃতা শুনি নলিনী মনে মনে আছিল।

চাওঁতে চাওঁতে 'প্ৰিভিয়াচ্ এম্. এ.' পৰীক্ষাৰ খবৰ ওলাল। দেৱিকাই পাচ কৰিছে। পৰীক্ষাৰ পিছতেই এবাৰ সি দেৱিকাৰ ওচৰলৈ যাওঁ যাওঁ বুলি এতিয়ালৈকে তাৰ যোৱা নহ'ল। দেৱিকাক এইবাৰ পৰীক্ষাত সি ইমান সহায় কৰি দিলে, তাৰ বাবে হয় তাৰ ঘৰলৈ দেৱিকাই পৰীক্ষাৰ পিছত নিজেই হেনো এবাৰ আহিব লাগিছিল তাৰ মতে; আৰু নহ'লে ভাইটি বা আন কাৰবাৰ হতুৱাই অন্ততঃ তাকেই মাতি নিব লাগিছিল। প্ৰেমতেই পৰিল বুলিব তাৰ হেনো ইমান পতন হোৱা নাই যে নিলাজৰ দৰে, সি উপযাচি দেৱিকাৰ ওচৰলৈ পৰীক্ষাৰ পিছত যাবগৈ। কিন্তু তাৰ আশা পূৰ্ণ নহ'ল। পৰীক্ষাৰ পিছৰ সেই ডেৰটা মাহত দেৱিকাও নাহিল তাৰ ঘৰলৈ আৰু তাক মাতিও নপঠিয়ালে দেৱিকাই কাৰো যোগে। পৰীক্ষাৰ খবৰ ওলোৱাৰ পিছ দিনা পুৱা মযেই তাঁক উদগালোঁ, "এই

বোৰত মান-সম্মানৰ কথা নচলে অ', নলিনী। এজন মানুহ অভদ্ৰ হ'ল বুলি তয়ো জানো অভদ্ৰ হ'বি? প্ৰেমিকা বুলি নকৰেই বাৰু, তোৰ এজনী চিনাকি ছোৱালীৰ পৰীক্ষাৰ খবৰ ওলাইছে; তেওঁৰ ওচৰলৈ তই নাযাবি কিয়? তই জানো অভদ্ৰ?"

মোৰ কথাত তাৰ চকুযুৰি উজ্জ্বল হৈ উঠিল। সি ক'লে, "তই ঠিক কৈছ। দেৱিকা অকৃতজ্ঞ হ'ল বুলিয়ে নলিনীও অভদ্ৰ হ'ব নেকি? মই যাম, বেদান্ত।"

মই ক'লোঁ, "যা, এতিয়াই যা। তোৰ তেওঁৰ প্ৰতি সৌহাৰ্দ্দ্যৰ গভীৰতা দেখুৱাবলৈ তই এতিয়াই যা গৈ।"

নলিনীয়ে লগে লগে ডাঢ়ি খুড়োৱাত লাগি গ'ল। ডাঢ়িখিনি খুড়াই সি মুখত স্নো অকণ ঘঁহি লৈ ওলাই গ'ল দেৱিকাৰ ঘৰলৈ।

সি উভতি আহক বুলি মই বিছনাতে পৰি ৰ'লোঁ। ডেৰ ঘণ্টামানৰ পিছতে সি উভতি আহিল। তাৰ মুখত উৎসাহৰ কোনো ৰেঙণি নাই। মই সুধিলোঁ, "কি হ'ল অ'? মাথোন দেখোন ডেৰ্ ঘণ্টাতেই উভতি আহিলি?"

সি তাৰ মুখৰ চেহেৰা বিকৃত কৰি ক'লে, "সকলো গৈছে দেই।"

মই ক'লোঁ, "কি সকলো গ'ল পিছত বিৰৱি কবি। ইতিমধ্যে মই ভাত খাই উঠিলোঁৱেই। তয়ো গাটো ধুই ভাত খাই উঠ। মই পুখুৰীটোৰ পাৰত বহিছোঁ গৈ। তই ভাত খাই উঠি তালৈ আহিবি।"

তাক গা-ধোৱা, ভাত খোৱা কামৰ বাবে এৰি মই চকীখন লৈ পুখুৰীটোৰ পাৰলৈ গ'লোঁ। তাতে গছ ডালৰ ছাঁত বহি ললোঁ। তেতিয়া ভালকৈ দুপৰ হোৱা নাই। তথাপি ৰ'দ প্ৰখৰ। এজাক ফিৰ্ ফিৰীয়া বতাহ বলি আছে। সেই বতাহত পুখুৰীৰ পানীত এটি পাতল ঢৌ উঠিছে। পুখুৰীৰ ঢৌ উঠা বুকুখন অতি বিতোপন দেখা গৈছে। মই চাই ৰ'লোঁ সেই সেই মনোৰম দৃশ্যলৈ।

যথা সময়ত নলিনী আহি মোৰ ওচৰতে চকী এখন পাৰি বহিলহি। সময় তেতিয়া ভৰ দুপৰীয়া। কতো যেন সাৰ সুৰ নাই। ৰ'দ জাক অতি চোকা হৈ উঠিছে। বতাহ জাক বলি আছে। তথাপি সি যেন পুখুৰীৰ বুকুত আগৰ সেই শীতলতাৰ সেই বিতোপন দৃশ্য অটুট ৰাখিব পৰা নাই। পুখুৰীৰ পানীবোৰ সম্ভৱতঃ উত্তপ্ত হৈ উঠিছিল বাৰুকৈয়ে। মাছবোৰ আমাৰ সমুখৰ ছাঁখিনিলৈ পুনৰ আহি অলসভাবে বিশ্ৰাম লৈছিল আগৰ দৰে। আমি ডাঙৰকৈ কথা পাতিলে মাছবোৰে ভয় পাই পলায়

যায় বুলি মই ডাঙৰকৈ কথা পাতিবলৈ সংকোচ কৰিছিলোঁ। যিমান পাৰোঁ চেঁপা চেঁপা সৰু মাত এটিৰে মই নলিনীক সুধিছিলোঁ, "এতিয়া তোৰ কাহিনী বিৱৰি ক। কি হ'ল দেৱিকাহঁতৰ ঘৰত ?"

সি কিন্তু মোৰ কথাৰ উত্তৰ দিয়াৰ সলনি হাঁহি উঠিল। সি ক'লে, "এই অদ্ভুত কণ্ঠস্বৰটো কি কাৰণে অ'? সৌ মাছবোৰে ভয় পাই আঁতৰি যাব বুলি ভাবিছ? তয়ো এক মূৰ্খ। সিহঁত কেতিয়াও আঁতৰি নাযায় আমাৰ কথা শুনি। সিহঁতে আমাক বুজি পায়, আমাৰ অন্তৰৰ ভাব বুজিব পাৰে। শুন। গৈয়েই ল'ৰাটোক দেৱিকাক মাতিবলৈ পঠিয়াই ড্ৰয়িং ৰুমত এঘণ্টামান বাট চালোঁ।

"তথাপি কাৰো দেখা দেখিয়েই নাই। খুড়াৰ ভমকত ওলাই আহিব লৈকেই সাজু হৈছিলো। এনেতে দেৱিকা সোমাই আহিল। তেওঁৰ মুখত সেই হাঁহিটি আছে যদিও, মোৰ প্ৰতি স্বাগতম জনাবৰ ইচ্ছাৰ কোনো ভাব তাত মই ফুটি উঠা দেখা নাপালোঁ। তথাপি তেওঁক দেখিয়েই সকলো খং মাৰ গ'ল দেই। খং মাৰ নাযাব কিয়? তেওঁৰ কি অপূৰ্ব্ব ৰূপ। এখন সাধাৰণ লেতেৰা মেখেলা পিন্ধি আছে; যদিও মেখেলাখন মুগাৰেই আছিল বুলি ধৰিব পাৰি। চুলিবোৰ তেনেই আউল-বাউল। কোনো প্ৰসাধনৰ প্ৰলেপ নপৰা মুখখন যে তেওঁৰ কেনে মৰম লগা হৈ উঠিছিল সেইটো ৰূপত।"

মই তাক কৌতূহলেৰে সুধিলোঁ, "কিন্তু তেওঁৰ এই বেশৰ কাৰণ কি? পৰীক্ষাত তোৰ তেওঁৰ যদি ৰোল নম্বৰটো ঠিকেই মনত আছিল, তেওঁ চোন ফেল হোৱা নাই ?"

"নাই অ', দেৱিকা ফেল হ'ব নে?" সি মোৰ কথা কাঢ়ি নি উত্তৰ দিলে, "আৰু তেওঁৰ ৰোল নম্বৰ জানো মই পাহৰোঁ। তেওঁ তেনে বেশত থকাৰ কাৰণ, সেইখিনি সময়ত ঘৰৰ সকলো দায়িত্ব হেনো তেওঁৰ ওপৰত পৰিছে। মাক আৰু দেউতাক পুৰা চাহ-খায়েই কোনোবা মানুহৰ ঘৰলৈ গৈছে। চাকৰৰ ল'ৰাটোৱে অকলে কিমানবোৰ কাম কৰিব? গতিকে কাপোৰ ধোৱাৰ পৰা পানী ধৰালৈ সকলো কাম তেওঁ নিজেই কৰিবলগীয়াত পৰিছে। 'মই মাত এষাৰি দিওঁতেই ইমান দেৰী কৰিলোঁ বাবে বেয়া নাপায়তো?' তেওঁ সুধিলে। মই এটি হাঁহি মাৰি ক'লোঁ, 'বেয়া কেলেই পাম? আপোনাক এনে অসহায় অৱস্থাত অকণমান সহায় কৰি দিব নোৱাৰিহে দুখ পাইছোঁ'।

মই নলিনীক ক'লোঁ, "বাঃ, তোৰ কি তীক্ষ্ণ উপস্থিত বুদ্ধি অ'?"

কিন্তু সি তৎক্ষণাৎ দুখ কৰি ক'লে, "পিছে শুন। মোৰ উপস্থিত- বুদ্ধিয়ে কোনো কাম নিদিলে। তেওঁ লগে লগেই ক'লে, 'পিছে আজি এতিয়া আৰু ইয়াতকৈ বেচি কথা হ'ব নোৱাৰিলোঁ দেই। বেয়া নেপায়তো?' মই কলোঁ, 'আপোনাকো বেয়া পাব পাৰে নে?' তেওঁ লগে লগে কৈ উঠিল, 'তেন্তে যাব গৈ।' তেনেকৈয়েই মই ওলাই আহিলোঁ। বাটত মানুহে দেখে বুলিহে নিজৰ গালত নিজে চৰোৱা নাছিলোঁ! এই পুৰাতে লোকৰ ছোৱালীৰ গা সুঙিবলৈ যাবলৈ মোকনো কিহে পাইছিল!"

তাৰ কথা শুনি মোৰ বেয়া লাগিছিল। যিমানেই ব্যস্ত নহওক, তাক যেন ছোৱালীজনীয়ে চাহ একাপ অন্ততঃ দিব লাগিছিল। আৰু মাক-দেউতাক। কলৈনো যায় এনেকৈ একেলগে দুয়োৱে জীয়েকৰ পৰীক্ষাৰ খবৰ ওলাবৰ পিছ দিনা পুৱাতেই? কিবা যেন সাঁথৰ সাঁথৰ লাগে কথাবোৰ। আপোনা আপুনিয়েই মই যেন নলিনীক লৈ অলপ নিৰুৎসাহ বোধ কৰোঁ। মোৰ ওচৰত নলিনী বহি থাকে। নিতান্ত দুখ মনেৰে। মই পানালৈ চাওঁ। মাছবোৰ আঁতৰি যোৱা নাই। পানীৰ মাজতে সিহঁতে নিতাল মাৰি ওপঙি আছে মুখবোৰ ওপৰ কৰি—যেন আমাৰ প্ৰতি সহানুভূতি জনাবলৈকেহে।

আমাৰ দিনবোৰ বাগৰি যায়। মোৰ ফাইনেল পৰীক্ষাৰ পিছতেই এখন কলেজত টিউটৰ্ হিচাপে এটি চাকৰি পাওঁ। পৰীক্ষাৰ ফলাফল ওলালে কলেজৰ অধ্যক্ষই মোৰ ফল যদি ভাল হয়, অধ্যাপক হিচাপে লগে লগেই নিযুক্তি দিব বুলি মোক আশ্বাস দিয়ে।

টিউটৰ হিচাপে ডেৰ মাহমান চাকৰি কৰাৰ পিছতেই আমাৰ পৰীক্ষাৰ খবৰ ওলায়। নলিনী প্ৰথম শ্ৰেণীৰ দ্বিতীয় হয়। ময়ো মোৰ বিষয়ত দ্বিতীয় শ্ৰেণীৰ চতুৰ্থ হওঁ। আমাৰ আনন্দৰ সীমা হেৰাই যায়। দুয়ো আমাৰ এই ডঙুৰা মেচত এটি প্ৰীতিভোজৰ আয়োজন কৰাৰ কথা ভাবিলোঁ। কিন্তু মাতিম কাক? কোন হ'ব আমাৰ এই প্ৰীতি-ভোজৰ বিশেষ অতিথি? ইলি? তেওঁৰ হেনো ইতিমধ্যে আদালতত বিয়া হৈ গৈছে। গিৰীয়েকৰ লগত এতিয়া বিবাহিত জীৱন আৰম্ভ কৰি দিছে। বেচ সুখী হৈছে হেনো ইলি। মোৰ পৰীক্ষাৰ খবৰটো তেওঁৰ কাৰণেনো কি এটি বিশেষ খবৰ হ'ব যে তেওঁ মই মাতিলোঁ বুলিয়েই মোৰ ঘৰলৈ আহি এসাজ খাই যাবলৈ সময় পাব? আৰু দেৱিকা? যিদিনা তেওঁক মতা যায়, সেই দিনাই যদি মাকৰ মূৰৰ মুৰণি উঠা বাবে নাইবা মাক-

দেউতাক কাৰোবাৰ ঘৰলৈ যোৱা বাবে তেওঁৰ আমাৰ ঘৰলৈ অহা দূৰৈৰ কথা তেওঁৰ ঘৰলৈ যোৱা মানুহকো এষাৰ মাত দিবলৈ সময় নাইকিয়া হয় ? গতিকে আৰু মাতিমনো কাক ? অৱশেষত, আমাৰ প্ৰীতি-ভোজৰ আয়োজন আয়োজন হৈয়েই ৰৈ গ'ল। বাটে পথে আমাৰ দৰে দুই এজন ডঙুৱা বন্ধুৱে অভিনন্দন জনাই চাহ খুৱাবলৈ জোৰ কৰিলে, দোকানে দোকানে তেওঁলোকক চাহ খুৱাই ফুৰোঁতেই আমাৰ খবৰবোৰ পুৰণি হৈ গ'ল।

কিন্তু ইতিমধ্যে আৰু এটি সুখৰ খবৰ ওলাল। নলিনীয়েও মই কাম কৰা কলেজখনতেই অধ্যাপক নিযুক্ত হ'ল। এইবাৰ আৰু আমাক পায় কোনে ? আমি নতুন জীৱন যেন সঁচাকৈয়ে লাভ কৰিব ধৰিছোঁ। নতুন নতুন ল'ৰা-ছোৱালীবোৰ জাকে জাকে কলেজলৈ আহে। হাঁহে, ৰং-ধেমালি কৰে, খেলে। কেতিয়াবা 'চাৰ' বুলি আমাৰ ওচৰ চাপি আহে। আমাৰ যে কেনে গৌৰৱ বোধ হয় তেতিয়া ! আমি কলেজলৈ অহা-যোৱা কৰাত মনপুতি লাগি গ'লোঁ। আমাৰ মনৰ দুশ্চিন্তা, নিঃসঙ্গতাবোৰ কলেজৰ ল'ৰা-ছোৱালীবোৰৰ সজীৱ ব্যস্ততাৰ মাজত নাইকিয়া হৈ গ'ল।

বেচেৰী মেৰিণা বেগম জনীহে হেনো ফেল হ'ল। খবৰটো বহু দিন পিছত পালোঁ। প্ৰণতি গুপ্তই হেনো এইবাৰলৈ পৰীক্ষা দিয়া বাদ দি পৰীক্ষাৰ আগে আগে কলিকাতালৈ গুচি গ'ল। গুপ্ত এতিয়াও কলিকতাতেই। আমি মেৰিণা বেগমক শান্তনা দিয়াৰ ছলেৰে এবাৰ তেওঁৰ ঘৰলৈ যাওঁ যাওঁ বুলিও যাব পৰা নাই। গধূলি সময়খিনি পাণবজাৰ, ফাঁচীবজাৰৰ ৰাস্তাত ঘূৰোঁতেই যায়। অন্য সময়ত মানুহৰ ঘৰলৈ যাবলৈ ভালেই নালাগে। অৱশেষত ঈদৰ দিনাখন তেওঁক শুভেচ্ছা জনোৱাৰ চেলু লৈয়েই ওলালোঁ গৈ তেওঁৰ ঘৰত। ঈদৰ দিনাখন আমাক পাই বেগমৰ আনন্দৰ পাৰ ভাঙি গ'ল। এই কাৰণেই ভাল লাগে এই ছোৱালীজনীক। পৰীক্ষাত ফেল হৈছে, জীৱনত কৰবাত কিবা আঘাত পাইছে—সেইবোৰৰ কথা ভাবি মন মাৰি থাকিবৰ তেওঁৰ সময় নাই। কেনে উচ্ছল, উন্মুক্ত এই ছোৱালীজনী !

আমি গৈ পোৱাৰ লগে লগে বেগমে আমাক আদৰ-সাদৰকৈ বহুৱালে। কত যে কথা। প্ৰণতিৰ, বিজনৰ, ডুলালৰ, সুমিত্ৰাৰ—। মুখত হাঁহিটো অনবৰত লাগিয়েই আছে তেওঁৰ। কিছুসময় কথা-পতাৰ পিছত বেগমে আমাক তেওঁলোকৰ ভিতৰৰ 'ডাইনিং ৰুম'লৈ লৈ গ'ল।

মোগলী পৰঠা, মাংসৰ চুক্‌হা, কাজু বাদাম, আৰু যে কত কিমানেৰে আমাক তেওঁ আপ্যায়ন কৰিলে আমাৰ ওচৰতে বহি বৈ। আমাৰ খোৱা হোৱাৰ পিছতো আমি তাতেই বহি ৰ'লোঁ কথা পাতি। লাগ-বান্ধ নোহোৱা অনেক কথা।

বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত আমাক দেখিলেই বেগমে দেৱিকাৰ কথা সোধে, কাটিং মৰাৰ ছলেৰে। আজি ইমান পৰেও, ইমানবোৰ ল'ৰা-ছোৱালীৰ বিষয়ে কথা-পতাৰ পিছতো তেওঁ যে দেৱিকাৰ কথা উলিয়া নাই, তাত মই মনে মনে আচৰিত হৈছিলোঁ। অৱশেষত ময়েই উলিয়াই দিলোঁ কথাৰ আঁতটো, "দেৱিকাই যে এইবাৰ প্ৰিভিয়াচ্‌ পাচ কৰিলে, গম পায় নহয়, বেগম ?"

বেগম যেন অলপ অপ্ৰতিভ হ'ল হঠাতে। তেওঁ অলপ বৈ ক'লে, "এৰা পাওঁ। নম্বৰো ভালেই পাইছে। উচ্চ দ্বিতীয় শ্ৰেণীৰ নম্বৰ। অৱশ্যে এবাৰ ড্ৰপ্‌ও দিলে তো। পিচে তেওঁৰ আনটো খবৰ পায়নে নাই ?"

এই শেষ প্ৰশ্নটো আমাক কৰাৰ লগে লগে বেগমৰ মুখৰ শেষ হাঁহি কণো নাইকিয়া হৈ গৈছিল। তেখেতে পুনৰ সুধিছিল, "মানে বিয়াৰ খবৰটো ? এজন মিলিটেৰী ডাক্তৰৰ লগত তেওঁৰ যে বিয়াৰ ঠিক হ'ল। বৰ্ত্তমানে নেফাৰ সীমান্তত থকা এজন মিলিটেৰী ডাক্তৰৰ লগত।"

আমি দুয়ো অবাক হৈ মেৰিণাৰ মুখৰ পিনে চাই আছিলোঁ। মেৰিণাই যেন তেতিয়া হাঁহিবলৈ চেষ্টা কৰিও হাঁহিব নোৱাৰিছিল। তেখেতে পুনৰ ক'লে, "বিয়া প্ৰায় এব্‌ৰাপ্ট্‌লিয়েই ঠিক হ'ল বুলিব পাৰে, যদিও প্ৰায় এবছৰ আগৰে পৰাই দুয়োখন ঘৰৰ মাজত বিয়াৰ কথা উপকৰা ভাবে চলি আছিল। বিয়ালৈ আৰু পোন্ধৰ দিনহে বাকী। আপোনালোকক মাতিব চাগৈ।"

নলিনী তেতিয়া অদ্ভুত ধৰণে নিস্তব্ধ হৈ পৰিছিল। কিছু সময়ৰ পিছত সি মোক ক'লে, "যাওঁ বল, বেদান্ত।"

মই বেগমক মাত লগালোঁ। বেগমে বাহিৰলৈ আমাক উলিয়াই আনি পদলিত বিদায়ৰ নমস্কাৰ দিলে। মুখত তেওঁৰ শেঁতা হাঁহি— অপৰাধীৰ হাঁহি।

আমি পাণবজাৰৰ ৰাস্তাত ভৰি দিয়াৰ লগে লগেহে নলিনীয়ে ইমান সময়ৰ মূৰত হঠাৎ কথা ক'লে। সি ক'লে, "কেনে ছলনাময়ী এই ছোৱালী-বোৰ, চা চোন। এবছৰ আগৰ পৰাই দেৱিকাৰ বিয়াৰ কথা চলি থকা বুলি

ক'লে বেগমে; অথচ, তাৰ কথা মোক জানিব দিলে আজিহে। আজি এ-বছৰে এই খবৰটো মোক দিবলৈ সময়েই নাপালে। এই খবৰ মোক নিদিয়ে নালাগে; কিন্তু দেৱিকাক লৈ মোক আৰু মোক লৈ দেৱিকাক জোকাই থাকিবলৈ এই ছোৱালীবোৰক কিহে পাইছিল?"

নলিনী তেতিয়া সুস্থ অৱস্থাত নাছিল। ইয়াৰ কোনো উত্তৰ মই তাক তেতিয়া দিয়া উচিত নহ'ব বুলিয়েই ভাবিছিলোঁ।

মোৰ তাক কবৰ মন গৈছিল, উপযুক্ত সময়লৈ—'ৰাইপ্ টাইম'লৈ বাট চাই থকাটোৱেই তাৰ ভুল হৈছিল। দেৱিকাই উচ্চ দ্বিতীয় শ্ৰেণীৰ নম্বৰ পাই প্ৰিভিয়াচ্ পৰীক্ষা পাচ কৰিছে। অহাবাৰলৈ ভালকৈ পঢ়িলে প্ৰথম শ্ৰেণী পাই যাব পাৰে ।এয়া জানো তেন্তে তেওঁৰ বিয়াৰ উপযুক্ত সময় আছিল? কিন্তু এইবোৰ কথা নলিনীক তাৰ এই অৱস্থাত কোৱাটো নিতান্ত অনুচিত। তাক মই অন্য কথালৈ আকৰ্ষিত কৰি পাণবজাৰৰ মাজেৰে আমাৰ মেচৰ পিনে লৈ যোৱাত লাগিছোঁ।

কিন্তু পাণবজাৰৰ মাজ পোৱাৰ লগে লগে সি ক'লে, "অকণ মান ৰবি। এটি কাম কৰোঁ। দেৱিকাই তেওঁৰ দৰা হিচাবে তেওঁৰ বিয়ালৈ মোক নিমন্ত্ৰণ নকৰিলেও, তেওঁৰ আয়োজিত বিয়া খনৰ একজন শুভাকাঙ্ক্ষী হিচাবে মোক নিমন্ত্ৰণ কৰাৰ এতিয়াও তো আশা আছে। গতিকে, দুখনমান উপহাৰৰ কিতাপ আজিয়েই কিনি লৈ যাওঁ।"

মই সুধিলোঁ, "এৰা, সেইটো কৰিব পাৰ। কি কিতাপ কিনিবি?" সি ক'লে, "গণেশ গগৈৰ কবিতাৰ কিতাপ আৰু প্ৰফুল্লদত্ত গোস্বামীৰ 'কেঁচাপাতৰ কঁপনি' উপন্যাসখন।"

দুয়ো এখন দোকানলৈ সোমাই গ'লোঁ। গণেশ গগৈৰ 'পাপৰি আৰু স্বপ্নভঙ্গ' আৰু প্ৰফুল্লদত্ত গোস্বামীৰ 'কেঁচা পাতৰ কঁপনি'—এই দুখন কিনি লৈ দুয়ো ঘৰমুৱা হ'লোঁ।

বিয়াৰ তিনি দিনমান আগতে দেৱিকাৰ ভায়েকজনে বিয়াৰ নিমন্ত্ৰণী চিঠি এখন নলিনীক দি থৈ আহিছিল। নিতান্ত গতানুগতিক বিয়াৰ চিঠি। দেৱিকাৰ নিজৰ নামতেই ছপোৱা। তেনে এখন চিঠিৰেহে দেৱিকাৰ বিয়ালৈ নিমন্ত্ৰণ পাই, সেই বিয়ালৈ যোৱাৰ উৎসাহটো নলিনীৰ বহুখিনি কমি যোৱা দেখিছিলোঁ। তথাপি বিয়াৰ দিনা পুৱালৈ বিয়ালৈ যাব বুলিয়েই কিতাপ দুখনত সি কিবা কিবি লিখি তাৰ চহী কৰি ভালকৈ বান্ধি উপহাৰৰ বাবে সাজু কৰি ৰাখিছিল।

দেৱিকাৰ বিয়াৰ দিনা আবেলি, সি বিয়ালৈ গ'লে মই অকলে অকলে

ক'ত কি কৰিম, তাকেই ভাবি আছিলোঁ। দুপৰীয়া শুই উঠাৰ পিছত বিছনাতে পৰি। বহু সময়লৈ ভাবি ভাবি একো ঠিক কৰিব নোৱাৰিছিলোঁ, কেনেকৈ কটাম এই আবেলিটো। এনেতে দেখিলোঁ, নলিনী মোৰ কোঠালৈ সোমাই আহিছে। সি কেতিয়াবা টোপনিৰ পৰা উঠি মুখ-হাত ধুই, কাপোৰ কানি পিন্ধি সাজি-কাচি ওলাইছেই। কিন্তু মোৰ বিছনাৰ ওচৰ পাই মোৰ ওচৰত সি যি প্ৰস্তাৱ দিলে, তাত মই অবাক হৈ গ'লোঁ।

সি ক'লে, "বল, ফুৰিবলৈ ওলাই যাওঁ কৰবালৈ।"

মই সুধিলোঁ, "ফুৰিবলৈ? কেলৈ, তই বিয়ালৈ নাযাৱ?"

সি ক'লে, দেৱিকাৰ বিয়ালৈ মই যোৱাৰ প্ৰয়োজন আৰু একো নাই যেন লাগিল, বেদান্ত। যিটো অধ্যায়ৰ সামৰণি পৰিল, সেই অধ্যায়টো লগে লগে সামৰি থোৱাই জানো মানুহৰ ধৰ্ম্ম হোৱা উচিত বুলি তই প্ৰায়েই কৈ নাথাক?"

মই ক'লোঁ, "কিন্তু ফুৰিবলৈ ক'লৈ যাবি?"

সি ক'লে "I have absolutely no choice—সেই বিষয়ে মোৰ নিজৰ কোনো মতামত নাই, বেদান্ত। I shall go wherever you guide me to. I am ready to go—even to Hell if you lead me there.... এৰা, আন কি মই নৰকলৈ যাবলৈকো সাজু, যদি তই মোক তালৈকেই লৈ যাৱ। মুঠৰ ওপৰত তই য'লৈকেই নিয়, মই তালৈ যাবলৈকেই প্ৰস্তুত।"

মই ক'লোঁ, "কিন্তু তোৰ সেই উপহাৰবোৰ? দেৱিকাৰ বিয়াৰ উপহাৰৰ বাবে কিনা তোৰ সেই কিতাপবোৰ?"

মোৰ এই প্ৰশ্নৰ উত্তৰত সি তাৰ হাতত লৈ অহা কিতাপ দুখনৰ দুয়োখনকেই এখন এখনকৈ মোৰ চকুৰ আগত মেলি ধৰিলে আৰু ক'লে, "এইবোৰ মই তোকেই উপহাৰ দিয়াটো থিৰ কৰিলোঁ।" মই সি মোৰ চকুৰ আগত মেলি ধৰি থকা কিতাপ দুখনত চকু দি দেখোঁ, দুয়োখন কিতাপৰে যি দুটা পৃষ্ঠাত সি দেৱিকালৈ বিয়াৰ উপহাৰ বুলি লিখি তাৰ নাম-ঠিকানা লিখিছিল সেইবোৰ কাটি তাৰ তলত সি পুনৰ চহী কৰি লিখি আনিছে, 'মৰমৰ বন্ধু, বেদান্তলৈ।'

## পিটনি পুখুৰী ত্ৰিতত্ত্ব—(৩)

# পিটনি পুখুৰীত বেলুন খেলা

আই. এচ. চি. পাচ কৰাৰ পিছত ডাক্তৰ হ'বলৈ মোৰ বৰ ধাউতি আছিল। আই. এচ. চি. পাচ কৰা হ'ল; কিন্তু তাৰ পিছত য'ত মই নাম লিখিলোঁ, সেয়া ডিব্ৰুগড়ৰ মেডিকেল কলেজ নহয়, কটন কলেজৰ তৃতীয় বাৰ্ষিক, কলা বিভাগহে। তাৰ বাবে দুখ একো নাছিল। নলিনীৰ দৰে মোৰো সৰুৰে পৰা কত কি যে হবলৈ আকাঙ্ক্ষা নাছিল। যি আশা পূৰ্ণ ন'হল, যি আকাঙ্ক্ষা ফলিতে লেৰেলি গ'ল, তাৰ বাবে দুখ কৰা অভ্যাস কাহানিবাই হেৰাই গৈছে। গুৱাহাটীৰ কত মানুহৰ ঘৰে ঘৰে যে ল'ৰা-ছোৱালী পঢ়ুৱাই আই. এচ্. চি.টো পাচ কৰিলোঁ আৰু তাকো প্ৰথম বিভাগতে, তাৰ বাবেই নিজকে নিজে অভিনন্দন জনাই বিজ্ঞান জগতৰ পৰা বিদায় লৈ বি. এ. পঢ়াত লাগি গ'লোঁ। মোৰ দৰেই বিজ্ঞানৰ পৰা বিদায় লৈ কলালৈ অহা কেইজনমান বন্ধুৱে উদগনিত সংস্কৃত আৰু এডিউকেশ্যন্ লৈ বি. এ.ৰ ক্লাচ কৰাৰ পিছত ইংৰাজীত অনাৰ্চ্ লৈ তাৰো ক্লাচ কৰাত লাগি গ'লোঁ। সৰুতে গল্প-উপন্যাস পঢ়ি ভাল লাগিছিল; গতিকে বন্ধু কেইজন মানে ইংৰাজীত অনাৰ্চ্ লবলৈ লগ ধৰাত ভাব হ'ল, ইংৰাজী সাহিত্য বৰ সমৃদ্ধিশালী বুলি শুনিছোঁ। যেতিয়া, তাত অনাৰ্চ্ পঢ়ি বেয়া নেলাগিব লাগে। তদুপৰি বন্ধু কেইজনে চাকৰি সহজে পোৱাৰ যি লোভ দেখুৱাইছিল, মোৰ দৰে অৱস্থাৰ ল'ৰা এজনৰ পক্ষে সেই লোভো সামৰিব পৰা বিধৰ নহয়।

চাওঁতে চাওঁতে তৃতীয় বাৰ্ষিক পাৰ হৈয়েই গৈছিল। আই. এচ্. চি. পাচ কৰি মেডিকেল পঢ়িব নোৱাৰাৰ পিছত যি ঘৰ এৰিলোঁ, সেইদিন ধৰি আৰু ঘৰলৈ চিঠি এখনো লিখা নাই—ঘৰলৈ যোৱাতো দূৰৈৰ কথা। এই বছৰটোৰ ভিতৰত ঘৰৰ পৰাও মোক যে কোনোবাই বিচাৰিছিল নাইবা মোলৈ কোনোবাই চিঠি এখন লিখিছিল, সিও নহয়। গুৱাহাটীৰ পৰা পঞ্চাছ-ষাঠী মাইল দূৰৈৰ এখন ভিতৰুৱা গাৱঁৰ আমাৰ পিতা আৰু জেঠাৰ সংযুক্ত পৰিয়ালখন (পিতা অৱশ্যে মই অতি সৰুতে থাকোঁতেই ঢুকাইছিল) ইমান ডাঙৰ যে ত্ৰিছজন মতা-মাইকী, ল'ৰা-ছোৱালীৰ সেই প্ৰকাণ্ড পৰিয়ালটোৰ পৰা মোৰ দৰে এজন মাথোন ব্যক্তি আঁতৰি থাকিলে, তাৰ গম কোনোৱেই নোপোৱাটো অতি স্বাভাৱিক। তথাপি সেইখন ঘৰলৈকেই তৃতীয়

বাৰ্ষিকী পৰীক্ষা দি উঠি যাব লগীয়াত পৰিলোঁ—ঘৰৰ প্ৰতি আকৰ্ষণত নহয়, ঘৰৰ পৰা তিনি মাইলমান দূৰৈৰ যিখন স্কুলৰ পৰা মই মেট্ৰিক পাচ কৰিছিলোঁ, সেইখন স্কুলত তিনিমাহ মানৰ বাবে এটি অস্থায়ী শিক্ষকৰ চাকৰি ওলোৱা বুলি শুনিছে।

জীৱনত প্ৰথমবাৰৰ বাবে শিক্ষকতা কৰি মোৰ চিৰ নিৰানন্দ জীৱনটোতো যি এক আনন্দ পালোঁ, তাৰ কথা আজি ইমান বছৰ পিছলৈকো মনত ৰৈ গ'ল। কি পঢ়ুৱাইছিলোঁ, কেনে পঢ়ুৱাইছিলোঁ, সেইবোৰ মই পাহৰি গৈছোঁ। কিন্তু কোমল বয়সৰ কোমল কোমল মুখৰ ল'ৰা-ছোৱালীবোৰৰ মাজত সোমাই মোৰ যি অনুভূতি হৈছিল, সেইবোৰে মোৰ স্নায়ুত এটি চিৰস্থায়ী সাঁচ বহুৱাই গ'ল। কিন্তু সেই তিনিমাহৰ ভিতৰৰ যিটো ঘটনা মোৰ আটাইতকৈ স্মৰণীয় হৈ ৰ'ল, সেইটো এদিন নৱম মান শ্ৰেণীত অতি আকস্মিকভাৱে ঘটি গৈছিল। ল'ৰা-ছোৱালীবোৰে সেইদিনা মোক পাঠ্যৰ পৰা কিবা বুজোৱাৰ সলনি আধুনিক অসমীয়া কবিতা সম্পৰ্কে নাইবা তেনেকুৱা অন্য কিবা বাহিৰা কথা পাতিবলৈ অনুৰোধ জনাইছিল। তেওঁলোকে যেনে বিষয়ৰ উল্লেখ কৰিছিল, সেই বিষয়ে কোৱাত মোৰ আপত্তি নাছিল। কিন্তু সৰুৰে পৰা কিমান সপোন, কিমান লক্ষ্য, কিমান উদ্দেশ্য যে মোৰ জীৱনত গঢ়ি উঠিল আৰু ভাঙি ভাঙি গ'ল, সেই কথাটোৱেই সেই সময়ত মোৰ মনত প্ৰতিক্ৰিয়া কৰি আছিল। তাৰ কাৰণো আছিল। তাৰ আগৰ ক্লাচটোত অন্য এটি নিম্নতৰ শ্ৰেণীত 'মোৰ জীৱনৰ লক্ষ্য' শীৰ্ষক ছাত্ৰ সকলে লিখা এখন ৰচনা পৰীক্ষা কৰি আহি এইটো ক্লাচত সোমাইছিলোঁহি। সেই ক্লাচটোৰ প্ৰায়বোৰ ল'ৰাই ৰচনাখন আৰম্ভ কৰিছিল এনেকুৱা এটি শাৰীৰে—প্ৰত্যেক মানুহৰে জীৱনৰ এটি লক্ষ্য থকা উচিত ; লক্ষ্যহীন মানুহে জীৱনত কেতিয়াও উন্নতি কৰিব নোৱাৰে।' প্ৰায় প্ৰতিটো ছাত্ৰৰে ৰচনাত এনে এটি বাক্য পাই মোৰ মন স্বভাৱতে মোৰ স্কুলীয়া ছাত্ৰ অৱস্থালৈ উভতি গৈছিল। এনে ধৰণৰ ৰচনা ময়ো নিজে ছাত্ৰ হিচাপে বহুবাৰ লিখিবলগীয়া হৈছিল। কিন্তু শেষত কি হ'ল ? কিয় এনে হ'ল ? পঞ্চমমান শ্ৰেণীত এই ৰচনাখন লিখোঁতে মই লিখিছিলোঁ মই ডঃ বাণীকান্ত কাকতিৰ দৰে এজন অধ্যাপক আৰু এক বিদগ্ধ পণ্ডিত হ'ম। আনন্দৰাম বৰুৱাৰ দৰে মই জীৱনত কেতিয়াও বিয়া নকৰাওঁ। সেই একেজন ছাত্ৰই অষ্টমমান শ্ৰেণীত আহি সেই একে বিষয়ৰ ৰচনাতে লিখিলোঁ, মই যতীন্দ্ৰনাথ দুৱৰাৰ দৰে এজন মানুহৰ সঙ্গৰ পৰা আঁতৰত থাকি ভাল পোৱা, জেতুকাপাতৰ দৰে হিয়াৰ কৰি হ'ম। সেই

সময়ত মই সুৰবালাৰ প্ৰেমত পৰি কবিতাৰ পিছত কবিতা লিখি কাগজৰ দোকানীক আচৰিত কৰোঁ। আৰু ঠিক সেই একে সময়তে মোৰ যৌথ পৰিয়ালৰ সেই প্ৰকাণ্ড ঘৰখনত মোক স্কুলত নপঢ়ুৱাই হালত লগাই দিবলৈ জেঠাইঁতৰ শুভাকাঙ্ক্ষা গাৱঁৰ অন্যান্য লোকসকল উদ্যত। তেওঁলোকৰ ভাব—স্কুলত ল'ৰা পঢ়ুৱাবলৈ, ইমান ডাঙৰ এখন পৰিয়াল অকল খেতিৰ উপাৰ্জ্জনখিনিৰেই চলোৱাৰ পিছত, টকাই কেতিয়াও নোজোৰে ; তদুপৰি শিক্ষিত হ'লে মানুহে মাক-পিতাকলৈ, ভায়েক-ভনীয়েকলৈ পিঠি দি নিজৰ তিৰোতাটোক অকল চিনা হৈ ঘৰৰ পৰা, গাৱঁৰ পৰা আতৰি যায়। সি যি কি নহ'ক, ভাগ্যৰ বলতেই হওক বা নিজৰ বুদ্ধি আৰু অধ্যৱসায়ৰ গুণতেই হওক, দুৰবা হ'বলৈ আকাঙ্ক্ষা কৰা এই ল'ৰাজনেই এদিন এটি প্ৰতিযোগিতামূলক বৃত্তি লৈ মেট্ৰিক পাচ কৰিলোঁ আৰু বৃত্তি পোৱাৰ উৎসাহতে গুৱাহাটীত থকা কেইজনমান চিনাকি মোতকৈ ওপৰৰ শ্ৰেণীৰ ছাত্ৰৰ সহায়ত কটন কলেজত বিজ্ঞানত নাম লিখিলোঁ। বিজ্ঞান এবছৰ পঢ়াৰ পিছতেই চিকিৎসা বিজ্ঞানত এজন ডাঙৰ বৈজ্ঞানিক হ'বলৈ এক অদ্ভুত আকাঙ্ক্ষা জন্মিল। কিন্তু সময়ত সেই আকাঙ্ক্ষাৰো সামৰণি মাৰি আহি পুনৰ যেতিয়া অষ্টমমান শ্ৰেণীৰ ছাত্ৰসকলৰ বহীত দেখিলোঁ—'প্ৰত্যেক মানুহৰে জীৱনৰ এটি লক্ষ্য থকা উচিত ; লক্ষ্যহীন মানুহে জীৱনত উন্নতি কৰিব নোৱাৰে'—তেতিয়া স্বভাৱতে 'জীৱনৰ লক্ষ্য' এই বিষয়টোৱেই মোৰ মনত প্ৰতিক্ৰিয়া কৰি আছিল। গতিকে নৱমমানৰ ছাত্ৰসকলে মোক বাহিৰা কথা কবলৈ কোৱাত আন এদিন কম বুলি সেইদিনা তেওঁলোকৰ কাৰ জীৱনৰ লক্ষ্য কি তাকেহে সুধিছিলোঁ।

কেবাজনো ল'ৰা-ছোৱালীয়ে ইংৰাজীতে তেওঁলোকৰ জীৱনৰ লক্ষ্যৰ কথা কৈ মোক আনন্দ দিছিল। তেওঁলোকৰ আশাবোৰৰ, আকাঙ্ক্ষাবোৰৰ সহজ প্ৰকাশে মোক মোহিত কৰিছিল। কিন্তু যাৰ জীৱনৰ উদ্দেশ্যৰ কথা শুনি মই স্তব্ধ হৈ গৈছিলোঁ মোৰ নিজৰ জীৱনৰ ভ্ৰষ্টতাৰ ছায়া তেওঁৰ ভৱিষ্যতৰ বাবে অতি আলসুৱা ভাবে আঁকি ৰখা সেই ছবিখনতো পৰা দেখি, সেয়া হ'ল এক ছোৱালীৰ জীৱনৰ উদ্দেশ্যৰ কাহিনী। ল'ৰা-ছোৱালীবোৰৰ কাৰো মই নাম নাজানিছিলোঁ বাবে প্ৰথমতে নিজৰ নামটো কি, আৰু তাৰ পিছত তেওঁলোকৰ লক্ষ্যৰ কাহিনী কবলৈ মই নিৰ্দ্দেশ দিছিলোঁ। এই ছোৱালীজনীৰ পাল পৰিলত তেওঁ থিয় হৈ তেওঁৰ নামটো ইলা বুলি কৈ তেওঁৰ জীৱনৰ লক্ষ্যৰ বিষয়ে কৈছিল যে, আই. এ. পাচ কৰাৰ পিছত তেওঁ ইংৰাজীত অনাৰ্চ লৈ বি. এ. পঢ়িব।

তাৰ পিছত ইংৰাজীত এম্. এ. পঢ়িব ; আৰু তাৰ পিছত এম্. এ. পাচ কৰি ইংৰাজীৰ অধ্যাপিকা হ'ব। সম্প্ৰতি মই যিটো মোৰ লক্ষ্য হিচাপে লৈ বি. এ. পঢ়িলোঁ, সেই লক্ষ্যটোকে এইজনী ছোৱালীৰ মুখত শুনি মই তেওঁৰ মুখৰ পিনে চাই পঠিয়ালোঁ। পাতল স্বাস্থ্যৰ, উজ্জ্বল বগা, ধুনীয়া এজনী লাজকুৰীয়া ছোৱালী। কথাখিনি শেষ কৰি লাজত তলমূৰ কৰি থিয় হৈ আছে। মোৰ নিজৰ লক্ষ্যটো তেওঁৰ মুখত শুনি মই মুগ্ধ হ'লেও আনন্দিত হোৱা নাছিলোঁ অকণো। আই. এচ্. চি. পাচ কৰাৰ পিছত ডাক্টৰী পঢ়িব নোৱাৰৰ বিফলতাই সেই সময়ত মোক ইমান নিৰাশ কৰিছিল যে পৃথিবীৰ কোনো কথাকেই সেই সময়ত মই আশাৰে গ্ৰহণ কৰিব নোৱাৰিছিলোঁ। বৰং, এক আকস্মিক বিমৰ্ষতাই মোক ছোৱালীজনীৰ সেই প্ৰসংশনীয় লক্ষ্যৰ প্ৰকাশৰ লগে লগে আচ্ছন্ন কৰি পেলাইছিল। মোৰ ভাব হৈছিল, যি লক্ষ্যৰ ভ্ৰষ্টতাই আৰু হতাশাই মোক ইংৰাজীৰ অনাৰ্চ লৈ বি. এ. পঢ়ি শেষত অধ্যাপক হোৱাৰ লক্ষ্য চকুৰ আগলৈ আনি দিলে, সেই ভ্ৰষ্টতা আৰু হতাশায়ো এদিন এইজনী কিশোৰী স্বপ্ন-দ্ৰষ্টাৰ এই স্বপ্ন ভঙ্গ কৰি, এই লক্ষ্য ভ্ৰষ্ট কৰি, এওঁৰ হাতত অতি সোনকালে সানি দিব ভাত ৰন্ধা কেৰাহীৰ ছাই ; আৰু জীৱনটো দৰ্ব্বহ কৰি তুলিব, তেনেকৈয়েই গৃহিণীৰ অন্তহীন ব্যস্ততাই। চমু কথাত, জীৱনৰ যি অভাৱনীয় হতাশা আৰু নিৰশাই এদিন এওঁৰ এই লক্ষ্য মনৰ পৰা কাঢ়ি নিব সেই হতাশা আৰু নিৰাশাই মোক আজি সেই লক্ষ্যত উপনীত কৰাইছে। মোৰ এই বিমৰ্ষ উপলব্ধিৰ পিছত মই তেওঁৰ পিনে পুনৰ চকু তুলি চালোঁ। সেই একেটা লাজুকীয়া ভঙ্গীতেই তেওঁ তেতিয়া তলমূৰা কৈ থিয় হৈ আছে। মই তেওঁক তেতিয়া বহিবলৈ কৈছিলোঁ এইবুলি কৈ যে মই তেওঁৰ লক্ষ্যৰ কথা শুনি বৰ ৰং পালোঁ। আৰু মই ইয়াত-কৈয়ো বেচি আনন্দিত হ'ম তেতিয়া, যেতিয়া মই দেখোঁ, তেওঁৰ এই জীৱনৰ আকাঙ্ক্ষা পূৰ্ণ হৈছে।

তাৰ কিছুদিন পিছত স্কুলখনৰ পৰা গুলাই আহিছিলোঁ। তেতিয়াৰ পৰা ঘৰমুৱা আৰু কোনো দিন যেনেকৈ হোৱা নাই, সেই স্কুল বা সেই চহৰৰ পিনেও আৰু কোনো দিন যোৱা নাই। ঘৰৰ বহুতো কথা, স্কুলত শিক্ষকতা কৰাৰ বহুতো স্মৃতি ইমান দিনৰ ভিতৰত মনত আৰু অস্পষ্ট হৈ গৈছে। কিন্তু তথাপি স্পষ্ট হৈ আজিও ৰৈছে, লাজ লাজ ভাবেৰে অথচ স্পষ্ট ভাৱে জীৱনৰ লক্ষ্যৰ কথা কোৱা ইলা নামৰ সেই ছোৱালীজনীৰ স্মৃতি, লাজকুৰীয়া তেওঁৰ সেই ভঙ্গী। ইলাৰ সেই কথা,

সেই ভঙ্গিমা মনত হয়তো মোৰ চিৰ দিন সেউজীয়া হৈ ৰৈ যাব ; কিন্তু সেইজনী ছোৱালীয়েই কোনোবা দিনা আৰু মোৰ ওচৰ পাবহি, তাক মই সপোনতো ভবা নাছিলোঁ। জীৱনৰ বাটত কত কিমানক লগ পোৱা যায় ; খন্তেক সময়ৰ বাবে সেই সকলৰ স'তে আমাৰ ভাবৰ আদান-প্ৰদান হয় আৰু তাৰে বহুতো কথাৰে আমাৰ অন্তৰত একো একোডালি ৰেখা টানি সেই সকল নিজৰ বাটেৰে গুচি যায় আমাক এৰি থৈ আমাৰ বাটত। সেই সকলক আৰু কোনোবা দিনা আচম্বিতে লগ পাই যাম জীৱনত, এনে আশ্বাস মনত পুহি ৰখা মোৰ ধৰ্ম্ম নহয়।

সেই কাৰণে সিদিনা পাঁচ বছৰৰ মূৰত ইলা আহি যেতিয়া আমাৰ এই 'ডভুৱা মেচ'ত সোমাই মোৰ কোঠাত ভৰি দিলে, বিস্ময়ত মই হতবাক হৈ গ'লোঁ। আশ্চৰ্য্য আৰু আনন্দৰ এক অদ্ভুত সংমিশ্ৰণত মই তেতিয়া কেনে যে অনুভৱ কৰিছিলোঁ, তাক প্ৰকাশ কৰা টান। কিমান ঘণ্টা সময় মই তেওঁৰ স'তে কথা পাতিছিলোঁ, তাৰ জ্ঞান তেতিয়া মোৰ নাছিল। তেওঁৰ সৈতে হাইস্কুলৰ ক্লাচত চিনাকি হোৱা সেই দিনটোৰে পৰা এই পৰ্য্যন্ত তেওঁৰ আৰু মোৰ অনেক কথা। কথাৰ যেন শেষ নাই। তেওঁ এতিয়া তিনি বছৰীয়া ডিগ্ৰী কোৰ্চৰ দ্বিতীয় বাৰ্ষিকত। ইংৰাজীৰ অনাৰ্চ্ লৈয়েই বি. এ. পঢ়িছে। তেওঁ মোৰ পৰা অনাচৰ কোৰ্চত কিছু সহায় আশা কৰে। মোক ইমান দিনে নেদেখিলেও মোৰ খবৰ তেওঁ যথা সম্ভৱ লৈ আছে। অৱশেষত চৰকাৰী চাকৰি কৰা তেওঁৰ দেউতাক যোৱা বছৰ গুৱাহাটীলৈ বদলি হৈ অহাত মই এতিয়া ক'ত থাকোঁ, কি কৰোঁ, তাৰ সবিশেষ তেওঁ যত্নেৰে সংগ্ৰহ কৰি লগত হাই-স্কুলৰ সপ্তমমান শ্ৰেণীত পঢ়া ভাইটি এজন লৈ সেইদিনা মোৰ ঘৰতেই উপস্থিত হ'লহি। এতিয়া তেওঁৰ আৱেদন, এদিন ময়ো তেওঁৰ ঘৰলৈ যাব লাগে ; গৈ মাক-দেউতাকতহঁতৰ লগতো চিনাকি হ'ব লাগে। তৃতীয় বাৰ্ষিকৰ পৰীক্ষা দি উঠি শিক্ষকতা কৰিবলৈ ঘৰলৈ যোৱাৰ পিছত, যি ঘৰৰ পৰা উভতি আহিছোঁ, তেতিয়াৰে পৰা আৰু কেতিয়াও কোনো ঘৰলৈ বা পৰিয়াললৈ যোৱা নাই কোনো দিন। অৱশ্যে ল'ৰা-ছোৱালী পঢ়ুৱা 'টিউটৰ্' হিচাপে মানুহৰ ল'ৰা-ছোৱালীৰ পঢ়া কোঠাই কোঠাই বহি ফুৰা কথাষাৰ বেলেগ। সেয়েহে পৰিয়ালৰ মৰম, পৰিয়ালৰ স'তে সম্পৰ্ক—এনেবোৰ কথাৰ মনত ঠায়েই নাহকিয়া হৈ পৰিছে। এনেস্থলত ইলাৰ নিমন্ত্ৰণ পাই যাম নে নেযাম বহু সময়লৈ নিজে ঠিকেই কৰিব নোৱাৰিলোঁ। গধুলি নলিনীৰ লগতো সেই বিষয়েই আলোচনা কৰিলোঁ।

সি মোক উৎসাহ দিলে। সি ক'লে, "নেযাবি কেলৈ? ইমান আগ্ৰহ, ইমান একাগ্ৰতাকো যদি ভৰিবে নেওচা দিয় তেন্তে তয়ো আৰু মানুহনে?"

মই কওঁ, "নাই। মই আৰু মানুহ হৈ থাকিব খোজা নাই অ', নলিনী। এসময়ত মই মানুহ হ'বলৈকেই, সংসাৰৰ এজন হ'বলৈকেই অহৰহ কামনা কৰিছিলোঁ। কিন্তু মোৰ সেই সপোন নিষ্ঠুৰভাৱে ভাঙি গ'ল; এবাৰ নহয়—দুবাৰ, নলিনী। দুবাৰ। তাৰ পিছত আৰু মানুহ হ'ব খোজা নাই, সংসাৰী হ'ব খোজা নাই, গৃহী হ'ব খোজা নাই। মই বনৰীয়া হ'ব খুজিছোঁ, নলিনী। এক প্ৰকাৰৰ বন্য প্ৰাণী হৈ যাবলৈ বিচাৰিছোঁ এতিয়া মই।"

"আৰে, বাদ দে, সেইবোৰ সন্ন্যাসী কল্পনা। সুযোগ যেতিয়া আপুনিয়েই আহে, তেতিয়াও যি তাক গ্ৰহণ নকৰে, সিও আৰু মানুহনে? মোৰ কথা স্বকীয়া। তই সুযোগ পাইছ, যা।"

তাৰ কথাত মই অলপ আশ্বস্ত হ'লোঁ। মনে মনে ভাবিলোঁ, এৰা, বনৰীয়া প্ৰাণীযেও এদিনৰ বাবে যদি সংসাৰৰ স্বাদ লৈ যায়হি, হানিতো তাত একো নাই। মই গ'লোঁ—ইলাহঁতৰ ঘৰলৈ।

ইলাহঁতৰ ঘৰত যি আদৰ-সাদৰ পালোঁ মাক-দেউতাক সকলোৰে পৰাই সেই আদৰ-সাদৰ ঘৰ এৰি অঘৰী হোৱা মাজৰ এই বছৰ কেইটাতহে যে অকল পোৱা নাছিলোঁ, তেনে নহয়। জীৱনত কোনো ঘৰতেই তেনে মৰম আৰু পোৱা নাছিলোঁ। উভতি আহি সেয়েহে নলিনীক ক'লোঁ, "মোৰ পনৰ্জ্জন্ম হ'ল অ', নলিনী। মানুহৰ প্ৰতি, সংসাৰৰ প্ৰতি অভাবনীয় ৰূপে আস্থা ঘূৰি আহিল অৱশেষত।"

মোৰ কথাত নলিনীয়ে হাঁহে। সি হাঁহি হাঁহি কয়, "তোৰ বা মোৰ জানো এবাৰহে পুনৰ্জ্জন্ম হ'ল, এবাৰহে আস্থা ঘৰি আহিল মানুহৰ প্ৰতি, সংবাৰৰ প্ৰতি?" তাৰ ইঙ্গিত বুজি পাই ময়ো হাহোঁ।

ইয়াৰ কিছুদিনৰ পিছত নলিনীৰো এটি সুযোগ আহিল। সি এদিন আবেলি কলেজৰ পৰা উভতি আহি ক'লে, "হেই, বেদান্ত, হাইস্কুলত এনেকুৱা এটি শ্লোক তোৰ পোৱা মনত পৰেনে অ'—নভবাকৈ আমাৰ জীৱনলৈ দুখবোৰ যেনেকৈ আহে সুখবোৰো তেনেকৈয়েই আহি যায়?"

মই ক'লোঁ, "এৰা, আছে। পিছে ম্লেচ্ছৰো আজি আকৌ সংস্কৃত শ্লোকৰ কথা মনত পৰিল কেনেকৈ?"

সি ক'লে, "এ নকৰি আৰু। সকলো কপালৰ লেখন। আমাৰ কলেজৰ পৰা আহি দীঘলী পুখুৰীৰ পাৰ পাইছোঁহে, এনেতে সন্মুখত দেখোঁ মোৰ পূৰ্ব্বৰ চিনাকি এজনী ছোৱালী। এওঁক স্কুলত পঢ়ি থকা অৱস্থাতে দেখিছিলোঁ। তেওঁলোকৰ ঘৰৰ ওচৰৰ এটি ভাড়া ঘৰত আছিলোঁ সেই সময়ত। আজি দেখি অবাক। বহুত ডাঙৰ হ'ল এতিয়া। অকল সেয়েই নহয়, ধুনীয়াও ইমান বেচি হ'ল আগতকৈ যে এবাৰ যি চকু পৰিল, চকু আৰু ঘূৰাই আনিব নোৱাৰিলোঁ কোনো মতে। তেজাল ফুটো ফুটো গাল দুখনেৰে তেওঁৰ মুখখনেই চাবি, নে উজ্জ্বল সোণতৰা টেঙাৰ দৰে গাৰ বৰণেই চাবি, নে সুসংগঠিত দেহৰ গঠনকেই চাবি? প্ৰথমতে মই তেওঁক চিনাই নাছিলোঁ। মাথোন অবাক হৈ তেওঁৰ মুখৰ পিনে চাই চাই চাইকেল চলাইছিলোঁ মোৰ নিজৰ বাটেৰে। কিন্তু তেওঁ মোক চিনি পাই যেতিয়া 'চাৰ' বুলি মাতি থিয় হ'ল, তেতিয়াহে ভমককৈ মোৰ মনত পৰিল সেইজনী কোন। মই তৎক্ষণাৎ চাইকেলৰ পৰা নামি ক'লোঁ, 'মাফ কৰিবা। তুমি ইমান ডাঙৰ হৈ গৈছা। তোমাক মই ঠিক চিনিব পৰা নাছিলোঁ।' তাৰ পিছত কত যে কথা আমাৰ মাজত। বেচি ভাগ কথা তেৱেঁই ক'লে। মোৰ পৰীক্ষাৰ খবৰ তেওঁ পাইছে। মই ক'ত সোমাইছোঁ, তাৰো গম তেওঁ ৰাখিছে। এতিয়া তেওঁ পলিটিকেল্ চাইঞ্চত অনাৰ্চ্ লৈ প্ৰথম বাৰ্ষিকত নাম লিখিছে। তেওঁক মই মাজে মাজে তেওঁলোকৰ ঘৰলৈ গৈ সহায় কৰি দিব লাগে। তেওঁ হেনো অনাৰ্চ্ ইমান টান বুলি আগেয়ে ভবাই নাছিল। ভবা হেঁতেন, নললেইহেঁতেন। কাৰণ তেওঁতো বেয়া ছোৱালী। যি হ'ক, তোক সেই দিনা ইলাহঁতৰ ঘৰৰ পৰা অহা দেখি মোৰো এতিয়া কোনোবা ছোৱালীৰ ঘৰলৈ যাবৰ মন ভিতৰে ভিতৰে তো আছিলেই। গতিকে মই যেতিয়া তেওঁৰ পৰা সাধাৰণভাবে হ'লেও এটি নিমন্ত্ৰণ পালোঁ তেওঁৰ ঘৰলৈ, মোক আৰু পায় কোনে? মই তৎক্ষণাৎ ক'লোঁ, 'মোৰ সময়ৰেই বৰ অভাৱ। তথাপি সময় বুজি যাম যোৱাচোন বাৰু এদিন। তোমাৰ মা-দেউতাহঁতৰ লগত চিনাকি হ'ব পাৰিলে ভালো লাগিব।' পিছে মোৰ কথাত তেওঁ তৎক্ষণাৎ কৈ উঠিল, 'মোৰ মা নাই দেই। সৰুতেই ঢুকাইছে। দেউতা আছে; আৰু বাইদেউহঁতো আছে। আপুনি তেওঁলোকৰ লগতেই পৰিচিত হ'ব পাৰিব।' এনে এটি ভুল কৰি লাজেই পাইছিলোঁ। দুখো লাগিছিল। যি হ'ক, নিমন্ত্ৰণটো আনিলোঁ মুঠতে। এতিয়া মই কোন দিনা যাম, ক।"

ইয়াৰ দুদিনমান পিছতেই ননিনী এদিন আবেলি সেই ছোৱালীজনীৰ

ঘৰলৈ গ'ল গৈ। গধূলি সি আহি পালত দুয়ো আমাৰ ঘৰৰ সমুখৰ গোলাপজুপিৰ ওচৰত চকী দুখন পাৰি লৈ বহি ললোঁ। সি ক'লে, "অপূৰ্ব্ব লাগিল অ', কুন্তলাক। তেওঁলোকৰ ভাড়া ঘৰৰ ওচৰত যেতিয়া আছিলোঁ তেতিয়া মানুহ ঘৰৰ ওপৰত অন্য মানুহৰ মন্তব্য বৰ ভাল নাছিল। অন্য মানুহৰ মন্তব্য এৰাই নিজে কিবা মত এটি মানুহ ঘৰৰ ওপৰত গঢ়িবলৈ তেতিয়া প্ৰযোজনো নাছিল। আজৰিও নাছিল। মানুহ ঘৰ সম্পৰ্কে নিজে মাথোন এই কথা জানিছিলোঁ যে তেওঁলোকৰ ঘৰত ইমানবোৰ আবিয়ৈ গাভৰু আছে যে তাৰ সঠিক হিচাব বাহিৰা মানুহে দূৰৈৰ পৰা কৰা সম্ভৱ নহয়। আজি তেওঁলোকৰ ঘৰলৈ গৈ দেখিলোঁ, সেই আবিয়ৈ গাভৰু-বোৰৰ কিছুমানক এতিয়া এই কলিকালত অন্ততঃ বুঢ়ী আখ্যা দিব পৰা হ'ল। বিয়া কিন্তু এজনীৰো হোৱা নাই। আনহাতে আমি তাত থকা সময়ৰো সৰু ছোৱালীবোৰ বয়সত বাঢ়ি বাঢ়ি গাভৰু হোৱাত আবিয়ৈ গাভৰুৰ সংখ্যা আৰু বাঢ়িল। সঁচা কথা কবলৈ গ'লে, ঘৰখন সঁচাই বৰ ভাল নালাগিল দেই। বাইদেৱেক এজনীয়েও আগবাঢ়ি আহি মোৰ স'তে পৰিচিত নহ'ল। দেউতাকো ভিতৰৰ পৰা ওলাই নাহিল। মাথোন মাজতে আধা ঘণ্টামান মোক অকলে বহুৱাই থৈ কুন্তলাই নিজে চাহ একাপ আৰু কল এটা আনি দিলেহি। তাৰ পিছত তেওঁৰ কোৰ্চৰ টান লগা কথা কিছুমান বুজাই দি গুচি আহিলোঁ।"

তাৰ কথাবোৰ শুনি থাকি থাকি মই তাক ক'লোঁ, "তেন্তে এই কেচ্‌টো ইয়াৰ পিছত আৰু পাৰ্‌চু নকৰি এৰিয়েই দিবি নেকি?"

সি লগে লগেই কৈ উঠিল, "নাই অ', সেইটো কৰিবলৈ সৎ নেযায়। কুন্তলাৰতো কোনো দোষ নাই। বৰং তেওঁৰ কেবাটাও গুণে মোক অবাক হে কৰিলে। এনে এখন ঘৰত কুন্তলাৰ দৰে এজনী ভদ্ৰ, সদাচাৰী ছোৱালী যে গঢ়ি উঠিছে, তাৰ বাবে কুন্তলাক তই 'অসামান্যা' বুলি নকবিনে? তেনে এখন ঘৰত, যিখন ঘৰৰ মানুহে ঘৰলৈ এজন ভদ্ৰলোক গ'লে মাত এষাৰ দিবও নাজানে, কুন্তলা জন্মিও তেওঁ যে মোৰ ইমানেই মূল্য বুজে যে মোক আৰু কাহানিও লগ পোৱাৰ আশা তেওঁৰ নাথাকিলেও মোৰ পৰীক্ষাৰ খবৰৰ খবৰ ৰাখে, মোৰ চাকৰিৰ খবৰ ৰাখে, আৰু মোক লগ পোৱাৰ লগে লগে মোৰ সহায়ত তেওঁ যে উপকৃত হ'ব, তাক বুজিব পাৰে—এইটো তেওঁৰ এটি অসাধাৰণ গুণ বুলি নাভাবনে? গতিকে, এনেকুৱা এজনী ছোৱালীক অনাদৰ কৰিবি কেনেকৈ?"

মই ক'লোঁ, "আদৰ কৰ। কিন্তু তাতকৈ আৰু বেচি কিবা

কৰিবলৈ যদি যাৱ, তেতিয়াহে সৰ্ব্বনাশ হ'ব। বিশেষকৈ তোৰ যিটোহে স্বভাৱ।"

সি ক'লে "মানে প্ৰেমত পৰাৰ কথা কৈছ? মিছা কথা কৈ কি লাভ? আজি কুন্তলাৰ প্ৰেমত অলপ পৰা যেনেই লাগিছে। তেওঁৰ দেহৰ সৌন্দৰ্য্য অবৰ্ণনীয়; সেইটো বাৰু বাদ দিছোঁ। কিন্তু তেনে এখন ঘৰত, মাক নোহোৱা ছোৱালী এজনীয়ে নিজকে যে তেনেকৈ গঢ়ি তলিছে, এই কথাটোৱেই মোৰ মনত গভীৰ সাঁচ বহুৱাইছে। তোক চিৰিয়াচ্‌লি সুধিছোঁ, ক'চোন বেদান্ত, কুন্তলাক মই বিয়া কৰালে বেয়া হ'বনেকি? মানে, এই ধৰ, 'হেৰেডিটি' আৰু 'এন্‌ভিৰন্‌মেণ্ট্‌'—বংশগত স্বভাৱ আৰু পাৰিপাৰ্শ্বিকতা—এই দুটাই কুন্তলাৰ ব্যক্তিত্ব গঠনত জানো প্ৰভাৱ সঁচাই পেলাবই? আধুনিক বিজ্ঞানমনা মানুহৰ এই বিশ্বাসক চেৰ পেলাই বোকাত জানো পদুম ফুল নুফুলে?"

মই দেখিলোঁ, নলিনী ইতিমধ্যে কুন্তলাৰ প্ৰতি এনে গভীৰভাৱে আকৰ্ষিত হৈছে যে তাক সেই আকৰ্ষণৰ পৰা মুক্ত কৰিবলৈ খোজা আৰু বৃথা। গতিকে মই হাঁহি তাক ক'লোঁ, "আধুনিক মানুহৰ বংশগত স্বভাৱ আৰু পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ—এই দুটাৰ ওপৰত যি বিশ্বাস, মানুহৰ ব্যক্তিত্ব গঠনত সেয়েই সঁচা নে বোকাত পদুম ফুল দেখি ওপজা পুৰণি মানুহৰ ব্যক্তিত্ব-গঠন সম্পৰ্কে যি বিশ্বাস সেয়েই সঁচা—তাক মই তোক কৈ দিয়া টান। কিন্তু কোনটো সঁচা, তাৰে এটি পৰীক্ষা তই এই সুযোগতে নিজেই তো কৰি পেলাব পাৰ। কুন্তলাৰ প্ৰেমত হাবু-দুবু খাই যদি দেখ তেওঁ সঁচাই এপাহ বোকাত ফুলা পদুম, তেতিয়া হ'লেতো হানি তোৰ একো নাই; আৰু যদি দেখ আধুনিক মানুহৰ বৈজ্ঞানিক বিশ্বাসেই সঁচা, তেতিয়াও তোৰ লোকচান কি? আমাৰ ঘড়ীবোৰ যেনেকৈ ৱাটাৰ-প্ৰুফ্‌, চক্‌-প্ৰুফ, নাইবা মেগ্‌নেট্‌-প্ৰুফ্‌ তেনেকৈ, তই আৰু মেয়োতো ইতিমধ্যে 'ৱ'মেন্‌-প্ৰুফ্‌' হৈ গৈছোঁ। তিৰোতাই জানো আৰু আমাক টলাব পৰাতেই আছে?"

নলিনী এইবাৰ জঁপিয়াই উঠিল, "তই ঠিক কৈছ। আজিৰ পৰা কুন্তলা তেন্তে মোৰ প্ৰেমিকা হ'ল; আৰু তোৰ প্ৰেমিকা হ'ল, ইলা।"

মই ক'লোঁ, "ধেৎ, ইলাৰ লগত মোৰ সম্পৰ্ক এতিয়াও সেই পৰ্য্যায়লৈ উঠা নাই। তেওঁ মাথোন পঢ়াই-শুনাই, স্বভাৱে-চৰিত্ৰই অতি ভাল ছোৱালী। গতিকে তেওঁক মোৰ ভাল লাগে। আমাৰ সম্পৰ্ক ইমানেই।"

নলিনীয়ে মোৰ কথাৰ উত্তৰত তাৰ মুখখন বিকৃত কৰি দিঁ কৈ উঠিল, "ধেৎ, চোৰ দগাবাজ কৰবাৰ। মোৰ আগতো ফাঁকি দিবলৈ আহ? ইলিৰ প্ৰেমত পৰা বুলি মই যেতিয়া প্ৰথম তোক কওঁ, তই জানো তেতিয়া স্বীকাৰ কৰিছিলি? পিছত কি হ'ল? ইলিৰ স'তে তোৰ প্ৰেম নাছিল? আৰু এতিয়া ইলাৰ প্ৰেমতো পৰা নাই বলি মোকেই পুনৰ ফাঁকি দিব আহিছ।"

তাৰ কথাত মই নিচিকিয়াই হাঁহো। সিও কৈ উঠি হাঁহে। তাৰ পিছত দুয়ো নীৰৱে বহি থাকোঁ।

এদিন ৰবিবাৰৰ দুপৰীয়া মই ইলাৰ অনুৰোধক্ৰমে তেওঁলোকৰ তালৈ যাওঁ। তেওঁলোকৰ ঘৰলৈ যোৱাৰ ধাউতিটো মোৰ ক্ৰমে ক্ৰমে বাঢ়ি যোৱা দেখি নলিনীয়ে মোক বিদ্ৰূপ কৰে। লাহে লাহে মই নিজেও স্বীকাৰ কৰিবলৈ বাধ্য হওঁ, ইলাৰ প্ৰতি মোৰ আকৰ্ষণ প্ৰেমৰ আকৰ্ষণেই। কিন্তু তথাপি ইলাহঁতৰ ঘৰলৈ যাবলৈ মোৰ যি আগ্ৰহ সি অকল ইলাৰ প্ৰতি আকৰ্ষণতেই নহয়। ইলাৰ মাক-দেউতাকৰ মোৰ প্ৰতি মৰম আৰু সম্ভাৱেও মোক তেওঁলোকৰ ঘৰলৈ ঘনাই যাবলৈ উদগ্ৰীব কৰে। ইলাৰ মাকক ভাল লাগে মোৰ প্ৰতি থকা তেখেতৰ মাতৃহৃদয়ৰ মৰমখিনিৰ বাবে; তেখেতৰ অল্পভাষিতা আৰু গাম্ভীৰ্য্যৰ বাবে। ইলাৰ দেউতাকক ভাল লাগে কাকো পৰোৱা নকৰা, নিজৰ ওপৰত অটল বিশ্বাস ৰাখি চলি যাব পৰা তেখেতৰ সবল ব্যক্তিত্বৰ কাৰণে। তদুপৰি, মানুহজন বেচ সংস্কাৰমুক্ত আৰু উদাৰ। আৰ্. কে. নাৰায়ণৰ ইংৰাজী 'ষ্টাইল'ৰ পৰা ইন্দিৰা গান্ধীৰ ব্যক্তিত্বলৈকে সকলো বিষয়তে তেখেতৰ একোটা নিজা অভিমত আছে; আৰু সেইবোৰ সদৰ্পে আনৰ আগত প্ৰকাশ কৰি ভাল পায়। মানুহজনক মোৰ ভাল লগাৰ সেইটোও এটা কাৰণ।

ইলাহঁতৰ ঘৰ পোৱাৰ পিছতেই ইলাক তেওঁৰ অনাৰ্চৰ কোৰ্চত কিবা অলপ সহায় কৰি দিলোঁ। ডেৰ ঘণ্টামান ইলাৰ লগত কথা পতাৰ পিছত আৰু তেওঁক তেওঁৰ কোৰ্চত সহায় কৰাৰ পিছত, মাকে চাহ-জলপান লৈ আহিলহি। মাকে কিছুসময় ওচৰতে বহি সিটো ইটো কথা তেখেতৰ সেই গম্ভীৰ অল্পভাষিতাৰে মোৰ লগত পাতিলে। তাৰ পিছত ইলাৰ দেউতাক আহি বহিল এই একেটা কোঠাত। অসমীয়া সংস্কৃতি, দেশৰ সাম্প্ৰতিক পৰিস্থিতি আদিৰ বিষয়ে কিছুসময় কথা পতাৰ পিছত তেখেতে বৰ্ত্তমানৰ সমাজ-ব্যৱস্থাত আহি অৱতীৰ্ণ হ'ল। ক'লে, "আমাৰ সমাজখন অধঃপাতে যাব ধৰাৰ কাৰণ, আমাৰ বৰ্ত্তমানৰ মানুহবোৰৰ ঠেক মনো

ভাৱবোৰ। ছোৱালী বিয়া দিয়াৰ ক্ষেত্ৰতেই ধৰক। আজিৰ সমাজৰ এজন মানুহে তেওঁৰ ছোৱালীৰ বাবে বিচাৰিব মানুহ নহয়—তেওঁ বিচাৰিব ডাক্টৰ, এঞ্জিনিয়াৰ বা তেনে একো একোটা আৰ্থিক—স্বচ্ছল অৱস্থাৰ লোক। সিও আকৌ স্বজাতীয় হ'ব লাগিব। এইবোৰ কন্‌ডিচন্‌ ফুল্‌ফিল্‌ হ'লে, সেই লোক নৰহত্যাকাৰী হলেও, ভেঁটাখোৰ দগাবাজ হ'লেও ছোৱালীৰ অভিভাৱকৰ কোনো আপত্তি নাই। মই নিজে কেতিয়াও নিজৰ ছোৱালীক বিয়া দিয়াৰ ক্ষেত্ৰত এনে নকৰোঁ। মই আশা কৰিম, মোৰ ছোৱালীয়ে ডাক্টৰ নিবিচাৰি, এঞ্জিনিয়াৰ নিবিচাৰি, মানুহ বিচাৰি লওক। এজন প্ৰকৃত মানুহ, যি মোৰ ছোৱালীৰ লগত প্ৰকৃততে মিলি যায়—equally enlightened হয়।"

তেখেতৰ কথাৰ শেষ হোৱা নাছিল। তথাপি তাৰে মাজতে মই ইলাৰ পিনে চাই পঠিয়ালোঁ। এখন সৰু চকীত বহি তেতিয়া তেওঁ এটি লাজকুৰীয়া পাতল হাঁহি মাৰিও যেন তাক ঢাকি ৰাখিব খুজিছে। মাকৰ পিনে চাই দেখিলোঁ, তেখেতৰ মুখত এক উজ্জ্বল হাঁহিৰ স্পষ্ট আভা। ইলাৰ দেউতাকে কৈয়েই গ'ল, "স্পষ্ট ভাবে আপুনি যদি মোক সুবিধ খোজে, কোন শ্ৰেণীৰ মানুহ মই পছন্দ কৰোঁ, কোন ব্যৱসায় মই ভাল পাওঁ—মই কম শিক্ষকবোৰ; শিক্ষকতাকেই মই পছন্দ কৰোঁ। আজিৰ দেশৰ ৰাজনৈতিক নেতাবোৰৰ দৰে মুখত কাৰবাক ভালৰি বোলাবলৈ এই কথা কোৱা নাই। নিজে বহুকাল চৰকাৰী অফিচৰ ফাইলৰ মাজত নিজৰ মন-প্ৰাণ নষ্ট কৰি, নৈতিকতা ধ্বংস কৰি মই এই মতামত গ্ৰহণ কৰিছো। সংসাৰৰ বহুতো তিতা-কেঁহা অভিজ্ঞতাৰ জীৱনৰ বিভিন্ন অৱস্থাত স্বাদ পোৱাৰ পিছত মই এতিয়া আশা কৰোঁ, মোৰ ছোৱালীও শিক্ষক হ'ক। তাই তাইৰ বিয়াৰ বাবে এজন শিক্ষক বিচাৰি লওক। সেই শিক্ষকৰ জাতি যিয়েই নহওক, তেওঁ প্ৰকৃত মানুহ হ'লেই হ'ল। অৱশ্যে মই আগেয়ে কোৱাৰ দৰে, সমাজৰ পৰা এনে দৰে ফালৰি কাটি নিজৰ আদৰ্শৰ সংসাৰ গঢ়িবলৈ গ'লে, দুয়োৰে বৌদ্ধিক সমতা থাকিবই লাগিব—দুয়ো equally enlightened হ'বই লাগিব। সহজ কথাত, ল'ৰাজন কলেজৰ অধ্যাপক হ'লে, ছোৱালী জনীও কলেজৰ অধ্যপক হ'ব লাগিব। আৰু নিজৰ মনৰ শান্তিৰ বাবে, তাতকৈয়ো ওপৰলৈ গৈ কওঁ, একেটা বিষয়ৰে দুজনৰ মাজত বিয়া হোৱাটোৱেই বেছি প্ৰশস্ত।"

ইলাৰ দেউতাক বৈ গৈছিল। মই ইলাৰ পিনে চাই দেখিছিলোঁ,

তেওঁ এইবাৰ লাজত একেবাৰে তলমূৰ কৰি হাঁউলি পৰিছিল। যাকে আগতকৈয়ো বেচি স্পষ্ট আৰু উজ্জ্বলভাবে হাঁহিছিল। দেউতাকৰ মুখত তেতিয়া কিন্তু কোনো হাঁহি নাই।

তাৰ পিছত গধূলি মই ঘৰ আহি পায়েই নলিনীৰ আগত যেতিয়া সকলো কথা বিবৰি কলোঁ, সি মোক লগে লগেই অভিনন্দন জনাই ক'লে, "তোৰ যুগমজীৱন সুখৰ হওঁক। তোৰ আজিৰ পৰা ইলাৰ স'তে বিয়া হ'ল অ', বেদান্ত।" মই তাৰ কথাষাৰ শুনি আনন্দই পাওঁ নে বিষণ্ণই হওঁ, ঠিক ধৰিব নোৱাৰোঁ নিজেও। দেৱিকাৰ স'তে তাৰ সম্পৰ্ক চলি থকা সময়ত কিমান দিন মই তাক তাৰ দেৱিকাৰ স'তে বিয়া হোৱাটো নিশ্চিত বুলি উদগাইছিলোঁ; কিন্তু শেষত ফল হ'ল গৈ কি? তেন্তে এতিয়া মোৰ নিজৰ ক্ষেত্ৰত? আশা আৰু নিৰাশাৰ, সন্দেহ আৰু নিশ্চয়তাৰ বা-মাৰলীত মই মনে মনে ঘূৰি ফুৰিবলৈ ধৰিলোঁ।

মোক কিছু সময় মনে মনে থকা দেখি নলিনীয়ে কৈ উঠিল, "পিছে তোৰ আৰু কিবা কবলগীয়া আছেনেকি, কৈ শেষ কৰ।" মই নাই বুলি কোৱাত "তেন্তে এতিয়া শুন" বুলি আগতকৈ দুগুণ উৎসাহেৰে সি আৰম্ভ কৰিলে, "মোৰ আজি অভূতপূৰ্ব্ব কৃতকাৰ্য্যতা অ'—tremendous success. চাক্‌চেচ্‌ নহ'লেও অন্ততঃ প্ৰ'গ্ৰেচ্‌। তাৰে কাহিনী কবলৈকেই মই তোলৈ বাট চাই আছিলোঁ। কি হ'ল জান? তই ইলাহঁতৰ ঘৰলৈ যোৱাৰ অলপ পিছতেই কুন্তলা আহি ওলাল। তই ভাগ্যবানৰ দৰে এই হতভাগাৰ কমো যে কোনোবা দিনা কোনো ছোৱালীৰ পদধূলিৰে পৱিত্ৰ হ'ব, তাকতো সপোনতো ভবা নাছিলোঁ। তেওঁক মোৰ কমত দেখি মই অবাক হৈ গ'লোঁ এনেভাৱে, যে তেওঁক বহিবলৈ কবলৈকো পাহৰি গ'লোঁ। থিয়ই থিয়ই তেওঁ উচ্ছ্বাসতে কিমানবোৰ যে কথা কৈ গৈছিল। তাৰ পিছতে খালী হৈ থকা চকীখনৰ পিনে লগত লৈ অহা সৰু ভণ্টিজনীক যেতিয়া তেওঁ নিজেই আঙুলিয়াই বহিবলৈ দিলে, তেতিয়াহে মই জ্ঞান ফিৰাই পালোঁ। আথে বেথে তেওঁক বহিবলৈ দিলোঁ। বহি লোৱাৰ পিছত মোৰ ওপৰত বিশেষ এক কৰ্তৃত্বৰ সুৰতেই যেন তেওঁ মোক প্ৰশ্ন কৰিলে, 'আপুনি মানুহৰ আগত মোৰ বিষয়ে এইবোৰ কি কৈ ফুৰিছে?' মই তেওঁৰ এই প্ৰশ্নত বিমোৰত পৰিলোঁ। কুন্তলাক লগপোৱাৰ পৰা কি জানো হ'ল, এনে এজনী ব্যক্তিত্বসম্পন্না, আৰু বিশিষ্টমনা ছোৱালী মই যে আৰু জীৱনত কেতিয়াও লগ পোৱা নাছিলোঁ তাকেই সদায় নিজে তো ভাবিয়েই থাকোঁ, তদুপৰি যাকে য'তে লগ পাওঁ তাকে ত'তেই

কৈও ফুৰেঁ। । এদিন আকস্মিকভাবেই কুন্তলাৰ সম্পৰ্কীয় মোমায়েক এজনকো লগ পাই তেওঁৰ সৈতে পৰিচিত হোৱাৰ পিছত কৈয়েই পেলালোঁ, কুন্তলাৰ অসাধাৰণ ব্যক্তিত্ব আৰু বিশিষ্ট মন আৰু শক্তিশালী চৰিত্ৰৰ কথা। সেই কাৰণে, কন্তলাই আজি মোক এই প্ৰশ্ন কৰাৰ লগে লগে মই আচৰিত নহৈ ধৰি ললোঁ যে মই মোমায়েকৰ আগত কোৱা কথাখিনিকেই তেওঁ উল্লেখ কৰিছে। গতিকে তেওঁৰ এই প্ৰশ্নৰ কোনো উত্তৰ নিদি মই মাথোন তেওঁৰ মুখৰ পিনে চাই এটি মিচিকিয়া হাঁহি মাৰিলোঁ। কিন্তু কুন্তলাই মোক নেৰেহে নেৰে। তেওঁ কয়, 'কওক, কি কৈ ফুৰে মোৰ বিষয়ে মানুহৰ আগত?' মই সুধিলোঁ, 'কাৰ আগত কি কৈ ফুৰিছোঁ, আগেয়ে তাক ধৰি দি প্ৰমাণ দিয়া।' তেওঁ ক'লে, 'কেনৈ? মোৰ মোমাই দেউৰ আগত মোৰ ব্যক্তিত্ব, মন, চৰিত্ৰ এইবোৰ সম্পৰ্কে কেলৈ বদনাম গাব আপনি?' মই ক'লোঁ, 'যিবোৰ গুণৰ কথা কৈছোঁ, সেইবোৰ জানো মিছা?' কুন্তলাই ক'লে, 'একেবাৰেই মিছা। আপোনাৰ মনে সজা।' তাৰ পিছত মই দেখিলোঁ, কুন্তলাই আপোন পাহৰা হৈ চাই আছে মোৰ চকুৰ পিনে।"

মই কলোঁ, "বাঃ, কংগ্ৰেচুলেচনছ্, হে বীৰপুৰুষ। আজিৰ পৰা কুন্তলাৰ লগত তোৰ বিয়া হ'ল বুলি আমি আৰু ধৰি ললোঁ।"

সি ক'লে, "ৰবি চোন। কিমান ছোৱালীয়ে যে ইয়াৰ আগতে আৰু মোৰ হোৱাৰ প্ৰমাণ পাই তই ভবিষ্যৎ বাণী কৰিছিলি।"

ইয়াৰ পিছত দিনবোৰ বৈচিত্ৰ্যহীনভাবে বাগৰি গৈ থাকে। আমিও একে ধৰণে কলেজলৈ গৈ থাকোঁ। ল'ৰা-ছোৱালীবোৰৰ মাজত সোমাই থাকি ভাল লাগে যদিও একে ধৰণৰ বক্তৃতাৰ ফুলজাৰি মাৰি মাৰি আমাৰ আমনি লাগে। তেনেকৈয়েই কলেজৰ চাকৰিৰ প্ৰতিও আকৰ্ষণ কমি যায়।

ইলাই ইতিমধ্যে তেওঁৰ বি. এ.ৰ প্ৰথম অংশৰ পৰীক্ষা দি উঠিছে। পৰীক্ষাৰ পিছতে আহি, যোৱা বছৰটোত মোৰ পৰা যিখিনি সহায় পালে তাৰ বাবে অতি নম্ৰভাবে কৃতজ্ঞতা জনাই গৈছে। খবৰ ওলালে তেওঁ আৰু আহিব বুলিও আগ জাননী দি থৈ গৈছে। ইয়াৰ ভিতৰত তেওঁক সহায় কৰি দিব লগীয়া একো নাই বাবে, তেওঁলোকৰ ঘৰলৈকো যাবলৈ মই কোনো চেলু নাপাওঁ। কলেজৰ ক্লাচো এই সময়ত আৰু নাই। জীৱনটোৰ কেউপিনে যেন শূন্যতা।

এদিন গধূলি এনে এক শূন্যতাৰ উপলব্ধিৰেই নিৰানন্দভাৱে ঘৰত

বহি আছোঁ। এনেতে নলিনীয়ে গধুলি ফুৰি আহি ঘৰ সোমালহি। বাৰান্দাত ভৰি দিয়েই সি মোৰ কোঠালৈ আহিল আৰু কোঠাত সোমায়েই মোৰ চকুৰ আগত এক আঁজলি ৰংচঙীয়া বেলন দাঙি ধৰিলে। মই আচৰিত হৈ ক'লোঁ, "হাৰে, এইবোৰ আকৌ কেলৈ ? তই নিজেই সৰু ল'ৰা হৈ পৰিলি নে ঘৰবাত কাৰোবাক কেতিয়াবা বিয়া কৰাই ইতিমধ্যে শিশুৰ নিচুকণিৰ বাবে বেলুন কিনিবলগীয়া অৱস্থা পালি গৈ ? নলিনীয়ে মোৰ প্ৰশ্নৰ উত্তৰত একোকে নামাতি মাথোন দুহাতেৰে আঁজলি কৰি সেই বেলুনবোৰ মোৰ চকুৰ আগত দাঙি ধৰি থাকি অৰ্থপূৰ্ণ এটি মিচিকিয়া হাঁহি মাৰিলে। মই পুনৰ সুধিলোঁ, "কোনটো কাৰণত তই বেলুন কিনি আনিলি ? ক।" সি তথাপি একোকে নেমাতি বেলুনবোৰ তাৰ পেণ্টৰ মোনাত ভৰাই থৈ দিলে। তাৰ পিছত এটি বেলুন উলিয়াই আনি তাৰ নলীডাল মুখত ভৰাই মুখৰ বতাহেৰে বেলুনটো ফুলাই লৈ নলীডালত গাঁঠি এটি লগাই দিলে। বেলুনটো বায়ুপূৰ্ণ হৈ উঠাৰ পিছত সি এটি সুন্দৰ ৰংচুৱা অমিতাৰ আকাৰ ললে। তাৰ পিছত সেই পূৰ্ণস্ফীত বেলুনটো মোৰ চকুৰ আগত ধৰি সি ক'লে, "চা চোন, কেনে ধুনীয়া।"

মই একোকে নামাতি বেলুনটোৰ পিনে চালোঁ। কিছুসময় তেনেকৈ চাই থকাৰ পিছত নলিনীয়ে বেলুনটো হাতেৰে মূৰৰ ওপৰলৈ দাঙি শূন্যত এৰি দিলে আৰু মোৰ কোঠাৰ পৰা কাপোৰ-কানি সলাই ভৰি হাত ধুবলৈ ওলাই গ'ল। বেলুনটো ইতিমধ্যে ধীৰে ধীৰে তললৈ নামি আহি মজিয়াত পৰি থাকিল।

ইয়াৰ দুদিনমান পিছত। দিনবোৰ অতি দুৰ্ব্বহ লাগিছে। সময়বোৰ গৈ নাহে। কলেজখন খুলিলে ভাল পাওঁ। কিন্তু বন্ধ তেতিয়া আৰম্ভ হৈছেহে মাথোন। দুপৰীয়াৰ গৰমত মই নলিনীৰ কোঠাত বহি এনেবোৰ কথাই আলোচনা কৰি আছিলোঁ। সি ক'লে, "বৰ গৰম। পুখুৰীৰ পাৰলৈ বল।"

মই তাৰ কথাত সম্মতি দিলোঁ। দুয়ো চকী দুখন লৈ পুখুৰীৰ পাৰত বহিলোঁ গৈ। এতিয়া পুখৰীটোৰ ৰূপ সম্পূৰ্ণ সলনি হৈছে। পুখুৰীত ফিচ্ ফাৰ্ম্ম্ খন খোলাৰে পৰা আমাৰ ঘৰৰ তথা এই পুখুৰীৰ মালিকৰ হেনো বৰ ভাল লাভ হৈছে। তেখেতে চৰকাৰৰ মীন বিভাগৰ পৰা শকত আৰ্থিক সাহায্য এটি অলপতে আৰু পাইছে। তাৰে তেখেতে পুখুৰীটোৰ চাৰিওপিনে আইৰন্ ফেন্চিং দি লৈছে। সেই আইৰন্ ফেন্চিঙত ৰং বিৰঙৰ পেইণ্ট্ কৰি গ্ৰোটেই পুখুৰীটো আৰু তাৰ চৌহদ বিতোপন কৰি

তুলিছে। আমি বেৰৰ ভিতৰত সোমাই গছডালৰ ছাঁত বহি লৈছোঁ। দুপৰীয়াৰ ৰ'দত মাছবোৰে আগৰ দৰেই শীতলতা বিচাৰি ছাঁলৈ আহি বিশ্ৰাম লৈছে। মই নলিনীক ক'লোঁ, "কলেজখন খুলিলে ৰক্ষা পৰেঁ। দিনবোৰ নোযোৱা হৈছে।"

সি ক'লে, "কলেজৰ চাকৰি তোৰ বৰ ভাল লাগিছেনেকি?"

মই ক'লোঁ, "অকণো ভাল লগা নাই। কিবা এটি বেলেগ ভাল চাকৰি পালে, মই এতিয়াই এই চাকৰি এৰি দিবলৈ প্ৰস্তুত।"

নলিনীয়ে ইতিমধ্যে তাৰ মোনাৰ পৰা এটি নীলা বেলুন উলিয়াই তাৰ নলীডাল মুখত ভৰাই বেলুনটো বায়ুপূৰ্ণ কৰাত লাগিছিল। বেলুনটো ফুলি উঠিলত, সি ক'লে, "এৰা, তই ঠিকেই কৈছ। একে চাকৰি আৰু কিমান দিন কৰিবি। মন তিতাই গৈছে। কিবা এটি নতুন চাকৰি পোৱা হ'লে!" ইতিমধ্যে তাৰ বেলুনটোৰ নলীডালত গাঁঠি এটি মাৰি লৈছিল সি। পৰ্ণস্ফীত বেলুনটোত কিছু সময়লৈ হাতখন বুলাই দি সি এটি খক্ খক্ কৰে শব্দ তুলি আছিল। তাৰ পিছত সি ক'লে, "কোনোবা দিনা বি. এ. পঢ়িম, বা এম্. এ. পঢ়িম বুলি যেনেকৈ এসময়ত ভবা নাছিলোঁ, বি. এ. পাচ কৰা, এম্. এ. পাচ কৰাটো যেনেকৈ মোৰ এটি উদ্দেশ্যহীন গতিৰ ফল মাথোন, কলেজত শিক্ষকৰ চাকৰি কৰাটোও তেনেদৰে মোৰ জীৱনৰ এই উদ্দেশ্যহীন যাত্ৰাৰ এটি বিৰতি মাথোন।"

মই ক'লোঁ, "সেই কথা অকল তোৰ বুলিয়েই কিয় কৈছ? সেয়াতো মোৰো কথা। যদিও ইলাৰ দেউতাকে মোক এজন আদৰ্শ শিক্ষক বুলি ভাবে।"

নলিনীয়ে লগে লগে কৈ উঠিল, "কিন্তু এতিয়া প্ৰশ্ন হ'ল, ইয়াৰ পিছত আমি কি কৰিম, যদি সঁচাকৈয়ে আমি আমাৰ বৰ্ত্তমানক লৈ সুখী নহয়? এনেকৈয়েই জীৱনটো কটাই দিয়া যদি আমাৰ বাবে সঁচাকৈয়ে বিৰক্তিকৰ, তেন্তে আমি ইয়াৰ পিছত কলৈ যাম?" 'কলৈ যাম'—এই শব্দ দুটি নলিনীয়ে জোৰেৰে উচ্চাৰণ কৰিছিল আৰু লগে লগে তাৰ হাতৰ বেলনটো পখুৰীৰ পানীত পেলাই দিছিল। বেলুনটো পানীত পৰাৰ লগে লগে মাছবোৰ সন্ত্ৰস্ত হৈ কিছু সময়ৰ বাবে আঁতৰি পলাইছিল। অলপ পিছত পুনৰ সিহঁতে লাহে লাহে পানীত ওপঙি থকা বেলুনটোৰ ওচৰ চাপিলহি। ভয়ে ভয়ে আহি বেলুনটোৰ সিহঁত তেনেই ওচৰ পালে আৰু প্ৰায়বোৰ মাছেই তাক খুটি খাবৰ চেষ্টা

কৰিলে। বতাহত উঠা পানীৰ চোৣত বেলুনটো তেতিয়া ক্ৰমে ক্ৰমে উটি যাব ধৰিছে পুখুৰীৰ মাজলৈ।

মই নলিনীক ক'লোঁ, "এৰা, আমি ইয়াৰ পিছত ক'লৈ যাম ? অন্য আৰু কি কামৰ বাবেনো আমি যোগ্য ? এই কামে আমাক আমুৱালেও অন্য আৰু কোনো কামেই দেখোন আমি কৰিব পাৰিম বুলি নাভাবোঁ।"

নলিনায়ে ক'লে, "এ. চি. এছ্. বা আই. এ. এছৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষা চৰীক্ষাকে দি চাবিনেকি ?"

মই ক'লোঁ, "সেইবোৰৰ বাবে আৰু জানো পঢ়াৰ ধৈৰ্য্য আছে ? আৰু পঢ়িলোঁৱেই বা ; চাকৰিও পালোঁ, ধৰ। সেইবোৰ চাকৰিত জানো আমি লাগি থাকিব পাৰিম ?"

নলিনীয়ে ক'লে, "তথাপি পৰীক্ষাটো দি চাওঁ। আপত্তি কি ?"

মই ক'লোঁ, "বয়স জানো আছে আমাৰ তেনে পৰীক্ষাৰ বাবে ?"

সি ক'লে, "আচল বয়সতকৈ চাৰ্টিফিকেটৰ বয়স মোৰ সাত বছৰ কম। গতিকে হ'ব লাগে।"

মই কলোঁ, "এৰা, মোৰো কিবা ছয় নে সাত বছৰ চাৰ্টিফিকেটত কম আছে। গতিকে মোৰো হ'ব তেন্তে।"

নলিনীয়ে উৎসাহেৰে এইবাৰ কৈ উঠিল, "তেন্তে ঠিক আছে। আজিৰ পৰা আমি 'কেৰিয়াৰ্চ্ এণ্ড্ কোৰ্চেছ্' খন লওঁহক। আৰু 'হিন্দুস্থান ইয়াৰ্ বুক্', 'জেনেৰেল ন'লেজ্ এন্চাইক্লোপিয়া' আদি কিতাপবোৰ কিনাত লাগি যাওঁ।"

মই নলিনীৰ প্ৰস্তাৱত সন্মতি দিবলৈ বাধ্য হওঁ। আমি পুখুৰীৰ পাৰৰ পৰা গুচি আহোঁ। কোমোৰাৰ আকৃতিৰ নীলা বেলুনটো তেতিয়া মাজপুখুৰীৰ পানীত ওপঙি আছে।

পিছদিনা আবেলি সি কুন্তলাৰ ওচৰলৈ গৈছিল। গধূলি মই তালৈ বাট চাই বহি আছোঁ। সি উভতি আহিয়েই ক'লে, "অভাৱনীয় কৃতকাৰ্য্যতা অ'। তই ভাবিবই নোৱাৰ, মই আজিৰ এই এটি আবেলিতে কিমানখিনি যে আগুৱাই গ'লো।"

মই জানিবলৈ কৌতূহল প্ৰকাশ কৰাত সি "ৰবি" বুলি কৈ ভিতৰলৈ সোমাই গ'ল। অলপ পিছতে সাজ পোচাক সলাই, ভৰি হাত ধুই সি ওলাই আহিল আৰু ক'লে, "কুন্তলাহঁতৰ ঘৰ পায়েই দেখিলোঁ কুন্তলাৰ গা আনন্দত এখন দুখন। আনাৰ্চত ভাল নম্বৰ পাই হেনো বছৰেকীয়া পৰীক্ষাত পাচ কৰিছে। মোক দেখিয়েই তেওঁ দৌৰি ওলাই আহিল আৰু জাটৰিয়ে

জাউৰিয়ে কৃতজ্ঞতা জ্ঞাপন কৰিলে। তেওঁ যিখিনি কৰিলে, সেইখিনি হেনো একমাত্র মোৰ সৌজন্যতেই সম্ভৱ হ'ল। কিছুসময়ৰ পিছত তেওঁ চৰবৎ এগিলাচ আনি দিছিল প্লেট এখনত এটি কলেৰে সৈতে। তাৰ পিছত কুন্তলাই মোক কৈছিল, 'আপোনাৰ যদি আপত্তি নাই, দুয়ো একেলগে ওলাই যাওঁনেকি অলপ?' তইতো বুজিব পাৰিছই, মোক তেতিয়া আৰু পায় কোনে? এই হতভাগ্যৰ কেতিয়াও আৰু এই পৰ্য্যন্ত ছোৱালীৰ স'তে একেলগে ফুৰাৰ সৌভাগ্যতো হোৱা নাই। গতিকে মই তৎক্ষণাৎ সম্মতি দি দিলোঁ। নিমিষতে তেওঁ নতুন পোচাক এযোৰ পিন্ধি পখিলা এটিৰ দৰে বেশত ওলাই আহিল। আমি দুয়ো ওলাই আহিলোঁ তেওঁলোকৰ ঘৰৰ পৰা। আমি দুয়ো চেনিকুঠীৰ ভেটেৰীনাৰী কম্পাউণ্ডৰ পিছ্ পিনৰ সেই ৰাস্তাটোৰে এটি বাট টিলা এটিৰ ওপৰলৈ যে উঠি গৈছে, সেইটোৰে উঠি গলোঁ। তেতিয়া বেলি মাৰ গৈছে যদিও আন্ধাৰ হোৱা নাই। কিবা এটি হালধীয়া ৰঙে দিগন্ত তেতিয়া আৱৰি ৰাখিছে। পাহাৰীয়া ৰাস্তাটো যিটো টিলাৰ ওপৰত শেষ হৈছে গৈ তাতেই ঘাঁহনিৰ ওপৰত আমি বহি ললোঁ। আমাৰ চাৰিওফালে কিবা এবিধ হালধীয়া ফুল তেতিয়া অপৰ্য্যাপ্ত পৰিমাণে ফুলি আছে। কিছু সময় দুয়ো নীৰৱে বহি থকাৰ পিছত তেওঁ ক'লে, 'আজিৰ এই বিয়লিটো কেনে ধুনীয়া!' মই নীৰৱে থাকিলোঁ। মোৰ নীৰৱতা দেখিয়েই কিজানি তেৱোঁ নীৰৱ হৈ পৰিল। মই ভাবিলোঁ, আৰুনো এনেকৈ কিমান খেলিম একে খেলাকেই। গতিকে হয় এই অধ্যায়টোৰো সোনকালে সামৰণি মাৰিব লাগে; আৰু নহ'লে অন্য এটি পৰ্য্যায়লৈ উঠি গুচি যাব লাগে। এই ভাবেৰেই মই তেওঁক ক'লোঁ, 'শুনা কুন্তলা, তুমি যে সেইদিনা তোমাৰ গাত মই দেখা পোৱা গুণবোৰ তুমি নাই বুলি কোৱাত মই তোমাক তোমাৰ আৰ্চ্চৰ্য্য বুলি কৈছিলোঁ, তুমি তাৰ অৰ্থ বুজিছিলানে নাই?' ইয়াৰ উত্তৰত অতি নম্রভাবে তেওঁ মোৰ পিনে চালে। মই ক'লোঁ, 'উত্তৰ দিয়া! যদি তাৰ অৰ্থ বুজি পোৱা নাই, তেন্তে শুনা। তাৰ অৰ্থ এই যে, পৃথিৱীত অকল ময়েই তোমাক চিনি পাওঁ তোমাৰ প্ৰকৃত ৰূপত; গতিকে পৃথিৱীত অকল ময়েই তোমাক প্ৰকৃততে মৰম কৰিব পাৰোঁ, চেনেহ কৰিব পাৰোঁ।' কুন্তলাৰ চকু দুটাত আনন্দৰ এটি জেউতি তেতিয়া উদ্ভাসিত হৈ উঠিছিল। তেওঁ ক'লে, 'যদি সঁচাকৈয়ে সেইটোৱেই হয়, তেন্তে মইতো নিজকে ভাগ্যৱতী বুলি ভাবিম।' তেওঁৰ মুখত লাজৰ চিন।

"মই ক'লোঁ, 'তেন্তে আমাৰ বিয়া হৈ যোৱাত কোনো আপত্তি নাই তোমাৰ ?' তেওঁ ক'লে, 'নাই'। মই কলোঁ, 'কিন্তু চাবা। এই প্ৰশ্নৰ উত্তৰ ইমান সহজে দিছা যদিও কামটো ইমান উজু নহয়। আমাৰ বিয়া হোৱাত প্ৰথম অসুবিধা হ'ল, আমাৰ জাতৰ মিল নাই। দ্বিতীয়, তোমাৰ ওপৰত থকা কোনোজনা বাইদেৱেৰাৰে বিয়া হোৱা নাই। এনেস্থলত, তোমাৰ ঘৰে তোমাৰ বিয়াত সম্মতি নিদিবও পাৰে। এই আটাইবোৰ কথা ভাবি চাইছা জানো ?' তেওঁ অলপ সময় মনে মনে থাকি ক'লে, 'চাইছোঁ'। মই লগে লগেই ক'লোঁ, 'তেন্তে আমাৰ আগত যি বাঁধাই আহি থিয় নিদিয়ক, সেই আটাইবোৰ নেওচা দি তুমি মোৰ লগত বিয়া সোমাবলৈ প্ৰস্তুত ?' কুন্তলাই ক'লে, 'প্ৰস্তুত'।

"ইয়াৰ পিছত, মোৰ আৰু তোক কবলৈ লাজ কি, মই মোৰ হাতখন আগবঢ়াই দিলোঁ আৰু ক'লোঁ, 'মোৰ এই হাতৰ ওপৰত তেন্তে তোমাৰ হাত থোৱা।' তেওঁ অলপ প্ৰথমতে ইতস্তত: কৰিছিল যদিও শেষলৈ মোৰ নিৰ্দ্দেশ মানি মোৰ আগবঢ়াই মেলি দিয়া হাততলুৱাৰ ওপৰত তেওঁৰ হাততলুৱাখন থলে। কিছু সময় তেনেকৈ থকাৰ পিছত মই ক'লোঁ, 'এই গধূলিৰ এই কথা আমি যেন আৰু কেতিয়াও পাহৰি নাযাওঁ। তুমিও মনে মনে এই প্ৰতিজ্ঞা কৰা। আৰু লগতে মই তোমাক এই প্ৰতিশ্ৰুতি দিলোঁ যে কেতিয়াও তোমাৰ এই হাতৰ মৰ্য্যাদা মই আৰু মোৰ জীৱনত ক্ষুণ্ণ হ'বলৈ নিদিওঁ।' তেওঁৰ হাতখন এৰি দি যেতিয়া মই চাৰিওপিনে চালোঁ, তেতিয়া আমাৰ চতুৰ্দ্দিশ সন্ধিয়াৰ ধূসৰতাৰে আচ্ছন্ন হৈ পৰিছে। সুদূৰৰ মুকলি আকাশত এটি দুটি সন্ধ্যা তৰাৰ মিচিকিয়া হাঁহি। তেনেকৈয়েই আমি উভতি আহিছিলোঁ। উভতি আহোঁতে বাটত আমাৰ মাত নাছিল কাৰো মুখতেই।"

কথাখিনি শেষ কৰি নলিনীও মোৰ ওচৰত মনে মনেই আছিল। মই তাৰ কথা শুনি বিস্মিত হৈছিলোঁ। তাৰ কাণ্ডই মোক অবাক কৰিছিল। তথাপি তাক উৎসাহ যোগাবলৈকেই ক'লোঁ, "তই এতিয়াহে তোৰ প্ৰকৃত বীৰত্বৰ পৰিচয় দিলি। Wish you a new happy life."

ইয়াৰ পিছত ইলাৰ খবৰ ওলায়। তেওঁ অনাৰ্চত প্ৰথম অংশত মজলীয়া ধৰণৰ দ্বিতীয় শ্ৰেণীৰ নম্বৰ ৰাখিছে। খবৰটো দিবলৈ তেওঁ মোৰ ঘৰলৈকেই আহিছিল। মই তেওঁক অভিনন্দন জনাওঁ। তেওঁ কয়, "মোক অভিনন্দন জনাবলগীয়া একোৱেই নাই। আৰু যদি কিবা আছেও, তেন্তে সেইখিনি কৃতিত্ব আপোনাৰ বাবেই লাভ কৰা।" তেওঁৰ

মাতত নম্ৰতাই মোকো নম্ৰ কৰি তোলে। মই একোকো কব নোৱাৰা হৈ গ'লোঁ। ইয়াৰ পিছত তেওঁৰ পুনৰ ক্লাচ আৰম্ভ হয়। পুনৰ মোৰ মেচলৈ তেওঁৰ আৰু তেওঁৰ ঘৰলৈ মোৰ আহ-যাহ ঘন হয়।

কলেজতো আমি ইতিমধ্যে ভালকৈয়েই পুৰণি হৈ পৰিছোঁ। তথাপি নতুন বছৰত, নতুন নতুন ল'ৰা-ছোৱালীৰ মুখবোৰে আমাৰ মনলৈ কিছু সজীৱতা আনে। নলিনী আৰু মই মেচত আৰু বাহিৰতেই অকল একেলগে থকা নহয়; কলেজতো আমি প্ৰায় একেলগেই থাকোঁ, ক্লাচত নথকা সময়খিনিত। দুয়োকে ছাত্ৰ-ছাত্ৰীবোৰে সদায় একেলগে দেখে কাৰণেই হেনো কিছুমান ছাত্ৰ-ছাত্ৰীয়ে আমি দুয়োকে 'এণ্টনিও-বেচেনিও চাৰ' নাম দিছে; আৰু আন কিছুমানে 'শঙ্কৰ-জয়কিষণ চাৰ' আখ্যা দিছে। আমি কথাটো শুনি হাঁহোঁ। ল'ৰাবোৰলৈ খং নুঠে। মৰমহে লাগি যায় বেচিকৈ।

এদিন এইবোৰ কথাই আলোচনা কৰি কলেজৰ কমনৰুমত দুয়ো বহি আছোঁ। এনেতে নলিনীয়ে কৈ উঠিল, "কিন্তু সামূহিকভাবে ল'ৰা-ছোৱালীবোৰৰ প্ৰতি মোৰ যি মৰম, তাকো চেৰাই যায় দৃশ্যাৰ প্ৰতি থকা মোৰ মৰমে।"

মই লগে লগে চিঞৰি উঠোঁ, "হা, হা, হা, কি কলি ? দৃশ্যাৰ প্ৰতি তোৰ মৰম ? কোন দৃশ্যা ? থাৰ্ড্ ইয়েৰ বি. এ.ৰ সেই দৃশ্যা চেটাৰ্জ্জী নামৰ ছোৱালীজনীৰ কথা কৈছ ?"

সি কয়, "এৰা, ঠিক দৃশ্যা চেটাৰ্জ্জীৰ কথাই কৈছোঁ। কেনে মৰম লগা ছোৱালীজনী। আৰু কথাবোৰো যে কব পাৰে ইমান মৰম লগাই দিব পৰাকৈ। সেই দিনা কি হ'ল জাননে ? মই ডিবেটিং চ'চাইটিৰ প্ৰফেচৰ্-ইন্-চাৰ্জ্জ্ হিচাবে এখন সমাগত ডিবেটৰ বাবে ডিবেটিং চেক্ৰেটেৰীজনৰ লগত ল'ৰা-ছোৱালীৰ নাম সংগ্ৰহ কৰি ফুৰিছোঁ। তৰ্ক-প্ৰতিযোগিতাত যোগ দিবলৈ ইচ্ছুক ল'ৰাৰ নাম বহুতো পালোঁ। কিন্তু ছোৱালীৰ পৰা হ'লে এটিও নাম নাই। তোক কোৱাহে নাই, আজি বহু দিনৰ পৰা এই দৃশ্যা চেটাৰ্জ্জী নামৰ ছোৱালীজনীৰ প্ৰতি এটি বিশেষ 'ভাব' হৈ আছিল। অৱশেষত ডিবেটখনত যি সকল ছাত্ৰ-ছাত্ৰীয়ে যোগ দিব, তাৰ লিষ্ট্ খনত দৃশ্যাৰ নামটোও ভৰাই দি তেওঁৰ অনুমতি বিচাৰিলোঁ গৈ। তেওঁ বৰ আপত্তি কৰিলে। মই নামানোঁহে নামানোঁ। মই কওঁ, 'নাই নাই, তোমাৰ কোনো আপত্তি নৰজিব। You are such a good girl in your studies. Why can't you join in the debate ?

পঢ়াত তুমি ইমান ভাল যেতিয়া, নোৱাৰিবা কেলেই ডিবেটত যোগ দিবলৈ ?' কিন্তু তেওঁ এনে এটি মনত সাঁচ বহুৱাই যোৱা ভঙ্গীত মুৰটো জোঁকাৰি, চকু দুটা পকাই, 'প্লিজ্‌, চাৰ, আমি পাৰবো না। আমাকে মাফ করুন। আমার নামটা ড্রপ্‌ করে দিন। আপনাকে রিকয়েষ্ট করছি, চাৰ' বুলি কবলৈ ধৰিলে যে মই সকলো পাহৰি গ'লোঁ। মই তথাপি নিজকে তেতিয়াও বৰ ৰূঢ় যেন দেখুৱাই ক'লোঁ, 'নাই, নাই, তোমাক যি সহায় লাগে, মই সকলো দিম। তুমি মাথোন যোগ দিয়া ডিবেটখনত।' সেই দিনা তেওঁৰ আপত্তি নৰজিল। তাৰ পিছত তিনি দিনমান তেওঁ এই একেটা অনুৰোধ লৈয়েই মোৰ ওচৰত সেই একেটা মোহনীয় ভঙ্গী, সেই একোটা মন-কাঢ়ি-নিয়া চাৱনিৰে ওচৰ চাপে। অৱশেষত, তেওঁ ডিবেট নকৰিলেও ডিবেটখনত উপস্থিত থাকিব—এই প্ৰতিশ্ৰুতিত তেওঁৰ নামটো লিষ্টৰ পৰা বাদ দি দিলোঁ। সেই দিন ধৰি, কি যে এটি মৰম সোমাই গ'ল, এই ছোৱালীজনীৰ প্ৰতি।"

মই চিঞৰি উঠিলোঁ, "ৰলিয়া কৰবাৰ। সিদিনাচোন মাথোঁ এজনী ছোৱালীৰ লগত বিয়াৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈ কৈছ, তোমাৰ এই হাতৰ মৰ্য্যাদা মই হানি হ'ব নিদিওঁ',—আজি যে আকৌ এইজনী ছোৱালীক পাহৰিব নোৱাৰা হলি ?"

সি ক'লে, "ৰবি। বলিয়া মই নে তই ? দৃশ্যাক জানো মই ভাল পাওঁ বুলি বা বিয়া কৰাম বুলি কলোঁ ? তেওঁৰ সেই বিশেষ মোহনীয় ভঙ্গিমাৰ বাবে, মনত সাঁচ বহুৱাই যোৱা মন-কাঢ়ি-নিয়া চাৱনিৰ বাবে, তেওঁলৈ মৰম ওপজা বুলিহে কৈছোঁ।"

মই হাঁহি মাৰি কওঁ, "বুজিছোঁ, বুজিছোঁ। ব্যাখ্যাৰ কোনো প্ৰয়োজন নাই।"

দিনবোৰ বাগৰি গৈ থাকে। লাহে লাহে ইলাৰ কথা মই পাহৰি থাকিব নোৱাৰাত পৰোঁ। ইলাৰ প্ৰতি মোৰ আকৰ্ষণ কিহত, ভাবিবলৈ চেষ্টা কৰোঁ। কিন্তু কোনো উত্তৰ নাপাওঁ। তেওঁৰ কথাবোৰ, তেওঁৰ ভাববোৰ, তেওঁৰ প্ৰশ্নবোৰ মাথোন জীৱন্ত ৰূপ লৈ যেন মোৰ মনৰ চৌদিশে ওপঙি ফুৰে অহৰহ। মোৰ অৱস্থাটোৰ কথা নলিনীক বুজাই দি এদিন মোৰ কোঠাত তাক সুধোঁ, "ইলাৰ বাহিৰৰ ৰূপতকৈ তেওঁৰ ভিতৰৰ ৰূপেহে মোক উৰাউল কৰে। এয়েই প্ৰকৃত প্ৰেমৰ লক্ষণ নহয় নে ? তেওঁৰ লৈতে মই এটি আধ্যাত্মিক অন্তৰঙ্গতা, বৌদ্ধিক সমতা অনুভৱ কৰোঁ। এজনী ছোৱালীক যথাৰ্থতে ভালপোৱাৰ এয়েই শীৰ্ষবিন্দু নহয়নে ?"

নলিনীয়ে কয়, "একদম ঠিক। তই এতিয়া ইলাক এদিন তোৰ হাতৰ তলুৱাত তেওঁৰ হাতৰ তলুৱা থবলৈ কৈ প্ৰতিজ্ঞা কৰ। মোৰ শিষ্য হ, বেদান্ত।"

"কিন্তু ইলাইতো মোক ভাল নাপায় কিজানি!" মই বিমৰ্ষ মনেৰে কওঁ।

সি কয়, "ধেৎ, তাতো আৰু সন্দেহ নে? তেওঁ যে তোৰ ইয়ালৈ আহে বা তোক তেওঁলোকৰ ঘৰলৈ মাতি যায়, তাৰ অন্তৰালত পঢ়াত সহায় বিচৰাৰ বাহিৰে আৰু যদি একোৱেই নাই বুলি ভাবিছ, তেন্তে তই এক প্ৰথম শ্ৰেণীৰ মূৰ্খত বাহিৰে আৰু একো নহয়। আৰু ইলাৰ দেউতাকৰ সেই প্ৰগতিবাদী বক্তৃতাবোৰৰ অৰ্থ কি?"

তাৰ কথাত মই উৎসাহিত হওঁ। মই কওঁ, "এৰা অ', তই ঠিক কোৱা যেনেই লাগিছে। ইয়াত বাহিৰেও ইলাই মোক ভাল পায় বুলি ভবাৰ আৰু অন্য যুক্তিও আছে। তেওঁ মোৰ পৰা যিবোৰ কিতাপ নিছিল, সেইবোৰ ঘূৰাই দিয়াত দেখিলোঁ অতি সুন্দৰকৈ সেই কিতাপ-বোৰত কভাৰ্ খুৱাই দিছে। অকল সেয়েই নহয়, কভাৰ্‌ৰ ওপৰত কিতাপৰ নাম আৰু তাৰ তলত মোৰ নামটোও আনকি লিখি দিহে সেইবোৰ ঘূৰাই দিছে।"

নলিনীয়ে চিঞৰি উঠিল, "নিৰ্ঘাত। তেন্তে ইলাই যে তোক গভীৰভাবে ভাল পায়, এয়া তাৰ নিৰ্ঘাত লক্ষণ। আগৰ দিনত সতী তিৰোতাই নিজ হাতেৰে গামোচা বৈ তাক 'কৱচ-কাপোৰ' হিচাবে পতিক উপহাৰ দি তেওঁক যুদ্ধলৈ পঠিয়াৰ দৰেই জানো এয়া একে কথা নহয়?"

তাৰ কথাত মই হাহোঁ। কিন্তু লাহে লাহে মই চিন্তান্বিত হৈ পৰোঁ। ইলাক যদি মই সঁচাই ভাল পাওঁ আৰু ইলায়ো যদি মোক সঁচাই ভাল পায়, তেন্তে তাৰ পৰিণতি কি? বিয়া? কিন্তু সি জানো সম্ভৱ? মোৰ দৰে অখৰী, অসামাজিক, অগতানুগতিক লোক এজনৰ বাবে ইলাক বিয়া কৰোৱাত একো বাঁধা বা নিষেধ নাই। কিন্তু ইলাৰ পক্ষে? বহুতো চিন্তাই মোৰ মনলৈ আহে। ভাবি ভাবি মই ভাবত বুৰ যাওঁ। নলিনীয়ে মোৰ মনৰ অৱস্থালৈ নেচাই, তাৰ দৃশ্যা চেটাৰ্জ্জীৰ গুণাৱলীৰ বৰ্ণনাত শতমুখ হৈ পৰে। দৃশ্যাই হেনো তাক এটি অনুৰোধ কৰিছে—তেওঁলোকৰ ঘৰলৈ গৈ সি মাজে সময়ে পঢ়াত সহায় কৰি দিবলৈ। সি হেনো মান্তি হৈছে। "আপত্তি কি?" সি মোক সোধে।

আমাৰ কলেজৰ নতুন বছৰৰ ক্লাচবোৰ পুৰা দমে চলাত আমাৰ বিৰক্তি দিনে দিনে বাঢ়ি হে যায়। আমি, আই. এ. এছ্. বা এ. চি. এছ্.ৰ বাবে 'কেৰিয়াচ্ এণ্ড্ কোৰ্চেছ্' আলোচনীখন নিয়মিত কিনি আছোঁ। অন্য কিতাপবোৰো লাহে লাহে কিনিম। এদিন এই আলোচনাকে কৰি বিয়লি পুখুৰীৰ পাৰত চকী দুখন পাৰি বহি আছোঁ। বেলি তেতিয়া মাৰ যাবলৈ ওলাইছিল। মাৰ যাবলৈ ওলোৱা বেলিৰ সোণালী কিৰণবোৰ পুখুৰীৰ পানীত আহি পৰিছিল। পুখুৰীৰ ঢৌ খেলি থকা পানীবোৰৰ সোণালী বৰণটোৱে আমাক অশেষ আনন্দ দিছিল। আমি পৰম আনন্দত সোণালী পানীৰ সৰু সৰু ঢৌবোৰলৈ চাই আছিলোঁ। এনেতে নলিনীয়ে এটি সেউজীয়া বেলুনত মুখৰ বতাহ ভৰাবলৈ আৰম্ভ কৰিলে। বেলুনটো বতাহেৰে ফুলি উঠাত তাৰ মুখখন বন্ধ কৰি পানীত পেলাই দিলে। পানীৰ ঢৌৱে বেলুনটো পানীৰ মাজলৈ উটুৱাই লৈ যাবলৈ ধৰিলে। সোণালী পানীত ওপঙি ওপঙি গৈ থকা নীলা বেলুনটোৱে অতি সুন্দৰ এটি দৃশ্যৰ সৃষ্টি কৰিছিল। মই নলিনীক ক'লোঁ, "সৌ পানীৰ সোণালী দৃশ্যটোৰ তই তোৰ নীলা বেলুনটোৰে ৰূপত ৰং চৰাই দিলি অ'।"

নলিনীয়ে ক'লে, "কিন্তু তেনে কাব্যিক ভাৱত মই এই কাম কৰা নাই। মোৰ এই কাম অতি চিৰিয়াচ্। এই বেলুনটো যদি কোনো বাঁধা নোপোৱাকৈ উটি উটি গৈ সিপাৰত লাগে, তেন্তে মই সহজেই কুন্তলাক পাম; আৰু নহ'লে নেপাওঁ। কিছু সময় পুখুৰীৰ মাজত বেলুনটোৱে বাঁধা পোৱাৰ পিছতহে যদি সি পাৰ লাগে, তেন্তে বুজিব লাগিব কুন্তলাৰ প্ৰেমতো মোৰ বিঘিনি আছে।"

আমি বেলুনটোলৈ অতি মনোযোগিতাৰে চাই থাকিলোঁ। গধূলিৰ বতাহজাকৰ সোঁত তেতিয়া আগতকৈ বেচি প্ৰবল হৈ'ছিল। বেলুনটোৱে ঢৌত ইকাটি সিকাটি কৰি ওপঙি ওপঙি আগুৱাই যাবলৈ ধৰিলে। প্ৰায় আধা ঘণ্টা পিছত বেলুনটো গৈ সিপাৰত লাগিল। নলিনীয়ে লগে লগে মোলৈ হাত আগবঢ়াই দিলে। মই তাৰ স'তে 'হেণ্ডচেক্' কৰিলোঁ। সি পৰম উচ্ছ্বাসত কৈ উঠিল, "কুন্তলা যে নিৰ্বিঘ্নে মোৰ হ'ব, তাত আৰু কোনো সন্দেহ নাই।"

ইয়াৰ দুদিনমান পিছত মই ইলাহঁতৰ ঘৰলৈ গ'লোঁ। ইলাহঁতৰ ঘৰত ইলাৰ স'তে, তেওঁৰ মাকৰ স'তে আৰু তেওঁৰ দেউতাকৰ স'তেও অনেক কথা পাতিলোঁ। কথাৰ মাজতে মাকে এবাৰ সুধিলে, "এম্. এ.

পাচ কৰিলে, প্ৰফেচৰ হ'ল। ইয়াৰ পিছত কি কৰিব ? বিয়াখনকে পাতক। উপযুক্ত সময় হৈছে।" মাক বৰ অল্পভাষী, চিন্তাশীল আৰু গম্ভীৰ। তেখেতৰ এনেবোৰ গুণৰ বাবেই তেখেতক মই অন্তৰৰ পৰা শ্ৰদ্ধা কৰোঁ। তেখেতৰ এই প্ৰশ্ন মোৰ বাবে অপ্ৰত্যাশিত আছিল। গতিকে, তেখেতৰ এই প্ৰশ্নত মই অলপ অপ্ৰস্তুত হ'লোঁ। ফলত দিবলগীয়া উত্তৰটো মুখেৰে কেতিয়াও নোলাল গৈ। মই ক'লোঁ, "বিয়া ইমান এটি সৰু কথা যে তাৰ কথা এতিয়ালৈকে মই ভবাই নাই।" তাৰ পিছত কিছু সময় লাজত তলমূৰ কৰি নীৰৱে থাকিলোঁ। তেতিয়াহে মোৰ ভাব হ'ল, মোৰ মনৰ কথা ব্যক্ত কৰাৰ এয়েই সময়। মই পুনৰ ক'লোঁ, "ভবা নাই মানে, ঠিক ভবা নাই বুলি ক'লে হয়তো ভুল কৰা হ'ব। আচল কথা হ'ল, গতানু-গতিক পদ্ধতিৰে, সামাজিক নিয়ম-নীতিৰে বিয়া এখন পাতি দেশৰ এই দুৰ্য্যোগৰ সময়তো মিছাতে হেজাৰ হেজাৰ টকা অপচয় কৰাৰ মোৰ ইচ্ছা নাই। মোৰ ইচ্ছা, নতুন পদ্ধতিৰে, আইন-সঙ্গতভাৱে, মনে মিলা ছোৱালী এজনী পালে, আৰু মোৰ আদৰ্শত তেওঁক বিয়া কৰোৱা সম্ভৱ হ'লে, বিয়া কৰাই পেলাম। সেয়ে নহলে, বিয়া কেতিয়া হ'ব মোৰ, তাৰ কথা মই কব নোৱাৰোঁ।"

দেউতাক ভিতৰত আছিল। মোৰ কথা শুনি তেখেত তৎক্ষণাৎ ওলাই আহিল আৰু ক'লে, "আপুনি ঠিকেই কৈছে। দেশৰ এই দৰিদ্ৰতাৰ সময়ত বিয়াৰ নামত হেজাৰে হেজাৰে টকা খৰছ কৰাটো এটি বলিয়ালিত বাহিৰে একো নহয়। মোৰ নিজৰো আঁচনি এই যে ল'ৰা-ছোৱালীৰ নামত সিহঁতক মানুহ কৰি গঢ়াতেই বা সিহঁতক পঢ়ুৱাতেই যিখিনি পাৰোঁ মই খৰছ কৰিম। বিয়াৰ নামত কিন্তু এটি পইচাও খৰছ কৰা নহ'ব। গতিকে, আপোনাৰ দৰে সিহঁতেও যেতিয়া মনে বিচৰা পাত্ৰ পায়, তেতিয়া সিহঁতেই আইনৰ সহায়ত বিয়া কৰাব। মোৰ কোনো নিষেধ-আজ্ঞা নাই তাত।"

উভতি আহি কথাবোৰ মই নলিনীক বিবৰি কওঁ। সি আনন্দত আপ্লুত হৈ মোৰ পিঠিত থপৰিয়াই কয়, "তোৰ যে ইলাৰ লগত বিয়া ঠিক হ'ল, তাত সন্দেহ নাই।"

এদিন বৃহস্পতিবাৰে গধূলি কুন্তলাৰ ঘৰৰ পৰা আহি নলিনীয়ে মোক ক'লে, "তোৰ ওপৰত মই এইবাৰ টেক্কা মাৰিলোঁ অ'। অহা ৰবিবাৰে কুন্তলা আৰু মই একেলগে চিনেমা চোৱা আজি ঠিক কৰি থৈ আহিলোঁ।" সি আনন্দত আত্মহাৰা।

মই তাক কওঁ, "What you think to-day, I can think of that only tomorrow. You are a great pioneer in the field of love, Nalini. ছোৱালীৰ লগত প্ৰথম বাহিৰত ফুৰা অভিজ্ঞতা হ'ল তোৰ, যিটো মোৰ আজিলৈকে হোৱা নাই। ছোৱালীৰ বিয়াৰ প্ৰস্তাৱ দি বিজয়ী হলি তই; তাকো মই আজিলৈকে পৰা নাই। আৰু এতিয়া ছোৱালীৰ লগত একেলগে চিনেমা চোৱাৰ অভিজ্ঞতা প্ৰথম অৰ্জ্জন কৰিবি তই। এই কথাওতো মই এই পৰ্য্যন্ত সপোনতো ভাবিব পৰা নাছিলোঁ।"

মোৰ কথাত নলিনী যেন বিষণ্ণ হৈ পৰিল। চিন্তান্বিতভাবে সি ক'লে, "মোৰ ট্ৰেজেডী সেইখিনিতেই, জানিছ ? মোৰ আগৰ আটাইবোৰ অভিজ্ঞতাৰ পৰাই জানো নেদেখিছ? জীৱনত মই সদায় 'ৰানাৰ-আপ্' হে, 'চেম্পিয়ন' নহয়। 'ট্ৰফী' মই কোনো দিন নেপাম, বেদান্ত। মোৰ দৃঢ় বিশ্বাস, মই সদায 'ৰানাৰ্-আপ্' হৈয়েই থাকিম।"

ৰবিবাৰে সি এবাৰ মান বজাৰ পৰাই অপেক্ষা কৰি আছে কুন্তলালৈ। বাৰ বাজিল, এক বাজিল, ডেৰ বাজিল, দুই বাজিল। কুন্তলা কিন্তু নাহিল তাৰ ওচৰলৈ। পুৱাই আগতীয়াকৈ কিনি অনা তাৰ চিনেমাৰ টিকেট তেনেকৈয়েই ৰৈ গ'ল। কুন্তলা কিন্তু নাহিল কোনো মতে। তিনি বজাৰ লগে লগে সি মোৰ কোঠালৈ আহিল আৰু মোক সুধিলে, "উৰহ মৰা ঔষধ TIK-20ৰ বিজ্ঞাপনটো দেখিছ ? উৰহৰ কামোৰত ৰাতি টোপনি নাহে বাবে বিছনাত বহি ওৰে ৰাতি দুঃসহ কষ্টেৰে উজাগৰে কটোৱা সেই যে দুৰ্ভাগ্যৱানজনৰ ছবিটো ? এঘাৰ বজাৰ পৰা তিনি বজালৈ এই চাৰি ঘণ্টা সময় ময়ো মোৰ বিছনাত সেই ছবিটোৰ দৰেই বহি ৰ'লোঁ অ'। উৰহৰ কামোৰৰ বেদনাৰ কথা তোক মই কেনেকৈ বুজাম, বেদান্ত।"

তাৰ কথাত মোৰ হাঁহি উঠে। মোৰ তালৈ সহানুভূতিও ওপজে। মই কোনো উত্তৰ বিচাৰি নাপাওঁ। অলপ পিছত সি পুনৰ সোধে, "কথা দি যি ছোৱালীয়ে কথা ৰাখিব নেজানে, সেই ছোৱালীত বিশ্বাস কি ? কুন্তলাৰ স'তে মোৰ সকলো সম্পৰ্ক ছেদ কৰি দিওঁ নেকি অ', বেদান্ত ?"

মই তাক লগে লগেই কলোঁ, "নাই, এদিনৰ এটি দোষতেই তেনে সৰ্ব্বনাশী পন্থা নলবি। ধৈৰ্য্য ধৰ।" মোৰ কথাত সি একো নামাতে। গধূলি হোৱাৰ আগে আগে সি মোক কয়, "মই দৃশ্যাৰ তাৰ পৰাই আহোঁদেই। বেচেৰীৰ পৰীক্ষা আহিছে নহয়। কিমান আশা কৰি যে

মোক আজি ইমান দিন আগতে ঘৰলৈ মাতিছিল। আজিলৈকে যাব পৰা নাছিলোঁ, এই মিছা মায়াবোৰত বন্দী হৈ। আজি তেওঁক যি পাৰোঁ সহায় কৰি দি আহোঁ গৈ।"

নলিনীৰ মনৰ অৱস্থা বৰ বেয়া হৈ আছিল গোটেই আবেলিটো। গধূলি সি তেনেকৈ ওলাই যোৱাত মই ভালেই পালোঁ। আজিৰ আবেলিৰ এই বঞ্চনাৰ আঘাতটো সি কৰবাত কেনেবাকৈ পাহৰি থৈ আহিব পাৰিলেই যেন ভাল পাওঁ। এৰা, দৃশ্যাৰ পৰীক্ষা আহিছে। মানে ইলাৰো পৰীক্ষা আহিছে। ইলা চাগৈ এতিয়া মানে পঢ়াত বৰ ব্যস্ত হৈ পৰিছে। মোৰ মনত পৰিল, সিদিনা যাওঁতে কিছুদিন পিছত আৰু এবাৰ মোক যাবলৈ অনুৰোধ জনাইছিল। 'পৰীক্ষা লৈ প্ৰিপাৰেশ্যন্ কৰোঁতে কিবা নজনা বা নোবোৰা কথা ওলাব পাৰে। আপোনাক সুধিব লাগিব। আহিব কিন্তু।' ইলাৰ কথাবোৰ মোৰ মনত ঘূৰি ঘূৰি বাজি থাকে। মই বহি ৰওঁ। গধূলিৰ আন্ধাৰবোৰে মোক আগুৰি ধৰে।

ৰাতি আঠমান বজাত নলিনী দৃশ্যা চেটাৰ্জ্জীৰ ঘৰৰ পৰা আহি পায়হি। মই সোধোঁ, "কি খবৰ অ' ?" সি ক'লে, "অপূৰ্ব্ব।" ইমান ভদ্ৰ ছোৱালী, ইমান ভদ্ৰ পৰিয়াল, ইমান সভ্য আচৰণ মই আৰু জীৱনত কেতিয়াও পোৱা নাছিলোঁ অ', বেদান্ত। তই কিজানি হাঁহিবিয়েই মোৰ কথা শুনি। মই কিন্তু সঁচা কথা কৈছোঁ।"

মোৰ তাৰ কথা শুনি সঁচাই হাঁহি উঠিছিল। জীৱনত সি যাকে লগ পায়, তাৰ যিহৰ অভিজ্ঞতাই হয়, সেয়েই অপূৰ্ব্ব তাৰ মনত। মই ক'লোঁ "ক চোন ক, তোৰ অপূৰ্ব্ব অভিজ্ঞতাৰ কথা।"

সি আৰম্ভ কৰিলে, "মোক দেখিয়েই দৃশ্যাৰ চকু মুখ আশ্চৰ্য্যত ভৰি পৰিল। কলে, 'বাঃ চাৰ। আপনি যে আসবে এখানে, আমি তো কল্পনাই কৰতে পাৰতাম না। আমাৰ কি এতই ভাগ্য ?' মই হাঁহি মাৰি ক'লোঁ, 'তুমি কি আচৰিত! মই অহা টো যে কল্পনাই কৰা নাছিলা, মোক জানো তুমি মাতি অহা নাছিলা ?' দৃশ্যাই ক'লে, 'না, না। উঃ চাৰ। আপনি যে কি বলেন। আমি আপনাকে ডেকে আসছিলাম, সে কথা ভুলে যাব কেন ? কিন্তু আমি আপনাকে ডেকে আসাৰ এত দিন পৰেও আপনি যখন আসলেন না, তখন আমি নিজেকে প্ৰবোধ দিলাম, চাৰ এত বিদ্বান লোক, এত বড় লোক। আমিতো একজন সামান্য মেয়ে। আমি ডাকলেই কি চাৰ আমাৰ ঘৰে আসে যাবে ? আৰ চাৰকে আমাৰ কলেজেৰে ডেৰ হাজাৰ ছেলেমেয়ে। কতই যে ডাকে অমন কৰে, তাৰ

মধ্যে আমাৰ ঘৰে আসাৰ কথা চাৱেৰ বা স্মৰণেই থাকবে কেন।' দৃশ্যাৰ দৰে এজনী অপৰূপ ৰূপলাবণ্যৰ ছোৱালীয়ে তেওঁৰ সেইকথা কোৱা বিশেষ আকৰ্ষণীয় ভঙ্গীটো আৰু মন-কাঢ়ি-নিয়া কথাকোৱাৰ সুৰটোৰে যেতিয়া এনেবোৰ আপডাল কৰে, স্বয়ং সদাশিৱৰো জানো ধ্যান ভঙ্গ নহ'ব? তাৰ পিছতে দৃশ্যাৰ মাক সোমাই আহিল। দৃশ্যাই মোক মাকৰ সৈতে পৰিচিত কৰি দিয়াত তেখেতে ক'লে, 'হা, আমাৰ দৃশ্যাতো সদা-সৰ্ব্বদা আপনাৰ গুণেৰ কথাতেই শতমুখ আমাৰ আগে। এজন্য আমি ওকে বলেছিলাম, আপনাকে একদিন ঘৰে ডেকে আনাৰ জন্য। আপনাকে দেখে বড় ধন্য হলাম।' এক প্ৰৌঢ়া ভদ্ৰমহিলাৰ মুখত মোৰ দৰে এক নীহ লোকৰ প্ৰসংশা যেতিয়া এনেদৰে উচ্চাৰিত হোৱা শুনোঁ, তেতিয়া জানো মই আৰু আবেগত গলি নাযাম? পৰিয়ালৰখনৰ ভদ্ৰতাই চাবি নে আপ্যায়নেই চাবি। এই কুন্তলাজনীৰ ঘৰলৈ যাবি। দুই-তিনি ঘণ্টা বহিলেও কুন্তলাত বাহিৰেও ঘৰখনৰ কোনেও আৰু আহি এষাৰ মাত নিদিয়ে। আৰু কুন্তলায়ো কেতিয়াবা একাপ শুদা চাহ দিলে যদি দিলে; নহলে সিও নাই। আজিৰ এইখন ঘৰৰ কথা কিন্তু সম্পূৰ্ণ সুকীয়া। দৃশ্যাই অনবৰত মোৰ লগত কথা পাতি আছেই। কত যে কথা। মই প্ৰথম কলেজত সোমাই তেওঁলোকৰ প্ৰথম ক্লাচটো লৈয়েই যি বক্তৃতা দিলোঁ, তাত হেনো তেওঁ অবাক হৈ গ'ল। তাৰ পৰা মোৰ নামটো জানিবলৈ কিমান যে চেষ্টা কৰিলে। অৱশেষত যেতিয়া জানিলে, নামটো শুনি বোলে তেওঁ আচৰিত হৈ গ'ল। 'কেমন একটা আশ্চৰ্য্য নাম। একটা শুধু মেয়েৰ নাম। তবুও কেমন আশ্চৰ্য্য সুন্দৰ হয়ে খাপ খেয়ে গেছে চাৰেৰ নাম হিচেবে।' মোৰ বক্তৃতা শুনোঁতে শুনোঁতে মোৰ ক্লাচবোৰ কেতিয়া যে শেষ হৈ যায়, তেওঁ বোলে গমকে নাপায়। মোৰ ক্লাচৰ শেষত পৰা বেলটোতকৈ নিষ্ঠুৰ ঘটনা সংসাৰত যেন আৰু একো নাই, তেওঁৰ বোলে তেনে ধাৰণা হয়! মই বক্তৃতা দিওঁতে মোৰ মুখৰ ফালে চাই চাই তেওঁ কি যে এক মোৰ প্ৰতি মৰমত উদ্বেল হৈ উঠে।

"দৃশ্যাই মোৰ লগত কথা পাতিছে। ঘৰখনে তাত অভদ্ৰৰ দৰে সঁহাৰি নজনোৱাকৈ থকা নাই। মাকে সিপিনে টোষ্ট, ওমলেট্ বনাইছে। দৃশ্যাৰ ভায়েকটোৱে দোকানৰ পৰা ৰসগোল্লা আনিছে গৈ। কিমান যে আদৰ-আপ্যায়ন গোটেই ঘৰখনৰ। এই হে ছোৱালী। এই হে পৰিয়াল। এই হে মানুহ।"

কথাবোৰ শুনি শুনি মোৰ বেয়া লগা নাছিল। এখন ৰোমাণ্টিক

বঙালী উপন্যাসৰ এয়া যেন এটি মধুময় অধ্যায় নলিনীয়ে মোক পঢ়ি শুনালে। দৃশ্যাৰ দৰে মোহময়ী, কমনীয়া গাভৰু এগৰাকীয়ে নিচেই ওচৰত এনেদৰে কথা ক'লে, জঁটীয়া শিৰো যে অৱশ্যে পাকত পৰি যাব, তাত সন্দেহ নাই। কিন্তু তাৰ কুন্তলা ? মই তাক সুধিলোঁ, "কুন্তলাক তেন্তে তই এৰিলিনেকি ?"

সি কলে, "এৰাৰ প্ৰশ্ন নুঠে। কুন্তলাক মই কথা দিছোঁ। কথা দি কথা ভঙ্গ কৰা অপৰাধ নৰহত্যাৰ অপৰাধতকৈ গৰ্হিত বুলি মই বিবেচনা কৰোঁ। গতিকে তেওঁ মোক নেৰিলে, মই তেওঁক এৰাৰ প্ৰশ্ন নুঠে। কিন্তু সেই বুলি, ভাল পৰিয়াল এটিক, ভাল ছোৱালী এজনীক তই ভাল নবুলিবিনে ?"

মই কওঁ, "কিবা অসুবিধাত বোধ হয় কুন্তলাই আজি আহিব নোৱাৰিলে। কোন মানুহৰনো অসুবিধা নহয় ? অহা ৰবিবাৰে তেওঁ নিশ্চয় আহি তেওঁৰ অপৰাধৰ বাবে ক্ষমা খুজিব।" মোৰ কথা শুনি নলিনী মনে মনে থাকে। অলপ পিছত কয়, "কিন্তু আজি তেওঁ মোক ইমান ঠগিলে যেতিয়া অহা বৃহস্পতিবাৰে মই তেওঁৰ তালৈ নিশ্চয় নাযাওঁ। তই কি কৱ ?" মই তাক সমৰ্থন কৰোঁ।

বৃহস্পতিবাৰে নলিনী নগ'ল। তাৰ পিছত ৰবিবাৰ আহিল। সি কুন্তলা আহিব বুলি পুনৰ অধীৰ অপেক্ষা কৰিলে। কিন্তু সেইদিনাও কুন্তলা নাহিল। নলিনীয়ে ক'লে, "অহা বৃহস্পতিবাৰে মই কুন্তলাৰ ঘৰলৈকেই গৈ আহোঁনেকি অ' ? তেওঁ তো কিবা টান অসুখ-বিসুখ হৈ পৰি থাকিবও পাৰে।"

মোৰ তাৰ প্ৰস্তাৱতো ভাল লাগে। মই কওঁ, "নিশ্চয়। তই অহা ৰবিবাৰে নিজে গৈ খবৰ লৈ অহা ভাল হ'ব।"

"মোক 'ঢিলা' বুলি নাভাবেতো ?" সি সোধে।

মই কওঁ, "তোক মহৎ বুলিহে ভাবিব। মহম্মদে তেওঁৰ মছজিদলৈ যোৱা বাটত তেওঁৰ শত্ৰু বুঢ়ী এজনীয়ে সদায় কাইট পুতি মহম্মদৰ সৰ্ব্বনাশ কৰিব বিচাৰি আছিল। বুঢ়ীজনী এদিন অসুখ হৈ পৰি থকা বাবে মহম্মদৰ বাটত কাঁইট পুতিব যেতিয়া নোৱাৰিলে তেতিয়া মহম্মদে বুঢ়ীজনীৰ খবৰ লবলৈ গৈ তেওঁক শুশ্ৰূষা কৰা নাছিলনে ? ইচলাম ধৰ্ম্মৰ এই নবীজনাক আমি জানো তাৰ বাবে 'ঢিলা' বুলি ভাবোঁ ?"

নলিনীৰ চকু দুটি উজ্জ্বল হৈ উঠিল। সি ক'লে "তই ঠিক কৈছ। অহা বৃহস্পতিবাৰে মই যাম কুন্তলাৰ ঘৰলৈ।

কিন্তু তাৰ দুদিন পিছতে নলিনী এদিন কলেজৰ পৰা উভতি আহিয়েই মোৰ কোঠাত সোমাই ক'লে, "হেই বেদান্ত। এই যুগত আৰু মহম্মদৰ পুনৰ আবিৰ্ভাৱ হোৱা সম্ভৱ নহয় অ'।"

মই সুধিলোঁ, "অৰ্থাৎ?"

সি ক'লে, "আজি কুন্তলাক বাটত লগ পালোঁ। পায়েই সুধিলোঁ, তেওঁৰ কি হৈছে। কলে, 'একো হোৱা নাই।' মই সুধিলোঁ, 'তেন্তে সেইদিনা চিনেমা চাবও নাহিলা আৰু তাৰ পিছতো আজিলৈকেও দেখা দেখি নাই কেলেই'?

"কিন্তু মোৰ এই গুৰুতৰ প্ৰশ্নটোৰ উত্তৰ তেওঁ এনে পাতলভাবে দিলে যে মই খণ্ডত জ্বলি গ'লোঁ। তেওঁ ক'লে, 'চিনেমা চাব নাহিলোঁ, তাৰ আগদিনা বাইদেউৰ অনুৰোধ ক্ৰমে চিনেমা এখন চাবলগীয়া হ'লোঁ বাবে। দিনে দিনেনো কেনেকৈ চিনেমা চায়? তাৰ পিছত আপোনাৰ তালৈ আহোঁ আহোঁ বুলিও সময়েই কৰিব পৰা নাই। এই কেইদিন ঘৰত অতিথিৰো যিহে উৎপাত।' কেনে টুলুঙা, পাতল ছোৱালী দেখিলিনে? তেওঁ ক্ষমাৰ অযোগ্য। কিন্তু তথাপি মই মোৰ আদৰ্শ অনুসৰি তেওঁক এতিয়াও এৰাৰ কথা ভবা নাই। যদিও তেওঁ মোৰ ইয়ালৈ নহা পৰ্য্যন্ত মই আৰু তেওঁৰ তালৈ নাযাওঁ।"

ইয়াৰ কিছুদিন পিছলৈ নলিনীৰ মনৰ অৱস্থা বৰ বেয়া আছিল। ময়ো ইলাৰ প্ৰতি মোৰ সম্পৰ্কটোৰ স্বৰূপৰ কথা ভাবি এটি স্থিৰ অৱস্থাত থাকিব নোৱাৰিছিলোঁ। ইলাৰ দেউতাকৰ তেখেতৰ আদৰ্শ সম্পৰ্কে সেই দীঘলীয়া বক্তৃতাবোৰ—সেইবোৰ তেখেত মানুহজন যে অতি খোলা মনৰ, তাৰ পৰিচয়ত বাহিৰে আনো আৰু একো নহয়? আৰু ইলাৰ মাকৰ সেইদিনা মোক মোৰ বিয়াৰ বিষয়ে সোধা প্ৰশ্নটো? তেখেতৰ দৰে সুমিতভাষিণী, গুৰুগম্ভীৰা নাৰী এগৰাকীৰ তেনে এটি প্ৰশ্ন ধেমালিৰ বাহিৰে আনো একো নহয়। কথাবোৰ ভাবি ভাবি মই পাৰ নাপাওঁ।

এদিন নলিনীৰ কোঠাত মই বহি আছোঁ। তাৰ টেবুলত 'কেৰিয়াৰ্চ এণ্ড কোৰ্চেছ' আলোচনীখনৰ বহুতো সংখ্যা দম লাগি বহু দিন পৰি থকাৰ পিছত তাৰ পাতবোৰ পীতবৰণীয়া হৈ গৈছে। ধূলি মাকতিৰে ভৰি সেইবোৰে তাৰ টেবুলখন বিশৃঙ্খল কৰি তুলিছে। মই সেই লেতেৰা দৃশ্যটোলৈ চাই বিৰক্ত হৈ ক'লোঁ, এ. চি. এছ্. বা আই. এ. এছ্. দিয়াৰ ইচ্ছা আৰু ত্যাগ কৰোঁদেই, নলিনী। ধৈৰ্য্য, পৰিশ্ৰম, একাগ্ৰতা

আদিৰ প্ৰয়োজন হোৱা কোনো কামৰ বাবে আমি যে জন্মা নাছিলোঁ, সেইটোতো ঠিক। মিছা আশা এটিৰে এইবোৰ কৰিম বুলি ভাবি থাকি লাভ কি ?"

নলিনীয়ে ক'লে, "তই মোৰ অন্তৰৰ কথাই কলি অ'। এইবোৰ পৰীক্ষা আমাৰ বাবে নহয়। কিন্তু কথা হ'ল, শিক্ষকতা—সেই কামটোৰ বাবেও জানো আমি যোগ্য ?"

মই ক'লোঁ, "শিক্ষকতাৰ বাবে আমি যোগ্য বুলিতো শিক্ষক হোৱা নাছিলোঁ। এই কাম সহজতে পালোঁ বুলিহে ইয়াতে মূৰ সুমুৱাই দিলোঁ। দুখ লাগে কি কথা ভাবি জান ? তথাপি যে ইলাৰ দেউতাকে শিক্ষক-বোৰত মূল্য আৰোপ কৰে—মোৰ দৰে শিক্ষকবোৰত।" নলিনীয়ে মোৰ কথাৰ উত্তৰত একোকে নেমাতে। ময়ো মনে মনে থাকোঁ।

এনেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অধ্যাপকৰ চাকৰিৰ বাবে তালৈ ইণ্টাৰভিউৰ চিঠি আহিল। দৰ্খাস্তখন পঠিয়াওঁতে সি পঠিয়াওঁ-নপঠিয়াওঁকৈহে পঠিয়াইছিল। তাৰ হেনো এইখন গুৱাহাটী এৰি যাবৰ মন নাই। কিন্তু ইণ্টাৰভিউৰ চিঠিখন পাই সি ৰং পালে। ক'লে, "চাকৰিটো পাওঁ-নাপাওঁ কব নোৱাৰোঁ। ইণ্টাৰভিউলৈ কিন্তু যাম। এইখন গুৱাহাটী এৰি কৰবালৈ গুচি যাবৰ মন গৈছে, বুজিছ ? এইখন গুৱাহাটী—যত কুন্তলাৰ দৰে সূক্ষ্মচেতনাহীন, উপলব্ধিহীন ছোৱালীবোৰ থাকে।" মই তাৰ কথা শুনি মনে মনে থাকোঁ। তাৰ উপলব্ধিৰ কৰুণতাখিনি ময়ো উপলব্ধি কৰোঁ।

ইণ্টাৰভিউৰ বাবে ডিব্ৰুগড়লৈ যোৱাৰ এদিন আগতে সি পুনৰ এবাৰ দৃশ্যাৰ ওচৰলৈ গ'ল গৈ। দৃশ্যাই হেনো তাক বৰ আকৰ্ষণ কৰিছে আজি কিছু দিনৰ পৰা। আবেলি চাহ খাই উঠিয়েই সি গৈছিল। আন্ধাৰ হোৱাৰ লগে লগে সি উভতি আহিল। তাৰ মুখত আনন্দৰ ৰেঙণি। সি ক'লে, "মোৰ কবলগীয়া কথা বহুত অ'। ওলানা ফুৰিবৰ বাবে। বাটে বাটে কৈ যাম।"

মই ওলাওঁ। খাৰঘুলিৰ মূল ৰাস্তাটোৰে ব্ৰহ্মপুত্ৰৰ পিনে আমি খোজ ললোঁ। ৰাস্তাটো দুই পাহাৰৰ মাজত সোমাই পৰাৰ লগে লগে যেতিয়া মানুহৰ ভিৰ কমি গ'ল আৰু দুইফালৰ সেউজীয়া গাম্ভীৰ্য্যই আমাক আবৰি ধৰিলে, তেতিয়া নলিনীয়ে ক'লে, "দৃশ্যাৰ বহুতো কথাই আজি মনত গভীৰ সাঁচ বহুৱাই দিলে, বেদান্ত। গৈ পোৱাৰ লগে লগেই দৃশ্যা কেনে চঞ্চল, উচ্ছল হৈ উঠিল। বহিব দিলে। কথা কলে।

কত যে কথা। মোক কেন্দ্ৰ কৰি কলেজৰ, তেওঁক কেন্দ্ৰ কৰি তেওঁলোকৰ ঘৰৰ কথা। আৰু সমাগত তেওঁলোকৰ টেষ্ট্ পৰীক্ষাৰ বাবে তেওঁৰ যে পঢ়া হোৱা নাই, সেই বিষয়েও অনেক কথা। তাৰ পিছত ক'লে, 'আমাৰ মনে হয়, পঢ়াতে আমি আৰ কখনো কোনো সমস্যাৰ সম্মুখীন হবো না। হবো কেমন কৰে? আপনিতো আছেন। আমি পাচ কৰবো। তাৰ পৰ পলিটিকেল চাইঞ্চে এম্. এ. পড়বো, আপনাৰ হেল্প্ নিয়ে। আপনাৰ হেল্প্ দিয়ে এম্. এ. পাচ কৰাৰ পৰ কোনো একটা কলেজে অধ্যাপকা হয়ে ভৰ্তি হ'বো। তখন হয়ত আপনাৰ বিয়ে হৈয়ে যাবে না, চাৰ? হা আমি যখন এম্. এ. পাচ কৰে অধ্যাপিকা হ'বো তখন আপনাৰ বিয়ে হ'য়ে যাবে। আমাৰ আৰ বিয়ে হবে না। আমি অবিবাহিত হয়েই কলেজেৰ ছাত্ৰীদেৰ মধ্যে জীৱনটা কাটিয়ে দেবো।' মই কলোঁ, 'ৰবা, ইমান সোনকালে, আৰু ইমান সহজে মোৰ বিয়া হ'ব বুলি তোমাক কোনে ক'লে? তোমাৰ পঢ়াত মই যিখিনি সহায় কৰিব পাৰোঁ, সেইখিনি অৱশ্যে মই নিশ্চয় কৰিম। কিন্তু তুমি এম্. এ. পাচ কৰি চাকৰিত্‌ সোমোৱা মানে মোৰ কাৰবাৰ লগত বিয়া হৈ যাব—এই কথা তুমি ইমান নিষ্ঠুৰৰ দৰে ভাবিছা কেনেকৈ?' এইখিনি কথা যে কব পৰা কেনেকৈ হঠাৎ ওলাই আহিল, কবই নোৱাৰোঁদেই। সঁচা কথা কবলৈ গ'লে কুন্তলাৰ কথা মই তেতিয়া একেবাৰে পাহৰিয়েই গৈছিলোঁ। আৰু মোৰ ভাব হৈছিল, দৃশ্যাই যেন মোক তেওঁৰ বিয়াৰ বাবে প্ৰস্তাৱহে দিলে। তই কি কৱ?"

মই ক'লোঁ, "তই ঠিক ধৰিছ। ই ঠিক প্ৰস্তাৱ নহ'লেও এটি পৰোক্ষ আবেদন, indirect appeal।'

তাৰ মুখত আনন্দৰ আভা। সি পুনৰ ক'লে, "দৃশ্যাই ইতিমধ্যে তেওঁ পলিটিকেল চাইঞ্চৰ টান পোৱা কিছুমান প্ৰশ্ন মোৰ আগত উত্থাপন কৰি বুজাই দিবলৈ কৈছিল। মই আগতে ডিব্ৰুগড়লৈ যে ইণ্টাৰভিউ দিবলৈ যাবলৈ ওলাইছোঁ, তাৰ কথা উল্লেখ কৰিলোঁ। তৎক্ষণাৎ তেওঁ কিতাপ বহীবোৰ সামৰি থলে আৰু তেওঁৰ মুখখন ওপলি পৰিল বাৰিষাৰ আকাশৰ দৰে। তেওঁ কলে, 'তাই নাকি? তবে এই সবেৰ আৰ আৰম্ভণা কেন? আপনিতো ডিব্ৰুগড় চলে যাবেন। আমি আৰ আপনাকে কখনো পাবো না কোনো পড়া-শুনায় সাহায্যেৰ জন্য। যে কথা আৰ এৰ পৰ হ'বে না, তাৰ আজি আৰম্ভণীই বা কেন?' মই তেওঁক মই যে, ইণ্টাৰভিউহে দিবলৈ যাবলৈ ওলাইছোঁ, চাকৰি

নাপাবও পাৰোঁ বা পালেও নাযাব পাৰোঁ, তাক বুজাই দি জোৰকৈ তেওঁ পলিটিকেল চাইকুৰ টান পোৱা কথাবোৰ বুজাই দিলোঁ। মাকে মাজতে চাহ আৰু লগতে কেবাবিধো খোৱাবস্তু আনি দি গৈছিল।"

মই কলোঁ, "তোৰ শেষত দৃশ্যাই হ'ব যেন পাওঁ অ'।"

সি ক'লে, "সঁচাই কৈছনে? এবা, কুন্তলাক মই এবাৰ প্ৰশ্ন নাছিল। কিন্তু তেৱেঁই হয়তো এবা দি যাব। কিন্তু দৃশ্যাৰ দৰে ছোৱালী এজনী মোৰ হ'ব—এই কথা জানো ভাবিব পাৰি?"

মই মনে মনে থাকোঁ। আমাৰ সমুখত তেতিয়া বাৰিষাৰ ভৰা ব্ৰহ্মপুত্ৰৰ অপাৰ, অদম্য জলস্ৰোত। দুইকাষে আৰু পিছ পিনে ডাঠ সেউজীয়া হাবি-বন।

তাৰ এদিনৰ পিছতেই সি ডিব্ৰুগড়লৈ যায় গৈ। মই ইয়াৰ ভিতৰতে ইলাৰ এবাৰ খবৰ লৈ আহোঁ। তেওঁৰ টেষ্ট পৰীক্ষা নিচেই ওচৰ। পঢ়াত ব্যস্ত। সহায় কৰি দিবলগীয়া বিশেষ একো নাই। পৰীক্ষাৰ বাবে শুভেচ্ছা জনাই গুচি আহোঁ।

নলিনী ইতিমধ্যে আহি পায়। তাৰ হেনো ইণ্টাৰভিউ অতি ভাল হৈছে। অন্য যিবোৰ ইণ্টাৰভিউ দিবলৈ গৈছিল, সেইবোৰ তাৰ হেনো প্ৰকৃত প্ৰতিদ্বন্দ্বী নাছিলেই। নিযুক্তি-পত্ৰ তাৰ সোনকালেই আহি পাব বুলি ইণ্টাৰভিউৰ বিশেষজ্ঞজনাৰ পৰাই সি হেনো গম পাই আহিছে। আহি পোৱাৰ পিছদিনাই সি কুন্তলাৰ ওচৰলৈ যায়। সি কয়, "ডিব্ৰুগড়ৰ পৰা নিযুক্তি-পত্ৰ আহিলেই যাব লাগিব গৈ। কিন্তু মই যাম নে নাযাম, তাকে এতিয়ালৈকে ঠিক কৰিব পৰা নাই। গতিকে কুন্তলাৰ লগত আলোচনা কৰি কিবা এটি সিদ্ধান্ত কৰিব লাগিব। তেওঁক মাতি আহোঁ গৈ।"

তাৰ পিছৰ ৰবিবাৰটোত দুপৰীয়াৰ পৰাই সি পুনৰ তাৰ কোঠাত সোমাই TIK-20 ৰ বিজ্ঞাপনৰ ছবিটোৰ দৰে বহি আছে, বাহিৰত কেতিয়া লেডী চেণ্ডেলৰ খটপ খটপ শব্দ শুনে বুলি। কিন্তু তাৰ তেনেকৈ বহি ৰওঁতেই সময়বোৰ বাগৰি গ'ল। চেণ্ডেলৰ শব্দ আৰু ৰাস্তাত বাজি উঠা শুনাৰ তাৰ সৌভাগ্য নহ'ল। মই তাক মাজে মাজে মোৰ কোঠাৰ পৰা চিঞৰি সুধোঁ, "কি অ' TIK-20 ৰ বিজ্ঞাপনৰ ছবি? ৰাতি আৰু কিমান বাকী?" সি সিপিনৰ পৰা উত্তৰ দিয়ে, "আজিৰ পৰা আৰু হাত ধুম দেই। বিছনাৰ কাপোৰ-কানিবোৰ সলাই নললে আৰু নচলে।"

গধূলি পাঁচ বজাতো কুন্তলা নহাত সি মোক ফুৰিবলৈ যাবলৈ লগ ধৰে। মই তাক শান্তনা দিবৰ বাবেই ওলাই যাওঁ। পাণবজাৰৰ ৰাস্তাত দুয়ো খোজ কাঢ়োঁতে নলিনীয়ে মোক সোধে, "আজি তেওঁক মই মাতি অহাৰ তাৎপৰ্য্য কিমান গুৰুতৰ তাক বাবে বাবে দঢ়াই দঢ়াই বুজাই দিছিলোঁ। তেৱেঁ। সেইটো উপলব্ধি কৰি ডিব্ৰুগড়লৈ যামনে নাযাম, তাৰ সিদ্ধান্ত লোৱাত মোক সহায় কৰি দিবহি বুলি আশ্বাস দি পঠিয়াইছিল। ইমানৰ পিছতো তেওঁ নাহিল যেতিয়া, তেওঁক আৰু মই নেৰাৰ কথা উঠিব পাৰে জানো? তেনে এজনী ছোৱালীক বিয়া কৰাই মই জানো সুখী হ'ম?"

তাৰ এই প্ৰশ্নটো এটি গুৰুতৰ প্ৰশ্ন বুলিয়েই মই ধৰি লৈছিলোঁ। গতিকে ময়ো অতি গম্ভীৰ হৈয়েই তাৰ উত্তৰ দিলোঁ, "শুন, নলিনী। বিয়া মানে দুটি প্ৰাণীৰ দৈহিক মিলনৰ এটি ঠিকা নহয়। ই দুটি আত্মাৰ মিলনৰ, দুটি মনৰ একীকৰণৰ এটি গুৰুতৰ পবিত্ৰ পন্থা। তোৰ বাবে যিটো অতি গুৰুতৰ প্ৰশ্ন, সি যদি তোৰ ভবিষ্যৎ সঙ্গিনীৰ চকুত এটি আঁফুৰা কথা বুলি অৱহেলিত হয়, তেন্তে তেনে এজনীক সঙ্গিনী কৰি ললেও তেওঁ তোৰ স্বৰূপাৰ্থত সঙ্গিনী হ'ব নোৱাৰে।"

মোৰ কথা শুনি সি কৈ উঠিল, "ঠিক কৈছ। তই মোৰ মনৰ ভাব ব্যক্ত কৰি দিলি। আজি এই পাণবজাৰৰ গধূলি পাণবজাৰৰ মূলৰাস্তাৰ এই অগণন অপৰিচিত ব্যস্ত জনতাক সাক্ষী ৰাখি কুন্তলাক মই ত্যাগ কৰিলোঁ। বল, এতিয়া মোৰ এই প্ৰেম-বিচ্ছেদৰ যি আনন্দ তাৰ 'টি-পাৰ্টি'টো 'মধুমিতা'তেই লবি নে 'ডিলাইট'তেই লবি, লগৈ।"

বি. এ. পৰীক্ষাৰ আগৰ সেই এটা মাহ আমি দুয়োৰে বৰ ব্যস্ত হৈ পৰোঁ। ইলাই প্ৰথম অংশৰ পৰীক্ষাত মজলীয়া দ্বিতীয় শ্ৰেণীৰ অনাৰ্চৰ নম্বৰ পাই আছে। সেইখিনি কিবাকৈ উচ্চ দ্বিতীয় শ্ৰেণীলৈ উন্নীত কৰিবলৈ তেওঁক উদগাওঁ আৰু সহায় কৰোঁ। দুৰ্ভাগ্যই প্ৰথমাংশ পৰীক্ষাত কেইটামান নম্বৰৰ বাবে ডিষ্টিংশ্যন নাপালে। তেওঁক এইবাৰ ফাইনেলত ডিষ্টিংশ্যনটো ৰখাই দিবলৈ নলিনী তৎপৰ হয়। আমাৰ সময়বোৰ ৰ'কেটৰ দৰে উৰি যায়। পৰীক্ষালৈ সাতদিন বাকীবোৱাত মই ইলাক শুভেচ্ছা জনাই বিদায় লওঁ। পৰীক্ষাৰ পিছতেই তেওঁ যাতে মোৰ ঘৰলৈ আহে তাৰ বাবে অনুৰোধ জনাইও থৈ আহোঁ। মোৰ ভাব, তেওঁ পৰীক্ষাৰ পিছত আহিলেই, মোৰ মনৰ কথাবোৰ, মোৰ বিয়া সম্পৰ্কে মতামত তেওঁৰ আগত দাঙি ধৰি তেওঁৰ মত বিচাৰিম।

নলিনাক মোৰ উদ্দেশ্যটোৰ কথা কৈ সুধোঁ, "তই কেনে দেখ? পৰীক্ষাৰ পিছত সোধাটোৱে উপযুক্ত সময় নহবনে? আৰু কেনে ফল পাম বুলি তই ভাব?"

সি ক'লে "তোৰ আঁচনিত ভুল নাই। ফল তোৰ যে ভাল হ'ব, সেই বিষয়ে তিলমানো সন্দেহ নাই।"

মই কওঁ, "কিন্তু ইলাই যদি সঁচাকৈয়েই আম আশা কৰা মতে বিয়াত মত দি দিয়ে?"

সি কয়, "তেতিয়া তোৰ আৰু আনন্দ চায় কোনে?"

ইতিমধ্যে বি. এ. পৰীক্ষা শেষ হয়। আৰু লগে লগেই নলিনীলৈ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ পৰা নিযুক্তি-পত্র আহে। দৃশ্যাহঁতৰ ঘৰলৈ যোৱাটো তাৰ আৰু ঘন হয়। সি যাবলৈ ওলোৱা বাবেই মাক আৰু দৃশ্যাই তাক হেনো আৰু বেচি মৰম কৰিবলৈ লৈছে। এদিন হেনো দৃশ্যাই তাক কয়, 'ডিব্রুগড় পৌচেই আপনি আমাকে ভুলে যাবেন না? হা, সেখানে পোষ্ট্ গ্রেজুৱেট্ ক্লাচেৰ কত মেয়ে, কত ছেলেৰ সঙ্গে আপনি এসে যাবেন। আমাকে আৰ স্মৰণে থাকবো কেমন কৰে?' সি মোক সোধে, "চা চোন, এই কথাষাৰ তাৎপৰ্য্যপূৰ্ণ বুলি তই নাভাবনে?" মই কওঁ, "নিশ্চয়"।

সি উৎসাহিত হয়। "ইয়াৰ পিছতে মাক আহি কি কৈছ, জান? 'দৃশ্যাৰ মনেতো আপনি যে চলে যাবেন, এ কথাটা বড় লাগছে। সে বলছে, চাৰ যদি এখানে থাকতো আমাৰ এম্. এ. পড়তে বড় সুবিধে হতো। আমি দৃশ্যাকে বলছি, কেন, তুইওতো ডিব্রুগড় ইউনিভাৰ-চিটিতে গিয়ে এম্. এ. পড়তে পাৰ। সেখানে চাৰেৰ হেল্প্ পাবি। দৃশ্যাৰ তো আমাৰ কথা শুনে বৰ আনন্দ হয়েছে।' দৃশ্যাৰ মাকৰ এই কথাষাৰ অতি গূঢ়াৰ্থপূৰ্ণ নহয়নে?" মই ক'লোঁ, "দৃশ্যাৰ মাকে ছোৱালী জনী তোলৈ যে অৰ্পণ কৰিছে, তাত সন্দেহ নাই।" নলিনীয়ে ক'লে, "উত্তৰত মই কি কৈছোঁ জান? বঙালীতে কলোঁ দেই। অন্তৰৰ পৰাই বঙালী ওলাই আহিল। বেয়া নেপাবি, বেদান্ত। মই কলোঁ, 'দৃশ্যা যদি সেখানে যায়, আমাৰোতো বড় ভালো হয়। আমি সেখানে বড় একলা ফিল্ কৰবো বলেইতো যাবাৰ জন্য ভয় কৰে আছি।"

মই চিঞৰি উঠিলোঁ, "তই তেনেকৈ কৈছতো?"

সি ক'লে, "একেবাৰে এটি আখৰৰো হেৰফেৰ কৰা নাই, তোৰ আগত।"

"তেন্তে হৈছে আৰু। তোৰ কালৰ পৰাও কবলগীয়া কথাৰ বহুখিনি কৈ দিয়া হ'ল। এতিয়া দৃশ্যাৰ স'তে প্ৰথম অধ্যায়টোৰ সামৰণি মাৰি ডিব্ৰুগড়লৈ গৈ তাৰ পৰা দ্বিতীয় অধ্যায়টোৰ আৰম্ভ কৰিব পাৰ।"

বি. এ. পৰীক্ষা শেষ হ'বৰ এসপ্তাহ হৈ গ'ল। ইয়াৰ ভিতৰত ইলা আহিব আহিব বুলি মই অপেক্ষা কৰি ৰওঁ। ইলা কিন্তু নাহে। কেতিয়াবা হঠাৎ আহি লগ নাপাই উভতি যাব পাৰে বুলি মই প্ৰায় ঘৰতে থাকোঁ। ইলাৰ কিন্তু দেখা দেখিয়েই নাই। মই অলপ চিন্তিত হওঁ। পৰীক্ষাৰ পিছত আৰু সাতদিন মান যায় গৈ। তথাপি ইলা নাহে। মই মোৰ মনৰ উৎকণ্ঠাৰ কথা আৰু পৰীক্ষাৰ পিছত বিয়াৰ প্ৰস্তাৱৰ যি আঁচনি কৰিছিলোঁ, তাৰ কথা নলিনীক কওঁ। যি মোক শান্বনা দিয়ে, "আহিব। হয়তো পৰীক্ষাৰ ভাগৰ পলাবলৈ বাট চাইছে। তয়ো বাট চা।"

তাৰ উপদেশে মোক শান্বনা নিদিয়ে। মই ওলোটা যুক্তি দিওঁ। "পৰীক্ষাৰ আগত সহায় বিচাৰি ইমান পৰিশ্ৰমৰ মাজতো সপ্তাহত দুদিনকৈ মোৰ ঘৰলৈ দৌৰিব পাৰে। তেতিয়া ভাগৰ নাই। আৰু এতিয়া দুসপ্তাহৰ মূৰত এদিন আহিবলৈকো ইমান ভাগৰ ?"

নলিনীয়ে কয়, "প্ৰয়োজন হ'লেতো আহিবই। এতিয়াতো আৰু তেনে প্ৰযোজন একো নাই। যি কোনো এদিন আহিলেই হ'ল।"

মই খং কৰি কওঁ, "তাকেই তো স্বাৰ্থ বোলে। স্বাৰ্থ যেতিয়া পূৰণ হ'ল তেতিয়া মোৰ ঘৰলৈ অহাৰ আৰু প্ৰয়োজন কি ? কেৱল যদি পঢ়াত সহায় পাবৰ বাবেই মোৰ লগত সম্পৰ্ক, অত ঘনিষ্ঠতা, অত সহৃদয়তাৰ অভিনয়েই বা কিয় ?"

মোৰ মনৰ অৱস্থা বুজিয়েই বোধ হয়, নলিনীয়ে মোক ফুৰিবলৈ উলিয়াই লৈ যায় সেই আবেলি চাহ খোৱাৰ পিছত। ফাঁচীবজাৰৰ অজস্ৰ মানুহৰ অবিৰাম অহা-যোৱাৰ মাজত আমি দুয়ো মিলি যাওঁ। আমাৰ আলাপবোৰ, আলোচনাবোৰ হেজাৰ লোকৰ বুজিব নোৱাৰা গুণ গুণনিৰ মাজত হেৰাই যায়। শিখ মন্দিৰৰ চ'কটোত দুয়ো থিয় হৈ জনতাৰ ব্যস্ততাটোলৈ চাই আছিলোঁ। এবাৰ যান-নিয়ন্ত্ৰক যন্ত্ৰটোত ৰঙা লাইট থকাত আমাৰ সমুখত এখন দুখনকৈ অনেক মটৰ-ৰিক্সা আহি ৰৈ গ'ল। হঠাৎ তাতে এখন ৰৈ যোৱা ৰিক্সাত নলিনীৰ চকু থিৰ হ'ল। সি ক'লে, "সৌ ৰিক্সাখনলৈ চা চোন। সেইজনী মানসপ্ৰভা। কিন্তু লগত সেইজন কোন ? মইতো কোনোমতেই চিন পোৱা নাই।" মই ৰিক্সাখনলৈ চাই পঠিয়াওঁ। ক্ষীণ, পাতল দেহাবয়বৰ এজনী ধুনীয়া ছোৱালীৰ লগত এজন

সুঠাম দেহৰ সুস্বাস্থ্যবান ডেকা বহি আছে। নলিনীয়ে সেইপিনে তথা লাগি চাই ৰৈছিল। মই তাক শান্তনা দিবলৈ কওঁ, "কোনোবা ভায়েক ককায়েক বা আন তেনেকুৱা সম্পৰ্কীয় লোক হ'ব চাগৈ।" সি কয়, "নাই অ', মানসপ্ৰভাৰ মই নাড়ী-ভুৰুলৈকে চিনি পাওঁ। তেনে স্থলত ভায়েক ককায়েক বা আন সম্পৰ্কীয় জানো মোৰ অচিনাকি হ'ব পাৰে?" নলিনী অস্থিৰ হৈ পৰে। মই তাক বুজাব নোৱাৰো। সি কৈ যায়, "সেইজন কোনোবা সম্পৰ্কহীন সম্পৰ্কীয়ই হব অ', যিজন মই হ'ব নোৱাৰিলোঁ।" মই তাৰ কথাত আপত্তি কৰোঁ। কওঁ, "তাৰ প্ৰমাণ কি?"

সি কয়, "অলপতে এজন অধ্যাপিকা বান্ধৱীৰ পৰা শুনিলোঁ, তেওঁৰ সহকৰ্ম্মী কোনোবা এজন মিঃ কুলদাসৰ সৈতে হেনো মানসপ্ৰভাৰ এম্. এ. পঢ়া সময়ত বেচ এটি সম্পৰ্ক আছিল। দুয়ো যদিও আনৰ আগত সম্পৰ্কীয় বাবে চিনাকি বুলি কৈ ফুৰিছিল, বিশ্ববিদ্যালয়ত সকলোৱে দুয়োকে প্ৰেমিক প্ৰেমিকা বুলিহে আখ্যা দিছিল। এতিয়া কুলদাস হেনো কলেজৰ পৰা ছুটী লৈ বিলাত লৈ যাবলৈ ওলাইছে। এই খবৰটো পাই এদিন গধূলিৰ আন্ধাৰত মানসপ্ৰভাই যে কৈছিল, 'মই কাকো ফাঁকি দিব নোৱাৰোঁ', তাৰ ব্যাখ্যা পাই গৈছিলোঁ। কিন্তু যিটো আমাৰ বাবে নিষ্ঠুৰ খবৰ, তাক শুনিও, তাৰ সত্যতা বুজি পাইও, তাক বিশ্বাস কৰিবলৈ আমাৰ মন নাযায়, নহয় জানো? কিন্তু সেই ৰিক্সাখনত দুয়োকে একেলগে দেখাৰ পিছত?" সি প্ৰশ্নসূচক দৃষ্টিৰে মোৰ পিনে চায়। মই মোৰ মুখ ঘূৰাই আনি ৰিক্সাখনলৈ চাই পঠিয়াও। নীলা লাইট জ্বলি উঠাত ৰিক্সাখন তেতিয়া আমাৰ ওচৰৰ পৰা আতৰি যাব ধৰিছে। নলিনীয়ে কৈ উঠিল, "নীলা পোহৰে তেওঁলোকক বাট দেখুৱাই দিছে। মানসপ্ৰভাই জানো তেওঁক ফাঁকি দিব পাৰে? কুলদাস বিলাতলৈ যাব। তেওঁ আহিবও পাৰে, নাহিবও পাৰে; নাইবা আহিলেও মানসপ্ৰভাই আশা কৰাতকৈ বেলেগ মানুহ এজন হৈয়ো আহিব পাৰে। তথাপি মানসপ্ৰভা ৰৈ থাকিব। তেওঁ কাকো ফাঁকি দিব নোৱাৰে। কিমান ভাল ছোৱালী! বেচেৰী মানসপ্ৰভাজনী!" নলিনীয়ে হঠাৎ ঢেক্‌ঢেক্‌কৈ হাঁহি উঠে। তাক মোৰ বৰ অস্বাভাৱিক হৈ পৰা যেন লাগে। মই তাক উভতি যোৱাৰ প্ৰস্তাৱ দিও। সি মান্তি হয়, "এৰা, বল, উভতি যাওঁ। গুৱাহাটীত থকাৰ হাবিলাস আৰু শেষ হৈ গৈছে, বেদান্ত।"

উভতি আহি পাণবজাৰ পাওঁতে কিতাপৰ দোকান এখনত সোমাই

মই এখন প্ৰয়োজনীয় কিতাপ বিচাৰোঁ। কিতাপখন নেপাই ওলাই আহিব খোজাত দেখোঁ, নলিনীয়ে 'অদ্ভুত যত ভূতেৰ গল্প' নামৰ এখন কিতাপ বাচি উলিয়াই আনি ভিতৰত চকু ফুৰাব ধৰিছে। মই কলোঁ, "সেইখন কি চাইছ? বল যাওঁ গৈ।" সি কয়, "নহয় অ', কিতাপখনত চকু ফুৰাই দেখিলোঁ, এইখন বৰ আমোদজনক কিতাপ হ'ব। 'অদ্ভুত যত ভূতেৰ গল্প'—কেনে যে সুন্দৰ নাম। এইখন মই কিনি নি আজিয়েই পঢ়িম, বেদান্ত।" সি সঁচাই কিতাপখন কিনি আনিলে।

ৰাতি ভাত খাব বহা সময়ত মই তাক সুধিলোঁ, "কিতাপখন তই পঢ়িবলৈ আৰম্ভ কৰিলিয়েই নেকি?"

সি কৈ উঠিল, "এৰা, আধা-আধি শেষেই কৰিলোঁ। অতি আমোদজনক কিতাপ। বেচ উপভোগ কৰিব পাৰি। তয়ো পঢ়িবি মোৰ পঢ়া হ'লে।"

মই কলোঁ, "কিতাপ যদি পঢ়ই, ভাল কিতাপ নপঢ় কিয়?—যি কিতাপ পঢ়িলে প্ৰকৃততে উপকৃত হ'ব পাৰি?"

নলিনীয়ে দাঁত নিকটাই কৈ উঠিল, "দূৰ বুৰ্ব্বক। তই মোক 'অদ্ভুত যত ভূতেৰ গল্প'ৰ দৰে কিতাপ পঢ়া বাবে দোষ দিবলৈ আহিছ। এই সময়ত মই কি বিচাৰিছিলোঁ জান? মদ। ভূতৰ গল্প, মদ, বেলুন-খেলা, এইবোৰত বাহিৰে এই যুগত আমাৰ দৰে ডেকাবোৰৰ অস্থিৰ, ক্ষুধাতুৰ, উত্তেজিত স্নায়ুবোৰক আৰু কিহে শান্তি দিব? কাইলৈৰ পৰা মই মদৰ বটল বিচাৰি ঘূৰি ফুৰিম, বেদান্ত।"

মই মনে মনে আছিলোঁ। তাৰ তেনে মনৰ অৱস্থাত তাৰ আগত কবলৈ মই একোকে বিচাৰি নাপাইছিলোঁ। নীৰৱে নীৰৱে খোজ কাঢ়িয়েই আমি ঘৰ আহি পাইছিলোঁ।

ইয়াৰ পিছদিনা দুপৰীয়া নলিনী আহি মোৰ কোঠাত বহে। মোৰ টেবুলত বহু দিন আগেয়ে কিনা 'জেনেৰেল ন'লেজ্ এন্‌চাইক্ল'পিডিয়া', 'মাৰ্ডান্-ইণ্টাৰ্‌ভিউ', 'হু'জ্ হু ফৰ্ কেৰিয়াৰ্ চিকাৰ্‌চ্' আদি প্ৰতিযোগিতামূলক পৰীক্ষা বাৰু ইণ্টাৰভিউৰ কিতাপবোৰ বিশৃঙ্খল, ধূলাকীৰ্ণ হৈ পৰি থাকে। নলিনীয়ে সেইবোৰলৈ চাই কয়, "এই আপদবোৰ পইছা ভাঙি পাণবজাৰৰ দোকানৰ পৰা আনি আমাৰ টেবুল অশুৱনি কৰি ৰাখিবলৈ আমাক যে কিহে পাইছিল।"

নলিনীয়ে এনে এটি মন্তব্য দিয়াত মই উৎসাহিত হ'লোঁ। মই তৎক্ষনাৎ প্ৰস্তাৱ দিলোঁ, "তেন্তে এইবোৰ এতিয়াই বেচি পেলাম নেকি?

মোৰোতো ভাব, সুস্থ মস্তিষ্কৰে আমি নিশ্চয় প্ৰতিযোগিতামূলক পৰীক্ষা দি চৰকাৰী চাকৰি লোৱাৰ কথা ভবা নাছিলোঁ।"

নলিনীয়ে মোৰ কথাত সমৰ্থন জনোৱাত মই ল'ৰাটোক ততালিকে মাতি আনি 'কেৰিয়াৰ্চ্ এণ্ড্ কোৰ্চেছ্' আলোচনীবোৰ আৰু এই কিতাপবোৰ গেলামালৰ দোকানত কিলোগ্ৰামৰ হিচাবত বেচিবলৈ পঠিয়াই দিলোঁ।

ইয়াৰ পিছত দুয়োৰে মন বৰ পাতল লাগিল। দুয়োৰে মূৰৰ পৰা যেন দুটি ডাঙৰ বোজা আঁতৰিল। এটি স্বস্তিৰ নিশ্বাস পেলাই নলিনীয়ে ক'লে, "এই কামটোতো এতিয়া বাদ দিলোঁ। এম্. এ. পঢ়ি থকা সময়ত দুয়োৰে দেখোন ৰিচাৰ্চ কৰাৰ কথা খুব আলোচনা কৰিছিলোঁ। কৰিবি নেকি নহ'লে, ৰিচাৰ্চকেই ?"

নলিনীৰ প্ৰশ্নৰ মই তৎক্ষণাৎ উত্তৰ দিবলৈ টান পাওঁ। কিবা এটি বিষয়ৰ ওপৰত গৱেষণা কৰি পণ্ডিত হোৱাৰ ধাউতি এটা নোহোৱা নহয়। কিন্তু তাৰ বাবেও যি অধ্যৱসায়, একাগ্ৰতা, ধৈৰ্য্য আদি গুণাৱলীৰ প্ৰয়োজন হ'ব, সেইবোৰ জানো আমি এতিয়া নতুনকৈ লাভ কৰিব পাৰিম ? মই নিৰুৎসাহেৰে ক'লোঁ, "নাই অ', এনেবোৰ কাম যে আমি কৰিব নোৱাৰোঁ, মোৰ চোন তেনে ধাৰণা হয়।"

নলিনীয়ে ক'লে, "আৰে! মানুহে মন কৰিলে কৰিব নোৱাৰা কাম কি আছে ? তই বিশ্ববিদ্যালয়ত পঢ়োঁতে ভাৰ্জিনিয়া উল্ফক দেখোন বৰ ভাল পাৱ বুলি কৈছিলি। ভাৰ্জিনিয়া উল্ফৰ ওপৰতেই গৱেষণা আৰম্ভ কৰি দে। মোৰোতো বিশ্ববিদ্যালয়ত পঢ়া দিনৰে পৰাই ফাৰ-ইষ্ট্ এচিয়ান্ কণ্ট্ৰিজ্বোৰত ডেম'ক্ৰেচি কেনেদৰে চলিছে, তাৰ ওপৰত গৱেষণা চলোৱাৰ ইচ্ছা আছিল। ময়ো তাতেই লাগি যাওঁ।

মই নলিনীক বিষণ্ণ মনেৰে কলোঁ, "তই এতিয়া বিশ্ববিদ্যালয়ত গৈ অধ্যাপনা আৰম্ভ কৰিবি। তই এটি নতুন জীৱন পাবি। তোৰ বাবে গতিকে গৱেষণা হয়তো সম্ভৱ হ'ব। কিন্তু মইতো একেটা চাকৰিতে এনেদৰে থাকি থাকি বুঢ়া হৈ যাম। গৱেষণা মোৰ দ্বাৰা সম্ভৱ নহয়, নলিনী।"

নলিনীয়ে মোৰ পিঠিত এটি চাপৰ মাৰি থিয় হ'ল আৰু ক'লে, "সেইবোৰ নহ'ব। আজি গধূলি পাণবজাৰলৈ দুয়ো কিতাপ কিনিবলৈ যাম। তই কিনিবি তোৰ গৱেষণাৰ বাবে ভাৰ্জিনিয়া উল্ফৰ কিতাপ ; আৰু মই কিনিম, ফাৰ্ ইষ্ট্ এচিয়ান্ কাণ্ট্ৰিজৰ ডেম'ক্ৰেচিৰ ওপৰত লিখা কিতাপবোৰ। Agreed ?"

হঠাৎ তাৰ উৎসাহত ময়ো উৎসাহিত কৈ উঠোঁ, "Yes. Agreed."

ইয়াৰ পিছত দুয়ো পিছপিনৰ পুখুৰীৰ পাৰৰ গছজুপিৰ তলত বহোঁগৈ। গৰমকালিৰ তেতিয়া এজাক পাতল বতাহ খৰ গতিত বলি আছিল। সেই বতাহে পুখুৰীৰ পানীত এটি মৃদু কম্পনৰ সৃষ্টি কৰিছিল। নলিনীয়ে এটি মুখৰ বতাহেৰে ফুলাই তোলা ধোঁৱা বৰণীয়া বেলুন পুখুৰীৰ পানীত উটাই দিলে আৰু কৈ উঠিল, "এয়া কুন্তলা। তাইক মই আজি এই বিসৰ্জ্জন দিলোঁ।"

নলিনীৰ কথা শুনি মোৰ হাঁহি উঠিল। মই ক'লোঁ, "হেৰ বলিয়া। তোৰ কুন্তলাক বিসৰ্জ্জন দিবলৈ এতিয়াও বাকী আছিলনেকি? তই দেখোন কাহানিবাই পাণবজাৰ, ফাঁচী বজাৰৰ অগণন ব্যস্ত জনতাক সাক্ষী ৰাখি কুন্তলাক ত্যাগ কৰিছিলি?"

নলিনীয়ে ক'লে, "তই ভুল বুজিছ, বেদান্ত। কুন্তলাক ত্যাগ কৰি মনে মনে দৃঢ় প্ৰতিজ্ঞা কৰিছিলোঁ, মোৰ এই অন্তৰত আৰু কেতিয়াও কোনো ছোৱালীক স্থান নিদিওঁ। কিন্তু এতিয়া দেখিছোঁ, দৃশ্যাই দেখোন ইতিমধ্যেই মোৰ অন্তৰ দখল কৰি বহিছে। গতিকে সকলোবোৰ কথা এবাৰ পুনৰ-বিচাৰ কৰি চাবলগীয়া হৈছে—revise কৰি চাবলগীয়া হৈছে। দৃশ্যাৰ যদি মই প্ৰেমত পৰি যাবলগীয়া হয়, আৰু তেওঁৰ প্ৰেমত পৰি থকা সময়তে পুনৰ কুন্তলায়ো আহি যদি মোক পূৰ্ব্ব প্ৰতিশ্ৰুতিৰ দোহাই দি হেঁচা মাৰি ধৰে, তেতিয়া কি কৰিম?" কথাখিনি কৈয়েই আৰু এটি সম্পূৰ্ণকৈ ফুলাই তোলা নীলা বেলুন সি পানীত পেলাই দিলে। তাৰ পিছত ক'লে, "গতিকে ভবিষ্যতে মোৰ এনে সমস্যা আহি পৰিবলৈ ভয় আছে নে নাই, তাৰ এতিয়া বিচাৰ হ'ব। এই নীলা বেলুনটো দৃশ্যা চেটাৰ্জ্জী বুলি ধৰ। ই যদি উটি উটি গৈ পুখুৰীৰ কোনোবাখিনিত আগৰ ধোঁৱাবৰণীয়া বেলুনটোৰ লগ লাগে, তেন্তে মোৰ ভবিষ্যতে কুন্তলাই আহি সৰ্ব্বনাশ কৰিব। আৰু তেনে হ'লে, দৃশ্যাৰ প্ৰেমত মই নিৰাপদে আগুৱাই যাব নোৱাৰিম।"

নলিনীৰ এই ন'ৰামতীয়া কাণ্ড দেখি মোৰ প্ৰথমতে হাঁহি উঠিছিল। কিন্তু তথাপি মই আমোদ পালোঁ নলিনীৰ এই ভাগ্যৰ খেলাত। মই বেলুন দুটিৰ পিনে চাই পঠিয়ালোঁ। ধোঁৱাবৰণীয়া কুন্তলা নামৰ বেলুনটি ইতিমধ্যেই ঢৌত ভাঁহি ভাঁহি গৈ পুখুৰীৰ মাজ পাইছে। ইটো বেলুন পুখুৰীৰ পাৰৰ কাষতেই বৈ আছে। দুয়ো বেলুন দুটালৈ চাই ৰ'লোঁ। ইতিমধ্যে বতাহৰ সোঁত সলনি হোৱাত পানীৰ মাজৰ ধোঁৱাবৰণীয়া বেলুনটি

সোঁফাললৈ ঘূৰিল। আৰু ইপিনে পুখুৰীৰ প াৰ কাষৰ পানীৰ নীলা বেলুনটিও সেই একে দিশে গতি কৰিলে। বতাহ জাক পাতল আছিল বাবে, বেলুন দুটি সমান্তৰালভাবে ইটোৰ পৰা যিটো এক স্থিৰ দূৰত্বত থাকি অতি মন্থৰ গতিত আমাৰ সোঁফাললৈ গৈ থাকিল। আমি তেনেকৈ কিছুসময় বহি বেলুন দুটিলৈ চাই থকাৰ পিছত নলিনীয়ে, বিৰক্ত হৈ কৈ উঠিল, "আহ, গুচি আহ। ইমান ধীৰ গতিত সিহঁত গৈ থাকিলে কেতিয়া সিহঁত লগ লাগিব বা নলগাকৈ গৈ সিপাৰ পাব তাৰ ঠিক তাই। অনিশ্চিত কথা এটাৰ বাবে কোনে বৈ থাকে।"

সি মোক তাৰ পৰা টানি আনিছিল। ইয়াৰ পিছত আমি দুয়োৰে আমাৰ গৱেষণাৰ বাবে কিতাপ কিনিবলৈ পাণবজাৰলৈ যাওঁ। বাটত দুয়োৰে বিষয়-বস্তু দুটাৰ নামাকৰণ থিৰ কৰি লওঁ। মোৰ বিষয়টোৰ নাম হ'ব, 'ভাৰ্জিনিয়া উল্‌ফ্‌ এজ্‌ এ পোৱেটিক্‌ নভেলিষ্ট' আৰু তাৰ বিষয়টোৰ নাম হ'ব, 'ৰকিং অৱ্‌ ডেম'ক্ৰেচি ইন্‌ ডি ফাৰ্‌ ইষ্ট্‌ এচিয়ান্‌ কাণ্ট্ৰিজ্‌।' পিছদিনা ৰিচাৰ্চৰ 'গাইড্‌' স্থিৰ কৰিবলৈ দুয়ো বিশ্ববিদ্যালয়লৈ দুজন আমাৰ নিজৰ নিজৰ বিষয়ৰ পণ্ডিতক লগ ধৰা ঠিক কৰোঁ।

পাণবজাৰত গৈ বৰ বেচি কিতাপ সিও নাপায়, ময়ো নাপাওঁ। যি দুই এখন পাওঁ তাকেই কিনি ঘৰ চাপোঁ।

ইয়াৰ দুদিন পিছত আমি ভুবনেশ্বৰীৰ শৃঙ্গলৈ ওলাই যাওঁ। তীৰ্থযাত্ৰাৰ বাবে নহয়। ভুবনেশ্বৰীৰ নিৰলাত বহি বিয়লিৰ বঙা ৰ'দত গুৱাহাটীৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈহে। এই দুদিনৰ ভিতৰত সি দৃশ্যাহঁতৰ তাত আৰু এবাৰ গৈ আহিছে। দৃশ্যাক এৰি যাবলৈ সি হেনো বৰ টান পাইছে। এই গুৱাহাটীখন এৰি যাবলৈ সি হেনো টান পাইছে। "কেনে ধুনীয়া এই গুৱাহাটীখন। প্ৰতিদিনে, প্ৰতিক্ষণে একো একোটা নতুন ৰূপ এই চহৰীৰ। বল চোন। বল চোন, ভুবনেশ্বৰীৰ শৃঙ্গৰ পৰা শেষবাৰৰ বাবে চাই লওঁ মোৰ এই ৰূপনগৰীৰ ৰূপ।" তাৰ প্ৰস্তাৱত মই মান্তি হৈছিলোঁ। চাৰিমান বজাতে দুয়ো ওলাই গৈছিলোঁ কামাখ্যা অভিমুখে। কালিপুৰ আশ্ৰমৰ সুৰসুৰীয়া শিলাপথটোৰে আমি ভুবনেশ্বৰীৰ টিঙলৈ উঠি যাব ধৰিছিলোঁ। বাৰিষাৰ জিপ পাই গা কৰি উঠা দুয়োকাষৰৰ বন-লতিকাবোৰৰ মাজে মাজে নীলাচল পাহাৰৰ সেই সুংলুঙীয়া বাটটিৰে আমি দুয়ো উধাই গৈ আছিলোঁ। সেউজীয়া বননিৰ ফাঁকেদি মাজে মাজে বিশাল ব্ৰহ্মপুত্ৰৰ দুৰ্ব্বাৰ স্ৰোতময় ৰূপালী বুকুখন আমাৰ

চকুত পৰিলে আমি বৈ চাইছিলোঁ সেই তাণ্ডৱ ৰূপ। "এই পৰিবেশত, এই অতুলনীয়, অবৰ্ণনীয়, সুন্দৰ পৰিবেশত মোৰ লগত আজি দৃশ্যা থকা হ'লে!" নলিনীয়ে কৈছিল। মই একো মাত নাছিলোঁ। সি পুনৰ কৈছিল, "কিয় জানো বেদান্ত, মোৰ লাহে লাহে অনুভৱ হৈ আহিব ধৰিছে, মই যেন দৃশ্যাৰ পৰা আৰু বিচ্ছিন্ন হৈ থকা সম্ভৱ নহয়। দৃশ্যা আৰু মোৰ মাজত মই যেন কিবা এক নিৰবচ্ছিন্ন আধ্যাত্মিক সাদৃশ্য অনুভৱ কৰিছোঁ। আজিৰ এই নিৰল, নিজান, সুন্দৰ পৰিবেশৰ মাজত সোমাই মই উপলব্ধি কৰিলোঁ, মই যেন মোৰ চতুৰ্দ্দিশে, মোৰ শৰীৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে, মোৰ অন্তৰৰ তন্ত্ৰীয়ে তন্ত্ৰীয়ে তেওঁৰেই অৱস্থিতি অনুভৱ কৰিছোঁ।"

মই তথাপি নীৰৱে আছিলোঁ। গহন প্ৰকৃতিৰ এই গহীন ৰূপে মোক একালে যেনেকৈ মূক কৰি তুলিছিল আনফালে তেনেকৈ এই অদৃষ্টপূৰ্ব্ব পৰিবেশৰ উপভোগৰ ভাগ কাৰোবাক দিবলৈ উন্মাউল হৈ উঠিছিলোঁ। মই তাক ক'লোঁ, "এৰা, দৃশ্যা এতিয়া এই অপূৰ্ব্ব দৃশ্যৰ মাজত তোৰ লগত থকাহেঁতেন, কেনে যে লাগিলহেঁতেন সচাঁকৈয়ে!"

"আৰু তোৰ লগতো যদি ইলা থাকিলহেঁতেন!" সি কলে।

মই তাক ক'লোঁ, "মোক আৰু তেনেকৈ নেজোকাবি। কেনে যে ভাল ছোৱালী আছিল ইলাজনী। পঢ়াক লৈয়েই তেওঁ, জীৱনৰ গঢ়নকালত নিজক গঢ়িবলৈকেই তেওঁ, ব্যস্ত হৈছিল। তাৰ বাবেই তেওঁ মোৰ সাহায্যৰ প্ৰয়োজন বোধ কৰিছিল। প্ৰয়োজন যেতিয়া শেষ হৈ গ'ল, তেতিয়া তেওঁ তেনেই জ্ঞানীজনীৰ দৰে অৱসৰ ললে। মোৰ তাত আহি, আৱশ্যক নোহোৱাতো শক্তি আৰু সময় অপচয় কৰাৰ দুৰ্ম্মতি তেওঁৰ হ'ব কেলৈ? কোন ভাল ছোৱালীয়েই বা সেইটো কৰিব। মাথোঁ তেওঁক বুজিব নোৱাৰি মই এক মুৰ্খৰ স্বৰ্গ ৰচিছিলোঁ। তেওঁৰ সৎ অভিপ্ৰায় এটিক আশ্ৰয় কৰি মই মই মোৰ বলিয়া প্ৰকৃতিটোক নিচুকাইছিলোঁ। তেওঁৰ প্ৰগতিবাদী দেউতাকৰ প্ৰগতিশীল মনোভাবৰ নিৰ্জ্জু প্ৰকাশবোৰক মই মোৰ মূৰ্খালিৰ কুৎচ ৰঙেৰে ৰঙাই কেনে বিকৃত ৰূপ যে দিছিলোঁ। ইলাৰ কথা আৰু নকবি, নলিনী। তেওঁ ভাল ছোৱালী এজনী হৈয়েই মোৰ জীৱনলৈ আহিছিল, তেনেই ভাল ছোৱালীজনীৰ দৰেই আঁতৰি গ'ল গৈ।"

উমাচল আশ্ৰম এৰাই গৈ আমি ইতিমধ্যে ভুৱনেশ্বৰীৰ টিঙলৈ উঠি যোৱা থিয় ৰাস্তাটিৰে গৈ এডোখৰ সেউজীয়া বননিৰে আবৃত সমতল পাইছিলোঁ গৈ। তাৰ পৰা সি মোক পশ্চিমৰ লুইতখনলৈ আঙুলিয়াই দিলে। বেলি তেতিয়া মাৰ যাবলৈ ধৰিছে। অস্তগামী সূৰ্য্যৰ শেষ,

নিস্তেজ পোহৰৰ ৰক্তিম ৰশ্মি লুইতৰ পানীত পৰি গোটেই লুইতখন সেন্দুৰীয়া হৈ উঠিছে। লুইতৰ সেউজীয়া ৰংটোৱে মোৰ মনত কেনে যেন প্ৰতিক্ৰিয়া কৰিছিল! মই শান্তি নাপাইছিলোঁ সেই দৃশ্যটোতো। আমি ওপৰলৈ উঠি গৈ আছিলোঁ।

আমি যেতিয়া ভুৱনেশ্বৰীৰ শৃঙ্গত উঠি মন্দিৰৰ পিছপিনৰ এডোখৰ শিলত বহি লওঁ, তেতিয়া বেলি মাৰ গৈছে। আমাৰ চতুৰ্দ্দিশ নিৰ্জ্জনতাই আৰু এক নিস্তেজ পোহৰে গম্ভীৰ কৰি তুলিছে। শিলটোত বহি লৈয়েই নলিনীয়ে তলৰ গুৱাহাটীখনলৈ চাই পঠিয়ালে। লাইটবোৰ তেতিয়াও জ্বলি উঠা নাই। এক ধূসৰ উদাস সান্ধ্য পৰিবেশৰ মাজত গুৱাহাটীৰ অলেখ গছ-গছনিৰ মাজে মাজে দেখা পোৱা ঘৰ-বাৰীবোৰ, ৰাজ-আলিবোৰ শান্ত, নীৰৱ হৈ যেন পৰি আছে। নলিনীয়ে, ক'লে, "কেনে ধুনীয়া, কেনে ৰমণীয় এই চহৰখনি, চা চোন। সৌ সুন্দৰ চহৰখনিৰ বুকুতে, সৌ মোৰ ৰূপনগৰীৰ বুকুৰ কোনোবা খিনিতে, দশ্যু নাছে জানোঁ? এতিয়া এনে সময়ত কি জানো কৰি আছে দৃশ্যাই সৌ ৰহস্যময় পৰিবেশটিত!" কিছু সময় নলিনী নীৰৱ হৈ পৰিছিল। কিন্তু ক্ষন্তেক পিছতে সি পুনৰ কৈ উঠিল, "শুন বেদান্ত! এই মুহূৰ্ত্তত মোৰ ভাব হ'ল, মই এৰি যাব নোৱাৰেঁা এই চহৰখন। এই চহৰখনৰ প্ৰতিটি ধূলিকণাই যেন মোৰ পৰিচিত। সিহঁতৰ সকলোৱে মোক ভাল পাইছিল। মোৰ মনৰ চৰম নিঃসহায় অৱস্থাত সহানুভূতি দেখুৱাই মোক এইখিনিলৈকে সিহঁত সকলোৱে আগুৱাই দিছিল। মই সিহঁত কাকোৱেই এতিয়া এৰি যাবলৈ অক্ষম।"

মই তাক ক'লোঁ, "সেইবোৰ তই কি কৈ আছ? ভালকৈ বহি জিৰণি ল। আমাৰ লাহে লাহে নামিবৰ হ'ব। উঠি অহা ভাগৰখিনি পলুৱাই ল।"

সি এইবাৰ মন্দিৰৰ মুৱা হৈ বহি মোৰ পিনে চালে। তাৰ চকু বোধহয় ভুৱনেশ্বৰীৰ মন্দিৰৰ শিলা প্ৰাচীৰত চকমাটি আৰু এঙাৰেৰে লিখা থকা অসংখ্য যুটীয়া নামবোৰৰ ওপৰত পৰিছিল। সি ক'লে, "এই সময়ত যদি মোৰ লগত দৃশ্যা থাকিলহেঁতেন, তেন্তে আমিওতো কিজানি আমাৰ যুগমনাম সৌ প্ৰাচীন দেৱী মন্দিৰৰ বেৰত লিখি থৈ গ'লোঁহেঁতেন!" হঠাৎ সি আগুৱাই গ'ল মন্দিৰৰ বেৰলৈ। তাৰে এটি যুগমনামত তাৰ চকু থিৰ হ'ল। সি মোক মাতিলে, "বেদান্ত, বেদান্ত, আহচোন, ইয়ালৈ আহ। ৰহস্য বোধহয় আজি ভেদ কৰিলোঁ। এদিন

গধূলিৰ আন্ধাৰত ৰহস্যময়ী মানসপ্ৰভাই মোৰ আগত দাঙি ধৰা তেওঁৰ জীৱনৰ সাঁথৰ ভঙ্গ কৰাত আজি এই গধূলি তই মোক সহায় কৰি দে।" মই তাৰ ওচৰলৈ গ'লোঁ এটি কৌতূহল লৈ। সি বেৰলৈ আঙুলিয়াই দেখুৱালত মোৰ চকুত পৰিল, তাত এনেদৰে লিখা আছে, 'মানসপ্ৰভা-কে. ডি.'। নলিনীয়ে এটি উত্তেজিত অৱস্থাতে মোক বুজাই দিলে, "মানসপ্ৰভা আৰু কুলদাস। কুলদাস বিলাতলৈ যোৱাৰ আগ মুহূৰ্তত হয়তো ইয়াতে এই যুগমস্বাক্ষৰ এৰি থৈ গৈছে। মনৰ সৰলতাৰ অভাৱত কুলদাসে হয়তো তেওঁৰ নাম সম্পূৰ্ণভাবে লিখিব নোৱাৰি মানসপ্ৰভাক দান কৰা এটি ডিগ্ৰীৰ দৰে তেওঁৰ স্বাক্ষৰ এৰি গ'ল, মানসপ্ৰভাৰ গাত।" সি মোৰ আগত এই ব্যাখ্যা কৰাৰ লগে লগে মোৰ মনত পৰিল, এদিন গধূলিৰ আন্ধাৰত মানসপ্ৰভাই নলিনীক কোৱা সাঁথৰ সাঁথৰ লগা সেই কথাষাৰি, 'মই কাকো ফাঁকি দিব নোৱাৰোঁ।'"

নলিনী ইতিমধ্যে মন্দিৰৰ ওচৰৰ পৰা আঁতৰি গৈ দীঘল শিল এচটাত শুই পৰিছিল। তেতিয়া আমাৰ চতুৰ্দিশে গধূলিৰ পাতল আন্ধাৰ। আকাশত পাতল তৰাবোৰ। নলিনীয়ে চিত হৈ সন্ধিয়াৰ আকাশৰ পিনে চাই চাই একান্ত মনে সৰু সৰু কৈ গাইছিল, "Now more than ever seems it reach to die. To cease upon the midnight and be no more...." মই নলিনীক ক'লোঁ, "উঠ, নলিনী। আমি উভতোঁ বল। গুৱাহাটী গৈ পাওঁ মানে ৰাতি যথেষ্ট হ'ব। আমিতো মটৰ ৰ'ডটোৰেহে খোজ কাঢ়ি কাঢ়ি নামি যাম।"

মোৰ কথাত নলিনী থপকৈ উঠিল আৰু উভতি যাবলৈ উদ্যত হ'ল। মই শেষবাৰৰ বাবে ভুৱনেশ্বৰীৰ টিঙৰ পৰা নামনিলৈ চাই পঠিয়ালোঁ। পৰিকল্পনাহীন গুৱাহাটী নগৰীৰ যেনি তেনি জ্বলি উঠা গধূলিৰ বিজুলী বাঁতিবোৰ দেখি মোৰ মুখৰ পৰা ওলাই আহিল, "সৌ গুৱাহাটীখনলৈ চা চোন। সৌখনো এখন আকাশ—মানুহৰ পৰিকল্পনাই ঢুকি নোপোৱা অলেখ তৰাৰে ভৰা অন্য এক আকাশ।" নলিনীয়ে খন্তেক ৰৈ নামনিৰ গুৱাহাটীলৈ চাই পঠিয়াই পুনৰ আগুৱাই গৈছিল দ্ৰুতগতিত। মটৰ ৰ'ডটোত উঠাৰ পিছতেই সুপৰিকল্পিত ৰেলৱে চহৰ মালিগাওঁখনিৰ শাৰী শাৰীকৈ জ্বলি উঠা বিজুলী বন্তিবোৰলৈ মোৰ চকু গৈছিল। মই পুনৰ ক'লোঁ, "আৰু সৌ মালিগাওঁখন—সেইখন এখন ৰাতিৰ ফুলনি। মানুহৰ পৰিকল্পনা আৰু অভিৰুচিৰে শাৰীৰে শাৰীকৈ ফুল ৰুই বিতোপন কৰি তোলা অন্য এক ফুলনি।"

মোৰ কথাষৈ নলিনীৰ তেতিয়া কিন্তু কোনো ভ্ৰুক্ষেপ নাছিল। তাৰ খোজ ক্ৰমে ক্ৰমে খৰ হৈছিল। কামাখ্যা পোৱাৰ লগে লগে আমি গুৱাহাটীলৈ যাবলৈ সাজু হৈ থকা টেক্সী এখন পালো। নলিনী তাতে উঠি লৈ মোকো উঠিবলৈ ক'লে। ফাঁচী বজাৰত টেক্সী এৰি আমি চিটি বাচত উঠিলোঁ।

আমি উভতি আহি দেখোঁ, ভাত খাবলৈ হৈছেই। ইমান সোনকালে ভাত ৰন্ধা বাবে নলিনীয়ে ন'ৰাটোক ধমক দিলে। মই ভাত হৈছেই যেতিয়া খাই লোৱাই উচিত হ'ব বুলি নলিনীক বুজাই দুয়ো ভাত খাই লওঁ। ভাত খাই নলিনীৰ কোঠাৰ চকীখনত বহিছোঁহে মাথোন, সি উঠি গৈ তাৰ বিছনাৰ তলৰ ট্ৰাঙ্কটোৰ পৰা এটি ট্ৰিপুল ক্ৰাউন ব্ৰাণ্ডীৰ বটল উলিয়াই আনি মোৰ চকুৰ আগত দাঙি ধৰিলে। সি ক'লে, " 'অদ্ভুত যত ভূতেৰ গল্প' পঢ়া শেষ হ'ল। তাৰ পিছত কি কৰিবি? উত্তেজনাশূন্য এটি মুহূৰ্ত্তও আমিতো কটাই দিবলৈ অক্ষম। এই কথা উপলব্ধি কৰিয়েই, উত্তেজনাৰ, চাঞ্চল্যৰ নিৰন্তৰ উৎস এই বটলটি কালি যোগাৰ কৰি আনিছোঁ।" কথাখিনি কৈয়েই সি ভাত খাই উঠাৰ পিছতে লৈ অহা কাচৰ গিলাচ দুটিৰ এটিত গিলাচটিৰ এক চতুৰ্থাংশ পূৰ হোৱাকৈ মদ ঢালি দিলে। তাৰ পিছত আন এটি গিলাচ তাৰ ওচৰলৈ টানি নি সেই গোটেই গিলাচটো মদেৰে পূৰ কৰি ললে। মদেৰে পূৰ্ণ গিলাচটোত সোহা এটা মাৰি সি মোক ক'লে, "ল তয়ো, সিটো গিলাচ। তোক কমকৈ দিছোঁ। ভয় নকৰিবি। এই যুগত মানুহৰ দৰে জীয়াই থাকিবলৈ এয়েই একমাত্ৰ পন্থা। এই অস্থিৰ, অশান্ত যুগৰ এই দোদুল্যমান পৰিৱেশত উত্তেজনাহীনভাবে, অচঞ্চল হৈ তই জানো জীয়াই থকাৰ কথা ভাবিব পাৰ?" সি তাৰ পূৰ্ণ গিলাচটোৰ পৰা আৰু এঢোক খালে। আৰু তাৰ পিছত মোকো খাবলৈ ইঙ্গিত দি মোৰ এক চতুৰ্থাংশ ভৰা গিলাচটো মোলৈ আগবঢ়াই দিলে। মদ মই আগতে স্পৰ্শ নকৰা নহয়। স্বাদ লোৱাৰ ইচ্ছাত আগতে আৰু দুবাৰ মান ইয়াতকৈ অতি কম মাত্ৰাত বিশ্ববিদ্যালয়ৰ হষ্টেলত এজন সহপাঠী বন্ধুৰ কোঠাত খাই চাইছিলোঁ। সেই বাবে সংকোচ আৰু দ্বিধা থকা স্বত্বেও মই মোৰ গিলাচটো তুলি লৈ এঢোক গিলি পেলালোঁ। ইতিমধ্যে নলিনীলৈ চাই দেখিলোঁ, সি এটি দীঘলীয়া ঢোক মাৰি তাৰ গোটেই গিলাচ মদ শেষ কৰিলে আৰু বটলটোৰ পৰা পুনৰ আধা গিলাচ মদ ঢালি লৈ সেইখিনিও খোৱাত লাগি গ'ল। সেইখিনি সি খাই শেষ কৰে মানে ময়ো মোৰ গিলাচৰ মদ খিনি শেষ কৰিলোঁ।

মদ খোৱা শেষ কৰি কিছু সময় সি মনে মনে আছিল। তাৰ পিচত ক'লে, "আজি তোক বহুত আমনি দিলোঁ নহয়? বেয়া নেপাবি। আৰু তো এনেকৈ আমনি দিবলৈ নাহোঁ তোক।" মই তাৰ চকুৰ পিনে চাই দেখিলোঁ, তাৰ চকুযুৰি তেতিয়া ভয় লগাকৈ ৰঙা হৈ উঠিছে। মই তাক শুব ক'লোঁ। কিন্তু সি চেক্ চেকাই হাঁহি উঠিল। বহুতো সময়লৈ সি হাঁহিয়েই থাকিল। তাৰ পিছত তাৰ বক্তৃতা আৰম্ভ হ'ল: "মূৰ্খৰ মুখত দৰ্শনৰ বক্তৃতা নুশুনে., বুজিছ? তই এক মুৰ্খ, বেদান্ত। কাৰণ, তই এজনী ছোৱালী তোৰ প্ৰয়োজন অনুসৰি তোৰ ওচৰলৈ অহা বা নহাৰ দৰে সাধাৰণ কথা একোটাতেই খং কৰ—মনৰ সমতা হেৰুৱাই পেলাব। অৰ্থাৎ তই প্ৰেম আৰু বিবাহৰ দৰে একোটা সাধাৰণ কথাক লৈয়ে ব্যস্ত। অৰ্থাৎ তই এটা প্ৰথম শ্ৰেণীৰ মূৰ্খ—a first class fool। আৰু মই? মই এতিয়া মাত্ৰ প্ৰেম আৰু ঘৃণাৰ ওপৰতেই নহয়; মই এতিয়া প্ৰেম আৰু বিবাহৰো বহু ওপৰত। এজনী ছোৱালীতকৈ, এজনী ছোৱালীৰ সৈতে বিবৰহিত এটি জীৱনতকৈ ট্ৰিপুল ক্ৰাউন ব্ৰেণ্ডী বা থ্ৰি এক্স্ ৰামৰ সৈতে বিবাহিত এটি জীৱন বহুত ভাল। Wine is far better than woman, Bedanta. It gives solace to your mind and balms your wounds in the heart—besides the fact that it never betrays you. গতিকে হে নাৰী, হে বিয়া, বিদায়। মোৰ অপমানিত, লাঞ্ছিত আৰু ব্যৰ্থতাৰ গ্লানিৰে ম্লান মুখ কোনো আধুনিকা গাভৰুৰ লিপষ্টিকৰ ৰঙেৰে ৰক্তিম ওঠৰ লালিমাই আৰু পৰিষ্কাৰ কৰি দিব নোৱাৰে। এতিয়াৰ পৰা এই কালিমা, এই গ্লানি দূৰ কৰিব একমাত্ৰ এক উচ্ছল, উদ্দাম জীৱনৰ ফেনিল বাসনাই।

"আজি মোৰ মন পৱিত্ৰ হৈ গৈছে, বেদান্ত। মন পৱিত্ৰ হৈছে বুলিয়েই মই তোক তোৰ real light অত দেখা পাইছোঁ—তই এটা মূৰ্খ। আৰু মোৰ মন পৱিত্ৰ হৈছে বুলিয়েই—এই চা, এই চা, এইবোৰ কি?" সি তাৰ 'বেড ক'ভাৰ্' খনৰ 'ডিজাইন্' বোৰলৈ আঙুলিয়াই দি প্ৰশ্ন কৰে। সি কয়, "তই কবি—এইবোৰ ফুল। কাৰণ তোৰ মন অপৱিত্ৰ, তই মূৰ্খ। এইবোৰ ফুল নহয়, মোৰ বিছনাত এইবোৰ ফুল বুলি কেতিয়াও ভুল নকৰিবি। এইবোৰ সাপৰ মূৰ। মোক খাবলৈ, মোক দংশন কৰিবলৈ ফণা মেলি উঠা এইবোৰ সাপৰ মূৰ, সাপৰ মুখ—এইবোৰ মানসপ্ৰভাৰ মূৰ, মানসপ্ৰভাৰ মুখ, কুন্তলাৰ মুখ, দেৱিকাৰ মুখ, কমলিনীৰ মুখ। মোক খাবলৈ মোক দংশন কৰিবলৈ ফণা তুলি উঠা সাপৰ মূৰ, সাপৰ মুখ।

ইহঁতে মোক খায়, মোক ৰক্ষা কৰ বেদান্ত, মোৰ ৰক্ষা কৰ।" সি চলং চপংকৈ মোৰ ওচৰলৈ লৰি আহিব খুজিছিল। সি যি ধৰণে চিঞৰিবলৈ আৰম্ভ কৰিছিল, তাতেই মই ভয় পাই গৈছিলোঁ। এতিয়া আকৌ উঠি মোৰ পিনে লৰি আহিব খোজাত সি পৰি যায় বুলি মোৰ বেচি ভয় হ'ল। মই উঠি গৈ তাক ধৰিলোঁ আৰু জোৰকৈ টানি নি তাক বিছনাত শুৱাই দিব খুজিলোঁ। কিন্তু সি কোনোমতে শুব নোখোজে। সি কয়, "তই কি কৰ? তোক বন্ধু বুলি মই ৰক্ষা কৰিবলৈ কলোঁ মোক; তই আকৌ মোক সেই সাপবোৰৰ মাজত শুৱাই দিয়?" কিন্তু তাক যেতিয়া বিছনাত বগৰাই ধৰি থাকিলোঁ কিছু সময়লৈ, তাৰ পিছত কেই মিনিট মানৰ বাবে উচপিচাই থাকি সি লাহে লাহে শান্ত হৈ পৰিল।

তাৰ পিছত সি কবলৈ আৰম্ভ কৰিলে, "উঃ! কি আৰাম! তই মানুহ নহয়, বেদান্ত। তই এক দেৱতা, a God. যাক মই সাপ বুলি ভাবিছিলোঁ, যি মোক ফণা মেলি দংশন কৰিবলৈ ওলাইছিল, সেয়েই তোৰ দৈৱিক প্ৰভাৱত ফুল হৈ পৰিল নিমিষতে। মোৰ বিছনাত এয়া চব ফুল, বেদান্ত। কি আচৰিত, যিবোৰ অলপ আগতে ফুল আছিল, সেয়েই সাপ হৈ উঠি ফণা মেলি উঠিল; আৰু সেয়েই আকৌ ফুল হৈ ফুলি উঠিল মোৰ চতুৰ্দ্দিশে। ইহঁতৰ মহিমা আমি একোৱেই নুবুজোঁ, বেদান্ত। দৃশ্যা, মানসপ্ৰভা, দেৱিকা, কুন্তলা, কমলিনী—ইহঁতৰ মহিমা আমি একোৱেই নুবুজোঁ। সিহঁত সকলোৱে ফুল আৰু সকলোৱে সাপ। সিহঁত কেতিয়াবা ফুলৰ দৰে, কেতিয়াবা সাপৰ দৰে। আৰু আচৰিত কথা এইয়েই যে কেতিয়াবা সিহঁতেই আকৌ এটি দূৰণিৰ মধুৰ সুৰৰ দৰে আমাৰ অন্তৰত বাজি উঠি উত্ৰাৱল কৰি তোলে আমাৰ মন-প্ৰাণ।"

নলিনীৰ মাতটো লাহে লাহে ক্ষীণ হৈ আহিছিল। ক্ৰমে ক্ৰমে সি টোপনি যাব ধৰিছিল। মই তাৰ আঠুৱাখন তৰি তাক শুৱাই থৈ লাইটটো নুমাই দি মোৰ কোঠালৈ গ'লোঁ গৈ। বিছনাত বহি লোৱাৰ লগে লগে মোৰো মোৰ জীৱনৰ বাটত লগ পাই অহা সুৰবালা, অনুপমা, সাবিত্ৰী, জৰ্জিয়ানা, ইনি, ইলা—এই আটাইবোৰ ছোৱালীৰ স্মৃতিৰে মনটো আচ্ছন্ন হৈ পৰিল। কিছু সময়ৰ বাবে মোৰ স্মৃতিৰ আবছায়াত সেই ছোৱালীবোৰৰ ছবি অস্থিৰভাবে কঁপি থাকিল। ক্ৰমে ক্ৰমে সেই স্মৃতিৰ কঁপনি তল পৰিল; আৰু তাৰ ঠাইত ধীৰে ধীৰে আবিৰ্ভূত হ'ল—এখনি মুখ। নিৰ্দ্দোষ, শান্ত, সুন্দৰ এখনি মুখ। এক

সজ জ্ঞানৰ স্পৃহাৰে, এটি সবল মনেৰে মোৰ ওচৰ চাপি, মোৰ অন্তৰত এটি ছন্দায়িত তৰঙ্গৰ, মোৰ মনত পাহৰি পাহৰিও পাহৰি যাব নোৱাৰা এক সুমধুৰ সুৰৰ তেওঁৰ নিজৰে অজ্ঞাতসাৰে সৃষ্টি কৰি থৈ যোৱা ইলা নামৰ এজনী ছোৱালীৰ সেই মুখ।

কিন্তু যাওক। ইলাৰ কথা আৰু কিয়? যি সুবাস অনাহূত ভাৱে বতাহত উৰি আহি মোক উন্মনা কৰিলে, আৰু আঁতৰি গ'ল গৈ আপোন-আপুনি সেই একে বতাহতে, তাৰ বাবে দুখ কৰি লাভ কি? ইলাৰ কথা আৰু মনত নেপেলাবৰ চেষ্টা কৰিলোঁ। লাইটটো অফ্ কৰি দি শুই পৰিলোঁ।

তাৰ পিছদিনা নলিনী ডিব্ৰুগড়লৈ যোৱাৰ প্ৰস্তুতিত অতি ব্যস্ত। পুৱা সি তাৰ বন্ধু-বান্ধৱবোৰক মাত দি আহিল গৈ। আবেলি টোপনিৰ পৰা উঠি চাহ টোপা খায়েই সি দৃশ্যাক মাত লগাবলৈ গ'ল। মই ল'ৰাটোক নলিনীৰ বাবে বাচৰ চিট ৰিজাৰ্ভ কৰিবলৈ পঠিয়াই দিলোঁ।

ল'ৰাটোও বাচ ষ্টেছনলৈ যোৱাৰ পিছত ঘৰখন অতি শূন্য হৈ পৰিল। সমগ্ৰ ঘৰখন কিবা এক অদ্ভুত, অসহ্য নিৰ্জ্জনতাই আগুৰি ধৰিলে। মই সেই নিঃৰ্জ্জনতাত, সেই নিঃসঙ্গতাত যেন বুৰ গৈ নিজকে হেৰুৱাই পেলালোঁ।

গোটেই আবেলি আৰু সাজ লাগি ভগা সময়খিনিও মনে মনে তেনেকৈয়েই এটি শিলৰ মূৰ্ত্তিৰ দৰে সেই নিৰ্জ্জনতাত সমাহিত হৈ ৰ'লোঁ। গধূলি প্ৰথমে ল'ৰাটো নলিনীৰ বাবে বাচৰ চিট্ এটি ৰিজাৰ্ভ কৰি উভতি আহিল। মই তাক নলিনীৰ বিছনাৰ কাপোৰবোৰ হোল্ডলত ভৰোৱা কামটোত বাহিৰে বাকীবোৰ টালি-টোপোলা বন্ধা কাম আজি এতিয়াই কৰি শেষ কৰিবলৈ নিৰ্দ্দেশ দিলোঁ। ইয়াৰ কিছু পিছত নলিনী আহি ওঁলালহি।

আহিয়েই সি মিচিকিয়া হাঁহিৰে কৈ উঠিল, "সমুদ্ৰ গুপ্তৰ দিগ্বিজয়ৰ-কৈয়ো ডাঙৰ দিগ্বিজয় এটি আজি কৰি পেলালোঁ, বেদান্ত। এনে এটি দিগ্বিজয় যে তই অনুমানেই কৰিব নোৱাৰিবি।" মই কৌতুহলেৰে নলিন্নীৰ মুখলৈ চালোঁ। সি এক পৰম বিজয়ৰ উল্লাসত তাৰ লং পেণ্টৰ মোনাৰ পৰা দুটি ফটো উলিয়াই মোৰ চকুৰ আগত দাঙি ধৰিলে। আৰক্ষ এখনি সুস্পষ্ট ফটোত ফুলৰ দৰেই স্নিগ্ধ, কোমল এখনি অতীব সুন্দৰ গাভৰুৰ মুখত পূৰ্ণ পুষ্পিত এপাহি ডালিয়া ফুলৰ দৰে এটি হাঁহি। আৰু সিটো ফটোত সম্পূৰ্ণৰূপে উঠা দীৰ্ঘকায়, পাতল দেহাবয়বৰ বঙালী

শাড়ী পিন্ধি থিয় হৈ থকা এক গাভৰুৰ এক নিৰাভৰণ মখ—চকুত এক সুদূৰ পিয়াসী দৃষ্টি—মুখমণ্ডলত এক উদাস বিষণ্ণতা। সেই সুন্দৰ, ৰমণীয় ফটো দুখনিৰ পিনে মই চাই ৰওঁ। দৃশ্যা চেটাৰ্জ্জীৰ সেই ফটো।

ফটোৰ পৰা মূৰ তুলি মই নলিনীৰ পিনে চালোঁ। সি ফটো দুটি মোৰ চকুৰ আগৰ পৰা আঁতৰাই নি ক'লে, "দৃশ্যাৰ আৰু মাকৰ অশেষ আদৰ-সাদৰৰ মাজতে আজিৰ মোৰ বিদায়ৰ পৰিৱেশ আৱেগ-গধুৰ হৈ পৰিছিল। মাকে যেতিয়া খাবলৈ অনেক কিবাকিবি আনি দি আঁতৰি গৈছিল, তেতিয়া মই সদায়ে কৰাৰ দৰে প্ৰতিটো বস্তুৰে আধা আধা দৃশ্যাক খাবলৈ দিলোঁ। তেওঁ তেনেই অকণমানি ছোৱালীৰ দৰে আজিও মোৰ আদেশ শিৰোগত কৰি মই আগবঢ়াই দিয়া মোৰ ভাগৰ আধাবোৰ খোৱাত লাগি গ'ল। মই ক'লোঁ—বঙালীতে ওলাই আহিছিল দেই, বেয়া নেপাবি—'কাল সন্ধ্যায় ভুবনেশ্বৰীৰ শৃঙ্গ হতে আমাৰ এই ৰূপেৰ নগৰীটা তাকিয়ে দেখছিলাম। তখন তোমাকে যে আমাৰ কিভাবে মনে পৰেছিল! সন্ধ্যাৰ বিদ্যুৎবৰ্ত্তিগুলো আমাৰ আকাশেৰ তাৰা তাৰা লেগেছিল। সেই অনেক তাৰাৰ মধ্যে তুমি কোথায় লুকিয়েছিলে?' মোৰ প্ৰশ্নৰ উত্তৰত দৃশ্যাই কৈছিল, "ডিব্ৰুগড় থেকে গুৱাহাটীৰ এই আকাশ আৰ অনেক দূৰ হ'বে। এত দৰেৰ এই আকাশেৰ চব তাৰাই তখন আপনাৰ চোখ থেকে হাৰিয়ে যাবে না?' মই কৈছিলোঁ, 'মানুষেৰ জীবনে আকাশেৰ তাৰা কি আৰ হাৰিয়ে যেতে পাৰে?' দৃশ্যাই ওলোটাই প্ৰশ্ন কৰিছিল, 'পাৰে না?' মই কৈছিলোঁ, 'Universal truth, বিশ্বজনীন সত্য কি আৰ কখনো অসত্য প্ৰমাণিত হতে পাৰে?' দৃশ্যাই আৱেগ বিজড়িত এক কণ্ঠস্বৰেৰে কৈছিল, 'না, তবু আমাৰ মনে হয়, আপনি এত দূৰে গিয়ে এই আকাশ, এই তাৰা চব ভুলিয়ে যাবেন।'

"দৃশ্যাই যেন মোক এটি নিষ্ঠুৰ আঘাত হে দিছিল তেনে এটি আহত মনৰ দৃষ্টিৰে মই তেওঁলৈ চাই পঠিয়াইছিলোঁ নীৰৱে। দৃশ্যায়ো মোৰ পিনে চাইছিল সেই একেই দৃষ্টিৰে। অলপ পিছতে তেওঁ কৈ উঠিছিল, 'বিদায়ৰ পূৰ্ব্বমুহূৰ্ত্তে আপনাকে একটা ক্ষুদ্ৰ উপহাৰ দেবো, নেবেন?' মই তেওঁৰ পিনে চাই থাকি অলপ পিছত কৈছিলোঁ, 'গ্ৰহণ নকৰাৰ জানো প্ৰশ্ন থাকিব পাৰে?' তেওঁ লগে লগেই ভিতৰলৈ গৈছিল আৰু এই ফটো দুটি আনি মোৰ হাতত তুলি দিছিল। তেওঁ সুধিছিল, 'এমন একটা ক্ষুদ্ৰ উপহাৰেৰ প্ৰয়োজন কি আপনাৰ হ'বে?' মই কৈছিলোঁ, 'তোমাৰ এই উপহাৰ গ্লাচেৰে বান্ধি ৰাখিম মই মোৰ টেবুলত।' দৃশ্যা বেন্ধ

অলপ সঙ্কুচিত হৈ উঠিছিল। তেওঁ কৈছিল, 'যা কিছু আপনাক দিলাম, তাকে আমাৰ সর্ত্ত ছেড়ে দিয়ে দিচ্ছি। তাকে আপনাৰ যা খুচী তাই কৰবেন। কিন্তু, একটা কথা জিজ্ঞেস কৰি, আমাৰ উপহাৰেৰ মর্য্যাদা কখনো ক্ষুণ্ণ হতে আপনি দিবেন না তো?' মই দৃঢ় কণ্ঠেৰে ক'লোঁ, 'তোমাৰ দানেৰ মর্য্যাদা আমি কখনো ক্ষুণ্ণ হতে দেবো না।' দৃশ্যাৰ মুখত আনন্দৰ ৰেখা ফুটি উঠিছিল তেতিয়া। তেওঁ আবেগজড়িত স্বৰেৰে কৈছিল, 'ডিব্রুগড়েৰ অনেক ছাত্র-ছাত্রীৰ ভিৰেৰ মাঝে আপনাৰ স্মৃতিৰ ছায়াপথে আমাৰ ছবি যদি কখনো আবছা অৱস্থাতেও ভেঁসে ওঠে, তাহলেই আমি নিজেৰে ধন্য মনে কৰবো।' তাৰ উত্তৰত এই বুলি কৈ মই তেওঁৰ পৰা বিদায় লৈ আহিলোঁ, 'দৃশ্যা, তোমাৰ ছবি মোৰ স্মৃতিৰ ছায়াপথত আবছায়া অৱস্থাত নহয়—মোৰ মনৰ নিৰলাত, মোৰ অন্তৰৰ গহনত চিৰ দিন স্পষ্ট আঁকা ৰ'ব।'

কথাখিনি কৈ শেষ কৰাৰ লগে লগে মই নলিনীৰ লগত 'হেণ্ডচেক্' কৰিলোঁ আৰু হাঁহি মাৰি ক'লোঁ, "জীৱনত ছোৱালীৰ ওপৰত, ছোৱালীৰ প্ৰেমৰ ওপৰত সকলো আস্থা হেৰুৱাই পেলাইছিলোঁ। তই তোৰ বিদায়ৰ আগদিনা সেই আস্থা ঘূৰাই আনি দি গ'লি, নলিনী।"

কিন্তু মোৰ এই কথাৰ লগে লগে নলিনী গোটেই মানুহজন যেন ভাঙি পৰিল। সি চকীখনত বহি পৰি গাটো অলসভাবে এৰি দিলে আৰু কৈ গ'ল, "কিন্তু ইমানৰ পিছতো তোক সঁচা কথা কৈছোঁ বেদান্ত, দৃশ্যাক মই কেতিয়াবা নিজৰ কৰি পাম, মই কেতিয়াবা মানুহৰ বাটেৰে যাম, মোৰ কেতিয়াবা বিয়া হ'ব—এইবোৰ মোৰ কেতিয়াও বিশ্বাস নহয়। কেতিয়া ক'ত কি ভুল হৈ গ'ল, যিহৰ ফলত মই কেতিয়াও মানুহৰ দৰে থকা, মানুহৰ দৰে হোৱা কেতিয়াবা সম্ভৱ হ'ব বুলি আৰু ভাবিব নোৱাৰোঁ? মোৰ দৃশ্যাৰ স'তে বিয়া নহয়, বেদান্ত। কাৰো স'তে কেতিয়াও মোৰ বিয়া নহয়। মোৰ মনৰ কোনোবা খিনিত কিহবাই যেন অহৰহ মোক চিঞৰি কৈ আছে, মই মানুহৰ বাটেৰে যাব নোৱাৰোঁ—মোৰ বিয়া নহয়।"

মই তাৰ অৱস্থা দেখি নিজেও যেন অলপ আবেগ-জড়িত হৈ পৰিছিলোঁ। মই ক'লোঁ, "তই তো অকল তোৰ কথা কোৱা নাই। তই যে মোৰো মনৰ কথা তোৰ মুখেৰে ব্যক্ত কৰিছ।"

সি ক'লে, "নাই, তই তেনেকৈ নকবি, নলিনী। তোৰ অৱস্থা বহুত বেলেগ। তোৰ মন বহুত সুস্থ। তই সুখী হ'বি।"

পিছ দিনা পৰা আমি সোনকালে উঠি গা পা ধুই ভাত খাই লৈছিলোঁ। ভাত খাই উঠিয়েই সি বেৰত আঁৰি থোৱা ধুমুহা-বিধ্বস্ত আকাশৰ লক্ষ্যহাৰা পখীটিৰ ছবিটি খহাই আনি ট্ৰাঙ্কত ভৰাব খুজিছিল। মই ক'লোঁ, "তোৰ তো আৰু এই ছবিৰ প্ৰয়োজন নাই। তোৰ আকাশত এতিয়া ধুমুহা নাই। লক্ষ্য এক নিৰ্দ্দিষ্ট বিন্দুত স্থিৰ হোৱা তই এতিয়া এক সৌম্য পৃথিবীৰ সুস্থিৰ ব্যক্তি। তোৰ এই চিত্ৰখন মোক দান দি যা, নলিনী।"

সি ইতিমধ্যেই চিত্ৰখন ট্ৰাঙ্কত ভৰাই ট্ৰাঙ্কটোত তলা লগাই তাক সহায় কৰি দিবলৈ অহা ছাত্ৰ দুজনৰ লগত হোল্ডল আৰু ট্ৰাঙ্কটো ৰিক্সাত তুলি দিছিল। ওলাই যোৱাৰ আগমুহূৰ্ত্তত এবাৰ সি মোৰ কোঠাটোৰ চকীখনত বহি লৈ ক'লে, "তেনেকৈ নকবি, বেদান্ত, তোক মই কালি ৰাতিয়েই কৈছোঁ, ধুমুহাই ছেদেলি ভেদেলি কৰা সেই মেঘবোৰ, বাতগ্ৰস্ত আকাশৰ সেই নিঃসঙ্গ লক্ষহাৰা পখীটি আৰু তলৰ সেই অস্থিৰ গছডালিৰ যি পৰিস্থিতি, সি মোৰ জীৱনত কেতিয়াবা পৰিৱৰ্ত্তিত হ'ব—এনে আশ্বাস নাই। যদি সেই আকাশৰ ধুমুহা কেতিয়াবা শাম কাটে, পখীটিয়ে লক্ষ্য ঘূৰাই পায়, গছডালি স্থিৰ হয়, আৰু মই মানুহৰ বাটলৈ উভতি আহিব পাৰোঁ, ছবিখন সেইদিনা মই তোক নিশ্চয় ঘূৰাই দিম।"

আমি দুয়ো ৰিক্সাত বহিছিলোঁ গৈ। ৰিক্সাখন পল্টন বজাৰলৈ দ্ৰুতগতিত চলাই নিয়া হৈছিল। আমি দুয়োৰে মনত কথা নাছিল বহুতো সময়লৈ। মাজতে নলিনীয়ে বিদায়ৰ বেদনাত অস্বাভাৱিক ভাবে কাঢ় হৈ পৰা তাৰ মাতটিৰে মোক কৈছিল, "মানুহে মোক বাহিৰৰ পৰা দেখি হয়তো ভাবিব মই এজন ভাগ্যৱান, বিদ্বান, উচ্চ ব্যক্তি। কিন্তু মোৰ ভিতৰখন নেদেখা, মোৰ মনৰ খেলি-মেলি, মোৰ জীৱনৰ শৃঙ্খলাহীন কাৰ্য্যকলাপবোৰ ওচৰৰ পৰা নেদেখা কোন মানুহে বুজিব মোৰ প্ৰকৃত স্বৰূপ? কিমানে বুজিব, মানুহৰ চকুত এই যি মোৰ পদোন্নতি—ই লক্ষ্যহীন মনৰ, উদ্দেশ্যহীন জীৱনৰ এটি মাথোন নিৰুদ্দেশ গতিত বাহিৰে আৰু একো নহয়। তোৰ বাহিৰে কোনে আৰু বুজিব বেদান্ত, যে এম্. এ. ত নাম লিখাটো যিদৰে আমাৰ কোনো উদ্দেশ্যপূৰ্ণ আঁচনিৰ ভিতৰুৱা নাছিল, কলেজত অধ্যাপক হোৱাটো যিদৰে আমাৰ কোনো আদৰ্শসম্ভূত ইচ্ছা নাছিল, সেইদৰে গুৱাহাটীৰ কলেজ এৰি ডিব্ৰুগড়ৰ বিশ্ববিদ্যালয়লৈ যোৱাটোও মোৰ কোনো উচ্চ বা মহৎ আকাঙ্ক্ষা পৰিপন্থি নহয়! মোৰ জীৱনৰ চিৰ উদ্দেশ্যহীনতাৰ, মোৰ মনৰ চিৰ অস্থিৰতাৰেই ই মাথোন নামান্তৰ।"

"তথাপি তোৰ আকাশে লাহে লাহে সৌম্য মূৰ্ত্তি ধৰি আহিছে। তই এতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ত মন পুতি গৱেষণা আৰম্ভ কৰিব পাৰিবি। দৃশ্যাই হ'ব তোৰ এই বহু কষ্টসাধ্য কামৰ উদ্‌গনিৰ উৎস।" মই নলিনীক ক'লোঁ।

কিন্তু মোৰ কথাত নলিনীয়ে চেক চেকাই হাঁহি উঠিল। সি ক'লে, "তই যে এতিয়াও আকাশৰ কথা, গৱেষণাৰ কথাৰ দৰে ডাঙৰ ডাঙৰ কথাবোৰতেই লাগি আছ, তাৰ বাবে তোক ধন্যবাদ। আকাশ, গৱেষণা আদি বৰ বৰ কথাবোৰৰ কথা মই কিন্তু ইতিমধ্যে মনৰ পৰা আঁতৰাই পেলাইছোঁ। মোৰ আজিৰ এই বিদায়ৰ আগমুহূৰ্ত্তত মনত পৰিছে, এখন বহল, উদাৰ আকাশৰ কথা নহয়; মোৰ মনত পৰিছে মোৰ ঘৰৰ পিছ-ফালৰ সেই মেটেকা পুখুৰীটোৰ কথা, আৰু তাৰ তপ্তপানীত শীতলতা বিচাৰি ফুৰা দুভগায়া সেই মাছবোৰৰ কথা। দলনি-মেটেকাৰে থাহ খাই থকা পিটনি-পুখুৰীৰ জয়াল পৰিবেশ বং বিৰঙৰ পেইণ্ট্ কৰা আইৰণ ফেন্‌চিঙেৰে মনোৰম হৈ উঠিল। কিন্তু তাৰ মাছবোৰ? মোৰ এই মুহূৰ্ত্তত আমাৰ এই পুখুৰীৰ মাছবোৰলৈ ৰৰকৈ মনত পৰিছে, বেদান্ত। আৰু মনত পৰিছে সেই পুখুৰীৰ পাৰত অসহ্য গৰমত আমি দুয়ো একেলগে শীতল বতাহ লোৱাৰ কথা। মনত পৰিছে, আমাৰ মনৰ অস্থিৰ, দোদুল্যমান পৰিস্থিতিত সেই পুখুৰীৰ পাৰত বহি পানীত বেলুন উটাই দি ধেমালি কৰাৰ কথা। মোৰ আজি উপলব্ধি হৈছে, সেয়েই কিজানি আমাৰ প্ৰকৃত জীৱন। বিশ্ববিদ্যালয়ৰ অধ্যাপনা, গৱেষণা—এইবোৰ মিছা। আমাৰ বাবে এইবোৰ মিছা, বেদান্ত।"

মই তাক ক'লোঁ, "গৱেষণা তেন্তে তই সঁচাই বাদ দিলি নেকি?"

সি কৈ উঠিল, "লাও-কোমোৰাৰ ওপৰত গৱেষণা কৰাৰ কথা যদি কৈছ, তেন্তে তাৰ কথা স্বকীয়া। কিন্তু এই টুলুঙা বিষয়বোৰক বাদ দিলে, প্ৰকৃত অৰ্থত যি গৱেষণা—সি মোৰ দ্বাৰা নহ'ব। এৰা, মই সেই ফাৰ্ ইষ্ট্ এচিয়াৰ ডেম'ক্ৰেচিৰ বিষয়টো বাদ দিলোঁ, বেদান্ত।"

নলিনীৰ কথাত মই আচৰিত হোৱা নাছিলোঁ। বৰং তাৰ এই সিদ্ধান্তই মোক আনন্দ দিলে। ময়ো মোৰ সেই কঠিন গৱেষণাৰ বিষয়টোক লৈ সুখী হোৱা নাছিলোঁ। তাৰ সিদ্ধান্তৰ কথা শুনি মোৰ মনটো পাতল লাগিল। মনে মনে গৱেষণাৰ দৰে কষ্টসাধ্য কাম এটিৰ পৰা ময়ো বিদায় ললো লগে লগে।

তাৰ পিছত আমি দুয়ো অসম্ভৱ ধৰণে নীৰৱ হৈ পৰিছিলোঁ। আমাৰ ৰিক্সা জোৰেৰে চলিছিল।

ক্রমে ক্রমে আমি বাচ ষ্টেচন আহি পাইছিলোঁ। আমি আহি পোৱাৰ লগে লগেই বাচখন এৰিবৰ সময় হৈছিল। ঘণ্টা বজাৰ লগে লগেই ছাত্র দুজনে আৰু মই নলিনীক বাচত তুলি বহুৱাই দিলোঁ। তাৰ পিছত আমি বাচখনৰ পৰা নামি আহিলোঁ। গাড়ীখন লাহে লাহে চলিবলৈ আৰম্ভ কৰিলে। খিৰিকীৰে নলিনীয়ে আমাৰ পিনে চাই সোঁহাতখন ভাঁজ খুৱাই দাঙি ধৰিছিল। তাৰ মুখত তেতিয়া হাঁহি নাছিল। এক অদ্ভুত বিষাদৰ কলা ছাঁ এটিয়ে তেতিয়া তাৰ আৰু আমাৰ চৌদিশ আৱৰি ধৰিছিল। আমিও আমাৰ একো একোখন হাত ভাঁজ খুৱাই দাঙি ধৰি তাক বিদায় দিছিলোঁ। গাড়ীখন ইতিমধ্যে বহুখিনি আঁতৰি গৈছিল। নলিনী আমাৰ দৃষ্টিৰ পৰা হেৰাই গৈছিল। আমি সেই শূন্য ঠাইখিনিতে থিয় হৈ আছিলোঁ।

ইয়াৰ পিছত নলিনীক আগবঢ়াই দিবলৈ অহা ছাত্র দুজনেও মোৰ পৰা বিদায় লৈছিল। মোক এৰি যোৱাৰ আগে আগে তেওঁলোকে মোক সুধিছিল, "আপুনি এতিয়া কলৈ যাব, চাৰ ?" তেওঁলোকৰ এই প্ৰশ্নত যেন মই উচপ খাই উঠিলোঁ। তৎক্ষণাৎ মোৰ চকুৰ আগত ভাঁহি উঠিল মোৰ ঘৰটিত শূন্য হৈ পৰা নলিনীৰ সেই কোঠাটো আৰু সেই শূন্যতাই শূন্য কৰি তোলা মোৰ সমগ্ৰ ঘৰটো মোৰ সমগ্ৰ জীৱনটো। ছাত্র দুজনক তেওঁলোকৰ সেই প্ৰশ্নৰ মই কি উত্তৰ দিছিলোঁ কব নোৱাৰোঁ। কিন্তু মই যিমানেই মোৰ ঘৰমুৱা হৈ খোজ দিলোঁ, সিমানেই মোৰ মনত বাৰে বাৰে বাজি উঠিবলৈ ধৰিলে মোৰ ছাত্র দুজনৰ সেই প্ৰশ্নটি, মই এতিয়া কলৈ যাম ? যিমানেই মই মোৰ ঘৰমুৱাকৈ আগুৱাই গ'লোঁ, সিমানেই মোৰ মনত বেচি স্পষ্ট আৰু বেচি ঘন ঘনকৈ বাজি উঠিবলৈ ধৰিলে তেওঁলোকে মোক সোধা সেই প্ৰশ্নটি—মই এতিয়া কলৈ যাম ?